অমৃতস্য পুত্র

গঙ্গানাথ শর্ম্মা

AMRITASYA PUTRA · A novel written in Assamese
by prof Ganga Nath Sarma and published by
Sri Rajkamal Sarma, Fatasil, Guwahati - 781009
Printed by Bina Chapasal. Ghy-9

অমৃতস্য পুত্ৰ

লিখকৰ দ্বাৰা সৰ্ব্বস্বত্ব সংৰক্ষিত ।

বেটুপাতৰ শিল্পী—নৃপেন কলিতা ।
প্ৰকাশক—শ্ৰীৰাজ কমল শৰ্ম্মা ।
প্ৰথম প্ৰকাশ—২৯ জানুৱাৰী '৮৭
মুদ্ৰক : বীনা ছপাশাল, গুৱাহাটী-৯

মূল্য—৬৫·০০ টকা

কৌটাম্-বিহ্ন

অন্তৰৰ কথা আৰু কৃতজ্ঞতা জ্ঞাপন :—

DIRECTOR, LIBRARY SERVICES ASSAM

উনৈশ শ চৌৰাশী খ্ৰীষ্টাব্দৰ মাৰ্চমাহৰ ছাবিশ তাৰিখে মই অধ্যাপনা কৰ্মৰ পৰা অৱসৰ লওঁ। বহুতে মোক উপদেশ দিলে—'আপুনি এতিয়া লিখক, প্ৰিন্সিপাল—চিন্সিপাল আৰু একোৱেই হ'ব নালাগে। কেৱল একান্ত মনে লিখক। আন কিছুমানে আকৌ মৰমৰ গালিও পাৰিলে—'আপুনি নিয়মীয়াকৈ নিলিখি অসমীয়া সাহিত্যৰ বৰ অনিষ্ট সাধন কৰিছে। আপুনি মৰিলে দেহটোৰ লগতে আপোনাৰ জ্ঞানো চিতাভস্মহৈ যাব—মাটি হৈ যাব—ভাত বন গজিব-বনবোৰ কোনোবাই চাচি-চুকুকি পেলাই দিব—গংগা শৰ্মাৰ অস্তিত্ব চিৰকালৰ বাবেই হেৰাই যাব ।' মোৰ শ্ৰদ্ধেয় আৰু মৰমৰ হিতাকাংক্ষীবোৰে মোৰ কপৰ্দক তুল্য জ্ঞান, শব্দটোৰ লগত গুৰুভাৰ বিশেষণ শব্দবোৰ অযুক্তিকৰ আৰু আবেগিক ভাৱে যোগ কৰি দিয়ে। মোৰ হাঁহি উঠে, দুখ লাগে, ভয় লাগে, লজ্জিত হওঁ—মই কোনবোৰ খোলাকটি জ্ঞানৰ অধিকাৰী? মোৰ কিমান কিতাপ ছপা হৈছে?

১৯৭২-৭৩ চনত লিখা প্ৰায় ৭২ টা প্ৰবন্ধ ভগা আলমাৰীত উৱলি যাব ধৰিছে, আজিলৈ কিতাপ আকাৰে ছপা হৈ ওলোৱাৰ সুযোগ নাপালে।

কটন কলেজৰ এসময়ৰ স্বনামধন্য অধ্যাপক আৰু মোৰ শিক্ষাগুৰু অসমৰ বিদগ্ধ সংস্কৃত পণ্ডিত—শ্ৰীযুক্ত ৰজনীকান্ত দেৱশৰ্মা দেৱে এইখন উপন্যাসৰ লগতে কেইটামান প্ৰবন্ধ ওপৰে ওপৰে চকু ফুৰাই কলে—'তোমাৰ প্ৰবন্ধবোৰ চিন্তা গধুৰ আৰু তত্ত্বমূলক। বিষয় বস্তু অনুসাৰে প্ৰবন্ধবোৰ ভাগ ভাগ কৰি পেলোৱা আৰু তুমি নিজেই এবাৰ ওপৰে ওপৰে হাত ফুৰাই যোৱা—বাচিং ক'ৰবাত দুই এটা আখৰ পৰি যোৱাটো বা বৰ্ণাশুদ্ধি ওলোৱাটো স্বাভাৱিক। প্ৰকাশকক নিদি তুমি নিজেই ছপা কৰি দিয়া। বৰ ডাঙৰ আকৃতিৰ কিতাপ নকৰি, কিছু

পৰিমাণে সক আকাৰৰেই কিতাপ কৰা ভাল হ'ব নেকি ?' কিন্তু মোৰ কিতাপ ছপোৱাৰ সামৰ্থ্য এতিয়া ক'ত ? মই চুপহৈ থাকিলোঁ। মোৰ ভাগ্যত হয়তো প্ৰকাশৰ একণ আনন্দও নাই।

বহুতৰে মৰম আৰু জোৰ দাবী অনুযায়ী সকলোৰে গ্ৰহণ যোগ্য উপন্যাস লিখা এইটো জানো মোৰ বয়স। উপায়ন্তৰ হৈ মোৰ শুভাকাংক্ষীয়ে কৰা মৰমৰ আমনিক ভুৱা দি মুখ সোপা দিবলৈ জীৱনৰ কিছু অভিজ্ঞতাক ৰূপ দিয়া লিখনী এখনিৰে বৈতৰণী পাৰ হবলৈ বিচাৰিলোঁ। অধ্যক্ষ, অধ্যাপক আৰু বহু সাহিত্য প্ৰেমীয়ে তাক ৰব উচ্ছ্বসৰ তত্ত্বমূলক ৰচনা হোৱা বুলি কোৱাত মই কিছু সাহস পালো আৰু ফটা কাগজ আৰু ভগা কলম লৈ ১৯৮৫ চনৰ জুন মাহৰ ১০ তাৰিখে মোৰ প্ৰথম উপন্যাস 'অমৃতস্য পুত্ৰ' লিখা আৰম্ভ কৰিলো। জুন মাহৰ ১০ তাৰিখটো মোৰ প্ৰিয়তমা পত্নী উষাৰাণী শৰ্মাৰ জন্মদিন।

এদিন মোৰ প্ৰিয়তমা পত্নীয়ে মোক কলে—এই পৃথিৱীৰ কোনোৱেই দিব নোৱাৰা বস্তু তিনিটা আপুনি মোক দিব লাগিব—কওকচোন বস্তু তিনিটা কি ? ইমান জ্ঞানী মানুহ হৈ নিশ্চয় আপুনি বস্তুবো কি ধৰিব পাৰিব। মই হতভম্ব হৈ গলোঁ, মোৰ টুলুঙা জ্ঞান বিদ্যা-বুদ্ধিৰে তাৰ তলানলাই ধৰিব নোৱাৰিলোঁ—মই ভেবা-লাগি থাকিলোঁ কিছু সময়। 'ধৰিব পাৰিছেনে—কওকচোন।' মই কলোঁ—'মোৰ তলিফুটা বিদ্যাৰ ভুলুঙা নাওখন হয়তো পানীৰ ওপৰতে ভাহি থকা বস্তুটিকেই উদ্ধাৰ কৰিবলৈ অক্ষম হৈ পৰিল, তুমিয়েই কোৱাচোন সেই বস্তু নো কি।' 'নোৱাৰিলে নহয় ? অৱশ্যে নোৱাৰিবৰেই কথা। তেনে বস্তু স্বাভাৱিকতেই আনে হয়তো নোখোজে। বস্তুটো কি জানে ? ·· মোৰ কপালৰ সিন্দুৰৰ ফোঁটটো, মোৰ হাতৰ বালা আৰু আপোনাৰ এই মৰমৰ কোলা—এই তিনিটাই মোৰ শেষ নিশ্বাসৰ বৈজয়ন্তী মালা।' কলিজাক আজুৰি চিঙি নিয়া তেওঁৰ এনে কথা শুনি মই সৰগ পৰা মানুহৰ দৰে থৰ পৰিগলোঁ। তেওঁ

মূৰটো মোৰ বুকুৰ মাজতে সুমুৱাই লৈ চকু'লা মচি মচি মাত্ৰ মোৰ ভাংভাজা খোলা স্বৰূপ আপদীয়া মূৰটো 'নেতি'বাচক ভংগীত জোকাবি থাকিলোঁ—মই সম্পূৰ্ণ বাকৰুদ্ধ হৈ পৰিলোঁ বহু সময় ধৰি। বহুপৰৰ নিস্তব্ধতাৰ অন্তত মই—খোকাথুকি মাতেৰে কলোঁ—'আমি দুয়ো একেলগে মৰিম ঘুৰি ফুৰিয়েই মৰিম—কাৰো দুখে কাকো মাৰি নেপেলায়।' তেৱেঁা মাত্ৰ তৃপ্তিৰ হাঁহি এটা মাৰি বিজ্ঞৰ দৰে 'নেতি'বাচক ভাবে মূৰটো জোকাবিলে—কেইবাৰ মান।

আগদিনা '৮৬নৰ আঠাইশ জানুৱাৰীত প্ৰায় উনত্ৰিশ ঘণ্টা আগতে নাৰ্চিং-হ'মত তেওঁৰ লগ্নাদি লৈয়েই নাতিনীৰ জন্ম হৈছিল। প্ৰায় তাৰ আঠ মাহ আগতে তেওঁৰ জন্ম দিন দহ জুনৰ সপ্তমদিনা অৰ্থাৎ ষোলজুন তাৰিখে আমাৰ ছোৱালী (শ্ৰীমতী ৰাজশ্ৰী ফুকন) ৰ কালৰ মোৰ প্ৰথম নাতিনী ছোৱালীক আগধৰি মোৰ পত্নীয়ে তেওঁৰ ৰাশি, নক্ষত্ৰাদি দি থৈছিল।

উনত্ৰিশ জানুৱাৰী বুধবাৰে গধূলি নাৰ্চিং হমৰ পৰা আহিয়েই ওপৰৰ মোৰ কোঠালীত সোমাই কোষ্ঠীখনৰ চাই লিখি দিছোঁনে নাই তেওঁ মোক সুধিলে। মোৰ দ্বিতীয় লৰা শ্ৰীমান জোনৰ বিয়াৰ কথা চলিছিল সেই সময়ত। মই কলোঁ যে ইমানবোৰ যোৰা কোষ্ঠী চাই লিখি দিওঁতে বহু সময় লাগে— বহু সময় যোৰাত গোটেই দিনটো মোৰ কিতাপ লিখা কাম বন্ধ হৈ গৈছে। বিশেষতঃ মইতো সিমান ভালকৈ কোষ্ঠী চাব নাজানো। পাচৰ দুখন পুৰা হোৱাই নাই। তুমি বহা মোৰ কাষতেই—মই বুজাই দিওঁ। তেওঁ কলে 'মই তলৰ বাথৰুমত গা ধো গৈ, কোষ্ঠীবোৰ লৈ যাওঁ পটি চাই সুবুজিলে আকৌ আপোনাৰ ওচৰলৈ লৈ আহি বুজি লম'। মোৰ সহধৰ্মিনীয়ে জ্যোতিষৰ বিষয় বহুত জানিছিল। মই কলোঁ—'দিনটোত

এবাৰো দেখা নাপাওঁ, কাম কাম কৈ দেহা মাৰি ঘূৰি ফুৰা। এতিয়া মোৰ ওচৰত পোন্ধৰ, দহ বা পাঁচ মিনিট সময়ো তুমি বহিব নোৱাৰানে? ... ... বহাচোন মোৰ কাষতে। কোষ্ঠাও বুজাই দিওঁ, – জিৰণিও লোৱা। মই ইযাতেই গৰম পানী কৰি দিবলৈ কওঁ— গাটোও ইযাতেই ধোৱা " " এতিয়া অলপ বহাচোন মোৰ কাষতে ' " ' ।' বুদ্ধিমতী সহধৰ্মিণীযে মোৰ অন্তৰৰ ওপৰঞ্চি অথবা মূল কথা'টো'কই বুজি পাই লাজকুৰীযা হাঁহি মাৰি চকু দুটা আধামান ঢাকি ধৰি কলে—'বহিবৰ ক'ত সময় আছে? মই দিনটো মৰি'আছোঁ। মই আহিম দিযক। মই আকৌ আপোনাৰ ওচৰলৈকে আহিম ' এতিযা যাওঁ দেই বাৰু।' শুনা সুগুনাকৈ কলে— 'আপোনাৰ দুখ লাগিছে নিশ্চয়। সক লৰাৰ দৰে আপোনাৰ প্ৰতি কেতিয়াবা মোৰ বৰ মাযা লাগে। কি কৰিম মই? কামৰ মাজত মই মেচিনৰ দৰে হৈ গৈছোঁ। সদাযে আলহী অতিথিলৈ ঘৰখনত এজাক মানুহৰ ভিৰ দুগুচেই। নিজৰ দেহটোকেই চিনি নোপোৱা হৈ গৈছোঁ, মই যাওঁ, আপোনাৰ ওচৰলৈ আকৌ আহিম।' মোৰ মনটো ভাঙি পৰিল। মই কলোঁ—'তুমি এবাৰ মোৰ কাষৰ পৰা গ'লে আৰু অহাটো হৈছে। তুমি নিজে নিজে নবহিলেতো মই তোমাক জোৰ কৰি বান্ধি ৰাখিব নোৱাৰোঁ। মই নিৰুপায় যেতিযা-যোৱা, কিন্তু আহিবা জানো আকৌ?' মোৰ বিষণ্ণ মুখ দেখি মোৰ মৰমৰ পত্নী ওচৰৰ পৰা গুচি গল— যাওঁ নাযাওঁ কৈ গুচি গ'ল।

মোৰ উপন্যাস 'অমৃতস্য পুত্ৰ'ৰ শেষ পৰ্বটোৰ শেষ শৰ যাত্ৰাৰ কথাখিনি তেতিয়া মই লিখি আছিলোঁ। উপন্যাসখনৰ আগৰ সকলো পৰ্বকেই শ্ৰদ্ধেয় শিক্ষাগুৰু শ্ৰীযুত ৰজনীকান্ত শৰ্মাদেৱে দয়া

কৰি চাই দিবলৈ আগ্ৰহ প্ৰকাশ কৰাত ভেখেতক লবালৰিকৈ দি দিছিলোঁ—এবাৰ ওপৰে ওপৰে পঢ়িচাবৰো সময় সুবিধা নহ'ল— দ্বিতীয় নকল এটা কৰাৰতো প্ৰশ্নই নাই।

মই মোৰ উপন্যাসৰ মাজত ৰাতি ৰাৰটা এটা বজালৈ ভুবি থাকি অন্তৰখনক কাণখোৱা বীৰৰ নীচুকণী গীত শুনাও—অন্তৰখন কিন্তু কন্দীযা কানাইৰ দৰে মুখ টিপি টিপি হাঁহিব খোজে।

মোৰ মৰমৰ সহধৰ্মিণী যাওঁ নাযাওঁ কৈ মোৰ ওচৰৰ পৰা গুচি যোৱাত মোৰ অন্তৰ বিষাদৰ ক'লা ডাৱ'ৰে ঢাকি ধৰিলে। উপন্যাস লিখা আদি কোনো কথাতেই মন নবহিল। উঠি আহি বাৰান্দাত কপালখন টিপামাৰি ধৰি এখোজ-দুখোজ কাটি অহা যোৱাকৈ আছোঁ। তেওঁ নামি যোৱাৰ এক মিনিট পাচতেই বিয়াৰ চিঠি এখনো দি কৈ পঠিয়ালোঁ—'গাধোৱা ঘৰত সোমোৱাৰ আগতেই তেওঁ চিঠিখনহে প্ৰথমে পঢ়িব ।' ঠিক তিনি মিনিট পিচতেই সৰু ভতিজী ছোৱালী শ্ৰীমতী ৰাখী—আহি মোক কলে—'বৰমা বাথৰুমত ফিট হৈ পৰিগৈছে ।' মই দৌৰি নামি গৈ দেখো—তেওঁক নতুন ঘৰটোৰ গা-ধোৱা-ঘৰৰ দুৱাৰ ভাঙি মোৰ লৰা জোন আৰু জীউটিয়ে উলিয়াই আনিছে। মই গৈ তেওঁৰ ভৰিহাত পিহি আছোঁ। সোনকালেই জ্ঞান পাব বুলি ভাবিছিলোঁ-হাতভৰি গৰমেই আছে। কিন্তু কিছু পৰৰ মূৰত ডাক্তৰে কলে—She is already expired. মই তেওঁৰ গাত আচাৰখাই পৰিগলোঁ। তেওঁ তেতিয়া মোক চিৰকালৰ কাৰণেই এবিধৈ ক'ৰবাৰ অজান দেশলৈ গুচিগৈছে—মোৰ কাষত বহিবলৈ তেওঁৰ ক'ত সময় আছে। তেওঁ কাৰ ওচৰ পালেগৈ বাৰু? কাৰ ওচৰত বহি থাকিল গৈ তেওঁ? কোন সেই মহা ভাগ্যবান পুৰুষ? মোৰ কথা— জীউটিৰ কথা— মিনি, অংশু, জীনটি, সংঘমিত্ৰা, মৈত্ৰেয়ী

আদি বাৰোযেই কথা নাভাবিলে এবাৰ। মই এইদৰে কিমান দিন তিলতিল কৈ মৰি মৰি জীয়াই থাকিব লাগিব। জলি পুৰি দহি দহি মৰিব লাগিব। সিদিনাহে সম্পূৰ্ণ বুজিলো—সঁচাকৈয়েই জীৱনৰ কোনো নিশ্চয়তাই নাই—জীৱনৰ কোনো মূল্যই নাই। তেওঁৰ হেনো আঠ মাহ মাতৃ গৰ্ভাৱস্থাতেই জন্ম হৈছিল, তেওঁৰ লগৰ পোৱা নাতিনীও তাৰ আঠ মাহ আগতেই মাতৃ-গৰ্ভত স্থিতি হৈছিল আৰু সেই নাতিনীও আঠ মাহত জন্ম পোৱাৰ উনত্ৰিশ ঘণ্টা পিচত, উনত্ৰিশ জানুৱাৰীত তেওঁ দেহত্যাগ কৰিলে, — কি বিস্ময়কৰ সংযোগ। পৃথিৱীৰ উত্তৰ গোলাৰ্দ্ধ যেতিয়া মৃত্যু নীৰৱ নিদ্ৰা-কবলিত, আকাশৰ তৰালিৰ সতে শৱদেহৰ উন্মীলিত চক্ষুৰ দৃষ্টিলৈ মই তেতিয়া সাৰে থাকোঁ। তেওঁৰ চকুৰ পতা মুদখাই গৈছিল—মোৰ সেই শেষ দিনটোলৈযেই চকুৰ পতা মেলখাযেই ৰবনেকি বাৰু? পৃথিৱীখনত সকলো আছে—মই যেন নিজেই নাই।

দহজুনৰ জন্ম দিনত দিব খোজা আঙুঠিটো দানোৎসৰ্গত দিলোঁ। দোপকীয়া চেইন এডালৰ লগতে অমৃতস্য পুত্ৰ'কো মোৰ মৰমৰ সহধৰ্মিণী উষাৰাণী শৰ্মাৰ হাতত পুৰস্কাৰ স্বৰূপে তুলিদি তেওঁক আচৰিত কৰি দিম বুলি মৌনতা অৱলম্বন কৰি আছিলোঁ,—আজি এই দীৰ্ঘ সূত্ৰতাই মোক দহি দহি মাৰিছে।

তুমি এদিন গধূলি চোকাত বহি আছিলোঁ। তলমূৰকৈ থকা তেওঁ মোৰ ভৰিৰপতা ভুখনলৈ চাই কৈছিল—'আপোনাৰ উপন্যাসখন ওলালে মোৰ যে কিমান ভাল লাগিব? কি নাম দিব—'নীল শিৱ-সংগম' নে 'অমৃতস্য পুত্ৰ?' পঢ়িবলৈ বৰ ইচ্ছা গৈছে। সেই দিনটোলৈ মই অধৈৰ্য হৈ পৰিছোঁ। আপোনাৰ নিচিনা স্বামী শ্ৰীমান বিজু ফুকনৰ নিচিনা জোৱাই পাই মই জানো সেই অৰুন্ধতী, তাৰা অথবা

শ্ৰাবাৱতীইঁতকৈ কম গৌৰবৰ অধিকাৰিণী ? আজি তেওঁৰ কথা ভাবি সতীৰ দেহত্যাগৰ পিচত মহাদেৱ পাগ-হৈ যোৱাৰ কাৰণটো স্পষ্ট হৈ পৰে মোৰ।

উপন্যাসৰ ধৰাবন্ধা সূত্ৰ সাঁচ বা নীতিৰ পৰা মই হয়তো ইচ্ছা কৰিয়েই অলপ ইফালে সিফালে গৈছোঁ বা অগা-পিচা কৰিছো। সম্ভাৱ্য, বাস্তৱ, প্ৰত্যক্ষ বা কল্পিত ঘটনা এটা তৃতীয় পক্ষৰ ব্যক্তিক কওঁতে কোনো বক্তা বা লিখকজনৰ অলপ নহয় অলপ মন্তব্য সূচক উক্তি দিয়াৰ প্ৰবনতা স্বাভাৱিক ভাবেই থকাটো একেবাৰেই অসত্য নহয়। ই হয়তো দোষণীয়-ৰচনাশৈলী হব পাৰে—যিহেতু মোৰ ৰচনা শৈলীৰ দ্বাৰা উপন্যাসৰ চিৰন্তণ সাঁচটো কিঞ্চিৎ লৰচৰ হোৱা যেন লাগিব পাৰে। প্ৰতিমা এখনৰ সাঁচত মাৰা, পাচফাল খোলা মুখখন খুব ধুনীয়া হোৱাই স্বাভাৱিক। মোৰ প্ৰতিমাৰ মুখখন বোকাৰ লাড়ু এটাত নিজহাতে, নিজ ধ্যান-ধাৰণাৰেই টিপি-টাপি গঢ় দিবলৈ মই চেষ্টা কৰিছোঁ। গতিকে ই গধুৰ আৰু অভজ হোৱাই স্বাভাৱিক। সকলো ক্ষেত্ৰতেই অলপ যেন ব্যতিক্ৰম পৰিলক্ষিত হয়। এই উপন্যাসখনৰ চৰিত্ৰবোৰ সম্পূৰ্ণ কাল্পনিক।

গল্প, কবিতা, উপন্যাস আদি এক আদৰ্শৰো প্ৰতিকৃতি। সেই বাবেই আলিবাটৰ উতনুৱা ডুষ্ট লৰাৰ চপৰা দলিত ৰক্তাক্ত হোৱা পাগলজনক দেখি আনন্দত কিৰিলি পাৰা মানুহবোৰৰেই বঙ্গমঞ্চত সেই পাগলটোক দেখি সমবেদনা জাগে—তেওঁলোকে চকুলো পেলায়—কিয়নো ই সত্য অথচ আদৰ্শ-ব্যঞ্জিত কলা বা আৰ্টহে। ইয়াত নাট্যকাৰ, নিৰ্দেশক আৰু কুশীলবৰোৰৰ স্বকীয় ধ্যান-ধাৰণাৰ পূৰ্ণ পৰশ আছে আৰু ধ্যান-ধাৰণাবোৰ ক্ৰমবিকাশ আৰু ক্ৰম বৰ্দ্ধমান গতি প্ৰবাহত সলনা-সলনিও হৈ থাকে—ই তেনেই স্বাভাৱিক।

পেয়েছে মোৰ তদ্রূপ নিঃকিন প্রচেষ্টা—'অমৃতস্য পুত্র' উপন্যাস হয় যদি হওক—নহলেও খেদ নকৰোঁ। প্রতিবাদৰ যুক্তি আছে, কিন্তু প্রতিবাদ নকৰোঁ। সুধী পাঠকৰ চিন্তাশক্তিৰ পৰীক্ষকহে পৰীক্ষা কৰাতকৈ তেওঁলোকৰ ওচৰত লিখকৰ মনৰ ভাবৰ কিঞ্চিৎ প্রকাশ আৰু নিবেদন কার্যহে মোৰ প্রচ্ছন্ন লক্ষ্য, মোৰ ধাৰণাত ইযাক হে প্রশস্ত যেন লাগে ?

ইয়াৰ পিচতেই গল্পৰ কিতাপখনো মই ছপাশালত দিবলৈ সাজু কৰি ৰাখিছোঁ। গীতৰ কিতাপখনো ছপাশালত দিম বুলি ভাবিছো। দ্বিতীয় উপন্যাস আৰু প্রবন্ধবোৰো কিতাপ আকাৰে ছপা কৰাৰ আশা কৰি আছোঁ।

মোৰ গৃহলক্ষ্মী-প্রিয়তমা পত্নী উষাৰ গলত মনতে সাঁচি থোৱা দোপকীয়া চেইনডাল পিন্ধাই দিব নোৱাৰাৰ ব্যর্থতাই 'ক্রব্যাদ'ৰ দহনৰ প্রাক্ মুহূর্তলৈকে মোক ওলোটাই বগৰাই দহি দহি পুৰি পুৰি মাৰিব। জীৱনটো এটা উৰি যাওঁ উৰি যাওঁ কৈ থকা অথচ টানি-আজুৰি ৰখা বায়ু পূর্ণ পাণ্ডু-বর্ণ বেলুনহে—কোন মুহূর্তত মহাশূন্য লৈ এই বেলুন উৰা মাৰে—তাৰ একো নিশ্চয়তা নাই। অনন্ত মহাশূন্যত মোলৈ অপেক্ষামানা প্রিয়তমা পত্নী ৺উষাৰ পবিত্র অথচ অন্তর্দাহী স্মৃতি তর্পণ কৰিলোঁ।—মোৰ এই নিঃকিন উপহাৰ 'অমৃতস্য পুত্র'ৰে। অহা জন্মত দোপকীয়া চেইনেৰেই তেওঁক জানো মই যুগ যুগান্তৰৰ বাবেই মোৰ ওচৰত বান্ধি ৰাখিব পাৰিম ? সুকার্যত দীর্ঘ-সূত্রতা মহাব্যাধি স্বৰূপ — বাৰণৰ অনির্বাপিত চিতাগ্নি স্বৰূপ।

ইযাৰ কাকে কাকে ভূতত্ত্ব-বিদ্যা, আৰু নৃতত্ত্ব-বিদ্যাৰ ওপৰত ভিত্তি কৰি, অসম আন্দোলনৰ কিঞ্চিৎ পৰশ দি লিখা আন এখন উপন্যাসৰ বিষয়বস্তু মোৰ সকলৰা শ্রীমান জীউটিৰ মুখত শুনি সেই খনো অতি সোনকালে ছপা কৰি উলিয়াবলৈ মোক উৰাই কৈছিল।

শিক্ষাগুৰু পৰম শ্ৰদ্ধেয় শ্ৰীযুত ৰজনীকান্ত দেৱশৰ্মা দেৱলৈ মোৰ আন্তৰিক সশ্ৰদ্ধ কৃতজ্ঞতা জ্ঞাপন কৰিলো। বিভিন্ন দিহা-পৰামৰ্শৰ উপৰিও বিশেষভাৱে সংস্কৃত শ্লোক আৰু বানান সম্বন্ধে হব পৰা ভুল-ত্ৰুটীবোৰ কিছু আঙুলিয়াই দি মোক তেওঁ বহুত উপকৃত কৰিছে; তেখেতৰ ওচৰত মই চিৰঋণী হৈ থাকিলো।

'নীলা ছপাশাল' সদ্য পদচলন শক্তি লাভ কৰিব খোজা এটি কৰ্মশালা। বৰ্ণাশুদ্ধি আদি অন্যান্য অনিচ্ছাকৃত ভুল-ত্ৰুটি বৈ যোৱাটো খুবেই স্বাভাৱিক। তাৰ বাবে সহৃদয় পাঠকৰ ওচৰত মই নত-শিৰে কৰযোৰে মাৰ্জনা বিচাৰিছোঁ। দিনে ৰাতিয়ে অক্লান্ত পৰিশ্ৰম কৰি, প্ৰায় দুমাহ সময়তে উপন্যাসখনি সম্পূৰ্ণভাৱে উলিয়াই দিবলৈ সংকল্প লোৱা ছপাশালৰ গৰাকী শ্ৰীমান গুৰুপ্ৰসাদ মেধি আৰু ছপাশালৰ কৰ্মীবৃন্দক মোৰ আন্তৰিক শ্ৰদ্ধা, অভিনন্দন আৰু কৃতজ্ঞতা জনালো। বিশেষকৈ ছপাশালৰ গৰাকী শ্ৰীমান গুৰু প্ৰসাদ মেধি আৰু মোৰ প্ৰথম পুত্ৰ শ্ৰীমান ৰাজ কমল শৰ্মা (দীপ) ৰ বুদ্ধি, ভৰসা আৰু অক্লান্ত পৰিশ্ৰমে অসম সাহিত্য সভাৰ পাঠশালা অধিৱেশনৰ লগে লগে কিতাপখন পোহৰলৈ অনাত সম্পূৰ্ণ সহায় কৰিলে। দুয়োলৈ মোৰ বিশেষ স্নেহাশীৰ্বাদ থাকিল।

মোৰ পুত্ৰ শ্ৰীমান ৰাজকমল শৰ্মা, শ্ৰীমান ৰূপকমল শৰ্মা, শ্ৰীমান ৰাজীৱ কুমাৰ শৰ্মা, ভাতৃ শ্ৰীমান ভৈৰৱ চন্দ্ৰ শৰ্মা, কন্যা শ্ৰীমতী ৰাজশ্ৰী ফুকন, (শ্ৰীমান বিজু ফুকনৰ সহধৰ্মিণী) আৰু শ্ৰীমান বিশ্বনাথ ভট্টাচাৰ্যকো মোৰ আন্তৰিক স্নেহাশীৰ্বাদ জনালো।

শেষত— যাৰ লগত মোৰ অস্থি-মজ্জা-অন্তৰাত্মা আৰু অতীত ভৱিষ্যৎ এক হৈ যোৱাৰ দৃঢ় বিশ্বাসত ঊনত্ৰিশ জানুৱাৰী পিচতো আজি পৰ্যন্ত মই উশাহ-নিশাহ লৈ আছোঁ,--যাৰ হাতত 'অমৃতস্য পুত্ৰ' তুলিদি

উভয়েই বিমল সুখ-শান্ত পাম বুলি কল্পনাৰ বং ঘৰ সাজিছিলোঁ।— সেই মোৰ মৰমৰ সহধৰ্মিণী, মোৰ গৃহলক্ষ্মী ৺উষাৰ পবিত্ৰ অথচ অন্তৰ্দাহী-স্মৃতিত মোৰ 'অমৃতস্য পুত্ৰ' উচৰ্গা কৰি অহৰ্নিশে অবিৰাম ধাৰে বোৱা চকুলোৰে তৰ্পণ কৰিলোঁ। তেওঁ মোৰ জীৱনৰ সৰ্বোত্তমা বান্ধৱী, সখী, প্ৰেৰণা-দায়িনী, মন্ত্ৰণা-দাত্ৰী আনন্দ দায়িনী, শান্তি-দায়িনী আৰু দাম্পত্য-জীৱন 'উষা'ৰ-বাণী - মোৰ জন্ম জন্মান্তৰৰ 'উষা'ৰো বাণী।

ইতি—

চিৰ দুঃখী

শ্ৰীগংগা নাথ শৰ্ম্মা

ফটাশিল গুৱাহাটী—৯

সম্বৎসৰ—২৯/১/৮৭

যাৰ সৰ্ব্বস্ব ত্যাগৰূপী অন্তঃ-সলিলা প্ৰেৰণাই— নিকৃষ্টতম 'অমৃতস্য পুত্ৰ'ক ঔৰস দিবলৈ মোক বাধ্য কৰালে— সেই মোৰ অৰ্দ্ধদেহ— 'উষা'ৰ স্মৃতিতৰ্পণ 'অমৃতস্য পুত্ৰ'ৰেই কৰিলো—

জন্ম ১০।৬।৩৫ ইং চন   বিদেহ গমন ২৯।১।৮৬ ইং চন

মোৰ প্ৰাণসম প্ৰিয়তমা সহধৰ্মিণী—'উষা'ই মোৰ পৰা নাৰী জীৱনৰ শ্ৰেষ্ঠতম্ প্ৰাপ্য তিনিটা বিচাৰিছিল। ত্যাগ আৰু সতীত্বই তেওঁক মহাযাত্ৰাত সেই শেষ শাখা—সিন্দুৰ দি স্বামীৰ অংকশায়িনী কৰিলে। তৃতীয়টো ক্ষুদ্ৰতম্ 'অমৃতস্য পুত্ৰ' সেই প্ৰিয়তমা পত্নী ৺উষা ৰাণী শৰ্ম্মাৰ জীৱদ্দশাত ব্যৰ্থ হৈ আজি স্মৃতিতহে মৰ্মান্তিক ব্যথা ভৰা বেদনাৰেই অৰ্পণ কৰিবলগীয়া হলোঁ।

শ্ৰীগজানাথ শৰ্ম্মা
ফটাশিল, গুৱাহাটী-৯
২৯।১।৮৭ ইং।

প্ৰথম খণ্ড
পৰ্ব ইজন

ভগৱান আৰু মানৱ জীৱনৰ সম্বন্ধ কোনখিনিত? ভগৱানৰ কিবা এটা অস্তিত্ব সঁচাই আছেনে? যদি আছে ই স্থূল নে সূক্ষ্ম? ৰূপৰ বৰ্ণনা কিহৰ? নিৰাকাৰ, নিৰঞ্জন, নিত্যৰ? অন্তৰ্যামী, সৰ্বব্যাপ্ত বা অসীমৰ? মানৱ-চিত্ত বিমূঢ়, জ্ঞান-ভিক্ষাৰী, শক্তিসংগু, আস্ফালন নিষ্ফল, সৃষ্টি-স্থিতি প্ৰলয় আৰু জন্ম-জীৱন-মৃত্যু অনন্ত কালেই অব্যাহত হৈ আহিছে আৰু অব্যাহত ৰবই—ভক্তই ভগৱানক ভাবকেই বা নাভাবকেই। মানৱৰ শক্তি, ক্ৰিয়া আৰু আশা-লভাত ভগৱানৰ ভেজাৰ তাৎপৰ্য কি? বাৰ মাহত তেৰকুৰি পূজা-অৰ্চনাৰ অৰ্থ কি? মঠ-মন্দিৰ মচ্‌জিদ-গীৰ্জা আদিত অহৰ্নিশে কিহৰ প্ৰাৰ্থনা। মানৱৰ অজ্ঞানতাৰ আন্ধাৰত আত্মগোপন কৰি থকা সেইজন ভগৱানে মানৱাত্মাৰ প্ৰাৰ্থনা, আৰু গোহাৰৰ আকাংক্ষাৰ বিননি শুনো শুনে? শুনিলেই বাৰু, কেতিয়া জানো তাৰ প্ৰতিকাৰ কৰে? সেই সুবিচাৰ পাইছে বুলি বুকুত হাত দি বুকুতাঠি কোনে কব পাৰিছে আজিলৈ? সেই কৰুণা বা দয়া নিবিচৰা জনেই হয়তো তাক পাইছে। তেনেহলে সেই মহাশক্তিৰ অস্তিত্বৰ যুক্তি ক'ত?

অযাচিত বিভূতিৰ প্ৰাচুৰ্য প্ৰাপ্তিৰ ফলত মান-বিলাস আৰু কোনোৱে গুৰুশিষ্য-পন্থা জয়ে বা পক্ষ সমৰ্থনৰ সাহেৰে হয়তো কিবা কিবি যুক্তি দিব, কিন্তু যুক্তিবোৰ আনৰ বিবেকপ্ৰাপ্ত সংশয় বেচেঁ লাগিব। যুক্তিৰ অন্তৰালে বহু সময়ত স্বাৰ্থ-সংশ্লিষ্ট হৈ পৰে, আৰু প্ৰায়েই সংকীৰ্ণ বাহুবলে বহু পাপ-মহাপাপ কৰিলেই কৈতোকৰ 'জীৱন'

সকলো পার্থিব সম্পদেৰে সমৃদ্ধ কৰি পেলায। য'তেই পাপৰ পৰাভৱ, ত'তেই হয়তো সম্পদবো হ্ৰাভৱ। ধৰ্ম-অধৰ্ম, পাপ-পুণ্য, ন্যায়-অন্যায়, শুদ্ধ-অশুদ্ধ, পৱিত্ৰ অপবিত্ৰ, স্বৰ্গ-নৰক আদিৰ ব্যাখ্যাই জানো কাৰোবাক সন্তুষ্ট কৰিব পাৰিছে ' এনে সহস্ৰ প্ৰশ্ন আজি মোৰ মনত কিয় উদয় হৈছে ? ' নীলকণ্ঠই যেন স্বগত উক্তিহে কৰিলে। "জ্যোতিষে কয়, জন্মৰ লগে লগেই মানৱ জীৱনৰ ওপৰত গ্ৰহ-নক্ষত্ৰৰ প্ৰভাৱ পৰে। মই তাকেই ভাগ্য বুলিও কব খোজোঁ। কৰ্ম-অকৰ্মৰ প্ৰতি থকা প্ৰেৰণাও গ্ৰহ-প্ৰভাৱ বুলিহেই হয়তোবা ধৰিব পাৰি। তথাপি মানৱৰ এটা স্বতন্ত্ৰ শক্তি আছে, পূৰ্ব-পুৰুষানুক্ৰমিক তেজৰ ধৰ্ম আছে, ভাল-বেয়া, পাপ পুণ্য বিচাৰ কৰিব পৰা এক প্ৰকাৰ ক্ষমতা আৰু অধিকাৰ আছে। তাৰেই যথাযথ প্ৰয়োগ কৰিব পৰাটোৱেই মনুষ্যত্ব, ব্যক্তিত্ব আৰু সৎসাহসৰ প্ৰকৃত পৰিচয়। ভেকুলীৰ জীৱনত পোহৰৰ আকাংক্ষা নাই—তাৰ গতিৰ পথটো চুকলৈ। গোবৰকৰা পোকৰ জন্ম-কৰ্ম-আহাৰ-পানী গোবৰতেই থাকে, গোবৰলৈকেই তাৰ টানটো। বিষ্ঠা-কীটৰ জন্ম-কৰ্ম-আহাৰ-পানী আৰু মৃত্যুও চিৰকাল বিষ্ঠাতেই হয়। ক্ষুধাতুৰ সিংহই আসন্ন মৃত্যুৰ সময়তো মাটিক আহাৰীয় পদাৰ্থ বুলি গণ্য নকৰে। হাতীয়ে অভক্ষ্য-ভোজনৰ নিমন্ত্ৰণ গ্ৰহণ নকৰে। কুকুৰ, গাহৰি, চণ্ডাল, ব্ৰাহ্মণ, সকলোৰে শৰীৰত ৰক্তৰ প্ৰবাহ আছে, কিন্তু ৰক্ত কণিকা বোৰ একে জানো। অৱশ্যে পাৰি পাৰ্থিকভাৱ প্ৰভাৱ অনস্বীকাৰ্য। শকুন্তলা-মিৰাভাই মানৱজীৱনৰ মৌলিক চিৰন্তন সত্য প্ৰকাশ কৰাৰ জগতে তাকেই প্ৰকাশ আৰু প্ৰমাণ কৰে। সীতা-সাৱিত্ৰী-বেউলা জয়মতী, মূলাগাভৰু এনেকি—গভমাকুঁৱৰী, দুৰ্যোধন, ৰাৱণ, ছাইলক, চান্দো সদাগৰ আদিয়েও তাকেই হয়তো প্ৰমাণ কৰে।

অৰ্জুনৰ ৰথৰ সাৰথি—নাৰায়ণ। কৰ্ণৰ সখা-দুৰ্যোধন। অৰ্জুন আৰু কৰ্ণৰ পাৰি পাৰ্থিকতা-গত যৎকিঞ্চিৎ চাৰিত্ৰিক বৈশিষ্ট্যৰ

বৈষম্য দৃষ্ট হ'লেও, পৌৰুষানুক্ৰমিক ৰক্ত-প্ৰবাহৰ মূল প্ৰবৃত্তিটি কৰ্ণয়ো ত্যাগ কৰিব নোৱাৰিলে। কৰ্ণ—সূৰ্য-পুত্ৰ। কৰ্ণই বিৰূপ অৱস্থাতো তাকেই প্ৰমাণ কৰিলে। "সূতোহং সূত পুত্ৰোহং যোবা কোবা ভৱাম্যহম্। দৈৱায়ত্তং কুলেজন্ম মদায়ত্তং তু পৌৰুষম্।।" বহিদৃষ্টিত সূত পুত্ৰ হৈ পৰিও, সূতৰ ঘৰত প্ৰতি পালিত হৈও তাকেইহে প্ৰমাণ কৰিলে। পদুমৰ বীজে বোকাতো পদুমৰেই জন্ম দিয়ে, গোবৰত গোবৰুৱা পোকৰ স্বাভাৱিক বীজ থাকে; এই মৌলিক সত্যই তাৰ জন্ম মৃত্যু আৰু কৰ্ম নিয়ন্ত্ৰণ কৰে, আৰু নিয়ন্ত্ৰণ কৰে তাৰ চিৰন্তন গতি পথটো। যজ্ঞৰ বেদীত পতিত গোবৰ নিজেও শুদ্ধ হয়, বেদীকো পবিত্ৰ কৰে। আত্ম-শুদ্ধিৰ ক্ষমতা লাভ কৰিলে গোবৰো 'গোবৰ্দ্ধন'হৈ গোবিন্দৰ আঙুলি মূৰত উঠি গোপাল অথবা গপালো হ'ব পাৰে। সেয়ে নহ'লে - "অংগাৰঃ শতধৌতেন মলিনত্বং ন মুঞ্চতি" সত্যটোৱেই চিৰকাল বৰ্ত্তে।

মানৱ জীৱনৰ ব্যাখ্যা কি? ব্যাখ্যা কোনে দিব—জীৱই? জীৱনৰ আবহ সংগীত ক্লান্তি আৰু পৰ্বতৰ কাহৰ কণীৰূপ 'অপ্ৰাপ্য মনসা' শান্তিৰ উৎস, সংগম আৰু সন্ধি কোনখিনিত? প্ৰহেলিকাময় মানৱ জীৱনটো জানো কাৰুণ্যৰ সুদীৰ্ঘ নৈৰাশ্যময় হুমুনিয়াহ নহয়। বৈষম্যৰ উৎস কি? ৰক্তচাপ আৰু স্বভাৱ-সবল গুণৰ কি কেতিয়াবা মিলন হয়। মিলনৰ চেষ্টা উকৰি যায়, সংঘটিত কৰ্ম ধ্বংসাত্মক হয়। সিইঁত জৰাসন্ধ হৈ থাকে। অনন্তবীৰ্য ভীমবলী মহাকালৰো ছিৰি পেলোৱাৰহে ক্ষমতা আছে টাপলি মৰাৰ ক্ষমতা হয়তো নাই। সংসাৰ চক্ৰ ব্যূহলৈ আগমন আছে—নিৰ্গমন নাই। নিৰ্গমনটো অজ্ঞাত তমসাচ্ছন্ন। লক্ষ লক্ষ সুভদ্ৰা মাতৃ যন্ত্ৰদাত্ৰী হোৱাটোৰ পৰা বঞ্চিতা। সংগতি বিহীন এইবোৰ কথাই আজি মোৰ মানসপটত কিয় জটা বা জুমুৰি বান্ধি অভাৱিত পূৰ্ব ভাবে দৰ্শন দিছেহি বাৰু।' কথাষাৰ এটি দীৰ্ঘ নিশ্বাসেৰে সৈতে নীলকণ্ঠ

কুকুৰৰ অন্তৰৰ পৰা ৰেলগাড়ীৰ গতিৰ মূৰ্চ্ছনাত ওলাই পৰিল।

ৰহস্য-ঘন দুৰ্বোধ্য তামসী মায়াই সূচী ভেদ্য অন্ধকাৰৰ মাজেদি ৰেলগাড়ীখন চোঁচৰাই লৈ গৈ আছে। গাড়ীৰ গতি কেতিয়াবা দ্ৰুত কেতিয়াবা, বিলম্বিত হৈ পৰিছে। ৰেলগাড়ীখনৰ ক্ষীণ অস্তিত্বৰ আভাসটোত বাজে নীলকণ্ঠৰ বহিদৃষ্টিত এন্ধাৰেই ধৰা দিয়া নাই। অভ্ৰভেদী পৰ্বত-পাহাৰ, দীৰ্ঘদেহী জঙ্গল আদি সকলো বোৰেই অন্ধকাৰৰ অংগীভূত হৈ ৰহস্যৰ প্ৰচ্ছন্ন ইংগিতটোত পোত খাই গৈছে। পাচ দি ল পৰ্বতকো পিঠি। ৰেলগাড়ীখনে ক'ৰ পৰা নো যাত্ৰা আৰম্ভ কৰিছে—কলৈনো যাব? তাৰেই বা সঠিক উত্তৰ ক'ত? জনা খিনিত কত নজনাইবা লুকাই আছে! মানৱ মনো অস্থিৰ অবুজ বিমূঢ়। পঢ়ি শুনিও বহুতেই বৰাহগাগল হয়। জীৱনৰ সাংকেতিক অংক ভুল কৰে। গাড়ীৰ বিপদ-সংকেত-ধ্বনি শুনিও বহুতেই বৰ বৰ দুৰ্ঘটনাত পতিত হয়। পৃথিৱীৰ মহাজ্ঞানী জনো সেই অৰ্থত অবোধ শিশু। যিজন পাপ পংকিলতাত লেটি-পেটি, যিজনে পূতিগন্ধময় নৰকত ডুবি থাকিও বসন্ত-উপভোগৰ প্ৰগল্‌ভতা প্ৰদৰ্শন কৰিব পাৰিছে, যিজনে আত্মীয় স্বজন দেশ আৰু প্ৰেমৰ বুকুত বিষদাঁত বহুৱাই, সকলোৰে চকুত ধূলি মাৰি চৰম বিশ্বাসঘাতকতা কৰিছে—সিয়েই জানো কলিৰ ধৰ্মৰ চতুৰ্থ পদৰ যাযাবো ভদ্ৰ আৰু জ্ঞানী বুলি বিবেচিত হোৱা নাই! শ্ৰদ্ধা, ভক্তি, সততা, বিশ্বাস, ত্যাগ, পৱিত্ৰতা, সত্যবাদিতা, বিজ্ঞতা আদিৰ জানো কিবা এটা মূল্য আছে। ইহ-পৰকালৰ জানো কিবা এটা প্ৰকৃত তাত্ত্বিক অৰ্থ বা মূল্য আছে। প্ৰেমৰ অৰ্থ আৰু মূল্য বা গুৰুত্ব ক'ত। ইয়াৰ অস্তিত্বই বা কোন খিনিত! আধুনিকী কৃত প্ৰেমৰ উৎস ক'ত। স্বৰূপ কোনটো! ব্যাখ্যা কেনেকুৱা! অৰ্থাৎ যেন আধুনিকীকৃত প্ৰেমৰ গূঢ়াৰ্থ আছিল যুগত। য'ত অৰ্থ নাই ত'ত প্ৰেম বেণ অনৰ্থ। দেৱতাৰ দেৱত্বো, আৰু পুথিৱীৰ

কৰিছে যেন ধন্য হৈছে। ভক্তিয়েই পূজাৰ অৰ্থ নহয়। অৰ্থটোহে যেন পূজাৰ ভক্তি, আৰু যেন নৱবিধা ভক্তিৰো তাৎপৰ্য। নীলকণ্ঠৰ চিন্তা-সূত্ৰক পৰা সৰি পৰা এই বাৰে-ৰাং-কৰা বাৰে বৰণীয়া ছিন্ন ছিন্ন জনৰ বিভিন্ন অভিজ্ঞতাবোৰ এটি এটি কৈ যেন ফুটিলিহে আৰু গভীৰ হেঙোলনিৰ লগে লগে যেন ক্ৰমে ক্ৰমে আবেগ তৰংগত উটুৱাই দিহে গৈছে—এটাৰ পিছত এটাকৈ।

নীলকণ্ঠ ফুকনৰ সেইজন ছাত্ৰ অসমৰ এজন বিখ্যাত ঠিকাদাৰ 'ক্লাচ ৱান' ঠিকাদাৰ। মহাষ্টমী দুৰ্গা পূজাত গোঁসানীলৈ শৰাই এখন এইমাত্ৰ আগবঢ়ালেহি—শৰাইৰ ওপৰত নতুন চকচকীয়া এশটকীয়া এখন নোটৰ দক্ষিণা—পূজাৰীলৈ। দেউৰ গাত হুনহু কৰহ লাগিল। পূজাৰী সাতখন আঠখন কৰিব ধৰিলে। আৰুপৰ ধামখুমীয়াত পৰি পূজাৰীয়ে ঠিকাদাৰক মন্ত্ৰ ভাৱে হাতযোৰকৈ সেৱা এটি জনালে। ঠিকাদাৰে অস্বস্তি বোধ কৰি প্ৰতিমাৰ কালে পাচ দি থকা পূজাৰী শাস্ত্ৰীক কলে—"ছাৰ মোৰ বহু আগৰে পৰাই শৰাই দিবলৈ বৈ আছেহি আগত ছাৰৰ শৰাইখন উছৰ্গা কৰক।" শিক্ষিত আৰু ভদ্ৰ ঘৰৰ ঠিকাদাৰজনে পূজাৰী শাস্ত্ৰীৰ দৃষ্টি কটু ব্যৱহাৰত অসন্তুষ্ট হৈ আৰু অস্বস্তি বোধ কৰিয়েই এইদৰেই মনৰ ভাৱ ব্যক্ত কৰিছিল। অপেক্ষাকৃত সৰু শৰাইখনৰ ওপৰত নীলকণ্ঠই দক্ষিণা স্বৰূপে ৰখা দহ টকীয়া নোটখনলৈ অপাংগ দৃষ্টি নিক্ষেপ কৰি ৰাম-নামাৱলী পৰিহিত দুৰ্গাভক্ত পূজাৰীজনে কলে- "ছাৰৰখন পিছে পৰেও উছৰ্গা কৰিলে হব আৰু, চাৰৰ কলেজ বন্ধ আছে। তাতো অলপ ৰহিছে থাকে ছাৰ। কেতিয়াবা ঘণ্টা আধা ঘণ্টাৰ মূৰত চৌদ্দৰ্য্যাৰে ছিন লাগে হয়তো—ৰব আমাৰৰ চাকৰি। ছাৰৰ বহুত অসুবিধা আছে। আপোনাৰ আকৌ আৰৰ তাৰ মানুহৰ লগতহে বণিক মুকলি বহু স্বত্ব মানুহ জিলা আপুনি, আপোনাকহে আগেয়ে বিদায় দিওঁ।" হাব ওৰফে নীলকণ্ঠ ফুকনে কলে—"

বহিব বুলিয়েই সাজুহৈ আছিলোঁ। মহাষ্টমীত খোৱা লোৱাৰো লেঠা নাই যেতিয়া পিচে পৰেও উছৰ্গা কৰিলেই হ'ব—যদি সময় হয় গৈ। সময় নহলে নকৰিলেও হ'ব।” নীলকণ্ঠৰ ভক্তিৰ শৰাইখনৰ উছৰ্গা সিদিনাখনৰ পৰাই সম্ভৱতঃ বন্ধ হৈছিল। অন্তৰৰ শৰাইখন স্থাপিত হৈ থাকিল নে নাই সিয়ো বিচাৰ্য। বিশ্বাসৰ শৰাই দুখনৰ কেতিয়াবা ঠেকা ঠেকি লাগিলনে নাই সিও দুৰ্বোধ্য হৈ থাকিল।

নিশাৰ কৃষ্ণ সৰীসৃপৰ দৰে দুডাল লোহাৰ ওপৰত বগুৰাবাই আগবঢ়া বেল গাড়ীখনৰ খোটালিটোৰ ওপৰৰ হেদালিখনত এবীৰা ছাদৰ খনেৰে গা-মূৰ ঢাকি শুই পৰা নীলকণ্ঠ ফুকনে এইবাৰ আকাশ পাতাল ভাবি ভাবিয়েই নিশ্চল হৈ পৰি আছিল। চলন্ত বেল গাড়ীত তাৰৰ বেল গাড়ীখনেও সূক্ষ্ম গতিকাৰে। উপাধ্যক্ষৰ হাতত কলেজৰ তদাৰকী দিয়া দি অহা নীলকণ্ঠৰ কেইদিন মানৰ কাৰণে গৃহ-সুখৰ এটি বাসনা জাগিছিল। দীৰ্ঘদিনৰ নিৰ্বাসনত গৃহসুখ বঞ্চিতহৈ নীলকণ্ঠৰ আকণ্ঠ শুকাই গৈছিল। ‘গৃহিণী গৃহ মুচ্যতে’ গৃহিণীয়েই গৃহ। গৃহিণীহীন গৃহ অৰণ্য সদৃশ—যথাৰণ্যং তথা গৃহম। বিশেষতঃ গৃহিণীক তেওঁ বৰ ভাল পায়। শিক্ষিত, অভিজাত আৰু অতি উচ্চ কুলৰ অন্ততঃ পঞ্চাশজনী ব্ৰাহ্মণ কন্যাই নীলকণ্ঠৰ লগত বিবাহ পাশত আবদ্ধ হবলৈ উমাৰ দৰে শিৱব্ৰত কৰিছিল। মাৰ্ক্সবিতাৰ পৰা ধুবুৰীলৈ সুবিস্তৃত অঞ্চলটোৰ সুবিখ্যাত কন্যাদাতাই নীলকণ্ঠক আমন্ত্ৰণ কৰি নিছিল। কিন্তু ফল একো নহল। উৰ্বশী, ৰম্ভা, শকুন্তলা, সদৃশ ৰূপৱতী ছোৱালীয়েও আজন্ম কৰ্ম-যোগী নীলকণ্ঠৰ ধ্যান ভংগ কৰিব নোৱাৰিলে। তেওঁলোকৰ সজল নয়নৰ খবৰো তেওঁ পাইছিল, কিন্তু সীতাৰ্বৰ কিম্বা শংকৰৰ এই কল্মিণী বোৰেও তেওঁৰ যোগৰ কেশাগ্ৰপ্ৰমাণো হেৰফেৰ কৰিব নোৱাৰিলে। সুসংহত হলেও, বিশ্ব ব্ৰহ্মাণ্ডখন বৈচিত্ৰ্যৰো লীলা ভূমি, আৰু মানৱ

মনটোও শূন্যত ওপঙি থকা এখন বেবিলনৰ ৰং চঙীয়া উদ্যান। শৰীৰৰ অংগ প্ৰত্যংগবোৰ দোলা-ভাৰী।

"এটি ধূসৰ ম্লান সন্ধিয়া। আঁচোলত বান্ধি লৈ আহিল অযুত অবুজ ভাল পোৱা-পখিলা-পখিৰ ৰং— অযুত পৰাশৰ কামনা। কল্পনাৰ পৰশত জন্ম হ'ল পদ্মগন্ধা-সত্যৱতী অনন্যাযুৱতী। নীলকণ্ঠ বোলা মইটো এজন দুৰ্বল মাটিৰ মানুহ, মই শৰ বিদ্ধ হৈ গলোঁ। সম্মোহন, তাপন, শোষণৰ জালাতো চট্‌ফটাই উঠিলোঁ। অথচ হিৰণ্যাক্ষ বধৰ সময়তেই মই স্তম্ভিত হৈ গলোঁ। এইটোৱেই প্ৰেমৰ উষ্মা নেকি তাৰ উমানলাই নুবুজিলোঁ। প্ৰেম নিজেই অবুজ, ধোঁৱা ধূলীয়া তাৰ অৰ্থও ধূঁৱলি-কুঁৱলী। এই ধূলিৰ ধৰাৰ আৱৰ্তত মই হেৰাই গলোঁ। যৌৱন-বসন্তত কোকিল-কূজন, মুকুলিত কুসুম সৌৰভ বিতৰণ আৰু ইন্দ্ৰ ধনুৰ সপ্ত বৰ্ণৰ মন তোষিনী ৰং-ৰূপ থাকিলেও, ফাগুনী পচোৱাৰ শৰীৰ-মনলৈ অনা পোৰণিও আছে, অভিনৱত্বও আছে।

মই অনুভৱ কৰিলো—এইপাত কুৰুক্ষেত্ৰৰ যুদ্ধত পিতামহ ভীষ্মৰ পদ-পংকজলৈ নিক্ষেপ কৰা ভক্তবীৰ অৰ্জুনৰ প্ৰথম বাণো আৰু ধূৰ্জটিৰ ধ্যানভংগ হেতু ৰতিপতিৰ নিক্ষিপ্ত পুষ্পশৰো। এই ৰহস্যময় ইন্দ্ৰজাল খনিৰ গ্ৰন্থি মোচন কৰিবলৈ মই আজিও অপাৰগ। এই চিন্তাৰ ঢৌবোৰ গভীৰ হেন্দোলনিত লীনহৈ গৈ মোৰ বাবে এখন শৰীৰ মন জুৰোৱা ৰোমাঞ্চিত কৰা নাটঘৰহে যেন সৃষ্টি হ'ল।

সংস্কৃত সাহিত্যত স্নাতকোত্তৰ পণ্ডিত, এসময়ৰ অধ্যাপক আৰু বৰ্তমান অধ্যক্ষ নীলকণ্ঠ ফুকনে ইয়াকেই "পূৰ্বজন্মনি যা বিদ্যা পূৰ্ব জন্মনি যা ভাৰ্যা" বুলি বিশ্বাস কৰি দাম্পত্য প্ৰেমৰ ভাল মিলাবলৈ অকল চেষ্টাই নহয়, একপ্ৰকাৰ ব্ৰত বা সাধনাই কৰি আছিহে। "যেনাহং নামৃতা স্যাং কিমহং তেন কুৰ্যাম্" বুলি কৰপৰা আজিৰ 'মৈত্ৰেয়ী' ভাৰতত কেইজনী ওলাব ই বৰ সন্দেহৰ কথা; আজিৰ অকু-

তোতিয় যাজ্ঞবল্ক্য কেইজনেই বা স্মৃতি-শাস্ত্ৰ স্মৰণ বা চাৰণ কৰে। আদৰ্শ নিষ্ঠ অপবৰ্গ সাধক নীলকণ্ঠই যুধিষ্ঠিৰৰ নৰক দৰ্শনৰ পৰা অব্যাহতি পাব জানো। অৱশ্যে আজিৰ ভাৰত গাৰ্গী, মৈত্ৰেয়ী আৰু যাজ্ঞবল্ক্য শূন্য বুলি কোৱাটো দুৰ্ভাষা মাত্ৰ। নাৰীয়েই ভাষা, সাহিত্য, সংস্কৃতি, নাৰীয়েই দুষ্কৃতিও। হেমলেট পত্নী, লেডী-মেকবেথ, কুলেশ্বৰী কুৱৰী, গভমা কুঁৱৰী, ক্লিয়োপেট্ৰা আদি নাৰীবোৰ গাৰ্গী, মৈত্ৰেয়ী, লীলাৱতী, বেউলা, সাবিত্ৰী, জয়মতী আদি নাৰীৰ বিপৰীত বিন্দুত থিয় হৈ তাকেই প্ৰমাণ কৰিছে। তথাপি—নাৰীয়েই কুহকিনী, যাদুকৰী সম্মোহিনী লৌহকান্ত পুৰুষ-আকৰ্ষিণী। নাৰী চিৰন্তনৰ চুম্বক, মায়াপ্ৰপঞ্চ, অমৃত-ভাণ্ড-হস্তা মোহিনী, সুখানন্দৰ আকৰ, আনন্দ মঠাধিষ্ঠাত্ৰী, দেৱৰো অজ্ঞাতা, চৰৰ স্বৰ্গ, ঋষি আৰু পাগলৰ প্ৰেমৰ পাত্ৰী, সংসাৰী জনৰ জীৱনৰ গূঢ়াৰ্থ, দূৰস্থ জনৰ দূৰৰ সৌন্দৰ্য। জটায়া ভাণ্ডুৰাও এই কামিনী পাশত আবদ্ধ। পত্নী, ভগ্নী, মাতা, বেশ্যা, বিভিন্ন ৰূপত ৰূপান্তৰিতা এ'য়েই স্নেহময়ী নাৰী। এই মূৰ্ত্তি শক্তি আৰু ভক্তিৰ আধাৰ। জায়াই, নিজগৰ্ভ'ত স্বামীক জন্ম দিয়ে, স্বামীৰ ৰূপ ধৰ্ম গৰ্ভজাত সন্তানত অনুধাৱন কৰে"। অহৈতুকী ভাৱবোৰে নীলকণ্ঠক ব্যাকুল কৰি তোলে। অন্ধকাৰতো গাড়ীৰ গতি স্থিৰ নহয়।

"পৰম পৱিত্ৰ নৈষ্ঠিক জনৰ স্ত্ৰী বাৰবনিতা। কুৎসিত কদাই স্বৰূপ, নীচাশয়, সুৰাসক্ত—পঞ্চমকাৰৰ পূজাৰী পুৰুষ নাস্তধাৰী, দুৰ্দান্ত নাস্তিক জীৱৰ সতী সাধ্বী স্ত্ৰীৰ বিধানত কি নীতি, কি যুক্তি আছে? "কিমাশ্চৰ্যমতঃ পৰম" ? আশ্চৰ্যই যেন এই নীতিৰ যুক্তি। নাৰীৰ পাপাচাৰত অতিষ্ঠ হৈ সুপুৰুষ সংসাৰ-বিৰাগী, সংসাৰ-ত্যাগী হয়, সতী সাধ্বী স্ত্ৰীয়ে চকুলোৰে পৰস্ত্ৰী গামী, লম্পট জুৱাৰী পুৰুষকো তৰ্পণ কৰে— যাৰ যুক্তি নাই, ব্যাখ্যা নাই। জীৱনটোৱে এটা প্ৰহেলিকা, এটি সাঁথৰ, এটা উত্তৰহীন প্ৰশ্ন ?

"ওপৰৰ হেন্দালিত গা-মূৰ কাপোৰ গুজিলৈ এইবোৰ আগ গুৰি হীন আকাশ পাতাল ভাবি গুণি নিচাল দি পৰি আছিলোঁ। চিন্তা-বিধুৰ নীলকণ্ঠ মই। কৃষ্ণপক্ষৰ ৰাতি দুডাল সমান্তৰাল লোহাৰ ওপৰত ৰেলগাড়ীখন কেৰেলুৱাৰ দৰে চুঁচৰি চুঁচৰি বগাই গৈ আছিল— মোৰ জীৱনটোৰ দৰেই। অজ্ঞাত, অদৃশ্য, দুৰ্বোধ্য ৰোমাঞ্চকৰ কিবা এটাৰ সতেই ইয়ো গতি কৰি আছে নেকি? এই ৰহস্যৰ চাবি কাঠিটো বাৰু কাৰ কৰায়ত্ত হৈ আছে? ৰহস্যময় জীৱনপেৰাটোৰ মুদা ভাঙি দিয়াৰ প্ৰকৃত সামৰ্থ্য খিনি জানো কাৰোবাৰ হাতত আছে?

চলন্ত ৰেল গাড়ীখন এটা সময়ত জংশন বোৰত ৰৈ ৰৈ যায় কিছু সময়ৰ বাবে এটা হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি হয়। যাত্ৰী উঠা-নমা, মাল-পত্ৰ, বস্তু-বাহানিৰ টনা,-টনি আসন দখলৰ প্ৰতি-যোগিতাত যুদ্ধংদেহি মনোভাৱ, দখল স্বত্বৰ মৰ্য্যাদা কৰনত স্বস্তি, শান্তিৰ সহ-অৱস্থান, নীতিৰ আধ্যাত্মিকীকৰণ, আৰু তাৰ সপক্ষে দুযোপক্ষৰ উদাত্ত সুৰৰ বক্তৃতা আদি শুনিলে সত্তৰ মৰা মানুহৰ মুখতো হাঁহি উঠিব। ৰেল গাড়ী ভ্ৰমণ-ভাওনাত সেইবোৰ একো একোটা চং বা প্ৰহসন্। তসৰ যাত্ৰীৰ ফুচুৰি ৰহৰালিবোৰে মোক এৰী চাদৰৰ আৰত অলপ আমোদ দিছিল— যেন মেঘৰ বুকুত সূৰ্য্যৰ নিস্তেজ ভুমুকি। ৰেলগাড়ীও এখন সংসাৰেই।

কৃত্ৰিম শান্তি প্ৰতিষ্ঠাৰ অন্তত আৰম্ভ কৰিলে, ৰাজনীতিৰ্চ্চা— চৰ্কাৰ, জনগণ, গণতন্ত্ৰ, নাম-ধাম ব্যৱসায় ইত্যাদি। শেষত উচ্চাৰিত হ'ল বন্ধুত্বৰ এনাজৰী ডালৰ প্ৰতিশ্ৰুতি। কথা প্ৰসংগত লেহ্য পেয়ৰ আদান প্ৰদান অনুষ্ঠানো-সুসম্পন্ন হৈ যায়।

ষ্টেচনত গাড়ী থমকি ৰ'ল। আকৌ উঠা নমাৰ প্ৰতিযোগিতা। ক্ষন্তেকৰ সহযাত্ৰী নামোতে কৈ যাবলৈ নাপাহৰিলে— "সেইফালে গ'লে আমাৰ তালৈ এপাক মাৰিবলৈ নেপাহৰিব দেই। যব

আশাৰেই বাট চাই ৰম কিন্তু। নিৰাশ নকৰিব হ'লে।" ওপৰৰ হেঁদাৰিত মূৰে গাযে কাপোৰলৈ নিশ্চল হৈ পৰি আছিলোঁ। নিশ্বাসৰ ফাঁকত হাঁহি এটাই মোৰ গধুৰ চিন্তা ৰাজ্যৰ মাজতো আত্ম প্ৰকাশ নকৰাকৈ ক্ষান্ত থাকিব নোৱাৰিলে। হায় পৃথিৱী! তোমাৰ বুকুত আধুনিক যুগৰ আন্তৰিকতা আৰু ব্যৱসায়িক চাতুৰ্যৰ কি নিষ্প্ৰভ দুৰ্বল অভিনয়।

'ৰাতিৰ আন্ধাৰত পথ বিচাৰি খেপিয়াই ফুৰি চুচৰি অগ্ৰসৰ হোৱা বেল গাড়ীখনেই জানো সংসাৰৰ চেপাত চেপেটা হৈ নীলা হৈ যোৱা মোৰ জীৱনটো নহয়! আন্ধাৰৰ বুকু ফালি ভঙা-ছিঙা অচল ডবাবোৰ শিকলি লগাই টানি নিয়া ইঞ্জিনটোৱেই জানো মোৰ মগজটো নহয়। স্বাৰ্থৰ পিচত দৌৰি থকা মোৰ দৰে যাত্ৰীয়েই এটা সময়ত ডবাৰ বহল বুকু উদং কৰি পেলাব। দাহন-কাৰ্যৰ অন্তত উলটি যোৱা শৱ-যাত্ৰীবোৰে শ্মশানলৈ উভতি নোচোৱাৰ দৰে নিৰ্জন-শূণ্য ডবাবোৰ লৈ দখল স্বত্বাধিকাৰীৰ দলে এবাৰলৈকও উভতি চাব'ল কিয় পাহৰি যায় বাৰু! ভগ্নক্ৰমে কোনোবাই পৰিত্যক্ত ডবাটোলৈ অন্তৰৰ অস্তিত্ব অস্বস্তিখিনিৰে এবাৰ হয়তো ঘূৰি চাবও পাৰে—বিজানিবা জীৱনসৰ্বস্ব লাম লাবট্ৰাবাৰৰ এটি কপৰ্দকো তাত এৰিয়েই আছিল! স্মৃতে মূলে আদায় হবই লাগিব— এই যাত্ৰাৰ এয়েইতো পাথেয়!

গৰুৱে ঘাঁহনিত ঘাঁহ খোৱাৰ অৰ্থ— গলাধঃ কৰণ। ডিঙিত পঘালৈ নিৰল নিশাহে গোহালিত গৰুৱে ঘাঁহ পাগুলিওৱাৰ অৱকাশ পায়। দুঃখৰ বোজাটো গধুৰ হলে তাৰ সিয়নি ফাটি যায়। দুঃখবোৰ, দুঃখৰ স্মৃতিবোৰ অনিমন্ত্ৰিত অতিথি হৈ পৰে। 'অনাহূতঃ প্ৰৱিশতি অপৃষ্টো বহু ভাষতে' সিহঁতৰ মুদ্ৰাদোষ। কাৰনো বুলিম কৰা সকলোৰেই দাটি-চুলি পকা, ৰজা, প্ৰজা পণ্ডিত মহাজ্ঞানী কৱি শিল্পী,-খৰিভাৰী-ভিক্ষাৰী— সকলোৱেই এটা নহয় এটা মুদ্ৰা দোষৰ দ্বাৰা প্ৰভাৱিত। এইমাত্ৰ শুনা গাড়ীৰ উকিটোৱেও যেন কাৰোবাৰ

অনাহূত প্ৰৱেশৰ প্ৰচ্ছন্ন ইংগিতহে দিলে।

কিবা এটি আমেজে নীলকণ্ঠৰ চকু মুদ খুৱাই ধৰিলে, যেন চোৰৰ মোহিনী বাণহে প্ৰভাৱ। চোৰৰ সংজ্ঞা বৰ দুৰ্বল, কিয়নো প্ৰায় সকলো মানুহেই একো একোটা দগাবাজ চোৰ, অথচ সকলো চোৰেই অপৰাধী নহয়। ঘুমতিৰ দৰে দগধা চোৰ দ্বিতীয়জন নাই। কোনটি টলকত চকু জাপ খুৱাই লৈ যায়, দুঃখী-দৰিদ্ৰ, শোকাতুৰ ভোকাতুৰ, ৰজা-প্ৰজা সকলোৱেই টপকিবলৈকে অপাৰগ হৈ পৰে। সেই ঘুমতি কিন্তু নিত্য নিমন্ত্ৰিত স্বাভাৱিক অতিথি। বিনা নিমন্ত্ৰণে অহাটোও তাৰ স্বাভাৱিক নিত্য কৰ্ম, স্বাভাৱিক প্ৰবৃত্তি। কিন্তু নিমন্ত্ৰিত অতিথিজনে ব্যক্তি বিশেষৰ ওপৰত তেওঁৰ দয়াৰ প্ৰাচুৰ্য বা কাৰ্পণ্যখিনি বঢ়া-টুটা কৰায়। পৰিশ্ৰান্তজনৰ ওপৰত দয়াৰ হাতৰ মুঠি মুক্ত। আক্ৰান্ত-মানসিকতাৰ লগত ইয়াৰ বাশি-যোটক নাহে। তথাপি এটা মুহূৰ্তত বামধনুৰ লীলা পৰিণযো সম্ভৱ হৈ উঠিব পাৰে। নীলকণ্ঠৰ বাবে ঘুমতি মধ্যস্থতাকাৰিহে, সপোনৰ সতেহে তেওঁৰ পৰিণয়।

গভীৰ ৰাতি গাড়ীৰ নিৰৱচ্ছিন্ন গতিয়ে নীলকণ্ঠৰ চিন্তাৰ সূত্ৰ শিথিল কৰি চকুৰ পতাত আন্ধাৰৰ ডাঠ কলা আৱৰণখনি পেলাই দিলে। গাড়ীৰ ওপৰ-হেদালিত লক্ষীন্দাৰ দকত নিশ্চল নিশ্চেষ্ট হৈ পৰি থকা তেওঁৰ দেহ সাঁজাটোৰ পৰা বায়ুতকৈও তৰল কিবা এটা মুক্ত হৈ দিহিঙে-দিপাঙে ঘূৰি ফুৰি কোনোবা পাহাৰৰ গহ্বৰত প্ৰৱেশ কৰিলে গৈ।

গুহা-মুখত কৃষ্ণকায় ব্যক্তি এজনে তেওঁকেই যেন কিবা এটা মাৰাত্মক দুৰ্ঘটনাৰ কথা কবলৈকে উদগ্ৰীৱ আৰু উদ্বিগ্ন হৈ বৈ আছে। তেওঁৰ ভাব-ভংগী আৰু চকুৰ চাৱনিত গোপন আনন্দৰ উৰ্মিবোৰে খেলা কৰি আছে যদিও পাৰ ভাঙি যাব পৰা নাই। প্ৰকাশ নকৰা পৰ্যন্ত যেন কৃষ্ণ কায়টোৰ শান্তি নাই - আনন্দ নাই।

নীলকণ্ঠক দেখি বিস্ময়াভিভূত, হোৱা যেন দেখু্ৱাই কৃষ্ণকায়টোৱে কলে— আপোনাৰ ওৱাইফৰ কিবা এটা বৰ ডাঙৰ এক্সিডেণ্ট হৈছে।

নীলকণ্ঠৰ দুই ভৰিৰ তলৰ পৃথিৱীখন যেন মহা শূন্যলৈ উৰি গ'ল। মূৰ আচন্দ্ৰাই কৰিব ধৰিলে, চকুৰ পতাত জোনাকী পকৰাবোৰেও তাণ্ডৱনৃত্য-ৰত হ'ল, গভীৰ নিশা মাৰণাস্ত্ৰেৰে সুসজ্জিত হৈ গৃহস্থ ঘৰত চোৰ সোমোৱাৰ উমান পাই গৃহস্বামী বাক্‌ৰুদ্ধ হৈ যোৱাৰ দৰে নীলকণ্ঠ বজ্ৰাহতৰ দৰে স্তম্ভিত হৈ গ'ল। 'তুমি এই এক্সিডেণ্টৰ কথা কেনেকৈ জানিলা? তুমি জানো ..." বুলি কৃষ্ণকায়টোৰ কালে মুখ ঘূৰাবলৈ নৌপাওঁতেই সি প্ৰেতাত্মাৰ দৰেই অলক্ষিতে অপসাৰিত হৈ পৰিল। কিছুপৰৰ পাচত সম্বিত ফিৰাই পাই যন্ত্ৰচালিত পুতলাৰ দৰে তেওঁ পদ সঞ্চালন কৰিবলৈ ধৰিলে। আন্ধাৰ পথৰ যাত্ৰী নীলকণ্ঠ। আন্ধাৰ ভিতৰ, আন্ধাৰ বাহিৰ, আন্ধাৰ আৱৰ্তৰ গৰ্ভতেই নীলকণ্ঠই 'ৰমা' শব্দৰ আখৰ কেইটা খেপিয়াই ফুৰিবলৈ ধৰিলে। মহাকবি ডাণ্টেই-ইন-ফাৰণো'ৰ মাজেদি তেওঁৰ আৰু বিশ্ব ব্ৰহ্মাণ্ডৰো 'প্ৰিজাইডিং দিইটি' ৰূপা বিয়েট্ৰীচক বিচাৰি গৈছিল। নীলকণ্ঠৰ অনুসন্ধিৎসাৰ আকাশখনো ভয়াৱহতাৰ ধূলি হৈ পৰিছিল। একেই প্ৰেমেইতো দুয়োটাৰেই মূল উৎস। ডাণ্টে যাযাবৰ হৈছিল—এটি স্বৰ্গীয় জ্যোতিৰ পাচে পাচে ফুৰি। নীলকণ্ঠৰ অৱচেতন মনতো নিশ্চয় ডাণ্টেইহে প্ৰচ্ছন্ন আছিল। নীলকণ্ঠৰ খোজ থৰক্ বৰক্। ডাণ্টে এটা স্বৰ্গীয় প্ৰেৰণা অনুভৱ কৰিছিল। তেওঁ কায-কল্পই হৈ পৰিছিল, তেওঁ পৃথিৱীত পা নিদিয়াকৈ মহাশূন্যত বিচৰণ কৰিব পাৰিছিল অথচ তেওঁৰ স্থান, কালৰ অনুভূতিও লুপ্ত হৈ গৈছিল চন্দ্ৰলোকতো বিচৰণ কৰি তেওঁ যুগাতীত হৈ গৈছিল। পথ প্ৰদৰ্শিকা ৰূপেই বিয়েট্ৰীচে তেওঁক যেন কৈছিল- মাধ্যাকৰ্ষণে পদাৰ্থবোৰক পৃথিৱীৰ বুকুত নিয়ন্ত্ৰিত কৰে, কিন্তু ভগৱৎ-প্ৰেমৰ আকৰ্ষণে সকলো শক্তিকেই মহাশূন্যৰ মাজেদি সেই পৰম পদ-

নৈকে প্ৰবাহিত কৰায়। নিলকণ্ঠৰ মনত সহস্ৰ প্ৰশ্ন, সহস্ৰ চিত্ৰৰ প্ৰদৰ্শনী, সহস্ৰ চিন্তা-তৰংগ।

পদক্ষেপৰ সাময়িক শক্তি কণো নীলকণ্ঠই যেন হেৰুৱাই পেলালে। বুকুৰ মাজৰ কোমল মঙহ এডোখৰৰ পোৰণিৰ অনুভূতিটো তেওঁৰ পুৰুষ সত্তাটোত বৰ অসহ্য হৈ উঠিল। উত্তেজনাৰ শীৰ্ষ-বিন্দুত নীলকণ্ঠৰ টোপনি ভাঙি গ'ল, কিন্তু দুৰ্বাৰ-দুৰ্দ্ধৰ্ষ স্বপ্নৰ উৰ্মিমালাই নীলকণ্ঠৰ মন-সিন্ধুৰ অটল টলি খলক লগাই থাকিল নিৰলে-নিভৃতে।

নীলকণ্ঠৰ সপোন আৰু বাস্তৱৰ সীমা ৰেখাডাল তীব্ৰ আলোড়ণৰ ফলত নিশ্চিহ্ন হৈ গ'ল। 'ৰাম' হৰি' স্মৰণ কৰি নীলকণ্ঠ কেৱল মানৱ জীৱন আৰু সপোনৰ কথা ভাবি ভাবি চিন্তা-পাৰাবাৰত ডুব গল। জাৰ্মান দাৰ্শনিক পণ্ডিত ডাঃ ফ্ৰয়েড, নেপোলিয়ন আৰু সপোন তত্ত্বৰ ওচৰতো তেওঁ কোনো সুসমিধান যেন নাপালে। মানৱৰ অৱচেতন মনটোৰ বিচিত্ৰতাযো তেওঁক কোনো ইংগিতেই হয়তো নিদিলে। সপোন—বাস্তৱৰ চিন্তা, ভয়, শংকা, উদ্বিগ্নতা-উত্তেজনা, তীব্ৰ অনুভূতি আদিৰ ৰূপান্তৰ আৰু বিকৃতিয়েই নেকি? ই সম্ভাব্য আসন্ন ঘটনাৰ পূৰ্ব ইংগিত অথবা আগজাননীযেই নেকি? ইয়াৰ কিবা যুক্তি-সাপেক্ষ ভিত্তি আছে নেকি? ই অপূৰ্ণ আকাংক্ষাৰ মুক্ত, অবাধ অথবা তুষ্টিৰ স্বাভাৱিক বা সহজ স্ফুৰণ নেকি? ই গাভীৰ যোৰাৰ কৰ্ম বিমুখ কৰ্মহীন গধূলিৰ ছুটী নেকি? এইবোৰৰ সত্যাসত্য যিয়েই নহওক লাগে নীলকণ্ঠই অন্তৰৰ নিভৃত কোণত এটা তীব্ৰ অনুভূতিৰ ধুমুহা অনুভৱ কৰিব ধৰিলে— "As flies to wanton boys are we to the gods. They kill us for their sports." জীৱনটো এখন উপন্যাসৰ দৰেই এটা সম্ভাব্য ধাৰণা, এটি বিশ্বাস নেকি? নহলে 'আদাম'ৰ সতে 'ইভ'ৰ সম্পৰ্কৰ প্ৰথম সংস্কৰণটোৰ পাণ্ডুলিপি নেকি? জীৱনটো এটা ধাৰণা, এখন উপন্যাস নহৈ এটা গম্ভীৰ অথবা পাতল যুক্তিহে নেকি? যি মহাজাগতিক মূল প্ৰেৰণাই

অৰ্বুদ গ্ৰহ নক্ষত্ৰাদিক স্ব-কক্ষত আৱৰ্তন বিৱৰ্তন কৰাই আছে— তাৰো কিবা বিকৃত ৰূপ আছে নেকি ?

সপোন এনে এটা মূৰ্ছনা, য'ত নোপোৱা পোৱা যায়— পোৱা হেৰাই যায়। তাত্ত্বিক বা আধ্যাত্মিক অৰ্থত জীৱনটোৱেই যেতিয়া এটা দীঘলীয়া স্বপ্ন বতিৰেকে আন একো নহয়— তেনেস্থলত সুপ্তাৱস্থাৰ উক্ত বা দ্বিৰুক্ত দৃশ্যবোৰক সপোন আখ্যা দিয়া জানো এটা নতুন পৰিচয় ? মানৱ জীৱন আৰু তাৰ সপোনবোৰ দুমুখীয়া সাপ দুয়ো মুখে খোৱে। এটা খোটত বিষ, আনটো খোটত বৈদ্য যেন বিদ্যমান। জাগৃতি সুষুপ্তি— দুয়ো মৰণৰ ছদ্মবেশ। সুষুপ্তিয়ে অব্যৰ্থ পাশু পাতৰ দৰে একেবাৰেই মাৰে, জাগৃতিয়ে তিল তিলকৈ মাৰে। এক প্ৰকাৰ মৰণৰ আমেজো নোহোৱা নহয়। চক্ৰব্যূহৰ দৰে ই আগম দুৱাৰেদি জীৱনক প্ৰৱেশ কৰিবলৈ বাধ্য কৰায়, কিন্তু নিৰ্গমন বা নিৰ্গম দুৱাৰখন ই অজ্ঞাত কৰি ৰাখে "ফলং-মৰক ভৱেৎ।" অৰ্জুন—গাণ্ডীৱ ধাৰী সব্য সাচী ধনঞ্জয় বলি একমাত্ৰ ব্যতিক্ৰম অৰ্জুন নৰদেহী নাৰায়ণ। সংসাৰিক মানুহবোৰ প্ৰায়েই অৰ্জুন নহয় বাবেই 'গীতা'ৰ অধ্যয়ণ প্ৰয়োজন সাপেক্ষ।

মানুহবোৰ একাদশ অধ্যায়ৰ অৰ্জুন হোৱাহলে 'গীতা'ৰ জন্মই নহ'লহেঁতেন, ত্যাগৰো মাহাত্ম্য নাথাকিল হেঁতেন। অৰ্জুনে সুবুজি বুজিছিল, সংসাৰীজনে বুজিও সুবুজে নুবুজ ৰ ভ ও ধৰে বা ভাও জোৰে। অৰ্জুনৰ জ্ঞান-ৰথখনৰ সাৰথি—নাৰায়ণ, হিংসা বুলি ভৰা ৰথখনৰ নহয়। গীতা, ভাগৱত, বেদ, পুৰাণ, বাইবেল, কীৰ্তন, কোৰাণ, গ্ৰন্থচাহেব আদি অলেখ জ্যোতি, অলেখ জ্ঞান-বিজ্ঞান থকাতো সংযমহীন সংসাৰীজন— হয় অন্ধলা, নহয় দিনকণা। মোহাচ্ছন্ন সংসাৰীজনে যুদ্ধক্ষেত্ৰত প্ৰত্যক্ষদৰ্শী হৈ থাকিও, আনকি প্ৰতিপক্ষৰ সম্মুখীন হৈয়ো তাৰ ফলশ্ৰুতিৰ পূৰ্বাভাস নাপায়, সঞ্জয়ে কিন্তু ঘৰৰ চাৰিবেৰৰ অন্ধকাৰৰ মাজত বহি থাকিও বৰ্তমান, ভূত, ভৱিষ্যৎ সকলো দেখিছে।

অকল সেযেই নহয়, সংসাৰৰ ধৃতৰাষ্ট্ৰবোৰক দিব্য চক্ষু প্ৰদান কৰিছে। পাঁচ বছৰৰ পাচত আমি সকলোৱেই জন্মান্ধ নহলেও দিন কণা হৈ পৰোঁ। গতিকে আমি সকলোৱেই প্ৰকৃতাৰ্থত অন্ধ ধৃতৰাষ্ট্ৰ, অন্ধলা ধৃতৰাষ্ট্ৰ নহ'লেও। আমি চকু মুদিহে অন্ধ হৈ পৰোঁ।

সংসাৰ কুৰুক্ষেত্ৰৰ আমিবোৰ যুযুৎসু। কামিনী-কাঞ্চন পণেৰে জুৱা-পাশা খেলি আধুনিক দুৰ্যোধনবোৰে পৰস্ব অপহৰণ কৰি দখল স্বত্ব সাব্যস্ত কৰিছে। ইমান ব্যভিচাৰ সত্বেও পৌৰাণিক দুৰ্যোধন-শকুনিবোৰৰ তন-মন আৰু নীতিৰ আভিজাত্য থকা হেতুকে দানী মানী অভিমানী - এনেকি উদাৰো আছিল। আধুনিক দুৰ্যোধনবোৰ বিতাৰিত হৈ এই সোণ-সেৰীযা মুলুকত পথে-ঘাটে আধাপোৰা বিড়ীৰ টুকুৰা বিচাৰি ফুৰোঁতে সেইবৰ চেকুৰাবোৰ বুটলি বুটলি টাটা-বিৰলাৰ ওচৰ চাপো চাপো হলহি। হায় আই অসম। তোমাৰ সন্তানে মন্ত্ৰ মুগ্ধৰ দৰে ভেৰা লাগি চাই থাকিল। গাৰ কাপোৰ, মুখৰ মাত, পেটৰ ভাত, মূৰ গোজা চালিখনো কাটি লৈ গ'ল।

দুঃশাসনে বল পূৰ্বক সভাৰ মাজত দ্ৰৌপদীক বিবস্ত্ৰা কৰিবলৈ গৈ ব্যৰ্থ হৈছিল। প্ৰকৃত ভক্তৰ ভগৱানেই লজ্জা নিবাৰক, অদৃশ্য শক্তি ভগবানেই লজ্জা নিবাৰোঁতা-বস্ত্ৰ স্বৰূপ। বৈষ্ণৱ বিশেষৰ বাবে সমস্ত বিশ্ব-ব্ৰহ্মাণ্ডই যিহেতু এক 'ৰা' ধাতুত গঠিত, সেই বাবেই এই সাধন মাৰ্গত দোষ ক'ত?? এক শ্ৰেণীৰ যন্ত্ৰণাৰতো ইযাতেই উপশম, ইযাতেই পৰতত্ত্ব সাধন ইযাতেই চৰম মুহূৰ্তৰ পূৰ্ণতাৰ উকলি-গুঞ্জন।'

নীলকণ্ঠৰ অস্থিৰ অশান্ত চিত্তত এনে সহস্ৰ বিষয়ৰ ভাৱনাই এটি মাত্ৰ নিমিষতেই যুগপৎ জুমুৰি দি ধৰিলেহি। চিত্ৰপটৰ দৰে এটাৰ পাচত আনটো ঢৌ খেলিবলৈ ধৰিলেহি। তেওঁ মহাশূন্যত ওপঙি ফুৰা যেন অনুভৱ কৰিবলৈ ধৰিলে, মাটিৰ মোহ হেৰাই যাব খুজিলে।

মানুহক জৰে এৰিলেও কৰ্পটিয়ে নেৰে। তলৰ বেঞ্চত বিচনা

পাৰি বহি যোৱা কোনোবা অফিচৰ পিয়ন আৰু কাৰোবাৰ ঘৰত বাচন-বৰ্তন ধোৱা লগুৱা এজনৰ ভিতৰত হোৱা কথোপ-কথন শুনি নীলকণ্ঠই 'গণ্ডস্যোপ্যাৰি বিস্ফোটকম্'ৰ অসহ্য, যন্ত্ৰণা অনুভৱ কৰিব ধৰিলে। 'য'তে যায় যুগী ত'তেই কোবোৱা-বুৰি নাইবা 'অভাগীযা য'তে যায়, ছুলে বিন্ধে বৰশে খায়।' এযে যেন নীলকণ্ঠৰ আত্ম-পৰিচয়। অপথ্য পৰি তেওঁৰ সন্নিপাত জ্বৰটো আৰু, দোৱচ হৈ পৰা যেন লাগিল।

জীৱন ভৰ অমৃত পিয়াসী হৈ তেওঁ সংসাৰ সমুদ্ৰ মন্থন কৰিলে। উৎকৃষ্টবোৰ আনক, আত্মীয় স্বজনক বিলাই দি নিজে ৰিক্ত হৈ পৰিল। তেওঁৰ অতি নিঃকীণ ক্ষুদ্ৰ বুদ্ধিৰে জীৱন-ভৰ সংকাম কৰি সংবস্তুবোৰেই সৃষ্টি কৰিলে, কিন্তু নিজৰ ভাগ বুলিবলৈ একোৱেই নাৰাখিলে।

আত্মীয় স্বজন — কোনেও কস্মিন কালেও ভুলতেও এবাৰ ভাবিবৰ অৱকাশ নাপালে যে এই হৃত-সৰ্বস্ব, উদাৰ, পৰোপকাৰী আৰু পৱিত্ৰ মানুহজনৰো এই পৃথিৱীত কিবা প্ৰাপ্য আছে! তেওঁ তপঃ-স্বৰূপ ধন বিচৰা তপোধন, দুৰ্বাসাৰ দুৰ্বাসনা লৈয়েই হয়তো চিৰজীৱন অতিবাহিত কৰিব।

ভগৱান-সৃষ্ট পৱিত্ৰ আনন্দ দায়ক সুকোমল ফুলৰাশিত স্ৰষ্টাজনৰ যেন কোনো অধিকাৰেই নাই! কি ভাগ বিচাৰে কৰ্ম যোগীয়ে? তেওঁ যে অমৃত পিয়াসী। অথচ তেওঁৰ ভাগ তলত পৰি থকা গৰলখিনিবহে নেকি? নীলকণ্ঠই তাক হজম কৰিবলৈ সুদীৰ্ঘ দিন নীৰৱে নিৰলে চেষ্টা কৰিলে। কিন্তু বিশ্ব-ব্ৰহ্মাণ্ডৰ দেৱাদিদেৱ মহাদেৱেও যাক গলাধঃকৰণ কৰিব নোৱাৰিলে, মাটিৰ ঠুনুকা পুতলা নকল নীলকণ্ঠই তাক হজম কৰাৰ কি প্ৰশ্ন উঠিব পাৰে বাৰু! বৰ অবাস্তৱ এই প্ৰশ্ন, নহয় জানো। গতিকে ন যযৌ, ন তস্থৌ' হৈ ই গৰল-গলৰ আধা দেশত আমৰণ অধিষ্ঠান কৰি থাকিল।'

তলৰ ভদ্ৰলোক দুয়ৰ কথোপ কথনৰ বাবে মন্তব্য শুনি নীলকণ্ঠৰ এনে ধৰণৰ চিন্তা-সূত্ৰ ছিন্ন হৈ গ'ল। তেওঁলোকৰ ধাৰণাত ওপৰত এৰী চাদৰেৰে পূৰ্ণ আবৃত হৈ অলৰ ভাৱে পৰি থকাজন তেনেই কোনোবা নিকৃষ্ট ব্যক্তি যাৰ পিঠিৰ তলত শোৱা বিচনা বুলিবলৈ এখন মাত্ৰ পাতল বিচনাৰ চাদৰ, স্পঞ্জৰ নতুন জোতাযোৰৰ ওপৰত পাৰি ৰখা শাক-পাচলি বজাৰ কৰা ৰঙা কাপোৰৰ মোনাখনেই যাৰ গাৰুৰ 'ওৱাৰ' আৰু সৰ্বাঙ্গ ঢাক এৰী চাদৰখনেই, যাৰ গাত্ৰ-বস্ত্ৰ বা লেপ। টিকট বিহীন যাত্ৰীও হব পাৰে। সম্ভাৱনাটো একেবাৰেই দুই কৰিবৰ থল নাই। এই লাইনত এনে ধৰণে ভ্ৰমণ কৰা লোকৰ সংখ্যাই সৰহ। ৰেল কৰ্তৃপক্ষৰ বাৰ্ষিক 'বাজেট' বা জোলোঙাখনত কেইবা শ কোটি ঘাটি দেখুওৱা টকাৰ এটা বৃহৎ অংশ বাবোবাৰ ভিতৰ জেপত নিশ্চিন্তে আত্মগোপন কৰি থাকে, অৱশ্যে এই মহৎ কাৰ্য সম্পাদনত বহুত ওপৰৱালাৰ লগত "তোবো অৰ্ধং মোবো অৰ্ধং ফৰ্মুলাত চুক্তিবদ্ধ তেওঁলোক। কবলৈ গ'লে তেওঁলোকেইতো ৰেল কৰ্তৃপক্ষ, ৰেলৰ হৰ্তাকৰ্তা বিধাতা দেখোঁ। গতিকে তেনে কাৰ্যনো কি দোষৰ, কথা হব পাৰে। ন্যায্য ধনেৰে জানো পেট ভৰে!! দৰমহাৰ অন্ততঃ এশ গুণ ওপৰঞ্চি আয় নহলে এবছৰ চাকৰিৰ সময়তে ঘৰ-মাটি, আ-অলংকাৰ, সাজ-সৰঞ্জাম, গাড়ী-ঘোৰা হব কেনেকৈ? সৰ্বসাধাৰণৰ চকুত পৰা আৰু ঈৰ্ষাৰ বস্তু গাড়ীখন সদৰি নকৰাই ভাল। তলৰ বৈষ্ণৱ তৰুণ যুবক দুয়ৰ ব্যাখ্যাত এই কথাবোৰো অৱশ্যে স্পষ্ট হৈ পৰিছিল। তৰুণবোৰৰ সৎ সাহসো আছে।

যুবক দুয় কোট-পেন্টলুং পৰিহীত-ভদ্ৰলোক, ইস্ত্ৰি কৰা সাজ সম্ভৱতঃ গধূলিহে ট্ৰাংক বা চুইট কেছৰ পৰা উলিয়াই আনিছে। ইস্ত্ৰি ভাঙিব বুলি পাৰি লোৱা তলৰ বিচনাতো শোৱা নাই। পিন্ধিলেই বা কিনো জগৰ লাগিব পাৰে! এতিয়াতো ঘৰৰ কামৰ কোনো লেঠা নাই। "চিগাৰেট আৰু চিনেমাতেই. বহু পইচা যায়,

আৰু আছি ইটো কালি সিটো অনাটোতো এক প্ৰকাৰ কম্পাল চৰিয়েই। বুজিছাতো। বাইদেউজনীই দাবীতো! ....।

বাইদেউৰ বয়সৰ লেওনাথন চুকুৰি বছৰৰ ওচৰ চাপিছে, মোক বৰ মৰম কৰে। অৱশ্যে তেওঁৰ স্বামী আৰু আন মানুহৰ আগত মোক কেতেবাই মাতিবলৈ তেওঁ কেতিয়াও নাপাহৰে। বাইদেৱে সেই ভুল নকৰে তেওঁ অতি চালাক। ভাৰতৰ প্ৰধান মন্ত্ৰী পাতি দিলে একেদিনাই ভাৰতবৰ্ষ বিক্ৰী হৈ যাব। তেওঁৰ ক্ষেত্ৰত কেৱল পইচা হলেই হল। কেইটামান টকা পালেই তেওঁ কৰিব নোৱাৰা কাম বোধ হয় একো নাই। মোৰ দৰমহাৰ পইচাৰ এভাগ তেওঁতেই জঁহি যায়। এহাতে দিয়ে, আন হাতে নিয়ে।" পিয়নজনে ঔৎসুক্যৰে প্ৰশ্ন কৰে—"দিয়ঁ। কিয় তুমি?" "দিওঁ কিয় বুজা নাই? তাৰ পৰিবৰ্তে মই যে তেওঁৰ পৰা অযাচিতেই বৰ ডাঙৰ বস্তু পাওঁ। গিৰিযেকজন কিন্তু বৰ ভাল মানুহ - কম কথা কয়, ব্যৱহাৰ পাতি বৰ ভদ্ৰ। চাৰে ন বজাত অফিচলৈ যায়, আহোতে পলম হয়। উভতি ঘৰ পাওঁতে প্ৰায় ছটা সাতটা বাজে লাইট জ্বলাৱৰ সময় কেতিযাবাই পাৰ হৈ যায়। লাইট কিন্তু নজলায়। ছটা ডাঙৰ. লৰা, সিহঁতক অসমৰ বাহিৰত ৰাখি পঢ়ুৱাইছে। বছৰত এবাৰ—খুব বেছি ছুৱাৰ ঘৰলৈ আহে সিহঁত। একেবাৰে সৰু লৰাটো ছয় সাত বছৰমান বয়সৰ হব। ইমানদিন সি মাক-দেউতাকৰ লগতেই আছিল, কিন্তু মই আহিবৰ পাচৰে পৰা তাকো হোষ্টেলত ৰাখি পঢ়ুৱাইছে। বাইদেউৰ মতে ঘৰত থাকিলে হেনো লৰা ছোৱালী ভাল হব নোৱাৰে। গিৰিয়েকে ঘোৰ আপত্তি কৰা সত্বেও লৰাটোক হোষ্টেলত যথাবহে ব্যৱস্থা কৰা হ'ল। সি হেনো তাত নিৰ্বিঘ্নেই পঢ়িব পাৰিব। খোৱা বোৱাৰ পৰ্ব শেষ হোৱাৰ পাচত বাইদেউৰ শোৱাৰ পাল আৰু লগে লগে মুখ আৰু ভৰি খিবোৱাৰ পাল পৰে। মই প্ৰথমেই মুখ টিপি দিব লাগে তাৰ পাচত ভৰি টিপি দিব লাগিবই। "দিনটো অকলে লৰে

থাকি বৰ বেয়া লাগে, বুজিছা। মই যেন এই পৃথিৱীখনত বৰ অকলশৰীয়াজনী হৈ যে হুলীয়া নতুন নতুন ৰংবোৰ দলিয়াইছে পেলাব ধৰিছোঁ। তামোলৰ চোবাত জাৰ নাথাকে। তুমি হয়তো ভাবিছা—মই বাৰে বাৰে নতুন তামোল চালি খাই ওঁঠত সেলেগি লগাওঁ কিয়। পান-মছলা নহলেও পিচৰ কুঁহি তামোলবোৰ বৰ মুখৰোচক। তাৰ জাৰকৰা শিটাটো চোবালে এটা শীতৰ ৰʼদৰ আমেজ পোৱা যায়।” কথাবোৰ বাইদেৱে বৰ দুখেৰেই যেন কয়—যদিও মই শিক্ষিতা বাইদেউৰ কথা ভালকৈ বুজি নাপাওঁ। কিন্তু ইংগিতটো বুজিবলৈ বৰ বেচি এটা বিদ্যা নালাগে নিশ্চয়, সেইটো ভোকাতুৰা ভিক্ষাশিনীজনীয়েও বুজে, নহলে আঁচলত খুদ কণৰ টোপোলোটোৰ লগতে কোলাত কেঁচুৱা এটাও সংগ্ৰহ কৰিব নোৱাৰিলে-হেঁতেন। লাহে লাহে বাইদেৱে তেওঁৰ ভৰি দুখন বহু উজানলৈকে বিয়োৱা বুলি কয়। উজান মুখী বিষে মোৰ হাত দুখনকো শেষ সীমালৈকে ক্ৰমে ক্ৰমে উজাই লৈ গৈ তাত ৰৈ যাবলৈ বাধ্য কৰায়, হাতৰ কাম ইমানতে শেষ হোৱা বুলি কয় বাইদেৱে। তাৰ পিছত বাইদেউৰ ইচ্ছামতেই বিষক্ৰিয়াৰ চৰম উপশম হয়। বাইদেউৰ লগত থাকি মোৰ আন এটা উপকাৰ হʼল ভাষা-ব্যৱহাৰ। মই প্ৰায় ওলোটাই ৰগৰাই সুবিধা চাই বাইদেউৰ ভাষাকেই ব্যৱহাৰ কৰোঁ। আনন্দেৰে হাঁহি হাঁহি বাইদেৱে মোক জাৰ-বুদ্ধি কৰি কেঁচা তামোলৰ দৰেই গিলি পেলায়। পবিত্ৰ সুপুৰুষ ককাই দেৱলৈ মোৰ বৰ পুতৌ হয়। “পাপক ভয় কৰিলে আৰু প্ৰভুৰ প্ৰতি ন্যায় বিচাৰৰ ভাৰ আৰু শ্ৰদ্ধা থাকিলে তুমি নিশ্চয় বাধা দিব পাৰিলাহেঁতেন” ভদ্ৰলোকৰ দৰেই পিয়নজনে উত্তৰৰ অপেক্ষা কৰি প্ৰশ্ন কৰিলে। “বাধা মই দিব নোৱাৰোঁ— বুজিছে। মোৰ এনেহেন এটা চাকৰিৰো ভয় নোহোৱা নহয় আৰু অন্য ধৰণেও ভয় কাৰণ নথকা নহয়। মাত্ৰ কেইমিনিট মান পাচতেই বাইদেউৰ গৰ্ভনাৰেজী-বিষটোৱে লাম কাঢ়ে।

কিন্তু তেতিয়াও 'অক্টপচ'ৰ কঠিন নাগপাশত বন্দী হৈ লেটু-সেতু হৈ থাকোঁ মই। 'মহাভাৰতত পঢ়া শুনিছিলো—পাতালত কুশ নাগে বোলে মহাবলী ভীমকো এইদৰে বন্দী কৰি আধা মৰা কৰি থৈছিল। এই অক্টোপচ, তাতোকৈ বলী।

কেতিয়াবা মনত বৰ ভয় ভয় ভাব হয়—এই মহাপাপৰ পৰা নিস্তাৰ নাই। কিন্তু পিচ মুহূৰ্ত্তেই ভাবো মূৰ্খামি কৰিলে চাকৰিতো যাবই, চৰম শাস্তি আৰু অপমানো পাব লাগিব। বাইদেউ কিবা এটা ক্লাবলৈ যোৱাৰ দিনাহে মোৰ ছুটী—সেই দিনাৰ উশাহটো মুকলি।

"ভাই সুখৰাম। মোৰ অৱস্থাটো জানো তুমি ভাবিব পাৰিবা? মই এখন গৃহস্থৰ ঘৰা ঘৰটোৰেই একেবাৰে মূৰৰ কোঠালিটোত তেওঁলোকৰ ভাড়াতীয়া হিচাবেই থাকোঁ। ঘৰটোৰ ইটোৰ পৰা সিটো কোঠালিলৈ যাব পৰা দুৱাৰ আছে। দুৱ বাবাৰ দুয়োফালৰ কোঠালিৰ পৰা খুলিব পৰা বা বন্ধ কৰিব পৰাৰ ব্যৱস্থা আছে। মানুহ ঘৰক তুমি চিনি পাবও পাৰা।" ভদ্ৰেশ্বৰ পিয়ন আৰু আগ নাবাটিলে হাজাৰ হওক অফিচত কাম কৰেতো। অফিচাৰৰ ভাপ লগা গোন্ধ এটা তেওঁৰো আছে বুলি ইংগিত দিয়াৰো ইচ্ছা এটা ভদ্ৰেশ্বৰৰ হয়তো আছে। ভদ্ৰেশ্বৰৰ ভদ্ৰতাৰ অৱশেষ থকা যেন লাগিল। পৰিবেশৰ প্ৰভাৱ আৰু শক্তি আছে।

ভদ্ৰেশ্বৰ—বিশেষকৈ সুখৰামৰ কথাত নীলকণ্ঠৰ খং উঠে—খবৰ খজুৱতিৰ খং। অৱচেতন মনটোত কিবা খুন্তা যেন লাগে। ছিঃ! নিলাজবোৰে এনে গুৰুতৰ অশ্লীল কথাও সাজি সাজি কব পাৰে! উত্তেজিত মগজু অৱশ্যে ক্ষন্তেক বিৰতিৰ পিচত উপশমিত হ'ল।

ৰহস্যময় অন্ধকাৰৰ গৰ্ভলৈ ৰেল গাড়ীখন গৈয়েই আছে, গতি নিৰৱচ্ছিন্ন, সংগী তাৰ বুকু চোঁচৰা কাম্মিহাড—দুডাল লোহাৰ পাটি। নীলকণ্ঠৰ নীলা-বেদনায়ো তেওঁৰ দেহ-মনক অজানিতেই আচ্ছন্ন

কৰি পেলাইছে। ই কিহৰ প্ৰভাৱ?

সুখ-ভদ্ৰৰ আলোচ্য বিষয়ে মোড সলাইছে ইতিমধ্যে। গাড়ীৰ ভিতৰৰ যাত্ৰীবোৰে নিশ্চিন্ত ঘুমটিত লালকাল দিছে। কাৰোবাৰ নাকৰ ঘোৰ্ঘৰণি, ভূতে ধৰা মানুহৰ দৰে কাৰোবাৰ মুখৰ পৰা উচ্চাৰিত অস্পষ্ট ধ্বনি, কাৰোবাৰ অপসৃত-বস্ত্ৰজনিত উদং দেহাবয়ব, গাড়ীৰ মজিয়াত জীৰ্ণ-বস্ত্ৰাচ্ছাদিত বিহাৰী আদি শ্ৰম-জীৱীৰ লুণ্ঠিত দেহ আৰু সিহঁতৰ অজ্ঞাত অপানত্যাগ—এইবোৰেই বন্ধ-দ্বাৰ গাড়ীৰ স্বাভাৱিক গৰ্ভাংক। কিন্তু অন্ততঃ এটা বিষয়ত সকলোৰেই সগোত্ৰ বুলি নিশ্চিত হ'ব পৰা গৈছে—তেওঁলোক সকলোৰেই চিন্তা-ৰহিত বিকাৰ-হীন আৰু গভীৰ নিদ্ৰাত নিদ্ৰিত। সুখ-ভদ্ৰৰ সংলাপ বা প্ৰলাপে সেই কাৰণেই উদাত্ত সুৰত আৰোহণ কৰিবলৈ ইমান সুবিধা পাইছে।

'বুজিছা সুখ, মই 'বেজুৱেল লিভ'লৈ ঘৰলৈকে আহিছোঁ। চাহাবে ছুটী নিদিয়ে জানা। মই মুখে মুখে টানকৈ উত্তৰ কৰাতহে বাধ্য হৈ ছুটী দিলে। মোৰ পকেটত প্ৰায় আঢৈশ টকা আছে। যিবোৰহে মানুহ গাড়ীখনত উঠিছে—আঢৈটা পইচাৰ কাৰণেও গল টিপি পকেট মাৰিবলৈ শংকোচ নকৰিব। গতিকে ইমানবোৰ টকা লগত লৈ অতি সাৱধানে বহি থকাটোৱেই জ্ঞানীৰ কাম। বুজিছা! সাৱধানৰ মৰণ নাই।" মৰাণৰ গাতো এই অকিচাৰৰ কথা শুনি হাঁহি ফুটিলেই ৰক্ষা। নীলকণ্ঠৰ জেপত থকা শটকীয়া পাঁচ হাজাৰ টকাৰ মুঠাটোৱেও এনেয়ে এবাৰ হাতখন গ'ল। অনাড়ম্বৰেই জীৱনৰ সুভাশীস হ'ব পাৰে।

"মোৰ পকেটতো টকা আছে— পিচে সিমান নাই। বাইদেৱে উঠাই নিদিলে, কিজানি আকৌ মই ফিৰি নাহোঁৱেই।—চেংবা ডেকা সুখৰামৰ মন্তব্য। ভদ্ৰ গদ্য বেল যাত্ৰী দুটাৰ আহ-ফলা কথাই নীলকণ্ঠৰ অন্তৰখনক বেপি বেপি ৰক্তাক্ত কৰি পেলালে, তথাপি তেওঁ বিনা যুক্তিত হাল এৰা বিধৰ ব্যক্তি নহয়। এটা

অলীক সপোনে বহু প্ৰত্যাশিত নীলকণ্ঠৰ দাম্পত্য জীৱনটোক ঘূণ-খিন্ন স্তম্ভ কৰিব নোৱাৰে। "সতাংহি সন্দেহ পদেষু বস্তুষু প্ৰমাণ মন্তঃকৰণ প্ৰবৃত্তয়ঃ।" যুক্তি প্ৰমাণবোৰ সদায় ভ্ৰমাত্মক প্ৰকৃতি-গত। আইন কানুনত সেইবাবেই সদায় 'বেনিফিট অৱ, দাউট' কথাষাৰিৰ নিগাজি প্ৰাধান্য বা যুক্তি থাকে। গতিকে সত্যাসত্য নিৰূপণৰ বাবে পবিত্ৰ বা সৎ অন্তৰখনৰ প্ৰবুদ্ধ উত্তৰবহে ওচৰ চপা উচিত। এনে প্ৰশ্নোত্তৰেহে 'অভিজ্ঞান শকুন্তলম'ৰ দুষ্যন্তই আশ্ৰম কন্যা, সৌন্দৰ্যৰ অপৰাসৃষ্টি, শকুন্তলাৰ প্ৰকৃত পৰিচয়-প্ৰবুদ্ধতা লাভ কৰিছিল। ভাৰতীয় উপনিষদে কয় যে সৰ্বজন—জ্ঞাত বা বিদিত আৰু চাক্ষুষ প্ৰমাণো মিছা বা ভ্ৰমাত্মক হব পাৰে। সকলো জাতবেই জানো দৃঢ আৰু সম্পূৰ্ণ নিৰ্ভুল ভাবে কবলৈ সাহস কৰিব যে তেওঁ প্ৰকৃততে কাৰ — অৰ্থাৎ কোন পিতৃৰ ঔৰসজাত সন্তান ?

ৰেল গাড়ীৰ ডবাৰ হেদালিখনত শৰাসন-ভংগীত একান্ত ভাবে নিচাল দি পৰি থকা নীলকণ্ঠই এটা বিনিদ্ৰ ৰজনীত আত্ম-সমাহিত হৈ ডুবি থকাৰ বাহিৰে গত্যন্তৰ নেদেখিলে। গাড়ীৰ চলন্ত হেন্দোলনি, ঢকা-গতা আৰু মাজে মাজে বিপদ সংকেতৰ কঠোৰ ধ্বনিয়ে উজাগৰী নিশাত জীৱন-সংগীতৰ মূৰ্ছনা ৰচনা কৰিছে। মাজে মাজে বিশেষভাৱে-প্ৰতিধ্বনিত হোৱা ৰেল গাড়ীৰ উকিটো বজ্ৰ কঠোৰ যেন লাগিলেও, ই সম্ভাব্য আৰু আসন্ন বিপদ-মুক্তি বা জীৱন-যাত্ৰাৰেই সাৱধান বাণী। ৰাতিৰ আন্ধাৰত অৰ্দ্ধ-বৃত্ত ৰেল আলিটোৰ কেকুৰি এটাত গাড়ীখন ঘূৰ্ণীপাক্ খাই গলেও— সুপ্ত, এনেকি জাগ্ৰত যাত্ৰীয়েও তাৰ উমান নাপায়। হয়তোবা গাড়ীৰ গতিপথ সম্পূৰ্ণ সলনি হৈ গৈছে। যাত্ৰীবোৰ বিকাৰ-শূন্য। সুপ্ত অন্তৰাত্মা কিন্তু জাগ্ৰত প্ৰহৰী। অজ্ঞাতসাৰেই ক্ৰিয়া প্ৰক্ৰিয়াবোৰ সঙ্ঘটিত হৈ গৈ আছে। 'ইয়োৰেঞ্চ ইজ ব্লিছ'। চকুমুদি থাকিলেই সমগ্ৰ বিশ্ব ব্ৰহ্মাণ্ডই এটা অনন্ত শূন্য-শিশুৰ লুকা-ভাকু খেলা—দাৰ্শনিকবোৰৰ

ছাব্‌জেক্‌টিভ আৰু 'অব্‌-জেকটিভ'ৰ বাদানুবাদ অথবা মহাব্যাপ্তী তত্ত্ব শাস্ত্ৰৰ নিষ্ফল, দুৰতিক্ৰম্য অভিযান। লক্ষ-কোটি জানিবলগীয়া অথচ নজনা কথাৰ সাৰ-সংগ্ৰহ কৰিব পৰাজনেই প্ৰকৃত জ্ঞানী, তত্ত্বজ্ঞানী—হয়তো স্থিতপ্ৰজ্ঞও। চৰাচৰ বিশ্বত নিজকেই গোপ্য কৰি ৰখাজনৰ ইচ্ছামতেই হয়তো বহু কথাই অন্তঃসলিলা ফল্গুৰ দৰে প্ৰবাহিত হৈ আছে। সেয়ে নহলে সমগ্ৰ মানৱ জাতিৰ চকু পানীয়ে পৃথিৱীৰ অৱশিষ্ট চাৰিভাগৰ এভাগ ভূমিকো ডুবাই দি প্ৰশান্ত মহাসাগৰতকৈও আৰু বেছি গভীৰ আৰু বিস্তৃত কৰি পেলালে হেঁতেন। মানৱ জীৱনটোত চাৰিভাগৰ এভাগ 'ভূ-পোৱা' ভাগ আছে বুলিয়েই তাৰ তিনি গুণ অৰ্থাৎ দিনটোৰ ওঠৰ ঘণ্টাই ই চকুৰ পানীৰ মহাসাগৰ ৰচনা কৰে। এই চকুৰ পানীৰ প্ৰশান্ত মহা সাগৰ মন্থনতহে অমৃতোপম্‌ 'প্ৰশান্তি'খিনি থকাৰ কথা। কেতিয়াবা কোনোবা কাল শত্ৰুকৰেও মানুহৰ এই 'প্ৰশান্তি'খিনিৰ গৰ্ভতো ধ্বংসাত্মক 'পৰমাণু' বোমা পেলায়। কান্দি কান্দি পাৰ খোজা আপুৰুগীয়া হাঁহিটোক বিকৃত বিষ বাষ্পই প্ৰলয়ানলত পৰিণত কৰিব খোজে।

নীলকণ্ঠই সমুদ্ৰ মন্থন কৰিব, হলাহল পিব আৰু নীলকণ্ঠ হৈয়েই থাকিব—ভিক্ষাৰী নীলকণ্ঠ নহয়। ওলোমাই ৰখা ভিক্ষাৰ ঝুলিখন বিতৰণৰ বাবে প্ৰেম পূৰ্ণ হৈ আছে; ভিক্ষাই তাৰ নভৰায়। নীলকণ্ঠই আনক অট্টালিকা গঢ়ি দিয়ে, নিজে কিন্তু উকথা-পঁজাত বাস কৰে, ৰাজ ভোগ্য দান কৰি হলাহল পান কৰে, তাণ্ডৱ ধোঁৱা পান কৰে,—দুৰ্জ্জেয়, দুৰ্জ্জয় ধৰ্ম দি নিজে ব্যাঘ্ৰচৰ্ম পৰিধান কৰে। যজ্ঞ-ভাগ নোপোৱা নীলকণ্ঠবোৰ সদায় হেয় প্ৰতিপন্ন হৈ আহিছে। নিজকবঞ্চি আনক সঞ্চিবলৈ দিয়া নিৰ্বোধবোৰ এই বাবেই ইহ-পৰকাল শূন্য হৈ পৰে। 'এই সকলো সত্ত্বেও তেওঁ নীলকণ্ঠ শিৱই।

শীতৰ সেমেকা ৰাতিৰ গভীৰতাত ষ্টেশনত গাড়ী বৈ গলে শাৰী পাতি টিকট কাটি অনা যাত্ৰীৰেই সময় ধন আৰু মনৰ ক্ষতি হয়, গতিকে তেওঁলোকে শাৰী পাতি পইচা খৰচ নকৰিবলৈ যেন প্ৰতিজ্ঞাহে কৰে। তথাকথিত যাত্ৰী আৰু বিগ্ৰহবোৰৰ ইয়াত বিশেষ লাভেই হয়। টিকটৰ মূল্য ত্ৰিশ টকা হলে বিগ্ৰহক কুৰি পঁচিশ টকা মান দিলেই যাত্ৰীবো পাঁচ দহ টকা লাভ তদুপৰি তেওঁলোক ভৱিষ্যতৰ বাবে মৌনী পাৰপত্ৰও (Silent acclamatio) পাই যায়। তেনেকুৱা কমেও ত্ৰিশ-চল্লিশজনৰ পৰা এককাজনৰ দৈনিক ওপৰুৱি আয় নোহোৱাৰ প্ৰশ্নই নাই। লক্ষ্মী তেওঁলোকতেই ভৰ খাই।

গাড়ীখন ষ্টেশন পোৱাৰ আগতে বাটত ক্ষন্তেক বৈ বৈ যোৱা বাবেহে এই সহজ-সৰল সত্যটো নীলকণ্ঠই ধৰিব পাৰিলে। বিশেষতঃ যাত্ৰী কিছুমান অনাড়ম্বৰ ভাবে সুৰক্ কৰে নামি যোৱা দৃশ্যই তেওঁৰ মনৰ প্ৰত্যয় দৃঢ়ীভূত কৰিলে। "কি হ'লনো এই সংসাৰখনৰ! সপোন, ঈশ্বৰ, গভীৰ-নিশা, ভৰদুপৰীয়া, ৰজা-ঘৰ, প্ৰজা-ঘৰ, সাধু, খণ্ট চোৰ সকলোতেই কেৱল ভ্ৰষ্টাচাৰ! নিৰ্লজ্জ বেপাৰ, কেৱল কেইখন মান ছপা কাগজৰ বাগতেই নিবিড় বিনিময় অথবা হাট-বাট। এইখনেইনো বেদ-বেদাংগ, পুৰাণ, দৰ্শন, মহাকাব্যৰ দেশ, পৃথিবীক চমক্ লগোৱা জ্ঞান উন্মেষণৰ দেশ - ভাৰতবৰ্ষ। ইয়াতেইতো চৰক সশ্ৰুত ব্যাস বাল্মীকি, যাজ্ঞবল্ক্য, গাৰ্গী, মৈত্ৰেয়ী, লীলাৱতী, কালিদাস, ভৱভূতি, শংকৰ-মাধৱ, মোহন দাস কৰমছাঁদ গান্ধীৰ শুদ্ধ সত্তাটো অক্ষয় কীৰ্তিৰে নিনাদিত আৰু বিৰাজিত হৈ আছে। সীতা, সাবিত্ৰী, দ্ৰৌপদী, বেউলা, জয়মতী, মূলা গাভৰু, লক্ষ্মীবাঈ আদি মহীয়সী নাৰীৰ জন্ম আৰু কৰ্ম স্থানতো এইখন ভাৰতবৰ্ষই। জ্ঞান বিজ্ঞান আৰু আধ্যাত্মিকতাৰো তপোবনতো এইখন ভাৰতবৰ্ষই।"

'কালস্য কুটিলা গতি।' বিস্ময় কাণত হেনো হৰিণায়ো বাঘৰ গাল ছেলেকে। গাড়ী লৰিল, আকৌ ৰ'ল। এইবাৰ শুদ্ধ আচৰণ,

কাৰণ—এইটো বেলওৱে ষ্টেশন। কোনো বিশেষ মহিলাই ৰাতি হোটেলত অজ্ঞাত বাস কৰি পিচদিনা স্বামী আৰু ইষ্ট জনৰ সাক্ষাতত সাবিত্ৰী ব্ৰত পালন কৰাৰ দৰেই মোহনীয়—এই কৰ্তব্য-নিষ্ঠা। "নীলকণ্ঠ। কুৰি শতিকাৰ প্ৰগতি-সমৃদ্ধ এইখন ধৰাৰ জীৱন ধাৰাৰ লগত তালৰ ছন্দ মিলাব নোৱাৰা বাবেই নেকি — তোমাৰ জীৱন ছন্দ হেৰাই গৈছে। তাল-ভঙ্গ হৈছে, মহাপ্ৰস্থানৰ গীত বেসুৰা হৈ গৈছে। অলপ সুখ, অলপ আৰাম, অলপ আমেজৰ বাবে জীৱনৰ মধ্য বিন্দুত থিয় হৈ তুমি জানো সেই সুখ-মৰীচিকা খেদি ফুৰিব পাৰিবা? ওহো, তুমি নোৱাৰা। তোমাৰ বংশৰ তেজত কস্মিন্ কালেও এই উৰ্ধ (?) গতি নাই। ধূম-পান কৰিব নোৱাৰা, অথচ মদ্যপান অনায়াস বুলি সাজু হব পাৰিবানে? গছকত পৰুৱা মৰিব বুলি দেওদি খোজ কঢ়া, কেচামাংসৰ বেহা কৰিব পাৰিবানে? কণা কড়িৰ লোভত খাদ্য আৰু ঔষধত বিষ মিহলাব পাৰিবানে? সন্মান, চৰিত্ৰ—ভগৱানৰ দৰেই সত্য, পৱিত্ৰ আৰু অমূল্য। ইয়াৰ বিনিময়ত জীৱনত পাবলগীয়া কি আছে? একোৱেই নাই—পৱিত্ৰ জানো নহয়।" অস্পষ্ট অথচ দৃঢ় প্ৰত্যয়েৰে নাটকীয় সুৰত নিজেই নিজক কোৱাৰ দৰে নীলকণ্ঠই একপ্ৰকাৰ স্বগত উক্তিযেই কৰিলে। তেওঁৰ নিশ্বাস প্ৰশ্বাসত দুঃখৰ হুমুনিয়াহৰ পৰিৱৰ্তে কিবা বীৰ ৰসিক সুৰৰ গুঞ্জন হে ওলাই আহিবলৈ ধৰিলে। ত্যাগৰ অন্য নাম বীৰত্ব।

নিৰ্জন ক্ষুদ্ৰ নগৰটো আৰু সোঁহাতখনৰ বলৰ ওপৰত নিৰ্ভৰ কৰিয়েই আশৈশৱ নিজক প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰি অহা নীলকণ্ঠই সংসাৰৰ এচুকৰ কুৎসিত ৰূপটো দেখি নিজক নিঃশেষ হৈ যাবলৈ দিয়াটো জানো সমীচীন হব! শীতৰ ঠেঁটুৱৈ ধৰা শেষ নিশাৰ মৃত্যু-স্থবিৰতা খিনিয়ে তেওঁৰ মন-প্ৰাণ-আত্মাক জঁহাই পেলাব নোৱাৰে নিশ্চয়। কুৰুক্ষেত্ৰৰ যুদ্ধৰ অৰ্জুনৰ ৰথৰ সাৰথি

নাৰায়ণৰ চৰণত সমৰ্পিত হ'ল তেওঁৰ মন-প্ৰাণ এক বিশেষ শান্তিৰে "ক্লৈব্যং মাস্ম গমঃ পাৰ্থ নৈতত্ত্বয্যুপপদ্যতে।

ক্ষুদ্ৰং হৃদয়দৌৰ্ব্বল্যং ত্যক্ত্বোত্তিষ্ঠ পৰন্তপ ॥"

পুৰুষৰ পুৰুষাৰ্থ ত্যাগেই ক্লীৱত্ব। কৰ্মযোগীৰ পক্ষে ই অৰুচিকৰ, অশোভনীয় মৃত্যুৰ প্ৰতীক। শত্ৰুহন্তা তুমি। তুচ্ছ, ঘৃণ্য হৃদয়-দৌৰ্বল্য ত্যাগ কৰিব পৰাজনেই জানো বীৰ নহয়? আধ্যাত্মিক, নৈতিক জগতৰ বীৰ তেওঁ। দুৰ্যোধনৰ ধন আৰু ভীমৰ বাহুতো বীৰত্বৰ অভাৱ হব পাৰে। নাৰী দ্ৰৌপদীৰ মনৰ ভাৱ আৰু জাগৃতি-ব্যঞ্জক অভিব্যক্তিতো বীৰৰস থকাৰ কথা। হৃতউদ্যম্ কৰ্ম-শক্তি আৰু প্ৰেৰণাক ভাষা-সাহিত্য সংস্কৃতি আৰু মানৱ কল্যাণৰ ক্ষেত্ৰত ঘূৰাই আনি মংগলময় কাৰ্য সাধন কৰিব লাগিব। প্ৰয়োগেই মূল কথা। পাশৱিক শক্তিৰ সু-প্ৰয়োগেও সোণৰ ফুল ফুলায়—পথাৰত। নীলকণ্ঠই গাড়ীৰ ষ্টেদা-ৰিঙতেই যেন মনৰ সুপ্ৰবৃত্ত্ সুপ্তাকাংক্ষাৰ সাধন মন্ত্ৰত দীক্ষিত হৈ যায়।

গাড়ীৰ গতি মন্থৰ হ'ল। ধীৰ, গম্ভীৰ উকিটোৱে যেন এটা শান্তিৰ প্ৰশ্বাস এৰিবৰ উপক্ৰম কৰিছে—সম্ভৱতঃ কোনোবা এটা ষ্টেশন চুকি পোৱাৰ আগন্তুক। দখলৰ অধিকাৰী হোৱাৰ চেষ্টাতেইনে। অতবোৰ বাদ বিসম্বাদ, যুদ্ধ-বিগ্ৰহ, অসূয়া-অশান্তি লাভ-লোকচান, প্ৰেম-বিৰহ, নিষ্ঠা-প্ৰৱঞ্চনা। কিন্তু ষ্টিয়েৰিং গাড়ীখনৰ পৰা নামি গলেই কোনো অধিকাৰৰ কথা মনলৈ নাহে। পঁচা-ঘাৰ দুৰ্বহ জ্বালাই আমনি কৰিলে তাক বিষ-মিশ্ৰিত মধু বুলি হেলাৰঙেই মনৰ পৰা বিসৰ্জন দিব পৰাটো নীলকণ্ঠৰ নীতি হৈ গৈছিল।

মানৱ মন চঞ্চল। ৰাৱণ—কেতুগ্ৰহৰ ক্ষেত্ৰতেই যেন জন্ম তাৰ। জীৱৰ আহাৰ, নিদ্ৰা-মৈথুন-ভয়ৰ সংগীও চঞ্চলতা। বাস্তৱ মন্ত্ৰ-সাধনা—মানসিক চৈতন্যৰ উদ্বোধক। ব্যক্তি আৰু সমাজ জীৱনত যিমান সঘনেই ৰাহু কেতুৰ সংযোগ ঘটে—সিমান প্ৰাবল্যৰেই আত্মিক

উৎকৰ্ষৰ বিকাশ ঘটে। স্বাভাৱিক অৱস্থাত দুযো গ্ৰহকেই অশুভ-কাৰক বুলিযেই ভ্ৰমবশতঃ কোৱা হয়, কাৰণ, দুযোবো সদায় বিপৰীত বিন্দুতহে স্ব-অৱস্থান। নীলকণ্ঠৰ উক্ত ধাৰণাটো—জীৱন জিজ্ঞাসাৰ অস্পষ্ট প্ৰতিধ্বনি যেন লাগিল।

গাড়ী আহি জংশ্বন্ পালে। পুৱে ঢল ফাট দিলে। এইখিনি সময়তেই দাৰ্জিলিঙৰ সূৰ্যোদযে 'ভিব্‌জিঅৰ'তকৈও অধিক বং পৰিগ্ৰহ কৰিছে— সম্ভৱতঃ দুশ 'ৰংমহল'ৰ সৃষ্টি হৈছে। নীলকণ্ঠৰ মানত কিন্তু সকলো ৰং মিহলি হৈ এটি মাত্ৰ ৰঙত পৰিণত হৈছে। ৰংটো শুধ বগা—যিটো শেষাদ্ৰি শিখৰত সদ্য প্ৰতিভাত হৈ উঠিছে। পূৱ আকাশৰ মিশ্ৰিতাভ্ৰৰ দৰে নীলকণ্ঠৰ মন-চিত্তৰ মেঘবোৰো হিৰণ্য গৰ্ভৰ স্বৰ্ণাভাই অজান দূৰ-দিগন্তলৈ দূৰীভূত কৰি পেলাইছে।

জংশ্বনত বহুতেই আসনৰ দখল এৰিলে। বহুতেই 'চাযে গৰমৰ' ওচৰ চাপি, বাহী চিঙ্‌ৰা, পুৰি, ঘুগুনিৰে ব্ৰেক্‌-ফাষ্ট কৰিলে। প্ৰায় একমিটাৰ দূৰতেই ডবাৰ 'লেভেটৰি'ৰ পৰা অবিশ্ৰাম ভাৱে মযলা আৰু পানী পৰিবলৈ ধৰিলে, তালৈ 'হুষ্ট' আৰু 'গেষ্ট'—কাৰোৱেই ভ্ৰুক্ষেপ নাই—নিৰ্বিকাৰ ভাৱে পাক্ আৰু পান-ভোজন দুযোটাই সম্পন্ন হৈছে। দৰ্শন মাত্ৰেই নীলকণ্ঠৰ নাড়ী-ঘহতি উলটি অহা যেন লাগিল। থু থু কৰি গৈ কলৰ পানীৰে ভৰি হাত মুখ ধুই যথাস্থানত পিচ ফিৰি বহিল। নীলকণ্ঠই চুলিডাল মানো হেৰ-ফেৰ নোহোৱাকৈ নিত্যকৰ্মবোৰ ঘড়ীৰ কাটাৰ দৰেই সদায় সম্পন্ন কৰি যায়। ব্যতিক্ৰম হলে তেওঁৰ আহাৰ-নিদ্ৰাও বন্ধ হৈ যায়।

ৰাতি পুৱা 'মুখ হাত ধোৱা'ৰ পাচত শুদ্ধমতে সম্পূৰ্ণ স্নানকাৰ্য সম্পাদন কৰি কিছুসময় গোঁসাই ঘৰত ইষ্ট দেৱতাক স্মৰণ কৰিহে কিবা মুখত দিয়ে তেওঁ। চিম্‌লা-দাৰ্জিলিঙৰ নৱেম্বৰ, ডিচেম্বৰ মাহতো নীলকণ্ঠৰ নিত্যকৰ্মৰ ব্যতিক্ৰম নহয়। সামান্য জলপান গ্ৰহণ

কৰি তেওঁ হয় কলেজলৈ যায়—নহয় অধ্যয়ন—ৰত হয়। কিন্তু অনাৱশ্যক অলাগতিয়াল কামৰ বোজাৰ বাবে—লিখা-পঢ়া বা অধ্যয়ণ কাৰ্য জীৱন ভৰ তেওঁৰ ভাগ্যত নঘটে। অদৃশ্য ললাট-লিপিৰ ধাম-খুমীযাত তেওঁৰ জীৱন-গো-যানখনৰ চকৰি এইদৰেই ঘূৰে।

গাড়ী জংশন এৰিলে, কিন্তু সদ্য-বিগতা ৰজনীৰ সপোনে তাৰ সংক্ষিপ্ত মন্তব্যখিনিও এৰিবলৈ কাৰ্পণ্য বা দ্বিধাবোধ নকৰিলে। সপোন তত্বই কয—পুৱতীযা নিশাৰ সপোন হেনো তৎকালেই ফলে। অৱশ্যে তিথি, ঋতু, শয়নাৱস্থা, মানসিক পটভূমি আদি অন্যান্য আনুষঙ্গিক উপাদানবোৰৰ ওপৰত ইয়াৰ সঠিক প্ৰতিফলন বহু পৰিমাণেই নিৰ্ভৰশীল। নীলকণ্ঠই ইয়াকো নভবা'ক নাথাকিল যে সপোন সদায় ফলিয়াব লাগিলে এই পৃথিৱীত দৈনিক কোটি কোটি উত্থান পতন ঘটিলহেঁতেন মানুহে নভোমণ্ডলত উকা হাত ভৰিৰেই উৰি ফুৰিব পাৰিলেহেঁতেন, চন্দ্ৰ-সূৰ্যক হাতেৰেই খপিযাই আনিব পাৰিলে-হেঁতেন, ৰজা ভিক্ষাৰী আৰু খবিভাৰী ৰজা হ'লহেঁতেন, সাঁতুৰি বা খোজ কাঢ়িযেই সাগৰ পাৰ হব পৰা গ'লহেঁতেন, মৃত জনো জীৱিত ৰূপেই থাকিবহেঁতেন, বহু জীৱিতই মৃত্যুৰ কৰাল গ্ৰাসত পৰিলহেঁতেন। প্ৰেমাস্পদক দ্বিধাহীন আৰু অকলশৰীয়া ভাৱেই পোৱা গ'লহেঁতেন। আততায়ীৰ হাতত নিৰ্দোষী সদায় আক্ৰান্ত হ'লহেঁতেন, নিষিদ্ধ বস্তু উপভোগ্য হ'লহেঁতেন, সুপ্ত বা লুপ্ত কামনাও ক্ষিপ্ৰ বা জাগ্ৰত হ'লহেঁতেন, বহু অসম্ভৱেই সম্ভৱ হ'লহেঁতেন, আৰু বহু সম্ভৱো অসম্ভৱ বা অপূৰ্ণ হ'লহেঁতেন। সেই দৃষ্টিভংগীৰে চাব লৈ গলে সপোনৰ সত্যতা বা মূল্য বৰ কম—ই অলীক মাত্ৰ। সপোণৰ ফল সংখ্যাত কম হ'লেও তাৰ কিন্তু এটা স্বতঃসিদ্ধ মূল্য আছে। আমি পৃথিৱীৰ মানুহ—পৃথিৱীৰ মাটি-পানী-বায়ুৰে গঢ়া আমি-বোৰ। পৃথিৱীৰ সম্ভাব্য ঘটনাৰেই পুনৰাবৃত্তি বা পূৰ্বাভাসবোৰ অৱচেতন মনৰ যোগেদি অসংলগ্ন মানসিকতা বা সপোন ৰূপত

আমালৈ প্ৰেৰণ কৰা হয়। কেতুৰ ক্ষেত্ৰত জন্মা মানৱ জীৱনৰ চঞ্চলতাখিনি পটভূমি হোৱা হেতুকেই সপোন প্ৰায়েই চঞ্চল আৰু ৰোমাঞ্চিক হৈ পৰে। বিশেষতঃ আমি দ্ৰষ্টাবোৰে আমাৰ অৱচেতন মনৰ অতিথি শালাত আমাৰ জীৱনৰ আশা-আকাংক্ষাবোৰক পূৰ্ণতাৰ স্পৰ্শ নিদিয়াকৈ হেঁচুকি ধৰি দমন কৰি ৰাখোঁ। আমাৰ সুপ্তাৱস্থাত বিবেকবোধটোও কলাঘুমটি বা চিলমিলীয়া টোপনিত পৰে। প্ৰহৰী কুকুৰ বা 'ওৱাটচ্‌ডগ' নওশাত নাথাকিলে গৃহস্থ ঘৰত চোৰৰ প্ৰৱেশ সহজ-সম্ভৱ হৈ উঠে। চোৰ-কৰ্ম সদায় গোপনীয়তা নিষিদ্ধতা আৰু আকাংক্ষা-পূৰণ। আমাৰ জীৱনৰ এনে বৈশিষ্ট্য মূলক ভূত আৰু ভৱিতব্য ঘটনাবোৰেই নিদ্ৰাৱস্থাত সপোন ৰূপে দেখা দিয়ে। কিয়নো বিবেক প্ৰহৰীবো তেতিয়া সুপ্তাৱস্থা।

বিবেক মংগলময়। স্বভাৱজাত শাসন ক্ষমতাৰ অভাৱ হোৱা হেতুকেহে বিবেকৰ শাসনৰ সহায় লোৱা হয়। নিশা নিৰন্তৰ উজাগৰে থাকি চোৰৰ কৰ্মক ব্যৰ্থ কৰাৰ ক্ষমতা বা সামৰ্থ্যৰ অভাৱতহে গৃহস্থই নিশাৰ নিভৃত আন্ধাৰত প্ৰহৰী কুকুৰ ৰাখে। বিবেকৰ খোচনিত নীতিশাস্ত্ৰ আৰু মন বা অন্তৰৰ খোচনিত মনো বিজ্ঞানৰ জন্ম হয়। নীতিশাস্ত্ৰ বা নীতি বিজ্ঞান শাসিত মন বা অন্তৰ, গাড়ীৰ গুটিয়ামাৰা ঘোৰা, মনো বিজ্ঞান—অশাসিত মন বা অন্তৰ। ই গধূলি চিঁহিহি চিঁহিহিকৈ দৌৰি ফুৰা বন্ধন মুক্ত গাড়ীৰ ঘোৰা। আগৰটো প্ৰশিক্ষণ প্ৰাপ্ত 'চাৰ্কাচ'ৰ ঘোৰা। 'চাৰ্কাচ'ৰ শেষত সি পূৰ্বাৱস্থালৈ উভতি চায—উভতি যায়। ই দ্বিতীয় অৱস্থা। এইবোৰ বাস্তৱ পৃথিৱীৰেই সত্য।

আমি শনি গ্ৰহৰ স্বপ্ন নেদেখোঁ। পৃথিৱীৰ মাটিতেই তেওঁ আমাৰ জন্ম লগ্নত প্ৰভাৱ বিস্তাৰ কৰে। চন্দ্ৰত পদাৰ্পণ কৰাৰ গৌৰৱ দাবী কৰিব পাৰিলেও—এতিয়াও চন্দ্ৰাভ্যন্তৰৰ স্বপ্ন দেখাৰ সময় অহা বা হোৱা নাই। কাৰণ তাত পৃথিৱীৰ মনৰ মানুহ নাই।

বায়ু নাই, পানী নাই—থাকিলেও পৃথিৱীৰ মনৰ সৈতে তাৰ বিনিময় হোৱা নাই। পৃথিৱীৰ বাস্তৱেই পাক প্ৰকাৰে পৃথিৱীৰ মানুহৰ সপোন ৰাজ্য হয়তো স্বৰ্গৰাজ্যও। আকাৰৰ ওপৰত ভেজাদিহে নিৰাকাৰৰ ধাৰণা বা সূত্ৰ ৰচনা কৰা হয়। সসীম বা সীমাৰ ওপৰত দৃষ্টি ৰাখিহে অসীমৰ কল্পিত ৰূপটোক কল্পনাৰ গোচৰ কৰিব পৰা যায়। ক্ৰিয়া নহলে শৰীৰ আৰু মনৰ অস্তিত্ব নাই। শৰীৰ মন নহলে ক্ৰিয়াযো নিজ অস্তিত্ব প্ৰকাশৰ বাবে অৱলম্বন হীন হৈ নিষ্ক্ৰিয় হৈ পৰে। দেহ, মন আৰু ক্ৰিয়া অংগাংগী। মৃত্যুই দেহ-মনক ছাই কৰি ইহঁতৰ ক্ৰিয়াক 'নাই' কৰে। ছাইৰ নিৰাকাৰটো হ'ল—'নাই'। 'ছাই' আৰু 'নাই'ৰ একেই মূৰ্চ্ছনা। সদায় দৃষ্টিপাত কথাতো আউল লাগে। দৃষ্টি—বহিৰ্ভূত,-নিৰংকুশ, নিৰঞ্জন কথাযো মনক বাউল কৰি তোলে। মন বুলি এটা কথা থকাটোৱেই উচিত নাছিল। 'ইউনিভাৰছেল মাইণ্ড'টো জীৱক বিবৃত কৰি দি নিজে 'সেইজন' বিকাৰ শূন্য হৈ ব'ৰবাৰ অনন্ত শয্যাত গভীৰ নিদ্ৰামগ্ন হৈ আছে। দেহ পিঞ্জৰস্থ ঘোলা মনটোৱে উদণ্ড বলদৰ দৰে যাবে তাবেই সীমাৰ বেঢ় ভাঙি ভহিলং কৰি নিষিদ্ধাচৰণত ব্ৰতী হৈ পৰে— "চঞ্চলং হি মনঃ কৃষ্ণ। প্ৰমাথি বলবদ দৃঢ়ম। তস্যাহং নিগ্ৰহং মন্যে বায়োৰিব সুদুষ্কৰম।"

নিদ্ৰাৱশান অৱস্থাত—স্বপ্নই লুট আৰু চিন্তা ক্লিষ্ট কৰা মনটোক স্নানাদি নিত্যকৰ্ম-ৰহিত দেহটোৰে সৈতে গাড়ীখনে চোচোৰাই হে যেন লৈ গৈ আছে—এনে অশুচি আৰু অস্নাত অনুভূতি এটা নীলকণ্ঠই উপলব্ধি কৰিলে। বিশাল নদীৰ বুকু কঁপাই সুদীৰ্ঘ সেতুৰ ওপৰেদি গাড়ীখন পাৰ হৈ গ'ল। নীলকণ্ঠৰ বুকুত তাৰ থিপ্-থিপনিটো ঢেঁকীৰ ঢেংকুকচ ঢেংকুকচ শব্দৰ দৰে আঠা লগাদি থাকিল। এই প্ৰতিধ্বনি যেন তেওঁৰ মহাযাত্ৰাৰ পথতো মাৰ নাযাব, নিতাল নপৰিব। শ্মশান-চিতাগ্নিয়েও যেন তাৰেই পুনৰাবৃত্তিহে কৰিব।

চিতাভস্মবোৰ উৰি গৈ যেন চেং মাছৰ দৰে দুটি বাগৰ দিব নজনা এই পৃথিৱীৰ নিমাষিত নির্বোধ বোৱক ৰোগগ্রস্ত কৰি পেলাব।

নীলকণ্ঠ বিস্ময়াবিষ্ট হৈ পৰিল। এটা নিৰৰ্থক অলীক সপোনে তেওঁৰ দেহ-মন—প্ৰাণ-অন্তৰাত্মাক এনেকৈ কিয় উত্তপ্ত চকত দিয়া শাকৰদৰে জঁহাই জঁহাই নিঃশেষ কৰিব ধৰিছে! সপোনৰ ভেঁটি-টোৰ বিষয়ে পদাৰ্থ বিজ্ঞান, ৰসায়ণ বিজ্ঞান বা মনো বিজ্ঞানৰো নিজস্ব আৰু কিবা বক্তব্য আছে নেকি ? নীলকণ্ঠই অন্তৰৰ পৰা হাঁহিৰ উশাস এটা নিঃসৰিত হোৱা যেন অনুভৱ কৰিলে। স্বল্পভাষী নীলকণ্ঠৰ ভিতৰৰ মানুহটোক ই সৰৱ-মুখৰ কৰি তুলিলে। দুঃখেই মূকজনক বাচালো কৰে। জীৱন-ধুমুহাৰ প্ৰবাহটোৱে তাণ্ডৱৰ তাল ধৰিলে,—ই নিজক ধ্বংস কৰি আনক জয় জয় ময় ময় কৰিও তোলে। 'আচল জীৱন, নিটোল জীৱন, তাকেই জীৱন কয়। (তেওঁৰ) দুঃখৰ গধূৰ শিলটো বুকুত—আনৰ হুহুযায়।

গাড়ী মহানগৰীৰ লাটত প্ৰৱেশ কৰিলে। শ্ৰোত্ৰিয় ৰাষ্ট্ৰকৰ্ণধাৰ, অমাত্য আদিৰ পৰা ৰেল আলিৰ কাষৰ পিতনি দখল কৰি চাং সাজি থকা আৰু জীৰ্ণ পৰ্ণকুটীৰ দখলদাৰীলৈকে সকলোৱেই নাগৰিক বৃত্তি ধাৰী। ৰাজপথৰ দাঁতিৰ ঠাই 'ব্ৰেইন ওৱাছ' পদ্ধতিৰে বেদ-খল কৰি বিদেশী বাবা তৃণ-মন্দিৰ সজা হৈছে। কাগজৰ ফুলৰ মালাৰে পৰি-বেষ্টিত বিগ্ৰহ-বেদীৰ চৌপাশে হৰি-সংকীৰ্তনত মগ্ন, ভক্তবৃন্দ। মন্দিৰাভ্যন্তৰত ভক্তবৃন্দ প্ৰেম ৰসত 'মচগুল', পৰস্পৰ বাহু-বেষ্টনীত প্ৰেমাশ্ৰু নিগৰিছে। দ্ৰুত তালৰ লগে লগে বৈধব্য-বিধুৰা ভক্তাবোৰে প্ৰেম ৰসত আপ্লুতা হৈ 'সপ্তম'ত উকলি ধ্বনিৰে এক অভিনৱ ৰোমাঞ্চিক উত্তেজনাৰ পৰিবেশ সৃষ্টি কৰি পেলাইছে। এই চৰম উত্তেজনাৰ কাৰণ—সূচীভেদ্য আন্ধাৰৰ মাজেৰে ঘৰৰ কোণা ফালি কৰা ৰাধাৰ গোপন কৃষ্ণ-অভিসাৰ। অভিসাৰিকাৰ তীব্ৰ আকৰ্ষণ—পৰ পুৰুষ কৃষ্ণ—যিজন 'পৰম পুৰুষ শ্ৰীকৃষ্ণহে ? বহুজনৰ বহু প্ৰশ্নৰ এই এটাৱেই উত্তৰ।

শহুৰ-শাহু, জী-ননন্দ, পতি-পুত্ৰ—সকলোৰে চকুত ধূলিমাৰি তামসিক মাযাবৃত সূচীভেদ্য ঘনান্ধকাৰ ৰজনী পৰস্ত্ৰী ৰাধা পৰপুৰুষ কৃষ্ণৰ উদ্দেশ্যে অভিসাৰিকা ৰূপত অৱতীৰ্ণা হৈছে, স্ব-গৃহৰ কোণা ফালিছে আন্ধাৰৰ বুকুত নিভৃতে ঢলি পৰিছে আত্ম-সমৰ্পণ কৰিছে। দ্ৰুত তালৰ তুংগাৰোহণত বৈধব্যৰ নিঃসংগতাটো চৰম ভাৱে উৰুলীকৃত আৰু ৰোমাঞ্চিত হৈ পৰিছে। কীৰ্তনীযাবোৰৰ কোনোৱে বিস্ফাৰিত লোচনে, অন্যে মুদ্ৰিত নয়নে এই প্ৰেমৰসৰ অনুধাৱন মনন্ আৰু পান কৰ্মত মগ্ন হৈ পৰিছে। কলীযা কানাইৰ বেণুৰ সুৰত মুখৰিত পৰমাত্মাৰ সুৰটো ভক্তা বা ভক্তই হৃদযঙ্গম কৰিব পাৰিছেনে?” নদীবোৰ সাগৰলৈ বোৱাৰ দৰে জীৱাত্মাবোৰ পৰমাত্মাৰ উদ্দেশ্যে ধাৱিত হোৱা সত্যটো কেইজনে বজি পাইছে। মোহন বেণুটোও যে অনুচ্চাৰিত চিৰ প্ৰৱাহমান বাঁচৰ বেণু তাক কেইজনে বুজিছে? ইযাত সূক্ষ্মতকৈ স্থূল সত্যটোহে অধিক বোধগম্য আৰু অনুকৰণীয হয যেন লাগে। তাৰেই ভিত্তিতেই পৰিপক্ক হৈ পৰিছে পৰকীযা ভক্তিৰস। ই পৰকীযা শৃংগাৰ ৰসহেহে যেন অৱনমিত হৈছে। সুপ্ত কামনাবোৰ সাৰ পাই উঠি যেন অস্থিৰ দৃষ্টি নিক্ষেপ কৰিছে। ই কল্পিত ভোজনৰহে যেন ইংগিত দিছে।

নীলকণ্ঠৰ হঠাৎ অনুমান হ'ল গাড়ীখন ষ্টেশনৰ কিছু দূৰত ৰৈ আছে। ‘পথ-মুক্তিৰ সংকেত পোৱা নাই’—কোনোবা এজনে মন্তব্য দিলে। কীৰ্তনৰ অভিজ্ঞতাই তেওঁক ডুবাই ৰাখিছিল। গাড়ীযে চলন-সংকেত পালে, সাৱধান বাণীৰ উকিটোৱে এটা ঢকাৰে সৈতে তাল মিলালে। কইনা বুলনিৰে গাড়ী অগ্ৰসৰ হ'ল, জনপূৰ্ণ সু-বৃহৎ ৰেল ষ্টেশনটোত, নৱবধূৰ দৰেই গাড়ীখন স্থবিৰ, পংগু হৈ পৰিল। অধিকাংশ যাত্ৰীৰ দখলীস্বত্ব হেৰাই গ'ল। অৱশ্যে কিছু আগলৈ যোৱাৰ প্ৰত্যাশীবোৰ ভৱিষ্যতৰ অপেক্ষাত ৰৰলগীয়া হ'ল। ‘সিহঁতবোৰে গাড়ীৰ পৰা নামি কি আশা কৰি ৰাক প্ৰথম খোজটো

মাটিত দিব ?' – নীলকণ্ঠৰ মনত হঠাৎ কিয় জাগি উঠিল এই প্ৰশ্ন। ই জানো অহৈতুকী প্ৰশ্ন। দীৰ্ঘ নিশ্বাস এটা অজানিতেই তেওঁৰ অন্তৰৰ পৰা ওলাই আহিল।

পৰ্ব:– ধূমাবৰ্ত্ত-বহ্নি

নীলকণ্ঠই ৰেল গাড়ীৰ পৰা নামি ষ্টেশনৰ 'প্লেটফৰ্মত' ভৰি দিলে। তেওঁৰ বাওঁহাতত ক্ষুদ্ৰ টোপোলাটো,—এটা যাযাবৰীয় জুলি। কোলাহল, লৰা-ধপৰা আদিলৈ এবাৰ তেওঁৰ মন উভতি যাব খুজিছিল কিন্তু সন্মুখত অগ্নি পৰীক্ষা, অন্তৰতেই দেখো সেই কোলাহল। তথাপি, এইমাত্ৰ ভিক্ষাৰীজনে এৰি যোৱা বেঞ্চখনৰ সিটো মূৰে বহিলৈ বিগত ৰজনীৰ সপোনৰ মাজত তেওঁ নিজকেই ডুবাই ৰাখিলে কিছু সময়ৰ বাবে। সময়ৰ এটা মুহূৰ্তই পৃথিৱীৰ উত্থান পতনৰ শেষ সিদ্ধান্ত বা ভূমিকা ৰচনা কৰে। সেই মুহূৰ্তটোক তেওঁ দীঘলীয়া কৰিব খুজিছে নেকি ? ই যে প্ৰশ্নান্বিত অনিশ্চয়তাৰ অৱস্থা যি মনৰ খুন্দনি আৰু অন্তৰৰ সান্দহক আৰু তীব্ৰতৰ কৰি তোলে – মন অধিক অস্থিৰহে হয়। অগ্নি পৰীক্ষাই তেওঁক আহ্বান বা অপেক্ষা কৰিছে নেকি ?

"চোৰক মেলে নুগুৰায়' যন্ত্ৰ-চালিতৰ দৰে নীলকণ্ঠৰ ভৰি দুখনে দুৰ্বল দেহ-পিঞ্জৰস্থ বিষণ্ণ মনটোক গৃহৰ ফালে চো-চোৱাই লৈ গ'ল। ভাগ্যবান বোৰৰ ভৰিবোৰে পথৰ ধূলি স্পৰ্শ কৰা যেন নালাগিল। ভগৱানৰ সৃষ্টিতো এই বৈষম্য আছে নেকি ? কৰ্মফল, ভাগ্য, নে অন্ধ নিয়তি – কোনটোৱে মানৱক আন্ধাৰত হাত ধৰি আৰু ঘনান্ধাকাৰলৈ লৈ যায় ? আমি তেলীয়া পোকবোৰ নীলা সবল কুমাৰণীৰ পাচে পাচে মন্ত্ৰ-মুগ্ধৰ ন্যায় গতি কৰিছোঁ তাৰ

পৰিণতি—ৰূপান্তৰ নতুবা ধ্বংস। তথাপি এই গতিৰ বিৰাম নাই, বিশ্ৰাম নাই—অৱকাশহীন এই অনন্ত যাত্ৰা, এই যাত্ৰাৰ অৱধি নাই। থৰক্ বৰক্ অন্তহীন নিচাৰ যাত্ৰা, নিচা'খাৰৰ যাত্ৰা। ভোলানাথৰহে মূৰৰ খোলা সহজে মাছ-ভজা মাটিৰ খোলা নহয়, কিয়? ভোলানা'থ 'ভাং'খাই নিজক সাং কৰাৰ তাৎপৰ্যই বা কি?

ত্ৰস্ত-ত্ৰাসিতৰ দৰে মই গৃহাংগনত ভৰি থ'লোঁ। ঘৰ-ভৰ্তি মানুহ, তথাপি এটা মৃত্যু-নীৰৱ নিস্তব্ধতা, এটা কাঁহ পৰি জীন্ যোৱা বিভা বিভা ভাব—এটা খাওঁ খাওঁ মূৰ্তি সৰ্বত্ৰ তই বিৰাজমান। সম্পূৰ্ণ নিৰ্বিকাৰ, অজ্ঞ আৰু প্ৰকৃতিস্থৰ ভাব প্ৰদৰ্শন কৰি মই গৃহাভ্যন্তৰত প্ৰৱেশ কৰিলোঁ। মুখত হুম্-হুম শব্দ এটিও নাই। গোপন দৃষ্টিৰে কিন্তু কাৰোবা'ৰ নিভৃত অনুসন্ধানত ব্ৰতী হৈ পৰিছে ইতিমধ্যে। প্ৰশ্ন কৰি লাভ নাই মাত্ৰ দুৰ্বলতা প্ৰকাশ। মৌনতা কিন্তু মুখৰ হৈ উঠিছে। প্ৰসংগ আৰু মৌনতাৰ সংগতি জানো কোনোবাই ধৰি পেলাইছে! বিগত ৰজনীৰ স্বপ্নই মোৰ নীলকণ্ঠ— মন চিত্তক ভাৱাক্ৰান্ত কৰি ৰাখিছিল। ঘৰখনৰ থম্ থম্ অৱস্থাটো'ৱে মোৰ অন্তৰাত্মাত সত্য-সূৰ্যোদয়ৰ আভাসটোক মূৰ্ত কৰি তুলিলে। পৰিয়ালৰ সকলোবোৰেই প্ৰায় ঘৰত আছে। লৰা ভাইৰ পৰিয়াল ভনী আদি সকলোৱেই আছে নাই মাত্ৰ সহধৰ্মিণী, মোৰ ঘৰৰ মুখ্য প্ৰাণীটো। মই সকলোৰেই কুশল বাৰ্তা ললোঁ। অ'বাধ কিশোৰ সৰু লৰাটোৱে অৱস্থাৰ গুৰুত্ব উপলব্ধি নোৱাৰি কৈ পেলালে 'মাৰ ডাঙৰ এক্সিডেণ্ট হৈছে' ইমানেই যথেষ্ট 'প্ৰায় সাত-আঠ ঘণ্টা আগতে এইটো সত্যকেই সগোনে উদঙাই দিছে মানৱ জীৱনৰ প্ৰচ্ছন্ন দিশটোৱে মোৰ নীলকণ্ঠ— মনক আচ্ছন্ন কৰি পেলালে। অৰ্ধাঙ্গিনীৰ কৰুণ দুৰ্ঘটনাই মোৰ অন্তৰত ভুইকঁপৰ কঁপনি তুলি মোৰ চকুৰ আগত অস্থিৰ তাণ্ডৱ নৃত্যৰ সূচনা কৰিলে।'

পৰ্ব:- বাই-প্ৰডাক্ট্

দ্বিতীয় মহাযুদ্ধই পৃথিৱীৰ মানৱ জাতিৰ ইতিহাস আৰু জীৱন প্ৰৱাহ প্ৰায় সম্পূৰ্ণ বিপৰীত মুখেই ঘোৰাই লৈ গল। ইংৰাজ, ফৰাচী আৰু আমেৰিকাৰ মিলিত মিত্ৰ শক্তিক নাৎসি জাৰ্মাণে পূৰৱ জাপানৰ সহায়ত জল, স্থল আৰু আকাশ মাৰ্গৰ যুদ্ধত ভালকৈয়েই থেকেচি থেকেচি জোলোকা জোলোকে পানী খুৱালে যদিও অৱশেষত ৰুছিয়া আক্ৰমণৰ ফলত পশ্চিমত নাৎসি বাহিনীৰ হাত-ভৰি ছিঙি ভাঙি লুৰ্ং-লুঠং হ'ল। হিটলাৰ সম্পূৰ্ণ ভাৱে পৰাজিতেই নহয় ধ্বংসও হ'ল। তেওঁৰ ৰাক্ষসী খকুটোৰ জুইকুৰা কোনোবা অজ্ঞাত সমাধি গহ্বৰত নিৰ্বাপিত হয়'তো হ'ল, কিন্তু তাৰ অস্থিপঞ্জৰৰ পৰা উদ্ভৱ হোৱা দূষিত বাস্পৰ ধনগুলৈ'বাবে পৃথিৱীৰ মানৱ সমাজক ভ্ৰান্তিৰ পাথদিয়েই বাং বিং কৈ লৈ যাবলৈ বিচাৰিলে। অৱশো ধ্বংস্কৰ, ধূমকেতু হিটলাৰ বুলি কলংকিত নাম এটাৰ আকোৰ-গোজ মনোবৃত্তি, দুৰ্দান্ত সাহস আৰু সম্পূৰ্ণ ভ্ৰান্ত ধাৰণাজনিত সিদ্ধান্তত অক্ষয় বট্ বৃক্ষৰ দৰে অচল-অটল হৈ থাকিব পৰা-ব্যক্তি-টোক কিন্তু মহাশত্ৰুৱেও স্বীকাৰ কৰিব লাগিব। এই কেইটা স্বভাৱজাত গুণৰ ধামখুমীয়াত মহা শক্তিশালী আৰু প্ৰতাপী তেওঁৰ বিশ্বস্ত অথবা অবিশ্বস্ত অনুগামী বোৰেও তেওঁৰ সাক্ষাতে বা অসাক্ষাতে মুখ দাঙি কথা কব নোৱাৰিছিল। যুক্তি-বিৰুদ্ধ, অবাস্তৱ আৰু অন্যায়-প্ৰৱণ হলেও হিটলাৰী সিদ্ধান্তটোৱেই বৰ্তিছিল।

উনৈশ শ পঞ্চলিশ চনত হিৰোচিমা আৰু নাগাচাকি চহৰত আমেৰিকাই পৰমাণু বোমা পেলালে। নগৰ দুখন সম্পূৰ্ণ বিধ্বস্ত হ'ল। হাজাৰ হাজাৰ জাপানী প্ৰজা নিহত হ'ল। কিছুমান খোৰা কোঙা, কণা, কুজা, বিকৃতাংগ আৰু বধিৰ হৈ বাচিল, সিহঁতৰ সুন্দৰ মানুহৰ আকৃতি গুচি ভূতৰ আকৃতি হ'ল এই বাচাৰ অৰ্থ আওমৰণ নৰক যন্ত্ৰনা অথবা জীৱন্ত মৃত্যু। যুদ্ধৰ পৰিণতিয়ে মানৱ

জাতিক শতাব্দীৰ সভ্যতাৰ বুকুত আগুৱাই পিচুৱাই লৈ গ'ল। অনিশ্চিত সভ্যতাটো অত্যন্ত প্ৰখৰ গতিত আগবাঢ়ি আহিল হয়তো। বান্দৰে গুণীৰ জোৰত তেল লগোৱা বাঁহৰ মূৰত উঠিও পুনৰ তললৈ নামি আহি গুৰিৰ পৰা ধনু-কাঁড় আৰু শিল-গুটি লৈহে উধাই লগীয়া হোৱা যেন এই অৱস্থা। যুদ্ধৰ প্ৰগতিৰ মাপ কাঠিডাল-সোণাৰো নহয়, নিখুঁত তীখাৰো নহয়, ই লেড-সেউ ৰবৰাহে। সেইবাবেই যুদ্ধৰ বিভীষিকা আৰু ভয়াবহতাই পংগু পলৱীয়া আৰু ভিক্ষুক কৰি পেলাবা এটা জাতি বা এখন দেশক অৰ্থ-নৈতিক, সামাজিক, ৰাজনৈতিক আৰু সামৰিক শক্তিত জগতৰ অগ্ৰগামী আৰু শীৰ্ষ-স্থানীয় জাতিটো পৰিণত কৰি তোলে। তাৰ উদাহৰণ চীনদেশ। হব। আন হাতে শীৰ্ষ-স্থানীয় জাতি এটাক যুদ্ধৰ বিভীষিকাই ধূলিৰ লগত মিহলাই দি নিশ্চিহ্ন কৰি পেলায় তাৰ সাক্ষী-নাৎসি জাৰ্মানি। দ্বিতীয় মহাযুদ্ধই পৃথিৱীৰ ৰূপ সলনি কৰি দিলে—মানুহ প্ৰায়বোৰেই বহুৰূপী হ'ল। যুদ্ধৰ শক্তিত ঐশীশক্তি আৰোপিত হ'ল। ধৰ্ম,কৰ্ম অন্তৰৰ সততা, জ্ঞান, ভক্তি, ঈশ্বৰ-বিশ্বাস—সকলো বিপৰীত বিন্দুলৈ ৰূপান্তৰিত আৰু বিকৃত হৈ পৰিল। বহু পৰিয়ালক মহাযুদ্ধৰ প্ৰভঞ্জনে বৌৱৰৰ শেষ প্ৰান্তলৈ উৰুৱাই লৈ গ'ল। ই কাৰোবাক অৱশ্যে স্বৰ্গৰাজ ইন্দ্ৰ নকৰাও নহয়। ৰূপ, তাম আদি মুদ্ৰাৰ সলনি হাজাৰ হাজাৰ ছপা নোটৰ মুঠাবোৰ বস্তুতবেই কৰায়ত্ত হ'ল

মহাযুদ্ধই যুদ্ধৰ সাজ-পালাৰ ঘৰ, বৈঠকখানা আদিত কাগজৰ ফুল সজোৱা ফুলদানি তৈয়াৰ কৰাই দিলে, তামৰ পাতি পইচাবোৰক 'মিলিটেৰী কেম্প'লৈ অনা টেলিফোনৰ তাঁৰ নিৰ্মাণ কৰাই দিলে। আৱিৰ্ভাৱ হ'ল—নতুন খমখমীয়া কাগজত ছাপ-মৰা নোটবোৰৰ মাহাত্ম্য, বীৰত্ব, শক্তি আৰু চুম্বক ধৰ্মী আকৰ্ষণৰ প্ৰভাৱ। হাবি গুচি নগৰ হ'ল, খুপৰি গুচি আকাশ লংঘী

অট্টালিকা হ'ল 'বিসণ্ডচি 'ভিলা' হ'ল,। বৈঠকখানাৰ কাগজৰ ফুলবোৰৰ চাৰিও কাষ অতিনাকি তোমাৰাৰ্বাৰ ভোন ভোনাই কৰিব ধৰিলে। সিহঁত শুকান কাগজ-পাতৰ মৌ-চুহি চুহি পেলালে। পাতবোৰত অজস্ৰ ছিদ্ৰ পুৰস্কাৰ স্বৰূপ দিয়া হল। বহু পাত সৰি গ'ল সাৰি পেলাই দিয়া হল। কিছুমান শোটাৰ আগত ল'গি যাব খোজ। সিহঁতৰ ঠাই সেই ফুলদানিত নাইকিয়া হৈ যায়। হোটেলৰ 'খানা'ৰ নিগূঢ় আকৰ্ষণ স্ত্ৰী-পুৰুষ উভয়কেই বাতুল কৰি তুলিলে। তাত স্ত্ৰী-পুৰুষ উভয়ৰেই 'খোৰাক' আছে— লাগে মাথো নতুন টপা খমখমীয়া কেইখনমান,—নোট। টকা তিনিশ ধাৰলৈ দি অযাচিত ভাৱেই 'কাইণ্ড' পদ্ধতিৰ সুত পাই থকা উপবিধি প্ৰকাৰান্তৰে প্ৰচলিত হ'ল। ঘৰৰ ভাতত জাত নিমিলা হ'ল। 'মেহমান'ৰ ঘৰৰ পৰা তেল বাতি'ত অহা জোলৰ খোল বুজি পাঁনেৰত বক্ষত আগেয় গিৰিৰ বিস্ফোৰণৰ পূৰ্ব কম্পন আৰম্ভ হ'ল। শিযান গ্ৰাহক বিশেষ 'চুইট্ হাৰ্টচ্'ৰ পৰাও ওলাটাই মোটা অংকৰ টকাৰ ধাৰ লবলৈ হ'লে নাপাহৰিলে। তাত উপযুক্ত মুখ্‌চানি দিয়াৰ ধূৰ্ত প্ৰতিশ্ৰুতিও থাকিল। সবৃদ্ধি মূল, চক্ৰবৃদ্ধি মূল অথবা উকামূলটো বিচাৰিলেও 'ব্লেকমেইল' কৰা বুলি ভৱিষ্যতে সাৱধান কৰি দিবলৈও ব্ৰাকাবোৰ সকলো প্ৰকাৰেই প্ৰস্তুত হৈ থাকিল—হাজাৰ হওঁক টকা-পইচাৰ খেলা-'মামলা'তো। টকাটোহে মূল কথা।

সত্য নাৰায়ণ পূজাৰ সংকল্প শিলিখা আঁচোলত বান্ধি লৈ বিশেষ 'মেহমানক 'এশ বিশ নম্বৰ পাণ' হাতৰ তলুৱাত গুজি দিওঁতে টিপাটো মাৰি ব্ৰত কৰি উপবাসে থকাৰ ইংগিতটো দিবলৈ এতিয়া আৰু পাহৰি যোৱাৰ কথা নহয়। তীৰ্থ স্নানলৈ ধৰ্ম আৰু পুণ্য কৰিবলৈ যোৱা বদ্ অভ্যাসটো ত্যাগ কৰাবো তেওঁলোকে বুজি বিচাৰি নাপায়। পূজাৰীয়েহে পূজা কৰিব। কৰ্ম-কৰ্তাৰ

বুঢ়া ব্যাপাৰক বলিৰ পথ্যাটোৰ গল্পৰ বটী'ডাল আৱেলিলৈ থিয় হৈ ধৰি থাকিলেই বা—তাত কষ্ট বা অপমান নো কিটো আছে? ভকত ভকতনীয়ে নিৰলে, নিজনে জোপোহাৰ মাজত মনৰ কথা পতাই ভাল—'যাদৃশীভাৱনাযস্য সিদ্ধিভৱতি" তাদৃশী"—যিয়ে যি ভাবেই ভগৱানক ভাৱে, তেওঁ সেই ধৰণেই ভগৱানক পায়। চোৰে সিন্ধি খান্দিও ভগৱানক পায়। সিন্ধিৰ মুখৰ পৰা নিৰ্গত হৈহে—ভগৱানক পায়। কুল-স্ত্ৰীৰ পৰপুৰুষ-অভিসাৰতো ভগৱৎ প্ৰাপ্তি ঘটে, মদ, মাংসাদি পঞ্চমকাৰ সেৱনতো। ভগৱান স্বেচ্ছাই ভক্ত পুৰুষৰ মনোবাঞ্ছা পূৰণ হোৱাৰ অৰ্থে হাজিৰ হৈ দৰ্শন দিয়েহি। ইহ সংসাৰৰ জ্বালা-যন্ত্ৰণাৰ পৰা জীৱক আশুমুক্তি দিবলৈ দেশৰ লোকৰ খাদ্য আৰু ব্যাধি নিৰাময়কাৰী ঔষধতো স্বয়ং অন্তকাৰী ভেজাল-ভগৱান আজি কালি উপস্থিত হৈ থাকিহি। তথাকথিত নেতাৰ নেতৃত্ব প্ৰসূতবাণী, স্বয়ং ভগৱানৰেই 'গীতা'ৰ কৰ্ম জ্ঞান আৰু ভক্তিৰ বাণী, নেতাৰ বাণীয়েই ত্ৰেতাৰ ৰামচন্দ্ৰ ভগৱানৰ বাণী, নেতাৰ শাসিত ৰাজ্যই ত্ৰেতাৰ ৰামৰাজ্য—কোৱা বাহুল্য—কোনো বাধা নাই, নিষেধ নাই, নীতি নাই, নিয়ম নাই, আইন-কানুন নাই—যাৰ যি খুচি তাকেই কৰ—যিটো ৰেই হাতত পৰে—তাকেই কৰা (?) এইটো-শাসন তন্ত্ৰৰ আধুনিক উপাদেয় সূত্ৰ? এই সূত্ৰ স্বয়ং সম্পূৰ্ণ, ইয়াৰ নাম—'ৰাষ্ট্ৰীয় সংশোধিত সূত্ৰ আৰু সংশোধক-বোৰ—'মেন অৱদি নেচন্'। 'ক'ড্ দানাপালেয'—কোনোবা গিৰি গহ্বৰৰ গুহাত বিলুপ্ত হৈ গল—চিৰকালৰ বাবেই (?) নিষ্ঠুৰ,ক্ৰুৰ বাস্তৱে ন্যায়-যুক্তিবাদী নীলকণ্ঠৰ বিবেকটোক সময়ৰ সোতৰ পৰা বহুত-বহুত ভটিয়াই লৈ গৈছিল, আকৌ উজান মুখী হ'ল।

মিলিটেৰীক বিবিধ সামগ্ৰী যোগান ধৰা পুৰুষবোৰ জনতাৰ জমিদাৰ হ'ল, ইংৰাজৰ মানত বাকী কি হৈ থাকিল। চন্দ্ৰবংশৰ লোক ভদ্ৰই থাকিল। টকা আছিল, কিন্তু টকাৰ বিনিময়ত

সন্মান আৰু মৰ্যাদা বিক্ৰী নকৰিলে। অজানিত দোষক্ৰুটিৰ আশংকাই সমাজৰ উপকাৰৰ কাম কৰালে, দেৱাদি বিগ্ৰহৰ মন্দিৰ সজালে; আধ্যাত্মিক আৰু সামাজিক ভাৱতো কিছু অংশ ধন খৰচ কৰিলে, নিজেও কিছু সুখজনক কাম কৰি সুখানুভৱ কৰিলে। কিন্তু অধিকাংশই নতুন ধনীৰ অহংকাৰ আৰু গণ্ডত গণ্ডাটোপটোৱেহে গুকদ্দি উঠিল। অকল ইমান খিনি হলেও মহাভাৰতখন অশুদ্ধ নহ'ল-হেঁতেন হয়তো। কিন্তু তেওঁলোক প্ৰথম পূজাৰী হ'ল—মদ, মাংস আৰু "বামা"ৰ, তেওঁলোকৰ ঘৰলৈ আমদানি হ'ল—মিলিটেৰী আৰু সমাজৰ সৰ্ব নিম্নথাপৰ সকলো ধৰণৰ অনাকাংক্ষিত লোক সকল। সেইবোৰ ঘৰ কৃষ্ণলীলাৰ বৃন্দাবন বা মধ্যমণিহে পৰিল। প্ৰগতিৰ জখলা (?) ত দোপত দোপে উঠিব খোজা সেইবোৰ ঘৰত অভিনৱত্বৰ মহুৰ্না আৱিৰ্ভাৱ হব ধৰিলে—"আজিৰ যগৰ ছোৱালী, বিবাহিতা স্ত্ৰী-সকলো স্মাৰ্ট আৰু ফ'ৰোৱাৰ্ড হব লাগে, নহ'লে ঘৰ নচলে, দেশ নচলে। সেইবাবেই আমাৰ দেশ অসম সকলো বিষয়তেই পিচ পৰা, উজুটিত পৰি মৰা। আমেৰিকা, জপান আদি পৃথিৱী বিখ্যাত দেশবোৰৰ যুৱক যুৱতী, বিবাহিতা স্ত্ৰী আদিবোৰ কিমান এডভান্স।" "সিহঁত কেচুৱা, দুৰ্বলা চোৰ অসৎ নে অসতী যে—ঘৰৰ মানুহ নগলে সিহঁত অকলে ফুৰিবলৈ, চিনেমা এখনকে চাবলৈ নতুবা মানুহ এজনৰ ঘৰত এদিন দুদিন থাকিলেও জগৰ লাগে—যেন সিহঁতক কোনোবাই খাই হে পেলাব।" এনে এটা সুন্দৰ বায় দিলে-বিদেশৰ পৰা অসমলৈ অলপতে অহা আৰু লোকৰ মুখে ঘুমুক ঘানাক শুনা তথাকথিত ভদ্ৰলোক মদন বাবে। বাল্মীক উচতাই জোপ খোৱা এইহেন ভদ্ৰলোকজনৰ গভীৰ প্ৰগতি বাদী যুক্তিত শয্য। উপবিষ্ট শ্ৰোতামণ্ডলীৰ মাজৰ পৰা নগেন কেওঁতে 'হয় হয়, ধন্য ধন্য' কৰিবৰ ধৰিলে, জগতে মন্তব্য দিয়াৰ ক্ষেত্ৰতো দৈন্য নদেখুৱালে—আমাৰ বেক্ৱাৰ্ড অসমীয়া সমাজত এইহেন প্ৰগতি

আহিবলৈ আৰু বহুত যুগ লাগিব। অসমীয়া নৰ নাৰীয়ে ইয়াৰ তলানলাই নাপাব। চিৰকাল গাৱলীয়া মাৰ্কা হৈ থাকোতেই অসমীয়া জাতিৰ আয়ুস ক্ষয় হব। এই শিক্ষা লাভৰ বাবে বিদেশলৈ যাব নালাগে, বিদেশী শিক্ষকৰ দ্বাৰা অসম ভৰি পৰিছে। আমাৰ প্ৰতিবেশী দেশৰ নাৰী পুৰুষবোৰ কিমান স্মাৰ্ট, কিমান ফৰ'ৱাৰ্ড। তেওঁলোকৰ লগত কিছুকাল থাকিবলৈ দি অবাধ মিলামিছা কৰিবলৈ দিয়া উচিত—তেহে যদি অসমীয়া জাতিৰ চকু গজে। বেউলা, সাৱিত্ৰী জয়মতী মূলাগাভৰু ঝান্সিৰাণী লক্ষ্মীবাই আদি বহুত নাৰীয়ই বুৰ্বক, গাৱলীয়া, অসমীয়া সাধিকা ৰমণীৰ দৰে—"স্বামী আৰু দেশ' স্বাম, আৰু দেশ' কৈয়েই সকলো দুৰ্ভোগ ভুগি আত্মবলেই মৰিলা বিজ্ঞান স্পুটনিক'ৰ যুগত সতীত্ব এটা প্ৰহসন মাত্ৰ। তেওঁলোকৰ সেই সতীত্ববোৰ ক'ৰবাত গছত লাগি ওলমি থাকিব নেকি যে—সেইবোৰ পাৰি আনি খাই অসমীয়া জাতিৰ পুৰু যাদ্ধাৰ তব। এই জীৱনটোৰেইতো ভোগ আৰু আনন্দৰ সময়। মৃত্যুৰ পিচৰ স্বৰ্গসুখ আৰু অমৃতৰ স্বাদ কেনে—কোনে কব? মৰাক ভাত দিলে—কাউৰী কুকুৰ, শিয়ালে খায়, গৃহস্থৰ ব্ৰহ্ম ভোজনৰ ভৰণিখিনি বিফলে যায় নে নাযায় বাৰু? শাস্ত্ৰত নোখাব ধাৰ কৰিও ঘিউ খাই জীৱন ভৰ সুখেৰেই জীয়াই থাকিবলৈ কৈছে। জাত পাতৰ বিশ্বাস—বিচাৰ এটা অন্ধবিশ্বাস---কুসংস্কাৰ, এই নোহাবা নোপজা কথা-টোৰেই আমাক অসভ্য বেকৃৱাড কৰি ৰাখিছে। শাস্ত্ৰও ধূৰ্তই তৈয়াৰ কৰিছে।"

মহাযুদ্ধৰ অভিনৱ আমদানি কৃত্ৰ সভ্যতা আৰু সংস্কৃতিৰ স্বৰূপটোত জাহ যাবলৈ অপাৰগ হোৱা অথবা তাৰ মোহিনী মন্ত্ৰৰ প্ৰভাৱ পেলাবলৈ অসমৰ্থ হোৱা নীলকণ্ঠৰ খাহ-বজীয়া জীৱন (?) টো ইমান মছলাৰ মাজতো ওদা হৈয়েই থাকিল। কিছু সংখ্যক বাস্তৱ বাদী তাত্বিকৰ মানত নীলকণ্ঠৰ বিদগ্ধ পাণ্ডিত্যটো--এটা

'পুস্তক স্থাপিতা বিদ্যা'' মাত্ৰ। উদাসীন সন্ন্যাসী-এনেকি প্ৰকৃতাৰ্থত কৰ্ম-যোগী—তেওঁলোকে সমাজৰ দুৰ্বাৰ গতি ধাৰাত তেওঁ কেতিয়াও তিষ্ঠিব পৰাৰ কথা নহয়। তেওঁ শেষাত্ৰি শিখৰ, পৰ্বতৰ গুহা অথবা সুশীতল তৃষাবাসনত আসীন হৈ অৰ্থ এবি পৰমাৰ্থ চিন্তা কৰাৰ হে লায়ক। এই মাটিৰে গঢ়া তেজ-মঙহৰ মানুহ হ'লেও তেওঁ প্ৰকৃতাৰ্থত কামিনী-কামনা-শূন্য। আকৰ্ষণ আছে—হয়তো ই অতি তীব্ৰ আকৰ্ষণ। মাকৰ কোলাৰ শিশু, ডালৰ ধুনীয়া চৰাই, পাতৰ আঁৰৰ অৰ্ধ-বিকশিত কোমল কুসুম-কলি, সদ্যস্নাতা, মেঘ-গামিনী, লজ্জা নম্ৰ, সুভাষিণী স্বামী অনুৰক্তা নাৰী—কোন নৰাধম বা যতিৰ বা আকৰ্ষণৰ বস্তু নহয়। এই আকৰ্ষণৰ কাৰণ—সৌন্দৰ্য। সৌন্দৰ্য ভিতৰৰ বস্তু—বাহিৰৰ নহয়, আত্মাৰ বস্তু—দেহৰ নহয়। দেহৰ সৌন্দৰ্যক চকু-জিভাই চাকি চায়, ভিতৰৰ সৌন্দৰ্যক আত্মাই হজম কৰে, অন্তৰে চুই যায় তাক প্ৰাণে সামৰি লয়। এই সৌন্দৰ্যৰ উপলব্ধিত কেৱল আনন্দইহে আছে—কপটতা নাই, কৃত্ৰিমতা নাই, স্বাৰ্থ নাই। ই লোভ ৰোগ-গ্ৰস্ত নহয়—ই ভোগ-তুষ্ট—চিত্তৰ যোগ আছে দেহ-বিত্তৰ ভোগ নাই ইয়াত। ই জৰা গ্ৰস্ত নহয় ই হ'ল ৰবাভয় প্ৰদায়ক। ইয়াত দেহ-মনৰ শ্ৰান্তি নাই, ক্লান্তি নাই শান্তিহে ইয়াৰ পৰা-কাষ্ঠা। অন্তৰৰ আকৰ্ষণ সদায় সূক্ষ্ম গতি সম্পন্ন।

যোটক, মিলন, লগ্ন, গ্ৰহৰ উচ্চতা বা মৈত্ৰী অথবা যোগা-দিৰ অৰ্থই বা কি? সাৰ্থকতাই বা ক'ত? যি মুহূৰ্তত লগ লগা উচিত—সাধাৰণ অৰ্থত তাকেই লগ্ন বুলি কোৱা হলেও সিটো লগ্ন নহয়। অশুদ্ধ বা অনুচিত হলেও যি মুহূৰ্তত সংযোগ-সাধন হৈ যায়—সেইটিয়েই দম্পতীৰ লগ্ন হৈ যায়। পূৰ্বতে ভাল সময় বুলিহে কোৱা যুগুত। একেবাৰেই নিষিদ্ধ হলেও সিহঁতৰ মিলন ক্ষণটো পূৰ্ব-সিদ্ধ বা পূৰ্ব-নিৰ্ধাৰিত হৈ আছে।

যি কোনো বাধা-বিঘিনিৰ মাজেদি হলেও সেই মুহূৰ্ত্ততহে মিলন হবই, তাৰ অন্যথা কেতিয়াও নহয়। যুগ্ম জীৱনৰ সুখ-দুঃখ, মান-অপমান, নিন্দা-প্ৰশংসা, বিদ্যা-ধন, উত্থান-পতন এনেকি মৃত্যু পৰ্য্যন্ত তাৰ ওপৰ'তই নিৰ্ভৰ কৰে নেকি ?

পৰ্ব :- প্ৰথম প্ৰেম

গধূলি নগৰৰ কাম ছাঁয়াত এটি নাৰী দেহৰ চুম্বকত্বই নীলকণ্ঠক আকৰ্ষণ আৰু মোহ-মুগ্ধ কৰিছিল। সান্ধ্য ভ্ৰমণৰ অজ্ঞাত মধুৰ উপসংহাৰৰ উদ্দেশ্যে নীলকণ্ঠৰ বন্ধু নীলোৎপলে এদিন তেওঁক আহ্বান কৰিলে। মানুহজন নতুন ধনী। মহাযুদ্ধৰ টকাই ঘৰ ধনলৈ জ্ঞাত-অজ্ঞাত বহুত কিবা কিবি আমদানি কৰিলে। সেই পৰিয়ালটোৰ লগত নীলোৎপলৰ চিনাকিটো ডাকুটি'ৰ পাৰি অনা। নীলকণ্ঠৰ যোগ-ধ্যান ভংগ হৈ পৰিল। ৰ-মাৰ দীৰ্ঘ পোন দেহটো নীলকণ্ঠৰ মানত 'বন্যাৰ' দৰেই লাগিল। নীলকণ্ঠৰ 'নব-পত্ৰিকা' তাতেই সংস্থাপিত হ'ল। ই তেওঁৰ ষষ্ঠীত দেৱীৰ বোধন-আৱাহনৰ আনন্দ।

ৰমাৰ পৰিয়ালৰ তত্বাৱধায়ক একনে কলে "ছোৱালীজনী কেনে দেখিলে ?"

"ভালেই দেখি হঁা" নীলকণ্ঠৰ লাজ লাজ ভাৱৰ-মন্তব্য। "মাক, ভায়েক, ভনীয়েকহঁতে সুধিছে- 'ৰমাক তেওঁ বিয়া কৰাব নেকি ? কথাবাৰ খোলা-খুলি ভাবে সোধা বাবে তেওঁ যেন বেয়া নাপায়, কন্যাদায় গ্ৰস্ত মানুহ আমি।" একপে আকৌ কলে— "তেওঁলোকে

বৰ আগ্ৰহেৰেই কথাবাৰ শুধিছে। যদি বেয়া নাপায় এতিয়াই শুভ উত্তৰটো পাব বুলি আশা কৰি আছে গোটেই ঘৰখনে।" "গধূলিৰ বাম'চ'ায়াত ছোৱালীজনী চকামৰাকৈ দেখিলোঁ, ছোৱালীৰ ইচ্ছা আৰু মত আছেতো? মানৱ সমাজখনত আজিৰ নাৰী সমাজ খনবো অকুণ্ঠ সমৰ্থন আৰু ব্যক্তিগত মত বিচৰাৰ প্ৰয়োজন আছে। অভিভাৱকৰ মত বা প্ৰৱল ইচ্ছা থাকিলেও বহু ক্ষেত্ৰত ছিতেই বিপৰীত হৈ যায়। সুপাত্ৰ বুলি সম্পূৰ্ণ প্ৰত্যয় পালেই, বহুত কন্যাদায়-গ্ৰস্ত অস্থিৰ অভিভাৱকে দায় সাৰিবলৈ যৎপৰোনাস্তি চেষ্টা আৰু আকাংক্ষা কৰে। চেষ্টা কৰাটো খুবেই স্বাভাৱিক। ছোৱালীজনী সুধিব— মোৰ লগত বিয়া হোৱাত তেওঁৰ ইচ্ছা আৰু মত আছেনে নাই। কাৰো লগত কোনো ধৰণৰ দায়বদ্ধতাও মই ভাল নাপাওঁ আৰু তেনে ক্ষেত্ৰত মই কাৰো দেৱাল বা হেঙাৰো নহওঁ। মোক লাগে এখন শুদ্ধ, পৱিত্ৰ আৰু ভালপোৱা অন্তৰ, যদি আপোনাৰ ভনীয়ে (অৰ্থাৎ ভনী স্থানীয়াই) শুদ্ধ আৰু পৱিত্ৰ মনেৰে মোৰ সাধনাৰ সহায় হবলৈ প্ৰতিশ্ৰুতি দিব পাৰে, তেনেহলে হয়তো বমাক বিয়া কৰোৱাত মোৰ কোনো আপত্তি নাথাকিব। মই ভাল পালেইতো যথেষ্ট নহয়, তেৰো মোৰ সাধনাৰ সহায় হবলৈ ভাল পাব লাগিব। আশাকৰোঁ, আপুনি এই সকলো কথাবেই আগগুৰি বিচাৰ বিবেচনা কৰিহে সম্ভাব্য ক্ষেত্ৰত অগ্ৰসৰ হব বুলি ভাবোঁ বক্কা। তদুপৰি আন এটি গুৰুত্বপূৰ্ণ কথাও আছে:—

জন্মকুণ্ডলীত গ্ৰহবোৰৰ অৱস্থান আৰু জাতকৰ জীৱনৰ ওপৰত সেই গ্ৰহ-নক্ষত্ৰ বোৰৰ প্ৰভাৱৰ ওপৰত মোৰ দৃঢ়বিশ্বাস আছে। গতিকে এই বিষয়টোৰো এটা ভাগ্য-প্ৰদত্ত সিদ্ধান্ত লাগিব। যোটক বা দম্পতীৰ জন্মলগ্ন বা ৰাশিচক্ৰৰ মিলন-বিচাৰটো এটা বৈজ্ঞানিক পদ্ধতিৰ বিচাৰ মাত্ৰ। শুদ্ধ গণনা বা বিচাৰক উলাই কৰাৰ কাৰো যুক্তি থাকিব নোৱাৰে।

সেইদিনাৰ প্ৰসংগ ইমানতেই ইতিকৰা হ'ল। মোৰ স্পষ্ট কথা শুনি বৰুৱাৰ মন প্ৰফুল্লিত হোৱা যেন লাগিল। তেওঁ হৃষ্ট চিত্তেই ঘৰমুৱা হ'ল, হাতৰ নমস্কাৰ আৰু মুখৰ হাঁহিটো অতৰ্কিত ভাৱে বেছ কিছু সময় ধৰি লাগিয়েই আছিল। অজ্ঞাত ভাগ্যলিপিৰ সংযোগবোৰ সদায়েই বিচিত্ৰ। আকস্মিক সুসংযোগবোৰত ফুল শয্যাৰ মধুৰতা আছে।

পিচদিনা ৰমাৰ দাদা অৰুণ বৰুৱা নীলকণ্ঠ ফুকনৰ ঘৰত উপস্থিত হ'লহি। তেওঁ নীলকণ্ঠৰ কাণে আপুনি বিচৰামতে সকলোকথা ঠিকেই আছে। দুৰ্গা পূজাৰ পিচতেই আহিন মাহৰ মাজভাগত বিয়াৰ ভাল দিন আছে বোলে। ৰমাই হেনো মহাপুৰুষ তুল্য উত্তম পতি পাব বৈৱাহিক জীৱনত। এইখন বিয়া হবই লাগিব যুৰুন। কোষ্ঠীত অল্প অমিল হলেও অমত নকৰিব যুৰুন। ঘৰখনৰ এটা প্ৰবল আনন্দৰ জোঁৱাৰে মগ্ন কৰি পেলাইছে। বিশেষত আমি অৰ্থাৎ মোৰ পৰিবাৰ আৰু মই এইখন বিয়াত বৰ আনন্দ পাম। ৰমা অৰুণ মোৰ ভনী স্থানীয়াই হয়—পিতৃ-হীনা অনাথা প্ৰায়। আপোনাৰ কথা কওঁতে ৰমাই কৃত্ৰিম খং দেখুৱাইছে হয়, কিন্তু মনে মনে আনন্দত অধীৰা হৈ পৰিযোৱাৰ প্ৰত্যক্ষ প্ৰমাণ পোৱা গৈছে ৰমা স্থিৰা অচঞ্চলা-অচপলা। কিবা এটা ভাৱত তেওঁ যেন ধ্যানমগ্না বা আচ্ছন্না হৈ পৰিছে। 'মই জানো তেওঁৰ উপযুক্তা। মই জানো পাৰিম? মই জানো তেওঁৰ সাধনাৰ সাধিকা হিচাপে যোগ্যা হব পাৰিম। এইখন ঘৰৰ অকাল—বসন্তৰ মোহিনী মন্ত্ৰৰ বশীকৰণটো জানো বৰ শক্তিশালী? তাৰ জাল কাটিবলৈ জানো মই পাৰিম।" এনে কিবাবোৰ ৰমাই মাজে মাজে অস্পষ্ট ভৱে নিজে নিজেই ভোৰ্ভৰাই থকে। আমি কওঁ, "বিদগ্ধ পণ্ডিত নীল কণ্ঠ ফুকনৰ আত্মাত বিদগ্ধ প্ৰেমিকৰ সুমহান সুপৱিত্ৰ অন্তৰো এখন আছে। সেই অন্তৰ বৰ উদাৰো. আপোনাৰ উচ্চ বংশ, বাজোচিত

সমৃদ্ধি আৰু লগতে পিতৃ বিয়োগৰ ফলত হোৱা ভাগ। বিপৰ্যয়ৰ কথা বহুতৰ মুখৰ পৰাই আমি শুনিছোঁ। এইবোৰ কথা ৰমাৰ পৰিয়ালতো সকলোৱেই শ্ৰদ্ধাৰেই শুনিছে। আপোনাৰ প্ৰতি ঘৰৰ সকলোৱেই এটা প্ৰবল আকৰ্ষণ হৈছে আৰু এটা আপোন আপোন ভাৱ ইতিমধ্যেই জন্মিছে। আপুনি নহয় বুলি কলে ঘৰখন একেবাৰেই নিৰাশ হৈ যাব। আপুনি কোনোমতে আপুনি ৰমাৰ মনৰ কথা বুজিলেও ৰমাই জানো আপোনাৰ মনৰ তলিলৈকেই ডুব মাৰিছে—আপোনাৰ মনৰ তলি পাই পেলাইছে। এতিয়া সংক্ষেপ কথা হ'ল "শুভস্য শীঘ্ৰম, নহয় জানো যুকন? বিলম্বিত আশাই অন্তৰ ক্ষুণ্ণ কৰে আৰু তাৰ এটি মুহূৰ্তই যুগান্তৰো সৃষ্টি কৰে, এতিয়াৰ তৰাবো যায়।

অৰুণ বৰুৱা বিনয়ী মাৰ্জিত ৰুচি-সম্পন্ন, ভদ্ৰ—অথচ সূক্ষ্ম বিশ্লেষণী শক্তি সম্পন্ন আৰু বুদ্ধি-দীপ্ত। ৰমাৰ স্বৰ্গীয় পিতৃ ৰজত বৰুৱাই এৰি যোৱা নতুন ধনী পৰিয়ালটোৰ তেওঁৱেই যিমান দূৰ সম্ভৱ তত্ত্বাৱধান কৰি আছে অতদিনেই। তেওঁ হয়তো স্বৰ্গীয় ৰজতৰ দ্বাৰা কিছু উপকৃত হৈছিল, কিন্তু তাৰ বিনিময়ত তেওঁ সেই পৰিয়ালটোৰ কিছু কিছু উপকাৰ সাধন কৰি আহিছে। প্ৰায় পোন্ধৰ বছৰ মানে বয়সত ডাঙৰ অৰুণ বৰুৱাক নীলকণ্ঠই মনে মনে আন্তৰিক শ্ৰদ্ধানজনাই বা সমীহ নকৰি নোৱাৰিলে।

'অৰুণ বৰুৱা ৰমাৰ পৰিয়ালৰ বন্ধু হলেইবা—তাত মোৰ লাভ? মোৰ মনৰ চকুত ভ্ৰুযেডে মিচিকিয়াই কলে—নীলকণ্ঠ, তুমি অন্তৰখনক সোধাচোন—উত্তৰ পাবা। তুমি হয়তো প্ৰথম দৃষ্টিতেই ৰমাক ভাল পাই পেলাইছা, মনে মনে ৰমাৰ ওচৰত আত্ম-সমৰ্পন কৰি পেলাইছা। তোমাৰ এই প্ৰেম ঠিক দেহজ হয়তো নহয়। তোমাক পাবলৈ দেখো বহুত কন্যাই এক প্ৰকাৰ তপস্যাই কৰিছিল। তুমি চিৰদিন কি ব্ৰহ্মচাৰী হৈয়েই থাকিব খুজিছিলা নেকি? ই জানো

মনে-প্ৰাণে সম্ভৱ ? ঠিকেইতো, ৰমাক মই ভালপায়েই পেলালোঁ নেকি ? ৰমা মোৰ কোন দিনাৰ কি হয় বাৰু ! যি ক্ষেত্ৰত অভিজাত ভদ্ৰ ঘৰৰ বহুজনী সুন্দৰী ছোৱালীয়েও মোৰ যৌৱন নন্দন কাননৰ পাৰিজাতৰ এটি পাপৰিও ছিন্ন কৰিব নোৱাৰিলে, যাৰ পৱিত্ৰ শোকাশ্ৰুৱেও মোৰ শুষ্ক অন্তৰখন ল অলপ তৃপ্তি বা তাৰল্য আনিব নোৱাৰিলে, যাৰ চকুৰ পৱিত্ৰ, নীৰৱ সৃষ্টিকামী আৰু সুষমাময় ভাষাই ভৱিষ্যতৰ সুস্থ, প্ৰেমময়, দাম্পত্য জীৱন এটাৰ অভগ্ন প্ৰতি-শ্ৰুতিৰ ছবিখন উদ্ভাসিত কৰিও পৰ্বতক হাতেৰে ঠেলাৰ অসম্ভাৱ্যটোক সম্ভাৱনাময় কৰি তুলিবলৈ অপাৰগা হৈ পৰিল, যাৰ ৰাজোচিত আতিথ্য আৰু অৰ্পিত মৰ্যাদায়ো মোক প্ৰণয় সিংহাসনত বহুৱাব নোৱাৰিলে, অথবা সিংহাসনৰ সমীপস্থও কৰাব নোৱাৰিলে, মহা যুদ্ধৰ ডোবা-গচকা পংকিল সমাজ খনক নেওচা দি ওলাই অহা যি প্ৰকৃত সাৱিত্ৰীৰ দুই এজনীৰ ব্ৰতেও মোৰ সংযমৰ 'যম-'টোৰ হতুৱাই প্ৰেমৰূপ প্ৰাণটো প্ৰতিষ্ঠা কৰাব নোৱাৰিলে অথচ মৃত হৈ থাকিও নাইবা প্ৰাণ প্ৰতিষ্ঠা নহৈ মই সংযম-সত্যৱান হৈয়েই থাকিলোঁ, অপৰিমিত ধন-সোণৰ গৰাকী পিতৃ বা অভিভাৱক বোৰৰ প্ৰদৰ্শিত যি লোভেও মোৰ ক্ষোভটোক তিল প্ৰমানো প্ৰলোভিত কৰিব নোৱাৰিলে, যি 'মধ্যেক্ষামাপকবিম্বাধৰোষ্ঠী বা 'শ্ৰোণীভাৰাদলস গমনা'ৰ নয়নৰ পঞ্চকাম শৰেও মোৰ কৈৱল্য বা নিঃসংগতাৰ ধ্যান ভংগ কৰিব নোৱাৰিলে,—শেষ পৰ্যন্ত তন্বী শ্যা মা' ৰঞ্জু দেহিনী ৰমাই মোৰ ধ্যান ভংগ কৰিলে নেকি ? কিমাশ্চৰ্য মতঃ পৰম' ?— সচৰাচৰ পলমকৈ শোৱা নীলকণ্ঠই মাজনিশা শেতেলীত দীঘলদি পৰি বিনিদ্ৰ ৰজনীৰ কটাক্ষ স্নেহ-স্পৰ্শ আৰু আঙুলি বুলনিত এনেধৰণৰ ৰূপভোক্তিৰ উত্তাল তৰংগত উটি-বুৰি ফুৰিবলৈ ধৰিলে। তেওঁ মহা প্ৰতাপী মন্মথৰ শুভ আগমন অনুভৱ কৰিলে। নীলকণ্ঠ যেন সেই অনাহূত মন্মথৰ লগত গভীৰ উজাগৰী নিশাৰ কথোপ কথনত ব্যস্ত হৈ

পৰিছে ! "যদি ৰমাৰ প্ৰতি কোনো আকৰ্ষণেই প্ৰকৃত পক্ষে হোৱা নাই, তেনেহ'লে ৰমাৰ ছায়া মূৰ্তিটো দেখিয়েই মোৰ হৃদয়ৰ কোনোবা গোপন তন্ত্ৰী অজ্ঞানিতেই কঁপি উঠিল কিয় ? ৰমা জানো অপৰূপা ৰূপৱতী ? একাষাৰেই ইয়াৰ এটা খাটাং উত্তৰ দিয়াটো সম্ভৱ নহয় ৰমা—ওখ, লাহী অৰ্থাৎ কৃশাংগী বুলিয়েই ক'ব পাৰি। শ্যাম বৰ্ণা ৰমাৰ নয়ন যুগল সামান্য ধৰণে ক্ষুদ্ৰা কৃতিৰ, তৰল দৈৰ্ঘ্যহীন কেশ গুচ্ছ। হস্তাঙ্গুলি বহু পৰিমানেই মসৃণ যদিও ভৰিৰ আঙুলিবোৰ বিস্তৃত ব্যৱধানত অৱস্থিত। ভৰিৰ গোৰোৱা স্থূলটো আৰু পদচলন চিত্ৰিণী নাৰীৰ দৰেই প্ৰত্যক্ষ হৈছে। ৰূপ আৰু প্ৰেমৰ আকৰ্ষণত ভৰিৰ গোৰোৱাৰ ঠাই কিমান গুৰুত্বপূৰ্ণ – এই বিষয়ে বাৎসায়নে তেওঁৰ কাম শাস্ত্ৰ'ত বিশদ ভাৱেই উল্লেখ কৰিছে। সম্ভ্ৰান্ত ঘৰৰ ভদ্ৰ মহিলা বা যুৱতী কন্যাই নাভিৰ নিম্নাংশৰ পৰিধেয় বস্ত্ৰ কোনো ক্ষেত্ৰতেই এক আঙুলিও উজান মুখী কৰি দাঙি নলয়। পদচলনৰ সময়ত ভৰিৰ গোৰোৱা আৰু কলাফুল দেখি দৰ্শকৰ কামোদ্ৰেক হয়হে হনো।

ইংৰাজ ঔপন্যাসিক থমাচ্ হাৰ্ডিৰ উপন্যাস—টেচ্ অৱদ্যা উৰবাৰ ভিলিজ—'এ' পিঅৰ ওইমেন'ৰ নায়িকা টেচেও পানী থকা ঠাইৰে খোজ কাঢ়ি যাওঁতে পিন্ধা কাপোৰ উজাই লোৱা নাছিল। 'টেচ'ৰ প্ৰতি ধৰ্মযাজক-পুত্ৰ ক্লেয়াৰৰ আকৰ্ষণৰ ইয়ো এটা কাৰণ আছিল। এনে ক্ষেত্ৰত ৰমাৰ প্ৰতি এই মোহ বা আকৰ্ষণৰ প্ৰচ্ছন্ন হেতু কোনটো বা কি হ'ব পাৰে বাৰু ! মানৱমন, মানৱাত্মাৰ সদায় বিচিত্ৰ।

দৈৱ-বন্ধনেই ৰমাৰ প্ৰতি এই চুম্বক ধৰ্মী আকৰ্ষণৰ হেতু নেকি ? ৰমাৰ দেহৰ এটা 'মেগনেটিক আকৰ্ষণ আছে। পূৰ্ব জন্মনি বা বিদ্যা পূৰ্ব জন্মনি বা ভাৰ্যা।' মনে ইয়াতো বিশ্বাসৰ খুঁটি যদি দৃঢ় কৰিব নোখোজে তেনেহ'লে, মনো বিজ্ঞান আৰু দেহতত্ত্বৰ সহায় অনিবাৰ্য।

মানৱ দেহটো কোটি কোটি অণু-পৰমাণুৰে গঠিত—তেজ মঙহ, অস্থি, মজ্জাৰ সু-সমন্বয়। চুম্বক, লো, বা বিজুলী শক্তিৰ দৰে দেহৰ অণু-পৰমাণু আদিবোৰে পৰস্পৰে পৰস্পৰক আকৰ্ষণ-বিকৰ্ষণ ক'ৰে আৰু এই কাৰ্য্যই আন দেহ, মন আৰু অন্তৰক বিভিন্ন ভাবে প্ৰভাৱান্বিত কৰে। এই প্ৰভাৱেই সম বা বিসম ধৰ্মিতা। এই ধৰ্ম বিপৰীত যোনি অথবা লিংগত তীব্ৰ আৰু সুবীয়া স্বভাৱৰ হয়। এনে প্ৰভাৱৰ ফলত ব্যক্তি বিশেষৰ প্ৰতি প্ৰেম বা ঘৃণা ওপজে। কেতিয়াবা আকৌ যৌন-চেতনা, যৌনানুভূতি বা 'চেক্স' টোহে মুখৰ হৈ উঠে। তেনে ক্ষেত্ৰত সুপ্ত প্ৰেম জাগ্ৰত হয় অথবা ঘৃনাই হৈ লুপ্ত প্ৰায় হৈ যায়। এনে ধৰণৰ অজস্ৰ কথা মোৰ নিদ্ৰা-হীন অপলক চকুযুটাৰ আভ্যন্তৰীন পৰ্দাত উদ্ভাসিতহৈ উঠিব ধৰিব বাক! শৰীৰ নিশ্চল, মন চঞ্চল, অংগ-প্ৰত্যংগবোৰ প্ৰস্তৰীভূত আৰু শ্বাস-প্ৰশ্বাসবোৰে কিবা এটা দীৰ্ঘ বিৰতিৰ অস্তিত্ব যেন অনুভূত হৈছে। ই সম্মোহন তাপন নে পোন চাটেই পূৰ্বৰাগ মই তাক নিৰ্ণয় কৰিব নোৱাৰিলোঁ। সম্মোহনেই যদি হয়,—তাৰ মোহটোৰ উৎসটো ক'ত? 'তাপনেই যদি হয়—বিৰহ-বিচ্ছেদ জনিত মনস্তাপৰেই বা অৰ্থ ক'ত? আৰু ই যদি পূৰ্বৰাগেই হয়, এইমোৰ ভীষ্ম-প্ৰতিম অনাসক্তিত এইয়া কিহৰ ৰং বা ৰাগ? ই প্ৰেম, প্ৰণয়, যৌন-লিপসা, আসংগ কামনা দৃষ্টি—বন্দিত্ব অন্তৰ-তৃষ্ণা নয়ন-তৃষ্ণা—নে একেবাৰেই শেষটো - মৃগতৃষ্ণা? Is it simply a psychic drive or energy associated with sex instinct? যৌন-প্ৰবৃত্তি-সংশ্লিষ্ট আত্মাৰ চিকাৰ-অনুসন্ধানৰ জানো কিবা পৰিচয় ইয়াত আছে? Is it simply a libido of the eve of dawn? পুৱতি নিশাৰ ইজানো প্ৰখৰ যৌন—চেতনা? শাৰীৰিক মানসিক, এনেকি আধ্যাত্মিক গুণ বিশিষ্ট যিয়েই নহওক—সকলো প্ৰকাৰৰ নাৰী পুৰুষৰ প্ৰেমৰ পৰিণতিটোৱেই তো 'লিবিডো'।

'লিবিডো বিহীন স্ত্ৰী-পুৰুষৰ প্ৰেমইতো তমোময় প্ৰেম—নহয় জানো।' নীলকণ্ঠৰ স্বগতোক্তি হঠাৎ বন্ধ হৈ গ'ল, তেওঁ যেন কজাঘুমটিৰ পৰাহে সাৰ পাই উঠিল।

দুৰ্বাৰ নিলাজী প্ৰেম অথচ ই নিলাজী বনৰ দৰেই জয় পৰা স্পৰ্শ কাতৰ—চুই দিলেই এটা সময়ত মূদ খাই যায়।

এটা সময়ত প্ৰেম স্বয়ং লজ্জিত হৈ পৰে। প্ৰেমৰ আৰম্ভ হয় উচ্চত—হয়তো চকুত। পৰিণতিটো মধ্যত। কোনো প্ৰেম 'কুচ যুগ শোভিত মুক্তাহাৰ' তেই সন্তুষ্ট—ই অৱনমিত হব নোখোজে। সেইজন শৃংগাৰ-ৰস শিৰোমণি প্ৰেমিক কবি। কোনো প্ৰেম অৱ-নমিত হৈ পদ পঙ্কজত স্থায়ী প্ৰেম-নীড় সাজে, তেওঁ ভক্ত প্ৰেমিক কবি। তেওঁলোকৰ সংখ্যাটো হাজাৰ, লাখৰ ভিতৰতো বিচাৰি পাবলৈ টান। নীলকণ্ঠৰ তাজাৰ বিচাৰ—বিশ্লেষণ বিনিদ্ৰ ৰজনীক এটি সময়ত মুক্তি দি'লে।

বাস্তৱ পুৱাবলৈ আৰু বেছি সময় নাই। নীলকণ্ঠৰ চকুৰ পতাৰ ওপৰত চোৰনিদ্ৰা বাণৰ কচাল পৰিল।

পুৱতি নিশাৰ প্ৰসৱ-বেদনা—বেদনাময় আনন্দ, নে আনন্দময় বেদনা। ভাগ্যৰ ধামখুমীয়াই উঠা বহা কৰা মানুহ নাম ধাৰী পদাৰ্থ-অপদাৰ্থবোৰেহে তাৰ হয়তো সঠিক উত্তৰ দিব পাৰিব। নিদ্ৰাৰ কচালটোৰ তলত নীলকণ্ঠ আন এখন বিচিত্ৰ জগতত উপস্থিত হ'লহি। সেইখন জগত ৰোমাঞ্চিক নে মৰ্মান্তিক।

নীলকণ্ঠই সপোনত দেখিলে—কিবা এটি যেন উৎসৱৰ আয়োজন হৈছে। শিল্পীসকলে নাচ-গান আদিক উৎকট ধৰণে প্ৰকাশ আৰু প্ৰকট কৰিবলৈ চেষ্টা কৰিছে। নাচনী বিচিত্ৰ বস্ত্ৰালংকাৰেৰে ভূষিতা। নাচোনৰ ছেৱে ছেৱে—সংগী পুৰুষ নৃত্যবিদবোৰে এপদ এপদকৈ নাচনীৰ হাত, কাণ আৰু গলৰ অলংকাৰবোৰ খুলি খুলি নিছে আৰু নাচনীৰ অলক্ষিতেই সেইবোৰ নাতি-দূৰত্ব প্ৰসাৰ-

কোঠালৈ দলিয়াই পেলাইছে। কিছু নৃত্যবিদে অতি দক্ষতাৰে কিন্তু সেইবোৰ “শোভাকৰ’ সংগোপনেই লুকোৱাই থৈ দিছে—মনত গোপন আনন্দৰ উৰ্মিবোৰে জোঁৱাৰ-ভাটা খেলিছে। নীলকণ্ঠ ক্ষণিকৰ দৰ্শক তেওঁ বিস্ময়াবিষ্ট-বিমূঢ়—হতবাক,। তেওঁ সপোনটো ঘৰৰ দেৱ-বিগ্ৰহ আৰু বৃক্ষৰ সন্মুখত ব্যক্ত কৰিলে। তেনে কৰিলে অশুভ নিবৃত্তি হয় হেনো।

সপোন-তত্ত্বৰ অবুজ তাৎপৰ্যই নীলকণ্ঠক কেইদিনমান চিন্তাৰ সোঁতত উটোৱাই নৈ ফুৰালে, কিন্তু পাৰ হলে নাপালে। সপোন মাত্ৰই কলিলে—পৃথিৱীখন হয়তো স্বৰ্গই হৈ পৰিলহেঁতেন অথবা মৰুভূমি,- শ্মশান বা নৰকত পৰিণত হৈ গ'ল হেঁতেন। তেনেহলে ই অসুস্থ মনৰেই বিকৃতাবস্থা নেকি? কিন্তু এই সপোনৰ তাৎপৰ্য কি?-

সপোন সপোনেই। অথচ সহস্ৰ ভাগৰ এভাগ হলেও জানো ই বাস্তৱৰ ভিত্তিত গঢ়ি নুঠে। তথাপি সপোনবোৰ—সম্ভৱনাহীন অভিব্যঞ্জনেই যেন লাগে। গতিকে তাক দুঃস্বপ্ন বুলিয়েই মনৰ পৰা বিসৰ্জন দিয়াটো মোৰ কৰ্তব্য নহয় জানো। ৰমাৰ প্ৰতি মোৰ তীব্ৰ আকৰ্ষণ বা গভীৰ প্ৰেমৰ অংকুৰটোৱেই মোৰ এই সিদ্ধান্তৰ গুৰি নেকি?

এদিন অৰুণ বৰুৱাই ইয়াৰ মাজতে আহি নীলকণ্ঠক ৰমাইঁতৰ ঘৰলৈ মাতি লৈ গ'লহি। ৰমাৰ মাক আৰু অন্যান্যবোৰ অস্থিৰ উদ্বিগ্ন হৈ পৰিছে। মনে মনে এটা দুৰন্ত ভয় ভাৱ হৈছে—কি-জানি এইখন বিয়া কোনোবাকৈ বন্ধ হৈ যায়। নীলকণ্ঠই ঈষত হাঁহি অৰ্দ্ধেক সন্দেহ ভঞ্জন কৰি দিলে—‘মাক বা আনতকৈ ছোৱালীৰ অস্থিৰতা, উদ্বিগ্নতা আৰু ভয়টোৰ সত্যতাটোৰ লগত পৰিচয়, অথবা চা-চিনাকি হব পাৰিলেহে ভাল আছিল, কিয়নো যুগ্ম-জীৱনৰ বন্ধনটো আৰু কালটো চিৰন্তন। এই বিলাক কথা অকল মোৰেই নহয়, ছোৱালীবো হব পাৰে সম্ভৱ। হিন্দু বিবাহ—

—দুখন পবিত্ৰ হৃদয়, দুটা পৱিত্ৰ দেহৰ এটা পৱিত্ৰ সমন্বয়, বন্ধন বা একান্ত-দৃঢ় প্ৰতিশ্ৰুতি। বেদ-মন্ত্ৰৰ-তাৎপৰ্যই হিন্দু বিবাহৰ সংজ্ঞা। হিন্দু বিবাহৰ মূল লক্ষ্য হ'ল—পৱিত্ৰতা, শৃংখলা, আদৰ্শ, সংযম আৰু শান্তি। অন্তৰাত্মাই বিচাৰে এখন আদৰ্শ সংসাৰৰ সুস্থ সবল পৰিৱেশ। বেদ মন্ত্ৰৰ গূঢ়াৰ্থ বুজি নোপোৱাকৈ কণা-মুনাকৈ তাক কেৱল উচ্চাৰণ কৰি জুইত কিছুমান ঘিঁউ ঢালি দিলেই বিবাহৰ অৰ্থ বুজা আৰু কাৰ্য পালন কৰাটোকে ই সুবুজায়। জনা, বুজা, হৃদয়গম কৰা আৰু সেই অনুপাতে তাক কাৰ্যত পৰিণত কৰাটোৱেই বিবাহৰ প্ৰকৃত অৰ্থ আৰু সাৰ্থকতা—নহয় জানো বৰুৱা ?'

"আপুনি একেবাৰেই আচল কথাখিনি কৈছে। এনেদৰে বিবাহৰ অৰ্থ পালন কৰা হলেতো এই পৃথিৱীখনেই এদিন স্বৰ্গ-পুৰী হৈ গল'হেঁতেন।" অকণ বৰুৱা আৰু নীলকণ্ঠ ফুকন বৰুৱাহঁতৰ ঘৰ পালেগৈ। মাক আৰু অন্যান্য লগা-ভগা দুই এজনৰ লগত দুই এটা কথাৰ চলতে বিয়া সম্পৰ্কীয় কথা হোৱাৰ পিচত তেওঁলোক উঠি গ'ল। কিছু দূৰত ৰমা থিয় হ'লহি। নীলকণ্ঠই কোৱাত ৰমা মাচিয়া এখনত বহিল। ওখ, লাহি আৰু উজ্জ্বল বৰণৰ এটি ক্ষীণ, একৈশ বছৰীয়া যুৱতী মূৰ্তি। চকু দুটিত চছ্‌মা, কেঁাট বুক্ত সুন্দৰ কপালখনত কথা ছবিৰ অভিনেত্ৰীৰ দৰে ওভোটাই অনা চুলিৰ কৃত্ৰিম আঙুঠিৰ অলকাবলয়। ওষ্ঠা-ধৰযুগল পাতল—ভংগীমাযুক্ত, নগ্ন গণ্ডদেশ, দেহত চিত্ৰ- বিচিত্ৰতাহীন বগা শাৰী, উন্নত বক্ষ, -ভাৰা-ক্ৰান্ত শ্ৰোণী, সুগঠী গোবোৱা আৰু শ্ৰীময় সুন্দৰ আঙুলি সমূহ—এয়েই ৰমা দেৱীৰ শুভ্ৰশ্ৰী। ই বাল-খিল্য সকল মুনি হৈ গোষ্পদ জলত নিমজ্জিত হোৱা সেই 'পুৰাণ'ৰ কাহিনী নহয়, ই এক আধ্যাত্মিক কাহিনী। নীলকণ্ঠই কল্পিত বিৰহ বেদনা'তহে শংকিত হৈ উঠিল। অধৰ-সন্নিকটহে সুধা পাত্ৰও বহু

বিচ্যুতিৰ কবলত পতিত হব পাৰে—এনে এটি অহৈতুকী আশংকাইহে অন্তৰৰ কোনোবাডাল তাঁৰত মৃদু মন্দ ভাৱে টুকৰিয়াবলৈ ধৰিলে।

'ভাল পোৱা আৰু ভাল লগাৰ সূত্ৰ আৰু ব্যাখ্যাবোৰ বৰ দুৰ্বল—হয়তো নাথকেই কাৰু, কেতিয়া, কিয় ভাল লাগে—ইয়াৰ কোনো সংজ্ঞা বা সূত্ৰ নাই। 'ডেচ্‌ডেমনাই' অথেলক, দুস্যন্তই শকুন্তলাক, দেবদাসে পাৰু আৰু চন্দ্ৰমুখীক ভাল পোৱাৰ হয়তো নিশ্চয় কিবা বিভিন্ন হেতু আছে। জ্যোতিষৰ গ্ৰহ-নক্ষত্ৰৰ ভোগ-কালৰ সীমাৰেখা দেখুৱা লও-মূলতঃ ওখোৱা-মোখোৰা মানৱ জীৱনটোৰেই বহু-বস্তুৰ একচেটীয়া ভোগকাল—হয়তো সুখো আছে দুখো আছে। ৰমাৰ নয়ন যুগল আৰু মোৰ যুগলৰ দৃষ্টি কৰি মই মোহান্ধ হৈয়েই গলোঁ। নেকি'? নীলকণ্ঠ-বাংময় হৈ ৰমাক কলে—"তুমি আমাৰ দুজনকৈ উত্থাপিত হোৱা কথাবোৰ ইতিমধ্যে নিশ্চয় শুনিছা, হয়তো সিদ্ধান্তও কিবা এটা কৰিছা। তোমাৰ নিশ্চয় কিবা কবলগীয়া থাকিব পাৰে। নাৰী পুৰুষৰ ৰক্ত মাংস, অস্থি-মজ্জা আৰু অন্তৰাত্মাৰ জীৱন অবিচ্ছিন্ন-অবিচ্ছেদ্য মিলনেই বিয়া—বিশেষকৈ হিন্দুশাস্ত্ৰ-সম্মত বিবাহ। হিন্দু শাস্ত্ৰমতে ইয়াৰ গত্যন্তৰ নাই। এনে এটা পবিত্ৰ বন্ধনৰ ক্ষেত্ৰত কবলৈ গলে দুখন আঁচলিক হৃদয়ৰ ভিন্নসত্ত 'এক'ত বিলীন কৰি দিব লাগিব। এই একত্বই স্বামী-স্ত্ৰীৰ যুগ্ম জীৱনত ধৰ্ম-অৰ্থ-কাম মোক্ষৰ ত্ৰিভুজৰ সেতু ৰচনা কৰি তোলে। বিয়াৰ অৰ্থই পাৰিছে সাৰ্থকতা লাভ কৰিব পাৰে। সেই বাবেই বিবাহিতা স্ত্ৰীক পুৰুষজনৰ সহধৰ্মিণী বুলি কোৱা হয়। ধৰ্ম মানেই কৰ্ত্তব্য—যিটো পবিত্ৰ আৰু সকলোৰেই মংগলজনক। সেই বুলি এজনৰ দোষ ত্ৰুটীবোৰ আনজনে গ্ৰহণ কৰিলেই ধৰ্ম বা দাম্পত্য প্ৰেম সাধিত নহয়। পাৰস্পৰিক দোষৰ শুধৰণি-কৰণ আৰু গুণ গ্ৰহণেই সহধৰ্ম। এই যুগ্ম ধৰ্মই সুখ সমৃদ্ধিময় সংসাৰ আৰু উন্নত মানৱ সমাজ এখন গঢ়ি তোলে। মোৰ ক্ষীণ বোধেৰে বিয়াৰ প্ৰকৃত

এইটোৱেই মৌলিক উত্তৰ শেষ সমাধান আৰু পৱিত্ৰ লক্ষ্য। প্ৰেমৰ উপলব্ধিৰ ক্ষেত্ৰত দেহে বিচাৰে ভোগৰ সামগ্ৰী, মনে বিচাৰে ৰং আৰু সুখ স্বাচ্ছন্দ্য, অন্তৰে বিচাৰে সহানুভূতি আৰু আনন্দ আৰু আত্মাই বিচাৰে—মোক্ষ-পৰমানন্দ, সেইটো এই সকলোৰে মূলধন। অৱশ্যে দেহটোক সাজ পোচ কৰি তোলা ভোগ্য বস্তুৰ চাকচিক্য ময় প্ৰাচুৰ্য আৰু দৃষ্টি শোভন সৌন্দৰ্যখিনিয়েই নাৰী-পুৰুষ অথবা স্বামী-স্ত্ৰীৰ সৌন্দৰ্য নহয়। সঁচাকৈ চালে—সৌন্দৰ্যৰ, মনতো অস্তিত্ব নাই, হয়তো অন্তৰতো নাই, সৌন্দৰ্য, অন্তৰাত্মাৰেহে পোষ্য পুত্ৰ। আত্মাৰ অপাৰ্য স্নেহৰ আকাঙ্ক্ষাই প্ৰেম আৰু সৌন্দৰ্যৰ জন্ম দিয়ে। এই পুত্ৰইহে দম্পতীক অদৃশ্য বান্ধোনেৰে বন্দী কৰি ৰাখে। এই পুত্ৰৰ কাৰণেহে ভাৰ্যা গ্ৰহণ কৰা হয় (পুত্ৰাৰ্থে ক্ৰিয়তে ভাৰ্যা)। 'পুন্নাম' নৰকৰ পৰা প্ৰেম আৰু সৌন্দৰ্য-পুত্ৰইহে পিতৃ-মাতৃক ত্ৰাণ কৰিব পাৰে।' এহ, মই কিযাবোৰ বকি বকি বহুদূৰ পালোঁগৈ অাৰু নাযাওঁ। তুমি কি কোৱা"। বক্তৃতাৰ ঘটি দি নীলকণ্ঠ দুকন বমাৰ মুখলৈ চাই অন্তৰৰ বিৰা এটি বস্তুৰ অনুসন্ধান কৰিলে। "মই এই বাৰ কথা বুজি নাপাওঁ, বুজিবলৈ চেষ্টাও কৰা নাই কোনো দিনে। বিয়া—সকলোৱেই হয়,—হোৱাটো এটা চিৰ-কল্পনীয় নিয়ম। এইটো যে জীৱনৰ অতি ইতকৈ মূল আৰু মহৎ কামটোৱেই কৰা নহয়। সাধাৰণ ভাবে বিয়াৰ অৰ্থ কিছু জানো— কিন্তু বিশেষ কিবা অৰ্থ আছে বুলি নাজানো। সুখী-দুঃখী, ৰজা-প্ৰজা, পণ্ডিত-অপণ্ডিত, কাপুৰুষ-মহাপুৰুষ—সকলোৱেই বিয়া কৰায়, এইটো অতি সাধাৰণ কথা, অতি সাধাৰণ তাৰ অৰ্থ, বিশেষ অৰ্থটো বুজি নাপাওঁ। বিয়া নকৰিলেই পাপ কৰা হয়, মুক্তি লাভ নহয়—সকলোৰেই এনে মনোভাৱ।" বি,এ মহলাৰ শেষ শ্ৰেণীত পঢ়া বমাৰ বিবাহ প্ৰথাটোৰ প্ৰতি এইটো যেন কিছু মন্তব্য সূচক উক্তি। "বিবাহৰ আৱশ্যকতাটো শাস্ত্ৰ সন্মত। ভাৰতীয় উচ্চস্তৰৰ

শাস্ত্ৰবোৰ আজিৰ বিশ্ব-বিজয়ী বিজ্ঞানৰ সূত্ৰ বা 'থিয়ৰি'হে। আমাৰ ক্ষুদ্ৰ-সীমিত জ্ঞানে তাক চুকি নাপাই আন্ধাৰ দেখে। গতিকে শাস্ত্ৰ বিশ্বাসটো 'অন্ধ বিশ্বাস' বুলি নব্বই শতাংশজনেই ভাবে। খাণ্ডৱ দাহনৰ সময়ত বনৰ বিহংগইহে পত্নি পুত্ৰ মণ্ডিত সংসাৰ-ধৰ্ম পালন কৰা সেই ঋষিজনৰ কথা নিশ্চয় তুমি জানা। মানৱ মনৰ প্ৰবৃত্তি—ক্ষুধা তৃষ্ণাবোৰে মানৱক সদায় প্ৰমত্ত কৰি তোলে। সাধনা-কঠোৰ ঋষিবো এটা অৱচেতন মন আছে। এটা সময়ত ই অতিষ্ঠ হৈ উঠাবো সম্ভৱনা নথকা নহয়। তেতিয়াই সাধনা ভ্ৰষ্ট হোৱাবো পূৰ্ণ আশংকা আহি পৰে। গতিকে তাৰ প্ৰতিষেধক হিচাপে সংসাৰ ধৰ্ম পালন অৱশ্য কৰ্তব্য। আমি যে অমৃতৰ পুত্ৰ তাক প্ৰমাণ-পত্ৰ দিবলৈ হলে গড-বান্ধি যুজাটো অৱশ্য কৰ্তব্য। বিনাগড়ে যুজাটোত প্ৰতি পদেই প্ৰাণ আৰু মান উভয়বেই সংশয় আছে। পৰম বৈষ্ণৱ, পৰম ব্ৰহ্মচাৰী মহাপুৰুষ মাধৱদেৱেও ইয়াৰ পৰা নিষ্কৃতি পোৱা যেন নালাগে। আমি কোন কুটা ?

সংসাৰ যুজৰ বাবেই বিবাহৰ আৱশ্যকতা আছে। সংসাৰ যুজত অৱতীৰ্ণ নহলে বিয়াৰ বাবেই বিয়া সমৰ্থনযোগ্য নহয় বুলিয়েই ধাৰণা হয়। কিন্তু প্ৰজাপতিৰ নিৰ্বন্ধ সম্ভৱতঃ অন্য ধৰণৰো হব পাৰে। তোমাৰ মত কি নাজানো, জানিলেই মংগল।" যুক্তিৰ দ্বাৰা বিবাহক সমৰ্থন বা অসমৰ্থন কৰি নীলকণ্ঠই ৰমাৰ মনৰ তলিৰ ইংগিতটোকেই প্ৰকাৰান্তৰে বিচাৰি চালে। 'প্ৰজাপতিৰ নিৰ্বন্ধ অন্য ধৰণৰ বুলি কোৱাৰ অৰ্থ মুবুজিলোঁ। ঘৰ-ঘৰুৱাৰ লগতে ইষ্ট কুটুম্ব, বন্ধু-বান্ধৱ—সকলোৱেই এই বিয়াত আনন্দ মনেৰেই সম্মতি দিছে আৰু বিয়াৰ দিনটোলৈ আগ্ৰহেৰে বাট চাইছে এইটো তেনেই নগ্ন সত্য কথা, কাৰো দ্বিমত নাই বা মতৰ কৃত্ৰিমতা অণুমাত্ৰও নাই। আপুনি উচ্চ বংশজ, পণ্ডিত,

জ্ঞানী গুণী, শক্তিশালী, কৰ্মী, চৰিত্ৰৱান আৰু পবিত্ৰ। এনেকি বহুতেই আপোনাক দেৱতুল্য মানুহ বুলি কোৱাও শুনিছোঁ। স্বাভাৱিক অস্বাভাৱিক হাৰাই আপোনাক সহজে উপাৰ নোৱাৰে। আপোনাৰ বিষয় সকলো কথাই শুনিছোঁ, বহুত কথাই জানো। আপোনাক পোৱাটো পৰম তপস্যা আৰু ভাগ্যৰ কথা। পুণ্য সঞ্চয় নহ'লে আপোনাক পোৱাটো যুক্তিবিৰুদ্ধ কথাহে হ'ব। যিজন পুৰুষে শৈশৱৰ পৰা পূৰ্ণ যৌৱন কাললৈকে জীৱনযুদ্ধত কঠোৰ সংগ্ৰাম কৰি অকল তিষ্ঠি থকাই নহয়, পূৰ্ণ যশস্যাৰ আসন এখন দখল কৰিব পাৰে, তেওঁ নিশ্চয় সাধাৰণ পুৰুষ হ'ব নোৱাৰে। ইহজন্ম বা পূৰ্বজন্মৰ কৰ্মফলইহে অধিক শক্তিশালী যেন লাগে এই বিষয়ত।' কোনো লুক-ঢাক নকৰাকৈ তেওঁৰ বিষয় স্পষ্ট ভাৱে পাৰ ভাঙি দি কোৱা ৰমাৰ কথাবাৰিত ভিতৰি ভিতৰি আনন্দিত হৈ নীলকণ্ঠই ক'লে—'তুমি তেনেহ'লে মোৰ বিষয়ে ইতিমধ্যে বহুত কথাই শুনিছা। তুমি প্ৰজাপতিৰ নিৰ্বন্ধৰ কথা বুজা নাই বুলি কৈছা। অৰ্থটো অৱশ্যে স্পষ্ট। অতি সুন্দৰী, ৰূপৱতী, সংস্বভাৱা আৰু সদ্বংশজাতা বহু ছোৱালীৰ লগতেই মোৰ বিয়াৰ প্ৰস্তাৱ চলিছিল। কিন্তু কাৰো লগতেই কোনো বিষয়ে আগবঢ়া নহ'ল। কাৰণ কি জানা? কবলৈ অলপ লাজ লাগে—তথাপি কৈছোঁ—মোৰ মনৰ মাজত লুকাই থকা কল্পনাৰ অৰ্দ্ধাংগিনীৰ মূৰ্তি-টো ইমান দিনেই মই বিচাৰি পোৱা নাছিলোঁ, এইটো হয়তো বাহিৰৰেই মূৰ্তি। সেইটো আজি বাক থাক।

প্ৰত্যেক নৰনাৰীৰেই একোটাহঁত কল্পিত ভাৱমূৰ্তি অন্তৰত প্ৰত্যক্ষ বা স্পষ্ট ভাৱেই হয়তো বা আত্মগোপন কৰি আছে। হাজাৰৰ মাজত থাকিলেও তাক চিনি পোৱা যায়। তেওঁৰ বাবে সেই মূৰ্তি ধুনীয়া—আনৰ বাবে নহ'বও পাৰে। আন কাৰোবাৰ বাবে অত্যন্ত ধুনীয়াবোৰো তেওঁৰ বাবে—ধুনীয়া নহ'বও পাৰে। পৰিকে

সেই কল্পিত মূৰ্তিৰ অনুৰূপ প্ৰতি-কৃতি দৰ্শন মাত্ৰেই তাৰ প্ৰতি তীব্ৰ আকৰ্ষণ ওপজে। ইযাত নিশ্চয় পৰস্পৰৰ দৈহিক অণু পৰমাণুবোৰৰ চুম্বক ধৰ্মিতা আছে, পাৰস্পৰিক মিল আছে—টান আছে। কেতিয়াবা আকৰ্ষণটো পাৰস্পৰিক নহৈ একপক্ষীয় হৈ যায়, কাৰণ—আকৰ্ষণৰ উপাদানবোৰ এজনতহে অধিক পৰিমাণে থাকে। তেনে ক্ষেত্ৰত আনজনৰ আকৰ্ষণ নাথাকে আৰু এক পক্ষীয় প্ৰেম ব্যৰ্থতাত পৰ্যবসিত হোৱাৰ সম্ভাৱনাই বেছি।"

অৰুণ বৰুৱাক মাতি পঠিওৱা হ'ল। বৰুৱাৰ লগত বৰুৱাৰ ভনী ভুজনীয়া চাহ আৰু কিবা কিবি খোৱা বস্তু লৈ আহিল। চাহ পৰৰ অন্তত বিদায় পৰ আৰু তাৰ লগে লগে নীলকণ্ঠ যুৱকৰ অনাগত ভৱিষ্য নাটৰ এয়া প্ৰথম প্ৰস্তাৱনা।

এজনী যুৱতী নাৰীৰ লগত অন্তৰৰ প্ৰথম ভাৱ বিনিময় হোৱাৰ মুহূৰ্তটোতেই নীলকণ্ঠৰ মনলৈ অস্বাভাৱিক ভাৱবোৰ কিয় আহিছিল? জীৱন চাৰ দশক আৰু এটা দ্বিতীয় সাঁথৰ নাই।

দুখৰ কমাৰশালত লোহাও গলে—গলি গলি নতুনৰ ৰূপ লয়। নীলকণ্ঠৰ পাণ্ডিত্য আৰু জ্ঞানাগ্নিয়ে জীৱনৰ বেদনাৰ ধাৰক পুৰি পুৰি 'প্ৰেম' ৰূপক জন্ম দিব নোৱাৰিলে নেকি? প্ৰেম অভিসিক্ত হব নোৱাৰিলে নেকি? "শুষ্কং কাষ্ঠং"টোক 'নীৰস তৰুবৰ' বুলি কোৱা মহাকবি জনক আমি 'বাঃ বাঃ' দিওঁ। কিন্তু শুকান কাঠৰ ৰসৰ সন্ধানৰ কোনো বাতৰিই নহয় যে-এই চৰম সত্যটো মহাকবিয়ে পাহৰি গ'ল নেকি? পানী চটিয়াই নাইবা পানীত ডুবায়ো 'শুকান'ক 'ৰসযুক্ত কৰিব নোৱাৰি। শুকান ভিজে, কিন্তু সি ৰসাল হব নোৱাৰে। তাৰ ৰসৰ প্ৰশ্নটো অবাস্তৱ যেন লাগে। ৰস বুলি পানীত ভিজি ভিজি এদিন হয়তো সি বৰং পচি যোৱাৰো সম্ভাৱনাহে থাকে। ৰমাৰ কথাই নীলকণ্ঠ বোলা মোৰ নিচিনা ক্ষুদ্ৰ প্ৰাণী এটাৰ মৰু জীৱনত কিছু শান্তিৰ শীতল

বাৰিধাৰা সিঞ্চন কৰা যেন লাগিলেও বিশাল মৰুবৃক্ষৰ অনন্ত তৃষ্ণা নিবাৰণৰ কাৰণে সেইকণ যথেষ্ট জানো! হওক, তথাপি অলপ— যদি সেইকণো খাঁটি হয় মোৰ জীৱনত!" নীলকণ্ঠৰ অজ্ঞাতেই স্বস্তিৰ নিশ্বাস এটি ওলাই আহিল।

দ্বিতীয় মহাযুদ্ধৰ অৱসান হ'ল, কিন্তু যুদ্ধৰ বাঘ মোৰটোৰ উপশম হওক চাৰি তাত 'সান্নিক' হে চৰিল। হেপাৰ জিভাত বাহৰ পাবৰ তেজৰ স্বাদ বাঢেহে বাঢে—নৰমে, নীড় ভাঙিও তেজ পিয়ে। এই নতুন সমাজ, নতুন পৰিয়াল বিগত মহাযুদ্ধৰ 'বাই-প্ৰডাক্ট'। কোনো পৰিয়ালৰ পুৰুষ-নাৰীৰ প্ৰতিজনেই প্ৰায় মিলিটেৰীৰ 'ধন আৰু মন'—অৰ্থাৎ 'চেক্স-যৌনতত্ব—গৱেষণাগাৰৰ অপৰিহাৰ্য উপাদান হৈ পৰিল। অপবৃষ্টি আৰু বিশৃংখলাই হ'ল—শৃংখলা বা 'ষ্টেণ্ডাৰ', অনীতিয়েই হ'ল নীতি, ব্যভিচাৰেই হ'ল সদাচাৰ বা সংস্কৃতি চাব-নৰা নোট আহৰণেই হ'ল—ধৰ্ম, কৰ্ম, জ্ঞান, ভক্তি, সাধনা, তপস্যা আৰু মুক্তি। যুদ্ধই তলৰ মাটি ওপৰ কৰিলে, ওপৰৰ মাটি তল গ'ল, ভাল-বেয়া, ভদ্ৰ-অভদ্ৰৰ সংজ্ঞা সলনি হ'ল। পাশ্চাত্যৰ কিছু পৰিমাণ ব্যস্ততা ভাৰতবৰ্ষলৈও অহা যেন লাগিল। সোৰোপা অসমীয়াযো নিজকে ব্যস্ত যেন দেখুৱালে— "বিজি ফৰ নাথিং।" অৱশ্যে বহুত অসমীয়া মানুহবো চকু গজিল— ধন ঘটা সহজ কায়দাটো হস্তচ্যুত নকৰি মিলিটেৰীৰ লগত হাত মিলালে—ৰাতিটোৰ ভিতৰতে ৰতিপতি কোটিপতি হৈ পৰাৰ মহান গৌৰৱ অৰ্জন কৰিলে, চেৰেলা পেট গেৰেলা হৈ পৰিল, ভুহুৰা ভুৱনেশ্বৰ হ'ল, বেজ--বেজবৰুৱা হ'ল। নিভাৰ্সাৰ চৰণতেই ভৰসাৰ শৰণ ললে—ধনেশ্বৰ গোস্বামীযে। পৰদেশী, দয়ালু মিলিটেৰীৰ পৰম কৃপা-গুণে বহু নৰ-নাৰী আৰ্জনীয়া হৈ পৰিল, লাল চাহখোৱা ভাল দাদা 'লাল বটল' অবিহনে কাল হৈ উঠিল। বটল খাই মাতাল হৈ বাবু চিটৃ ভংলাদি গৰম শয্যাত নৰম হৈ পৰি থাকিল। সাধ্বী সহধৰ্মিণীযে

ভেনে নিশাবোৰ সেই একেখন শয্যাতেই যে সহধৰ্ম পালন কৰিব লাগিব তাৰ কি অৰ্থইনো আছে? গভীৰ নিশা জাগৰ কাণৰ পৰা ভাগৰ পঘা খুলি নিয়া গো মাতাৰ দানা পানীবো নিশ্চয়তা নাই— চোৰে নিয়া গৰুৰ বাটে বাটে ঘাহ"। আশ্ৰয় থলো থৰক্ বৰক্ য'তেই ৰাতি ত'তেই বাতি।" এই অন্ত-স্থিতৰ ভাব-তৰংগই নীলকণ্ঠৰ নিঃসংগ শয্যাৰ অংশভাগিনী হৈ পৰিল। মানৱ অন্তৰৰ আশা কিন্তু সোণটোৰা —মৰিও নমৰে পৰিও নপৰে।

পৰ্ব:-প্ৰেম-সৃষ্টি পাতনি।

এটি পুৰণি অভিজাত ব্ৰাহ্মণ পৰিয়ালত নীলকণ্ঠ যুৱকৰ জন্ম হৈছিল। আমদানি-কৃত নব্য সভ্যতাই সেই পৰিয়ালত ইদানীন্তন উগ্ৰপন্থী বিলাস-বিহাৰৰ অনধিকাৰ প্ৰবেশ কৰাব নোৱাৰিছিল। বেদ বেদাংগ উপনিষদ পুৰাণ, সংহিতা, ৰামায়ণ, মহাভাৰত আদি মহাকাব্যৰ দ্বাৰা নিৰ্দেশিত সমৃদ্ধিশালী ভাৰতীয় সংস্কৃতিৰ পূৰ্ণ পৃষ্ঠপোষক নীলকণ্ঠৰ পৰিয়ালটো পৌৰাণিক শাৰীতেই থাকিল বহু পৰিমাণে। পুৰণিৰ ভিত্তিত নতুন ৰূপৰ আদৰণিটোহে চলিল— "অলট্ৰাটো' অনাহূত আৰু অচ্যুত হৈয়েই থাকিল। কিন্তু নব্য আমদানি-কৃত সংস্কৃতিয়ে তাক 'আও পুৰণিৰ অন্ধ মোহ বুলি ভ্ৰূ-কুঞ্চন নকৰাকৈ হয়তো নাথাকিল। দশ সংস্কাৰৰ উপৰিও আৰ্থিক, সামাজিক নৈতিক আধ্যাত্মিক আৰু বহুবিধ সংস্কাৰ-সিক্ত নীলকণ্ঠ আজি হয়তো শুষ্ক কাষ্ঠ হৈয়েই থাকিল। কিন্তু তেওঁ 'নীৰস তৰুবৰো' নহয়। 'ৰস' জ্ঞান তেওঁৰো আছে যদিও নিষিদ্ধ ৰসপান— তেওঁৰ বংশ, তেওঁৰ স্বীয় সত্তাৰ আভিজাত্যত হয়তো কঠোৰ ভাৱেই

অজ্ঞাত, নিষিদ্ধ। সেয়ে নীলকণ্ঠৰ মনত, অন্তৰাত্মাত হাজাৰ প্ৰশ্ন, হাজাৰ সমিধান। বক্ৰ-চাপৰ আশ্ৰিত শৰডাল ঋজু গুণত সহজে স্থিৰ হৈ নৰহে, তাক মুষ্টি-বদ্ধ কৰিবই লাগিব। অলপ মানো শিথিলতাই শৰক এফালবাই যে পঠিয়াব—তাত ধনিষ্ঠামানো সন্দেহৰ অবকাশ নাথা'ক। কিন্তু নীলকণ্ঠই জানো কোনোবাদিন মুঠি বান্ধিব পাৰিছে আনৰ ক্ষেত্ৰত? নিজৰ জীৱনটোৰ ক্ষেত্ৰত তেওঁ সদায় নীতি-কঠোৰ হৈ আছিছে, আনক সম্পূৰ্ণ বিশ্বাসৰ স্বাধীনতা দি নিজৰ কাম চকু মুদিয়েই কৰি গৈছে। কোনোবাই অমৃত বুলি হলাহল বিষ দিলেও দ্বিধাহীন ভাৱে স্বচ্ছন্দে পান কৰি পেলাইছে তেওঁ 'দুঃখেষ্বনুদ্বিগ্নমনাঃ সুখেষু বিগতস্পৃহঃ। বীতৰাগভয়ক্ৰোধঃ'। জীৱনভৰ আনৰ ওপৰত সম্পূৰ্ণ বিশ্বাস স্থাপন কৰি, সম্পূৰ্ণ বিকাৰশূন্য মন এটা লৈ তেওঁ চকু মুদি কাম কৰি গৈছে। বিষৰ মাৰণ ক্ৰিয়াতো তেওঁ অমৃতৰ তাড়ণ-ক্ৰিয়াৰ ভ্ৰমেৰে আত্ম-প্ৰসাদ লাভ কৰি কৃত-কৃত্য হৈছে—বাস্তৱ-দৰ্শনত পৰাঙ্মুখ হৈ চাক্ষুষ জগত খনবো অপৰিচিত হৈ গৈছিল। জগত খনক চিনিবলৈ তেওঁৰ বহু বাকী ৰৈ গল। নীলকণ্ঠই কৈছিল—'মোৰ জীৱনৰ কোৱা কথাৰ অতি ক্ষুদ্ৰ অংশ ৰৈ গ'ল, বেচি অংশ হেৰাই গ'ল নোকোৱাবোৰ সম্পূৰ্ণ পোঁত খাই ৰল' অৰ্থাৎ মোৰ জীৱনত একোৱেই কোৱা নহল, একোৱেই পোৱা নহল, সকলো কথাই বাকী ৰৈ গ'ল।

যজুৰ্বেদৰ দ্বাৰা নিৰ্দেশিত প্ৰাজাপত্য বিয়া এখন হৈ গ'ল। লগ্ন-গ্ৰন্থি বন্ধন হ'ল, সপ্তপদী সমাধা হ'ল, পিতৃগোত্ৰ পৰিত্যাগ কৰি ৰমা—ৰমা ফুকন হ'ল। এই বংশৰ কোনোবা এজনে ফুকন উপাধিটো আহোম ৰজাঘৰীয়া উচ্চ সম্মান সূচক দান হিচাপে পাইছিল।

পণ্ডিত নীলকণ্ঠ পাগল হ'ল—প্ৰেম পাগল। আপোনমনে

খন্দা ৰমাৰ প্ৰেম-সৰোবৰত আকণ্ঠ নিমজ্জিত হৈ আত্ম বিস্মৃত হৈ পৰিল, ৰমাই ধ্যান-জ্ঞান-সাধনা হৈ পৰিল দাৰ্শনিক ভাবাপন্ন নীলকণ্ঠৰ। ৰমা ৰমণী, ৰমা ত্ৰিসন্ধ্যা, ৰমাই ভজন, ৰমাই বেদ-মাতা গায়ত্ৰী হৈ পৰিল । সেই ৰমাক 'নাদেখিলে মন, কৰে উচাতন, দেখিলে পৰাণ জুৰায় ' অৱস্থা হ'ল। "মই ৰমাৰ প্ৰেম-সৰোবৰৰ উষ্ণ প্ৰস্ৰৱণতোত আশীৰ্ষ অৱগাহন কৰি লটাঙ্-ইটাৱ' হৈ পৰিলোঁ। মন-ময়ূৰী চালি ধৰি থাকোঁতেই নিশাৱসান হৈ পৰে। সহস্ৰ চুমাৰ মধুৰ পৰশ স্পন্দিত বক্ষৰ উত্তাল তৰংগ, ছিদ্ৰহীন অভিন্ন দেহৰ বক্ষালিংগনৰ নাগপাশ শিথিল হোৱাৰ বহু পূৰ্বেই প্ৰভাতী নিৰ্ভীৰ 'মিলন উৰুলি' সাং হৈ যায়, পুৱে 'বগা-ডাৱ' দিয়ে। বৃন্দাবনৰ এক সহস্ৰ মন্দিৰৰ এক সহস্ৰ ঘণ্টাধ্বনি যেন মোৰ অন্তৰাত্মাত প্ৰতিধ্বনিত হৈ উঠে—যুগপৎ প্ৰতিধ্বনিত হৈয়েই থাকে। পুৱতি আকাশৰ বৰ্ণৰেখি কলকণ্ঠী ৰাজহংস দম্পতী অজানৰ উদ্দেশে উৰি যায় মাজৰাতিৰ বেতেকীৰ মাত নীৰৱ হৈ যায়, দূৰ - বহু দূৰৰ পৰা কুলিৰ সুৰুদী মাতৰ ধ্বনি যেন বতাহত ভাহি আহে। ভাগে ভাগে কুসুম বক্ষত পৰা মৌমাখিৰ জাকটোৱে বনৰ হেপাহেৰে দয়িতাৰ বুকুৰ মৌ পান কৰি উৰি গুচি গ'ল। সাজঘৰৰ ফুলদানিত সজাই থোৱা কাগজৰ গোলাপটিতো কুন্দ্ৰাক্ষইদি প্ৰৱেশ কৰা এটি বলিয়া অলিয়ে মৌ-পানৰ ব্যৰ্থ প্ৰয়াস কৰি ধৰা পৰাৰ ভয়ত ৰুদ্ধ বাতায়নৰ অস্পষ্ট কাচত বাৰম্বাৰ মস্তকাঘাত কৰি কৰি হায়ৰাণ হৈ গৈছে। পলায়নৰ সন্ধি পোৱা নাই, নে শুদ্ধ-হৃদয় দয়িতাৰ বক্ষৰ মৰ মায়া এৰি ত্যাগী হব খোজা নাই?

ধৰ্মপুৰাতেই আ'কৌ বাজ পক্ষীৰ কলধ্বনি ? নিশা দেৱীয়ে ধৰাৰ বুকুৰ পৰা কৃষ্ণ বস্ত্ৰ আঁতৰাই নিলে। কিন্তু দৃঢ় আলিংগনত একহৈ পৰা দুটি নগ্ন, জড় দেহৰ কোনো অংগতেইতো শুক্ল-কৃষ্ণ— কোনো বস্ত্ৰ খণ্ডৰ আচ্ছাদনেই যেন নাই। উন্মুক্ত ঘন-কৃষ্ণ

কেশদামৰ নিবিড় আচ্ছাদনত সম্পূৰ্ণ ডুবগৈ আছে—সৃষ্টিৰ প্ৰথম নৰ-নাৰীৰ একহৈ যোবা দুখনি তৃষ্ণাতুৰ বদন—দেহৰ ক্ষুধা, অন্তৰৰ তৃষ্ণা আৰু আত্মাৰ মিলন-জনিত আনন্দ-সুধাৰ সমন্বয়। চাৰি ওষ্ঠাধৰৰ ছিদ্ৰহীন দৃঢ় বন্ধনত কিবা এটি ভাবে যেন প্ৰকাশৰ ভাষা বিচাৰিহে ফুৰিছে। ইয়েই হয়তো স্বৰ্গীয় জ্যোতিৰ পূৰ্ণ আত্ম প্ৰকাশ! ইয়েই হয়তো সৃষ্টি তত্ত্বস—সত্য, শিৱ, সুন্দৰৰ প্ৰকাশ। প্ৰভাতী সূৰুজৰ হেঙুলীয়া একাঞ্জলিয়ে দুখন যৌৱন আকলুৱা বদনত শক্তি আৰু ভক্তিৰ ৰঙীন স্বপ্নৰাৰ সিচি দিলে। অদৃশ্য শক্তিয়ে আশীৰ্বাদৰ অংকুৰ ৰোপণ কৰিলে। নীলকণ্ঠ-ৰমাৰ সংসাৰখন পুষ্পিত হোৱাৰো দিনটো সমাগত।

“আপুনি পণ্ডিত বুলি শুনিছিলোঁ, কিন্তু কিয়ে সেই বেউ-লাৰ কথা আপুনি যে কৈছিল ?” ৰমাৰ স্মিত হাস্যময় ব্যং-গোক্তি। ‘অ, সেই কথা কিয় সুধিছানো ? শুনা কওঁবাক। বেউলাই, কামপীড়িত হৈ কাতৰ হোৱা লখীন্দাৰক কৈছে—‘শুনাতে শুনিছিলোঁ প্ৰভু, তুমি বৰ পণ্ডিত আজি কেনে দেখোঁ প্ৰভু বাখোৱাল চিত।” কি, আৰু কব লাগেনে কি ? শুনা বাৰু---‘কোমল ঘাঁহ দেখিলে বলধৰ বৰ বল, যুৱতী দেখিলে হয় পুৰুষ পাগল।’ কি ? আৰু কব লাগে ? তুমি দেখিছো সকলোখিনিয়েই আদায় কৰি লবা যেন পাইছোঁ, বাৰু শুনা--- ‘অবাচিয়া গৰু প্ৰভু জুৰি বাই হাল, নষ্ট কৰে নাঙল যুঁৱলি নষ্ট কৰে কাল’। আৰু নকওঁ দেই। কিন্তু কোৱাৰ তাৎপৰ্য খিনি জানো বুজুনা ? ৰমা তুমি জানা কোমল ঘাঁহ ? ও হো, তুমি, সম্পূৰ্ণ শৈশৱত ঘাঁহ---অন্ততঃ ভাব-ভাষাত। তোমাৰ যৌৱন সুষমাই মোকৃথা মোকৃথা কৈ আছে। নাখালে শুকাই ক্ষীণাই যোৱাৰ অথবা গেলি পচি যোৱাৰো সম্ভাৱনাই অধিক। ইয়াক তুমি নুই কৰিব নোৱাৰা। ব্যৱহাৰৰ বাবেই ঘাঁহৰ উৎপত্তি।

পকা আমটোৰ ৰুলন, গাভৰুৰ ওঠৰ লালিমা আৰু গোমাতাৰ ওলাৰ পৰা ক্ষীৰ ধাৰাৰ নিঃসৰণৰ অৰ্থই তা ভোগ—ভোগতেই সিবোৰৰ সাৰ্থকতা। নহলে গেলি পচি যোৱা, ধৰাৰ ধূলিত পৰি লুতুৰি-পুতুৰি হোৱা শেঁতাপৰা পলাশ ফুলটো আৰু শকুন্তলাৰ ওঠটোৰ কোনো পাৰ্থক্যই নাথাকিলহেঁতেন, দুষ্মন্তৰ ভ্ৰামৰী বিলাস-ৰস-ঘৰা নহ'লহেঁতেন, তাৰ কোনো মূল্যই নাথাকিলহেঁতেন। যুৱতী দেখি পুৰুষ পাগল হোৱাটো আৰু পুৰুষ দেখি নাৰী ছাগলী হোৱাটোৰ ভিতৰত কোনটো প্ৰশস্ত—তুমিয়েই কোৱাচোন? মোৰ বক্তব্য হ'ল-সেই পাগল পুৰুষটোৰ নাম 'আত্মাৰাম' পাগল আৰু সেই নাৰীৰ নাম কামী (কামিনী) ছাগল (ছাগলী)। দুশ্চৰিত্ৰ, লম্পট, নীচ, ভ্ৰষ্টাচাৰী পুৰুষ নামধাৰী বেচামাংসাহাৰী জন্তুটোৰ বলিৰ কাটৰাত স্বেচ্ছাই মূৰ সোমাই দিদি পূজাৰ বেদীত আৰাধ্যা দেৱী হৈ নাৰী অধিষ্ঠান কৰাটোত জানা সমীচীন নহয়। কি মন্ত্ৰৰ তাড়নাত বিয়েত্ৰিছক আৰাধনা কৰি এজন পাগল—ইনফাৰণ' পাৰ্গেটৰী, পেৰাডাইচ, আদিৰ মাজেদি জীৱন পাত কৰি ভ্ৰমি ভ্ৰমি ঘুৰিছিলনো বাৰু? সেইজন পাগল প্ৰেমিকে—প্ৰেমিকাৰ চৰণত নিজৰ প্ৰেম সত্তাটো উছৰ্গা কৰি দিছিল। নাৰী গোঁসানীয়ে পুৰুষ—অৰ্থাৎ সুপুৰুষকেই পাগল কৰে, পৰম ভক্তত পৰিণত কৰে। বিপৰীত ভাৱে পুৰুষে তেওঁৰ অনুৰূপ নাৰীক মাংসৰ লোভত কচাইখানাৰ অধিবাক্ত জৰীতহে লোমায়। মাংসৰ দামটো বিক্ৰেতাই পায়। জৰীত এনেমি ছাগলীয়ে প্ৰাণটোহে চিৰকালৰ বাবে হেৰুৱায়।

প্ৰকৃতিতে বিবাহপূৰ্ব সকলো যুৱক-যুৱতী বা নৰনাৰীয়েই 'অবাচিয়া' অৰ্থাৎ অনভিজ্ঞ। কিন্তু প্ৰকৃতিয়েই মানৱৰ বন্ধু দাৰ্শনিক আৰু পথ প্ৰদৰ্শক, আৰৌ ধাত্ৰী হিচাপেও ই সকলো শিক্ষাকেই আগবঢ়ায়—শকুন্তলা আৰু মিৰাণ্ডাৰ চৰিত্ৰই তাকেই প্ৰমাণ কৰে।

বেউলা বাৰ-তেৰ বছৰীয়া ছোৱালী। মানসিক যৌন-অভিজ্ঞতাটো হয়তো পূৰঠ হোৱাৰ পথতেই গোপনে গোপনে আগবাঢ়িছে, কিন্তু শাৰীৰিক বা দৈহিক যৌন অভিজ্ঞতাটোৰ আভাস মাত্ৰ পোৱাৰো লায়ক হয়তো হোৱা নাই তেওঁ। এনে অৱস্থাত দৈহিক যৌন অভিজ্ঞতাৰ প্ৰথম চাপত যুৱক যুৱতীৰ দেহ-মন্দিৰটো বা হালখন এনেকুৱাই এঠানি কৰি এৰি দিলে 'নাঙল-যুঁৱলি ভঙাৰেই ভয়। নাঙল-যুঁৱলি ভাঙিলে 'চাহ' কাৰ্য বন্ধ হৈ যায়—অন্ততঃ সাময়িক ভাৱে হলেও 'চাহকাৰ্য' বন্ধ হৈ যায়। দম্পতীয়ে শাৰীৰিক-মানসিক পীড়াৰ প্ৰভাৱ ভোগ কৰে।" নীলকণ্ঠ ৰৈ যায় হঠাৎ।

নীলকণ্ঠৰ বক্তৃতা শুনি ৰমাৰ চকু থিৰ হৈ গ'ল। এনে অনুমান হ'ল তেওঁৰ স্বামীয়ে যেন মহাবিদ্যালয়ৰ বাৰী সাৰৰৰ সন্মুখতহে কথা কৈছে। তেওঁ যে নিজ সহধৰ্মিণীৰ লগত বাবে বাং-ৰবা কথাৰ মহলাহে মাৰিছে—এই কথা পাহৰি গৈছে। নীলকণ্ঠ যুকানে কথা কলে, পাযেই স্থান-কাল-পাত্ৰৰ কথা পাহৰি গৈছিল। ই তেওঁৰ এটা মুদ্ৰাদোষ যেনেই লগা হৈছিল।

সহধৰ্মিণী কস্মিন্ কালেও নিষিদ্ধ দ্ৰব্য হ'ব নোৱাৰে। বৰঞ্চ যিমানেই ভক্ষণ—সিমানেই শক্তি তাক সংযমবাহে লক্ষণ বলি কব পাৰি। কলহেৰে তুলি আনি ঢালি পেলাই সাগৰৰ পানী নিঃশেষ কৰিব নোৱাৰি,—প্ৰখৰ সূৰ্যৰ তাপেও সাগৰৰ পানী টুটাব নোৱাৰে-খাল, বিল, ডোবাৰ পানীৰ ক্ষেত্ৰতহে ই সম্ভৱ হব পাৰে। যোগীশ্বৰ শিৱ শম্ভু শক্তি আৰু সংযমৰ পূৰ্ণ ভৰাল। অনন্ত কালেই সঞ্চিত হৈছে তেওঁৰ শক্তি। অনন্ত কালেই এই শক্তি ক্ষয় কৰি নিঃশেষ কৰিব নোৱাৰি। যাৰ থাকে সিহে দিব পাৰে। তেওঁ আশুতোষ, তেওঁ স্বয়ংতুষ্ট। অথচ বিশ্ব ব্ৰহ্মাণ্ডৰ কোনো শক্তিয়েই তেওঁক বশ বা সন্তুষ্ট কৰিব নোৱাৰে। যি জনাই এই শৈৱ শক্তি বা প্ৰকৃতিক প্ৰশমিত কৰিব পাৰিছে বুলি ধৰি তেওঁৰ লগ লগাই দিয়া হৈছে—

তেওঁৰ নামেই মহামায়া, মহাশক্তি। তেত্ৰিশ কোটি দেৱতাৰ সম্মিলিত শক্তিৰেই প্ৰতীক এই মহাশক্তি। এই মহাশক্তি সংযম শক্তিৰ আশ্ৰিতা হৈ থাকিলেই শিৱ স্বৰূপ প্ৰকাশ পায়। সেই বাবেই এই মহাশক্তিৰ আধাৰ বা আদৰ্শক নাৰীয়ে সন্মান শ্ৰদ্ধা আৰু পূজা কৰে, তাতেহে জগতৰ নাৰী সমাজে আদৰ্শ স্থান বিচাৰে। তুমিয়েই বোৰাচোন—তোমাৰ পৰা পাবলগীয়া, তোমাৰ পৰা পোৱা বস্তু খিনি নিষিদ্ধ জানো, ই জানো প্ৰেম-পূজাৰ আত্মানন্দ প্ৰসাদ নহয়? ই জানো শান্তিবাৰি সিঞ্চন নহয়?

বাহিৰত ভোগ ভিতৰত যোগ—এয়েই জানো ব্ৰাহ্মণৰ লক্ষণ নহয়। ভোগ অজস্ৰ, ইয়াৰ অকল সংকীৰ্ণ অৰ্থতেই আবদ্ধ নকৰিবা। এনে ক্ষেত্ৰত ভোগ নৈবেদ্যই, তোমাৰ বেদ্ৰ বলিয়েই—মোৰ আজিৰ যাগ, তোমাৰ সাজদিয়েই মোৰ আজিৰ সাধনা মূৰ্ত হোৱাৰ কথা। সাধনা সদায়—একাগ্ৰ, একান্ত—চকুৰ আগত, মনৰ মাজত এটাকেই অনিমেষ নয়নে চাই থকাৰ ইচ্ছাটোৱেই অকল সাধন নহয়—অন্তৰাত্মাৰ একান্ত ত্যাগো সাধনা।

ডাণ্টে নিজ নিৰ্মল হৈহে বিয়েট্ৰিচৰ প্ৰেমত উত্তম প্ৰেমিক, উত্তম ভক্ত হৈ গৈছিল। ত্যাগ আৰু সাধনাৰে তেওঁ এক মহিমা মণ্ডিত প্ৰেম উপলব্ধি কৰিছিল।

মায়া এজন নগণ্য তেজ মঙহৰ মানুহহে। তেজ মঙহৰ ধৰ্ম আছে, মাটিৰ গোন্ধ আছে, অন্তৰত কামনা বাসনা আছে—আৰু আছে সকলোতকৈ পৰম সত্তা—প্ৰেম—তুমিময় প্ৰেম।

মোৰ এই সকলো কথাই জানো তোমাৰো অন্তৰৰ কথা নহয়? প্ৰেমটো জানো অকল মোৰহে অন্তৰৰ সত্য! তোমাৰ অন্তৰৰ পৰা ওলাই আহিব লগীয়া বুলি আশা কৰা কথাবোৰচোন মোৰহে অকণশৰীয়া অৰণ্য ৰোদন যেন লগা হৈছে। মই বক্তাৰ ৰূপত প্ৰলাপ বকিছো, তুমি নীৰৱ শ্ৰোত্ৰী, নীৰৱ দৰ্শিকা। তুমি হয়তো

নীৰৱেই উপভোগ কৰিছা আৰু হাঁহিছা। মই বিচাৰো—তুমি কিবা কোৱা, অন্ততঃ মোক ভাল পোৱাৰ কথা কোৱা, মোৰ জীৱনৰ কথা সোধা, তোমাৰ জীৱনৰ কথা কোৱা—সুখ-দুঃখ, হাঁহি-কান্দোন ভলপোৱা-বেয়াপোৱা—যি কোনো কথাকেই কোৱা—য'ত মই ৰোমাঞ্চিক হৈ পৰিম। তোমাৰ যি কোনো কথাই যে মোৰ ভাল পোৱাৰ ন ন বিষয়।

তোমাৰ অংগ'বাৰৰ নিবিড় স্পৰ্শ পোৱা বস্ত্ৰ'বা বও উৰ্দ্ধকবি জনাৰ প্ৰেমৰ গোপন ভাষা জানে। কিন্তু সেই কবিজন আজ হয় কৃপণ, নহয়—বিশ্বাসঘাতক হিচা'পহে লুকাই আছে। কৃপণ কবিৰ মুখত ভাষা দিব পৰা ক্ষমতা মাত্ৰ এটা শক্তি বা এটা মাত্ৰ সত্যৰেই আছে—সেই সত্যই প্ৰেম। প্ৰেমৰ ৰূপ এশ আঠটা। তোমাৰ সেই প্ৰেমৰ ৰূপৰ অন্ততঃ তিনিটা স্পষ্ট হ'লেই হ'ল। ভোজনেষু মাতা, স্নেহেষু ভগ্নী, শয়নেষু বেশ্যা শাস্ত্ৰৰ নিৰ্দেশ। দৈহিক ক্ষুধাও আত্মাৰ ক্ষুধাত পৰিণত হৈ যায়। যাৰ বাবে চুৰ কৰা যায়—সি'য়া যদি 'চোৰ' বোলে, মোৰ বুলিৰ কোনে ?" ৰমাই মনতে ভাবিলে—'দক্ষ-দুহিতা সতী, আৰু গিৰিৰাজ সুতা—পাৰ্বতী উমাৰ চিত্ত বা অন্তৰাত্মা জানো মহাদেৱে চুৰ কৰা নাছিল ? নৰ-ৰূপী কৃষ্ণই জানো ষোল হাজাৰ গোপীনীৰ চিত্ত চুৰ কৰা নাছিল ?'

সৰ্বত্যাগী, উদাসীন, নিষ্ক্ৰিয় আশুতোষ ভাঙুৰী শিৱত সতী, উমাই কি পাইছিল বাৰু! এজন মুৰলী ধৰে ষোল হাজাৰ জীৱৰ উপৰিও সমস্ত বিশ্বকেই কি যাদু-মন্ত্ৰে'ৰে দীক্ষিত কৰিছিল বাৰু। 'তুমি যে নীৰৱ হৈয়েই থাকিলা। তুমি জানো কিবা নোকোৱা ? তোমাৰ জানো এ'কা কবলগীয়া নাই ?' এই প্ৰশ্নৰ গুৰিতেই আছিল ৰমাৰ প্ৰতি দেয় আৰু ৰমাৰ পৰা প্ৰাপ্য নীলকণ্ঠৰ গভীৰ প্ৰেম। গভীৰ ভলি পোৱাটো দূৰৰ কথা—ৰমাই নীলকণ্ঠৰ প্ৰণয় সিন্ধুৰ উত্তাল তৰংগ'বাৰৰ প্ৰত্যক্ষ দৰ্শিনীহৈ পাৰত ঠিয়হৈ থাকিও হয়তো তাক

উপলব্ধি কৰিব পৰা নাছিল। খোলা পানীৰ নৈবোৰো দেখোঁ লুণীয়া পানীৰ সাগৰত বিলীন হৈ যায়। তেতিয়াতো নৈৰ 'খোলা'-টোৰ চিন মোকাম্‌ নাথাকে। সাগৰত মিলিবলৈ যোৱা নৈৰ দুৰ্বাৰ বেঁৱৰতী সোঁতটোৰ প্ৰবল ইচ্ছা আৰু একাগ্ৰতা থাকিলেই যথেষ্ট। গভীৰ নৈৰ জলৰাশিয়েহে সাগৰলৈ অনায়াস গতি কৰাৰ শক্তি পায়। মহান-উদাৰ সাগৰে তপনৰ প্ৰখৰ তাপৰ দ্বাৰা নিজৰ বুকুক দগ্ধ কৰাই তাপত পৰিণত কৰাই মেঘৰ সৃষ্টি কৰে। সেই মেঘৰ পবিত্ৰ অথচ করুণ অশ্ৰুনীৰে সকলোকে ধুই পখালি নিকা কৰে—গভীৰ জল ৰাশিত সকলোকে লুকাই ৰাখি নদীৰ বুকুৰ সোঁতা গভীৰ কৰে।

ৰমা আৰু মোৰ প্ৰণয় ফুলনিত প্ৰথম যুগ পাহ ফুলাৰ আগন্তুক হ'ল। ৰমাৰ গা হেনো কিবা কিবি বেয়া লাগি থাকে সদায়। ফটিমা আইতাৰ মৃত স্বামী আলি আহমেদ জমিদাৰ আছিল। তেওঁ লাক্ষ্মীৰ নৱাবৰ পৰিণাতি। ৰমা আৰু মই ফতিমা আইতাৰ নিজৰ নাতি, নাতিনীতকৈও বেচি আপোন যেন হৈ পৰিছিলোঁ। তেওঁৰ মৰম ৰমা আৰু মোৰ বাবে তুলনা বিহীন যেন অনুমান হৈছিল। আইতাক দৈনিক এবাৰ দেখা দি অহাটো আমাৰ কাৰণে বাধ্যত। মূলকেই আছিল, ব্যতিক্ৰম মানেই—আইতাৰ গাড়ী প্ৰেৰণ আৰু গালি উপঢৌকণ। আনি গৈ আইতাৰ কৃত্ৰিম অভিমান অথবা বড়। চকু দৰ্শন কৰিব লাগিছিল। আমি ৰকাসুৰ ভোজন কৰি সামৰণী সংগীতৰ অনুষ্ঠান কৰিব লগীয়াত পৰিছিলোঁ। আইতাই গাড়ীৰে নিজে লগত লৈ আহি আমাক ঘৰত থৈ গৈছিলহি প্ৰতিবাৰেই। মই গান গাবই লাগিব—গতিকে আমাৰ ঘৰৰ পৰা আইতাই ড্ৰাইভাৰৰ হতুৱাই হাৰমণিয়াম'টো গাড়ীত তোলাই লৈ যোৱা'টোৱেই নিয়ম।

আমাৰ পৰম হিতাকাংক্ষীনী ফতিমা আইতাক এদিন মাতি অনা হ'ল। তেওঁ ক'লে—"পণ্ডিতবোৰে কিতাপৰ আখৰহে পঢ়িব পাৰে, মানুহৰ দেহৰ আখৰ পঢ়িব নোৱাৰে, তাকেই কয়—ভোদা পণ্ডিত।

পণ্ডিতৰ যে আৰু এটি উপাধি যোগ হোৱাৰ আগন্তুৰ—তোমা সবাই জানো তাক বুজা নাই। এই সমযত লগত ৰাখিব নাপায, অকলশৰে এৰিবও নাপায। ঘৰলৈ পঠিয়াই দিয়া, এতিয়া তোমাৰ কাম নাই—শাহু আইৰহে কাম। মযেই ৰাখিলেঁহেঁতেন, কিন্তু তুমি চাৰিজাতিৰ গুৰু নৈষ্ঠিক ব্ৰাহ্মণ—তুমি মোৰ মাতৃবৎ ভক্তি শ্ৰদ্ধা কৰিলেও, মই সেই মৰসাহ কৰিব নোৱাৰোঁ। মই মোৰ বোৱাৰীক ঘইন সকলা ধৰণেই নিজ দুহিতাৰ দৰে সম্পূৰ্ণ সহায় কৰিম।”

নীলকণ্ঠৰ বুকুখন চিৰিং কৰে উঠিল—হঠাৎ যেন এছাট বিজুলী খেলাই গল কলিজাটোৰ ভিতৰত। ‘ৰমাক এৰি অকলে থাকিব লাগিব—প্ৰাণটোক এৰি দেহটো থকা জানো সম্ভৱ? অজ্ঞাত অচিন শক্তি আৰু দুৰ্বোধ্য নিযতিৰ ধামখুমীযাত অভিন্ন হৃদয দ্বিধা বিভক্ত হৈ যাব? স্বপ্ন তা যে ইযাৰ অস্তিত্ব স্বীকাৰ কৰিব নোৱাৰি।”

শুক্ৰা চতুৰ্দশী তিথিৰ যামিনী। নিৰ্মল আকাশৰ বুকুত ট টকৈ জোনটোৱে যেন প্ৰখৰ সূৰুযৰ তাপ দি নীলকণ্ঠৰ বুকুখন পুৰিবহে ধৰিছে—নিশাপতি অংশুমানৰ সু-শীতল কিৰণে যে বিৰহ-বিধুৰ মন এটাক এনদৰে পুৰিব পাৰে—নীলকণ্ঠই প্ৰথম এই উপলব্ধি কৰিলে। নীলকণ্ঠৰ সক ভায়েক কম্বুকণ্ঠই ৰমাক নীলকণ্ঠৰ গুৱাহাটীৰ ঘৰলৈ লৈ যাবলৈ আহিল। ৰমাহঁতক ৰেল ষ্টেশনত গাড়ীত তুলি দিবলৈ গ’ল নীলকণ্ঠ। মাতৃ-ভূমি ৰক্ষাৰ অৰ্থে ৰণভূমিলৈ পঠিওৱা সৈনিক পুত্ৰৰ প্ৰতি উদ্ভৱ হোৱা মাতৃ হৃদয়ৰ কাৰুণ্যময় মমতা আৰু আনন্দ-খিনিযে নীলকণ্ঠৰ অন্তৰখনক তোল-পাৰ লগালে। তেওঁ হতাশ-গ্ৰস্ত হৈ পৰিল।

ক্ষন্তেক পিচতেই প্ৰায জন্মাবধি অকলশৰীয়া হৈ অহা নীলকণ্ঠ আকৌ অকলশৰীযা হৈ যাব। প্ৰায় ওৰে জীৱন অকলশৰে কটোৱা নীলকণ্ঠৰ এই ভযৰ কোনো অৰ্থ নহলেও আজিৰ সম্পূৰ্ণ নগ্ন বাস্তৱটোৰ কটকটীয়া প্ৰভাৱটো অস্বীকাৰ কৰাৰ কোনো পথেই

না হ'ল। নীলকণ্ঠৰ জীৱনৰ শৈশৱ ঘৰটোলৈ এন্ধাৰ নামি আহিল। চতুৰ্দশীৰ জোনটোক এচপৰা কলা মেঘে ঢাকি ধৰিলে। আন্ধাৰ পোহৰৰ বুকুত গাড়ীখন নিশ্চিহ্ন হৈ গ'ল। ইঞ্জিনৰ ধোঁৱাৰ লগত উৰি অহা কয়লাৰ টুকুৰাবোৰ নীলকণ্ঠৰ সেমেকা চকুত আঁটি খাই ৰ'ল। তেওঁৰ অগৰী আত্মাটো সংগীতাৰা হৈ শূন্য নীড় বিহংগৰ দৰে বিষণ্ণ মনে উৰংতি খোজ ল'লে। তেওঁ কল্পনা ৰাজ্যৰ দিগন্ত-ব্যাপ্ত মহাসিন্ধুৰ অতল তলিত মুক্তা বিচাৰি পৰি ৰ'ল।

নীলকণ্ঠৰ ঘৰ আজি আন্ধাৰে আবৰি ধৰিছে, দ্বাৰবন্ধ হৈ ৰৈছে। খোলা দুৱাৰত আউজি নীলকণ্ঠৰ বাবে অপেক্ষাৰত হৃদয়ৰ আজি এই মাজৰাতি কোনো আগবাঢ়ি নাহিল, কাকো বিচাৰি পোৱা নগ'ল তেওঁ।

পিতৃ-হাৰা শিশু নীলকণ্ঠই একমাত্ৰ মাতৃ-স্নেহ ভেলাত উটি উটি গৈ, কেতিয়াবা ক'ৰবাৰ বালিচৰত ক্ষন্তেকৰ বাবে জিৰণি লয়হি, কিন্তু আকৌ পাছৰ বাঁচ, ৰবৰৰ বুকুত পাচৰাৰ সংহাৰ তাণ্ডৱ আৰম্ভ হয়। নৈৰ বুকুৰ পৰ্বত-প্ৰমাণ ঢৌবোৰে সিংহ গৰ্জন কৰি চৰৰ বুকুত গভীৰ গহ্বৰ সদৃশ কুণ্ড সৃষ্টি কৰে। সেই ক্ষন্তেকীয়া চৰো একেবাৰেই অচিনাকি পৰাই হৈ যায়। নৈৰ ধ্যয় জিডাৰ সাতে ৰজাৰ ধন তেকেৰাই কিয়ত বিমাকাৰ হৈ চান্দো সদাগৰৰ দৰে অকুল সাগৰত পেট-ভৰাদি ভাহি ফুৰে—নীল-বেদনাই বঠৰোধ কৰা হৃত সৰ্বস্ব হতভাগ্য নীলকণ্ঠ। বিষ-ক্ৰিয়াৰ বেদনা আৰু কলিজাৰ স্পন্দনটো সমান্তৰালভাৱে সন্ধিৰ পিচত সন্ধি সংলগ্ন হৈ বহুদূৰ প্ৰান্তলৈ আগবাঢ়ি গৈছে আৰু কোনো জগতৰ অজ্ঞাত নীলকণ্ঠৰ জীৱনৰ বেল গাড়ীখন তাৰ পিচৰদিয়েই তীব্ৰ গতিত আগবাঢ়ি গৈছে—বিৰাম-বিশ্ৰামহীন নিৰবচ্ছিন্ন এই গতি। এই যোৱাৰ বোৱা ঠাই বা শেষ ক'ত? কোন বিপদৰ বন্দৰত কৰ—এই অজ্ঞাত অন্ধকাৰ যাত্ৰাৰ প্ৰকৃত লক্ষ্য কি? পথশ্ৰম কিমান অসহনীয়?

দৰত্ব কিমান আমনি দায়ক? শেষ ফল কি? পুৰস্কাৰটো কিমান মূল্যবান?

উমানে উমানে তলাৰ ছিদ্ৰত চাবিৰ পাক্ ঘূৰাবাৰ লগে লগে তলা খুলি ৰুদ্ধ দুৱাৰ মুক্ত কৰা হ'ল, দিয়াচলাইৰ কাঠি এডাল মাৰি হাৰিকেন লেম্পটো জ্বলাই লৈ উভতি দুৱাৰ ডলিত ভৰি পকা পৰাৰ লগে লগে কিহবাৰ ফোঁচ ফোঁচনি এটা কাণত পৰিল। কিঞ্চিত শংকিত আৰু ভীতি-গ্ৰস্তহৈ নীলকণ্ঠ স্কিপিং কৰাৰ দৰে সামান্য এটা জাপ মাৰি ঘৰটোৰ পকা কাথি পালেগৈ। জুইৰ পোহৰত নাগ ম'ৰাৰ ফণা দেড় ফুটমান ওপৰলৈ তুলি হলা জলা কৰা দেখা গ'ল। নীলকণ্ঠৰ হাড় কেইডালৰ মজ্জাৰ ভিতৰত প্ৰাণটোৰ কুণ্ডলী পকাই পৰিবল। তেওঁৰ অভিজ্ঞতা হয়তো বহুবাৰেই হৈছে। প্ৰায় পাঁচ মিনিটমান নৃত্য ভংগিমা চলিল—তেওঁক বৰ চাহাবৰ দৰে স্তুতি-তোষামোদ কৰাৰ লগে লগে ফণা অৱনমিত কৰি সুৰ সুৰ কৰে অন্ধকাৰৰ আৰলৈ বাহিৰৰ জোপোহা বননিৰ মাজত আত্মগোপন কৰিলেগৈ। অন্ধকাৰ আৰু দীৰ্ঘ-দিনীয়া বন্ধ ঘৰত হোৱা ভূতে বাঁহ লয়। কিন্তু এই লোক-বিশ্বাসৰ দাম নীলকণ্ঠৰ মানত নাইকীয়া যেন লাগিল। এহাল নৱ দম্পতীয়ে আজি পৰ্যন্ত, এবছৰ কাল এই ঘৰতেই নন্দন কাননৰ নানা ৰঙৰ সপোন ৰচনা কৰি আহিছিল। দেহ-মন-প্ৰাণ আৰু অন্তৰাত্মাক একাকাৰ বিলীন কৰি পেলাবা এহাল স্বামী-স্ত্ৰীৰ পৱিত্ৰ শয্যাসনৰ তলত চোপলৈ আপেক্ষা কৰা ভীষণ কৃষ্ণকায় বিষধৰে কেনেকৈ, কি সূত্ৰত, কি যুক্তিৰে তাত বাঁহ বান্ধিবলৈ পালে? অলপ শান্তিত বাদে নীলকণ্ঠৰ ক্ষুদ্ৰ সংসাৰখনত কিহবাৰেইবা অভাৱ আছিল? সাধু, পৱিত্ৰ, নৈষ্ঠিক আৰু ত্যাগ মন্ত্ৰত দীক্ষিত জীৱনটোত কিহবাৰেইবা কলুষতাৰ লেও লাগিছিল। ই অশুভ নে শুভ সংকেত? সৃষ্টিৰ প্ৰথম পুৰাণতেই এই সৰ্পৰূপী চয়তানে বিধাতা-পুত্ৰী "ইভ"কো প্ৰলোভিত কৰি 'মৰমৰ চুমাই' নাক

ছিটি পেলাইছিল। তদৱধি মৰমৰ চুমা আৰু নাৰীৰ নাকৰ সমন্ধটো যুগ যুগান্তৰৰ বাবে ভয়াবহ সন্দেহৰ কথা হৈয়েই ৰৈ থাকিল।

নীলকণ্ঠৰ মনত—"সসর্পেচ গৃহে বাসো মৃত্যুৰেৱ নসংশয়—ভাৱটি অহাৰ লগে লগে— আন এটা বিপৰীত ভাৱৰো উদয় হ'ল। শিশুকালৰে পৰা তপস্বী নীলকণ্ঠৰ ধ্যানৰ ঐকান্তিকতা দৃঢ়তা আৰু গাম্ভীৰ্যৰ প্ৰত্যক্ষ সাক্ষী আৰু সুপৰীক্ষকতো এদিন এই নাগদেৱতাই আছিল।

নীলকণ্ঠ ভূমিষ্ঠ হোৱাৰ পূৰ্বে গোঁসাই ঘৰত কাশীৰ পৰা কঢ়িয়াই অনা বৃহদাকাৰৰ শিৱলিংগ স্থাপিত হৈছিল। বিদগ্ধ সংস্কৃত পণ্ডিত ৰত্নমালা ব্যাকৰণ শাস্ত্ৰী সন্ন্যাসী ব্ৰহ্মচাৰী সকলকে এই শিৱ-লিংগ কাশীৰ বিশ্বনাথ মহাপ্ৰভুৰ আহিবেই ৰাইজৰ বাবে প্ৰতিষ্ঠা কৰাইছিল। চৌহদৰ ভিতৰৰ পুখুৰী খন্দাই, ধুলনি আৰু গোঁসাই ঘৰ সজাই—সকলোবোৰ ৰাইজক দান দি দিছিল।

এদিন প্ৰাতঃকৃত্যৰ অন্তত স্নান কৰি শিশু নীলকণ্ঠ গোপনে তাত ধ্যানস্থ হৈছিলগৈ। এক প্ৰহৰতকৈ অধিক সময় পাৰ হৈ গ'ল। কিন্তু দিগম্বৰ শিশু নীলকণ্ঠৰ কোনো উৎসূত্ৰই নাই, ঘৰত হুৱাদুৱা লাগে, কান্দোনৰ ৰোল আৰম্ভ হয়। ৰাজৰ্ষিজনক প্ৰতিম, সৰ্বজন পূজ্য নীলকণ্ঠৰ পিতৃ কণ্ঠভূষণ মুকুন্দে কিবা ভাবি গোঁসাই ঘৰত সোমায়গৈ। বহুপৰলৈকে ধ্যানস্থ অৱস্থাত গভীৰ ভাৱে মগ্ন থকা পুত্ৰৰ কাষত বহি লিংগৰ ওপৰত কুণ্ডলী পকাই অধিষ্ঠান কৰা ফণীশ্বৰক দেখিও স্তুতি কৰিবলৈ ধৰিলে। লগে লগে ভুজংগৰাজ সমীপস্থ স্থায়ী গৰ্তাভ্যন্তৰত প্ৰৱেশ কৰে। প্ৰাতঃকালতে সাৰি মচি থোৱা সিক্ত মৃত্তিকা-বেদীত এক প্ৰহৰতকৈ অধিক কাল অধিষ্ঠান কৰা শিশু নীলকণ্ঠৰ সৰ্বশৰীৰ হিমশীতল হৈ পৰে, সৰ্বাংগত নীল আভা বিৰাজ কৰে -ইয়ে সমাধি-মৃত্যুৰ পূৰ্বাভাস। কণ্ঠভূষণ মুকুন্দে নীলা হৈ পৰা, নীলকণ্ঠ মহাদেৱৰ ভক্ত পুত্ৰলৈ লক্ষ্য কৰি 'নীলকণ্ঠ' শব্দ উচ্চাৰণ কৰে। সেই দিনাই পুত্ৰৰ নতুন নামকৰণ হয় 'নীলকণ্ঠ'। এই-

জন নীলকণ্ঠ নীলা বেদনাৰ মূৰ্ত-প্ৰতীক। জন্ম-কুণ্ডলী-স্থাপিত নাম পাছ-ৰণিৰ পথত অৱহেলিত হৈ লুপ্ত প্ৰায় হ'ল। এনে অৱস্থাত সৰ্পৰাজক ইভৰ কণ্ঠলগ্ন প্ৰতাৰক বুলি ঠাৱৰ কৰা সিদ্ধান্তটো হয়তো খুব বেছি যুক্তি-যুক্ত হোৱা নাই। সেয়েহে যদি নহয় ই কিবা প্ৰচ্ছন্ন ইংগিতেই নেকি? নীলকণ্ঠৰ চিন্তাৰ পাৰবুল নোহোৱা হ'ল। মনে কাতো প্ৰত্যয় খুঁটি পুতিব নোৱাৰিলে।

বিশ্বযুদ্ধৰ ধামখুমীয়াত পৃথিৱীৰ তলৰমাটি ওপৰ, ওপৰৰ মাটি তল হ'ল। সমগ্ৰ ভাৰত জুৰি বিয়াল্লিছৰ গণ আন্দোলন বা মুক্তি যুদ্ধৰ পূৰ্ণ পৰোভৰ। স্কুল-কলেজ, অফিচ-কাছাৰী প্ৰায় সকলো অচল। নগৰ, গাওঁ, পাহাৰ, ভৈয়াম, জল-স্থলাদিৰ সমগ্ৰ জনতাই বিপ্লৱৰ স্বতঃস্ফূৰ্ত আহ্বানত জপিযাই পৰি দেশ-মাতৃকাৰ স্বাধীনতা আৰু মুক্তি যজ্ঞৰ পূৰ্ণ অংশীদাৰ হ'ল। টেলিগ্ৰাফ-টেলিফোনৰ তাৰবাৰ্তা বিচ্ছিন্ন হৈ পৰিল। সৈন্য বাহিনীৰ ৰচদ-পাতি, অস্ত্ৰ-সস্ত্ৰ কঢ়িওৱা অনা ৰেল গাড়ীবোৰ বহুঠাইতেই ডিনামাইটৰ সহায়ত শিমলু তুলা উৰা দি উৰাই দিয়া হ'ল। অসংখ্য যান-বাহন-প্ৰাণ-চিৰকালৰ বাবেই লোক-চক্ষুৰ দৃষ্টিৰ পৰা অদৃশ্য হৈ গ'ল। ভাৰতবৰ্ষৰ উত্তৰ পূৱ সীমান্ত-প্ৰহৰী অসমৰ বুকুত অভূতপূৰ্ব জনজাগৰণৰ ধুমুহা বলে। স্বাধীনতা সংগ্ৰামত হাজাৰ হাজাৰ প্ৰাণৰ আহুতি হ'ল। 'দেশ মৰিলে আমি সমূলঞ্চে মৰিম, দেশ তৰিলে আমি মৰিও চিৰকাললৈ তৰিম। সেই মৰণ, সেই তৰণ আমাৰ ধৰ্ম—আমাৰ স্বৰ্গ। 'দেশক ভাল পাওঁ' বুলি কব পৰাটোতেই আমাৰ জীৱনৰ চৰম সাৰ্থকতা, তাতেই আমাৰ জীৱন ধন্য। 'দেশক ভাল পাওঁ' বুলি যিজনে জীৱনত এবাৰো কব পৰা নাই, তেওঁ মৃত্যুৰ আগত কেৰাবাৰো মৰে।" এনে ধ্বনি এনে উশ্বাস—অন্তৰত স্থাপন কৰিযেই স্কুলীয়া ছাত্ৰ নীলকণ্ঠই "বিয়াল্লিচৰ' ছাত্ৰ আন্দোলনৰ নেতৃত্ব কৰিছিল। বিস্তৃত অঞ্চলটোৰ আন্দোলনৰ এই নেতৃত্বক বিপৰীত পক্ষই অশৰীৰী-শক্তিৰ যাদুস্পৰ্শ বুলি

আখ্যা দিছিল। নীলকণ্ঠৰ প্ৰতি পদক্ষেপতেই জীৱনৰ সংশয় পাচ লৈ আছিল—"ছুট এট ছাইট' হুকুম হৈছিল। বনে-জংগলে, পাহাৰে পৰ্বতে তেওঁ পলাই ঘূৰিব লগীয়া হৈছিল। সুচল-সুবিধা বজি গণ্য মান্য সদাশয় ব্যক্তি, পৰিয়াল আৰু বিভিন্ন অনুষ্ঠানে নীলকণ্ঠৰ বৃহৎ সভাটোৰ প্ৰমন্যাদি স্থাগৎ জনাইছিল, দিনৰ পোহৰত নীলকণ্ঠৰ অস্তিত্ব আবাৰ বিস্মৃত নীলাখিনিৰ লগতেহে যেন বিলীন হৈ আছিল

He became a legend in the prime of his youth.

আত্মগোপন কৰি থকা অৱস্থাত পুলিচ মিলিটেৰীৰ লাঠিৰ কোবত নীলকণ্ঠৰ আবাস গৃহৰ বৰ আদি ভাঙি ছিঙি জৰা-জীৰ্ণ হৈ পৰিছিল। জীৰ্ণ-শীৰ্ণ চাল আৰু ঘণাঙ্কৰা খটাৰে সৈতে ঘৰ নামৰ কংকালসাৰ কুগ্ন শৰৰ এটা যেন কোনো মতে থৰক-বৰক কৰি জপকা মাৰি হৈ আছিল। ভিতৰৰ বস্ত-বস্তু বিছনা-কাগজ—যি যৎসামান্য আছিল—সকলো অন্তৰ্ধান হৈছিল মাত্ৰ শোৱা তক্তা, পোচখন বথ-মপি আত্ম-ৰক্ষা কৰি আছিল। ৰাতিৰ পৰৱৰ্তী অৱস্থা কল্পিয়াৰা অসহনীয় হৈ উঠিল গভীৰ নিশা বা পুৱতি নিশা নীলকণ্ঠ হাতত সাপ ভৰিত সাপ আহি সেই ওগোৰা-মাৰখাৰা নগ্ন তক্তাপোচ-খনত আচমন পাত হৈ পৰি থাকিছি। পুলিচৰ ভয়টো, বুকুৰ ধপধপনি টোৰ দৰেই অবিশ্ৰান্ত। গতিকে ব্ৰহ্ম-মুহূৰ্ততেই শয্যাত্যাগ নিয়ত কৰিলা। চকু মুখ ধোৱাৰি শুদ্ধ কাপোৰপৰি নীলকণ্ঠই উপবেশন কৰাৰ লগে লগেই দেখা ভৰি নামোৱা ঠাইতেই নাগদেৱতা ফণা তুলি হৈ আছে। প্ৰথম দুই এদিন তেওঁৰ ভয় লগাটো খুব স্বাভাৱিকেই আছিল, কিন্তু পুতি মিনতিৰ পিচত 'নীলকণ্ঠ'ৰ বক্ষভূষা যেন হৃষ্ট চিত্তেই আভৰি গৈছিল। নীলকণ্ঠই যেতিয়াই তাত আশ্ৰয় লৈছিল, তেতিয়াই নাগদেৱতাৰ এই ব্যৱহাৰ এক প্ৰকাৰ নিয়মেই হৈছিল। সহকৰ্মীবোৰক কোৱাত, তেওঁলোকে নাগৰাজৰ নিধনৰ কথাহে ভাবিছিল। নীলকণ্ঠই সৰ্পৰাজ নিধন প্ৰয়াসীবোৰক সাৱধান কৰি দি

বৈছিল—যে এই ফণীধৰ তেওঁৰ মহান ৰক্ষকহে—ভক্ষক বা কালশত্ৰু নহয়। পুলিচ মিলিটেৰীয়ে তেওঁক আক্ৰমণ কৰিবলৈ আহিলে—হয়তো একদংশনতেই আততায়ীক ধৰাশায়ী কৰি পেলাব। শিৱ-ভক্তক বিপদ মুক্ত কৰিবলৈকে যেন আশুতোষে তেওঁৰ ভূষণক দেশ প্ৰেমিক নীলকণ্ঠৰ ওচৰলৈকে পঠিয়াইছে দিয়ে। দেশ প্ৰেমিক নীল-কণ্ঠৰ ইষ্ট দেৱতা—শিৱ-দুৰ্গা। মাতৃ ভূমিয়েইতো দুৰ্গতি নাশিনী দুৰ্গা। তেৱেঁই শিৱানী, মংগলময়ী, জগদ্ধাত্ৰী।

বিযাল্লিচৰ ৭.৭ আন্দোলনৰ সময়ৰ নাগদেৱতাৰ এই অভিনৱ আৱিৰ্ভাৱৰ কথাও আজিৰ আন্ধাৰ ঘৰৰ ঘটনাই সোঁৱৰাইছে যেন দিলে তেওঁক অথবা তেওঁক উপহাস কৰিলে নেকি নাগদেৱতাই।

ৰমাই। আন্ধাৰ ঘৰৰ বন্ধ কোঠাই যেন তেওঁক গ্ৰাস কৰিছে পেলাব—এনে এটা অৱস্থা হোৱাত পাটীটো লৈ নীলকণ্ঠ পকা কাথিত পাৰিলৈ তাতেই দীঘলদি পৰিল, কাষত লেমটো আৰু লাঠিডাল—ওপৰত তেতিয়া নিৰ্মল চতুৰ্দশীৰ জোনটো উজ্জ্বল আৰু উজ্জ্বল হৈ উঠিল। ৰমাৰ লৱণু সদৃশ অথবা সাগৰৰ ফেণৰ দৰে কোমল আৰু মস্ৰিণ অংগ প্ৰত্যংগবোৰৰ স্পৰ্শানুভূতি এটা যেন নীলকণ্ঠই গভীৰ ভাৱে উপলব্ধি কৰি পেলালে। ৰমাই জানো জোনটোলৈ চাই আছে? নাচালেও ক্ষতি নাই। জোনটোৰ শীতল কিৰণখিনিয়ে নিশ্চয় ৰমাৰ শৰীৰৰ সমস্ত অংগ-প্ৰত্যংগকেই স্পৰ্শ কৰিছে। সেই চন্দ্ৰ জ্যোৎস্নাই মোকো সম্পূৰ্ণ স্পৰ্শ কৰিছে—গতিকে ৰমাৰ সমস্ত শৰীৰে মোকো সাৱটি ধৰি বিৰহ জ্বালাৰ উপশম কৰিবলৈ নিশ্চয় চেষ্টা আৰু আকাঙ্ক্ষা কৰিছে। ৰেল গাড়ীৰ ডবাটোৰ 'ডিম্‌লাইট'টোৱে ৰমাৰ অশ্ৰু নিশ্চিত ভাৱে আৱিষ্কাৰ কৰিব পাৰিছে জানো? নীলকণ্ঠ কল্পনাৰ ভূৰত উঠি অজ্ঞাত সপোন সিন্ধুত উটি গ'ল—দূৰ-বহুদূৰলৈ।

নীলকণ্ঠৰ ভাইজন আৰু কাম কৰা কাঞ্চাজন এতিয়ামানে হয়তো ডবাটোৰ বেঞ্চত শুই পৰিছে—আৰু ৰমাই—? ৰমাই নিশ্চয় সকলোৰে

পৰা মুখ আঁৰকৰি উচুপি উচুপি কান্দিছে।' হয়তো ধাৰাসাৰেই চকুলো বইছে।

'চাৰ, ! আপুনি কিয় কান্দিছে? কিয় দুখ কৰিছে? নাপায় নহয়। তেওঁতো আৰু চিৰকালৰ বাবেই গুচি যোৱা নাই। আকৌ আপোনাৰ ওচৰলৈকে গুচি আহিব নহয়। ভগৱানে ভালে ভালেই গাটো সৰাই' দিয়ক কোনোমতে। চকু মুখ-মুজি ডেৰ-দুই মাহ কোনো-মতে কটাই দিব পাৰিলেই আপোনাৰ ঘৰ ভৰি উঠিব নহয়। ঘৰৰ ভিতৰলৈ যাওক—বিচনাত শোৱকগৈ। এই নির্জন দোভাগৰাতি সাপ বেঙৰ মাজত কাবোবাৰ কোনোবাৰ নিচিনা কিয় অকলে বাৰান্দাত পৰি আছে? আমাৰ ইইতৰ পিতাকেও কথাটো লক্ষ্য কৰি মোৰ কলে- তেওঁ নিজে কৰলৈ বেয়া পাইছে। ইমান জ্ঞানী মানুহ হৈয়ো সৰু লৰাৰ দৰে কান্দি কাটি অস্থিৰ হলে আমাৰ দৰে মূৰ্খ মানুহবোৰে কি প্ৰবোধ দিমনো আপোনাক?" "অ—ছাৰ! শোৱক গৈ। অকলশৰীয়া মানুহ, মনটো ইমান দুৰ্বল কৰিলে কাম-কাজবোৰ কেনেকৈ কৰিব? সভাই সমিতিয়ে হাজাৰ হাজাৰ মানুহৰ আগত কিমান সুন্দৰ সুন্দৰ জ্ঞানৰ কথা কয়—আমি আপোনাকনো কি বুজাম।" শেষৰ বাক্য তিনিটি প্ৰতিবেশী গৃহস্বামী দয়াল বৰুৱা আৰু আগৰ বাক্য কেইটি তেওঁৰ সাদৰি পত্নীৰ শ্ৰদ্ধা আৰু সহানুভূতি সূচক উক্তি।

নীলকণ্ঠই ভাবৰাজ্যত ভ্ৰমি ভ্ৰমি বহুদূৰ পাইছিল গৈ। তেওঁ হয়তো ৰমাৰ কল্পিত উচুপনিৰ কাৰুণ্যময় স্বপ্ন লহৰিত উটি বুৰি ফুৰিছিল। তেওঁ গভীৰ ভাৱে সমাহিত হৈ গৈ নিজ সত্তা পাহৰি গৈছিল, নিজৰ শব্দময় উচুপনিকেই ৰমাৰ উচুপনি বুলি ভ্ৰম কৰিছিল। এইজনেইতো জ্ঞান-বিদগ্ধ পণ্ডিত নীলকণ্ঠ। পাণ্ডিত্য, জ্ঞান সাহিত্য-সং-স্কৃতিৰ হাজাৰ স্বপ্ন অন্তৰতলৈ তেওঁ জীৱনটোক আগবঢ়াই লৈ যোৱাৰ প্ৰয়াস কৰিছিল--তেওঁ হৰ- সাহিত্য সংস্কৃতি, ভাব শিল্পৰ একান্ত পূজাৰী,

নৈষ্ঠিক সাধক। তেওঁৰ জীৱনৰ এই মহা সাধনাত সহায় হবলৈ যিকোনো নাৰী হয়তো অপাৰগা হব বুলি বিৱাহৰ কথাক মনত স্থান দিয়া নাছিল। কিন্তু ৰমাই নীলকণ্ঠৰ ধ্যান-ভংগ কৰি পেলালে—হয়তো ৰম্ভা-মেনকাৰ দৰেই। ধ্যান-ভংগ কৰিলেও একমাত্ৰ ৰমাইহে তেওঁৰ ছাঁৰ দৰে জীৱনৰ প্ৰতি পদক্ষেপতেই বিচৰণ কৰি তেওঁৰ সাধনাৰ জয় যাত্ৰাত সহায় হব এই চৰম আশা বুকুত লৈহে তেওঁ ৰমাক বিয়া কৰাবলৈ সন্মত হৈছিল।

ৰমাৰ প্ৰতি অকৃত্ৰিম প্ৰেম, গভীৰ আস্থা আৰু বিশ্বাসেই নীলকণ্ঠৰ অন্ধকাৰ পথটো জ্যোতিষ্মান কৰি পেলাইছিল। তেওঁৰ জীৱনৰ উচ্চা-কাঙ্ক্ষা পূৰণৰ ক্ষেত্ৰত কোনো প্ৰশ্ন, কোনো যুক্তি, কোনো বাধাই সেই বাৰেই ভ্ৰূকুটি নামাৰিলে। সকলো বিষয়কেই অমৃত বুলি অতি সহজেই গলাধঃকৰণ কৰিব পৰা তেওঁৰ মানসিক অৱস্থাটো চিৰ-জাগ্ৰত। নীলকণ্ঠৰ মন মোহাচ্ছন্ন চিত্তত চঞ্চলতা আৰু অন্তৰত আবে-গৰ প্ৰবল বন্যা। কাকনো দোষা যায়? ব্ৰহ্মচাৰী জটীয়া ভস্মৰাও কামিনী পাশত আবদ্ধ। ৰমাৰ চকুতো অজ্ঞাতে কল্পনা কৰা বেদনাৰ অশ্ৰুখিনি দেখোঁ তেওঁৰহে। ৰমাৰ অশ্ৰু বিৰিঙিব পাৰে, কিন্তু এইঅশ্ৰু অতি আনন্দৰো হব পাৰে। আনন্দৰ কাৰণটো দেখোঁ উভয়ৰেই।

সময় বাগৰি যায় - কাৰো বাবে, কোনো কথাৰ বাবে—ক্ষন্তেকো থমকি বৈ নাযায়। সময়ৰ অসীম গৰ্ভত কাৰোবাৰ দুঃখৰ জ্বালামুখীৰে নিৰ্গত হব লগা পদাৰ্থবোৰ তাপিত অৱস্থাত উতলাদি উতলিছে, কিন্তু উদ্গীৰ্ণ হব পৰা নাই, নহয়ো হয়তো! তথাপি সময়ৰ কোনো দুখ নাই—ক্ষোভ নাই। সময় নিৰ্বিকাৰ আসক্তি-হীন, উদাসীন, উদাৰ অথচ কৃপণ। "ক'ত আজি সেই এবেম ফুলনি—হাজাৰ গোলাপ ফুলিল য'ত । ইয়াতো মহা-কালৰেই প্ৰশ্ন, মহাকালৰেই উত্তৰ। সময়ৰ বুকুৰ অৱক্ষয়টোহে

সত্য। সৃষ্টিৰ অৰ্থই অবক্ষয়। সৃষ্টিৰ প্ৰথম অশুভ মুহূৰ্তটোতেই ক্ষয়ৰোগ আৰম্ভ হয়—আৰু মহাপ্ৰলয়ৰ শুভ মুহূৰ্তত হয়তো শান্তিৰ শীতল বা বলে, মহাপ্ৰলয়ৰ পিচত কোনো দুঃখ-দৈন্য জৰা-মৃত্যু,ব্যাধি-শোক-তাপ —এাবাৰেই নাই। বিৰাট শূন্যতাত হয়তো মহানৰ মহাশান্তিখিনিহে অবশ্যে বিৰাজ কৰে—সিও প্ৰায় অননুভূত শান্তিহে। তথাপি তেনে শান্তিও জীৱনৰ চিৰকাম্য, চৰম কাম্য।

পৰ্ব-মুচ্ছৰ্না।

নীলকণ্ঠ ফুকনৰ সংসাৰৰ ইতিমধ্যে তিনিজন সদস্য আছিল। ঘৰত বহুত কাম চলি আছে, সেইবোৰ নীলকণ্ঠৰ সৰু ভায়েকজনে প্ৰায় নিৰ্বিবাদে সমাধা কৰে। নীলকণ্ঠই মাহে মাহে গুৱাহাটীৰ ঘৰলৈ আহি কাম কাজ আদিৰ বাবে যাৱতীয় খৰচ পাতি দি যায়। নীলকণ্ঠই টকা পইচাৰ লগতে কামবোৰৰ দিহা দাবাও দি যাইছি ৰমা নীলকণ্ঠৰ কৰ্মক্ষেত্ৰলৈ যাব নোৱাৰা হ'ল কাৰণ ৰমাৰ ঘৰৰ পৰা তেনে পৰামৰ্শই আছিল।

মহাযুদ্ধৰ হাট-বজাৰখনৰ আমদানি এৰি সংসাৰ কৃমিৰ খুদ কণটো কোন বিচাৰে আজিৰ দিনত? নীলকণ্ঠ ফুকনৰ সংসাৰখনৰ তাৎপৰ্য হ'ল বৈদিক যুগৰ বাৰ্তা সাধকৰ তাৎপৰ্য—বিক্ত বা ত্যক্ত ধান্য ক্ষেত্ৰৰ পৰা অঞ্জলি প্ৰমাণ পতিত বা ত্যক্ত ধান্যৰ সংগ্ৰহ। মিলিটেৰীৰ সহায়কহৈ সংগৃহীত ছুপানাটৰ তুলনাত এই উঞ্ছবৃত্তি আচৰণটো পতান সংগ্ৰহৰ নামান্তৰ মাত্ৰ।

যুদ্ধ গ'ল মিলিটেৰী গ'ল, কিন্তু যুদ্ধৰ 'ফল আপ এৰেন্‌ম'টো

তামিস্ৰ হবলৈ হুকুমটো নিষ্ঠুৰ ভাৱেই যেন দৈ গ'ল,

হিৰোচিমা আৰু নাগাচাকিত এটম্ ব'মৰ শেষ আওৱাজ হ'ল। সামৰিক শক্তিৰ বকাশ ভাঙিলত জাপান নিৰম্ভ হ'ল। ভাৰতৰ আকাশৰ পৰা উৰা জাহাজ কামান আৰু বোমাৰ ধোৱাবোৰ উৰি যাবৰো অৰ্দ্ধযুগ পাৰ হৈ গ'ল। ঊনৈশ শ সাতচল্লিশ খ্ৰীষ্টাব্দৰ চৈধ্য আগষ্টৰ ৰাতি বাৰটাৰ পিচত ভাৰত স্বাধীন হৈ গ'ল। বৃটিছ চৰকাৰে ভাৰতী আইৰ গলত আঁৰি দিয়া পৰাধীনতাৰ অপযশ শৃংখল ডাল সুলকি পৰিল, মানৱ মনৰ ৰুদ্ধ বাতায়ন মুক্ত হৈ পৰিল।

ভালেই হওক বা বেয়াই হওক, সকলো কথা বা কামৰেই এটা পাচ খুন্দা আৰু পৰিণাম আছে—এইটোৱেই প্ৰথম আৰু প্ৰধান গণণীয় কথা। বেমাৰৰ পিচত মানুহ শুকায়, ক্ষীণায়, অথবা শকতাৱত হয়। তেওঁলোকৰ স্বাস্থ্য ভাগে অথবা সুস্বাস্থ্যৰ গৰাকী হয়, তেওঁলোকৰ ভোক লাগে শক্তি হয় অথবা অৰুচি হয় আৰু দুৰ্বলো হয় নাইবা আনন্দ বা নিৰানন্দও আহে। এবেখন বিশ্বযুদ্ধই এৰা ধ্বংসাৱশেষৰ ছাইবোৰৰ মাজত জাতি, দেশ বা সমাজবোৰৰো উত্থান-পতন হয়। আৰ্থিক, সামাজিক নৈতিক, আধ্যাত্মিক অথবা বৈজ্ঞানিক দিশত হয়তোবা উন্নত হয়, নহলে অধোগতি হয়। ভাষা-সাহিত্য-সংস্কৃতিৰ হয়তোবা বিকাশ সাধন হয়, নহলে ই সমূলে লুপ্ত হৈ যায়।

পৃথিৱীৰ জ্ঞান-বিজ্ঞানত শীৰ্ষ স্থানীয় জাতি—জাপান, জাৰ্মান ইটালি আদিবোৰ পৰি যায়, এনেকি মিত্ৰ শক্তি সংগঠক ইংল্যাণ্ডও একেবাৰেই পৰি যায়। আনহাতে আমেৰিকা একেবাৰেই জ্ঞান-বিজ্ঞানৰ শীৰ্ষত আৰোহণ কৰে। লগে লগে ৰুচিয়াও উন্নতিৰ চৰম সীমা পায় প্ৰায় সৰ্বাংশে বিষয়তে। ফৰাচী জাতিও অগ্ৰসৰ হয়।

জাতি-দেশ-সমাজ-সংস্কৃতি আদিৰ দৰে একোটা পৰিয়ালো উন্নতিৰ জখলাত আৰোহণ কৰে আৰু আন বহুতো তেনে পৰিয়াল নাম্নং

ন বস্ত্ৰং হৈ দিন-ভিক্ষা, প্ৰাণ-ৰক্ষা অৱস্থা প্ৰাপ্ত হয়। কথা হ'ল— যুদ্ধৰ আমদানী নতুন ছপানোটৰ বৃন্দাবোবেৰে সহস্ৰ ঘৃণ্য ব্যভিচাৰ কিনাটোৱেই যদি যুদ্ধৰ উত্থান সংস্কৃতি আৰু সভ্যতা হয তেনেহলে যুদ্ধক সমালোচনা কৰাৰ হয়তো কাৰো অধিকাৰ নাই। যুদ্ধক প্ৰশংসাহে কৰিব লাগিব নেকি। আনহাতে যদি যুদ্ধই এশৰ ভিতৰত নব্বই বা আশীজনকেই আৰু বেছি দুখীয়া কৰে, আৰু ব্যভিচাৰ কিনাটো দূৰৰ কথা, দুবেলা দুমুঠি অন্ন সংস্থানৰ বাবেও সিইঁতক সহায় কৰিব নোৱাৰে, সেই যুদ্ধৰ নামকৰণ কি হব পাৰে? উত্থান নে পতন?- আশীৰ্ব্বাদ নে অভিশাপ? সভ্যতা নে বৰ্বৰতা? সৃষ্টি নে ধ্বংস? কৃষ্ণ নে কংস?

য'ত হাট বহে, ত'ত প্ৰেমৰ মাতসাৰহে আছে—প্ৰেম নাই। অৱস্থা আৰু পাত্ৰ বিশেষে—প্ৰেমটো মাত্ৰ ধনতেই কঠাল এঠা লগাদি লাগি থাকে- কিমান দিলে কিমান পাম? দিলেই প্ৰেম, নিদিলেই ভেম। যুদ্ধজাত প্ৰেম-ধনত, ধন দাতাত নহয়, ধন দাতাৰ প্ৰেম দেহ-মঙহ আৰু তেজত—মন, অন্তৰ আদিৰ লগত তাৰ কোনো সম্পৰ্ক নাই। ধন দাতাৱো সেই কথা জানে খুব ভালদৰে আৰু সেইদৰে ধনৰ সদ্ব্যৱহাৰো কৰে।

নীলকণ্ঠই ভাবে আৰু কয় যে—প্ৰেমৰ অধিকাৰ মাত্ৰ দুজনৰেই থাকে—এজন ঋষি আনজন পাগল। ঋষি আৰু পাগলক তথাকথিত প্ৰেমৰ হ্ৰস্ব-দীৰ্ঘ, মান-অভিমান, বিৰহ, ব্যথা, সঁচা-মিছা- আদি একেবাৰেই স্পৰ্শ কৰিব নোৱাৰে। গতিকে এই দুজনৰ প্ৰেম কোনো পথেই ব্যৰ্থ নহয়। বিশ্বাসঘাতটোৱে প্ৰেমৰ ভেশচনটো ললেও— এই দুজনৰ প্ৰেম কোনো দিনেই আহত বা ব্যৰ্থ নহয়। কিন্তু সাধাৰণ মানুহৰ প্ৰেমৰ ক্ষেত্ৰত বেদনা, ব্যৰ্থতা, বিৰহ, আশাভংগ এনেকি মৃত্যু পৰ্যন্তও আহিব পাৰে আৰু 'প্ৰেম' শব্দটোৰ মৰ্যাদাই শূন্য হৈ যাব পাৰে। গতিকে দূৰ দৃষ্টিত সাধাৰণ-জনৰ প্ৰেমত

অধিকাৰ নাই যেন লাগে। প্ৰেমৰ দাবী সাব্যস্ত কৰিব খুজিলে, তেওঁ ব্যৰ্থতাৰ আক্ৰমণতো ধীৰ, স্থিৰ, অচঞ্চল আৰু অবিকৃতহৈ ৰবই লাগিব, নহ'লে প্ৰেম ব্যৰ্থ।

ভগৱানৰ সৃষ্টিৰ ফলশ্ৰুতি—মানৱ জীৱনত নাৰী এটি অমূল্য সম্পদ, পুৰুষৰ জীৱনত নাৰী পৰশমণি—সৰ্বোত্তম মহামূল্য বস্তু। নাৰীৰ আন্তৰিক প্ৰেৰণাই পুৰুষক দেৱত্ব প্ৰদান কৰিব পাৰে। নাৰীৰ এটি প্ৰেম কটাক্ষই, নাৰীৰ এটি শ্ৰদ্ধাৱনত ইংগিতেই পুৰুষক সাহিত্য সংস্কৃতি, আধ্যাত্মিকতাৰ ক্ষেত্ৰত এনেকি দুৰ্দ্ধৰ্ষ ৰণভূমিতো চিৰ অমৰ কৰি ৰাখিব পাৰে আৰু সেই পুৰুষ নাৰীকো দেৱী-ৰূপা কৰি প্ৰেমৰ ইতিহাসত অমৰ কৰি ৰাখিব পাৰে। নাৰী-অন্তৰৰ পৰশমণিৰ সঞ্জীৱনীয়ে অমৃতত্ব আৰু দুৰ্বাৰ শক্তি দি পুৰুষক যুগ-যুগান্তৰৰ বাবে মহিমা মণ্ডিত কৰি তোলে। সেইবাবেই হয়'তো মানৱ ইতিহাসত পুৰুষেই যুগে যুগে নাৰীক দেৱী ৰূপত প্ৰতিষ্ঠা কৰি আহিছে। নাৰীৰ প্ৰতিহে নাৰী বহু ক্ষেত্ৰত ঈৰ্ষাপৰায়ণা হৈ উঠা পৰিলক্ষিত হয়—পুৰুষৰ প্ৰতি নহয়। ইতৰ জন্তুৰেও পুৰুষে-পুৰুষে যুঁজ কৰি-মাৰে, মাইকীজনীক মৰম কৰে, মতা-মাইকীৰ মৰমৰ হাট বহে—প্ৰেমৰ অকৃত্ৰিম হাট

আদ্যা শক্তিৰ অংশ হিচাপে নাৰী—মহিমাময়ী মহা শক্তিও। পুৰুষ বা স্বামীৰোৰ 'ৰাম' নহলেও নিৰানব্বই শতাংশ নাৰীয়েই সদায় 'সীতা'। সীতা হবলৈ তেওঁক হয়তো কোনোৱেই বাধ্য নকৰে, তেওঁ লাৰৰ পুতাত্মাৰ পৰাই 'সতী সীতাধনী' স্বৰ স্ফুট ভাবে জন্ম পায়। ৰাম নহলেও স্বামীবোৰৰ প্ৰতি তেওঁলোক প্ৰতিশোধ পৰায়ণা হৈ নুঠে। গুৰু, নৈতিকতাৰ কষটি পাথৰত ঘৰ্ষিত হৈ সুপৰীক্ষিত নহলেও সু-পৰীক্ষিত শিষ্য বা শিষ্যাই অন্ততঃ জীৱন মুক্তি পায়। এই বাবেই নাৰী সদায় দেৱীৰূপা। পৰস্ত্ৰী হৰণকাৰী ৰাৱণক পত্নী মন্দোদৰীয়ে সু-পৰামৰ্শ দিছিল—প্ৰতিশোধ

পৰায়ণা হৈ উঠা নাছিল—তেনে শক্তি থাকিলেও তাৰ অসদ্ব্যৱহাৰ কেতিয়াও নকৰিছিল। তাতেই নাৰী মাহাত্ম্যৰ অৰ্থ নিহিত হৈ আছে।

তাৰ বিপৰীতে যদি ধৰি লোৱা হয় যে পুৰুষ জাতি বা স্বামী বোৰৰ এক শতাংশহে 'ৰাম'—তেনেহলে সেইজন 'ৰাম স্বামী'ৰ স্ত্ৰীহে সীতা নহয় হয়তো। তেওঁ জয়মতী, মূলা গাভৰুও নহয়, বৰং তেওঁ গড়মা কুঁৱৰীৰহে সগোত্ৰী। সীতা হবলৈ 'ৰাম'ৰ প্ৰয়োজনটো স্বেমহিম্নী নাৰীৰ দাবীত বাধ্যতামূলক নহয়। নাৰী সদায় স্বেমহিম্নী গুণত মহিমাময়ী।

জগতত এনে নাৰীও আছে—যাৰ হৃদয়হীনতা আৰু বিশ্বাসঘাতকতাইযো কোনো কোনো পুৰুষক মহিমামণ্ডিত কৰি তোলে, সেয়ে নহলে অতি কৰুণ ভাৱেই পুৰুষৰ জীৱন পোৰা ধূপৰ দৰেই নিঃশেষ হৈ যায়। জয়মতীয়ে গদাপাণিক, সীতাই ৰামক মহান কৰাৰ বিপৰীতে এজনী বাৰবনিতাইহে বিল্বমংগলক নৱ জন্ম দিছিল। সেইদৰে টলষ্টয় তুলসী দাস আদিৰো পাকে-প্ৰকাৰে মহান নৱ জন্ম হৈছিল, নাৰীৰ প্ৰভাৱতেই। গড়মাকুঁৱৰীয়ে একাধিক পুৰুষক ধ্বংস যজ্ঞত পূৰ্ণাহুতি দি আট্টহাস্য কৰি বং চাইছিল। নাচনী দেবদাসী 'ফুলেশ্বৰী' হ'ল, পাটমাদৈ হ'ল। স্বামী শিৱসিংহক দান দিলে ছত্ৰ-ভংগ যোগ। আহোম ৰাজ সিংহাসনত বহি ৰাজ্যখনক ৰসাতললৈ পঠিয়াই দিলে। স্বৰ্গদেউ শিৱসিংহ পথে-ঘাটে ঘৰ-পোৱা গৰুৰ দৰে অনাই বনাই ফুৰিলে। হেলেনেই প্ৰকাৰান্তৰে ট্ৰয় নগৰ ধূলিচ্যাৎ কৰি পেলাইছিল। আনহাতে ঝান্সিৰ ৰাণীয়ে ভাৰতৰ গৌৰৱ বহন কৰিছিল। জাগ্ৰত নাৰী শক্তি যে আদ্যা শক্তি—দুৰ্গতি নাশিনী দুৰ্গা—তেওঁ তাকেই জগতবাসীক দেখুৱাই দিলে। অসম জীয়ৰী বীৰাংগনা মূলা গাভৰুযেও তাকেই প্ৰমাণ কৰি গ'ল। অইন কালে আৰু 'লেডী মেক্‌বেথে'ই সিংহপুৰুষ মেক-

বেথৰ মুৰটো খালে। সেও দুৰ্বাসনাৰ ভ্ৰমমাত্ৰ।

সেই নিশা নীলকণ্ঠই আবেগপ্ৰৱনতে ৰমাক কলে- 'আজিলৈ আন কোনো নাৰীয়েই মোৰ অন্তৰত গভীৰ সাঁচ এটি বহুৱাব নোৱাৰিলে।' 'মোৰ কোন গুণটোৰ বাবে আপোনাৰ অন্তৰখন মোৰ প্ৰতি চুম্বকে টনাদি আকৰ্ষিত হ'ল? সৰ্বগুণ সম্পন্না যোৱতীৰো মই তেনেহলে আৰু কিবা বেছি—নিশ্চয়, নহয় জানো।" ৰমাৰ ঈষৎ থঃ আনন্দ মিশ্ৰিত ব্যংগসূচক কথা শুনি নীলকণ্ঠই সেই আবেগেৰেই কলে— 'ৰমা, তোমাক মই কিয় পচন্দ কৰিলোঁ। কি গুণৰ বাবেই মই তোমাক বিয়াৰ উপযুক্তা পাত্ৰী বুলি ভাব পালোঁ, কি আশা বুকুত বান্ধি লৈ মই তোমাক বিয়া কৰাম বুলি সম্মতি প্ৰদান কৰিলোঁ। সেইটো ভাষাৰে তোমাক বুজাব নোৱাৰোঁ। কিন্তু মোৰ মন-গহনৰ অংকিত চিত্ৰ পটখন যে তুমি—এই ভাব ভুমিয়েই মোৰ অন্তৰ-পটত দাগি বহিলা, সেই মানস প্ৰতিমা যে তোমাতেই বিচাৰি পালোঁ—এইটো হলে তেনেই খাটাং কথা, সম্পূৰ্ণ নগ্ন সত্য। সেইবাবেই হয়তো তুমি চুম্বকে টনাদি মোক টানি লৈ গ'লা। কিন্তু এইটো ঠিক যে, তোমাৰ মনৰ হয়তো সযত্নে সাঁচি থোৱা সুন্দৰ গোপন তলিখন পাবলৈ এতিয়াও মোৰ পথচাৰণ আছে যেন লাগে।"

"সাৰদাক মই পঢ়াইছিলোঁ—সাৰদা অতি ৰূপহী ছোৱালী। তেওঁ 'ফেনেনিক বিউটি'ৰ অধিকাৰিণী বুলি কলেও অধিক কোৱা নহয়। মহানগৰীখনৰ এটা অঞ্চলৰ সমূহ লোকৰ মানত সাৰদা যেনিবা শকুন্তলাহে। বিখ্যাত কবিৰাজ, একনিষ্ঠ কংগ্ৰেছ কৰ্মী, স্বনাম ধন্য শ্ৰীশ্যাম চৰণ বৰুৱাৰ কন্যা সৰ্বসুলক্ষণা সাৰদা। সমাজ কৰ্মী বা সমাজ সেৱক হিচাবে শ্যাম বৰুৱা, প্ৰায় আঠ লাখ লোকৰ বসতিপূৰ্ণ মহানগৰীখনৰ বিখ্যাত ব্যক্তি চাৰি পাঁচজনৰ ভিতৰতেই গণ্য। সমগ্ৰ মহানগৰীখনতেই সৰবৰহী শ্যাম বৰুৱাৰ সুপুত্ৰী সাৰদাও সৰল-সহজ আৰু পৱিত্ৰ চৰিত্ৰৰ ছোৱালী বুলি সকলোৰে প্ৰশংসা পাই

আছিছে। এটি দেৱী প্ৰতিমাৰ ৰূপৰ লগত বজ্ৰিতা খোৱা সাৰদাৰ ৰূপ-যৌৱন আৰু তাৰ সমতুল্য নম্ৰ স্বভাৱ আৰু বিনয় বচন-ভংগীও বহুতৰেই আকৰ্ষণৰ বিষয় হৈ পৰিছিল। সাৰদাৰ ককাই-ভাই-ভনী--আত্মীয়বোৰেই অসমৰ বিখ্যাত গায়ক-গায়িকা, অভিনেতা অভিনেত্ৰী। মোৰ সংগীতশিল্পৰ প্ৰতি পিতৃ-প্ৰভাৱিত আৰু প্ৰদত্ত ধাপটো পূৰ্বতকৈও অধিক প্ৰকাশ-মুখৰ হৈ উঠিল। গধূলি পঢ়ুওৱাৰ পৰিৱৰ্তে মাজে মাজে মই গান গাব লাগে। এদিন গধূলি সাৰদাৰ অনুৰোধত আন্ধাৰৰ ক'লা ঢাকনীৰ আঁৰত গান গাবলৈ তাৰমনিয়মটো লৈ বহিলোঁ। মই লাজতে মৰি যোৱা যেন হৈছিলোঁ যদিও গাবলৈ বাধ্য হৈ গলোঁ।

শ্যাম বৰুৱা ক'ৰবাৰ পৰা বেগী চাই আছি হঠাৎ মোৰ গান শুনি আন্ধাৰৰ ঢাকনীলৈ জুমি চাই থাকিল। মোৰ গানৰ শেষত তেওঁ সকলোকে দৰ্শন দি ক'লে—"তুমি যে ইমান ধুনীয়া গান গাবৈ জানা—মই আগ'ত নাজানিছিলোঁ। তোমাৰ ভজনটো শুনি মই বৰ বিশেষ ভাবেই মুগ্ধ হৈ গৈছো, কিন্তু তুমি যেন অলপ সংকোচ ভাবক প্ৰশ্ৰয় দিছা—মোৰ অলপ তেনে অনুভৱ হ'ল। তোমাৰ গানৰ সুৰ আৰু তালৰ লগতে 'দৰদ'টোৱেইহে মোক বিশেষ ভাবে আকৃষ্ট কৰিছে। পঢ়াত ছাত্ৰ হিচাপে প্ৰথম হোৱাৰ দাবী, এই বিষয়তো তোমাক প্ৰথম স্থান দিব পাৰি। সংকোচ ভাবটো এৰা, এজন ভাল শিল্পী হোৱাৰ এটা উজ্জ্বল ভৱিষ্যতো তোমাৰ আছে।" "মাষ্টৰ বৰ লাজকুৰীয়া। সভা-সমিতিত গান গাবলৈ দিলে তেওঁ আগেয়ে বৰ্ডা-চিন্তা পৰে, গলা শুকাই যায়, কঁপিবলৈ ধৰে, ভালকৈ গান গাব নোৱাৰে হেনো। আমি জোৰ কৰা গতিকেহে তেওঁ আন্ধাৰত বহি আজি গান গাইছে—সেই বাবেইহে তেওঁ ইমান ভালকৈ গাব পাৰিছে।" সাৰদাৰ মৰমী মাকৰ উৎফুল্লিত অন্তৰৰ উক্তি। "তোমালোকে এওঁৰ সভা সমিতিত দিয়া সুন্দৰ বক্তৃতা

শুনা নাই নেকি ? এওঁ এজন ছাত্ৰ হিচাবে অপূৰ্ব বক্তৃতা দিয়ে, আৰু সেই বাবেইতো এওঁক ব্ৰহ্মপুত্ৰ পাৰ কৰি গুৱাহাটীলৈ আনিছোঁ। এজন বিদগ্ধ পণ্ডিতৰ দৰেও এইজন ছাত্ৰই সুমধুৰ-জ্ঞানগৰ্ভ বক্তৃতা দিয়ে। কাইলৈ এযাৰ দাইনা-তবলা কিনি আনি দিম। প্ৰতি শনিবাৰে ভাইটিক গান আৰু তবলা শিকাবা। লাইটটো জ্বলাই দিয়া, তেওঁৰ মুখ চাইহে মই এইবাৰ তেওঁৰ গান শুনিম।” অতি মৃদু আৰু স্বল্পভাষী শ্যাম বৰুৱাৰ পিতৃ সুলভ অতি ধুনীয়া মুখখনত মিচিকিয়া হাঁহি’টা লাগিয়েই থাকে। এই পৱিত্ৰ হাঁহি’টা দেখি বহুতেই মন্ত্ৰ মুগ্ধৰ দৰে তেওঁৰ মুখলৈ চাই থাকে, কবলগীয়া কথাও হয়তো বিস্মৃত হৈ যায়। তেওঁ যেন এটা শ্ৰদ্ধাৰ প্ৰতিমূৰ্তি। “সাৰু মা, তই খুব ভালকৈ পঢ়, তোৰ ফুকন চাৰ বৰ চোকা ছাত্ৰ। এনে চোকা, পৰিশ্ৰমী, সুশ্ৰী আৰু সৎস্বভাৱী লৰা গুৱাহাটী চহৰখনত তিনিটা ওলাই--বা নোলাই—ই বৰ সন্দেহৰ কথা। তই বাৰু কেনে পাইছ চাৰক—কচোন মা?” অতি স্বল্প-ভাষী পিতৃ আজি অস্বাভাৱিক অসম্ভাব্য ভাবে সৰব আৰু মুখৰ হৈ এনে প্ৰশ্ন কৰাত উত্তৰত একে স্বল্প ভাষিনী কন্যা ‘সাৰু’ অৰ্থাৎ সাৰদাই বৰ লাজকুৰীয়া হৈ অথচ হৃষ্ট-চিত্তই কলে—“দেউতা, ফুকন চাৰ অতি অসম্ভৱ ধৰণেই চোকা বা মেধাবী, কিন্তু এজন সাধাৰণ মানুহ হিচাপে তেওঁ সকলো বিষয়তেই অপূৰ্ণযাত নহয়, অংক, ইংৰাজী আৰু সংস্কৃতত একেবাৰেই বিদগ্ধ—পানী কৰি বুজাই দিয়ে। চ’ম ওৱাৰ্ক ইমান বেছিকৈ দিয়ে যে—সেইখিনি পূৰ কৰোতেই মই পাঁচমিনিট সময়ো জিৰাব নোৱাৰোঁ। ইংৰাজী-অসমীয়া ব্যাকৰণৰ ওপৰত খুব জোৰ দিয়ে। কথাই কথাই ‘গ্ৰামাৰ’। এটা বাক্য কৈ চাৰি পাঁচটা গ্ৰামাৰৰ কথাহে বুজায়। এইজন তোমাৰ চোকা লৰা কিন্তু বাকী বিষয়ত ভোদা কিয় বাৰু দেউতা?” ছাত্ৰীৰ মন্তব্য শুনি পিতৃ বৰুৱা কিছু সময় স্বল্প-ভাষীনী কন্যাৰ মুখলৈ কৌতুহলী

দৃষ্টিৰে চাই ব'ল, ক্ষন্তেক পিচতেই তেওঁ এজন সমালোচক হৈ উঠি ক'লে—'এই বেঙী, তই ছলি বুদ্ধিমন্তী আৰু এওঁ হ'ল ভোদা নহয়নে? আচল কথা হ'ল—তইঁতৰ চাৰ বাহিৰা বা সাংসাৰিক বিষয়ত চালাক চতুৰ নহয়, অৰ্থাৎ বাহিৰা কথাত তেওঁ কোনো মন কাণেই নিদিয়ে। কিন্তু মগজটো এটা অসাধাৰণ প্ৰতিভাৰ ভঁৰাল, সুবিধা পালে কিযে এটা বস্তু হৈ নপৰিলহেঁতেন। তাঁতাকৈ ডাঙৰ কথা এইটোৱেই যে লৰাজনৰ অন্তৰখন—সাধু, সৰল আৰু পৱিত্ৰ—ফাকি ফুকা বা অসত্যৰ নাম গোন্ধই নাই। তথাপি চাবা, এই লৰা এদিন কিবা নহয় কিবা এটা হবই হব—ইয়াত কোনো সন্দেহ নাই।" বক্তবা, বকৰানী আৰু সাবদাৰ আলোচনাত মোৰ বিষয়ে কৰা মন্তব্য শুনি ভাল লগাটো খুবেই স্বাভাৱিক—ই মোৰ প্ৰতি আশীৰ্বাদহে, বিশেষতঃ মই তেতিয়া এজন ভৱিষ্যতৰ সোণালী স্বপ্ন প্ৰয়াসী যুৱক। হাতত সাবে ভৰিত সাৰ বাহিৰ চ'ৰাত প্ৰৱেশ কৰা কৌতুহলী মনটোৱে মাজে সময়ে মোৰ বিষয়ে কৰা সুৰুচি পূৰ্ণ মন্তব্যবোৰ একাণৰ পৰা চাকি চাকি যাবলৈ ধৰিলে। চৌহদত প্ৰৱেশ কৰাৰ লগে লগেই বাতাবৰণদি বতাহৰ বোকোচাত উটি অহা আলোচ্য বিষয়ৰ গোন্ধবোৰ বৰ মধুৰ অনুভৱ হয় মোৰ।

পূজ্য বকৰা মোৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ শিক্ষা জীৱনৰ কাল'ছোৱাত স্বেচ্ছাই অভিভাৱকৰ গুৰু দায়িত্ব কান্ধ পাতি ললে। মহা বিদ্যালয়ৰ প্ৰথম বাৰ্ষিক শ্ৰেণীত নাম ভৰ্তি কৰিবলৈ উপদেশ দি মোক আৱশ্যকীয় টকা-পইচা আদি সকলো দিলে। কৃতজ্ঞতা আৰু আনন্দত মই অভিভূত হৈ পৰিলোঁ।

সাবদাৰ ভাই ভনী দুজন পঢ়া শুনাত বৰ চোকা। মই সিহঁতকো কিছুদিন পঢ়ুৱালোঁ। সাবদাৰ ভাই-ভনী দুজনকেই মই গেৰেণ্টি দি বৃত্তি ধৰাই দিলোঁ। ডবল নিউ-মেনিয়া হোৱা ভায়েকৰ

সম্পূৰ্ণ শুশ্ৰূষাৰ ভাৰ কান্ধ পাতি ললোঁ। গোটেই ঘৰখনতেই বিৰাজ কৰা বিষাদৰ কলা ডাঠ চামনিখন কিছুদূৰ অপসাৰণ, কবিৰ-দিলৈক মই সাবধান কৰিলোঁ—"কবিৰাজৰ ঘৰত বেগৰাজ। 'কাকো পৰে ভালো সৰ'—ক'ৰবাৰ পৰা বোগী চাই আহি কবিৰাজ বৰুৱা ঘপহকৰে ওলালছি। তেওঁ কলে—"শৰীৰং ব্যাধি মন্দিৰম" বুলি দেখা বেডী ছোৱালীক তুমিয়েই শিকাইছা। শৰীৰ থকা জনৰাত বেমাৰ হয়—হবই। তাৰ বাবে লাগে পূৰ্ব সতৰ্কতা, অথবা বেমাৰ হ'লে ঔষধ পথ্য পৰিচৰ্যাই হল মূলকথা। বেমাৰীক পথ্যই শক্তি দিয়ে, মমতা বক্ষা কৰে, ঔষধ পৰিচৰ্যা আৰু শুশ্ৰূষাই নিৰাময় কৰে। দৰৱে কিন্তু বহুক্ষেত্ৰতেই আনক দেখুৱাই তুৰা সান্ত্বনা দিয়ে মাথো। সেই বাবেইতো বাপুজীয়ে কৃত্ৰিম ঔষধ প্ৰয়োগ নকৰি প্ৰাকৃতিক চিকিৎসাৰ ওপৰত বিশেষ গুৰুত্ব দিয়ে। চাই থাক—তোমাৰ হাতৰ শুশ্ৰূষাতেই বেমাৰী ভাল হৈ যাব— মোৰ ঔষধত নহয়। বসন্ত ওলালেও এক সন্ত্যকই প্ৰয়োগ কৰা হয়। Medicine is being specially administered only to console the ignorant mother

আশ্চৰ্যৰ বিষয় এয়েই যে, এই গম্ভীৰ সৰ্বময় দুঃখ আৰু বিষণ্ণতাৰ মাজতো সদানন্দ শ্যাম বৰুৱাৰ মিচিকিয়া হাঁহিটো ওষ্ঠাধৰ আৰু চকুত লাগিয়েই আছিল। তাকে দেখি তেওঁৰ সহধৰ্মিণীৰ স্নেহ-বিহ্বলা মাতৃ-হৃদয়খনে অসন্তুষ্টিময় অভিব্যক্তি কৰি উঠিল— "মাষ্টাৰ বাপা, চোৱাচোন—কি কঠুৱা হৃদয়ৰ মানুহ। এনেহন মৰা-মূৰ্ছা বেমাৰী তাতে আকৌ নিজৰ লৰা—কি সাতনো হাঁহি থাকে? কিহে পাইছে বাৰু হাঁহিবলৈ? ইয়াৰ এটা বেমাৰ বুলি নিজেই নাজানে নেকি? তুমিয়েই কোৱাচোন—এজন ডাঙৰ ডাক্তৰক মাতি আনি আজিলৈকে নেদেখুওৱাৰ কাৰণটো কি? ধন্বন্তৰি বৰুৱা ডাক্তৰক দেখুৱালেহে ইমান দিনে বেমাৰী লৰাটো বিচনাত লেটি

নৈ থাকিব লগীয়া নহয়। তেওঁ মৰা মানুহৰ গাত হাত দিলেও মৰা মানুহ উঠি বহে। ইমানতো সদানন্দ বৰুৱা কবিৰাজ মিচিকিয়াই থাকিল। মুখেৰে 'ও-আ' শব্দ এটিও উচ্চাৰণ নকৰিলে। মোৰ কিছু অস্বস্তি বোধ হ'ল। 'মৌনত থাকি নকয় উচিত দোষে পায় কিঞ্চিৎ কিঞ্চিৎ—' মই জপ ইতস্ততঃ কৰিবলৈ আৰম্ভ কৰিলোঁ—বিশ্বাস খুড়ীদেউ, অভিজ্ঞ চিকিৎসকৰ গভীৰ বিশ্বাস। এটা কথা ঠিক যে গাঁৱৰ যোগী'ৰ ভিক্ষা নাপায় খুৰীদেউ। দেউতা ইমান বিখ্যাত এজন চিকিৎসক—যে সমগ্ৰ অসমেই তেওঁক জানে, বিচাৰে। ধন্বন্তৰি ডাক্তৰতকৈ তেওঁ কোন গুণেই কম? পৰাপক্ষত ঔষধ ব্যৱহাৰ নকৰাই মংগল। যদি ঔষধ ব্যৱহাৰ কৰিবই লাগে, তেনেহলে বেমাৰ আৰু পাত্ৰ বিশেষে আয়ুৰ্বেদিক অথবা হ'মিওপ্যাথিক ঔষধকেই পোন প্ৰথমে ব্যৱহাৰ কৰা শ্ৰেয় যেন লাগে। ইয়াত কোনো সুফল নাপালেহে এল'প্যাথিক ঔষধ ব্যৱহাৰ কৰিব লাগে। আয়ুৰ্বেদ চিকিৎসা পদ্ধতিয়েই প্ৰথম ভাৰতীয় বৈজ্ঞানিক চিকিৎসা পদ্ধতি।

এটা কথা নিসন্দেহে সত্য যে অস্ত্ৰ-বা শৈল্য চিকিৎসা—বিষয়ত ডাক্তৰী বিদ্যা শ্ৰেষ্ঠ। এজন প্ৰখ্যাত অভিজ্ঞ অস্ত্ৰ-চিকিৎসকে নিশ্চিত আসন্ন মৃত্যুৰ মুখৰ পৰাও এজন বেমাৰীক ফিৰাই আনি জীৱন দান দিয়ে। জীৱন ৰক্ষা কৰ্তা হিচাপে মোৰ মতে তেওঁৰ স্থান ভগৱানৰ পিচতেই দিয়াৰ যুক্তি আছে। "এতিয়াহে হ'ল আৰু। তুমিও তাতেই হয়ভৰ দিলা যেতিয়া—এতিয়া হনুমন্তক বিচাৰি আনি গোটেই গন্ধমাদনখন মূৰত তুলিলৈ অহাহে কথা! কাৰণ কোন সোপা গছ পাত ডৱল নিউমনিয়াত ধন্বন্তৰিৰ জোলো-ভাৰ মৃত সঞ্জীৱনী হৈ ওলাই তাৰতো একো পাত্তা নাই। ডাক্তৰ হৰিদাস দেখো মন্ত্ৰীও আৰু প্ৰখ্যাত ডাক্তৰো! কিয়? খুৰীদেউৰ অসন্তুষ্টিময় উত্তৰত-আমি নিৰৱ হৈ পৰিলোঁ।

ক্ষন্তেক ভাবি মই কলোঁ—'দেউতা, আপুনি এবাৰ ধন্বন্তৰি

বকৰাকেই মাতি আনি ভাইটিক দেখুৱালে কোন হয় থাক ? যুক্তি-হীন বিশ্বাসৰো ব্যৱহাৰিক মূল্য থাকিব পাৰে। বিশ্বাসৰ পৃথিৱীৰ সীমাহীন পৰিসৰ। সদানন্দ শ্যাম বকৰা কিছু সময় কিৰা ভাবি টলকা মাৰি থাকিল। অলপ পিচত তেওঁ ক'লে—'তুমি আচল দৰবটোৰেই ব্যৱস্থা দিছা' বুলি লগে লগে অধৰ-লগ্ন হাঁহিটো মোৰ মুখলৈ চাই আৰু ঈষৎ প্ৰস্ফুটিত কৰিলে।

পিছদিনা ডাক্তৰ ধন্বন্তৰি বকৰা আহি ৰোগীক তন্ন-তন্নকৈ পৰীক্ষা কৰিলে আৰু শ্যাম বকৰাৰ চিকিৎসা বিধানক ভূয়সী প্ৰশংসা কৰিলে। কোনো নতুন চিকিৎসা-ব্যৱস্থা লিপিবদ্ধ নকৰিলে। কিন্তু শ্যাম বকৰাৰ ইংগিত পাই পুৱনি খিউ-আকণৰ-পাতেৰে পিঠি আৰু বুকুত গৰম সেক দিবলৈ ক'লে। গৰম পানীত চাকা কাপোৰ তিয়াই দিনত তিনিবাৰ 'স্পঞ্জ' কৰিব দিলে—যিবোৰ মই সদায় নিয়ম-মতে কৰিয়েই আছোঁ। কিবা এটা মজমৰ কথাও মাথে মুখেই ক'লে। পিঠিৰ মাজভাগত বাজচাডৰ ওপৰৰ ছালত ঘা হৈ গৈছে। কাহিলে এফখিনি জৰীৰ দাৰে বাতিবলৈ টানি আনিব লাগে। ওলাই ন'হেহে নাহে। পিঠিৰ ঘা খিনিত বড়া পক্ষৰা দুই এটা দেখা গৈছিল।

শুশ্ৰূষা কাৰ্যটো সম্পূৰ্ণ মোৰ ভাগৰ বুলি কোৱাত—মোৰ কাণে চ ই ডাঃ বকৰাই কৈ উঠিল—'এ, ডেকা লৰা দেখোঁ, বেচ বেচ্। আন্দোলনটো শেষ কৰিশাই, এতিয়া কলেজত এডমিচন লৈছানে নাই ? শ্যাম বকৰাৰ মুখে মোৰ বিষয় সকলো কথা শুনি ডাক্তৰ বকৰাই কলে— 'এওঁ বৰ চোকা লৰা বুজিছে। তুমি আজি কালি বক্তৃতা দিয়ানে নিদিয়া ? গান গোৱানে নোগোৱা ? এওঁ বৰ ধুনীয়া বক্তৃতা দিয়ে ধুনীয়া গান গায়। আমাৰ দাৰ বুঢাবোৰেই শুনি শুনিয়েই হেপাহ নপলায়—ৰাজনীতিৰ লগত সাহিত্যৰ ইণ্টাৰ মিক্সাৰ—মেলেৰিয়াৰ তিতা পিলটোৰ ওপৰত মিঠা কোটিং দিয়াৰ দৰেই। মই বক্তৃতা দিবলৈ উঠিলে আকৌ 'কাক্ মিক্সাৰ, ইন্

ফ্লু'যন্ত্ৰণা মিল্লাৰ' আদিৰ কৰমূলাবোৰ'হ মনলৈ আহে। এও দেখিছোঁ নাচিওতো পকা। বাপু (বৰুবাৰ পুত্ৰ, মোৰ বন্ধু) ক কম তোমাৰ কথা---আন্দোলনৰ কথা, আৰু কম--নীলকণ্ঠ ফুকনৰ নীলা বেদনাৰ কথা হাজাৰ হাজাৰ অসমৰ মাটিৰ নীলকণ্ঠ, ভাৰতৰ নীলকণ্ঠৰ নীলা বেদনাৰ পুঞ্জীভূত বেদনা, আত্মত্যাগ আৰু দেশ প্ৰেমৰ কথা। এওঁলোকৰ এই পুঞ্জীভূত দেশপ্ৰেমৰ কাহিনী'ষই ভাৰতী আইৰ বিদেশী শৃংখল মুক্ত, চিৰ আকাংক্ষীত, স্বাধীনতাৰ নিশ্চিত বেদী স্থাপন কৰিছে।

খুৰী'দেউ ইমান পৰেই নিমাতী কন্যা হৈ আছিল। ডাক্তৰ ধন্বন্তৰি বৰুৱা যোৱাৰ লগে লগে শীত কালৰ প্ৰভাতী উঁৱাত লেপৰ ভিতৰৰ পৰা মৰ উলিয়াই কোৱাদি কলে—'আজি কালি ডাক্তৰ-কবিৰাজৰ একেবাৰেই পাৰ্থক্য নাইকিয়া হ'ল। সকলো'বই একেই বিদ্যা, একেই মহিমা' মই চুচা চাই সোপা দি'লো— 'এতিয়া বুজিলে'ন—এবৰ ঋষি আৰু গাঁৱৰ যোগীৰ প্ৰকৃত মূল্য ক'ত? তেওঁলোকে কিয় ঘৰত সম্মান-ভক্তি মূল্য নাপায় আৰু গাঁৱত কিয় ভিক্ষা নাপায়?

কিছু'দিন পিছত মোৰ আনজন ভাই জীৱানন্দবো অবিকল এ'ন ডবল নিউমনিয়াহৈ প্ৰায় শেষ অৱস্থা প্ৰাপ্ত হৈছিল, কিন্তু শ্যাম বৰুৱাৰ ঔষধ,পথ্যধন,জনৰ বদান্যতা আৰু আন্তৰিক মহানুভৱতাৰ গুণত মোৰ ভাইজন সম্পূৰ্ণ আৰোগ্য আৰু সুস্থ হৈ উঠিছিল।

গাঁৱৰ চাৰেক ঘৰ'তা মোৰ সক ভনীজনীৰ টায়ফয়েদ হ'ল-- শেষ পৰ্যায়ত সান্নিক চৰিল, বহুত পলমকৈ খবৰ পালোঁ। কবিৰাজ বৰুৱা 'দেউতাই---বিবিধ দৰব, হৰলিক্স, বেদনা আদি পথ্যবোৰ দি এখন দীঘলীয়া ফৰ্দি লিখি, মোক সম্পূৰ্ণ উপদেশ দি গাঁৱৰ ঘৰলৈ পঠিয়াই দিলে। দৰ্কাৰ হলে আন ডাক্তৰ আদিক দেখুৱাবলৈ দুশমান টকাও দিলে মোৰ হাতত। থকা মেলাৰ

অসুবিধা আৰু দূৰ ঠাই হোৱা গতিকে তেওঁৰ ঘৈ যাবলৈ মই সাহ নকৰিলোঁ— এই বিষয়ত তেওঁখেতৰ মই এবেও নকলোঁ । কিন্তু মোৰ কপালৰ লিখন এনেহে আছিল যে মই ঘৈ ঘৰ পোৱাৰ আগে আগে বিবাহিতা নবছৰীয়া কিশোৰী ভনীজনীৰ নশ্বৰ দেহটো শ্মশানত এমুঠি চিতাভস্মহে পৰি আছিল , কিছু ভস্ম বতাহে উৰুৱাই নি আকাশ মাৰ্গ লৈ গতি কৰাইছিল , কিছু ভস্ম সমীপস্থ বৃক্ষ-পল্লৱ-লগ্ন নিযৰকণাৰ সৈতে মৈত্ৰী স্থাপন কৰিছিল । গধূলিৰ আন্ধাৰত মই সেই ভনীজনীৰ চিতা-ভস্মৰ ওপৰত প্ৰচণ্ড বজ্ৰমুষ্টিৰে আঘাত কৰা বুকুখনৰ বহি বলোঁ গৈ । বিস্ময়াভিভূত মানুহবোৰে মোক মৰম কৰিছিল । আশীৰ্বাদ আৰু সান্ত্বনা দি ঘৰলৈ একপ্ৰকাৰ জোৰ কৰিয়েই লৈ আহিছিল গৈ । লগত লৈ আহিলোঁ এমুঠি চিতাভস্ম ।

সেই ভনীজনীৰ বিয়াটোৱে মোৰ জীৱনলৈ অহা এটা প্ৰচণ্ড বাধাৰণী আছিল । সাদৰাৰ মই এবেলেহেৰিয়ে সাত বছৰ পঢ়াই-ছিলোঁ । মাজে সময়ে সাৰদাতকৈ আপেক্ষিক ভাৱে বেছি চোকা ভাই-ভনী, বৰবী আৰু কণক পঢ়ুৱাইছিলোঁ । তেওঁলোকে প্ৰতি-বাৰেই বৃত্তি পোৱাত মোৰ প্ৰতি কৰা প্ৰশংসাৰ উজান উঠিছিল । টিউচনৰ বাবে মোক জোৰ-জুলুম কৰি ব্যতিব্যস্ত কৰি তুলিছিল— চহৰৰ বহু গণ্য-মান ব্যক্তিয়ে ।

ভিৰ্বাহীন অৱিশ্ৰান্ত বমময় — মোৰ এই অভিশপ্ত জীৱনটো, মন্ত্ৰ প্ৰভাৱিত নিৰবচ্ছিন্ন কৰ্মময় মোৰ জীৱন— অথচ গৰ্দভ ভাৱবহন কাৰোহি হে যেন ই পদ চালন কৰিছে — পথ ভ্ৰমণ কৰিছে । ঘড়ীৰ কাটাৰ দৰেই তাৰ লক্ষ্য অথচ লক্ষ্যহীন অনন্ত ঘূৰণ— অনন্ত স্ফুৰণ অকুল সাগৰত অনাই বনাই ঘূৰা পথভ্ৰষ্ট তুলুঙা নাওখনিৰ দৰেই ই হতাশাগ্ৰস্ত । বাৰেৰে পানী সোমাই দি অলক্ষিতেই তাক যেন কোনোবা অদৃশ্য শক্তিয়ে জলমগ্ন কৰাৰ ভাবুকি দিছে ।

জীৱণটোৰ কাম কি মই নিজেই এই বিষয়ে স্পষ্ট নহওঁ ।

কাম কৰিব লাগে— কৰিছোঁ, কামৰ যে নিৰ্দিষ্ট এটা সুফল থাকে সেইটোও মই লক্ষ্যৰ গণ্ডিলৈ আনিবই নোৱাৰোঁ। মৌমাখিৰ দৰে কেৱল কামকেই বৰোঁ, কিন্তু কোনো দিনেই মৌ-চাক সাজিব নোৱাৰিলোঁ। তেনেহলে এই হাড-ভঙা পৰিশ্ৰম, দুপৰ নিশালৈকে কৰি মৰিব লাগে কিয়? অৰ্থ কি? সা কতা ক'ত? কোনো উত্তৰ নাই, হয়তো উত্তৰটো মই কোনোদিনেই বিচৰাই নাই। কামবোৰৰ পৰা পাবলগীয়া সুফল এটাৰ পৰিবৰ্তে দুঃখটোহে মোৰ চিৰ সঙ্গী যেন বোধহয়। কিন্তু অদম্য মোৰ মনৰ গতি! তথাপি কেতিযাবা তেল নিদিয়া ঘড়ীৰ দৰে মোৰ জীৱন ঘড়ীৰ কাটাৰ ছন্দ হঠাৎ থমকি বব খোজে। জীৱনৰ ছন্দ পতনহে যাব খোজে। তেতিয়াও নিৰুৎসাহো নহওঁ। হতাশাক লাযো নিদিওঁ। নিশা নিদ্ৰা-দেৱীয়ে মৰমৰ হাতখন প্ৰায় তিনিঘণ্টামান সময় ধৰি মোৰ সৰ্বশৰীৰৰ ওপৰেদি ঘুৰাই লৈ যায়, আৰু দিনটোৰ সকলো ক্লান্তি সকলো অৱসাদ, আশা নিৰাশা, ভালপোৱা বেযাপোৱা—আদি মন আৰু অন্তৰৰ লগৰীয়াবোৰক আত্মাৰূপী মৈ খনে মৈযাই সমান কৰি থয়। প্ৰভাতী সূৰ্য্য উদিত হোৱাৰ আগে আগেযে মই এটা নতুন-পুৰুষ-সত্তাহে সৃষ্টিৰ প্ৰথম সূৰুজটো দেখা পাওঁ, প্ৰথম প্ৰভাত দেখোঁ, প্ৰথম কামটো হাতত লওঁ, প্ৰথম প্ৰেৰণা পাওঁ অথবা প্ৰথম উদ্যম-টোতেই কোনোবাই মৃত্যু-শীতল চেঁচাপানী ঢালি দিযে, কোনো দিন সেয়েহে মই সম্পূৰ্ণ উদাসীন হৈ পৰোঁ।

গডা খহনীয়া দুই তিনিঘণ্টা কাল সাবদাৰ কাষত বহি থাকোঁতেই কেনেকৈ বিষাদাশ্ৰু জলত ই মগ্নহৈ বিলীনহৈ যায়—মই তৰ্কিবই নোৱাৰোঁ। এই উদাসীনতা অৱশ্যে মোৰ মনৰ স্থায়ীৰূপ বা চৰিত্ৰ নহয় যেন। ই পূৰ্ণিমা ৰজনীৰ চন্দ্ৰমাৰ মুখ ঢকা এচমকা আৱৰীয়া ক'লা মেঘ মাথোন। মেঘ এটা সময়ত অপসৃত হয়, চন্দ্ৰমাই আকৌ হাঁহে। মেঘবোৰত বিগত জীৱনৰ বিষদাশ্ৰুবোৰ

সেমেকি সেমেকি শুই থাকে। সেই মেঘাশ্ৰয়েইতো প্ৰথম সৃষ্টিৰস— প্ৰথম প্ৰণয়, প্ৰথম কাব্যৰ 'মা' ভীমস্যাপি ৰণে ভংগ' ৰণভংগ হলেও ভীমৰ ভ্ৰূ ভংগ নহয়। শান্তভ কুঞ্চিত আৰু কুণ্ঠিত দাৰুও নহয়। নহলেইবা, তাৰেইবা কি মূল্য আছে? দণ্ডায়মান অথবা মুহ্যমানেই হওক—তাত কাৰ কি আহে যায়। পৰা নপৰা বা উঠাটো তেওঁৰ নিজৰাহে কথা। ইন্দুৰে মাটি খান্দি সিন্ধু তৈয়াৰ কৰে, সি আটলাণ্টিকতকৈও গভীৰ—সেই সিন্ধুতো কোনো জলমগ্ন হয় ডুবিগৈ প্ৰাণো হেৰুৱায়। অন্তৰাত্মাৰ তীৰ্থ যাত্ৰী পাপে, কিন্তু জোপোকা জোলোপে শুণীয়া পানীৰ খুন্দা খাটলি খাযো ঘূণীয়া হোৱা নাযায়, হাতত ধৰাধৰিকৈ ডুবি মৰিবলৈও আনন্দ পোৱা যায়। উদ্ধাৰকৰ্তা যাত্ৰীজনো সিন্ধুতো নুবাই থাকিব পাৰে। মোৰ ভেলটো সাৰদাৰ কাষত দুই আঢ়ৈ ঘণ্টাকাল পৰি থাকিল মন শূন্যলৈ উৰা মাৰিলে। কি পঢ়াইছোঁ, কি হৈছে মোৰ—মই নিজেই নাজানো—যেন বুটাম টিপা যন্ত্ৰ চলিযেই থাকে কোনো কামনা-বাসনা, ইচ্ছা-আকাঙ্ক্ষা নাই, সুখ-দুঃখ, হাঁহি-কান্দোন নাই।

মোৰ ভাবান্তৰ লক্ষ্য কৰি সাৰদাইযে ইতিমধ্যে অস্বস্তিকৰ অৱস্থা এটাত প্ৰৱেশ কৰি অলপ উচপিচ কৰিব ধৰিছিল, মই সেইটো লক্ষ্যই কৰিব পৰা নাছিলোঁ। অতি মৃদু আৰু স্বল্পভাষিণী সাৰদাযো অৱশেষত ওঁঠ লৰাবলৈ বাধ্য হ'ল। কুৰি শতিকাৰ এই বিবুধ বনিতা, এজনী ৰহস্যময়ী ললনা – যাৰ দীৰ্ঘ সাত বছৰৰ ঘণিষ্ঠ সান্নিধ্যৰ বিস্তৃতিতো এপলকৰ বাবেও কোনো ধৰণৰ ৰাগ-খং, অভিমান, কান্দোন এনেকি উচ্চ স্বৰযুক্ত কথা এবাৰো শুনিবলৈ পোৱা নগ'ল। ভাব-সমৃদ্ধা, কথাৰ কৃপণা সাৰদাই তৰ্জুত জুখি জুখি কথা কয়, কিন্তু দেৱতুল্য পিতৃৰ দৰে ওঁঠৰ মিচিকিয়া হাঁহি-টোৰে ইংগিতময় অৰ্থবহ ভাৱ প্ৰকাশ কৰাৰ ক্ষেত্ৰত দৈন্যৰ প্ৰমান নিদিযে।

'কিবা অসুখ কৰিছে নেকি? গা বেয়া লাগিছে যদি আজি পঢ়ুৱাব নালাগেই নেকি? দেউতাক কওঁ—কিবা দৰব দিয়ক, এই দৰে মন মাৰি থাকিলে । ভাইটিৰ বিচনাখনতে শোৱকহি। দিনভৰ কাম কৰিলেও দেউতা এতিয়াই আহি পাবহি। তেওঁ নীতি-নিয়ম বৰকৈ মানি চলে। মাক কওঁ—চাহ একাপ কৰি দিয়ক-এইদৰেতো চাই থাকিব'—সাৰদাৰ সহাঁৰিতহে মই সম্বিত ফিৰাই পালোঁ। বাধাদি কলোঁ—'নাই নাই চাহ নালাগে—তুমি পঢ়া। মোৰ অসুখৰ কথা কৈছা। সুখনো মোৰ জীৱনত কোনদিনা থিতাপি লৈছে? অসুখৰ লগত ই কোনদিনা মৈত্ৰী স্থাপন কৰিছে? মোৰ জীৱনত অসুখটোৰ থিতাপিটোহে জীয়া মানুহৰ স্পন্দনটোৰ দৰেই সত্য। সেইবুলি কামবাজত ক'ৰবাত কিবা ত্ৰুটী-বিচ্যুতি হৈছেনে বাৰু? টিউচন, চাকৰী, কলেজৰ ক্লাছ—এইবোৰ কাম কৰি কৰি কেতিয়া খায়, কেতিয়া শোৱে কেতিয়া বাহিৰা কাম-বাজ কৰে? গান-বাজনা, অভিনয়-সভা-সমিতি—আদিওতো আপোনাৰ লিষ্টি-ভুক্ত কাম। শুনিছো—ৰাতি শোঁতে হেনো এটা-দুটাও বাজি যায় কেতিয়াবা। আকৌতো চাৰি বজাতেই উঠে। শোৱে—মাত্ৰ আঢৈ ঘণ্টা-খুব বেচি তিনি ঘণ্টা। আমি হলে মৰি থাকিলোঁহেঁতেন। শিক্ষা জীৱনত মোৰ দেউতা আপোনাৰ অভিভাৱক, তেওঁ কয়—আপুনি অদূৰ ভৱিষ্যতে এটা উজ্জল বস্তু হব—হবই লাগিব। আপোনাৰ ইমান ত্যাগ, ইমান সাধনা ইমান পৱিত্ৰতা কৰ্মযজ্ঞৰ ইমান মূল উপাদান বিফলে নাযায়। দেউতাই কয়—আপুনি অন্ততঃ প্ৰথমেই খুব কৃতিত্বৰেই এম, এটা পাচ কৰিবই লাগিব আৰু তাৰ পিচত "। আৰু তাৰ পিচত কি ' সাৰদাৰ উচ্ছ্বাসময় বক্তৃতাত বাধাদি কলোঁ—'দেউত ই কৈছে। বাৰু কেতিয়াবা কেৰাণী, মহৰীলেখীয়া কিবা এটা হলো বুলিয়েই ধৰিলোৱা। তাত দেউতাৰ হয়তো তিল প্ৰমাণো কিবা লাভ হলেইবা—আনৰ নিশ্চয়

লোবচানেই লোকচান, লাভৰ ঘৰত এটা বিৰাট শূন্য। আচল কথা --মই হম, মই হম - এটা বিৰাট হতভাগ্য পুৰুষ, এটা শূন্য-ময় জড়-ভৰত-অপদাৰ্থ বাৰেবাৰ বাবে এটা আহ্বান, গলগ্ৰহ--হয়তো পথৰ আগত পৰিথকা শুকান মৰা শিঙিমাছৰ কণ্টকময় কঁকা বৰিবোৰা—স্বনাম ধন্যৰ খবৰটো কেতিয়াবা ভবিষ্যতে বাতৰি বা-বতত বাৰেবাৰ দয়াৰ দান স্বৰূপে প্ৰকাশ পালে তোমাৰ কেনে লাগিব বাৰু? খবৰটো অবশ্য মোৰ মৃত্যুৰেই খবৰ হব কাৰণ জীৱন কালৰ খবৰ মোৰ জীৱনত এবেৰেও নাই। It may be possible for me to bear the brunt of brutality but not the hypocrisy of fate. হঠাৎ পচা-ঘাব দৰে, মৰা তেজৰ গমগমনিটোৰ দৰে, উকদি উঠে সৌৰভনিবোৰ। পোৰণিটো নকমে মানে শান্তি নাপাওঁ। গমগমনিটোৰ পৰা হাত সাৰিবলৈৰ বুৰি ঘণ্টাৰো কাল হাতী মহৰ গুজত কাদৰ নামত নিজক ডুবাই ৰাখোঁ—শূন্যত মগাই থাকো বিলীন হৈ যাওঁ। নীলকণ্ঠ মই নীলা বেদনাবোৰো শূন্যৰ বিলাই দিওঁ—সমভাগী হবলৈ।

'আমাৰ পৰা কিবা অসুবিধা, কিবা অশান্তি হৈছে নেকি বাৰু? দেউতাইতো আপোনাক খুব ভাল পায়, আপুনি বিশেষ কিবা এটা হোৱাতেই তেওঁ বিশ্বাস কৰে, আশা কৰে। মই কলো—'যি সদায় ৰেলগাড়ীৰ ইঞ্জিনৰ দপ্‌দপাই জ্বলি থকা জুই কুৰাত কোদালে কোদালে কয়লা মাৰে, তাৰ গাৰ তাপটোও সেই ইঞ্জিনৰ তাপহৈ যায়, পাৰ্থক্য প্ৰায় নাথাকে, অন্ততঃ অনুভূতিটো একহৈ যায়, সহনটো সহজহৈ যায়—তাকেই ভাল লগা বুলিও কব পাৰি। কিন্তু ইঞ্জিনক ইন্ধন যোগোৱা সেইজন যদি সেই একেখন ৰেলগাড়ীৰেই শীত-তাপ নিয়ন্ত্ৰিত প্ৰভূত আৰামদায়ক ডবাটোত কম্পেক শয়ন কৰিবলৈ দিয়া হয় - তাৰ তেতিয়া কেনে লাগিব বাৰু? সদায় জীৰ্ণ বস্ত্ৰ গাত মেৰিয়াই থকা জনক হঠাৎ এদিন উৎকৃষ্ট

পট্টবস্ত্ৰ পৰিধান কৰিবলৈ দিলে তাক বহুবা সজা যেনহে নহবনে? জীৱনভৰ যন্ত্ৰণাত জ্বলি পৰি যোৱাজন যদি এদিন মাত্ৰ সান্ত্বনাৰ পাত্ৰ হয়, তেন্তেই পৃথিবীৰ আটাইতকৈ দুঃখী আৰু পুতৌৰ পাত্ৰ নহয়নে? তেওঁৰ প্ৰতি সেই পুতৌৰ ভাষা নিষ্ঠুৰ নিয়তিৰ পৰিহাস নহয়নে? দুঃখেই যাৰ জীৱন-লগৰী তাৰ বাবে দুঃখ এটা নতুন অভ্যাগত নহয়, অথবা এদিনীয়া ৰজাৰ ৰাজপাত সুখটো পৰিত্যক্ত ভোজ ঘৰৰ শোকৰ সংগীত অথবা আনন্দাশ্ৰুহে তাক বুজা টান। তোমাৰ বা তোমালোকৰ পৰা পোৱা আনন্দখিনি মই সহজে কৰিব পৰা নাই। হজম কৰিবলৈ যেন অপাৰগ। সদায় ভেজাল খাই এদিন খাঁটী বস্তু দেখিলে চকু-পেটে বিদ্ৰোহ কৰাৰেই সম্ভাৱনা নথকা নহয়। এনেকুৱা অতিচাৰো প্ৰশস্ত নহয়। সেইমৰম প্ৰাপ্তিত আনন্দ-লোৰ চকুপানী হৈ গলি যায়, সহৃদয় অন্তৰকো ই সিক্ত কৰে।

আপুনি যশৰ শেষ সীমা এটা পাবলৈ নিৰংকুশ চেষ্টা এটা কৰিবই লাগিব, ধৰি লওক—ই আপোনাৰ ব্ৰত—একান্ত কঠোৰ ব্ৰত চৰম লক্ষ্য প্ৰাপ্তিৰ সাধনা, পৰম-তৃষ্ণা আৰু শুদ্ধ-পৱিত্ৰ তপস্যা। ইয়াৰ বেলেগ গত্যন্তৰ নাই। সাধনা সিদ্ধি নোহোৱা পৰ্য্যন্ত এই মহান কৰ্ম-চক্ৰৰ আৱৰ্তৰ পৰা আপোনাৰ নিষ্কৃতি নাই, এৰণ নাই, মুক্তি নাই। এযাতো আপোনালোক আন্দোলনকাৰীৰেই 'শ্লোগান'—মন্ত্ৰৰ সাধন কিম্বা শৰীৰ পতন, Do or die, 'কৰেঙ্গে য়া মৰেঙ্গে।' 'সাৰদাৰ স্নিগ্ধ উদাও সুৰৰ উক্তিত, মই বিস্ময়-বিমুগ্ধ নহৈ নোৱাৰিলোঁ—'তুমি,—তুমি এইবোৰ কৈছা? নে কাৰোবাৰ কথা মুখস্থ কৰিছা? ইয়াত তোমাৰ—মানে ঘৰখনৰ লাভ? তোমাৰ আজি' মোৰ অনুসন্ধিৎসাৰ প্ৰশ্নত অকুণ্ঠ চিত্তেই সাৰদাই সঁহাৰি দিলে- এইবোৰ আমাৰ ঘৰৰ কথা--ধৰি লওক —মোৰ কথা, কাৰোবাৰ প্ৰাণৰ কথা, মই কি জন্মাবধি মৃত্যু পৰ্যন্ত কথা কবই নাজানিমনেকি? বোবাৰো এটা নিজস্ব স্পষ্ট ভাষা আছে। ভাষাহীনা বুলি মই কি

ভাববো দীনা-হীনা হৈয়েই চিৰকাল থাকিব লাগিব নেকি? মই কি ভাবহীন জড় প্ৰস্তৰেই নেকি? ভাষাৰ শিক্ষণ বা ট্ৰেইনিং লাগে, গুৰু লাগে, কিন্তু ভাব ঋদ্ধিৰ বাবে স্কুল-কলেজ বিশ্ববিদ্যালয়, ও শিক্ষণ, এনেকি গুৰু গ্ৰহণো অপৰিহাৰ্য্য নহয়। বাতিয়া, কাতিয়া আৰু নিংনা (নিগনি) ভাৱৰীযাবো মন প্ৰাণ, চিত্ত আৰু এখন অন্তৰ আছে। অন্তৰৰ ভাব আছে। 'ৰাম' 'ৰত্ন' আৰু 'গত্নু' যাদৱৰো' অন্তৰ এখন আৰু ভোটা হলেও বুদ্ধি এটা থকাৰেই কথা। সাৰ্বভৌম সম্ৰাটবোৰৰো কলিজা আছে। চিৰ মৌনা-মানিনীৰো এটা কলিজা আছে। মই সাৰ-দা ই সাৰ' বস্তুটো দিযাত কি দৰ্শনৰ সূত্ৰ অপলাপ হব পাৰে বাৰু? ভাষাৰ, দৈন্য আৰু ভিক্ষ-থালী থাকিলেও, ভাবৰ ভিক্ষাৰ ঝুলিত আত্ম-প্ৰকাশ কিছুহলেও বল আছে। ভাষা দেখে আপোনাৰেই,—ভোগানাথেও ভাং খাই ভং হৈ যোৱা স্বাভাৱিক, ভাৱটো হলে সম্পূৰ্ণ মোৰেই। আপুনি যেতিয়া কথা কয়, বক্তৃতা দিযে এই ভাষাবোৰ আপোনাৰ অজ্ঞাতেই আপোনা-আপুনি নিগৰি পৰে, মই মনত ৰাখোঁ। একান্ত মনে, লিখি ৰাখো সযত্নে, মুখস্থ হৈ যায় অযত্নে—আমিযে ছোৱা গী জাতি—বেঙী হলেও টেঙৰী অৰ্থাৎ ছোৱালী। তেতিয়াই আমি তেলীযাপোকবোৰ কুমাৰণী হওঁ। পণ্ডিতৰ ঘৰৰ জধা মূৰ্খযো পাণ্ডিত্যৰ তালিম দিযে। ভাষাৰ মেটমৰা ভাৰত ভাবৰ থুনুপাক বা জুলিখন গুপুতে ৰখাৰ বিদ্যা আমাৰ নহলেও ভাবৰ দুখীযা নহওঁ বুলি কৱলৈ সাহকণ আছে বুলি কবাৰ ইচ্ছা যায়—সামান্য ধন সামান্য মনো আছে কিন্তু কণটো নাই—কণটো বিজতৰীযা।' সাৰদাৰ কথাৰ শেষ শব্দটোৱে এচপৰা ক'লামেঘ ৰূপে তেওঁৰ চন্দ্ৰ বয়নক আনত কৰি পেলালে, সাৰদা যেন শূন্য-গৰ্ভ হৈ উজুটি খাই পৰিল। এখন কল্পিত আৰু মানসিক সংগ্ৰাম—প্ৰসূত চিতা-ভস্মৰ বিয়োগ অন্তক দলটো ভেদকৰি ধূম

ৰপিল বৰ্ম্মটোত প্ৰকট অথবা চাক্ষুষ হৈ যেন পৰিছে। শব্দ-বিহীন ভাব তৰংগৰ প্ৰবাহ-প্লাৱিত কেইটিমান মুহূৰ্ত—সংযত-সংহত অথচ কাৰণ্যময় মুহূৰ্ত বেথাভৰা আনন্দ!

সুৰভিসনা গন্ধ বিলাই ধূপ নিবলে নিঃশেষ হৈ যায়। ধূপ ভস্মই ভেতিয়াও আশাৰ মালা গাঁঠে—কিন্তু কিহৰ আশা? শেষ নিৰাশাত ভস্মমালা অৱনমিত হয়—গ্ৰন্থিহীন ফুলবোৰ এটি এটিকৈ যেন সৰি পৰে। অশোভনীয় মৌনতা ভংগ কৰিব লাগে বুলিয়েই মই কিবাকিবিবোৰ কবলৈ ধৰিলোঁ। 'প্ৰকৃতত ভাব বোৰ কিছুমান 'ভাঙিহে' ভাপৰ বাহিৰে আকাৰনা কিহৰ পাৰে। তাৰ কিছুমান অনুভান, এক্সাৰগ্যাচ আৰু যন্ত্ৰশাবজান আদিহে। এটাই বচাই, ভেনেটাৰ মাজে, সমন্বয়ে মিত্ৰতা আনে—জীৱনবোৰ চলি থাকে। চলিবনা ঠেলাগাড়ীখন জীৱ নহয় শিৱ হ'লও হব পাৰে শিৱ হয়তো পৃথিবীৰ জীৱ নহয়।

ঠেলাগাড়ীখনেই খাবোবাৰ জীৱনটোৰ নামান্তৰ নহয় জানো। শেষৰ সভাখ প্ৰহসন বা 'মেলোড্ৰামাৰ' উপসংহাৰ! মোৰ জীৱনটোৰ কিয় ইমান অৰ্থহীন মূল্যায়ন কৰা হৈছে-বাৰু? ভঙা লাওক আনহাতে কেতিয়াবা আকৌ 'ভাঙাৰা' বুলিও কিয় কল্পনা কৰা হৈছে বাৰু? আশাই নিৰাশা বাসনাই বন্ধন, মৰমেই মাৰা মৰমতো আছে ক্ষয়ৰোগ, মৰমৰ চুমাই নাক ছিগে, বহুৰূপী মৰম কোনে চিনে? তুমি বজোৱা ঢোলটোৰ নাম শূন্য-ঢোল। শূন্য ঢোলটো বাৰু কেতিয়া বাজে?' 'আপুনি বহুত কথাকেই কলে, সেইবোৰৰ উত্তৰ দিবলৈ মই অপাৰগ, ইচ্ছাও অৱশ্যে নাই। কিন্তু মোৰ ইচ্ছা, আকাঙ্ক্ষা পূৰ্ণমাত্ৰাই পূৰণ কৰিবই লাগিব, ইয়াৰ কোনো অন্যথা নাই, কোনো কিন্তু নাই, ই মোৰ মানে আমাৰ চৰম দাবী পৰম—কাম্য। এই দাবীত বুদ্ধিমতাৰ লেশমাত্ৰও নাই। ঠেলাগাড়ীৰ চকাটো ফুটিলে অথবা

কচাইখানাৰ ছাগলীটো পথাত এৰোঁ মা দেখিলে তাৰ শোক সভা-খন কোনে পাতে?' 'ইযাত শোক সভাৰ প্ৰসংগ আহিল কেনেকৈ শোক সভাৰ পৰিবৰ্তে আমি ভাবিছোঁ দিগ্‌বিজয়ৰ আনন্দ-আযোজনৰ সভা, অভিষেক-আনন্দৰ সভা লাগে মাথো আপোনাৰ সহযোগ, সাহস আৰু সহানুভূতি। আপুনি হয়তো ভাবিছে ই এটা অঙ্কও হব পাৰে। যদি সেইটোৱেই হোৱাৰ সম্ভাৱনা, তেনে হলেও জানিব -ই এটি স্তবকচা বা লাভ ক্ষতিৰ লেখীয় অঙ্কও নহয় ই এটি অতি সৰল অঙ্কহে, প্ৰশ্ন দীঘলীয়া, উত্তৰটো চুটি। উত্তৰটো ওলালেই, উত্তৰ পালেই শান্তি, অৱশ্যে অংকত মগ্নহৈ থকাটোও কাৰোবাৰ বাবে এটা দীঘকালীন শান্তিৰ যাত্ৰা। তীৰ্থ স্থানৰ মন্দিৰৰ বিগ্ৰহলৈ শেষ পুষ্পাঞ্জলি যাচা নহয় মানে কোনো বিৰাম নাই, বিশ্ৰাম নাই, শান্তি নাই। তপস্যা এটা তাপেৰেহে আৰম্ভ হয় তাপত শেষ হয়, তাপটোৱেইতো জীৱন, ই উৰি যাওঁ উৰি যাওঁ'ক থাকে, অথচ জীৱনৰ এই উম্মাইতো জীৱন কালৰ চিন, জীৱনৰ আনন্দ। মোৰ কথা শুনি অৰ্থাৎ আপোনাৰেই কথা শুনি আপুনি আচৰিত হোৱাটোৱেইতো আচৰিত কথা হব,—নহব জানো? মোৰ কিবা বাক্ চাতুৰ্যৰ কথা ভাবিছে, নহয়, সেও আপোনাৰেই দান। আপুনিযে সেই শ্লোকটোৰ কথা কৈছিল 'মূকং কৰোতি বাচালং পংগুং লঙ্ঘযতে গিৰিং ' সাৰদাৰ এয়া আগ্নেযগিৰিৰ জ্বালামুখ নে প্ৰস্ফুটিত কুসুমৰ পূৰ্বাৱস্থা। কলম্বাচে আমেৰিকা আবিষ্কাৰ কৰিছিল অজান অপৰিচিত মহা-সমুদ্ৰত উটি ভাহি। ভাৱ সমুদ্ৰত যুক্তিৰ তৰণীৰে মই জানো সাৰদাক আবিষ্কাৰ কৰিব পাৰিলোঁ।

সাৰদাই মোৰ কৰ্মাৱৰ্তত এটা প্ৰচণ্ড, দুৰ্বাৰ গতি শক্তি সংযোজিত কৰি দিলে। নিৰ্ভীক অপৰাজেয় উৎসাহেৰে মই কৰ্মপথত অগ্ৰসৰ হলোঁ। আগত জীৱনৰ বামধনু বুলীয়া সপোনবোৰে অসম্ভাব্য

শলখাবোৰ খুলি দিবও খুজিলে। কিন্তু থমকি ৰলোঁ—সপোনক সপোনৰ মৰ্যাদা দিয়াহে উচিত।

সকলো সপোনতেই বাস্তৱৰ ৰূপ নাই—তাত বাস্তৱৰ ৰূপ দিয়া নাযায়, গতিকে ভেনে কৰিবও নাপায়। ঈপ্সিত কৰ্ম প্ৰৱাহ প্ৰচণ্ড গতিৰেই কিন্তু জয়যাত্ৰাৰ পথত আগবাঢ়ে। নাৰী আদ্যাশক্তি মহিমাময়ী সৃষ্টি-স্থিতি, প্ৰলয়-কাৰিণী। তেওঁ ৰাক্ষসী, তেওঁ পিশাচী, তেওঁ মানৱী, তেওঁ দেৱী, তেওঁ মহাদেৱী, তেওঁৰ মৰমৰো তুলনা নাই, মাৰণৰো তুলনা নাই।

পৰ্ব-সতীৰ দেহত্যাগ।

'মা'ৰ পৰা চিঠি আহিল—ভনী শৰৎ কালীৰ বিয়াখন এক প্ৰকাৰ ঠিকেই হৈছে। ঘৰ, বৰ—দুয়োটাই উত্তম—শিক্ষিত আৰু অভিজাত বংশ। বৰ শিক্ষিত আৰু ৰূপহ যুৱক—কোমল বয়সৰ। বৰ কন্যাৰ ৰাশি-যোটকো উত্তম। বিয়াৰ বাবদ মই গাঁৱৰ ঘৰলৈ টকা-পইচালৈ যাব লাগে। ডাঙৰ খুড়া কন্যাদাতা—তেৱোঁ কিছু সহায় কৰিব। সাবদাৰ দেউতাক শ্ৰদ্ধেয় শ্যাম বৰুৱাই প্ৰায় চাৰি হাজাৰ টকা মোক দিলে—পাৰলগীয়াতকৈ কেইবা গুণেও বেছি। কাপোৰ-কানি আৰু গহনাৰ ছেট সাবদা আৰু খুড়ীদেউহঁতৰ পচণ্ড মতেই কিনিলোঁ।

মহাযুদ্ধৰ ঠিক পিচ আৰু ভাৰতৰ স্বাধীনতাৰ আগৰ কাল সেইছোৱা— বস্তুৰ মহাৰ্ঘ আৰু দাৰিদ্ৰৰ সদ্য পাতনি, তথাপি ভাল যোগাৰেই হ'ল বিয়াখনৰ।' 'নীলকণ্ঠৰ ভনী, কণ্ঠ ভূষণৰ কন্যা—শৰৎ-কালী ৰূপত-লক্ষ্মী, গুণত সৰস্বতী, উপযুক্ত বৰ। বিয়াৰ সকলো যোগাৰ

ঘৰলৈ উপযাচি আহিব আৰু নাহিবনে? নীলকণ্ঠৰ দেউতাক কণ্ঠ-ভূষণ ফুকন প্ৰভু সকলোৰেই গুৰু আৰু প্ৰভু আছিল। তেওঁ এজন পুৰণি আদৰ্শবাদী সৰুসুৰা জমিদাৰেই আছিল। তেওঁক সন্মান, শ্ৰদ্ধা ভক্তি নকৰা মানুহ নাই বুলিলেই হয়। প্ৰভু জীৱিত থাকিলে ওচৰ পাঁজৰৰ কম পক্ষেও দহ বাৰখন গাঁৱৰ মান্য-অমান্য, ধনী দুখীয়া, শিক্ষিত অশিক্ষিত আদি সৰ্বশ্ৰেণীৰ লোকেৰে বিয়াৰ ৰভাওলি দল দাপ-হেন্দোল দোপ লাগিলহেঁতেন। বিয়াৰ আগে-পাছে প্ৰায় এমাহ ধৰি-খোৱা-বোৱাৰ ভোজন বিলাস চলিলহেঁতেন। গাঁৱৰ আলিবাটত পকৰাৰ দৰে ল্যানি নিছিগা মানুহৰ সোঁত বলিলহেঁতেন। চুবুৰীটোৰ ধাৰে ঘৰত এসপ্তাহ কাল চৌকাৰ তলত জ্বাল নগলহেঁতেন। আজি সেই ৰামো নাই, অযোধ্যাও নাই।'

গাঁৱত সংস্কৃত ভাষা-সাহিত্যজ্ঞ পণ্ডিত সৰহ। তেওঁলোকে—'তেহিনো দিবসাঃ গতাঃ। গতস্য শোচনা নাস্তি। নানু শোচন্তি পণ্ডিতাঃ।' আদি মন্তব্যও কৰিছে, ই বিভিন্ন অভ্যাগত আৰু গাওঁ-বাসীৰ অতি দুঃখজনক আন্তৰিক উক্তি, তেওঁলোকে যেন কিবা দুষ্প্ৰাপ্য অমূল্য বস্তু এটাহে হেৰুৱাই পেলাইছে চিৰকালৰ বাবে ই এটা অপূৰণীয় ক্ষতি।

'কণ্ঠভূষণৰ কন্যা, নীলকণ্ঠৰ ভগ্নী-শৰৎকালীৰ বিয়াত সকলোৰেই আন্তৰিক সহযোগত উলহ-মালহৰ কোনো অভাৱ পৰিলক্ষিত নহ'ল। ভোজ-ভাত, খোৱা-লোৱা আদিত এই বংশৰ আভিজাত্যই গাঁৱত আকৌ এবাৰ শেষ ভুমুকি নমৰাকৈ ক্ষান্ত থাকিব নোৱাৰিলে। শুক্লা পঞ্চমীৰ নিশা আন্ধাৰ ভাগৰ ওৰণিৰ আঁৰলৈ, পচুলি-মুখৰ কলগছ দুদালত আঁৰি দিয়া ভূণ-সূত্ৰত গঁথা আমপাত আৰু মাটিৰ চাকিৰ মালাৰ ওচৰত বৰ আহি দোলাৰ পৰা নামিলহি। আয়তী সকলে অনুসৰণ কৰা খুড়া নৱনাথ ফুকন সহস্ৰ বাতি আৰু চোঁৱৰলৈ বৰ বৰিবলৈ আগবাঢ়িল—ভক্তিজীৰ চোতালত ফুলা সৌভাগ্যৰ ফুল বুটলি-

বলৈ। পিযাতিৰ চেংেলীযা লৰাহঁতে 'মেণ্টল লাইট' দুটা মূৰৰ ওপৰলৈ তুলি, দিন যেন পোহৰ কৰি খুড়াৰ কাষে কাষে গৈ দৰাৰ সন্মুখত ৰ'লগৈ। অসমৰ কোনো কোনো ঠাইৰ দৰেই—ৰাতিপুৱা, দুপৰীয়া আৰু গধূলি দৰা অহাৰ আগে আগেই সুৱাগুৰি তোলা হৈছিল, দৰাক নগলাত বন্ধুৱাই বা খিয কৰি থৈ গুৱাগুৰি তোলা নহৈছিল, দৰা অহাৰ আগলৈকেই তেওঁলোকৰ 'সুৱাগ' বন্ধ হৈ থকা নাছিল। এই 'স্বাগতম্'টো দ্বিধাগ্ৰস্ত নাছিল, কিন্তু কোনো অৰ্থই সম্ভৱতঃ অৰ্থহীন অনৰ্থ নহয়। মা উমাদেৱীয়ে পিতৃহাৰা কন্যাৰ বাবে অ'ন্ধাৰ কক্ষত গোপনে চকুলো টুকি টুকি স্বামী নহঁভূসংৰ অভাব অনুভৱ কৰিছিল।

হঠাৎ দৰা-কইনা— দুয়োঘৰৰ বেণ্ড-পাৰ্টিৰ বৰগীত, লোকগীত আৰু বিয়া নামৰ সুমধুৰ-সুললিত সুৰটো আধুনিক নাগাৰা-নাম পাৰ্টিৰ মাজতে হঠাৎ বন্ধ কৰি ৰখা বাজনাটোৰ দৰেই বন্ধহৈ গ'ল। দৰাৰ শ্ৰীমুখ দৰ্শন-প্ৰাৰ্থী সমবেতা আয়তী আৰু বাইজৰ মাজৰ পৰা অস্পষ্ট গুণগুণনিৰ ধ্বনি এটিহে শুনিবলৈ পোৱা গ'ল। ধ্বনিটো আয়তী সকলৰ কাহা-ফুচাৰ পৰা উদাত্ত সুৰলৈ কিছু উন্নত হোৱা যেন লাগিল। কোনোবাই মোৰ ভাই জীৱৰঠক দৰাৰ মালা মূৰীয়লৰ আবৃত মুখমণ্ডলক ভালকৈ লক্ষ্য কৰিবলৈ কলে। তেওঁলোকৰ মতে 'কইনা চাবলৈ অহা সেই সুন্দৰ সুশ্ৰী মুখৰ দৰাজন কোনোপধ্যেই এইজন নহয়।' স্বামীহাৰা মাক বিশ্বাস ঘাতকতা কৰি, সৰু নাবালক ভাই দুটাক ভুৱাদি আৰু পিতৃহাৰা ভনীজনীৰ শিৰৰ সেন্দুৰৰ ফোঁটটো চিৰকালৰ বাবেই মচি দিবলৈ ক্ষয় ৰোগাক্ৰান্ত ককায়েক এজনকহে হয়তো শেষ ফুলৰ মালাধাৰি পিন্ধাই দৰা সজাই অনা হৈছে। দৰাৰূপী ক্ষয়ৰোগাক্ৰান্ত জীৱটিৰ সৰ্বশৰীৰ বতাহত কঁপা কলহীন বন-বগৰী গছৰ দৰে কঁপি আছিল আৰু তেওঁ মুখৰে বিৰবিৰাই আছিল।

মালা-মুৰিয়ন নিজেই খুলি দলিয়াই পেলাই মোৰ জীৱ ভাইক হাতসাৱটি কৰি তেওঁ কান্দিবলৈ ধৰিলে। বভাতলিৰ ভদ্ৰলোকৰ ধৈৰ্যৰ বান্ধ খুলকি পৰিবৰ উপক্ৰম হ'ল। প্ৰশ্নৰ জাউৰিয়ে দৰা বেশী নিমাখিত প্ৰাণীটোৰ অন্তৰাত্মাত—প্ৰলয়-ধুমুহাৰ সৃষ্টি কৰিলে। তেওঁ হাতযোৰকৈ কান্দি কান্দি কলে—'মই বৰ নহওঁ, আচল বৰ সৌজন মোৰ সৰু ভাই, সি বিয়া কৰাবলৈ বৰ আগ্ৰহ কৰি কন্যা চাবলৈ আহি বিয়া কৰাব বুলি প্ৰতিশ্ৰুতি দি বিয়া খাটাং কৰি গৈছিল। মোৰ বিয়াৰ কোনো প্ৰশ্নই নাছিল। মোৰ বিয়া বুলি আজি ৰাতিপুৱা পৰ্যন্ত ঘুণাক্ষৰেও কাৰো মুখত কোনো উল্লেখ নাছিল। কিন্তু মোৰ ডাঙৰ দাদা সম্বন্ধ ধাৰী সেই পিশাচটোৰ ষড়যন্ত্ৰ আৰু পাশৱিক অত্যাচাৰত সেই পৱিত্ৰ সম্বন্ধ ব্যৰ্থ হ'বলৈ বাধ্য হ'ল। জোৰ-জুলুমকৈ তাৰ ঠাইত মোক বৰ সজাই লৈ আহিল। আমি দুয়ো ভাই মিলি কৰা যুগ্ম প্ৰচেষ্টায়ো তাৰ কুঅভিসন্ধি ব্যৰ্থ কৰিব নোৱাৰিলোঁ, তাক বাধা নোৱাৰিলোঁ—লৰাব নোৱাৰিলোঁ।' 'তহঁত দুয়োটাকেই মাৰি পেলাম, ঘৰৰ পৰা উলিয়াই দিম। তহঁতক সম্পত্তিৰ এক কপৰ্দকো নিদিওঁ'—আদি ধমকি দি নানান গালি পাৰি, বেত হাতত লৈ মোক'হ বৰ সজাই লৈ আহিল। এই সোণালী সুযোগ এই সুবিধা এৰি দিলে হেনো—গোটেই জীৱনতেই মোক কোনেও ছোৱালী-নিদিয়ে। মোৰ ভাগ্য হেনো খুবেই ভাল। মোৰ পূৰ্বজন্মৰ পুণ্যৰ ফলতেই হেনো এনেকুৱা এখন খান্দানি শহুৰ-শাহুৰীৰ ঘৰ পোৱাৰ উপক্ৰম হৈছে আৰু মই তাক মূৰ্খামি কৰি হাতচাৰা কৰিব খুজিছোঁ হেনো। কিন্তু মোৰ বিবেক, মোৰ অন্তৰাত্মাই সন্ধিয়াৰ মেঘ গৰ্জন কৰি কলে—,ইয়াৰ পৰিণামটো ভীষণ অশুভ, ভীষণ মাৰাত্মক।' কিন্তু মই যন্ত্ৰ চালিতৰ দৰেই কান্দি কান্দি দোলাত উঠিলোঁহি—উঠিবলৈ বাধ্য হলোঁ। আচল দৰা সৌজন সৰু ভাই মুমূৰ্ষৰ দৰে শোকৰ চাপত বাৰ্ কৰ্ষ্ঠৈ উচুপি

উচুপি বৰ যাত্ৰী হ'ল। দাদা-দৈত্যৰ কথাই বৰ্তিল, সি বি, এ, পাচ, সি হাইস্কুলৰ মাষ্টৰ। তাৰ-স্বেচ্ছাচাৰেই বেদৰ বাণী হ'ল '।

নিমাখিত বৰবশী প্ৰাণীটোৰ সত্যৰ স্বীকাৰোক্তিত বি, এ পাচ মাষ্টৰ ককাৰেক খুড়াত টিঙিৰ তুলি হৈ 'অজমূৰ্খ' বুলি বৰবেশী ভায়েকক মাৰিবলৈ হাত দাঙি খেদি আহিল। আমাৰ কুলগুৰু গোঁসাই প্ৰভুৱে কলে—'এই বিশ্বাসঘাতক নাৰকীক সমুচিত শাস্তি দিয়া উচিত।' বৰ যাত্ৰীবোৰে এই জঘণ্য বিশ্বাসঘাত কাৰ্যৰ ভংসূত্ৰও নাজানে বুলি কৈ আমাৰ—বিশেষকৈ গোঁসাই প্ৰভু, খুড়া আৰু মোৰ হাতে ভৰিয়ে ধৰি ক্ষমা প্ৰাৰ্থনা বিচাৰিলে আৰু বি এ, পাচ মাষ্টৰক যৎপৰোনাস্তি গালিপাৰি হাতেচুই নামাৰিলে যে ইমানেই। কিন্তু 'বৰ সলনি কৰা নাই' বুলি যেই বি, এ, পাচ মাষ্টৰে গোকাট মিছাটো সঁচা বুলি সদৰি কৰিবলৈ চেষ্টা কৰিলে, তেতিয়াই মোৰ ভাইজনে গৈ তেওঁৰ গালত প্ৰচণ্ড চৰ এটা মাৰি পঠিয়ালে আৰু লগে লগেই মাষ্টৰ ধৰাশায়ী হ'ল, দুটা দাঁত বহুখিনি ওলাই আহিল, দাঁতে-ওঁঠে কাটি তেজ বৰলৈ ধৰিলে। বভাতলি নিস্তাল-নিস্তব্ধ হ'ল, হাইস্কুলৰ হেড্ মাষ্টৰ কমল ভট্টাচাৰ্যই মোৰ ভাই-জনক বঢাই-বুজাই শান্ত কৰিলে। সকু ভাইটো, খুড়া, মা আৰু মোৰ চকুৰ পানীৰ ধাৰ বলে। একমাত্ৰ জীয় ভাই খঙত থৰ্-থৰকৈ কঁপিছে। তাৰ মানত পাপীৰ সমুচিত শাস্তিটো একোৱেই হোৱা নাই, প্ৰায়শ্চিত্তৰ ব্যৱস্থা হোৱাই নাই। উত্তম-মধ্যম ব্যৱস্থাৰে আৰু অলপ ভালকৈ বুজাই দিব পৰা হলেহে কিছু শাস্তি পোৱা গ'লহেঁতেন।' কিন্তু বি, এ, পাচ মাষ্টৰ সুবোধ শৰ্মা তেতিয়াও ধৰাশায়ী অৱস্থাতেই অৱস্থান কৰিছে।

খুড়া আৰু মই বৰযাত্ৰীবোৰক ভোজ-ভাত আৰু জলপান খাবলৈ অনুৰোধ জনালোঁ। কিছু সংখ্যকে চৰম লজ্জা বশত কিছু ইতস্ততঃ কৰা যেন দেখা গলেও শেষত সকলোৱে একবাক্যে

কলে—'আমি খাম, খোৱাটো আমাৰ একপ্ৰকাৰ দাবীয়েই। এইখন ঘৰত খাব পৰাটো আমাৰ ভাগ্য, আমাৰ গৌৰৱ। আমি বিশ্বাস-ঘাতক, নীচ, পাপী সুবোধ মাষ্টৰৰ পাপ ষড়যন্ত্ৰৰ অংশীদাৰ হৈ অহা নাই নহয়। তাক অপমানিত কৰিবলৈকে, তাক পাপৰ শাস্তি দিবলৈকে, এই মহান বংশটোৰ সন্মানাৰ্থে যিকোনো কাম কৰিব-লৈকেই আমি পৰাঙ্মুখ নহও। খোৱাটোতো আমাৰ পৰম সৌভাগ্য। অনুগ্ৰহ কৰি কওঁক— আমি কি কৰিব লাগে ?

যিজন সুশ্ৰী সক ভাযেক শৰতক বিয়া কৰাব বুলি প্ৰতিজ্ঞা কৰি বি, এ, পাচ মাষ্টৰ সুবোধ শৰ্মাক লগত লৈ কইনা চাবলৈ আহিছিল— সেই যুৱকে বৰ্তাৰ তলিত খিয়হৈ চকুলোৰ ধাৰ মচি-মচি থোকাথুকি মাতেৰে সকলোকে শ্ৰদ্ধা-নমস্কাৰ জনাই কবলৈ ধৰিলে। 'শ্ৰদ্ধেয় ভদ্ৰ মণ্ডলী আৰু পূজনীয়া আই সকল, মোৰ দাদা উপাধিধাৰী এই নীচ পশুটোৰ জঘণ্যতম্ আৰু কুৎসিৎ কাৰ্য্যৰ পিচতো এই লক্ষ্মী স্বৰূপা ছোৱালীজনীক বিয়া কৰাবলৈ—কৰবলৈ গলে-মই উদ্ধাউল হৈ আহোঁ—যদি দয়া কৰি মহানুভৱ ফুকন ডাঙৰীয়া আৰু দাদাইঁতে অনুমতি দিয়ে। কিন্তু এটা কথাত মই অলপ সংকোচবোধ কৰিছোঁ—যদি মই এই পৱিত্ৰ ছোৱালীজনীক বিয়া কৰাই আমাৰ ঘৰলৈ লৈ যাওঁ—তেনে হলে এদিন নহয়, এদিন দাদা সম্বন্ধীয় দৈত্যটোৱে তেওঁক হয়তো বিষ দি মাৰিবলৈও কুণ্ঠাবোধ নকৰিব। জীয়াইতাৰস্থাত তেওঁক আৰু মোক দাৰুণ নিৰ্য্যাতন দি জীৱনটো জলা-কলা কৰি তুলিব। তথাপি এই দেৱী-প্ৰতিমাক পাবলৈ মই আপোনালোকৰ চৰণত পৰি প্ৰাৰ্থনা জনাইছোঁ।" বৰ বেশী কৰবোগী নিমাখিত প্ৰাণীটোৱেও কৰযোৰে এই প্ৰাৰ্থনাকেই জনালে। 'মই হয়তো এই সংসাৰত আৰু মাত্ৰ দুই চাৰি মাহহে জীয়াই থাকিব পাৰোঁ। মোৰ জীৱনত বিয়াটো ভগৱানৰ অভিপ্ৰেত নহয়। মই শুনা—অথচ নেদেখা এই দেৱী প্ৰতিমাটিৰ বৰৰ ভাগী

হবলৈ সাপোনতো কল্পনা কৰিব পৰা নাছিলোঁ। বিধাতাৰ ললাট লিপি কোনে মচি পেলাব পাৰে ? মানুহবোৰ নিমিত্ত মাত্ৰ।'

গোঁসাই প্ৰভুৱে কলে—'সেই ঘৰত আৰু মহাজ্ঞানী কণ্ঠভূষণৰ দেৱী প্ৰতিমা স্বৰূপা কন্যাক বিয়া দিয়া নহয় কাৰোবাৰ সন্ত ইচ্ছা এটা থাকিলেও প্ৰকৃততে ছোৱালীজনী কুম্ভীৰৰ কৰাল গ্ৰাসত পেলাই দিয়াৰ কথাহে হব। গতিকে আজি ৰাতিৰ ভিতৰতেই অন্য সু-পাত্ৰ চাই ছোৱালী বিয়া দিয়া হবই। তোমালোকে অ ভজাত বংশৰ উৎকৃষ্ট পাত্ৰৰ খবৰ কৰা। সুপাত্ৰ পালে লগতলৈ আহিবা, বৰ যাত্ৰীবোৰকো খবৰ দি লগতলৈ আহিবলৈ কবা। যোৱা তোমালোক মনত ৰাখিবা—বিখ্যাত কণ্ঠভূষণৰ ঔৰস জাত সন্তানৰ বাবে যেন নিখুঁত আৰু উপযুক্ত পাত্ৰহে নিৰ্বাচন কৰা হয়। কোনো স্বাৰ্থলোভী নিমন্তৰৰ নীচ বংশত যেন এই কন্যা বিষ্ঠা-পতিত বস্তুৰ দৰে অশুচি হবলগীয়া নহয়।

স্বনাম ধন্য জ্ঞানী কণ্ঠভূষণ জীৱিত থকা হলে ৰাজপুত্ৰৰ্য তেওঁৰ পুত্ৰীক চৰণত পৰি খুজি নিলেহেঁতেন। ই যে সোণৰ প্ৰতিমা। আজি ৰাতিৰ এই জঘন্য ঘটনা ঘটাব পৰা বীৰ পুৰুষ এই অঞ্চলত আজি পৰ্যন্ত ওপজা নাই আৰু ভবিষ্যতেও তাৰ কোনো সম্ভাৱনা নাই। সিংহ শাৱকো সিংহ হোৱাই স্বাভাৱিক নলমৰে গজালি ওলায়। ক্ষুধাতুৰ সিংহই প্ৰাণৰ বিনিময়তো মাটি নাখায় অখাদ্য নাখায়। নীলকণ্ঠ ফুকনে এদিন এই সত্য প্ৰমাণ কৰি দেখুৱাব—গুৰু বাক্য এদিন নহয় এদিন ফলিযাবই—ইয়াৰ ব্যতিক্ৰম হবই নোৱাৰে। তোমালোক যোৱা,—কণ্ঠভূষণৰ উপযুক্ত জোৱা-ইকেই পাবা। 'কণ্ঠভূষণ' নামোচ্চাৰণ হলে সহস্ৰ সহস্ৰ লোকৰ মূৰ আপোনা আপুনি দো-খাই যায়—এই কথা সকলোৱেই জানে।"

পুৱতি নিশামানে বৰ বিচৰা মানুহ এজন দুজনকৈ বতাতলি পালেহি। বৰ বহুতেই পোৱা হ'ল। কিন্তু কণ্ঠভূষণৰ পুত্ৰীৰ

উপযুক্ত পাত্ৰ হ'লে ভেতিয়াও নোলাল। ই যেন একপ্ৰকাৰ ৰামায়ণ-মহাভাৰত মহাকাব্যৰ কালৰ কোনো ৰাজৰাজেশ্বৰৰ কন্যাৰ মহা সয়ম্বৰহে। অৱশেষত মামা, সক খুৰা আৰু গাঁৱৰ মাতব্বৰ গৰীয়াকা লগ লাগি যোৱা থোৰাই ৰাজপুত্ৰ সদৃশ জমিদাৰৰ লৰা এজন আৰু লগত বভাতলিত নধৰা বহু সংখ্যক বৰ যাত্ৰীলৈ আহি এখন যেন মেলাৰহে সৃষ্টি কৰি পেলালে।

বি, এ পাছ মাষ্টৰৰ বৰ যাত্ৰী দলে গোঁসাই প্ৰভু আৰু আমাক উপৰ্যুপৰি শ্ৰদ্ধ-ভক্তি আৰু নমস্কাৰ জনাই বিদায় লৈছিল ইতিমধ্যে। আমাৰ পক্ষৰ পৰাও তেওঁলোকক ভোজ-ভাত আদিৰে আপ্যায়িত কৰা হ'ল আৰু যথাযোগ্য মান-সৎকাৰ কৰি ভুখেৰে বিদায দিযা হৈছিল।

বি, এ পাছ মাষ্টৰ সুবোধ চন্দ্ৰই আমাৰ বিৰুদ্ধে ফৌজদাৰী গোচৰ তৰিলে, গাৱৰ এজন লৰা আৰু মোৰ ভাই জীৱৰ নামত পৰোৱানা আহিল। কিন্তু বিদগ্ধ আইনজ্ঞ গোসাই প্ৰভুৱে থানা বা আদালত—ক'তো হাজিৰ হবলৈতো নিদিলেই বৰং ওলোটাই পৰোৱানা কাৰীকহে হৰি গোঁসাযে, তেওঁৰ ওচৰত হাজিৰ হবলৈ এক প্ৰকাৰ হুকুমহে দিলে। ডি, এচ্, পি, ক লগতলৈ মেজিষ্ট্ৰেত চাহাব নিজে আহি গোঁসাই প্ৰভুক সেৱা জনা'লহি। মেজিষ্ট্ৰেটে কলে--'মাষ্টৰৰ এজনো সাক্ষী নাই, প্ৰভু। এনেকি, তেওঁৰ নিজ ভ্ৰাতৃ এজনেও তেওঁৰ সপক্ষে এষাৰো কথা নকলে। সাক্ষীতো নিদিলেই, বৰঞ্চ ওলোটাটোহে কলে। এতিয়া প্ৰভুৱেই কওক-- কি কৰা যায়।' গোঁসাই প্ৰভুৱে কলে---'এই মোকৰ্দমাতো মাষ্টৰ হাৰিবই, আমি নকৰো বুলিবেই ভাবিও ওলোটা মোকৰ্দমা কৰিম। মাষ্টৰৰ চাকৰিও যাব জেইলো হব।

ইতিমধ্যে হাকিম, পুলিচ চাহাব আদি অহা বুলি শুনি চোতাল বাট-পথ লোকে লোকাৰণ্য হৈ পৰিল 'এই মানুহবোৰৰ এজনেও

যদি আমাৰ কিবা দোষ আছে বুলি কয়,—তেনেহলে সি যি ক্ষতি পূৰণ লাগে বুলি কয় আমি তাক তাকেই দিবলৈ প্ৰতিশ্ৰুত থাকিলোঁ।' উক্ত কথাখিনি গোঁসাই প্ৰভুৰ মুখৰ পৰা ওলোৱাৰ লগে লগেই উপস্থিত সমূহ ৰাইজেই 'হয় হয়' বুলি দৃঢ় ভাৱেই শলাগিলে। সেই কথাখিনি পুলিচ চাহাবে লিখিলৈ গ'ল। আমাৰ কোনো গোচৰ তৰা নহ'ল।

কেইমাহমান পাচত শুনা গ'ল—বি, এ পাচ মাষ্টৰৰ চাকৰিটি হেনো আৰু নাই—আগৰ বিষ দাঁত ছুটাৰ লগত। গাঁৱৰ ৰাইজৰ ওচৰত হেনো জৰিমনাও দিব লগীয়া হৈছে। এইবোৰ কি সূত্ৰে কেনেকৈ হ'ল—একো ভলা-নলা নাপালোঁ। মোকৰ্দমাৰ বিষয়েও একোৰেই গম নাপালোঁ। এক পক্ষীয ভাৱে নামঞ্জুৰ হৈছে যদিও কৰ নোৱাৰিলোঁ। গোসাই প্ৰভুৱে কিন্তু ভৱিষ্যৎ বাণী কৰি কৈ থৈছিল—ঠিক এনে এটা ৰাযৰ কথাকেই। ৰাইটো বজা ঘৰীযানে ৰাইজৰ কলীযা সেইটো বুজা নগ'ল। প্ৰভু ঈশ্বৰক সোধাত এটি ক্ষীণ মিচিকিযা হাঁহিত বাদে সবাক উত্তৰ একোৰেই পোৱা নহ'ল।

বিযাৰ দিনা পুৱতি নিশাহে খুড়া আৰু মামাহঁত নতুন দৰালৈ আমাৰ বভাতলি পাইছিলহি। আধাঘণ্টা মানৰ ভিতৰতেই পূৱে বগা ডাৱৰ দিলে। ফেহুজালি দিযাৰ লগে লগে গোঁসাই প্ৰভুৱে কলে—'আজিৰ ভিতৰত আৰু বিৱাহ-লগ্ন ধৰিবলৈ সম্ভৱ নহ'ল। ৰাতিপুৱাই বিযাৰ দিন, ৰাতি অগ্নিহোম আৰু বৰ-কন্যাৰ লগ্নগ্ৰন্থি বন্ধন সু-সম্পন্ন হব। অনুগ্ৰহ কৰি আপোনালোক সকলোৱেই বৰ যাত্ৰী হব। আজি যৎসামান্য ভাৱে মিঠামুখ কৰি যাওঁক।' দৰা-ঘৰীযা সমবেত ৰাইজে কলে—'সেইটোৱেই হওক প্ৰভু। ৰাতিপুৱালেই এই বিয়া আমি বৰ ধুমধামেৰেই সম্পন্ন কৰিবলৈ লাগি যাম। একে দিনাই এখন স্মৰণীয বিয়া পতাৰ যোগ্যতা বা সামৰ্থ্য আমাৰ কালেও কিছু নহয় কিছু আছে—প্ৰভুৰ কৃপাত। মুঠকথা—কণ্ঠভূষণ

স্নুকন প্ৰভুৰ কন্যাৰ বিয়া অতি সম্মানজনক ভাবেই হব লাগিব।' 'অনুষ্টুপীয়া অভ্যৰ্থনাৰ অন্তত সকলোবোৰ দিহাদিহিগে বিয়াৰ যোগাৰ কাৰ্যত লাগি গ'ল। উক্ত ঘটনাৰ পিচৰ দিনাই নিৰ্বিঘ্নেই স্নুকন্যাৰ বিবাহ সু-সম্পন্ন হৈ গ'ল। কোনো ক্ষেত্ৰতেই, কাৰো পক্ষৰ পৰা কোনো ক্ৰটীৰ ভ্ৰূ-কুঞ্চন পৰিলক্ষিত নহ'ল। সকলোৱেই যেন সুখী, আনন্দিত—এনে এটা মনোভাৱ সৰ্বত্ৰই বিৰাজ কৰা যেন অনুভৱ হ'ল। সকলোতকৈ ডাঙৰ কথা হ'ল—বিখ্যাত পিতৃ কণ্ঠভূষণৰ বৈধব্য—বিধুৰা পত্নী মোৰ মা উমাদেৱীৰ মুখত—চকুত এটি ক্ষীণ হাঁহিৰ ৰেখা দেখা গ'ল। কিন্তু বিধিৰ বিধান বিচিত্ৰ—দুৰ্জ্ঞেয়।

বিবাহিতা কিশোৰী শৰৎকালী ভনীজনীৰ দেহটো মাত্ৰ কেইদিন মানৰ টাইফয়েড্ জ্বৰতেই মৃত্যু-মুখত পতিত হ'ল। স্বামীৰ কোলাত মূৰদি, স্বামীৰ পূৰ্ণ আশীৰ্বাদলৈ সতীকন্যা শৰৎকালী ভগ্নী সশৰীৰেহে যেন বৈকুণ্ঠ-গামিনী হ'ল— এয়েই সকলোৰেও অভিমত।

হোমাগ্নিক সাক্ষী কৰি স্বামী গ্ৰহণ কৰি, অক্ষত-যোনী হৈ দেহ আৰু আত্মাক পৱিত্ৰ কৰি, পাৰ্থিৱ মায়া-মোহৰ বন্ধন ছিন্ন কৰি প্ৰকৃত সতীৰ প্ৰাণ-পক্ষী অনন্তৰ উদ্দেশ্যে উৰা মাৰিলে। শৰৎকালী শৰৎ কালৰ মেঘমুক্ত অশ্ৰুহীন আকাশলৈ উৰা মাৰিলে। আমি তাপিত সংসাৰৰ অশ্ৰু সাগৰত ডুবি ডুবি জলা কলা হলোঁ। শ্যাম বৰুৱাৰ দৰৱ পথ্যবোৰ বিলাই দিয়া হ'ল।'

পূৰ্ব-স্মৃতি ৰোমন্থন।

অতীত স্মৃতি ৰোমন্থন কৰি কৰি তেনে বহু নিশাই মৰম আকলুৱা নীলকণ্ঠই ৰমাৰ বুকুৰ অলেখ উম্‌, অলেখ উৰ্মি আৰু অলেখ নীৰৱ ভাষাময় কাব্যৰ মাজত নিজক এটি অবোধ—পৱিত্ৰ শিশুৰ দৰেই এৰি দিছিল। ৰমাৰ ওচৰত নিজৰ দেহ মন সম্পূৰ্ণ উন্মুক্ত কৰি দিছিল। নিলকণ্ঠই নিজক হেৰুৱাই ৰমাময় হৈ গৈছিল। তেওঁৰ সমস্ত সুখ-দুঃখ, হাঁহি-কান্দোন প্ৰেম-বিৰহ যেন ৰমাৰেই মনৰ কথা, ৰমাৰেই অন্তৰৰ অভিব্যক্তি। দুৰ্জয় ভীম-বলী মহাজ্ঞানী, পৰম সংযমী আৰু এনেকি মহাচঞ্চল ব্যক্তি এজনো শান্ত-অবোধ শিশুৰ দৰে স্নেহময়ী ৰমণী বক্ষ-স্পৰ্শ আৰু উম পাই সেউসেউ হৈ পৰে। তেওঁ তেতিয়া শৰতৰ শেৱালীৰ পাহি, পখিলাৰ পাখি আৰু ফাগুণী শিমলু তুলাৰ দৰেই কোমল আৰু কমনীয় হৈ পৰে। তেওঁৰ নিজকেই মাতৃ-স্তনৰ অমৃত ধাৰা পান কৰি শুই পৰা শিশুটি যেন লাগে। স্তন্য-পানৰ সময়ত মাতৃয়ে মূৰ পিহি পিহি মৰম ঢালি দিয়া সেই দুগ্ধ-পোষা শিশুটিয়েই তেওঁ। গো-মূত্ৰৰ হোৰৰ পৰা নেজ দাঙি গাখীৰ খাই থকা অৱস্থাত মাকে নেজৰ তলভাগ চেলেকি থকা শিশু দামুৰিটো যেন অনুভৱ কৰে—সমাজ শিৰোমণি সেই ভৰা গৰ-পণ্ডিত অথবা চেম্পিয়ন মল্লবীৰ জনে। তেওঁ স্নেহময়ী সতী-ৰমণী বক্ষত পুণ্যাৱগাহন কৰি নাই হৈ আছিল—যিদৰে সপ্ত তীৰ্থ আৰু সপ্ত জলাধাৰো অগস্ত্যৰ হাতৰ চলুত আবদ্ধ হৈ আছিল। ৰমণী বক্ষত মুখ লুকুৱাই লৈযেইতো মিষ্টিক কবিয়ে নিজে পৰম সত্তাৰ পৰম-তত্ত্বত বিলীনহৈ যায়, নাৰী-পুৰুষ এক হৈ যায়, ভক্ত ভগৱান অভিন্নাত্মা হ যায়, আত্মা, পৰমাত্মাত বিলীন হৈ যায়। নাৰী পুৰু, ভক্ত ভগৱান আৰু আত্মা-পৰমাত্মাৰ স্বকীয়া অস্তিত্ব-নাথাকে নাৰীযেই নাৰায়ণী।

সেই নিশা ৰমাৰ তৰংগায়িত বুকুত নীলকণ্ঠ ফুকনে নিঃশেষকৈ

নিজক এৰি দিছিল। এৰি অহা বিপৰ্যযৰ এক ভগ্নাংশ মাত্ৰ উল্লেখ কৰি ৰমাৰ সহৃদয-হৃদয-সংবাদী কল্পিত সংবেদনশীলতাৰ ভাগটো হৃদয উজাৰি দিযেই বিচাৰিছিল। জীৱনত কাৰো পৰা, কেতিযাও, কোনো কাৰণতেই দযা, সহানুভূতি, অনুকম্পা অনুমাত্ৰও নিবিচৰা নীলকণ্ঠই এই প্ৰথম বাৰৰ বাবেই নিজৰ সহধৰ্মিণীৰ পৰাই হযতো নিৰৱেই বিচাৰিছে,—ভাষাহীন ভাৱময যাচ্ঞা—অব্যক্ত সন্তুষ্টিৰ প্ৰতিশ্ৰুতি। কিযনো—Beggars must not be choosers কথাষাৰিৰ তথ্য আৰু প্ৰবৃত্তি বা ভাৱ প্ৰবাহটোৰ লগত তেওঁৰ চিনাকি আৰু মৈত্ৰী আছে। ই যেন দীৰ্ঘ-কালীন্ অনাবৃষ্টিৰ বিৰক্তিত চাতকৰ মুখত এটোপ পানীহৈহে পৰিব। এজন পুৰুষ যদি নিজ সহ-ধৰ্মিণীৰ অন্তৰ প্ৰদেশত— শিশু, যবক, প্ৰেমিক গুৰু, শিষ্য, সুহৃদ, বন্ধু আৰু নগ্ন আদিম বাসী হব নোৱাৰে—তেনেহলে কাৰ ওচৰত সেইটো সম্ভৱ হব ? নাৰী পুৰুষ অৰ্থাৎ স্বামী-স্ত্ৰীৰ গোপ্য অশ্লীল তাইতো দম্পতীৰ শ্লীলতা। দম্পতীৰ যুগ্ম জীৱনৰ গোপন অশ্লীল-তাইতো—পৰমসাধ্য-স্বৰ্গ, পুণ্যতীৰ্থ আনন্দৰ ৰংঘৰ, প্ৰেমৰ কাৰেংঘৰ আৰু বিপদৰ তলাতল ঘৰ। স্বামী স্ত্ৰীৰ ভিতৰৰ কৃত্ৰিম শ্লীলতাৰ শ্বাস যন্ত্ৰক হে ক্ষযৰোগৰ অক্ষয বীজাণুবোৰে খুলি খুলি খাই শতছিদ্ৰ তৈযাৰ কৰে। শতৰন্ধ্ৰেৰে ৰক্ত স্ৰৱণ হয। উৰ্ধ্বগামী ৰক্তই সেই ওষ্ঠাধৰকেই শেষবাৰৰ বাবে সিক্ত কৰি গোটমাৰি নিৰ্জীবহৈ যায।

সেই সম্পূৰ্ণ এটি উজাগৰী নিশা শিশু নীলকণ্ঠই ৰমাৰ বুকুত আশ্ৰয়লৈ এৰি অহা জীৱনৰ মাত্ৰ দুটা কথাকেইহে কলে—'মোৰ জীৱন সহস্ৰ সহস্ৰ ঘাত-প্ৰতিঘাতৰ মাজেদিযেই এইখিনি পাইছেহি। জীৱনৰ বিপৰ্যয়বোৰে একাধিক মহাকাব্য ৰচনাৰ পূৰ্ণ সমল যোগাব পাৰে। সেইবোৰকৈ তোমাকো দুঃখী নকৰোঁ। মোৰ ভনীৰ করুণ কাহিনীযে তোমাক নিশ্চয় আকৃষ্ট কৰিব, দুঃখিতা কৰিব। কাৰণ, তুমিও নাৰী—স্নেহময়ী নাৰীযেই। নাৰী বুলি কলেও—মোৰ ভনীজনী

অনূঢ়া নাবালিকা হে। ব্ৰাহ্মণ কন্যাৰ হেনো এইটোৱেই প্ৰকৃত বিবাহৰ অৱস্থা বা সময়। ইয়াৰ লৰচৰ নাছিল। সেই বয়সতো সিহঁতে নাৰী নাম পায়। মোৰ মা উমাৰ বয়স যেতিয়া ন বছৰ আৰু দেউতা কণ্ঠভূষণৰ বয়স—সোঁতৰ-ওঠৰ বছৰ—সেই বয়সত তেওঁলোকৰ বিয়া হৈছিল। কোষ্ঠী যোৰাটো ৰাজ যোটকই হৈছিল হেনো। 'স্বৰাশৌ পৰমাপ্ৰীতিঃ' সূত্ৰটোও জীৱৎকালছোৱা শুদ্ধই প্ৰমাণিত হৈছিল। কিন্তু বিয়াৰ ৰাতি কন্যাঘৰ পোৱাৰ এক ফাৰ্লং দূৰত্বত আমাৰ নিজৰ ঘৰৰ ৰাজকীয় দোলা ভাঙি দেউতা মাটিত পৰি গৈছিল। বহুতৰ মতে দম্পতীৰ জীৱনৰ এইটো অশুভ লক্ষণ। বহুতৰ মতে দেউতাৰ বিৰাট ভীম কায় বপুই দোলা ভগাৰ কাৰণ।

আচৈ মোৰ গুজনৰ বিৰাট বপু, অথচ কন্দৰ্প সদৃশ সৌন্দৰ্য বিশিষ্ট দেউতাৰ শৰীৰটোৰ প্ৰতাপ—ৰাজকীয় দোলা আৰু ছজন দোলা ভাৰীয়ে কোনো মতেই সহ্য কৰিব পৰা নাছিল। উনচল্লিশ বছৰ বয়সত ঠিক সেই একে ঠাইতেই হঠাৎ বজ্ৰপাত পৰি দেউতা স্বৰ্গগামী হয়। এয়া কিহৰ সংযোগ, কিহৰ ইংগিত আছিল বাৰু? সংযোগ-সমন্বয় কেতিয়া, কেনেদৰে, কিয় ঘটে, তাৰ প্ৰতিকাৰৰ নিশ্চিত উপায় কি—সম্ভৱতঃ পৃথিৱী বিখ্যাত জ্যোতিষী জনেও হুবহু কৈ দিবলৈ অপাৰগ হব। নহলে অংসখ্য প্ৰতিষেধক উপস্থাপন কৰা সত্বেও পলে পলে পৃথিৱীত প্ৰলয় হুংকাৰ সৃষ্টি নহলহেঁতেন! মহাপৱিত্ৰ জীৱন একোটাক কেন্দ্ৰ কৰি একোখন বিয়োগান্ত নাটকৰ সৃষ্টি নহ'লহেঁতেন। উথান পতন মাৰি-মৰক, যুদ্ধ-বিগ্ৰহ, দুঃখ দৈন্য, হাঁহি-কান্দোনৰ অভিনয় সৃষ্টি নহলহেঁতেন। স্বৰ্গ ৰাজ্যৰ দৰে পৃথিৱীতো এটা স্থিতাৱস্থাই বাহাল থাকিলহেঁতেন। মৰমবোৰ আজলি আজলি য়েই বিলাব পৰা গ'লহেঁতেন। মৰমৰ অভাৱ নহলহেঁতেন।

'তোমাৰ টোপনি আহিল নেকি? আজি কথা কৈয়েই ৰাতি পুৱাই দিম বুলি ভাবিছোঁ। কলিজাৰ চেপি খুন্দি তেজ পুঁজবোৰ

উলিয়াই অনা দুঃখৰ অভিব্যক্তিৰ পিচত কোনো শীর্ষ পৰ্যায়ৰ আনন্দত মন নৰহে, গতানুগতিক আনন্দবোৰ পান দোকানৰ পিল খাই মুখৰ বিষটো সাময়িক ভাবে উপশম কৰাৰ দৰেই বৈশিষ্ট্যহীন, তাত অন্তৰো সংযোগ নাথাকে। দুঃখৰ ধুমুহাই সমস্ত সত্তাটোকেই শোকাচ্ছন্ন কৰি ৰাখে। মোহ ভংগৰ কাব্যখনো সময়ত কেতিয়াবা ৰৰ ককৰ্ণহে পৰে। কাৰুণ্য-সমাপ্ত আনন্দযো কেতিয়াবা অবাধ্য-দুর্বোধ্য চকু পানী বোৱায়। সেই অশ্রুৱে আপোনজনৰ আশ্রয় বিচাৰে। সহানুভূতি বিচাৰে, সুৰটো দাবীৰ ভিক্ষাৰ নহয়।'

নীলকণ্ঠই নিজ ৰকনিৰ মাজতে ৰমাৰ পিঠিখনত চুলিৰ মাজত আল্‌ফুলকৈ আঙুলি বুলাই কলে—'তোমাৰ টোপনি আহিলেই নেকি? তুমি জানো মোৰ কথাবোৰ শুনা নাই? তোমাৰ জানো কোনো অন্তৰৰ কথা নাই? সাৰদাৰ অধিকাংশ মৌনী ব্যক্তিত্বৰ প্রতি তোমাৰ কিবা ধাৰণা হয়নে বাৰু? মোৰ ভনীজনীৰ জীৱনটো কিমান কাৰুণ্যময় আছিল। তুমি নাৰী বা স্ত্রী জাতিৰহে তাক মোতকৈযো সম্যক ভাবে, অনুমান আৰু উপলব্ধি কৰিব পাৰিবা। এই মইহে দেখা অকলে অকলে পাগলৰ দৰে বেলা বেলাই বকিছোঁ। তোমাৰ নিজৰ জীৱনৰ কোনো দুঃখ থাকিলে—তুমিও তাক পাতলাব পাৰা। মোৰ দুখতকৈও তোমাৰ আৰু বেছি গভীৰ দুখো থাকিব পাৰে—হয়তো তোমাৰ কোনো দুখেই নাই। তথাপি, দুখ-বিহীন কোনোৱেই হব নোৱাৰে সম্ভৱতঃ,—দুখৰ প্রকাৰটোৰহে ভেদ থাকিব পাৰে।

কেই মুহূর্ত মানৰ নীৰৱতাৰ অন্তত ৰমাই উত্তৰ দিলে—'আপোনাৰ ভনীজনীৰ জীৱনৰ ঘটনাটো দুঃখজনক- -সন্দেহ নাই। কিন্তু সাৰদাৰ অভিপ্রায়টো সন্দেহজনক যেন পালো।

কথ খিনি'ক ৰমাই তেওঁৰ ৰক্ষণগ্ন নীলকণ্ঠৰ মুখখন যেন অভিমানৰ ভংগীত হাতেৰে কিছু অপসাৰিত কৰি এটা অনাকাংক্ষিত ব্যৱধানৰ সৃষ্টি কৰি কলে—'মোৰ নিজৰ কথা সুধিছে। মোৰ জীৱনত

আৰু কি থাকিব পাৰে ! আমাৰ পৰিয়ালটো হেনো প্ৰগতিশীল। পুৰণি মামৰ হেনো আমাৰ বংশত থাকিব নোৱাৰে . সেইবোৰ কেতিয়া-বাই এৰা পৰিল। পুৰণি এলান্ধুবোৰ জাৰি জোকাৰি পেলোৱা হ'ল। জীৱনৰ ইচ্ছা -আকাংক্ষা, কামনা-বাসনা টকা-পইচা ধন-সম্পত্তি মূৰ্খআৰু বুৰ্বকৰ দৰে জলাঞ্জলিদি সাধুহৈ বহি থাকিলে পেটৰ আধাও নভৰে ইহকাল--পৰকাল দুয়োকাল ব্যৰ্থ আৰু নিষ্ফল হৈ যায় '। এয়ে আমাৰ পৰিয়ালৰ কথা বজিচেনে ? জীৱনৰ গূঢাৰ্থ কি--আপুনিয়েই কওকচোন।'

নীলকণ্ঠই এটা দীৰ্ঘ হুমুনিয়াহ এৰি কিছু সময় নীৰৱেই ৰ'ল—তেওঁ চিন্তা সাগৰত ডুব গ'ল। ৰমাৰ পৰিয়ালটো কিমান অমূলক -অবাস্তৱ, সংশয় আৰু সন্দেহৰ মাজলৈ অৱনমিত হৈছে আৰু নিজেই ফাঁকি আৰু মিছা প্ৰতিশ্ৰুতিৰ আৱৰ্জনাৰ মাজত নিজকে পোত খুৱাই পেলাইছে। ৰমাৰ পৰিয়ালৰ প্ৰায় প্ৰতিটো কথাই স্ববিৰোধী, বিবদমান, ক্ষুদ্ৰ স্বাৰ্থ প্ৰণোদিত আৰু নিম্ন মনোবৃত্তি সম্পন্ন। পৰিয়ালৰ ভিতৰৰ প্ৰকৃত স্বৰূপটো লাহে লাহে যেন আত্ম প্ৰকাশত হবলৈ ধৰিলে। কথাবোৰ মুখৰোচক উৰা বাতৰিৰ তথ্য হয়তো থাকিবও পাৰে, কিন্তু সত্য নাই। আলগ মাত্ৰা স্বভাৱ-ধৰ্মক লাই দিয়া অনুচিত।

সকলো ধৰণৰ মানুহৰ চৰিত্ৰৰ ওপৰত নীলকণ্ঠই পোষণ কৰা আস্থাটো তেওঁৰ চৰিত্ৰৰ পৰ্ব্বত-প্ৰমাণ দুৰ্ব্বলতা নে সবলতা -কোৱা টান। 'মোৰ মানত ৰমা অলপ আকোৰগোজ আৰু 'চিনিকেল' হব পাৰে, কিন্তু প্ৰেম আৰু বিশ্বাসৰ ক্ষেত্ৰত তেওঁ পৱিত্ৰা তেওঁ জানো মোক উচ্চতম প্ৰাপ্যখিনি প্ৰদান নকৰিব ? বিষকো পৰাপক্ষত অমৃত বুলি গ্ৰহণ কৰিব পৰা বিশ্বাস আৰু শক্তিটো মোৰ ধাতুত নিহিত আছে বুলি তেওঁ জানো বুজিবলৈ এতিয়াও বাকী ? ৰমাৰ সান্নিধ্যতেই মই জানো জীৱনৰ সুখময় সংসাৰ খনৰ আশা আৰু সাধনা কৰা সত্যটো এতিয়াও তেওঁৰ অৱগত হবলৈ বাকী। সেইখন

ঘৰত ৰমা— ৰমা'ই লক্ষ্মী এটা পূৰ্ণ ব্যতিক্ৰম। মোৰ ধাৰণা হয় ৰমাই ঘৰখনক পবিত্ৰাণ কৰিব বিচাৰে। এই ক্ষেত্ৰত বহুতেই মোকো পঢ়িশুনি ধৰাহ-পাগল বুলি ভাবিছিল্য বা উপলুভা কৰিব বিচাৰে, কিন্তু মইযে ৰমা-গত প্ৰাণ। মই জানো এদিন ফণীনীৰো জননী—জগজ্জননী বুলি নিজকে সপি দি কিবা অদৃশ্য শক্তি লাভ কৰা নাছিলেঁ।। কিন্তু মই হেনো ব্যক্তিত্বহীন অন্ধ প্ৰেমিক, অন্ধ-জ্ঞানী নে জ্ঞানী-অন্ধ। কিন্তু মোক হয়তো 'মূৰ্খ' বুলি কলে মোৰ প্ৰতিবাদ নাই, তৰ্ক নকৰোঁ, এই সত্যটো হাঁহিমুখে নতশিৰে মোৰ স্বীকাৰ্য। কিন্তু ৰমা-পৱিত্ৰা-লক্ষ্মী।'

নীলকণ্ঠই এদিন শৈশৱত কালকূট বিষধৰ সৰ্পকো বিশ্বাস কৰিছিল, ভক্তি কৰিছিল আৰু মহাজ্ঞানী প্ৰতাপী কণ্ঠভূষণ প্ৰভুৱে নীলকণ্ঠ নামটোকেই তেওঁক দিছিল। ভাৰতবৰ্ষৰ স্বাধীনতাৰ বাবে কৰা বিয়াল্লিছৰ গণ আন্দোলনত পলৰীয়া নীলকণ্ঠকতো এই সৰ্প শক্তিয়েই আততায়ীৰ আক্ৰমণৰ বিৰুদ্ধে নিশাৰ প্ৰহৰীৰূপে ৰক্ষা কৰিছিল। 'বিষধৰ সৰ্প'যা মোক পৰম বন্ধুৰ দৰে উপকাৰ কৰিব পাৰিলে, প্ৰিয়তমা পত্নী ৰমাই কিয় নোৱাৰিব? ৰমা'তো নৰ-মনিষ—স্নেহময়ী, প্ৰেমময়ী নাৰী—কোনো ডাকিনী-যোগিনী অথবা যাদুকৰনী নহয়—বিশেষতঃ সহধৰ্মিণী ৰমাত বিশ্বাস স্থাপন কৰিব নোৱাৰাৰ কোনো অধিকাৰো নাই মোৰ। অধিকাৰ, বিশ্বাস আৰু পৱিত্ৰ কৰ্তব্যৰ ভিন্ন ধৰ্ম ভিন্ন প্ৰকৃতি। এইটো নিৰ্ঘাত সত্যযে পদুম ফুল বোকাতহে জন্মে। কৃত্ৰিম উদ্যানত পদ্ম জন্ম হয়'তো অস্বাভাৱিক। বস্তু সদায় শুদ্ধ হব পাৰে।

কিন্তু সাৰদাৰ দৰে দেৱী-প্ৰতিমা এখনৰ বিষয়ে ৰমাৰ এই বিৰূপ ভাব, অসত্যময় মন্তব্য কিয়? ইয়াৰ হেতু কি? সাৰদাৰ নিস্বাৰ্থতাৰ তুলনা নাই। মোৰ দৰে হতভাগ্য এজনৰ উচ্চা-কাংক্ষাক ৰূপ দি মোৰ ব্যথিত জীৱনটোক মহীয়ান আৰু দীপ্তিমান

কবি তোলাই সাবদাৰ ব্ৰত নহয় জানো? সাবদাই কাযমনো-বাক্যেই কোনোদিন কোনো প্ৰতিদানেই বিচৰা নাছিল, মই সাবদাক অসীম শ্ৰদ্ধা কৰিছিলোঁ। ছাত্ৰী ৰূপত কৈও মহীয়সী নাৰীৰ ৰূপত। কাবো কেশাগ্ৰও কোনোৱে কেতিয়াও স্পৰ্শ কৰা নাই, বাক্য বিনিময়ত এটি শব্দও কেতিয়াও ঢিলা হোৱা নাই, তেনে প্ৰশ্নই নাই। দুৰ্গতি নাশিনী দুৰ্গাৰ মুখলৈ চাই ভক্তি ভাবেহে আহে, সাবদাই এদিন হঠাৎ কৈ পেলাইছিল—'দানদি প্ৰতিদান খুজিব নাপায়, গোলাপ বা পদুমৰ পাপৰি এটিও যাঞ্চা কৰিব নাপায়, যাচিকা হবও নাপায়, ই পাপৰেই নাম বা ৰূপান্তৰো হব পাৰে। ইয়াত দান-পুণ্য ফল নষ্ট হয়—দানো যায়, মানো যায়। পৰ্চিযাৰ 'দয়া'ৰ সুৰটোক 'দান'ৰ সুৰো বুজিব পাৰি।' সাবদাক দিয়া এইয়াহে মোৰেই শিক্ষা।

সাবদা এখনি সুন্দৰ প্ৰতিমা, যাক ভক্তি কৰিব পাৰি, শ্ৰদ্ধা কৰিব পাৰি, ভোগ কৰিব নোৱাৰি। যি দেৱীক বিসৰ্জন দিহে অহাবছৰলৈ আহ্বান কৰা হয়—কেওঁ জানো ভোগ্যা? ভোগ্য বস্তুৰ শাৰীত ৰাখিলে সাবদাই আজি এই দেৱীৰ ৰূপ নাপালেহেঁতেন। যি জনীৰ মোৰ মৰহা জীৱনটোক বৃত্তিত্ব আৰু সম্মানৰ উচ্চতম শৃংগত আবোহণ কৰাই মহিমা মণ্ডিত কৰিব বিচাৰি ব্ৰত আৰু সাধনাত একান্ত ৰতা হৈছিল— তেওঁৰ অন্তৰসত্তাটোক চিনিবলৈও কিছু পৰিমাণে সাধাৰণজ্ঞানৰ আৱশ্যক হয়।

সাবদাৰ পৰিয়ালটোকেইতো প্ৰকৃত ব্ৰাহ্মণ বোলা যুগুত। সাবদাৰ ঘৰৰ পৰিস্থিতি এজন ব্ৰহ্মবিদৰ নৈষ্ঠিক ঘৰৰ পৰিস্থিতিৰ দৰেই শুদ্ধ আৰু পৱিত্ৰ। সেই ঘৰত সদায় সমাজৰ জ্ঞানী-গুণী আৰু উচ্চস্তৰৰ লোকৰ লগতেই সংশ্ৰৱ অহা-যোৱা, খোৱা-লোৱা। সংস্কৃতি-সাহিত্য-ভাষা-কৃষ্টি,-ৰাজনীতি সমাজনীতি, ধৰ্ম আৰু আধ্যাত্মিক চিন্তা-চৰ্চাই সেই ঘৰত প্ৰাধান্য লাভ কৰে আৰু ঘৰৰ পৰিস্থিতি সাধু

আৰু পৱিত্ৰ কৰি ৰাখে। সেই ঘৰ, আনন্দ আৰু শান্তিৰ চিৰ নিকেতন স্বৰূপ যেন হৈ আছিছে। তাত সোমালেই এটা জ্ঞান-মন্দিৰত প্ৰবেশ কৰা যেন লাগে। পৰিয়ালৰ আটাইবোৰেই বাণী-সাধক, সংস্কৃতিৰ পূজাৰী, সেই পৰিয়ালত মই নীলকণ্ঠ পৰ হৰ নোৱাৰোঁ—সেই ঘৰত মই গুৰু আৰু সাৰদা—শিষ্যা। সাৰদা—পূজাৰিণী—মাথোঁ গুণৰ, কেৱল—পৱিত্ৰতা'ৰ। বংশ গৌৰৱ বহন কাৰীৰ ব্যতিক্ৰম হেৱোৰ ক্ষীণতম্ কল্পনা কণো কোনো দিনেই মোৰ মনত ঠাই পোৱা নাই। সংসাৰ-জীৱন-যাত্ৰত সাৰদাৰ লগত মই জড়িত হোৱাৰ কল্পনা বা সম্ভৱনাৰ লেখ মাত্ৰ থাকিলেও অপৱিত্ৰ কাম নহ'লহেঁতেন বুলি মই ভাবোঁ। সাৰদাই মোক কৈছিল—'আপুনি আপোনাৰ জীৱনৰ তেল লগোৱা বাঁহ ডালৰ নভোমুখী মূৰটোত উঠিবই লাগিব? ই মোৰ দাবী, ঘৰখনৰ শুভাকাংক্ষা। আজি মই গুৰিৰ পৰাই তেল লগোৱা বাঁহত বগাবলৈ আপোনাক উৎসাহ দি দি চাই আছোঁ। সাফল্যৰ পূৰ্ণতা মোৰ আত্মাই বিচাৰিছে,

আপুনি তেল লগোৱা বাঁহৰ মূৰ পালে সকলোৱেই দেখিব, চাব মযো চাম আপোনাক—দূৰৰ পৰা, হয়তো বহুদূৰৰ পৰা মই তেতিয়া বহু দূৰতেই থাকিম--দূৰৰ পৰা আপোনাক চায়েই সুখী হম, আনন্দ পাম, বৰ আনন্দ। মানুহে কৰা প্ৰশংসাবোৰৰ মনে প্ৰাণে মযো ভাগ লম। দূৰৰ পৰা সৌন্দৰ্য ভালদৰে উপলব্ধি কৰিম। মানুহৰ চকুত খলা-বমাবোৰ সহজে পৰে। খলা বমাই আমনি দিয়ে, আহুকাল দিয়ে। নিমখ, তেল, হালধি আৰু ইন্ধনৰ চিন্তাই যৌৱনক জড়ত্ব প্ৰদান কৰে,--অন্তৰৰ শ্ৰদ্ধা-ভক্তি-মৰমবোৰ জহাই-খহাই-শুকাই পেলায়, নহলে দোকান বা গোলাৰ বস্তুৰ লগতে বজাৰৰ মোনাত বন্দীহৈ যায়,

ভাবত বিভোৰ নীলকণ্ঠই এদিন হঠাৎ বমাৰ মুখলৈ চাই আছিল 'কি হ'ল আপোনাৰ? এনেকৈ চাই আছে যেন আপুনি

মোক বহুদিন, বহু যুগ দেখা নাই? হয়তো কোনো দিনেই দেখা নাই। কি আছে কি পাইছানা মোৰ মুখত? সপোনত প্ৰলাপ বকা মানুহৰ দৰে নীলকণ্ঠই ৰমাৰ চকুত চকু থৈ যেন প্ৰলাপ বকিহে গ'ল—'খনিকৰে প্ৰতিমা সাজিমবে, ৰূপ দিয়ে, পূজাৰীয়ে পূজা কৰে, ভক্তই ভক্তি-পুষ্পাঞ্জলি দিয়ে আৰু কোনোবাই উটুৱাই দিয়া'ৰ আনন্দত প্ৰতিমাক নাওঠ কৰি কিৰিলি পাৰে। খনিকৰে সম্ভৱতঃ কোনো দিনেই নিজহাতে প্ৰতিমা উটুৱাই নিদিয়ে—নিজ আদৰ্শক উটুৱাই দি খনিকৰে অন্তৰ বিক্ৰ নকৰে। সৃষ্টি কৰ্তা ব্ৰহ্মা আৰু পালন কৰ্তা বিষ্ণুৱে নিজ হাতে ধ্বংস নকৰে। তাৰ কাৰণ এটা বেলেগ ৰূপ আছে, 'যেনাহং নামৃতা স্যাং কিমহং তেন কুৰ্যাম' বুলি তুমি কব পাৰিবা জানো? তুমিও জানা মোক যাজ্ঞবল্ক্য কৰি তুলিব নোৱাৰা? তুমিও জানা মৈত্ৰেয়ী হব নোৱাৰা? নে তুমি কেৱল কাত্যায়নী হৈয়েই সন্তুষ্টা থাকিবা? তুমি ৰমা—'ৰাম'ৰ ভক্তা, সাৰদা—সাৰস্বত জ্ঞানৰ সাধিকা। নীলকণ্ঠৰ তন্দ্ৰাচ্ছন্নতা হঠাৎ উৰলি গ'ল। তেওঁ ৰমাৰ বুকুৰ উম আৰু আশ্ৰয়ত মুখ লুকুৱাই কথাবাৰ কবৰ ইচ্ছা গ'ল কিন্তু নোৱাৰিলে। পণ্ডিত নীলকণ্ঠৰ বাবে এইটো জানো সম্ভৱ? সম্ভৱ নহ'ল। ত্ৰিশংকুৰ নতুন স্বৰ্গ তৈয়াৰ কৰি ন যযৌ ন তস্থৌ হৈ তেওঁ শূন্যত ওলমি থাকিল। মোৰ মানস সাম্ৰাজ্যৰ তথাপি ৰমা সম্ৰাজ্ঞী।

সেই নিশা নীলকণ্ঠই তেওঁৰ ভুবাহুৰ দৃঢ় বন্ধনৰ উন্মাদ বন্দী কৰি তেওঁৰ ধৰম পত্নীজনীৰ পানীৰ নিচিনা এই সহজ-সৰল আৰু স্পষ্ট কথাখিনি বুজাই দিব খুজিও নোৱাৰিলে, মাত্ৰ তাৰ ইংগিত এটাইহে জানা যথেষ্ট—'ৰমা, জীৱনত মই সৰ্বান্তঃকৰণে ভাল পোৱা নাৰীজনী তুমিয়েই, এই স্থানত দ্বিতীয় কোনোৱেই নাই। এই সত্যটো চন্দ্ৰ সূৰ্যৰ দৰেই সত্য—ইয়াৰ উদয়াস্তৰ দৰেই প্ৰত্যক্ষ। মোৰ প্ৰেমৰ অভিব্যক্তিত কৃত্ৰিমতাৰ স্পৰ্শ মাত্ৰও নাই। তুমি হয়তো হাঁহিছা—

'পুৰুষ মাত্ৰেই একে ভাষাতেই প্ৰেম অৰ্থাৎ কামনাৰ কথাবোৰ কয়।' প্ৰেমৰ ভাষা-বিজ্ঞানখনিৰ কোনো বিশেষজ্ঞ নাই বুলা। মূৰ্খ আৰু পণ্ডিত, খৰিভাৰী আৰু ভিক্ষাৰী আৰু চক্ৰৱৰ্তী সম্ৰাটৰ প্ৰেমৰ ভাষা হয়তো একেই—কিন্তু কামনা চৰিতাৰ্থ কৰাৰ ভাষা, বুজিব পাৰিলেহে বেলেগ। প্ৰেমৰ খাঁটি ভাষাটো যেন সদায় নীৰৱ। ভাল লাগিলেই প্ৰেম নোপজে।

মৰম স্নেহ প্ৰেম, ভক্তি, বন্ধুত্ব, সখ্য, মৈত্ৰী, সৌহাৰ্দ আদি শব্দবোৰৰ অন্তৰ্নিহিত অৰ্থ পৃথক, স্বৰূপ পৃথক, দেশ, কাল আৰু সৰ্বোপৰি-পাত্ৰ পাত্ৰীবোৰো সম্পূৰ্ণ পৃথক। নাৰীৰ দেৱী ৰূপটো ভক্তিৰ আধাৰ,-সাধাৰণ অৰ্থৰ প্ৰেম তাত নাই।

'ৰমা, মই তোমাক ভাল পোৱাটোৰ কাৰণ কি—ব্যাখ্যা কৰিব নোৱাৰোঁ, বুজাব নোৱাৰোঁ—মাত্ৰ ভাল পাওঁ-মনৰ প্ৰতিমাক ইমানেই। মোৰ এই ভালপোৱাৰ পাত্ৰী আন কোনোৱেই হব নোৱাৰে—হোৱা নাই। এইটো সত্য যে—সাৰদা মোৰ ছাত্ৰী হলেও, তেওঁ স্নেহ আৰু শ্ৰদ্ধাৰহে পাত্ৰী। সাৰদাৰ নিস্বাৰ্থ দাবী আৰু নেৰা-নেপেৰা উৎসাহ উদ্দীপনা নহলে মোৰ এই এক শতাংশ কৃত-কাৰ্যতাকণো সম্ভৱ নহল হেঁতেন। তুমি যিখিনি আশংকা কৰিছা, সি সম্পূৰ্ণ অমূলক। সাৰদাৰ পক্ষ বা মোৰ পক্ষৰ পৰা ইয়াত তিল প্ৰমাণো সত্যতা নাই। কিবা প্ৰকাৰে মোক মোৰ সাধনাৰ তুংগত তুলি দি দূৰৰ পৰা নিস্বাৰ্থ আনন্দ আহৰণ কৰাই তেওঁৰ ঘাই উদ্দেশ্য আছিল। স্বাৰ্থকলুষ অভিপ্ৰায়টোৰ পৰা সাৰদাইত সম্পূৰ্ণ মুক্ত—সৃষ্টিৰ আনন্দটোৱেই শেষ সাধনা। নাৰীৰ এই মহিমা-মণ্ডিত শক্তিৰ ক্ষেত্ৰত তুমিও মোৰ গৌৰৱ, তুমিও মোৰ শ্ৰদ্ধা আৰু স্নেহৰ পাত্ৰী। নাৰী আদ্যা শক্তি—ভগৱতী।

আনহাতে তুমি ইতিমধ্যেই মোক কিছু বুজিছা নিশ্চয়। ভালেই হওক বা বেয়াই হওক—মোৰ ব্যক্তি সত্তাটোত জাত্যভিমান

আৰু বংশ গৌৰৱ'টো তীব্ৰ ভাৱেই প্ৰকট। মই যে প্ৰাণান্তেও তাৰ অৱমাননা নকৰোঁ বা বিসৰ্জন নিদিও—সাৰদাৰ্ইতে খুব স্পষ্ট ভাৱেই জানে। ইমান আপোন আপোন লগা, ইমান—মৰম, স্নেহ শ্ৰদ্ধা, ভক্তি, সহানুভূতি, শুভেচ্ছা'ৰ কোনো মূল্য বা প্ৰতিদানেই মই তেওঁলোকক দিয়া নাই। মই অকৃতজ্ঞ। কিন্তু কি আচৰিত। তাৰ বাবে তেওঁলোকে মোক আৰু বেছি মৰম শ্ৰদ্ধাহে কৰে। কোনো পক্ষতেই ব্যৱসায়িক বুদ্ধিটোৱে ঠাই পোৱা নাই। কথা এটা কওঁ শুনা।

কংগ্ৰেছৰ খদ্দৰ পিন্ধা এগৰাকী ঘোৰ প্ৰগতি বাদী অত্যাধুনিকা নাৰী দিলদাৰ শ্যাম বৰুৱাৰ ঘৰৰ নিত্য—স্বয়ম্ভু অভ্যাগতা বিশেষকৈ খোৱা-বোৱাৰ সময়টো দহো আঙুলিৰ ফাকেদি দৈৱ দুৰ্বিপাকতো সৰকি যাব দিবলৈ তেওঁ কেতিয়াও ৰাজি নহয়! সেই ভুল, সেই পাপ তেওঁ কোনো দিনেই কৰা নাই। গতিকেই তেওঁ ঠিক সময়ত অৰ্থাৎ প্ৰায় এঘণ্টা আগতে আহি পৰিয়ালটোৰ গুণানুকীৰ্ত্তনত ব্যস্ত হৈ পাৰে—লক্ষ্য সেই ভূৰি ভোজনৰ শুভমুহূৰ্ত্তটি। শুভক্ষণৰ প্ৰাক্-মুহূৰ্ত্তটিলৈ গুণানুকীৰ্তন শীৰ্ষত উঠে।

নিশাটো আছিল পুহমহীয়া শীতৰ সেমেকা ৰাতি। চণ্ডী বৰা আহি চোতালত মাই অধিকাৰ কৰি ললে। গাত এদম কাপোৰ। কাপোৰৰ মহাভাৰটো লৈ পোনে পোনে গৈ তেওঁ শৌচাগাৰ পালে। মাত্ৰ এলোটা পানীৰেই যাৱতীয় সমস্ত কাম সু-সম্পন্ন কৰিলে। বৰুৱানী খঙীয়ে নাক বোচাই থু থু কৰি মন্তব্য কৰিলে—'এইবোৰ সমাজ সেৱিকাৰেই পৱিত্ৰ আদৰ্শ। একেলগে বহি ভাত খোৱাৰেই চেষ্টা কৰিব। গতিকে ঘৰে খোৱাৰ আগে ভাগেই ক'ৰবাত এঠাইত খাবলৈ দি বিদায় দিয়াই ভাল।' বৰানী, আপোনাক ভাত দিও দেই।' বৰানী কৃত্ৰিম ভদ্ৰতা আৰু আপত্তিৰ সুৰ টানিলে—'আপোনালোকৰ সদায় দিগ্‌দাৰিহে দিছোঁ দেই। বেয়া নাপাব, নহলে নালাগেই দিয়ক আজি।' অৱশেষ কথাৰাৰি কৈ থকা অৱস্থাতেই ভাতৰ

পাতলৈ দ্ৰুত পদক্ষেপে আগবাঢ়ি থাকিল, অতি ভদ্ৰভাৱে বঢ়া ভাত সাজ হাততে হেৰুৱাই পেলাব পাৰে! ৰাজনীতিৰ পদছঁাযাত ঘূৰি ফুৰা মহিলা, নাক মোহাৰিলেই সু-বুদ্ধিটো টপ্ কৰে ওলাই পৰে। খদ্দৰ কাপোৰৰ মহাভাৰত বিক্ৰী সমাজ সেৱিকা—কংগ্ৰেছ কৰ্মী তেওঁ। কোনো দিনেই যঁতৰত হাত দিব নাজানে। অথচ ক্ৰয় নকৰা কৈও ইমান সোপা খদ্দৰ কাপোৰৰ অধিকাৰিণী হব পৰাটোৰেও এলা'পচা ৰাজনীতিজ্ঞাৰ বথা নিশ্চয় নকয়। কিন্তু কাৰো কোনো ধৰণৰ প্ৰতিক্ৰিয়া প্ৰকাশৰ প্ৰ্‌বেঁই তেওঁ গৈ ভাতৰ মেজত বহি তৎকালীন উপস্থিত বুদ্ধিৰ কৌশল খটুৱাই বাক্য স্ফুৰণ কৰিলে—'বাৰু যুকন। বৰুৱা আৰু তেওঁৰ পৰিয়ালে আপোনাক নিজৰ ল'ৰাৰ দৰেই মৰম কৰে, শ্ৰদ্ধা কৰে। বিপদে আপদে এন জন দি সহায় কৰে, সহানু-ভূতি দেখুৱায়, ভেদ-ভাৱৰ কোনো চিনেই নাই। আপনিও পৰিয়াল টোক আপোন হিচাবে সাৱটি লৈছে—সেইটো মযো জানো- সকলোৱেই জানে। এনে অৱস্থাত আপুনিতো কেতিয়াও এইখন ঘৰত এসাজ ভাত খোৱা দেখা মোৰ মনত নপৰে। আপোনালোক উচ্চ জাতি-বোৰ- বিশেষকৈ আপোনাৰ দৰে গুধাযুটা উচ্চ জাতিবোৰৰ এটা আভিজাত্যৰ গৌৰৱ বা ভেম আছে যিটোৱে সমাজ খনক ভাগ ভাগ কৰি দুৰ্বল আৰু নিশকতীয়া কৰি পেলায়, পঙ্গু আৰু অৰ্দ্ধমৃত কৰি পেলায়। বেয়া নাপাব যুকন, আপোনালোকৰ দৰে পণ্ডিত-জ্ঞানী কিছুমানৰ বাবেই ভাৰতীয় জন জীৱনৰ অন্তৰালৈ ঐক্য সংহতি সাধনত পৰম বাধাৰ সৃষ্টি হৈছে। জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীয়ে ইমান সাধ্য-সাধনা কৰি জানো ইয়াকেহে শিকাই গ'ল?'

'... ৰব ৰব, খোৱা-নোখোৱাটো তেওঁৰ ব্যক্তিগত কথা। ইয়াত আপুনিহে জাতি-অজাতি, উচ্চ-নীচৰ প্ৰশ্ন তুলি অতি মাৰাত্মক ভুল কৰিছে। বিভেদ ভাৱটো নতুন কৰি সৃষ্টি কৰিব বিচাৰিছে। তাতকৈ বৰং আপুনি আমাক সোধাহে উচিত আছিল যে, তেখেতক

আমাৰ ঘৰত এসাজ ভাত খাবলৈ আমি কোনোবাদিন অনুৰোধ কৰিছোঁ নেকি? আমি অনুৰোধ কৰা হলে তেখেত হয়তো আমাৰ ঘৰত এসাজ ভাত নোখোৱাকৈ নিশ্চয় নাথাকিলহেঁতেন। তেখেত এই খন ঘৰক যিমান ভাল পায়—আন কোনোৱেই তাৰ আধাও ভাল নাপায়—এইকথা আমাৰ ঘৰৰ জানে বাবেই ঘৰখনে তেখেতক অকৃত্ৰিম স্নেহ-শ্ৰদ্ধা ভক্তি কৰে। তেখেতে এসাজ খাইছে এক ব্যক্তিৰ ভিতৰতেই উচ্চৈ নাযাওঁ—ব্ৰাহ্মণো নহওঁ। আমি নাগা নহওঁ। আমাৰ আপোনাতকৈ উচ্চ সাহিত্য সংস্কৃতি আৰু সামাজিক প্ৰতিষ্ঠা আছে। আমাৰ আচাৰ-ব্যৱহাৰ, নীতি-নিয়মবোধত আপোনাৰ দৰে ঘৃণা ব্যভিচাৰ নাই। তেখেতে আমাৰ নিজৰ জাতি সম্পৰ্কীয় ব্যৱধান কমাই আনি প্ৰায় নাইকীয়া কৰি দিবলৈ চেষ্টা কৰাৰ সময়তেই ব্যৱধান ভাঙোটো নতুনকৈ তিক্ত আৰু শক্তিশালীহে কৰা হব - নহয় বুলি ককেচোঁ।' আনহাতে এসাজ খালেও তেখেত ব্ৰাহ্মণ হৈছি অব্ৰাহ্মণ বা শূদ্ৰহৈ নাযায়, বৰং আমি খাদ্য খৱাই জাতি নষ্ট কৰোৱাৰ দৰে আমাৰ অভিপ্ৰায় এটাহে স্পষ্ট কৰি তোলা যেন হব। আমি যদি তেওঁক গোটেই জীৱনটো তেই খাব পৰাৰ ব্যৱস্থা এটা কৰি দিব পাৰিলোঁহেঁতেন, তেনেহলে নিশ্চয় তেখেতক এনেকৈ কৈ আপুনি এই দাওটো গ্ৰহণ কৰিব নোৱাৰিলেহেঁতেন।

তেখেতে আমাক কোনোদিনেই হেয় জ্ঞান কৰাতো নাযেই বৰং প্ৰাপ্যতকৈও আমাক বেছি দিবলৈহে বিচাৰে, আমিও তেখেতৰ উচ্চাকাঙ্ক্ষাক ৰূপ দিব'ল বিচাৰোঁ। তেখেত সঁচাকৈয়েই নিস্বাৰ্থ পবিত্ৰ লগতে আভিজাত্য আৰু জ্ঞানৰ প্ৰতীক। কপট তোষামোদ কৰি স্বাৰ্থ পূৰণ কৰিব খোজা আপোনাৰ অভিপ্ৰায়টো তেনেই আপচু আৰু কুৎসিত। খোৱা বিষয়টোত আমি আপোনাক কোনো-দিনেই বিমুখ কৰা নাই। আপোনাৰ জীৱনত অতিৰেখা বদনামটোৱেই আছে, তথাপি আপুনি আমাক কোনো ভালৰি নোৱাৰালেও বা

তোষামোদ নকৰিলেও আপোনাৰ নিচিনা স্বামী পৰিত্যক্তা আৰু সকলোৰে চকুত হেয়প্ৰতিপন্ন হোৱা তিৰোতা এগৰাকীৰ প্ৰতি আমাৰ ঘৰৰ সহানুভূতিকণ নিশ্চিত হওক বা নহওক—সহায় হাতখন আগবঢ়াবলৈ আমি সিমান কুণ্ঠাবোধ এতিয়াও কৰা নাই। ভৱিষ্যতে এনে কপট অন্ত সাৰ শূন্য অভিব্যক্তি নকৰিব বুলি ভাবো। খদ্দৰ কাপোৰ পিন্ধি ছ যেতিয়া, আমি আপোনাক ভাত সাজো খুৱাব নোৱাৰিলে—খুড়াৰো বদনাম কংগ্ৰেছৰো বদনাম।' কৱিৰাজ শ্যাম বৰুৱাৰ নিৰ্ভীক ভটিজাক অধ্যাপক ৰমেশ বৰুৱাৰ স্পষ্ট উক্তি শুনি আমি এক প্ৰকাৰ অবাকহৈ পৰিলোঁ। ৰমেশ বৰুৱা মোতকৈ বাৰবছৰ মানেই ডাঙৰ। তেওঁ মোক কলে---'ফুকন, আপুনি দেখোঁ একো নকলে। মোৰ কথাবোৰত কিবা ভুল আছে নেকি?'

ৰবানীৰ প্লেটফৰ্মৰ পৰা দিয়া ৰাজনীতিৰ লেখীয়া বক্তৃতাৰ অন্তত প্ৰথমেই অধ্যাপক ৰমেন বৰুৱাই হাত তালিৰেই প্ৰত্যুত্তৰ আৰম্ভ কৰি এটা সুন্দৰ নাটকীয় পৰিস্থিতিৰ সৃষ্টি কৰি থৈছিল। ৰবানীৰ ভুৰিভোজন পৰ্ব শেষ হ'লত অধ্যাপক বৰুৱাৰ প্ৰশ্নৰ চমু উত্তৰ দিলোঁ—'খোৱাৰ সময়ত কুকুৰকো হেনো 'ছেই বুলিব নাপায়' বুলিয়েই মনে মনে আছিলোঁ। প্ৰবৃত্তিও নাছিল কোনো কথা কবলৈ। কিন্তু অধ্যাপক বৰুৱাৰ প্ৰশ্নৰ উত্তৰ হিচাবেহে দুটা এটা কথা কওঁ বুলি ভাবিছো। ৰবানী। কি সাহস আৰু যুক্তিত আপুনি এইখন ঘৰক এঘৰ খাঁটি ব্ৰাহ্মণতকৈ তল খাপৰ বুলি কবলৈ প্ৰয়াস কৰিছে ভাবি নাপাওঁ। আপোনাতকৈ, মোতকৈ আৰু হাজাৰ জনতকৈ এই ঘৰ বহু উচ্চ পৰ্য্যায়ৰ। মই কওঁ,—এইখন ঘৰত এসাজ খোৱাটো এটা ভাগ্য লাগিব। আপুনি যি দৰে অন্ততঃ এই ক্ষেত্ৰত ভাগ্যৱতী বুলি প্ৰমাণ দিব পাৰিছে। অৱশ্যে মোৰ এনে ভাগ্যত আপোনাৰ দৰে স্বাৰ্থ কলুষিত প্ৰবৃত্তি নাথাকিলহেঁতেন। মই স্পষ্টবাদী।

ৰবা ডাঙৰীয়ানী, আপুনি খদ্দৰ কাপোৰ পিন্ধিছে, কংগ্ৰেছী

হৈছে, নেত্ৰীৰ শাৰীটোও পুৰাবলৈ উঠি পৰি লাগিছে, কিন্তু বাপুজীৰ অস্পৃশ্যতা বৰ্জনৰ সূক্ষ্ম দৰ্শন বা তাৎপৰ্য আজিলৈকে তিলাৰ্দ্ধও বুজিবলৈ সক্ষমা নহ'ল। হৰি মন্দিৰত প্ৰবেশ অধিকাৰৰ দৰে এইখন ঘৰত প্ৰৱেশাধিকাৰ লাভ কৰাটোও এটা ভাগ্য, এক প্ৰকাৰ পুণ্য, এটা গৌৰৱময় কাহিনী হব পাৰে। আনহাতে সমাজৰ উচ্চতম্ জাতিটোৰ ব্যক্তি এজন যদি নিম্নতম্ জাতিটোৰ ব্যক্তি এজনৰ লগত স্বইচ্ছাই বহি এগিলাচ পানী বা এসাজ ভাতো খায়, তেনেহ'লে তথা কথিত নিম্নতম্ অৱস্থাত থকাজনৰ গাৰ পৰা বা ব্যক্তিত্বৰ পৰা অস্পৃশ্যতাটো অৰ্থাৎ কাল্পনিক বস্তুৰ কৰালটো এৰাই নাযায়। বৰং কোনো কোনো উচ্চ ব্যক্তিবহে এটা সংকোচ ভাব আহিব পাৰে। তেওঁ কপটীয়া নহ'ল, নিম্নখাপৰজনে তেওঁৰ সান্নিধ্যত থাকি শিক্ষা দীক্ষা, নীতি-নিয়ম আচাৰ-ব্যৱহাৰ, সমাজ-সংস্কৃতি আদি সকলো ক্ষেত্ৰতেই স্বেচ্ছা প্ৰণোদিত ভাবে পৰিশোধিত হ'ল বা তেনে চেষ্টা কৰিলে—উচ্চ বুলি ভবাজন নিজেই নিম্নজনৰ ওচৰলৈ উপযাচি আগবাঢ়ি আহিব। এয়েই প্ৰকৃতাৰ্থত—অস্পৃশ্যতা বৰ্জন।

গুহক চণ্ডালৰ লগত পুৰুষ শ্ৰেষ্ঠ শ্ৰীৰাম চন্দ্ৰই জানো কোনো সংকোচ বোধ কৰিছিল? শবৰী বুঢ়ীয়ে আধা খাই অস্পৃশ্য কৰা বা উচ্ছিষ্ট কৰা কলটো জানো শ্ৰীৰাম চন্দ্ৰই তৃপ্তিৰেই আস্বাদন কৰা নাছিল। ইয়াৰ কাৰণ কি? শবৰী বহিদৃষ্টিত অস্পৃশ্যা কিন্তু অন্তৰ শুদ্ধ, ৰামৰ পৰম ভক্তা। ৰাম নাম-ৰমনীয়। ৰাম নাম আনন্দ আৰু পৱিত্ৰতাৰ আধাৰ। ৰাম নীতিৰ নায়ক, সংস্কৃতিৰ উত্তম পুৰুষ। তেওঁ পুৰুষোত্তম নাৰায়ণ। অস্পৃশ্যা শবৰী নিজৰ বহু উৰ্দ্ধত আৰোহণ কৰি শুদ্ধ আৰু পৱিত্ৰ মনে ৰাম নাম জপ কৰোঁতে কৰোঁতে কায়মনোবাক্যে ৰাম ময় হৈ গৈছিল। শবৰীৰ সমস্ত সত্তা সাত্বিক ভাবত সমাধিস্থ হৈ যোৱাত শবৰী বুঢ়ী আৰু ৰাম অভিন্নাত্মা হৈ পৰিছিল, এয়েই অস্পৃশ্যতা বৰ্জনৰ অন্তৰ্নিহিত তাৎপৰ্য। গলত জৰী লগাই চোঁচোৰাই বগৰাই

নিয়াটোত বা তেনে প্ৰচেষ্টাটোতেই অস্পৃশ্যতা বৰ্জনৰ অংকুৰটো লুকাই নাথাকে, গুণ-মুগ্ধ হোৱা বা চুম্বক ধৰ্মিতাৰ দ্বাৰা আকৰ্ষিত হোৱাটোতহে অস্পৃশ্যতা বৰ্জনৰ প্ৰকৃতাৰ্থ লুকাই থাকে। বাম চুম্বক, শবৰী মামৰ-মুক্ত লোঁহা।

এইখন ঘৰৰ সংস্কৃতি কিছু সংখ্যক উচ্চস্তৰৰ সংস্কৃতিৰো উৰ্দ্ধত বুলি ক'ব পাৰি, এই বংশ বহু পূৰ্বেই প্ৰকৃতাৰ্থত শুদ্ধ আৰু উচ্চ ব্ৰাহ্মণ হৈ গৈছে। বাপুজীৰ দৰ্শনৰ ভুল ব্যাখ্যা ইযালৈ টানি আনি আপুনি ভুল কৰিছে।

মানৱ মনত এটা নীতি আৰু ঐতিহ্যৰ পৰম্পৰা চিৰ প্ৰৱাহমান হৈ আছিছে। ভুৱা প্ৰদৰ্শন, চৰ স্বাৰ্থ বা বিলাসিতাৰ তাগিদাত ত্যাগ কৰাটোৱেই নৈতিক দুৰ্বলতা বা পাপ। সমাজৰ মংগলৰ আৱশ্যকতা বা আহ্বানত যথা সৰ্বস্বও ত্যাগ কৰিব পৰাটো পৰম পুণ্যৰহে কাম। তেনে আহ্বানতহে দধীচিয়ে নিজৰ অস্থি অৰ্পণ কৰাত বজ্ৰ শক্তিৰ সৃষ্টি হৈছিল, ই চৰম ত্যাগৰ শক্তি—'কই টুকুৰা মান হাড়ৰ শক্তি মাথোঁ নহয়। তেনে তাগিদাত গৌতম বুদ্ধই ৰাজ্য, ধন, স্ত্ৰী, পুত্ৰ—সকলো ত্যাগ কৰাতহে পৰম 'বোধি'টোৰ অন্ত-দৰ্শন হৈছিল—তেওঁ বুদ্ধ হৈছিল। তেনে অৱস্থাৰ কাৰণাতহে যাদৱে নিজ যদুবংশ ধ্বংসৰ মুখলৈ ঠেলি দিছিল। সমাজ বা ধৰ্ম সংস্থাপনৰ আৱশ্যকতাতহে পুত্ৰৰ কুকাৰ্য দৰ্শন কৰিবলৈ অপাৰগা হৈ জন্মান্ধ স্বামীৰ অনুকৰণত চকুত কাপোৰ বান্ধি মহাসতী হৈ পৰিছিল—দুৰ্যোধন-মাতৃ, গান্ধাৰ-ৰাজকন্যা গান্ধাৰী। তেনে আকৰ্ষণতহে ইংলণ্ডৰ ৰাজ সিংহাসনৰ সুযোগ্য উত্তৰাধিকাৰী অষ্টম এডোৱাৰ্ড আমেৰিকাৰ মিচেচ্ চিম্‌চনৰ পাণি গ্ৰহণ কৰি ৰাজ্য, ধন, সম্ৰাটৰ সম্মানাদি জলাঞ্জলি দিছিল। তেওঁৰ প্ৰেমটো উগ্ৰ, বিকৃত-স্বাৰ্থ যেন লাগিলেও ইয়াক প্ৰকৃত প্ৰেমৰ মহিমা আৰু ত্যাগ বুলিব পাৰি। অতীতত ব্ৰাহ্মণবোৰ ব্ৰহ্মজ্ঞানী আছিল আৰু ব্ৰহ্মজ্ঞানৰ আচৰণ কৰি আচাৰ্যও হৈছিল,

ব্রাহ্মণ সদায় সত্য দ্রষ্টাহে।

মোৰ কথা শুনি চণ্ডা ৰবানী কিছু মন্দা হোৱা যেন লাগিল। তেওঁ ওলোটা মোখনি মাৰি কলে—'ফুকন কিন্তু খাঁটী ব্রহ্ম জ্ঞানী ব্রাহ্মণ—এই কোমল বয়সতেই। এওঁ পৱিত্র চৰিত্রবান, এওঁ জ্ঞানৰ অক্ৰম্ভ ভাণ্ডাৰ।' মই খঙেৰেই কলোঁ—'এইবাৰহে আপুনি মোক খাঁটী গালিয়াব পাৰিলে। প্রথমবাৰত তোষামোদৰ ভাব আৰু কপট নিন্দা, এইবাৰ মোক দিলে—আত্ম হত্যাৰ পথ' ৰমেন বৰুৱাই স্পষ্ট কৰি দিলে—'চণ্ডা ৰবানী ৰাজনৈতিক পদাৰ্থ যেতিয়া, ৰাজনীতিৰ গোন্ধ পাইছে যেতিয়া, তেওঁ তোষামোদক খেচৰায় তৈয়াৰ কৰিব জানে। এইটোও আপোনাৰ কম গুণ নহয় দেই ৰবানী।' ৰবানীৰ মনত ভীমৰ ৰণভংগৰ গ্লানি। স্বামী পৰিত্যক্তা হোৱাতকৈও সমাজ সেৱিকাৰ এই গ্লানি—অধিক দুর্বহ।

ৰমাক বুকুৰ মাজত সাৱটি, সৰ্ব শৰীৰ চুমাৰে ওপচাই দি, বহু নিশাই এইবোৰ কথা হিয়া উজাৰ কৰি দি ৰমাক কৈছিল—পাগল পণ্ডিত, প্রেমিক নীলকণ্ঠই। তেওঁ এইবোৰ কৈ কৈ এটা সময়ত ভাগৰি পৰিছিল, স্বপ্ন ভাষী বাক্-পটু হৈ শেষত অৱসাদ-গ্রস্ত হৈ পৰিছিল। ৰমা নিশ্চল, নিৰ্জীৱ, শুষ্ক কাষ্ঠৱৎ, নীলকণ্ঠৰ আঁটিল বাহু বন্ধনেও যেন তেওঁৰ জড় দেহটোত প্রাণ সঞ্চাৰ কৰিব পৰা নাই, কোনো সঁহাৰি নাই, যৌৱনৰ কোনো প্রতিক্রিয়া নাই। ৰমাৰ দেহৰ ৰক্ত-মাংস, শিৰা উপশিৰাই যেন বিৰক্ত হৈ কব বিচাৰিছে—'এইবোৰ আৰু ভাল নলগা হৈছে, স্ত্রী-পুৰুষৰ জীৱনৰ নিশাবোৰৰ যেন এটাই উদ্দেশ্য, এটাই লক্ষ্য, একেই অনুভূতি, একেই মূৰ্চ্ছনা, একেই তৃপ্তি, একেই অৱসাদ, একেই বিৰক্তি, একেই বিতৃষ্ণা একেই ক্রিয়া, একেই প্রতিক্রিয়া।, ইয়াত যেন কোনো নতুনত্ব, কোনো অভিনৱত্ব নাই—'চৰ্বিত চৰ্বণম। কাবোবাৰ দৰে মযো বিচাৰোঁ—মোৰ স্বামী গৌৰৱৰ শীৰ্ষ বিন্দুত প্রতিষ্ঠা লভক। কিন্তু দেহটোৰ আন

নাম—স্মশান-শ । এই পৃথিৱীত আমি—নাৰীবোৰে শুনো বহু পুৰুষৰ বহু ভাষা, কিন্তু বহু পুৰুষৰ মাত্ৰ একেটি আশা । সেই প্ৰেমৰূপ আশাৰ আদি আৰু অন্তটোও লক্ষ্য নহয়—লক্ষ্য হ'ল—মধ্য । সেয়েই এই প্ৰেমৰ প্ৰধান ভাষা, শেষ আশা । প্ৰেম নামৰ ছদ্মবেশত এই প্ৰবৃত্তি-টোৰ নতুন নতুন ইন্ধন বিচাৰে । নতুন ইন্ধন পালে নতুন হৈ দাউ দাউকৈ জ্বলি উঠে—পাত্ৰ ভেদে একে আশা চৰিতাৰ্থতাই নতুনত্বৰ সোৱাদ বহন কৰে । সতীত্বটো কঠাল এঠা জানো ? পুৰুষৰ প্ৰেমটোও সাধনা, তপস্যা বা গভীৰ আত্মাৰ গান জানো ।

পৰ্ব-মৰু তীৰ্থযাত্ৰী ।

নীলকণ্ঠ আৰু ৰমাৰ দাম্পত্য জীৱনলৈ আশীৰ্বাদ স্বৰূপে ইতি-মধ্যে পাতলীয়া ভাৱে তিনিটি ল'ৰা আৰু এজনী ছোৱালী সন্তান আহিছে—প্ৰথম তিনিওজনেই ল'ৰা আৰু চতুৰ্থ জনী ছোৱালী। প্ৰথম ল'ৰাজন বি, এচ, চি পাছ কৰিছে, তৃতীয়জন স্কুলৰ শেষ পৰীক্ষাত প্ৰায় ডেৰলাখ ছাত্ৰ-ছাত্ৰীৰ ভিতৰত তৃতীয় স্থান পাই উত্তীৰ্ণ হৈছে । এই বছৰতেই কলেজত নাম ভৰ্তি কৰিব । চতুৰ্থ ছোৱালী পদ্মাক্ষী অতি ৰূপৱতী-গুনৱতী বুলি বৃহৎ চহৰ খনতেই এটা বিশেষ নাম আছে । নাচ গান আদিতো ছোৱালীজনীৰ বিশেষ পাৰদৰ্শিতাটো সৰ্বজন সমাদৃত । পঢ়া-শুনাতো বিশেষ নাম আছে। প্ৰাথমিক আৰু মধ্য ইংৰাজী স্কুলত প্ৰতিযোগিতামূলক বৃত্তিও পাইছে। এতিয়া অষ্টম মান শ্ৰেণীৰ ছাত্ৰী । ল'ৰা-ছোৱালী কেইটা ধুনীয়াও। স্বভাৱ চৰিত্ৰও ভাল বুলি কয় মানুহবোৰে ।

সৰ্বগুণী আৰু সুলক্ষণা পদ্মাক্ষীক বাৰ-তেৰ বছৰতেই বিয়া

কৰাৰ বিচাৰি বহুত উচ্চ শিক্ষিত আৰু অভিজাত ঘৰৰ ডেকাই সাগ্ৰহ প্ৰস্তাৱ দিছিল - যদিও তেওঁলোক বিফল মনোৰথ হৈছিল, কাৰণটো নীলকণ্ঠ যুযনে বহুতকেই ব্যাখ্যা কৰি কৈছিল - পদ্মাক্ষী তেনেই কম বয়সীয়া। মেট্ৰিক পৰীক্ষাত এটা বিশেষ ফল আশা কৰিছো। কিন্তু এতিয়াও তিনি বছৰৰো অধিক সময় বাকী। নৃত্য গীত, অভিনয় আদিতো বিশেষ ভাৱে গঢ় দিয়াৰো অভিলাষী হৈছো। তাইক কোনোবা যাজ্ঞবল্ক্যৰ বাবে মৈত্ৰেয়ী কৰি গঢ়ি তুলিব বিচাৰিছো। ভাৰতীয় বিশেষ ভাবে অসমীয়া নাৰীৰ বিশুদ্ধ মহাধনা ৰূপটো তাইৰ ব্যক্তিত্বত আৰোপ কৰি তাইক জনাৰ্থে সাংস্কৃতা কৰিব খুজিছো।, তাই মোৰ একমাত্ৰ ছোৱালী—মা। জাই লাহে। তাইক উলিয়াই দিবলৈ এতিয়াই নই সম্পাদনা ভাবি ব নোৱাৰো, জীৱন দুবহ হৈ পৰিব। মঃ চিন্তাতেই আন্ধাৰ দেখিম। নই শ্বাসৰুদ্ধ হৈ যাব।

শকুন্তলাৰ দৰে ৰূপ থাকিলেও পদ্মাক নই বোলা পৰম আটাৰন্ত দুষ্মন্তৰ বিয়া নিদিওঁ,—কাৰণ পৃথিৱীৰ দুষ্মন্তৰ অৰ্থ আছে পৰমাৰ্থ নাই, সেয়ে হলেও পদ্মাৰ স্বামীৰ ঘৰলৈ যাব ওলোৱা বিদায়টো শকুন্তলাৰ তদ্ৰূপ বিদায়ৰ দৰে মৰ্মস্পৰ্শী আৰু হৃদয় বিদাৰক নহৈ নোৱাৰে, পদ্মা মোৰ ঔৰসজাত- কন্যা, শকুন্তলা ব্ৰহ্মচাৰী কণ্বৰ পালিতা কন্যাহে। তথাপি দুয়োটাই একে অপত্য স্নেহ। কলেজৰ ছাত্ৰ ছাত্ৰীক মহাকবি কালিদাসৰ অমৰ কাব্য ' নাটক শুনুলি বাব্য বোলাৰ কাৰণ হ'ল কাব্যেষু নাটকং ৰম্যং তত্ৰ ৰম্যা শকুন্তলা ' নাটকক অতি উৎকৃষ্ট কাব্যৰ ভিতৰত ধৰা হৈছে) শকুন্তলা পঢ়াইছো। কন্যা (পালিতা কন্যা) শকুন্তলাক পতিগৃহলৈ বিদায় দিবলৈ ওলোৱা মৰ্মান্তিক বেদনাত শ্বাসৰুদ্ধ হোৱা অবিবাহিত ধৰমপিতৃ মহৰ্ষি কণ্বৰ শোক বহ্নিৰ মৰ্মবেদনাৰ কথা কোনোদিনেই পাহৰিব পৰা বিধৰ নহয়ঃ-

'যাস্যত্যদ্য শকুন্তলেতি হৃদয়ং সংস্পৃষ্টমুৎ কণ্ঠয়া
কণ্ঠঃ স্তম্ভিত বাষ্পবৃত্তি কলুষঃ চিন্তাজড়ং দৰ্শনম।
বৈক্লব্যং মম তাৱদীদৃশমহো স্নেহাদৰণ্যৌকসঃ
পীড্যন্তে গৃহিণঃ কথংনু তনয়াবিশ্লেষ দুঃখৈৰ্নবৈঃ ॥'

শকুন্তলা আজি গুচি যাবগৈ। এই কথাত মোৰ হৃদয় উৎকণ্ঠাৰে ভৰি পৰিছে। মাত থোকাথুকি হৈছে। ভেঁটাদি বথা অশ্ৰু নীৰে দৃষ্টিক ধৰ'লি-কুৱঁলি কৰি পেলাইছে। চিন্তাই দৃষ্টিক দুৰ্বল কৰি পেলাইছে। হায়, স্নেহবশতঃ মোৰ দৰে বনবাসীৰেই যেতিয়া এনে বিকলতা আহিছে, তেনেস্থলত গৃহস্থী লোকসকল যে তনয়াৰ প্ৰথম বিচ্ছেদৰ দ্বাৰা কিমান তীব্ৰভাৱে পীড়িত হ'ব সেই কথা ভাবিবই নোৱাৰি।'

এনে অৱস্থাত বাৰ তেৰ বছৰীয়া কিশোৰী ছোৱালীজনীক যিমানেই সুপাত্ৰ নহওক লাগে—এতিয়াই বিয়া দি উলিয়াই দিয়াৰ কল্পনাই কৰিব নোৱাৰি।' নীলকণ্ঠৰ মনত কতইযে কল্পনা। তেওঁ পৰাক্ষীৰ —হাবিম অধ্যাপিকা, ডাক্তৰী। কোনটো কৰিব? কোনটো হ'লে ভাল হব? অৱশেষত গৈ কোনো সিদ্ধান্তই নহয় - বাচনিটোত কিবা খেলি মেলি লাগি যায়। 'সকলোবাবেতো অত্যাৱশ্যকীয়। ডাক্তৰী কৰিব পাৰিলেও বেয়া নাছিল, যদি বৃদ্ধ বয়সলৈ মই জীয়াই থাকিবই লাগে—তেনেহলে জী, আৰু ডাক্তৰণী দুয়োকো একেলগে ওচৰত পালোহেঁতেন, ঘৰখনৰো এটা সাহস আৰু বিশ্বাস নিগাজী হ'লহেঁতেন। তাইক লগতলৈ কলেজৰ এক্সাৰচন বেলৰত মই এনেযে ভাৰতবৰ্ষৰ প্ৰধান প্ৰধান ঠাইবোৰত ঘূৰি ফুৰা নাই। এশৰ ভিতৰত নিৰানব্বৈ জনীয়েই সম্ভৱতঃ পিতৃৰ পৰা এই সৌভাগ্য লাভ কৰিব পৰা নাই। তাই নেদেখা ঠাই ভাৰতবৰ্ষত বৰ কম।'

মাংসপেশীত মাজে মাজে অনুভৱ কৰা অতি সাধাৰণ বিষ এটাৰ বাহিৰে এসময়ৰ ব্যায়াম-পুষ্ট নীলকণ্ঠৰ কোনো সামান্য অসুখ এটাও নাই। জীৱনত মুখৰ বিষৰ বাহিৰে এটা পৰ্যন্তও ব্যৱহাৰ কৰি

পোৱা নাই। নীলকণ্ঠ ফুকনৰ পৰম পূজ্য পিতৃ কণ্ঠভূষণৰো ঊন-চল্লিশ বছৰ বয়সত হঠাৎ সমাধিস্থ হৈ মৃত্যু হোৱাৰ আগমুহূৰ্তলৈকে সাধাৰণ পানীলগা অসুখ এটাও কোনোৱেই দেখা বুলি কব নোৱাৰিছিল। পিতৃৰ স্বাস্থ্য, সম্পদ, বলশক্তি মেধা-জ্ঞান, সন্মান, ৰাজপূজা আদি একোৱেই স্বৰূপাৰ্থত নাপালেও—কিবা প্ৰকাৰে হলেও নীলকণ্ঠক পিতৃৰ ক্ষুদ্ৰাদপি ক্ষুদ্ৰ তাণ্ডৱণ বুলি কব পৰা যায়। ভীমবাহু পিতৃৰ অসীম শক্তিৰ অংশ বিশেষ, পুত্ৰতো কিছু আছিল।

নীলকণ্ঠই সৰুৰে পৰা ব্যায়াম কৰি শক্তি-সম্পদ বৃদ্ধি কৰিছিল। এটা সময়ত তেওঁ বিশেষ বিশেষ অনুষ্ঠানত ব্যায়াম প্ৰদৰ্শন কৰি ভূয়সী প্ৰশংসা লাভ কৰিছিল। শাৰীৰিক শক্তিত তেওঁ প্ৰায় অপৰাজেয়ই আছিল। শাৰীৰিক শক্তি অনুপাতে তেওঁৰ শাৰীৰিক গঠন, মাংসপেশীবোৰৰ চলন, আৰু সিবোৰৰ সমন্বয় ইত্যাদিৰ জৰিয়তে নীলকণ্ঠ ফুকন এটা সৰু সুৰা 'লিজেণ্ড'লৈ উঠিছিল। তেওঁ পেৰেৰেল বাৰ, ৰিং ডাম্বেল, ইত্যাদি কৰিছিল, বুকুৰ ওপৰত ছয়-সাত-আঠ জন পৰ্যন্ত ডেকাল'ৰাক দম বন্ধ কৰি তুলি ৰাখিছিল। দহ, বাৰ চৈধ্য গিলাচ পৰ্যন্ত পানী খাযো স্বাভাৱিক ধৰণেই প্ৰস্ৰাৱ আদি কৰিছিল, অতিৰিক্তভাবে পান কৰা পানীখিনিৰ অংশটো অতি স্বাভাৱিক ধৰণেই নিৰ্গমন হবলৈ দিছিল।

অধ্যাপক-অধ্যক্ষ হৈযো তেওঁ মহাবিদ্যালয়ৰ বছৰেকীয়া বিভিন্ন খেল-ধেমালিত পূৰ্ণ অংশগ্ৰহণ কৰি শিক্ষক—এনেকি ছাত্ৰ-ছাত্ৰী আদি সকলোকেই পৰাস্ত কৰিছিল। পুৰস্কাৰ বিতৰণী সভাত নিজেই নিজৰ হাতৰ পৰা পুৰস্কাৰবোৰ লৱণীয়া হোৱাত সভাস্থলীত এটি আমোদজনক আৰু সুখকৰ পৰিস্থিতিৰ সৃষ্টি হৈছিল। নীলকণ্ঠই পোৱা বিভিন্ন পুৰস্কাৰবোৰ বিভিন্ন বিষয়ত শীৰ্ষস্থান পোৱা ছাত্ৰ-ছাত্ৰীৰ মাজত (নিজৰ পক্ষৰ পৰা) বিলাই দিছিল। অংশগ্ৰহণ নকৰা খেল-ধেমালি আৰু সুকুমাৰ কলাদি বিষয়ত তেওঁ প্ৰধান বিচাৰক হিচাবেই

নিযুক্ত হৈছিল। পিতৃ-বিয়োগৰ পিচত অৱস্থাৰ তাড়নাই নীলকণ্ঠক ব্যায়াম চৰ্চা এৰি দিবলৈ বাধ্য কৰাইছিল, ফলত মাজে সময়ে তেওঁ মাংসপেশীবোৰত এটা সামান্য বিষ অনুভৱ কৰিছিল। গতিকে ঘৰত এজন ডাক্তৰ থাকিলেও বেয়া নহয়, তথাপি মৈত্ৰেয়ীহে আদৰ্শ।

কুৰি শতিকাটো বিজ্ঞানৰ যুগ, সকলো প্ৰকাৰৰ ভেজালৰো যুগ, বৈদ্যৰো যুগ—ব্যাধিৰো যুগ। যিমান বৈদ্য, তাৰ শত-সহস্ৰ গুণ অচিন দুৰাৰোগ্য ৰোগ, ব্যাধি। এটা-দুটা পৰীক্ষা পাচ কৰি একে ৰাতিৰ ভিতৰতেই বহুতেই বিখ্যাত ডাক্তৰ হৈ পৰিল। হাঁচি এটা মাৰিলে তিনিকুৰি টকাৰ বিধান (প্ৰেচ্‌ক্ৰিপচন) খন লিখি দিলে, 'ভয় নাই, দৰববোৰ খাব। হাতখন বৰ ভাল, হাত দিলেই হাঁচি বন্ধ। হাত দিয়া ৰোগীৰ বহুতেই আয়ুস নাই বাবেহে মৰে তাক ভগৱানেও বচাব নোৱাৰে।' মহাযুস থকা বাবে (পানী লগা বেমাৰত) কাণে কাণ মাৰিহে সাৰিল—ডাক্তৰৰ মহান কৃতিত্ব প্ৰচাৰ হ'ল। ঘৰৰ মানুহৰ ভিতৰতেই এশখন চাৰ্টিফিকেট। ডাক্তৰ-গৃহিণীৰহে মৰণান্তিক কষ্ট হৈছে—'আজি ছয় মাহেই চাকৰি কৰিও মাটি ঘৰ, বিল্ডিং, গাড়ী আৰু বেঙ্ক বেলেন্সৰ লক্ষ্যটো সম্পূৰ্ণ ভাৱেই পূৰণ হোৱাই নাই, ইমান কষ্ট আৰু অস্থিৰতা-অশান্তি মুঠেই সহ্য নহয়। তাতকৈ ইঞ্জিনিয়াৰ হোৱাটো দেখোঁ ভাল আছিল। নেদেখিছানে প্ৰফেচাৰ-প্ৰিন্সিপালবোৰেও নিজৰ লৰাক ইঞ্জিনিয়াৰিংহে পঢ়ায়; নিজৰ লেখীবাকৈ কটনা কাটা ভাত আৰু বৰশী বোৱা মাছৰ বাবে লৰাক হামবাও কাঢ়ি মৰিব নিদিয়ে নহয়। জ্ঞানৰ অৰ্থইতো—অৰ্থ। তেওঁলোকৰ লক্ষ্যটো—সদায় লক্ষটকাৰ মাহ, চাকৰিৰ এবছৰ নৌহওঁতেই এটাও খাটি নোহোৱাকৈ এটা এটাকৈ সকলোবোৰেই আহি [illegible] পৰিব লাগে—। হাজাৰ কথা হাজাৰ কথাৰ [illegible]

লাখুটিছে'—ডাক্তৰ—পত্নীৰ অসন্তুষ্টিময় উক্তি। 'ডাক্তৰজন থাকিলে বেমাৰ নহ'লেও অন্তৰে সকাহ পায়, অন্ততঃ বেমাৰ হৈ'ছে' বুলি এজন ভাল অভিজ্ঞ ডাক্তৰলৈ 'কেছটো 'ৰেফাৰ' কৰিলেও বহুত কামত আহিব পাৰে। শেষ নিশ্বাস এৰালৈকে নিজ দুহিত্ৰীৰ পিতৃ-মাতৃৰ প্ৰাণটো হাডৰ মাজত টানি-আজুৰি সামাই ৰাখিবলৈকেই চেষ্টাৰ নিশ্চয় ত্ৰুটী নকৰে। তদুপৰি ইষ্ট-কুটুম্ব, বন্ধু-বান্ধৱৰো তাই বান্ধৱীৰেই হব। তথাপি গাৰ্গী, মৈত্ৰেয়ী, লীলাৱতী, মলা জয়মতীৰ কল্পনা যেন মধুৰতকৈ মধুৰ। আলাসত চাং পতা দিবা স্বপ্ন জানো কাহানিবা মধুৰ বাস্তৱত সফল ভাবে ৰূপায়িত হব।

দুহিত্ৰী পদ্মাৰ পাণি প্ৰাৰ্থীৰ প্ৰবল ইচ্ছাই স্বৰূপটো'ৱে জানো মোৰ মধুৰ স্বপ্ন সফল হবলৈ অৱকাশ দিব ?"

নীলকণ্ঠৰ আত্মাত পূৰ্বস্মৃতি লাঞ্ছনা এটাই ভমুকি মাৰি গ'ল অনুভূত হ'ল, আকৌ এবাৰ সন্ন্যাসী ব্ৰহ্মচাৰী-জীৱন-ধাৰালৈ আপোন সত্তাটোক অজ্ঞাতেই আহ্বান কৰা যেন লাগিল। এইবাৰ যেন তেওঁক জীৱনৰ চৰম দুঃখ-কষ্ট আৰু নিদাৰুণ যন্ত্ৰণাৰ মাজেদি—মৃতসঞ্জীৱনী পান কৰাই-জ্ঞান শৃংগলৈ লৈ যাব বিচাৰিছে—সাৰদাৰ মন্ত্ৰক ৰূপ দিবলৈ বিচাৰিছে, ৰমাক জীৱন-সঙ্গিনী আৰু সাৰথি কৰি লৈ মৰুতীৰ্থলৈ শামুকীয়া গতিত বাট বুলি যাইছে। মাজে মাজে মৰু পৃষ্ঠৰ অনন্ত বালি ৰাশিত ভৰি দুখন উৰুলৈকে পোত খাই গৈছে। অৰ্দ্ধদগ্ধ যন্ত্ৰণাত চট্‌ফটাই, হাতে হাতে ধৰি দাম্পত্য জীৱনত আগবাঢ়িবলৈ প্ৰতিজ্ঞা বদ্ধ হোৱা, সহধৰ্মিণী ৰমাৰ সহায়-হাত বিচাৰি তেওঁ কিৰিকিৰি চাইছে—ৰমাক তেওঁ যেন দেখা নাপায়। ক্ষুধা তৃষ্ণা, পথ-শ্ৰম, ৰণ-ক্লান্তি আৰু বাসনাৰ হুতাশে যেন তেওঁক ইতিমধ্যেই অথৰ্ব—কৰি পেলাবলৈ আৰম্ভ কৰিছে। আত্মবল প্ৰয়োগ কৰি বালুকা গৰ্ভৰ পৰা কোনোমতে বাৰে বাৰে পদোদ্ধাৰ কৰিবলৈ সক্ষম হৈছে হয়, কিন্তু তাৰ পুনৰাবৃত্তিয়ে নীলকণ্ঠক ভীতি-বিহ্বল কৰি

ভুলিছে। মৰুতীৰ্থৰ যাত্ৰী বহুতেই আছিল, কিন্তু তেওঁলোকৰ বহুতেই আওপকীয়া পথৰ যাত্ৰী। তেওঁলোকে নিজৰ নিজৰ মৰুস্থান বিচাৰি যায়, মৰূদ্যান বিচাৰি পায়। কোনোবা যাত্ৰীৰ জীৱনলৈ তুফানৰ আগন্তুক হয়। তুফান-তাণ্ডৱে তীৰ্থ পথ ধূলি-ধূসৰিত কৰি জীৱন সংগীক অদৃশ্য অন্ধকাৰ প্ৰান্তলৈ উৰুৱাই লৈ যায়। তাৰ শেষ-দশা কাৰ হিচাব-পাতি কোনে গণিছে বাৰু?

পৰ্ব-নিকাৰ।

নীলকণ্ঠৰ পুত্ৰ-কন্যা চাৰিটিয়েই প্ৰায় নাবালক আছিল। 'প্ৰাপ্তে তু ষোড়শে বৰ্ষে পুত্ৰং মিত্ৰবদাচৰেৎ'—নীলকণ্ঠই সিহঁতৰ প্ৰতি মিত্ৰৰ দৰেই আচৰণ কৰা উচিত বুলি ভাবিলে। কাৰণ, সিহঁতে আজি কালি তেওঁক উপদেশ আদেশ আদি দিবলৈ শিকিছে। সৰু সৰু ছুটা পকীঘৰ গুৱাহাটীত উঠিছে। নীলকণ্ঠই তাৰো সমস্ত খৰচ দি আৱশ্যকীয় দিহাদাৰা দি যায়হি। কৰ্ম স্থলীত নীলকণ্ঠই প্ৰায় হবিষ্যান্ন ভোজন কৰি কোনোৰকমে প্ৰাণধাৰণ কৰা দি বৰ্তি থাকে। কৰ্মস্থানতো নীলকণ্ঠই সৰু অসমটাইপৰ-ঘৰ এটি বান্ধি লৈছে—ভাৰা ঘৰত থকাৰ প্ৰশ্ন এতিয়া আৰু নাই। স্বহস্তে ঘৰৰ সমস্ত কাম কৰে, স্বপাক ভোজন কৰি কলেজৰ ছাত্ৰ-ছাত্ৰীকো পঢ়ুৱায়; অধ্যক্ষ হিচাবে কলেজো চলায়। 'ঘৰ দুৱাৰচাৰ লাগে যদি কিছুদিন গুৱাহাটীৰ ঘৰতেই থাকো গৈ, নহলে সদায় অহা-যোৱা কৰা টকা-পইচা আদি পঠোৱাত আপোনাৰ অশেষ কষ্টই হব। আপুনি টকা পঠিয়াই থাকিব, আপোনাৰ ভাই দুজনে কামবোৰ কৰিব আৰু মইয়ো সেইবোৰ চোৱা-চিতা কৰিব পাৰিম। মই নাথাকিলে

আপোনাৰ কষ্ট হব যে তাক ভাল দ'বই জানো—মনৰো কম কষ্ট নহব। কিন্তু—কি কৰিব, উপায় নাই, নহ'লে কামবোৰ সহজে নহব যে। মই চিঠি পত্র দি থাকিম—আপুনি দুখ নকৰিব, মনটো দুৰ্বল নকৰিব। আপুনিতো মাজে মা'জ গৈয়েই থাকিব, নহয় জানো। (ৰমাই এটা অৰ্থ পূৰ্ণ মিচিকি হাঁহি মাৰিলে হাঁহিটোৰ জন্ম স্থান সম্ভৱতঃ পাতল ওঠ দুটি নহয়। ৰমাৰ অন্তৰৰ অশ্রু ভাৰাক্রান্ত) মোক এৰি থাকিব নোৱাৰে আপুনি। মই এইটো ভালদৰেই জানো। মোক এৰি থকাটোৱেই আপোনাৰ প্ৰধান কষ্ট হব। কিন্তু উপায় নাই।' অশ্রুধাৰ মচি মচি তেওঁ ৰমাক চুমাৰে ওপচাই দিছিল। সৰল শিশুৰ দ'ৰেই তেওঁ ৰমাৰ বুকুত মুৰ সোমাই —ৰমাক বিদায় দিছিল দৰ হয়তো বহু দৰলৈ, অচিন অজ্ঞাত, দূৰত্ব লৈ।

সেই অৱধি ৰমা একেবাৰে অকইৰ বছৰা কাল নীলকণ্ঠৰ কৰ্ম স্থানৰ পৰা আঁতৰি থাকিবলগীয়া হল। সেই কালছোৱা নীলকণ্ঠ ফুকনৰ বাবে শ্ৰীৰাম চন্দ্ৰ অথবা পাণ্ডৱৰ বনবাস। কিন্তু এই অজ্ঞাত বনবাস দ্বাপৰ-ত্ৰেতাতকৈও কলিযুগত আৰু বেছি কষ্ট-দায়কহে সমিধাগ্নিৰ জ্বলাত নীলকণ্ঠ সমাধিস্থবৎ হৈ গৈছিল। আৰু ৰমা। ৰমাই অমানিশাৰ সূচীভেদ্য অন্ধকাৰত কোনোবা চাহাবাৰ বুকুৰ মৰুদ্যানত বিচাৰি ফুৰিছিল—নীলকণ্ঠ ফুকনক আৰু তেওঁৰ ক্ষুদ্ৰ গৃহ আশ্ৰমখনিৰ বোমান্স।

'পাপী তাপিতৰ জীৱন ত্ৰাণ কৰিবলৈ কৃষ্ণ, বুদ্ধ, যীশু, মহম্মদ আদি এই ধৰাত আৱিৰ্ভাৱ হৈছিল হেনো। ৰমা-নীলকণ্ঠৰ জীৱনলৈ তেওঁলোকৰ আশীৰ্বাদ নিশ্চয় নামি আহিব। নীলকণ্ঠই সদায় স্নানান্তে বিগ্ৰহৰ ওচৰত এই কাতৰ প্ৰাৰ্থনাকেই জনাই আহিছে—ৰমাযে তেওঁৰ প্ৰাণসম প্ৰিয়। কিন্তু যিমানেই ৰমাক তেওঁ বৰ্তমানলৈ টানি আনে—সিমানেই ৰমা এটা অতীতৰ অনুভূতি হৈ কোনোবা

অচিন অনন্ত দিগ্বলয়লৈকে গৈ নিঃচিহ্ন হৈ গুচি যাব খোজে কিয় ? অজ্ঞাতবাসী নীলকণ্ঠ যেন অসীমৰ সীমাত হেৰাই গ'ল।

পিতৃ কণ্ঠভূষণৰ মৃত্যুৰ পাচত নীলকণ্ঠ এটা ৰক্ত-মাংসৰ যন্ত্ৰ হৈ পৰিছিল। ৰমাৰ লগত যেন মাজুতে পুতলাৰ দৰা-কন্যাৰ খেল এখনহে খেলিছিল। নাংগল টনা বুঢ়া গৰু অথবা গাড়ী টনা দুৰ্বল ঘোঁৰাৰ দৰে সৰ্বগ্ৰাসী মানসিক ক্লান্তি আৰু অৱসাদে নীলকণ্ঠক যেন হেচুকি হে ধৰিছে। দাৰ পৰিগ্ৰহ নকৰাটোও এটা শক্তিশালী ত্যাগ হব পাৰে। দাৰ পৰিগ্ৰহ কৰি ভৰ যৌৱনত দৰত এনেকৈ শূন্য-হৃদয়হৈ পৰি থাকিব লগীয়া হোৱাটো জানো ত্যাগ ? নীলকণ্ঠ জানো বুদ্ধ সিদ্ধাৰ্থ ? ত্যাগ আৰু ভোগ্য বিড়ম্বনা— কোনটো অধিক শক্তিশালী ? ত্যাগে মুক্তি-মঙ্গল ভটিমা গায নেকি ? সতি-সন্তান মণ্ডিত সংসাৰখনত জানো ত্যাগ আৰু সাধনাৰ অঙ্কুৰ নাই ? নীল-কণ্ঠৰ জীৱনটোক ভুলৰ হুলে বিন্ধিলে নেকি ? ফলশ্ৰুতি কোন পৰ্যায়ৰ ? কোনখন ৰোম সাম্ৰাজ্য গঢ়িবলৈ তেওঁ ৰমাক বুকুৰ মাজৰ পৰা বিদায় দিছিল ? ভবিষ্যতটো যে সদায় অজানা, অচিনা অপ্ৰতি-শ্ৰুত আৰু তমোময় নীলকণ্ঠৰ পণ্ডিত্যৰ ভড়ালটোত এইবোৰৰ জ্ঞান উদং হৈ গৈছে নেকি ? অৱশ্যে নীলকণ্ঠই যদি স্থিত-প্ৰজ্ঞৰ ভাবা আওৰাব পাৰিছে, তেনেহলে ভাত খাবো হয়তো কবলগীয়া নাথাকিব পাৰে।'

ৰমা জানো দোষী—ৰমাক কোনে দোষ দিব পাৰে—ৰমাৰ দোষ ক'ত, ৰমাত পৰিয়ালটোৰ ৰক্ত দুষ্টতা নাই—এই কেই বছৰে এই সত্যটোৰ লগত চিনাকি হবলৈ তেওঁ অপাৰগ আৰু পৰাংমুখ হোৱা নাছিল। পৰিয়ালটোৰ আৱৰ্জনাৰ মাজৰপৰা তেওঁ ৰমাক পংকজৰূপে তুলি আনিছিল। পৰিয়ালৰ ইতিহাস বিস্মৃত হোৱাটো জানো ৰমাৰ প্ৰজ্ঞাৰ পৰিচায়ক নহয় ! এইবোৰ নিশ্চয় নীলকণ্ঠৰ অৱচেতন মনৰ কথা।

নীলকণ্ঠৰ বাহু দুটাত এতিয়াও ভীম-শক্তিৰ অৱশেষ আছে। এই বাহু দুডেৰ সহায় আৰু মগজুটো হ'ল সাৰথি। সন্তু, মহন্ত আৰু খণ্টচোৰাকো হৈযাক লাগে। কিন্তু নীলকণ্ঠৰ ক্ষেত্ৰত দুযো-বিধেই আজি মহাবালিৰ দ্বাৰা আক্ৰান্ত হবলৈ ধৰিছে। ঐহিক ভুক্তি আৰু পাৰলৌকিক মুক্তিও যেন ৰুদ্ধ-প্ৰায়। নীলকণ্ঠক শান্তিহে লাগে—নিশ্চিত শান্তি।

I must overcome and surpass the great barrier of mundane stratum and shake off all nasty and selfish dust from my feet 'Aquila non capit muscas'. Cantabit vacnus coram latrone viator [The empty traveller will now sing before a robber Shake off the fear নীলকণ্ঠৰ মনৰ তলিৰ পৰা কথাবোৰ এটি এটিকৈ যেন ওলাই আহিব ধৰিলে। ঠিকেইতো, মগনিয়াৰ পথিক—নীলকণ্ঠৰ বুকুত বাঘোৰ মাৰা ডকাইতবোৰে কি ভয়? নীলকণ্ঠই ভাবিবলৈ ধৰিলে—'মনটো ভীতিগ্ৰস্ত নহলে ভীতিটোৰ জিৰণি ঘৰবই দেখা নাই। মনহীন-নৰাশ অকস্পশৰীৰা শ্মশানত পৰি থাকি ভীতি কষ্ট অনুভৱ কৰিব নোৱাৰে। গা-তে গা-লগা প্ৰহৰী চহৰী ৰাখিও, ৰাজকাৰেডৰ দুগ্ধ ফেননিভ শীতল শয্যাত শয়ন কৰিও, সসাগৰা পৃথিবীৰ সম্ৰাটজন ভীতিগ্ৰস্তহৈ দেখা জ্বৰ-ঘনা দিয়ে। এই সৰ্বগ্ৰাসী, সৰ্বনাশী মনটোৱেই একোটা জীৱন, একোটা জাতি, একোখন দেশ আৰু ইয়াৰ ভাষা-সাহিত্য-সংস্কৃতি—সকলো ধূলিসাৎ কৰি পেলায়। সেই মনেই ধন সেই মনেই ছন। সেই মনেই আকৌ পৰম ধনো সাধন কৰিব পাৰে। এনে এটা সুশীল মনক সাৰথি কৰিয়েই নীলকণ্ঠই কৰ্মচক্ৰ হাতত লৈ এইখিনি পাইছেহি। চক্ৰৰ গতিত স্থবিৰতা আহিব ধৰিছিল—পুনশ্চ চলন্ত হৈ পৰিল। কিন্তু ·····?

"মনটোক বহুত বুজালো-শুনালো, প্ৰবোধ দিলোঁ; বহুত

খাণীকেই শুনাশে'।—নীলা বেদনাগ্ৰস্ত -মই নীলকণ্ঠই। কিন্তু এনে কিছু-মান সূক্ষ্মাতিসূক্ষ্ম মনৰ তলিৰ গোপন তথ্য বা সত্য আছে—যাক আমৰণ পাহৰিবৰ কোনো উপায় নাই। কিবা শক্ৰতম উপায় এটা গুলালেও সি সম্পূৰ্ণ অস্বাভাৱিক—অস্বাস্থ্য। নিবাননহৈ থাকিবলৈ হ'লে মই পাগল হব লাগিব—নহ'লে ঋষি হব লাগিব অথবা মহাকবি বা প্ৰেমিক কবি হব লাগিব। স্বাভাৱিক মনৰ মানুহে এই দুৰ্বলতাৰ ঊৰ্ধ্বত উঠিব নোৱাৰে। সেয়েহে এজন মানুহৰ জীৱনটো এবোখন অতি কৰুণ বিয়োগান্ত নাটকত পৰিণত হৈ যায়। বহুতেই বং চায়, ওই এজনে চকু পানীও পেলায়।'

মোৰ জীৱনটোৰ এখন ৰঙ্গমঞ্চ বোলাহে সঁচা যেন লাগে। এই জীৱন-মঞ্চতেই সৰু-বৰ বহু নাটকৰ অভিনয়-ৰূপায়ণ হৈ গৈছে। বহু কুশীলৱেই এই মঞ্চত আখৰা দি গৈছে। বহু পুৰুষ-মহিলাই এই মঞ্চৰ শুকান কাঠৰ তক্তাৰ খোৱা-মোখোৰা বুকুখন গচকি গচকি বীৰত্ব ব্যঞ্জক বচন মাতি গৈছে। কাৰোবাৰ খোজৰ চিন-বোৰ উৰুলি গৈছে,—কাৰোবাৰবোৰ পৰি ৰৈছে।'

পৰ্ব—শাৰদীয়া

নীলকণ্ঠৰ শিক্ষা পদ্ধতি কিছু স্বকীয়া। মহাবিদ্যালয়ৰ শ্ৰেণীত পাঠদানৰ সময়ত জাত। ধৰ্ম-বৰ্ণ নিৰ্বিশেষে অন্যান্য শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী বোৰৰ বহুতেই নিজ নিজ শ্ৰেণীবোৰ এৰি আহি নীলকণ্ঠৰ বক্তৃতা শুনি বহিথাকেহি। তেওঁ শ্ৰেণীত অসমীয়া, বাংলা, হিন্দী, সংস্কৃত ইংৰাজী সাহিত্যৰ তুলনামূলক আলোচনা কৰে। অসমীয়া কাব্য, উপন্যাস, গল্প, শৰৎ চন্দ্ৰ, বঙ্কিম চন্দ্ৰ, ৰবি ঠাকুৰ, প্ৰেমচাঁদ, কালিদাস

ভৱভূতি জয়দেৱ, ছেক্সপীয়েৰ, থমাচ হাৰ্ডি, ডষ্টই ভস্কি, ডিকুয়েঞ্চি, জেন অষ্টেন, ল্যেম্ব, ডিকেন্স গেটে, ডাণ্টে আদিৰ সৰস আৰু বিশদ আলোচনা শুনিবলৈ আহি ছাত্ৰ-ছাত্ৰী শ্ৰেণীৰ কোঠালী ঠাহ খাই যায়। শ্ৰেণীত বহিবৰ ঠাইৰ অকুলন হোৱাত ভিতৰে বাহিৰে থিয়হৈ থাকি নীলকণ্ঠৰ প্ৰেমভক্তি আৰু করুণ ৰসৰ মিশ্ৰিত বৰ্ণনা শুনে, বৈষ্ণৱ ধৰ্মৰ তত্ত্ব, অসমীয়া শংকৰী বৈষ্ণৱ ধৰ্মৰ স্বকীয় বৈশিষ্ট্য আৰু মৌলিকত্বৰ ব্যাখ্যা শুনে।

এদিন শ্ৰেণীত উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈৰ উপন্যাস 'নিৰ্মল ভকত'ৰ ত্যাগ আৰু আদৰ্শৰ আলোচনা হ'ল। বাৰ বছৰৰ মূৰত ইংৰাজৰ লগত হোৱা সন্ধিৰ চৰ্ত্ত অনুসৰি মানৰ হাতৰ বন্দীত্বৰ পৰা মুক্তিলভি, ভকতৰ বেশছন্ন ধৰি শিংৰালিৰ পুতলা খেলাত দৰা হবলৈ নোপোৱা অনিৰামৰ লগত সুখে শান্তিৰে ঘৰ কৰি থকা পূৰ্বৰ পত্নী ৰূপহীক বিচাৰি, দেখা দিলেহি হতভাগ্য নিৰ্মল। ডাটি-গোৱে ভোৰোকাৰ, অৰণ্যাই ভিক্ষাৰ ঝুলি বাহুত তুলি দিয়া দীন হীন, খোজনিয়াৰ এটিৰ 'আই, ভিক্ষা এমুঠি পামনে' বোলা ক্ষীণ, অস্পষ্ট অথচ অন্তৰৰ নিভৃত কক্ষৰ পৰা ওলাই অহা, কণ্ঠৰ তলৰ ধ্বনি যেন ভগৱৰ এটি শুনি প্ৰথম প্ৰেমিকা ৰূপহীৰ হৃদয় তুৰ্গত এছাটি অন্তৰ্দাহা বিজুলীৰ এটি পোহৰ-ৰেখা চাটকৰে ভমকি উঠিল। স্বামী-স্ত্ৰীৰ স্বৰধ্বনি, স্পৰ্শ—এটা শতাব্দীৰ ব্যৱধানেও নিস্তেজ, ম্লান আৰু অচিনাকি কৰিব নোৱাৰে।

নিৰ্মল-ৰূপহীৰ দীৰ্ঘদিনীয়া সুপ্ত দাম্পত্য প্ৰেমৰ স্ৰোতস্বিনী পূৰ্ণা যৌৱনৱতী হৈ উঠিল যদিও, নিৰ্মলে নিজকে 'হতভাগ্য পথৰ ভিখাৰী' বুলিহে আত্ম পৰিচয় দিলে। সম্বিত ফিৰাই পাই অদৃশ্য অশ্ৰু-সিক্ত ভাহি ভাহি নিৰ্মল চাটকৰে ওলাই গ'ল—দূৰলৈ বহু দূৰলৈ—চিৰ কাললৈ। নিয়তিয়ে দিয়া এই ভকত বেশেই বাহিৰে বাহিৰে নিৰ্মল দক্ষিণপাট সত্ৰলৈ গৈ গুৰুত শৰণ লৈ প্ৰভু জগন্নাথৰ পদ-প্ৰান্তত

দীঘল দি পৰি থাকিল। আশী বছৰ বয়সলৈকে গীতাৰ এই স্থিতপ্ৰজ্ঞ, তাগৰ পূত সলিলৰ দ্বাৰা বিধৌত, জ্ঞানযুক্ত পুৰুষ জনৰ চিনাকিটো বহির্জগতক কেউ বাৰে নিদিলে নবালে, কোনেও তাৰ গুপ্তসূত্ৰই নাপালে। জীৱনৰ শেষদিনা চাৰিকুৰি বছৰ বয়সত শ্মশান চিতাত অগ্নিদাহন কৰাৰ নিশ্চিত শেষটোত নিমাল কাপড়ীৰ জনাই দিবলৈ উপদেশ দি গৈছিল।

নীলকণ্ঠই সদায় অভিনয় সুলভ আবেগময়ী ভাব আৰু ভাষাত শ্ৰেণীত ছাত্ৰ-ছাত্ৰীক পঢ়াইছিল। কিন্তু বাইজৰ আগত দিয়া সাহিত্য-সম্পৰ্কীয় বক্তৃতাবোৰৰ ভাষা একেবাৰেই ঘৰুৱা ধৰণৰ আছিল—ভাব যদিও উচ্চ ধৰণৰ আছিল। সিদিনা শ্ৰেণীত নিৰ্মল ভকতৰ কাহিনী [illegible] কৰাৰ লগে লগেই এজনী ছাত্ৰীয়ে হুকহুকাই কান্দিবলৈ ধৰিলে। [illegible] ছাত্ৰীসকলে [illegible] শ্লোকৰ সমৰ্থি থকা [illegible] মন মনে মচি আছিল। কিন্তু এইবাৰ শ্ৰেণীৰ সকলোবোৰ ছাত্ৰীয়েই [illegible] স্বৰে [illegible] কান্দি উঠিল [illegible] চঞ্চল লৰা-ছোৱালী [illegible] নাপাইছিলে। নীলকণ্ঠৰ মাতটো থোকা-থুকি হৈ ইমান পাৰে [illegible] কলি কোনোমতে প্ৰমাণ দি আছিল। কিন্তু [illegible] এইবাৰ কণ্ঠ বোলাই গ'ল। গোটেই শ্ৰেণীটো কাহ পৰি জিৰণি মাৰি গ'ল। এটা অস্বস্তিকৰ পৰিস্থিতিয়ে সকলোৰে ওপৰত [illegible] লাজৰ ওৰণি টানি দিলে। টোপনিৰ পৰা সাৰ পাই উঠা মানুহৰ দৰে অসতৰ্ক মুহূৰ্তবোৰ নিজৰ অজ্ঞাতেই পাৰ কৰি দি দি এটা সময়ত চেতনা ঘূৰাই পোৱা যেন তেওঁ অনুভৱ কৰিলে। 'আজি আৰু এই বিষয়ে আলোচনা নকৰোঁদেই ' বুলি লৰালৰিকৈ শ্ৰেণী এৰি গুচি গ'ল নীলকণ্ঠ।

প্ৰায় কুৰি বছৰ পিচত সেই ছোৱালী—অৰ্থাৎ প্ৰৌঢ়া মহিলা গৰাকীক নীলকণ্ঠই এটা চৰকাৰী বাছ আস্থানত দেখি কৈ পেলাই-

ছিল—'কিহে কান্দুনী ছোৱালী, খবৰ ভাবনে ? আজিৰ্বাদি ও কান্দা-কটাৰ মাজে মাজে উক্ দিলে নেকি ? নে চকুৰ পানীবোৰ শুকাই গ'ল ? মহিলা গৰাকী সিদিনাৰ ছোৱালীসুলভ লাজত লহ্গা চিঙা পৰি গ'ল।' তেওঁ ধুপুহকৈ নীলকণ্ঠৰ ওৰিত পৰি সেৱা এটি জনাই বিনযেৰে কাষত খিয় দি ৰ'ল। লগত আছিল অৱৰ পাবলগাৰা গিৰিয়েক আৰু ইঞ্জিনিয়াৰ পুত্ৰক। গিৰিয়েকে স-সম্ভ্ৰমেই নীলকণ্ঠক সেৱা জনাই কৈছিল—'আমাৰ এই আপোনাৰ কথা কৈয়েই থাকে, জীৱনত আৰু এনে ধৰনিযোগৈ পঢ়োৱা ভাৰ ভাৰনা ৰাখকা পোৱা নাই, পঢ়া সময়ৰ লগৰাবোৰ অন্যাং আৰা বুঢ়াবোৰ একেগোট হৈ বহিলেই সেই একেটিয়েই কথা—আপোনাৰ কথা। আপুনি পঢ়ুৱালে সেই বিষয়টোৰ আৰু কোনো নাটকৰেই ছেনো চাব নালাগে—গোটেই জীৱন স্মৃতিৰ পটত হৈ যায়—তাৰ মচি পেলোৱাৰ সাধ্য নাই।'

মহাবিদ্যালয়ৰ বাংলা বিভাগৰ মুৰব্বী অধ্যাপক কালী বাবুৰে আহি নীলকণ্ঠৰ ওচৰত এদিন মাতিছিল—'এটি ভীষণ কথাৰ মশায় ! আপোনাৰ এত ঋদ্ধিত্বনা ধাতৃৰৱ পাৰ কিন্তু এটা শোভা পাচ্ছেনা। এৰ কিছু একটা ব্যৱস্থা আপোনাক কৰ্তেই হবে। প্ৰথম প্ৰথম নীলকণ্ঠ এক প্ৰকাৰ হতভম্ব হৈ গৈছিল। তেওঁ প্ৰশ্ন কৰিছিল—'কথাটোনো কি ?' কি দোষ কৰিলো। বাহ— বেশ তো ইকেকচোন।'

'আপনাৰ বক্তৃতাৰ যাদু কি শক্তিশালী মশায়। সমস্ত ছেলেমেয়ে গুলো আমাদেৰ ক্লাছছেৰে দিয়ে, আপনাৰ ক্লাছে এসে বসে থাকে। সবচেয়ে বৰ কথা হচ্ছে— মেয়ে গুলো বলে ভীষণ কান্না কাভি সুৰু কৰেদেই—আপনাৰ ক্লাসে বসে। Mr phookan, this seems to be a dangerous symptom. You Cannot but deny that' there is every possibility of some

one among them may না থাক ।'

মহাবিদ্যালয়ৰ শতকৰা নিৰানব্বইটা বনভোজ বা বহিভ্ৰ্মণতেই নীলকণ্ঠক লৈ যোৱা হয়। বনভোজ আৰু ভ্ৰমণবোৰৰ অপৰিহাৰ্য উপাদেষ্টা সংগী আৰু অংগ হল নীলকণ্ঠ। এবাৰ তেনে এটা বন ভোজলৈ যাব লগীয়া হ'ল নীলকণ্ঠ। লগত গল বাছ ভৰ্ত্তি ছাত্ৰ-ছাত্ৰী—অসমীয়া বঙালী পাঞ্জাবী, হিন্দুস্তানী, নেপালী ইত্যাদি। নীলকণ্ঠৰ শ্ৰেণীত আহি বহি থকা প্ৰায় ভাগ বঙালী আৰু অন্যান্য ছোৱালীবোৰেই সেই বনভোজলৈ গৈছিল।

শেৱালী গাঙ্গুলী চহৰখনৰ আটাইতকৈ ধনী ব্যক্তি বুদ্ধদেৱ গাঙ্গুলীৰ অতি ৰূপৱতী আৰু গুণৱতী দুহিতা। কুঙ্কুম মিশ্ৰিত দুগ্ধ ফেনৰ দৰেই শেৱালীৰ গাৰ বৰণ, বিনম্ৰ, লাজুকীয়া আৰু আন এখনি মুখ মণ্ডল। আজন্ম হৰিণীৰ দৰেই দুটিমোহময় চকু, ত্ৰিবলী বলিত এটি ঋজুদেহ, শ্ৰোণী-ভৰত মন্দ-গমন, পীনোন্নত বক্ষ—এনে এটি মূৰ্ত্তিয়েই নীলকণ্ঠ যুৱকৰ মহাবিদ্যালয়খনৰ সকলোৰে পৰিচিতা স্বল্প ভাষিণী ছাত্ৰী—শেৱালী গাঙ্গুলী।

ছাত্ৰী, ভগ্নী, মাতৃ, পত্নী বা সেই স্থানীয়াৰ ৰূপবৰ্ণনা কৰিব নাপায়—এইয়া নীলকণ্ঠ যুৱকৰ নিজৰ-কথা। কিন্তু সকলো কবি আৰু ভক্তই নাৰী আৰু ভগৱানৰ ৰূপ বৰ্ণনা কৰে কিয়? 'কুচ যুগ শোভিত মুক্তা হাৰে' বুলি বিদ্যাধিষ্ঠাত্ৰী সৰস্বতীৰ বৰ্ণনা কৰে কিয়? নিৰাকাৰ বুলিও, ভগৱান বা দেৱ-দেৱীৰ মানবীয় ৰূপটোৰ লগত ভক্তৰ ভক্তিৰ সম্বন্ধ আৰু যুক্তি কি? সাধাৰণ মানুহৰ পৰিধেয় বস্ত্ৰালংকাৰৰ বৰ্ণনাৰ লগত ভক্তিৰ সম্বন্ধ ক'ত? ভগৱানৰেই বা মহিমাৰ লগত তাৰ সম্বন্ধ ক'ত? কল্পিত শৰীৰত সেইবোৰৰ মূল্য কিমান? ধন-বস্ত্ৰ-অলংকাৰ হীন দৰিদ্ৰ আৰু অতি নিকৃষ্ট জন ভগৱানৰ প্ৰিয় নহয়নে কি? 'নবীন যৌৱন স্তন বদৰী প্ৰমাণ' বুলি সীতা আৰু ৰুক্মিণীৰ ৰূপত দ্বাদশবৰ্ষীয়া কুমাৰীৰো অংগাৱৰণ

গুচাই, অপ্রমাদী মহাবৈষ্ণৱ কবিয়েও অনাঘ্ৰাত অৰ্দ্ধ প্ৰস্ফুটিত সৌন্দৰ্যৰ বিয় নিৰীক্ষণ কৰে ? এই বোৰতো নীলকণ্ঠৰেই যুক্তিবো কথা তাত যদি পাপ তাপ একোৱেই নাই, বৰং ভক্তিৰ পৰাকাষ্ঠাহে আছে— তেনেহলে ভগৱানৰ দৰেই সত্য শেৱালীৰ ৰূপ বৰ্ণনাত নীলকণ্ঠৰ বাৰু কি পাপটোনো হৈ যাব ? মইনা, ভাটৌ শালিকা, কপৌ আদি চৰাইবোৰ মানুহেই পোহে, সজাত ভৰাই নাচ-গান আৰু ৰূপটো চালে বাৰু কাৰো পাপ নহয়নে ? দুৱাৰ খুলিয়েই দেখা পোৱাকৈ প্ৰমোদ উদ্যান পতা হয় দেশ-বিদেশৰ চকু মন জুৰ কৰা ফুলবোৰ তাত ৰোপণ কৰি আপডাল কৰা হয়। সেই ফুল গছত বৃন্ত-বিকশিত কলিটি চাই পাপ কৰা হয় কিয় ? তাত জানো সঁচাকৈয়েই পাপ হয় ? শাৰদীয় শেৱালীৰ ৰূপটো, দেহটো শৰৎ-কালী দেৱীৰ পূজাৰ প্ৰধান উপচাৰ— নহয় জানো। দুৰ্গাৰ ৰূপটো যিমানেই উগ্ৰ কৰাল বা লাস্য বা লাৱণ্যময়ী, ভক্তৰ ভক্তিও সিমানে ই গভীৰ, সিমানেই আকৰ্ষণীয়। আকৃতিটোৱে সদায় প্ৰকৃতিৰ সত্যটোক অৱগুণ্ঠন বিহীনা নকৰিলেও, সেই আকৃতিটোৱেই প্ৰকৃতিৰ প্ৰধান সূত্ৰ। এই সূত্ৰত অৱশ্যে অৰ্থ প্ৰযোগ নথকা নহয় ব্যতিক্ৰম বা এক চেপ্‌শন নথকাও নহয়। ব্যতিক্ৰমটোৱে বিধানটোকহে প্ৰমাণ কৰে।

বনভোজৰ নিৰ্দিষ্ট ঠাইত ৰন্ধা-বঢ়াৰ যোগাৰ আৰম্ভ হ'ল। সকলো ব্যৱস্থা কৰি দি নীলকণ্ঠ আৰু এজন অধ্যাপক ডফলা চাওলৈ গ'ল। তেওঁলোকক বহিবলৈ দি এগৰাকী ডফলা গাভৰু তাঁতশালৰ কৰ্ম ব্যস্ততাৰ মাজৰ পৰা উঠি চাঙৰ ভিতৰলৈ সোমাই গ'ল। হঠাৎ শেৱালী আৰু আন দুজনী ছোৱালী আহি সেই চাঙত উপস্থিত হ'ল। বৰ্ণালী গোঁহাই ৰব বাংঢালী ছোৱালী। তাই এজন কৃতী শিক্ষকৰ কন্যা, পঢ়াতো চোকা। হঠাৎ টানি আনি শেৱালীক নীলকণ্ঠৰ প্ৰায় গাতে গালগাকৈ কাষত বহুৱাই দিলেহি।

ছুয়ো জড়বৎ নিশ্চলাই লাজত মুচ্‌কচ হোৱা যেন হ'ল। ডফলা গাভৰু জনীয়ে সৰু কোমল বাঁহৰ চুঙাৰে ছুচুঙা গাখীৰ আনি এচুঙা নীলকণ্ঠক দি আন চুঙা বাক দিব ভাবি আছিল।

পৰ্ব-আদৰ্শৰ দৰ।

হঠাৎ শেৱালীয়ে—ডফলা গাভৰুক এই চুঙাৰে আমাৰ ছুযোৰা হব' বুলিবৈ মোক বলে— 'আপুনি খাই উঠি মোৰ বাৰণে এই চুঙাতেই অলপমান এৰিব ছাব ।' 'এইযা বাবৰ হব পায? সৰ ধনীয়া মিলিছে সেই ভাবে।' অলপ পাহাবা সুৰ মিহলি ডফলা গাভৰুৰ সুন্দৰ অসমীয়া ভাষাৰ মাতষাৰে মোক ফাট দিয়া বসুমতী পাতালে লুকাওঁ' অৱস্থা কৰিলে। ইফালে আকৌ শেৱালীয়ে কয় কি ? তেওঁ চুঙাৰ তলিৰ উচ্ছিষ্ট গ্ৰহণ কৰিব। শেৱালীৰ মুখে ওলোৱা নিভাঁজ খাঁটি অসমীয়া ভাষা, কপালৰ উজ্জ্বল সিন্দুৰৰ ফোটাটো, প্ৰায় গাতে গা-লগাই বহি চুঙাৰ গাখীৰৰ উচ্ছিষ্ট খোৱাৰ প্ৰকাশ্য ইচ্ছাটোৱে সৰল-সহজ ডফলা গাভৰুৰ অন্তৰত উদয় হোৱা যুৱীয়া ধাৰণাটোক যেন বদ্ধমূল কৰি দিলে।'

বঙালী নাৰীৰ কপালৰ উজ্জ্বল ফোঁটটোৱে নিশ্চয় সম্ভ্ৰম দাবী কৰে, সম্ভ্ৰম আনে। শেৱালীৰ কপালৰ ফোঁটটোৰ দ'ৰ ই কেতিয়াবা আমোদজনক বিশ্বাসঘাতকতাও নকৰাকৈ নাথাকে। বিশ্বাসঘাতকতায়ো বিশেষ আনন্দ আনে কেতিয়াবা। তাতে আকৌ বৰ্ণালী গোঁহাযে পাঁচ ফুলৰ (শবৰ নিশ্চয় নহয়) বৰ্ণনাৰ সমাবেশ কৰি যেন মূৰ্চ্ছা-গ্ৰস্ত ৰোগীৰ বংৰহণ চাই কটাঘাত কশাঘাৰ চটিয়াই দিছে। জিহ্বেৰ মাহৰ হাৰিতলীয়া তোজত শেৱালী আক মই জৰ ঘমা দিলোঁ।

কিন্তু এই জ্বৰ নাড়ীৰ জ্বৰ নহয়। ই মাত্ৰ অগ্নিৰ সমীপস্থজনৰ চৰ্মৰ তাপৰূপ উপসৰ্গহে। অ স্থৰ-চঞ্চল পদ-ক্ষেপে সক লাটি বন্ধ নথলীলৈ উভতলোঁ। লগৰ ছোৱালী তিনিজনী আৰু অধ্যাপক সুধেন্দু বেনাৰ্জীৰ মনত এইয়া পূৰ্বৰাগ আছিল আৰু 'হা-হতোস্মি কৰি 'ত্বং খল্পুনতী' বুলি হতাশাৰ চেঁচা মন্তব্য দিছিল।

বন ভোজৰ থলীৰ ওচৰতে এটা বন বিভাগৰ বিষয়াৰ বঙ্গলা আছিল। মোৰ অজ্ঞাতে তাত গৈ কেইজনমান ছাত্ৰই চিএৰ বাখৰ কৰি নাচ গানৰ আড্ডা পাতিছিল গৈ। ডকলা চকীদাৰজনে অতিষ্ঠ হৈ বাহিৰলৈ গৈ নিষেধ কৰি ৰং ধেমালি কৰিবলৈ কলে। ছাত্ৰ কেইজনে তাৰ পৰা আঁতৰি যোৱাটো দূৰৰ কথা—বৰং চকীদাৰক বেয়া ধৰণৰ কথা কিছুমানহে বলে। অপমান পাই সি গোপনে চাওঁতে থকা দলৰ মানুহ মাতি আনিবলৈ তাৰ লগৰ লৰাজনক ডকলা চাওঁলৈ পঠিয়াই দিলে। ইতিমধ্যে ছাত্ৰ ছাত্ৰীৰ খোৱা পৰবটো প্ৰায় শেষ হৈ আহিছে। খোৱা ঠাইত উপস্থিত হৈ গল দহজন অস্ত্ৰধাৰী ডকলা। সিহঁতে হাতৰ তীক্ষ্ণ দাওবোৰ জোকাৰি জোকাৰি ভোজ পাটিটোৰ ওচৰত গুজৰিবলৈ ধৰিলে। সকলোবেই ভয়তে পেপুৱা লাগিল, পেট তই হাত ভৰি লুকাল সকলোৰেই। ছোৱালী-বোৰ থৰ থৰকৈ কঁপিবলৈ ধৰিলে, সিহঁতে মোৰ পৰিধেয় বস্ত্ৰ আদিত ধৰি 'ছাৰ ছাৰ' বুলি কান্দিবলৈ ধৰিলে। উপায়ান্তৰ নাপাই মই আগবাঢ়ি গৈ ডকলা কেইটাৰ পিঠি-ঘাৰ আদিত হাত ফুৰাই বহুত বুজালোঁ—'ভাইহঁত, ককাইহঁত কলেজৰ লৰা-ছোৱালী—ৰব বেছি একো বুজাই হোৱা নাই, বহুৰৰ মূৰকত—এবাৰ, এদিন ৰং ধেমালি কৰিবলৈ বাহিৰলৈ ওলায়। নীতি-নিয়মবোৰ যেন বৰ বেছি মানিব খোজা নাই, এটা দিনৰ বাবে তাক যেন পাহৰি যাব বিচাৰিছে। তোমালোকেইতো আমাৰ আচল ককাই-ভাই। নাজানি কিবা দোষ কৰিলে—নিশ্চয় ক্ষমা

কৰি দিবা বুলি ভাবোঁ। ভাইটিহঁত আমাৰ বহুত ভাঙা-ভাত আছে—তোমালোকে সেইবোৰ আমাৰ পাচি-খৰাইতেই লৈ যোৱা এইবোৰ—তোমালোক সকলোৱে লাগিব। নহ'লে তোমালোকক একো বেয়া পোৱা কথা কোৱা নাই? নহ'লে তোমালোকক ভাই-ককাই বুলি আকোৱালি ধৰিছোঁ।' এই বুলি বিলনীয়া ল'ৰা কেইজনক নই ভাত আঙঠাবোৰ দি দিবলৈ কলোঁ।

'হু, কলেজত পঢ়িছ, এ'কো নাজানে। সব মিছা কথা আছে কলেজত পঢ়ি'ও এই সব কথা জানে। এই ৰকম ভাল কিন্তু কাটি দিম দেহ—কৈ দিছোঁ। ও বাত খ ন লাগ— নাখাওঁ বাৰু, এই বুলিকৈ দুজন গুচি যই গ'ল সঁচা সঁচি কৈ, ব'কীবোৰ অবশ্যে ভাত খালেও কিছুমান ভাত আঙঠাবোৰ লৈ ব'ল। বস্তু বাহানিবোৰ সামৰি—সুৰুৰি বনভোজ-পাৰ্টিটো লৈ চকুৰ মুখে ৰাওনা হ'লোঁ। 'ঘৰ-মুৱা ঘোৰা বন-মুৱা বৰ।'—বাচননৰ গাত। সকলো ঐৰ পুৰুষৰ মুখত এতিয়াহে পানী আহিল।

বাছত ছেৱালীবোৰ অধ্যাপকৰ ওচৰ পাঁজৰতে বহা নিয়ম, বহুদূৰ বাট—ৰাতি চাৰি দণ্ড এঘাৰটা বজাতহে বাচ হাতি চকুৰ পাৰাৰ কথা। অলপ হীন-দোষ হলতো বাটতে ৰাতিটো এটা বাজিও যাব পাৰে।

হাবিতলীয়া দুৰ্গম, ব্যাঘ্ৰাদি সেবিত ভয়ানক পথ। বাঘ-ভালুক, বনৰীয়া হাতী, আদিৰ উপাৰিও ডকাইতৰ ভয়টো সৰ্বত্ৰই আছে। তাতে আজি এটা আৰো নতুন বিপদৰ আশংকাৰ সূচনাও হোৱা যেন অন্তৰখনে অনুভৱ কৰিছে। এই অপৰিণাম-দৰ্শী ছাত্ৰ কেইজনৰ এইটো এটা অক্ষম দোষ। ইয়াৰ ফলশ্ৰুতি বৰ ভীষণ আৰু মৰ্মান্তিক হবও পাৰে। জীৱনটো এখন ৰহস্যময় কাব্যৰ ভাষা মাত্ৰ।

সাজ লাগিল। হাবিতলীয়া বাট পথত মেঘ বৰ্ণ কামতাযাৰ আৱৰণীখন বিস্তৃতহৈ পৰিল, গৃহাভিমুখী গোযথৰ খুৰাৰ আঘাতত

উৰা ধূলিবোৰ ধূসৰ সন্ধিয়াৰ আবৰণীখনে আদৰিবলৈ যত্ন কৰিছে মাথোঁ। শূন্য মাৰ্গচাৰী বিহংগ কুলে—পুৰৱী ৰাগটো এইমাত্ৰ সামৰিছে যেন লাগিছে। আৰহ সংগীতৰ ইমন সুৰটো নীৰৱ হোৱাৰ পিচত স্থানপুৰা বা চেতাবৰ এলাগী তাৰ ডালত মাজে মাজে গুঞ্জিত দুই এটা টোকৰৰ মৃদু শব্দৰ দৰে নীড়াভিমুখী বিহংগ পংক্তিৰ শেষত দুই এটা খগচৰৰ বিলম্বিত সুৰধ্বনি নিবল নিৰ্জন আৰু নিঃসংগ পথ যাত্ৰীৰ কৰ্ণকুহৰত প্ৰবেশ কৰি যেন কোনো কল্পলোকৰহে সৃষ্টি কৰিছে! নীড়াভিমুখী বিহংগৰ এই ধ্বনি আনন্দৰ নে উদাসিনতাৰ? প্ৰকৃতি ৰহস্যময়।

বাছ গতিশীল হ'ল। আত্মাৰ দেহান্তৰ-গতিটো হৈছে, হয়তো দৈহিক মৃত্যু। গতিশীলতাৰো হয়তো মৃত্যু আছে,—লগৰ অধ্যাপক কেইজন আগধৰি কেবিনত বহিল, গতিকে কেবিনৰ পিচৰ অৰ্থাৎ ড্ৰাইভাৰৰ পিচৰ প্ৰথম বেঞ্চখনৰ খিড়িকীৰ কাষত লাগি থকা ছিটটোত মই বহি ললোঁ। মোৰ কাষতে বহিলহি বৰ্ণালী গোঁহাই, সি কাষত শেৱালী আৰু আনবোৰ ছোৱালী বহিল। ক্ৰমে গাড়ীৰ গতিবেগ বাঢ়িল, কাৰ গাত কোন ঢলি পৰে, কাৰ গাত কাৰ ঠেকা-ঠেকি লাগে—তাৰ নিৰ্ণয় নোহোৱা হল। হঠাৎ বৰ্ণালী—থিয় হৈ ড্ৰাইভাৰ চাহাবৰ পাচ কালৰ লোৰ জালৰ আঁৰ বেচখনৰ ফুটাত আঙুলি সোমাই খামুচি ধৰি থাকিল। শেৱালী অলপ লৰচৰ কৰি বৰ্ণলীৰ কিয়দংশত শিথিল হৈ বহি ল'লে। হাবিতলীয়া ওখোৰা-মোখোৰা পথত আগবঢ়া গাড়ীখন বাৰম্বাৰ ইকাতি-সিকাতি হৈ পেণ্ডুলামৰ দৰে দুলিব ধৰিলে। ক'ৰবাত খুন্দা-খাটনি লাগি দুখ পাব বুলি মই বৰ্ণালীক যথাস্থানত বহিবলৈ কলোঁ। মোৰ ওপৰতেই সমস্ত দায়িত্ব অৰ্পিত হৈছে,-বিশেষকৈ ছোৱালীবোৰৰ তত্ত্বাবধান মোৰ ওপৰত ন্যস্ত।

বৰ্ণালীৰ দেউতাকক সকলোৱেই 'ছাৰ' সম্বোধনেৰে উপযুক্ত

সম্মান সম্ভ্ৰম প্ৰদৰ্শন কৰে। এখন অতি নাম থকা হাইস্কুলৰ তেওঁ এজন অৱসৰ প্ৰাপ্ত কৃতী শিক্ষক। মোৰ নিষ্ঠা, কৰ্তব্য জ্ঞান, আৰু দায়িত্ব বোধৰ ওপৰত পূৰ্ণ বিশ্বাস আৰু নিৰ্ভৰ কৰিযেই অভিভাৱক বোৰেই লৰা-ছোৱালীবোৰক সকলো অনুষ্ঠান আদিলৈকেই মোৰ লগত পঠিয়ায়। বৰ্ণালীবো কিবা অলপ হলে—ছাৰে অকল বেয়া পোৱাই নহয়, মোক ধমকিও দিব পাৰে, প্ৰায় সকলো লোকক ধমকি দিব পৰা অধিকাৰ এটা তেওঁৰ আছে—অৰ্থাৎ দিয়া হৈছে, যিটো সকলোৱেই বিচাৰে—সেইটো বৰ মধুৰ ধমকি। মই তেতিয়া ডেকা অধ্যাপক, মাথো বৃদ্ধ গোঁহাইক ছাৰ বুলি সদায় সম্ভ্ৰম দেখুৱাওঁ। কলেজৰ বুঢ়া মালীজনৰ ধমকিটোও বৰ মধুৰ—সোৱাদৰ বস্তু, তাৰ অস্বাদনৰ পৰা— ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা—এনেকি স্বয়ং অধ্যক্ষও বঞ্চিত হৈ নাযায়। ‘লৰা পঢ়াবলৈ আহিছ নহয়, তই আৰু লৰাক কি শিকাবি? নিজেই চুৰট হুপিছ লৰাৰ আগত— ক’লেজৰ ঘৰটো মন্দিৰ বুলি নাজান নেকি?’ অধ্যাপকে লৰা লৰিকৈ চিগাৰেট বাহিৰত দলিয়াই দি—‘স্কাউট বইজৰ এলাৰ্ট পজিশন’ত থিয় দিয়েহি। মালীৰ ধমকিৰ কোৰত দোষি অহা অধ্যক্ষক তেওঁ কয়—‘তইতো এইবোৰ মন-কাণ নিদিয়ই—অলপ চকু কাণ দিব লাগে! নিজে আধা বুঢ়া মানুহ হৈয়ো দেখোঁ চুৰট নোহোপ। লৰাক দেখুৱাই ইহঁতক চুৰট হুপিবলৈ কিয় ‘এলাউ’ কৰিছ? মই যদি দেখোঁ--কথা বেয়া হবদেই আৰু!’ কি বেয়া হব, মালীও নাজানে, ক্ষমতাটোনো ক’ত, কিমান থুপাই থোৱা আছে? তথাপি কলেজৰ মালী বিহাৰী বুঢ়া চকীদাৰজনৰো এটা নৈতিকদাবী নৈতিক অধিকাৰ আছে।—জ্যেষ্ঠা আৰু নৈতিক জগতখনত ‘ছাৰ’ৰ ক্ষমতাৰতো—প্ৰশ্নই নাই! একোটা সময়ত শিক্ষা জগতত এনে এটা মধুৰ সম্পৰ্কই আধিপত্য বিস্তাৰ কৰে। বুঢ়া মালীৰ জীৱনৰ শেষ নিশ্বাসৰ মটোখন্দ ফুলৰ মালাদি সৰ্বপট্টি বাধা কুঞ্চনৰ কাৰণেই অধ্যক্ষৰ

(অৰ্থাৎ বৰ্তমান মোৰ) কোঠালীটোত আৰি থোৱা হৈছে। কাটোত শুই থকা মালীকাই জানো বাধা কৃষ্ণনৰ দৰেই বাস্তৱ-শিক্ষক আৰু দাৰ্শনিক নহয়। বহিৰৰ্লৈ কোৱাৰ লগে লগে—বৰ্ণালী চেট্-ইউ ৰেটেড ঠাইখিনিত ইমান জোৰেই বহি পৰিল যে—এক চোচাকা-তেই 'ভেকুৱাম' ঠাইখিনিৰ ব্যৱধানটো নাইকিয়া কৰি শেৱালী প্ৰায় মোৰ গাতেই ছিটিকি পৰিলহি। 'ভেকুৱাম' ঠাইখিনিয়ে 'ৰেকুকী' কৰিলোনে বৰ্ণালীয় চালাকি কৰিলে—মই এতিয়া ভালকৈ বুজি উঠিলোঁ। যদি অবস্থা-সৃষ্টিৰ প্ৰতিবাদ কৰোঁ তেনেহলে কাৰোবাৰ কিবা এটা গোপন ৰহস্যৰ ভেদ ভাঙি দিয়া হয়—প্ৰতিপক্ষ বেয়া ধৰণেই ধৰা পৰি যায়। অন্ততঃ ইমানবোৰ ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপকৰ মাজত এই একচ্‌পোজাৰটো বৰ দৃষ্টি কটু, যেন হৈ পৰে—আৰু পিছদিনা পুৱাই ই কলেজত প্ৰচাৰ হৈ যাব। কাৰো দোষ নাই অথচ দুয়োপক্ষই দোষী। গোঁহাই ছাৰেও সম্ভৱত মিঠা ধমকিৰে কাটিং মাৰিবলৈ নাপাহৰিব। তাতকৈ এই পৃথিবীত সেই ধূসৰ গৰ্বলি ক'ত কি হৈছে, নহৈছে—ঘটিছে, ঘটিছে—সেইবোৰ একো নজনা। ভেশ ধৰি, আম্লাৰ মাছ ধৰি খাব নজনা মানুহটোৰ দৰেই এটা মধুৰ স্পৰ্শক বাস্তৱ-সাৰ্থকতা দি নিশ্চলহৈ প্ৰস্তৰ মূৰ্তিৰৎ বহি থকাই শ্ৰেয়।

শেৱালীৰ পাছিৰ দৰেই মধুৰ, স্নিগ্ধ আৰু কোমল শিশু দেহৰ শীতলতাৰ স্পৰ্শৰ আমেজখিনিয়ে মোক যেন স্বপ্ন-লোকত মোহাবিষ্ট কৰিহে ৰাখিলে। হাত-ভৰি লৰালে অথবা চেপিৰখা উশাহটো দীঘলকৈ এৰি দিলেও, গাতে লিপিত থাই থকা প্ৰতিমাখনিত যেনিবা প্ৰাণ সঞ্চাৰহৈ, লাজতে মূৰ্চ্ছিতা হৈ মোৰ গাৰ পৰা খহি পৰি, এবা দিয়, কল্পিত কণ্ঠলগ্ন ছিন্ন হৈ যাব।

এটি স্পৰ্শৰ বাবেই, অথবা এটি দৃষ্টিৰ বাবেই একোখন ৰাজ্য এটা জাতি, তাৰ ভাষা-সাহিত্য-সংস্কৃতি হয়তো আকাশ লংঘী অভ্ৰ-

গভিত আগবাঢ়ে, নহয় অধোগতিৰ পাতাল-গহ্বৰৰ অতল তলিৰ ঘনান্ধকাৰত সোমাই পৰি আত্ম-বিলুপ্ত হৈ যায়। তাৰ বাবেই যুদ্ধ-বিগ্ৰহ, মাৰি-মৰক, কেঁচা তেজৰ নৈৰ বোঁৱতী সুঁতিৰ সৃষ্টি হয়। আইনাত এটি মাত্ৰ দৃষ্টি,—ভীম সিংহৰ পত্নী পদ্মিনীৰ মুখচন্দ্ৰ-দৰ্শনৰ এটি মাত্ৰ হুতাহেই মেৱাৰৰ বুকুলৈ চিৰসন্ধ্যা নমাই আনিছিল। বিয়েট্ৰিচৰ এটি মাত্ৰ দৃষ্টিয়েই 'ডিভাইন কমেডি'ৰ জন্ম দিছিল ডাণ্টেৰ 'ভিটা নোৱাভা'ৰ জন্ম দিছিল। শকুন্তলাৰ অধৰ চুম্বনকাৰী ভ্ৰমৰৰ প্ৰতি ঈৰ্ষাই কৰলৈ গলে অভিজ্ঞান শকুন্তলা নাটৰ জন্ম ৰহস্য। এই সকলোবোৰতেই মান-অভিমান, যাচ্‌ঞা, যুদ্ধ-বিগ্ৰহাদি আছিল। কিন্তু মোৰ মধুৰ অভিজ্ঞতাটো অযাচিত ভাবেই পোৱা কাৰোবাৰ আত্ম সমৰ্পণ, আত্ম-বিজ্ঞাসা, আত্ম-দৰ্শন। তাক অৱমাননা কৰাটো পংগুত্বৰ পৰিচায়ক নহয় জানো। শক্তি সংযমৰ পৰাকাষ্ঠা দেখুৱাবলৈ যাওঁতে সব্যসাচী, গাণ্ডীৱধাৰী পাৰ্থও পংগু হৈ গৈছিল। যেতিয়া উৰ্বশীৰ ৰূপৰ জোৱাৰেও এই পংগুত্বক উটুৱাই নিব নোৱাৰিলে— নাৰী-মুখ দৰ্শনৰ উপযুক্ত নহয় বুলি বীৰ ধনঞ্জয় অভিশাপ গ্ৰস্ত হ'ল— অন্ততঃ সাময়িক ভাবে হলেও শক্তি-সংযমে তেওঁক পংগুত্ব দিব নালাগিছিল—তেওঁক বীৰ্য্যবান কৰি ৰাখিব লাগিছিল।' ছিঃ। নিৰ্বোধ মই, মই এইবোৰ কি ভাবিছোঁ বাৰু। মৰাশৰ দৰে নিশ্চল নিথৰ হৈ মই দেখোঁ কেৱল ভাবতেই লেটা কুন্দাইছোঁ। শেৱালীয়ে হয়তো ভাবিছে—'এই মানুহজনৰ প্ৰাণ-বায়ু কেতিয়াবাই ওলাই গৈছে, শ্বাস-প্ৰশ্বাসৰ প্ৰক্ৰিয়াটোৱেও তাকেই কৰ বিচাৰিছে যেন লাগে। নহলেনো এইখিনি সময়ত এবাৰো, অলপমান হলেও লৰচৰ নকৰিলেহেঁতেননে? কিন্তু শেৱালীৰ মনৰ কথা মই কেনেকৈ জানিলোঁ? ইয়াৰ বিপৰীতটোওতো সম্ভৱ হব পাৰে। অৱশ্যে শেৱালীৰ শৰীৰ-মনৰ অৱস্থাটোও তথৈবচ—নিশ্চল, অবিকৃত। এতিয়াওতো শেৱালীৰ বুকুৰ স্পন্দনটো মই পূৰ্বৰ দৰেই উঠা-নমা কৰা

গম পাইচোঁ। দুজনৰ মাজৰ ব্যৱধান'টো যেন আক হ্ৰাস কৰিব বিচাৰিছে। হায় নাৰী! তুমি কি প্ৰহেলিকা, তুমি কি যে বিচিত্ৰা! তোমাৰ দেহত চুম্বক-মায়া, তোমাৰ চকুত প্ৰণয়ৰ উপচ্ছায়া, তোমাৰ মনত দুৰ্বোধ্য সাগৰ—তোমাৰ চিত্তত ই কিহৰ কাতৰ প্ৰাৰ্থনা! মই গুৰু হৈ এজনী শিষ্যাৰ কথা, ৰূপ এনেদৰে কল্পনা কৰা বা বিশ্লেষণ কৰাতো জানো পাপ নহয়? কিন্তু পৰস্ত্ৰী গোপিনীবোৰেনো কোন, ভক্তা নহয় জানো? কিন্তু মই যে তেজ মঙহৰ সমম্বয়—ক্ষুদ্ৰ মানুহ। ঐশী শক্তিৰ মহিমাৰতো ইয়াত প্ৰশ্ন নাই।

কিন্তু শেৱালী কোন? তেওঁ যদি শিষ্যা হৈ গুৰুৰ পৰা দীক্ষাৰ পৰিবৰ্তে বিষয়ৰ আশ্ৰয় ভিক্ষা কৰে, তেনেহলে তেওঁৰ পাপ নহ'বনে? ওহো, হয়তো নহয়। শেৱালী এতিয়াও প্ৰায় অবোধ বালিকাই। বয়সৰ আচোঁৰবোৰ এতিয়াও শেৱালীৰ জীৱন দৰ্শনটোক অভিজ্ঞতা আৰু পূৰ্ণতাৰ ফালে লৈ যাবলৈ যথেষ্ট হোৱা নাই। কিন্তু মইতো দুই এটা কথা বুজি চাব পাৰোঁ। মোৰ সন্তুষ্টিৰ ভাৱ পোষণ কৰাৰ যুক্তি ক'ত? কিন্তু অন্যায় অযুক্তি কৰ হলেও, মধুৰ বাস্তৱ এটাক অস্বীকাৰ কৰাৰ নৈতিক শক্তিখিনি কিমানেইবা পায়? এঠা লগা দিয়া দুটা দেহৰ এটাৰ পৰা আনটো একৰাই আনিবলৈ যথেষ্ট আড়ম্বৰ যথেষ্ট আলোড়ণ—সৃষ্টিৰ প্ৰয়োজন হব নিশ্চয়। এনে আলোড়ণ, আড়ম্বৰ নানেই জ্ঞানকৃত, স্বেচ্ছাকৃত দুষ্কাৰ্য—পাপকাৰ্যৰ বহিঃপ্ৰকাশ, দুখজনেই পানীৰ তলত ডুবিযাই ডুবিয়াই পানী খোৱাৰ চেষ্টা বুজি অনুভৱ কৰা নাই জানো? গতিকে এটা প্ৰবল ভূমিকম্পৰ জোকাৰণিৰ আশু আৱশ্যক হৈছে বুলি অন্ততঃ মই অনুভৱ কৰিছোঁ। যি জোকাৰণিয়েহে দেহ-বিচ্ছেদ-ব্যৱস্থা সহজসাধ্য কৰি তুলিব, মধ্যস্থতা কৰিব পাৰিব, মিথিৰ লোভৰ অভিপ্ৰায়টোক নিবৃত্ত কৰাব পাৰিব। অৱশ্য 'এনে আৰ্থ প্ৰয়োগৰো উদাহৰণ আছে। মই কলেজত পঢ়া সময়ত একাধিক অধ্যাপকেই—সেই কলেজৰে ছাত্ৰীৰ

পাণিগ্ৰহণ কৰিছিল—তেনে এজনতো পিচত গৈ শিক্ষাধিকাৰো হৈছিলগৈ। কিন্তু মই ইমান দূৰলৈ ভবাৰ প্ৰশ্নই নাই। হয়তো অনিচ্ছাকৃত আৰু অজ্ঞাত এটি মাত্ৰ ভাৱতেই—অৰ্থাৎ স্পৰ্শটোতেই আদি আৰু তাতেই অন্তহীন অন্ত। সেই সীমাৰ সিপাৰে মহাশূন্য।

কি আশ্চৰ্য সংযোগ! হঠাৎ বাচখন এটা ভয়ঙ্কৰ জাপমাৰি এনে ধৰণে একাষৰীয়া হৈ গ'ল—যেন ই লুটি খাইহে পৰি গ'ল! কিন্তু গাড়ীখন কাণে বাণ মাৰিহে লুটি খাই নপৰিল, ভীষণ জোৰত কিছুদূৰ গৈ এডাল প্ৰকাণ্ড গছৰ গাটোৰে চুচৰি গৈ সুৰসুৰীয়া বাটটোৰ দাঁতিত থিয়হৈ ৰ'ল। বাচৰ ভিতৰতেই কোন ক'ত ছিটিকি পৰিল—তাৰ একো নিৰ্ণয় নহ'ল।

বৰ্ণালীহঁত বহি থকা ফালে বাছখন সম্পূৰ্ণ এচলীয়া হৈ যোৱাত কিছুমান ছোৱালী ছিটিকি বাছৰ মজিয়াত পৰি গ'ল। বৰ্ণালী কোনোমতে পৰোঁ নপৰোকৈ আধা এলেমি ৰ'ল, শেৱালী সম্পূৰ্ণ ভাবে বৰ্ণালীৰ ওপৰতে পৰি গ'ল। শেৱালী আৰু মোৰ মাজৰ ঠাই খালীহে পৰাত বাছখনৰ উজুটিটোৱে চিটহে পৰা শেৱালীৰ শৰীৰৰ ওপৰতেই মোৰ শৰীৰটো পেলাই দিলেনি। সোণৰ বালা পিন্ধা হাতখন শেৱালীৰ নিজৰ মূৰৰ ওপৰতেই পৰিছিলগৈ। মই উফৰি গৈ মুখ থেকেচা খাই পৰিলোঁ—সেই বালাৰ ওপৰতেই। মোৰ ওঁঠ কপাল কাটি গ'ল। শেৱালীৰ কপালৰ সিন্দুৰৰ ফোটটো মোৰ সেই তেজে ৰাঙলী কৰি এনেভাবে ঢাকি ধৰিলে যে—শেৱালীৰ গোটেইখন কপালেই যেন এটা মাত্ৰ তেজৰ ফোটৰ চিনাকি হৈ পৰিল। খিড়িকীৰ লোহা হাতেৰে মুঠি মাৰি ধৰি আউজিগৈ বাহিৰত দৌৰি থকা গছ-গছনি, হাবি-জঙ্গল, নদী-পাহাৰবোৰ চাই চাই তৃপ্তি লাভ কৰাটো মোৰ চিৰকলীয়া নিয়ম। এনেহে ভাগ্যৰ ফেৰ—ঠিক তেনেদৰে ধৰি থাকি থাকি হাতখন এৰি দিয়া এটা সময়তেই এই ভীষণ অভাৱণীয় দুৰ্ঘটনাটো ঘটি গ'ল। লোহাডালত ধৰি থকা

সময়ত দুৰ্ঘটনাটো ঘটিলেও - লোহাডালেই হয়তো মোৰ বলী হাতৰ বজ্ৰ মুঠিত লাগি আছিলহেঁতেন। হাতৰ মুঠিটোও সেই সময়ত হয়তো নিশ্চয় শিথিল হৈ আছিল। অভ্যাস বশতঃ এনেয়েই ধৰা আছিল হয়তো শেৱালীৰ সান্নিধ্যই মুষ্টিক শক্তিহীন কৰি পেলাইছিল। শেৱালীৰ ফালেই হয়তো অজ্ঞাতসাৰেই মই পতনোন্মুখী হৈ পৰিছিলোঁ।

ক্ষন্তেকৰ আচন্দ্ৰাই শাম বটাৰ পাচত দুজনমান ল'ৰা আৰু বৰ্ণালীয়ে মোৰ ওঁঠ আৰু কপালৰ তেজৰ চেকুৰাবোৰ লাহে লাহে মচি দিলে যদিও তেজ বৈয়েই থাকিল। শেৱালীৰ কপালৰ তেজ কৰাল মাৰিলে—নিজেই মচাৰ ভঙ্গী কৰি আনক মচিব নিদিলে। ঘটনা-টোত কিবা দৈৱীক স্পৰ্শ থকা যেন লাগিল।

ড্ৰাইভাৰে বাছৰ পৰা নামি চাই দেখিলে—আলিবাটৰ ওপৰতে পথালিকৈ এটা সৰু নৰ্দমা খান্দি এই মাত্ৰ শুকান, সৰা, পকাপাত বোৰ কোনোবাই জাপি থৈ গৈছে। এনে ক্ষেত্ৰত গাড়ীৰ চালক আৰু পালী বন্ধুৰা আদি বিশেষ অভিজ্ঞতা থকা লোক। এটা নিশ্চিত বিপদৰ কথা আসন্ন যেন ভাবি যোনে যেনিয়েই আছে তৎক্ষণাৎ বাছত উঠিবলৈ কৈ ড্ৰাইভাৰে তড়িৎ গতিত যান এৰি দিলে। সন্মুখত ভয়াবহ বিপদৰ কথা ভাবি সকলোৱে নিজৰ আঘাতৰ কথা পাহৰি গ'ল। কিন্তু গাড়ী এৰাৰ লগে লগেই এদল মানুহ চিঞৰ-বাখৰ কৰি গাড়ীৰ পিচে পিচে খেদি আহিল। সিহঁতে গাড়ীলৈ কিবা কিবিবোৰ দলিয়ালে যদিও গাড়ীৰ দুই এখন আয়না ভঙাৰ বাহিৰে বিশেষ একো অনিষ্ট নহ'ল। অভিজ্ঞ চালকে নিৰাপদেই গাড়ীখন বিপদ সীমা অতিক্ৰম কৰি লৈ আহিল। প্ৰায় দহ বাৰ মাইলমান পথ অহাৰ পিচত গাড়ীৰ ভিতৰত দুই এটা ক্ষীণ-দুৰ্বল স্বৰ শুনা গ'ল। এজনে কলে—'ছাৰৰ শক্তিয়ে কাম নিদিলে আজি।' এই কথাত মই তৎক্ষণাৎ উত্তৰ দিলোঁ—'ইয়াত শাৰীৰিক শক্তিৰ পৰিবৰ্তে আন্তৰিক

প্ৰেম আৰু শ্ৰদ্ধাৰ শক্তিৰ প্ৰয়োগহে আছে। পাহাৰী পৰ্বতীয়া জাতি সকল আমাৰ তথাকথিত ৰাজনৈতিক নেতা সকলৰ বিভাজন-শীল নীতিৰ বাবে বিচ্ছিন্ন অথবা আজি প্ৰায় এপাগী হৈছে। গুৰিবে পৰা আমাৰ ভাই-ভনী, ককাই ভাই বুলি সাঁৱটি লৈ কাৰ্য নিৰ্বাহ কৰিলে— আজি অসমৰ এনে দুৰ্দশা নহ'লহেঁতেন। ছশ বছৰীয়া ইন্দ্ৰবংশী শাসন আৰু শক্তিক বলে পৰা শক্তি এদিন ভাৰতত নাছিল। তেওঁ লোকৰ পাছৰ নেতা সকলে অলপ মগজুৰ শ্ৰম কৰি ভ্ৰম এৰাহেঁতেন— ছয় হাজাৰ বছৰৰ কথাও ভাবিব পাৰিলেহেঁতেন কিজানি। স্বৰ্গ দেউ চক্ৰধ্বজ সিংহ ৰুদ্ৰসিংহ আদিৰ শাসন পদ্ধতি, মহামতি মহাবীৰ লাচিতৰ সামৰিক শক্তি, আঁতন বঢ়াগোঁহাই আদিৰ মন্ত্ৰণা শক্তি আজি পৰিচয় হীন হৈহে পৰিছে। ইন্দ্ৰবংশী স্বৰ্গদেউ সকলৰ ৰাজ্যত আজিৰ অসমীয়াৰ, দৃৰৰপৰা তলে তলে গাঁত খান্দি অহা 'ইন্দুৰ' বংশীৰ প্ৰচ্ছন্ন আক্ৰমণত নাম্নং নাবস্থং হোৱাৰ বাহিৰে গত্যন্তৰ নাই। ভিতৰৰ গৰ্ভনাবেংগীয়ে জীৱন ক্ৰমে ক্ৰমে কীটাবিদ্ধ কৰি নাশ কৰে, ভিতৰ শত্ৰুৱে দেশ ছন কৰে। বন্ধুত্ব, ভ্ৰাতৃত্বৰ এনাজৰী সুলকি পৰে।

আজি কেইজনমান ল'ৰাই যদি সৰল সহজ চকীদাৰ জনক এই দুৰ্ব্যৱহাৰ নকৰিলেহেঁতেন, কি মধুৰ পৰিবেশ এটাৰেই সৃষ্টি নহলহেঁতেন। কিছু সময়ৰ মাত্ৰ আগতেই তেওঁলোকৰ চাওঁলৈ গৈ আমি কি মধুৰ সম্ভাষণেইযে নাপালো। তোমালোকৰ বহুতেই তাক ভাবিব নোৱাৰা। অলপ দূৰদৃষ্টি বা অন্তদৃষ্টি নহলে জীৱনৰ মধুৰ সুৰবোৰ হেৰাই যোৱাৰ সম্ভাৱনাই বেছি। দিলেহে পায, নিদিয়াকৈ খুজিলে হেৰাই যোৱাৰ ভয় পাবলগীয়াটোও হেবোৱাবহে ভয় বেছি। মৰমে সকলোকে বশ কৰে Amor vincit Omnia · ··· ' ভক্তিত দেৱতাও বশ হয় Auditque vocatus Apollo. সময় পৰিৱৰ্তনশীল আমিও তাৰ লগতে তেনেই। নিজক বচাবৰ বাবেই নিজক ত্যাগ কৰা, আত্মাক পূৰ্ণ কৰিবলৈকেই আত্মাক

আকোৱালি ধৰা, নিজক ৰিক্ত কৰা। শান্তি লাগে যদি যুজলৈ সাজু হোৱা। মিছামোহ তোমাৰ প্ৰতিপক্ষ, বিবেক তোমাৰ ন্যায় ৰথৰ সাৰথি। মই আহিলোঁ দেখিলোঁ, জয় কৰিলোঁ। আকৌ A word to the wise is enough. He who gives promptly, gives twice. Tempora mutantur, Nos et mutamur illis (L) এনেকথা আমাৰ শাস্ত্ৰতো আছে—'শ শৰৎ (বছৰ) দেখিম শ শৰৎ (বছৰ) শুনিম শ শৰৎ বছৰ) জীয়াই থাকিম।' এইটোৱেই যদি পণ হয়, ৰণটোও ঠিক তাৰ অনুপাতেই হব লাগিব। প্ৰায় সকলোৱেই নিজৰ ঠাইত ঠাকুৰ আৰু পৰৰ ঠাইত কুকুৰ বোলা জনশ্ৰুতিটো অৰ্থহীন নহয়। ইয়াৰ মম উপলব্ধি কৰিছে কৰ্মত প্ৰবৃত্ত হোৱা যুগুত। অৱশ্যে জ্ঞানী আৰু বিদ্বানৰ ক্ষেত্ৰত ইয়াৰ কিছু ব্যতিক্ৰম আছে। 'স্বদেশে পূজ্যতে ৰাজা বিদ্বান, সৰ্বত্ৰ পূজ্যতে।' যোগীজনে নিজগাঁৱতহে ভিক্ষা নাপায়।

ওঠৰ বিষ বেছি হৈ যোৱাত মই সিদিনা কথা বন্ধ কৰিবলগীয়া হলোঁ। 'কণা মানুহক ৰামধনুৱে কোনটো অনুভূতি আনি দিব? পূৰ্বজ্ঞান (বা পূৰ্বৰাগ) নাথাকিলে—ৰমণীৰ অংগ স্পৰ্শ, শিশুৰ অংগ স্পৰ্শৰ কোনো শ্ৰেণীগত পাৰ্থক্য নাই। ৰামধনুৰ কোনো ৰং বা গোন্ধ আছেনে নাই সেইটো দৃষ্টিহীনৰ অজ্ঞাত। কিন্তু দৃষ্টি-বন্দী বস্তুত সেইবোৰ গুণ বৰ্তমানত হলেও সৃষ্টি কৰিও লব পাৰি, তাত আৰোপ কৰিব পাৰি। দুৰ্গাৰ ৰূপত আকাংক্ষিত কি গুণৰ অভাৱ—? এই সূক্ষ্ম তথ্যৰ ওপৰত ভিত্তি কৰিয়েই সম্ভৱ নীলকণ্ঠই ৰমাক পিচত নিৰ্বাচন কৰিছিল। ৰমা ৰূপৱতী হওক বা নহওক—ৰমাৰ বাহিৰৰ অৱয়ৱটোৱেই নীলকণ্ঠৰ ধ্যাণ-ধাৰণা বা 'কনচেপ্‌শন্‌'। আনৰ বাবে ই শুদ্ধ নহবও পাৰে। ৰমাৰ দেহ সৌষ্ঠৱত চুম্বকত্ব আছে।

সাৰদা, শেৱালীৰ ৰূপৰ লগত ৰমাৰ ৰূপৰ তুলনা কৰিব নোৱাৰি। সাৰদা, শেৱালীৰ ৰূপ স্নেহ-শ্ৰদ্ধা-ভক্তিতেই সীমাবদ্ধ আৰু ৰমাৰ

ৰূপত এই সকলোবোৰৰ লগতে প্ৰেম আৰু ৰমণ ভাবৰ আচটো বা স্পৰ্শটোহে অধিক জাগ্ৰত। ঘৰৰ চুকত বহুৱাইলৈ তপস্যাৰত উমাৰ ৰূপত শেৱালীয়ে নিজকে প্ৰতিষ্ঠা কৰা যেন অনুভূত হৈছিল গিৰিৰাজৰ ওচৰতো হে'না এই প্ৰস্তাৱ উত্থাপিত হৈছিল। কিন্তু শৈলাধিপৰ দ্বাৰা প্ৰস্তাৱ অনুমোদিত হলেও, স্বীকৃত হলেও, কলিকতা মহানগৰীৰ কোনো ধন কুবেৰৰ ধনৰ প্ৰতিযোগিতাৰ ক্ষেত্ৰত—ই গৃহীত নহ'ল।

বিয়াৰ কিছুদিন পিছতেই শেৱালী পৃথিৱীৰ মাৰা এৰি গুচি গৈছিল— আলহীঘৰ-পৃথিৱীৰ মায়া এৰি, নিজৰ অচিন হৈ যোৱা চিনাকি ঘৰৰ বাট বিচাৰি বিচাৰি, মহাপ্ৰস্থানৰ গীত গাই গাই চিৰকাললৈ অদৃশ্যহৈ গ'ল এই পবিত্ৰ 'বোকা মোৱ।' শুনা কথা শেৱালীৰ মৃত্যু হোৱা নাছিল – তেওঁ দেহটোক বিদায় দিছিল। বৃন্তচ্যুতাহৈ শেৱালী লেৰেলি নো যোৱাটোহে যেন অস্বাভাৱিক হলহেঁতেন। নীলকণ্ঠৰ ভাৱ জগতক তেওঁৰ ডায়েৰীৰ এইবোৰ ইংগিতৰ মাজেদি মূৰ্ত কৰি তোলা যেন লাগে। ইংগিতময় তেওঁৰ টোকাবোৰ।

'নীলকণ্ঠই কথা'বাৰ বুজাত হেনো সময় লয়। বহুতেই তেওঁক 'টিউব লাইট' বুলিও ৰগৰ কৰিব বিচাৰে। শেৱালীৰ মনত কিহবাৰ নীড় গোঠা বা ৰচনা কৰা হৈছিলনে নাই— সেই নীড় কেৱল তৃণ গুষ্ঠিত নে পকী দালান হৈ পৰিছিল—এই বিচাৰ আপোন ভোলা নীলকণ্ঠ পণ্ডিতে কেতিয়াবা কৰিছিলনে? অতুল ঐশ্বৰ্যৰ মালিক-জমিদাৰ দুহিতা শেৱালীৰ অন্তৰখন ঠিক শৰতৰ শেৱালীৰ পাহিৰ দৰেই কোমল লেউ-সেউ নিমজ, স্নিগ্ধ আৰু সুগন্ধি বুলি তৰ্কিবই পৰা নাছিল তেওঁ। শেৱালী-নীলকণ্ঠ—দুয়ো উচ্চ ব্ৰাহ্মণ কুলোদ্ভৱ হলেও দুয়োবো মাজত এটা বৃহৎ বাধাৰ প্ৰাচীৰ দণ্ডায় মান। এজন অসম সন্তান—নীলকণ্ঠ ফুকন, কণৌজৰ পূৰ্ব পুৰুষৰ

বংশধৰ হৈছে, আনজনী বঙালী ব্ৰাহ্মণৰ দুহিতা। ঠিক এই বাধাটোৱে নীলকণ্ঠৰ অন্তৰত হয়তো কেতিয়াও ঠাই নাপালেহেঁতেন, বৰং দেশ, জাতি আৰু সংস্কৃতিৰ স্বাৰ্থত ইয়াক এটা সুস্থ মিলন সেতু বুলি গণ্য কৰিলেহেঁতেন। এটা বহল আদৰ্শৰ কাৰণে বিবাহৰ প্ৰতি অনিচ্ছা আৰু ব্যক্তিগত আদৰ্শটো ও হয়তো বাদ দিব পাৰিলেহেঁতেন। কিন্তু নীলকণ্ঠৰ এই উদাৰতা, এই আদৰ্শ থাকিলেও শেৱালীৰ পৱিত্ৰতা-উচ্চ মানৰ আৰু শুদ্ধ হলেও—বিভিন্ন উপায়ে গচ্ছিত ধনৰ সযত্ন ৰক্ষিত সোণাধন শেৱালীৰ পিতৃ-পৰিয়ালৰ সেই আদৰ্শ, উদাৰতা আৰু বহল দৃষ্টি ভংগীৰ দ্বাৰা পূৰ্ণ হোৱা নাছিল। ধন বস্তুত সোণাধন সৰু ঠেক গণ্ডীৰ। তাত বাহিৰৰ কাৰো কোনো বস্তু সোমাব পৰা ঠাই নাই। সেই মানুহখিনিৰ ঠেক সোণাত বাহিৰৰ ধন সম্পদৰ বাহিৰে বাহিৰৰ উচ্চ মানৰ সংস্কৃতিৰ তিল ধাৰণাৰ ঠাই একো নাই কোনোদিনেই, কোনো কালেই নাই, হয়তো নহবও।

কুৰি শতিকাৰ মানুহখিনিৰ বাবে চন্দ্ৰলৈ যোৱাটো— চন্দ্ৰপুৰ চন্দ্ৰনগৰ অথবা চণ্ডীগড়লৈ যোৱাটোৰ সদৃশ হৈছে যেন। কিন্তু নীলকণ্ঠৰ বাবে 'বাই চকল'ত উঠাটোৱেই জীৱনত সম্ভৱ নহ'ল।

প্ৰথম অৱস্থাত, অধ্যাপক হোৱাৰ সময়ত এবাৰ গৰমৰ বন্ধত 'বাই-চিকল' শিকিব বুলি লৈ— জপিয়াই ওপিয়াই কিছু দূৰ গৈ ওপৰত উঠিল, কিন্তু এক চোচাই গুৱাল বগৰীৰ ডাল-পাত আৰু কাঁইটৰ মাজত তীব্ৰ বেগেৰে হেঁও সোমাই পৰিল। গোটেই গাটোতেই বগৰীৰ কাঁইটবোৰ সোমাই গ'ল। গাটো তেজেৰে তুমকলি দিলে। নীলকণ্ঠৰ জীৱনত আৰু 'বাই-চিকল' শিকা নহ'ল। বাই-চিকল আৰোহণ— তেওঁৰ জীৱনত এটা অপূৰ্ণ হাবিয়াসৰ বস্তু হৈ ৰ'ল। ব্ৰহ্মপুত্ৰত সাঁতুৰি আঁৰ পাহাৰত উঠা, ব্ৰহ্মপুত্ৰত নাও বোৱা, দিনটোৰ ভিতৰতেই গৰু-গাড়ীৰে একো গাড়ী খৰি-কটা, বন্ধা-বঢ়া, কাপোৰ ধোৱা, গান-বাজনা-নৃত্যাভিনয় কৰা, বেচলিং খেলা, বাজহুৱা

সভা-সমিতি আদিত বক্তৃতা দিয়া, দেৱ-দেৱীৰ মূৰ্তি সজা আদি এনে বহু কামত তেওঁ সুদক্ষ, অগ্ৰণী আৰু আগবণুৱা। সমাজ-সেৱী আৰু ওৱাকিবহাল ব্যক্তি নীলকণ্ঠই সদায় সকলো কাম সুচাৰু ৰূপে আৰু নিয়াৰিকৈ কৰাৰ ওপৰত গুৰুত্ব দিছিল আৰু নিজেও তেনে দৰে কামবোৰ কৰিবলৈ চেষ্টা কৰিছিল। এজন প্ৰবীণ বঙালী অধ্যাপকে এসময়ত এটা বিশেষ ইংগিত দি কৈছিল— ‘অধ্যাপক ফুকন, আপোনাৰ খোৱা-বোৱা, ৰন্ধন প্ৰণালী ইত্যাদি উচ্চখাপৰ যে আপুনি অতি উচ্চ কুলৰ বঙালী ব্ৰাহ্মণৰ সুকন্যা এজনীহে বিয়া কৰোৱা উচিত। উত্তৰত নীলকণ্ঠই কৈছিল— ‘অসমীয়া ছোৱালীয়ে বহু বঙালী ছোৱালীতকৈও বহু ভালকৈ ৰান্ধিব জানে’— অকল অসমীয়া পাটৰ কাপোৰ পিন্ধি মহান অসমীয়া কৃষ্টি ৰক্ষা কৰাই নহয়, সহধৰ্মিনীৰ পৱিত্ৰ কৰ্তব্য পালনত তেওঁলোক অদ্বিতীয়া, অসমীয়া নাৰীৰ এটা মহান ঐতিহ্য আছে। অৱশ্যে ভোজন পৰিবেশন পদ্ধতিটো বঙালী নাৰীৰ ক্ষেত্ৰত অতি স্পৃহণীয়। আধুনিক সভ্যতাত এনে সহধৰ্মিণীও আছে— যি হয়তো স্বামীক ভাতকেইটা বাঢ়ি দিয়েই টুথপেষ্ট আৰু ব্ৰাচটোলৈ দাঁত মাজিবলৈ ধৰে গৈ—পানী এগিলাচো দিয়াৰ নাম নাই। গাতকৈ ভাত-আঞ্জা কিবা অলপ লাগিলেও ছুনাই তাক খোজা নহয়।

গা-পা ধুই ভাত-ৰন্ধা প্ৰথাটো প্ৰায় উঠিযেই গৈছে যেন লাগে। এইটো এটা পুৰণিকলীয়া এলান্ধু লগা, উৱলি যোৱা যুক্তিহীন প্ৰথা বুলি যুদ্ধোত্তৰ ভাৰতীয় সংস্কৃতিয়ে কয়। এই সকলোবোৰ কথাৰেই মৰ্মবোৰ ৰমাৰ বুকুৰ মাজত সুমুৱাই লৈ আবেগ-বিহ্বল নীলকণ্ঠই ৰাতিৰ পিচত ৰাতি কৈ গৈছিল—অকপট চিত্তেই, বিৰাম বিহীন ভাবে। উদাৰ সংযমী নীলকণ্ঠই হৃদয় উজাৰি দিওঁতে দিওঁতে সংযমৰ বান্ধ প্ৰায় সুলকি গৈছিল। তেওঁ মাথো ৰমাৰ বুকুত নিজক বিচাৰিছিল।

বমাব পবিয়ালব দৰ্শন পৃথক। সেই দৰ্শন মতে 'অতীতব সকলো জীৱন-বিভ্ৰাট-গাথা গোপন পেটাৰিত আবদ্ধ কৰি ৰখা উচিত। সকাপাক বমাব মাকে এই কঠা আদেশ আৰু নিৰ্দেশ দি ৰাখে। পুৰণি বিষ্ঠা খুচৰিলে দুৰ্গন্ধহে ওলায়। সহস্ৰ সহস্ৰ সুগন্ধি ফুল আৰু ধূপ ধুনাৰ গন্ধযো কুশ্ৰী মৰলাৰ গোন্ধক ঢাকি ৰাখিব নোৱাৰে। গতিকে অনিষ্টকাৰী সৰ্বনশীয়া বীজাণু যুক্ত মৰলাক গভীৰ গাঁতত পুতি মাটি জাপি নাইকিয়া কৰাৰ বাহিৰে গত্যন্তৰ নাই।' পুণ্যতকৈ ঐহিক সুখ অধিক কাম্য।

পৰ-বেদ।

নীলকণ্ঠৰ মানসিকতাত— শৈশৱৰ পৰাই দেশাত্মবোধ আৰু ভক্তিপ্ৰৱণ অন্তঃসত্তা এটা দকৈ শিপাই আছিল। মাতৃৰ মুক্তাবস্থা সন্তানৰ চিৰকাম্য। শৈশৱৰ পৰা নীলকণ্ঠৰ এয়েই একমাত্ৰ ধ্যান, জ্ঞান আৰু মহামন্ত্ৰ আছিল।

উনৈশ শ বিয়াল্লিচ চনৰ দেশৰ মুক্তি যুদ্ধ জনিত ভাৰত জুৰি সৃষ্টি হোৱা গণ আন্দোলনৰ ছাত্ৰ নেতা হিচাপে নীলকণ্ঠই এটা সুপ্ৰতিষ্ঠা লাভ কৰিছিল। প্ৰাণপন কৰি আন্দোলন কৰি, সংগিন আৰু বন্দুকৰ গুলিৰ পৰা কথমপি প্ৰাণ ৰক্ষা পৰাত তেওঁ নৱ-জীৱন লাভ কৰিছিল।

'দেশ স্বাধীন হ'ল বহু নেতাই দেশপ্ৰেম মন্ত্ৰৰ বিধিপাৰ অগ্নিদাহ কৰিলে। অধিকাংশ বাইজেও বুটিছে জন্মদি যোৱা শিশু চৰকাৰখনক মৰ্যদাহীন কৰি নিজেই নপতা ফুকনহে পৰিল। দেশখন শিশুৰ ধূলি-খেলা হ'ল নে ভগৱানৰ দয়াক অপেক্ষা কৰি বৰ্তি

থাকিল—সেইটো নিৰ্ণয় কৰা টান হ'ল। আন্দোলন, ত্যাগ, প্ৰাণ বলিদানবোৰ বিফলে যাব নেকি ?” জেললৈ যোৱা অথবা শ্বহীদ হোৱা—এটাও নীলকণ্ঠৰ লক্ষ্য নাছিল। লক্ষ্য আছিল—ভাৰত মাতৃৰ স্বাধীনতা, অখণ্ডতা প্ৰাপ্তি, পথ আছিল—অহিংস সংগ্ৰাম পণ আছিল, আত্ম বলিদান। নীলকণ্ঠৰ অৱস্থা হ'ল নযযৌ নতস্থৌ। স্বাধীনতা যুদ্ধৰ পূতাত্মাবোৰ প্ৰেতাত্মা হোৱাৰ উপক্ৰম হ'ল। নীলকণ্ঠই কৈছিল—স্বাধীনতা লাভৰ বাবে প্ৰাণ বিসৰ্জন দিব পৰাটোহে বৰ আনন্দৰ কথা।

আজি মই মাজ পথাৰৰ অকলশৰীয়া পত্ৰ পুষ্প-ফলহীন তৰু সুদীৰ্ঘ দিন চলা অকল শৰীয়া মুমূৰ্ষু অৱস্থাটোৰ ই পুনৰাবৃত্তিহে যেন। পুত্ৰ-কন্যা তিৰোতাক মাজে মাজে সপোনতহে লগ পাওঁ—কিন্তু দূৰ, বহু দূৰৰ পৰাহে সিহঁতক এবাৰ মাত্ৰ ছয়া-ময়াকৈ দেখা যায়। সিহঁত এৰি যায়—মই সাৰ পাই উঠি উপভোগ কৰিবলৈ বাধ্য হওঁ মোৰ নৈৰাশ্যৰ দীৰ্ঘ হুমুনিয়াহবোৰ, অবাধ্য গোপন অশ্ৰুবোৰ—আন্ধাৰত খেপিয়াই খেপিয়াই পোৱা মুক্তশূন্যবোৰ—শূন্যৰ ব্ৰহ্মাণ্ডবোৰ। অতীতবোৰ ৰূপালী পৰ্দাৰ ছায়া মূৰ্তিৰ দৰেই বৰ্তমান হৈ যায়, বৰ্তমানবোৰ ক্ৰমে বৰ্তমানৰ বুকুতেই অতীত হৈ হেৰাই যায়। পুত্ৰ-কন্যা পৰিবাৰে মোৰ দৰে হতভাগ্য নীলকণ্ঠৰ নীৰৱ বেদনাৰ কথা জানে জানো ? পৰ্বত প্ৰমাণ ঢৌবোৰ সাগৰৰ বুকুতেই গুজৰি গাজৰি মৰি মৰি সাগৰৰ বুকুতেই পুনৰ নিতাল মাৰে, নিশ্চিহ্ন হৈ যায়, কিন্তু । পাৰৰ দৰ্শকে দুঃখৰ চিন মোকামো উলিয়াব নোৱাৰে। সাগৰ দেখাত সাগৰেই হৈ থাকে বঢা-টুটা একো নাই—ক্ষুদ্ৰ, দুৰ্বল মানুহ কিন্তু সাগৰ হ'ব নোৱাৰে। মোৰ দুখ আছে, কিন্তু ৰমাৰ দোষ নাই—ৰমাক মই এতিয়াও ফুলৰ দৰে পৱিত্ৰ দেখোঁ, ভাল পাওঁ প্ৰাণ ভৰি। কিন্তু ৰমা এখন অপৰিণামদৰ্শী পৰিয়ালৰহে কৰুণ বলি— মোৰ ৰমাৰ দুৰ্ভাগ্য এইখিনিতেই।

ধনৰ মোনাখন মই ৰমাৰ হাতত বেচিযাবাই তুলি দিছোঁ। অলপ পঢ়া-শুনা কৰি ভাল পাওঁ– জঞ্জাল, অনৰ্থবোৰ পাৰিলে এৰাই যাওঁ, সৰ্বনাশৰ সময়ত সৰ্বস্ব ত্যাগ কৰিব পৰা মনোবৃত্তি এটা মন গহ্বৰত সংগোপনে গঢ়ি উঠা যেন আজি কালি উপলব্ধি কৰিবলৈ ধৰিছোঁ।

মোৰ আশাৰ থলি ল'ৰা ছোৱালীকেইটিবো কিবা এটা প্ৰচ্ছন্ন মূৰ্তি যেন নতুনকৈ গঢ় লব খুজিছে। এনে এটা প্ৰত্যক্ষ আশংকাত মোৰ হৃৎপিণ্ড বৈ বৈ কম্পিত হোৱা যেন অনুভৱ আৰু উপলব্ধি কৰিছোঁ। ৰমাৰ পৰিয়ালৰ সীমা-পৰিচালিত আদৰ কায়দাৰ নীতি-পাঠখন ইতিমধ্যে সিহঁতেও আয়ত্ত কৰি পেলাব খুজিছে। সিহঁতো কি নাই নহয, মই এনে এটি মৰ্মান্তিক বিপৰ্যয়ৰ বাবে কোনো কালেই সাজু হব নোৱাৰোঁ। কিন্তু নিয়তিৰ হাতৰ পুতলা আমিবোৰ নাচি পাৰো নে? বাহিৰ নাচোনত হাত-ঠং ভঙাৰ সম্ভাৱনা হয়তো থাকিব পাৰে, কিন্তু ভিতৰৰ নাচোনত কলিজাৰ দম্ বন্ধ হৈ যোৱাৰ সম্ভাবনাই বেছি। এই আশংকাটোহে ভযাবহ।'

ডাঙৰ ল'ৰা কমলে বি, এছ চি পাছ কৰি এটা ডাঙৰ অফিচত 'এপ্ৰেন্টিচ' বা শিক্ষা নবীচি কৰি আছে। নীলকণ্ঠই তাৰ বিযাখনো বৰ আড়ম্বৰেৰেই পাতি দিযাৰ ইচ্ছা কৰিছে। দ্বিতীয় ল'ৰা বিমল। তেওঁ তিনি চাৰি বছৰেই আধা-আধি পৰীক্ষা দিয়েই ইতি কৰে, ফলস্বৰূপে তাৰ আৰু ডাক্তৰী পৰীক্ষা পাছ কৰা নহ'ল। অৱশ্যে পঢ়া-শুনাত বেচ চোকা ল'ৰা বুলি তাৰ খ্যাতি আছিল। ৰমাৰ বান্ধৱী সীমাৰ মতে পঢ়া শুনা কৰি কি লাভ? মাহৰ মূৰত চাকৰিৰ দৰমহাৰে শাড়ী এখনৰো দাম নুযুৰিবগৈ। আজিৰ যুগত টকা লাগে। অৱশ্যে টকা অহা চাকৰি যোগাৰ কৰিব পাৰিলে খুব ভাল কথা।'

ল'ৰা-ছোৱালী কেইটিক উপযুক্ত শিক্ষিত কৰি তোলাটো ৰমাৰো

প্ৰবল ইচ্ছা, কিন্তু সেই শিক্ষা বা বিদ্যা অৰ্থকৰী বিদ্যাৰ তুলনাত সেৱাৰ বিদ্যাহে হব লাগিব। নীলকণ্ঠই ধাৰ-পুৰাৰ নকৰাকৈও ভালে-খিনি টকা সিঁচৰি দিলে, কিন্তু তাৰ এবো ফল নহ'ল। টকাবোৰ অথলেই গ'ল।

ৰমাৰ বান্ধৱী সীমাৰ ঘৰ তীৱৰ বুকীয়ে ভাড়ালৈ ভাত বেবেৰিবাং অফিচ খুলিলে। নিচাৰাম নমঃশূদ্ৰ হ'ল তাৰ মালিক বাতিও নিচাৰাম সীমাৰ পৰা ভাড়া লোৱা কোঠালাটোতেই থাকে। ৰমাহঁতৰ পৰিয়ালৰ সীমাতেই সীমাহঁতৰ ঘৰত সেই তীৱৰ অফিচ। সীমা স্বামী পৰিত্যক্তা। সীমাই সন্তান জন্ম দিয়াত একেবাৰেই নাৰাজ। সীমা আধকুৰীয়া। নিচাৰামৰ তীৱৰ নিচাই বহুতকেই বাতুল কৰিছে। তৃতীয়বাৰ ঘৈণীয়েকৰ নমস্য দম্ভতা হৈয়ো আজি সীমাৰ ঘৰত গৌতমবুদ্ধৰ দৰে ত্যাগৰ মাহাত্ম্য দেখুৱাই ৰাতি মদৰ বটলবোৰ নকুতৈল বেচেৰা নিচাৰাম পৰি থাকে। নিচাৰামৰ প্ৰতি সীমা আৰু ৰমাহঁতৰ ঘৰৰ দৰদৰ সীমা নাই। 'কেইবছৰমান আগতে তোমাক এনেভাৱে পোৱা হ'লে পৃথিবীখনৰ এটা গোপন নতুন ৰং দেখা পালোঁহেঁতেন'—সীমাই বৰ আবেগ মিশ্ৰিত কৰি কথাষাৰ কয়। অগ্নিদগ্ধাহে মৃত্যু হোৱা দ্বিতীয় ঘৈণীয়েকৰ কথা কলে হেনো তাক শোকে খুন্দা মাৰি ধৰে। কথা কওঁতে উলিয়াব নিদিয়ে। মানুহে কয়—সেই কুৰা জুই বহুসময়ৰ জুই আছিল বৰ নবনৰ জুই। সেই জুইকুৰাৰ কথা কলে নিচাৰামে নবুত হেনো কমাৰশালিৰ বৰ হাতুৰীৰ কোব পৰা যেন অনুভৱ কৰে।

ৰাতিটো অফিচ কমত থাকি মেকিং আদি অন্যান্য অতি গোপনীয় কামবোৰ কৰিব লাগে কাৰণে—প্ৰথম ঘৈণীয়েকক চুবুৰীয়া দেশৰ অন্তৰ্গত কোনোবা এখন গাৱঁত মাকৰ ঘৰত থৈ আহিছে গৈ। প্ৰথম ঘৈণীয়েকৰ অপেক্ষাকৃত লঘু (নিৰ্বাসন দণ্ডৰ প্ৰস্তাৱটো সীমাই হেনো প্ৰথমতেই উত্থাপন কৰিছিল, আন্ধাৰ ৰাতি খিড়িকীৰ

কাষলৈ আহি আওৰাজ নিদিবা ' এনে ভাৱৰ কিবা এটা আধুনিক হিন্দী গান সীমাৰ মুখত প্ৰায়েই শুনা যায়। ৰমাই গানটোৰ মূল্যায়ণ কৰি তীব্ৰ নিন্দা কৰে।

সীমাৰ প্ৰতি ৰমাৰ ঘৃণা উপজে, সীমা ব্যৰ্থ হৈ পৰে। পূতি গন্ধময় নলাৰ সিপাৰৰ সেই ঘৰটো—ধনী দুখীয়া—বহুতৰ বুকুৰ তেজৰ থালীত ভিজোৱা ইটাবোৰেৰে সজা হৈছে। বহুতৰ বুকুকেই তীৰে ঠকা সৰকাৰৈ বিন্ধি অযুৰন্ত, অবাৰিত ৰক্ত ধাৰ বোৱাইছে। দেৱাল আৰু ছালৰ সেই চিমেণ্ট মাটিবোৰ তেজত ডুবি গোটখাই নিষ্ঠুৰ হোৱা শৈলখণ্ড ৰূপে ছদ্মবেশ লৈ আছে। ৰক্ত-লোলুপ 'কাৰ্ণিভৰাচ' ইটা বোৰতো নগ্ন আদিম প্ৰবৃত্তি যেন লাগি আছে। বাৰী মালিক'ৰ দৰেই সিহঁতো একোটাইত অদৃশ্য নিশাচৰ। বিছুমান মহিলাৰ বুকুতো তীক্ষধাৰ উজ্জ্বল তীৰবোৰ, সুৰাশক্ত লম্পট নীচ পুৰুষ নাম ধাৰী জন্তু-বুৰীবোৰৰ নিক্ষেপ কৰিছিল, বহুতৰেই মৰ্মস্থল চাই নিক্ষেপ কৰা হৈছিল। সেই নীচ জঘণ্য পশুবোৰে স্বভাৱ-সৰল নাৰীবোৰৰ দুবলতা ধৰি—শ্বাৰ শিয়ালৰ দৰেই তৰ্কি লৈছিল। ধনেই সমুদ্ৰ মন্থনপ্ৰাপ্ত অমৃত গৰল। ভগৱতীৰ দৰে নাৰীৰ এটি চাৰুনিয়ে লক্ষ পুৰুষৰ শিৰ তেওঁৰ চৰণত অৰ্পণত কৰায়—কৰাব পাৰে। কিন্তু অসত্য-বিবাৰ গ্ৰস্ত চাৱনিয়ে শ্বাপদ-পুৰুষৰ জিভাৰ পানী পেলায়। সেই চাৱনি নিজৰেই ৰক্ত-মাংস শোষণৰ মাধ্যম হৈ পৰে। কবিবোৰাক হয়তো লেহনটো দিয়েই ই ক্ষান্ত হবলৈ চেষ্টা কৰে। বিছুমানে আকৌ তীক্ষ্ম ধাৰ তীৰবোৰ নিজে নিজে বুকু পাতি লৈ ধন্য মানে। কলকল ধাৰেৰে স্খলিত ৰক্ত ধাৰাত সযত্ন পালিত কুসুম-কোমল পবিত্ৰ সেই নাৰীৰ সৌন্দৰ্য-সতীত্ববোৰ, ঘোলা নৰ্দমাৰ আৱৰ্জনা মিশ্ৰিত কৰ্দ্দম হৈ উটি যায়। বহুতেই কৰ্দ্দমাক্ত চিহ্নবোৰ যতে ত'তে এৰিথৈ গৈছিল। সিবোৰ বৈ বৈ গৈ এটি অখাত পাইছিলগৈ।

'পুহমহীয়া দিনবোৰো যেন আচৰিত ধৰণে দীঘলীয়া হৈ ৰে পৰি নাহেহে নাহে—ৰাতিবোৰ যেন চকুৰ পচাৰতে উৰুলি যায়। তীব্ৰ গৰমটোৰ কথা সোনাই ইতিমধ্যে স্বীকাৰ কৰি লৈছে। শীতৰ সেমেকা ৰাতিও অসহ্য জ্বালাময় গৰমত পোক লগা গৰৰ দৰে সোমা খৰ্‌ফৰ্ চট্‌ফট কৰি কুকুৰ দৌৰাদি বাহিৰ ওলাই যায়, ৰাতি বাৰটা-এটা পৰ্যন্ত সোনা কৰবাত হেৰাই যায়।

নিচাৰামৰ অফিচ-কোঠালাত কৰ্মচাৰী দুজনে কামকাজ শেষ কৰি দৰমান বজাত খুচি যায়। প্ৰায় ডেৰ-দুই বজাত সম্পূৰ্ণ উলংগ প্ৰায় নিজৰ কৃষ্ণবৰ্ণ দেহাটোক ধল্‌পল্ কৰাই টানি আনি নিচাৰামে কথৰ্মণি অফিচ কমত উপস্থিত কৰাইছি। নিচাৰামৰ মুখত ন'ক্ৰ এৰাব কথা আপোনাটা দিয়ে—'আমি তাদেৰ শেষ ৰাজা। লাটেৰ টুক্‌ৰো কয়েকটা দিয়ে আমি সফেদ হাতী কিনতেছি এবং বাবহাৰ লাটবেৰ আসৰ পেতেছি।' নিচাৰামে বৰ্ণমালাৰ আখৰ কেইটাৰ লগত পৰিচয় নোহোৱাকৈয়ে দিগ্‌বিজয়ী বীৰৰূপে অন্দৰ মহলাবাৰত সু-পৰিচিত হ'ল। সি ইমানেই ডাল-দৰিদ্ৰ আছিল যে প্ৰথম অৱস্থাত বাটে-পথে পৰি থকা আধাপোৰা বিড়িৰ টুকুৰাবোৰ বুটলি বুটলি পান কৰিছিল। আধপোৰা বিড়িৰ টুকুৰা উপভোগৰ নিচাই আদৰ্শ পুৰুষজনক ইহ জগতৰ সকলো নিষিদ্ধ নিচাৰেই যোগীশ্বৰ কৰি তুলিছিল। ত্ৰিম'কাৰ, পঞ্চ'ম'কাৰৰ পৰম ভক্তহৈ পৰিছিল সি। একান্ত ভক্তিত তদ্গতচিত্তহৈ কেতিয়াবা এই পৰম ভক্তজন গড-খাৱৈত পৰি থাকি, নিশাৱসান পৰ্যন্ত আবৰ্জনাৰ লগত পৰম মৈত্ৰী স্থাপন কৰি আছিল। সি হয়তো সপোন দেখিছিল—'ৰাণীৰ ওঁঠত ওঁঠটি দি আছিলোঁ। নিচাল্ দি '। কিন্তু ইকি? নিচাৰামৰ ওঁঠ দুটা যেন ঢেকীথোৱা হৈ পৰিছে। গাল দুখন যেন পৰম ভক্ত মাৰুতিৰহে গাল! গালৰ বৰণটোত কপিকুলৰ ৰাজপাত প্ৰয়াসী সুগ্ৰীৱৰহে আকাশ নীলা আভা। শুককৃষ্ণ গলগ্ৰন্থ ধাৰা

বিস্ফুৰিত । একাধিক সীতাহৰণ ভাওনাৰ অভিনয় প্ৰয়াসী হোৱাত বেচেৰা নিচাৰাম এই অৱস্থাৰেই যথোপযুক্ত ভাবে পুৰস্কৃত হৈ পৰে। গতিধাৰাটো পুনঃ পুনঃ প্ৰবাহমান হোৱাত নিচাৰাম-পুৰুষৰ আগপাৰি দাঁত স্ব-স্থান পৰিত্যাগ কৰি বহুখিনি অগ্ৰৱতী হৈছে।

কিছু দিনৰ পৰা খেৰৰ সৰু ছালি এখন বাহিৰতে দি সীমাই শনি পূজা কৰা আৰম্ভ কৰিছে। কিন্তু বৈঠকখানাত নিচাৰামৰ আওৱাজ আৰু বিশেষ সংকেত-ধ্বনি শুনাৰ লগে লগেই শনি পূজাৰ নিচা বাঢ়ি যায় আৰু লগে লগেই অন্ধকাৰ বৈঠকখানাৰ 'নিচা'ত সীমাই 'অসীম'ত অস্তিত্ব হেৰুৱাই পেলায়। সীমাই নিয়মিতৰূপেই ৰমাক শনিপূজালৈ নিমন্ত্ৰণ কৰিযেই নেৰে—জোৰ কৰি ৰমাক লৈ যায়, অনিচ্ছা স্বত্বেও ৰমা শনিক ভক্তি কৰিবলৈ যাবলৈ বাধ্য হয়- পূজালৈ নগলে হেনো শনিৰ বোষত পৰে।

এবাৰ নীলকণ্ঠ কোনো এটা বন্ধত কাৰ্যক্ষেত্ৰ এৰি গধূলি স্বগৃহত উপস্থিত হ'ল গৈ। শনি পূজাৰ দৰ্শক হিচাবে সীমাই ৰমাক নিজৰ ঘৰলৈ লৈ গৈছিল। প্ৰায় দহটা মান বজাত ৰমা ঘৰলৈ আহি নীলকণ্ঠক দেখি কিছু আচৰিত হৈ গৈছিল। ৰমাই কৈছিল— 'সীমাই মোক শনি পূজালৈ জোৰ কৰি মাতিলৈ গ'ল। নোযোৱাকৈ থাকিবলৈ ভয় লাগে বাবেহে গলোঁ।' 'যোৱাটো ভাল, কিন্তু যলৈ যাবা তাৰ পৰিবেশ শুদ্ধ হোৱাটো অত্যন্ত আৱশ্যকীয়। সীমাক তুমি নজনা নহয়, তোমাৰ সুউচ্চ সামাজিক সন্মান আৰু প্ৰতিষ্ঠা আছে, গতিকে বিবেকক সুধি কাম কৰা আৰু পদক্ষেপ দিয়া উচিত নহয় জানো? বেয়া নাপাবা—মোৰ অন্তৰে কৈছে—শুভৰ পৰিবৰ্তে তুমি নিশ্চয় কিবা অশুভহে দেখিছা বা দেখিবা। ইয়াৰ সমিধানটোৰ বিষয়ে তোমাৰ চিত্তক সোধা' নীলকণ্ঠ যেন কিবা এটা অশুভৰ প্ৰত্যক্ষ দৰ্শীহে, এনে এটা নিশ্চিত ধাৰণাই ৰমাক কিছু বিচলিত কৰি তুলিলে। ৰমাই যেন ক্ষণিকৰ বাবে হলেও

সত্যটো উপলব্ধি কৰিলে, সীমাৰ প্ৰতি ৰমাৰ প্ৰকৃত আৰু স্থায়ী ঘৃণা উপজিল। সীমা সম্বন্ধে তেওঁ ব্যঙ্গোক্তি প্ৰকাশ কৰিলে 'বুজিছে—শনি গ্ৰহক আধা সন্তুষ্ট কৰি নিচা গ্ৰহক পূৰ্ণ সন্তুষ্ট কৰিবলৈ সীমা উধাতু খাই বৈঠক খানাৰ অন্ধকাৰৰ বংখিনিলৈ লৰি গ'ল। নিস্তব্ধ অন্ধকাৰৰ নিচাই সীমাৰ অস্তিত্বক হয়তো পূৰ্ণ গ্ৰাসেই কৰি পেলালে। বিজুলী চাকিটো দ্ৰবীভূত হোৱা বুলি ভাবি কোনোবা এজনে চাকিটো জ্বলে নে নজ্বলে—চাবলৈ যোৱাৰ লগে লগেই সীমা নিজেই বিজুলীৰ বেগে'ৰে গৈ স্নানাগাৰত প্ৰৱেশ কৰিলে গৈ। ধাৱমানা সীমাৰ এখন কুৎসিৎ কদাকাৰ আৰু পূৰ্ণ বিকৃত মুখকেই আৱিষ্কাৰ কৰিবলৈ সক্ষম হলোঁ মই। সীমা পক্ষাঘাত ৰোগ গ্ৰস্তা হ'ল নেকি? সীমাৰ পদাক্ষেপ'ৰাৰ পক্ষাঘাত ৰোগীৰ দৰেই অস্থিৰ আৰু খৰক্ ৰৰক্ প্ৰকৃতি-প্ৰভাৱিত যেন আছিল। নিৰক্ষৰ নিচাৰামে নীলকণ্ঠ অৰ্থাৎ গৰল গলাধঃকৰণ কৰিব নোৱাৰা মহাদেৱৰো অভিধানত নথকা দুটা মাত্ৰ শব্দ উচ্চাৰণ কৰি বাহিৰৰ বিস্তৃত আন্ধাৰত মিলি গ'ল। নিচাৰাম প্ৰৱেশ কৰা আন্ধাৰ কোঠাৰ বিজুলী চাকি জ্বলিল, 'মৰ আঁউসীৰ আন্ধাৰখিনি' পোহৰ হৈ গ'ল। কিন্তু বাহিৰত কৃষ্ণ পক্ষৰ আন্ধাৰখিনি সম্ভৱতঃ আন্ধাৰেই থাকি গ'ল।' ৰমাই কথা শেষ কৰি এটা অস্বস্তিকৰ ভাব ব্যক্ত কৰিলে। সেই নিশাটো ৰমাক বুকুৰ ধিপ্ধিপনি আৰু দীৰ্ঘ-সঞ্চিত উমটোৰ পৰশদি নীলকণ্ঠই কথা কৈয়েই কটাই দিলে।

অজ্ঞাত আন্ধাৰত কিছুদিন প্ৰচ্ছন্ন পাণ্ডৱ হৈ নিচাৰামে লোক মানসৰ বাঃ বাঃ লাভ কৰিলে। নিচাৰাম, ৰমাৰ মাতৃ-পৰিয়ালৰ বুকুৰ কুটুম্ব, কলিজাৰ আগমগুহ, উদাৰ বন্ধু—বান্ধৱি ঘৰৰ পৰা শোৱা পাটীলৈকে—তাৰ অবাধ-মুক্ত গতি, মুক্ত আচৰণ, তাৰ নিসংগভাৰ প্ৰতি আন্তৰিক (?) দৰদ আৰু সহানুভূতি। ৰমাৰ ভনীহঁতকো মাজে সময়ে শাৰিখন, ব্লাউজটো, বক্ষ বন্ধনীটো, চুৰি কেইপাতমান

দি নিচাৰামে 'উদাৰ চৰিতানাং বসুধৈৱ কুটুম্বকম্' সূত্ৰটো নিখুঁত ভাৱে প্ৰমাণ কৰি দেখুৱায়। নীলকণ্ঠ জোঁৱাই এলাগী হৈ যাব। নিচাৰামে ৰমাৰ ভনীইঁতক ভাগ ভাগকৈ নিজেই চিনেমালৈ লৈ যাব, নিজ হাতে ব্লাউজ আৰু বক্ষ বন্ধনীৰ জোখ লৈ যায়, অৱশ্যে দিনৰ পোহৰত পৰিয়ালৰ আগত জোখটো নলৈ ৰাতিৰ আন্ধাৰত লৈ নতুন ধনী মানুহৰ ঘৰৰ নতুন ধনৰ শ্ৰীসংৰক্ষা কৰাৰ জ্ঞানটো উদাৰ পুৰুষজনৰ আছে। উত্তপ্ত লোহা ডালহে কোবালে আকৃতি লয়। শান্ত লোহাৰ প্ৰকৃতি লৰোৱা টান।

ৰমাই লৰা-ছোৱালী কেইটা বাহিৰত ৰাখিব খুজিছিল। যুক্তিটো আছিল—বাহিৰত লৰা-ছোৱালীৰ মনবোৰ বহল দৃষ্টি-ভংগীযুক্ত হয়, পঢ়া শুনাত বিস্তৃত পৰিবেশ, পৰিসৰ আৰু প্ৰতিযোগিতা পায়। ৰমাৰ যুক্তিত যথেষ্ট সুবিধাৰ ইংগিত থাকিলেও অসুবিধাও আছে। নীলকণ্ঠই কৈছিল— ৰমা, তোমাৰ প্ৰস্তাৱত সুবিধাৰ লগতে অসুবিধাও যথেষ্ট আছে। প্ৰথম কথা, লৰা ছোৱালীক ঘৰৰ পৰা দূৰত ৰাখি শিক্ষা দিয়াৰ ক্ষেত্ৰত গধুৰ ধনৰ টোপোলা এটাৰ নিশ্চিত সংস্থান লাগিবই। দ্বিতীয়তঃ চিৰ-কাল পিতৃ-মাতৃৰ পৰা আঁতৰত থকা লৰা-ছোৱালীবোৰ পিতৃ-মাতৃ-বিদ্বেষী আৰু বিদ্ৰোহী হৈ পৰাৰ সম্ভাবনাও থাকিব পাৰে। তৃতীয়তে—ভাজ দিব আৰু খাব পৰা কোমল বয়সবোৰত পিতৃ-মাতৃৰ অকৃত্ৰিম, আন্তৰিক মৰম-স্নেহ আৰু সৎশিক্ষা লাভৰ পৰা বঞ্চিত হৈ যোৱা সন্তানবোৰ যিমানেই কি ভাল আৰু বুধিয়ক নহওক নালাগে—সিহঁত বিজতীয়া শিক্ষাৰ অধিকাৰী হৈ পৰে। সিহঁত মৌলিক আৰু দেশৰ বংশ পৰম্পৰা শিক্ষাৰ পৰা বিচ্ছিন্ন হৈ অচিনাকি হৈ যোৱাৰ সম্ভাৱনাটো প্ৰায় সুনিশ্চিত যেন লাগে। চতুৰ্থতে-সিহঁতে হয়তো বহুত বহুত মৰমেই পায়—সেইবোৰ কিন্তু প্ৰায়েই কৃত্ৰিম মৰম। কৃত্ৰিম মৰম পোৱা চৰিত্ৰবোৰ অকৃত্ৰিম আৰু নিৰ্ভেজাল হবলৈ অপাৰগ হৈ পৰাটোৱেই স্বাভাৱিক। সন্তানৰ মনত এনে

এটা গভীৰ ক্ষোভ-মূলক ধাৰণা সোমাই যায় যে— পিতৃ-মাতৃৰ নিজৰ সুখ আৰু আনন্দৰ কাৰণেহে সন্তানক এনে ভাৱে দূৰত্ব কৰে। পিতৃ-মাতৃ পৰিয়াল আৰু ওচৰ চুবুৰীয়া আদি আন মানুহৰ পৰা আঁতৰত থাকিলে—ক্ৰমে ক্ৰমে শিশুৰ মনৰ পৰা এই সকলো বোৰ আঁতৰ হৈ যায়। Out of sight is out of mind কথাষাৰৰ সঁচাকৈ নথকা নহয়। The child is the father of the man— ভৱিষ্যতৰ পিতৃজন ভৱিষ্যতৰ পূৰ্ণতাৰ অলংকৃত মানৱজন এই আজিৰ শিশুটিৰ ভিতৰতেই ছদ্মবেশী হৈ লুকাই আছে। তাক যি ভাৱনাকেই দিয়া যায়, সেইভাৱনাৰ প্ৰতীকতেই গঢ়ি উঠে তাৰ ভৱিষ্যতৰ সামগ্ৰিক পূৰ্ণ মানৱ সত্তাটো। চোৰৰ পৰিৱেশত চোৰ আৰু পণ্ডিতৰ পৰিৱেশত পণ্ডিত হোৱাটোৱেই স্বাভাৱিক সত্য বা তথ্য। অৱশ্যে তাৰো ব্যতিক্ৰম আছে। ব্যতিক্ৰমটো বিৰল— ই নিয়ম নহয়।

'তাঁতীৰ হাতৰ কাপোৰখন জগতখন জুৰিলে, তথাপি তাঁতীৰ গা উদি।' নীলকণ্ঠই আজি কালি এই কথাষাৰৰ মৰ্ম বৰকৈ উপলব্ধি কৰিব পৰিছে যেন। তেওঁৰ নিচিনা সামান্য দৰমহা পোৱা মানুহ এজনে যিখিনি ঘৰমাটি কৰিছে—সি তেওঁৰ মানত এখন সৰু সুৰা জমিদাৰী। লৰা ছোৱালীকেইটাৰ জাত-কৰ্ম বিয়াবাৰু, মাতৃ আদিৰ মৃতকৰ কাজ কৰ্মবোৰ তেওঁ এনে এটা পৰিসৰতেই সু-সম্পন্ন কৰি সকলোৰেই ভূয়সী প্ৰশংসা লাভ কৰিছে। অতি কম সময়ৰ বাবে ধাৰ ধুৰুৱা হ'লেও কোনো কাজ-কৰ্মতেই কোনো প্ৰকাৰৰ খতি-খুন নোহোৱাকৈ নীলকণ্ঠই সকলোখিনি সু-সমাধা কৰি আহিছে নীলকণ্ঠৰ তুলনাত দহ গুণ ধনী-প্ৰতিপত্তিশালী লোক বহুতেও তাৰ আধা খৰচতো কৰি তেনে কাম কৰা নাই।' এইবোৰ কথা লোক লিৰস্তৰৰ মুখে মুখে। 'নীলকণ্ঠ চাবৰ কাম কাজবোৰ সদায় ইলাহী কাৰবাৰ। ছোৱালীজনীৰ বিয়াখন যেনিবা কোনোবা ৰাজকুমাৰীৰহে মহাসমাৰোহৰ

এখন আছিল। বভাতলিব প্রকাণ্ড আযতন আৰু সাজ-সজ্জা, আচবাব, পোচাক পৰিচ্ছদ, গহনা-গাঁঠৰি, জা-জলপান ভোজ ভাত আদি বিয়াখনব সকলো কথাই ইলাহী কাববাব। প্রত্যক্ষদর্শী নহলে অতিৰঞ্জনৰ কথা বুলিয়েই বিশ্বাস হবব কথা। কৃচ্ছ সাধনৰ দ্বাৰা আৰু সন্ন্যাসী জীৱন যাপন কৰিবেই ফুকন চাবে অৰ্জা ধনেৰেই এইবোৰ সম্ভৱ কৰিছিল। জোঁৱাইও ৰূপে, গুণে বংশ মৰ্য্যাদাই যেন এজন সাক্ষাৎ ৰাজকুমাৰহে। নহবইবা কিয় ? তেওঁৰ উপৰি পুৰুষা হেনো ৰজাৰ গুৰু আছিল। তেওঁ এজন অকল অসম'ৰই নহয় —ভাৰত বিখ্যাৎ শাস্ত্ৰীয় সংগীতৰ সুগাযকো, তেওঁ নৃত্য বিদ্ আৰু চিত্ৰ শিল্পীও। যেনে লাখৰ মাজত জিলিকা জী, তেনে জোঁৱাইও। নীলকণ্ঠ ফুকনে জী-জোৱাইৰ উপযুক্ত মান সন্মান আৰু মৰ্য্যাদা ৰক্ষা হোৱাকৈ সকলো কামকেই কৰিছিল।

চিনাকি-অচিনাকি—সকলো মানুহৰ মুখতেই এইবোৰ কথা শুনি শুনি নীলকণ্ঠ ফুকনৰো কিছু পৰিমাণে ভাল লগাটো স্বাভাৱিক কথাই বুলিব পাৰি। কিয়নো এনেবোৰ কৰ্ম নীলকণ্ঠ, কণ্ঠভূষণ আৰু এই বংশৰ পূৰ্ব্ব-পুৰুষৰ পৰাই সাধাৰণ আৰু স্বাভাৱিককৰ্ম হিচাবেই চলি আহিছে। ইযাত গৌৰৱ কৰিবলগীযা একোৱেই নাই। নীলকণ্ঠই কথাবোৰ শুনিলেই ওপৰলৈ হাত তুলি দীন ভাবে কাতৰ প্ৰাৰ্থনা জনায — 'হে দৰ্পহাৰী দযামৰ। সপোনে সঁচিতেই কেতিয়াবা যদি অৱচেতন মনতো মোৰ কিবা 'অহং'ভাৱ আহি পৰিছে—তেনেহলে উপযুক্ত শাস্তি দি হলেও মোৰ দৰ্প হৰণ কৰিবা প্ৰভু। তোমাৰ অপাৰ কৰুণা-সিন্ধুৰ একবিন্দু কৰুণা প্ৰদান কৰি মোক উদ্ধাৰ কৰা, মোহ দূৰ কৰা ত্যাগৰ পথ আৰু সত্য দৰ্শাই কৃতাৰ্থ কৰা।'

মহাদেৱৰ ধনৰ যেতিয়া কুবেৰ ভড়ালী হয়, মহাদেৱৰ ঘৰত যেতিয়া সিদ্ধি দি দক্ষচোৰে বত্ন ভাণ্ডাৰ লুট কৰে, বত্ন ভাণ্ডাৰৰ ঠাইত যেতিয়া শূন্য ভড়ালাও পেলাই থৈ দিয়ে, বিষ পান কৰিবলৈও

যেতিয়া চৰক্তীযাটোবো মহঙ্গা বা মহামাৰী আৰম্ভ হয়, আৰু দয়াই প্ৰৱৰ্তোৱা সেই ভিক্ষাৰীবোৰৰ গৰ্ব-স্ফীত অন্তৰৰ করুণাৰূপী তাচ্ছিল্যৰ দংশন সহ্য কৰিবলগীয়া হয়—তেতিয়া বাৰু 'নীলকণ্ঠ'ৰ কণ্ঠ বেদনাৰ উত্তাপ মাত্ৰা নাবাঢ়িবনে?

নীলকণ্ঠৰ অন্তৰ নানা ভাবেৰে ভাবাক্ৰান্ত হৈ পৰে, মনক চাৰিওফালৰ পৰা ভাববোৰে জুমুৰি দি ধৰেহি। তেওঁ দিগ্বিদিক শূন্যহৈ যাব খোজে। 'এইযে ৰচিলোঁ গান সকলো মিছাই, বীণত আপোন সুৰ বাজি উঠা নাই' কবিতাৰ ছত্ৰটিয়ে নীলকণ্ঠৰ মনটোক ঘনে ঘনে কম্পিত কৰি তুলিব ধৰিলে। 'আপোন সুৰ'-টোনো কি? 'কাস্তৱ কান্তা কস্তে পুত্ৰঃ'– ভাৰ্যা পুত্ৰনো কোন তোমাৰ? 'ধন ধন বুলি মই ধন সঞ্চিলোঁ। বহুদিন খাম লম বুলি, ধন বৈলা পৰি দেহা গৈল চলি. যেন কচুৰ পাতৰ পানী ' পুত সুপুত তো কা ধন সঞ্চয়, পুত কুপুত তো কা ধন সঞ্চয়?' নীলকণ্ঠৰ মনত 'ৱন অনা এনে অসংখ্য সীমাহীন ভাবৰ জোঁৱাৰবোৰৰ কাৰণ কি? ভাব ৰাশিৰ মূল উৎসবোৰে ধীৰে ধীৰে যেন তিমিৰাৱৰণ অপসাৰিত কৰি আলোক পথত অগ্ৰসৰ হব ধৰিছে। সকলো থাকিও যেন একো নথকা এটি জীৱৰ নামেই আজি—নীলকণ্ঠ।

বিষ বেদনাৰ কণ্ঠহাৰলৈ নীলকণ্ঠই মাত্ৰ জীৱনত এটি আশাকেই পোষণ কৰিলে, তেওঁ দেশ মাতৃলৈকে সাহিত্য-সংস্কৃতিৰ যৎসামান্য হলেও অৰিহণা যোগাবৰ প্ৰযাস কৰিব। 'ভাষা-জননী এই নিঃকীনৰ নিকৃষ্টতম অৰিহণাত হযতো সন্তুষ্ট নহব। পূৰ্বৰে পৰা অন্তৰত পোষণকৰা এই কাৰ্যক পদে পদে অসংখ্য প্ৰাচীৰ সদৃশ বাধাই যেন ভেটা দিহে ৰাখিছিল। ইষ্ট-কুটুম্ব অওহী-বওহীৰ ঈৰ্ষাৰ আতিশায্যৰ কাৰণটো কি?

ৰমাৰ বাওঁ ভৰিখনত হঠাৎ এটা দুৰ্ঘটনা হৈ গ'ল। ৰমাই উঠিযোৱা বিল্লাখন কোনো অছিনাকি ট্ৰাকে খুন্দিয়াই দিয়াত ৰমা

গড়খাৰৈত লুটি খাই পৰি যোৱাত বাওঁ আঠুৰ হাড় ভাগি গ'ল। গুৱাহাটী মেডিকেল কলেজ হস্পিতালত ভৰ্তি কৰোৱা হৈছে। ৰমাই নীলকণ্ঠক বাতৰি পাবলৈ ব্যাকুল হৈ পৰি নীলকণ্ঠৰ ভ্ৰাতৃক তৎক্ষণাৎ কৰ্মস্থানত নীলকণ্ঠক খবৰ দিবলৈ ক'লে—কিন্তু ৰমাৰ পৰিয়ালৰ মানুহ আৰু নিচাৰাণে তেওঁৰ বাধা দি ক'লে—'কাম-কাজ, টকা পইচা নষ্ট কৰি নীলকণ্ঠ পাগলৰ দৰেই দৌৰি আহিব নিশ্চয়। খবৰ পাই এক মুহূৰ্ত কালো তেওঁ স্থিৰ হৈ থাকিব নোৱাৰিব। বৰং 'চিৰিয়াচ' হলে—তেতিয়াহে খবৰ দিয়া। হ'ব—এতিয়া নালাগে।' ঠিক সিদিনাই নীলকণ্ঠই টকা দি মাটি কিনা দলিল ৰেজিষ্ট্ৰি কৰি পেলাইছিল। ভগৱানৰেই হয়তো এইটো অভিপ্ৰেত আছিল। ৰমাৰ পৰম হিত-কাংক্ষীবোৰে নীলকণ্ঠৰ গাঁৱৰ মাটিৰ গঙ্গাত পেলোৱা কল্পনা তেওঁ নিজেই কৰিব নোৱাৰিছিল।

• বিশ্ব ব্ৰহ্মাণ্ডৰ নিয়ন্ত্ৰাজনৰ অদৃশ্য অলৌকিক মহিমা বুজা টান তেওঁহে প্ৰকৃততে মোৰ মাটি গঙ্গাত পেলোৱা নাটকটোৰ হয়তো পূৰ্ণ প্ৰৱৰ্তক। তেওঁ সংসাৰ নাটকটোৰ প্ৰৱৰ্তক—চিত্ত বৃত্তিৰ নায়ক, নিৰ্দেশক আৰু নিয়ন্ত্ৰক। সেই সং চিত্ত বৃত্তি প্ৰৱৰ্তক নাৰায়ণ দেহ-মন্দিৰস্থ আত্ম-দেৱ অথবা মন-দেৱতাক—'ৰমাৰ প্ৰেমে ৰমাৰ ভক্তিয়ে তোমাক আৱৰণ কৰিছে, আহ্বান কৰিছে—তুমি তুৰন্তে ৰমাৰ ওচৰলৈ যোৱা' বুলি এটা অভূতপূৰ্ব অভিনৱ সঁহাৰি বা ইংগিতহে যেন দিলে। ই নীলকণ্ঠৰ চিত্তক ব্যাকুল কৰি তুলিলে। প্ৰায় উজাগৰী নিশা এটা কটাই নীলকণ্ঠ পিচ দিনা ৰাতি পুৱাই গুৱাহাটীলৈ ঢাপলি মেলিলে।

শ্মশান বাসী ভূতনাথৰ দৰে নিদ্ৰাহীন ৰুক্ষ দেহটোলৈ ঘৰপাই নীলকণ্ঠ পোনে পোনেই গৈ ৰমাৰ খবৰ সুধিলে—যোৱা নিশাৰ ক্ষন্তেকীয়া নিদ্ৰাৰ বীভৎস সপোনে তেওঁক বাতুল প্ৰায় কৰি তুলিছিল। সকলো খবৰ শুনি, অত্যন্ত থৰক-বৰক পদক্ষেপেৰে হস্পিতাললৈ গৈ কোনো মতে ৰমাৰ 'পেয়িং ওৱাৰ্ড'ৰ বিচনাৰ কাষত বহি ৰমাক সাৱটি ধৰিলে।

দীৰ্ঘ প্ৰত্যাশিত তৃষ্ণাৰ হেপাহ পলুৱাই লোৱাৰ লগে লগে ধাৰাসাৰে তেওঁৰ চকুলো বব লৈ ধৰিলে। টপ্‌টপ্‌কৈ উঠা এগাল উত্তপ্ত চুমাৰ পৰশত বমা উত্তেজনাত চট্‌ফটাই উঠিল আৰু নীলকণ্ঠৰ ভুবাত্তৰে নাগ পাশৰ দৰে বেষ্টন কৰি পেলালে। বমাই– স্বস্তৰ পিচত নিজেই কৃত্ৰিম বাধা দি নীলকণ্ঠক বলে—'চকিত বহক, নাৰ্চ ডাক্তৰ আদি কোনোবা আহিব পাৰে। আপুনি কান্দিছে কিয়? মোৰ একোৱেই হোৱা নাই নহয়। অৱশ্যে পাটনাৰ মেডিকেল কলেজৰ স্পেচিয়েলিষ্টৰ এবাৰ দেখুৱালে ভাল বুলি কৈছে। নিচাৰামে সাত টকা নিজে পকেটৰ পৰা খৰচ কৰি সৌটো দৰৱ আনি দিছে। মোৰ নিজৰ মাই ভাই ভনী আছিল আৰু গ'ল, কিন্তু কোৱা সাহে দৰৱটো কিনি দিবলৈ কাৰো সহ নহ'ল মই কিন্তু সেই দৰৱ খোৱা নাই– আপুনি এটা আনি দিয়ক ভেঁই্যাহে খাম। 'যোৱা নিশা স্বস্তৰ বাবে মোৰ চকু জাপ গৈছিল, চিলমিলীয়া সপোনত দেখিলোঁ—এটা কুৎসিৎ কদাকাৰ কৃষ্ণকায় ভূত সদৃশ মূৰ্তিয়ে তোমাক খুব ভালবস্তু বুলি কিছুমান বহস্যজনক বস্তু খুৱাই দিছে। পিচত জনা গ'ল—সেইবোৰ হেনো কোনো মাৰাত্মক বেমাৰৰ বীজাণু। তোমাৰ পেট উখহিগৈ মৰোঁ মৰোঁ অৱস্থা হ'ল। সেই সুযোগতে সেই কুৎসিৎ মূৰ্তিয়ে তোমাক দুয়ো হাতে সজোৰে গলত চেপামাৰি ধৰিলে। তোমাৰ মুখেৰে তেজৰ ধাৰ বাল। মই ভীষণ আতংকত চিঞৰ মাৰি দিওঁতে সাৰ পাই গলোঁ। ৰেলগাড়ীৰ আন সুপ্ত যাত্ৰীবোৰো ভয় খাই সাৰ পাই উঠিছিল। মই গাড়ীৰ মজিয়াত পৰি যাওঁ যাওঁ হৈছিলোঁ। সপোনৰ মূৰ্চ্ছনাই মোক সম্পূৰ্ণ বিব্ৰত কৰিছিল।

গাড়ীৰ পৰা নামি পোন চাটেই মই ঘৰলৈ আহি তোমাৰ কথা সুধিহে এইবোৰ বিপৰ্যয়ৰ গম পালোঁ। তোমাক দেখি এতিয়াহে মোৰ মুখলৈ পানী আহিল। সকলো সেই সৰ্বনিয়ন্তাৰেই ইচ্ছা যেন লাগিছে। সি যিকি নহওক—তুমি ভাল পোৱা এটা খবৰ

দিওঁ—শুনা,—কিনিব খোজা মাটি ডোখৰ তুমি হাস্পাতাললৈ অহা সময়তেই বেজিষ্ট্ৰি কৰি পেলালোঁ। সেইখিনি সময়ত খবৰ পোৱাহেঁতেন, টকা পইচা লৈ নিশ্চয় তোমাৰ ওচৰলৈ দৌৰি আহিলোহেঁতেন আৰু মোৰ জীৱনত সেই মাটি কিনা নহ'লহেঁতেন। একে সময়তে চৰম বিপৰ্যয়—আৰু ভাগ্যোদয়—কি বিচিত্ৰ সংযোগ। এতিয়া তুমি সোনকালেই আৰোগ্য হলেই মোৰ শান্তি—এয়েই ভগবানৰ ওচৰত প্ৰাৰ্থনা মোৰ।'

নীলকণ্ঠই বহুতখিনি টকা-পইচা দি কিছুদিন পিচত ৰমাক পাটনালৈকে পঠিয়াই দিলে। লগত গ'ল ভায়েক আৰু লৰা এজন। ৰমাক ৰেল গাড়ীত তুলি দি ঘৰ পাই নীলকণ্ঠই দেখে লৰা অমলৰ তীব্ৰ কোবে জ্বৰ উঠিছে, ভয়ানক জ্বৰটো প্ৰায় ১০৬° ডিগ্ৰি পাওঁ পাওঁ অৱস্থা। লগে লগেই সেই গভীৰ নিশা মেডিকেল কলেজৰ অধ্যাপক ডাঃ কৃষ্ণ ফুকনক অনা হ'ল। তেওঁ পৰীক্ষা কৰি কলে—'ডিপথেৰিয়া হৈছে। আৰু আধা ঘণ্টা বা এঘণ্টাও পলম হলে ল'ৰাক বচোৱাটোৱেই টান হ'লহেঁতেন। দ্বিপ্ৰৰ ৰাতি চাৰি-পাচ মাইল দূৰৰ ফাৰ্মাচীৰ পৰা ৰাতিৰ ভিতৰতে বিশেষ দৰৱ আনি খুওৱা হ'ল বুলিয়েই সেই মহা সংকটৰ পৰা ল'ৰা কোনো মতে ৰক্ষা পৰিল। বিশেষ দৰৱ আহি নোপোৱালৈকে ই টা সিটো দৰৱ ব্যৱহাৰ কৰি ডাক্তৰ ফুকন ৰোগীৰ কাষত বহিয়েই আছিল। কিছুদিনৰ চুটীলৈ নীলকণ্ঠ সেইবাৰ ঘৰতেই আছিলহি। ৰমা চিকিৎসালৈ ফিৰি অহাৰ সময়টো নিশ্চিত নাছিল।

মৰা-মূৰ্চ্ছা বেমাৰী ল'ৰাক বুকুত সাবটিলৈ থাকোতে কিছু পূৰ্বৰ কথা নীলকণ্ঠৰ মনলৈ আহিল। বৰদিন উপলক্ষে ৰোমান কেথলিক গীৰ্জাত ধৰ্ম আলোচনী সভাৰ আয়োজন কৰা হ'ল। তালৈ প্ৰধান বক্তা হিচাবে একপ্ৰকাৰ জোৰ কৰিয়েই নীলকণ্ঠক লৈ যোৱা হ'ল। দুটি আমা-ডিমা ল'ৰা-ছোৱালী তেতিয়া নীলকণ্ঠৰ লগত আছিল।

মাত্ৰ এদিনৰ পিচতেই ফিৰি আহিব বুলি কৈ ৰমা গুৱাহাটীলৈ আহি প্ৰায় পোন্ধৰ দিন থাকিল— ৰমাৰ হেনো অসুখ হৈছে— ৰমাৰ মাক-ভায়েকৰ ঘৰৰ পৰা খবৰ দিলে। বন্ধা-বঢা খুওৱাৰ পৰা আৰম্ভ কৰি, সভা-সমিতি, কলেজ, বজাৰ— সকলো ঠাইলৈ সিহঁতক লৈ যোৱাৰ বাহিৰে আন কোনো উপায় নোহোৱা হৈছিল। গীৰ্জাত যীশু আৰু খ্ৰীষ্টিয়ানৰ ধৰ্মৰ তাৎপৰ্য ব্যাখ্যা কৰি থাকোতে সিহঁত দুয়োটা চকিত বহিয়েই টোপনি যায়। যীশু আৰু তেওঁৰ সৃষ্ট খ্ৰীষ্ট ধৰ্মৰ প্ৰেমত দীক্ষিত আৰু উদ্বুদ্ধ কৰ্ম-কৰ্তা কেইজনে কাষত পাৰি থোৱা সুন্দৰ গাদীত সিহঁত দুটাক শুৱাইদিয়ে আৰু আলফুলকৈ গা-মূৰ পিহি থাকে।

বিহুউৎসৱ আদিৰ মুকলি জন সভাতো সিহঁত দুটাক লৈ যোৱা হয়— এনেকি ৰমা থাকিলেও নিযা হয়। অতিপাত কষ্টৰ ফল স্বৰূপে নীলকণ্ঠ ৰোগাক্ৰান্ত হৈ পৰিল। গ্ৰহণী ৰোগত তেওঁৰ ধাৰাসাৰে ৰক্ত-ক্ষৰণ হবলৈ ধৰিলে। তেওঁ শয্যাশায়ী হৈ মুমূৰ্ষু হৈ পৰিল। ওচৰ চুবুৰীয়া কৃষ্ণ শৰ্মা, প্ৰজাপতি শৰ্মা, নৰেন বৰুৱা আৰু ৰজনী ডেকাহঁতে পাৰ্যমানে সমস্ত কাম কৰি দিলেহি। পালপাতি প্ৰতি ঘৰৰ ডেকাল'ৰা, তিৰোতা মানুহ এনেকি বয়সিয়াল মানুহবোৰো আহি ল'ৰা-ছোৱালী দুটাৰ লগত শুই থাকেহি।

নীলকণ্ঠৰ ঘৰলৈ অসুখৰ খবৰ দিয়া হ'ল। নীলকণ্ঠৰ ভাই এজন আহি সকলোটিকেই গুৱাহাটীলৈ লৈ গ'ল। ৰমাৰ মাকহঁতে হেনো ৰমাক সীমা দাসৰ লগত গুৱাহাটীৰ বাহিৰৰ ঠাইত ফুৰিবলৈ পঠিয়াইছে—ৰমাৰ তাত সম্পূৰ্ণ ইচ্ছা নাছিল বাধাও দিছিল। 'বিশেষতঃ সৰু সৰু ল'ৰা-ছোৱালী দুটাক ইমান দিন অকলে এৰি ঘূৰি ফুৰাটো মহামূৰ্খামি হব' বুলি ৰমাই কৈছিল। কিন্তু ৰমাৰ মাক ভনীয়েকহঁত নাচোৰ বান্দা। নিজৰ শৰীৰ, নিজৰ সুখ আনন্দ সকলোতকৈ প্ৰধান আৰু প্ৰথম কথা। আজিৰ যুগত স্বামী পুত্ৰৰ

লগত বন্দী হৈ থকাটোৱেই সতী আৰু আদৰ্শ গৃহিণীৰ লক্ষণ বুলি প্ৰমাণ নকৰে। 'তোৰো তো অসুখ-বিসুখ হব পাৰে। বাহিৰৰ হাৱা বতাহেও কিছু উপকাৰ কৰিব পাৰে' ইত্যাদি।

কোনো মানুহেই স্বভাৱ অথবা মুদ্ৰা দোষৰ পৰা সহজে নিষ্কৃতি নাপায়। নীলকণ্ঠই দিনটোৰ যিকোনো সময়তেই ল'ৰা-ছোৱালী-কেইটাক পঢ় পঢ় কৈ ব্যতিব্যস্ত কৰি তোলে। এই উপদেশ সম্ভবতঃ কোনো ল'ৰা-ছোৱালীয়েই ভাল নাপায়। পঢ় পঢ় কৈ অনবৰত খেচখেচাই থকাৰ ফলত সিহঁতৰ অপৰিণত নিৰ্বোধ মনত এটা পিতৃ বিদ্বেষী ভাৱ শিপাই পেলায়। ল'ৰা-ছোৱালীকেইটা নীলকণ্ঠৰ পৰা আঁতৰি যোৱা হ'ল। এই কথা জানিও, নীলকণ্ঠই নিজক শুধৰাব নোৱাৰিলে। 'সৰ্বম্ অত্যন্ত গৰ্হিতম' কথাষাৰিৰ তাৎপৰ্যও তেওঁ যেন পাহৰি গ'ল। ল'ৰাই দৰবস্ত মাকলৈ চিঠি লেখে—'মা, দেউতাই এইদৰে অনবৰত পঢ় পঢ় কৈ থকাটো এককথাৰ অসহ্য হৈ গৈছে। কেতিয়াবা আত্মহত্যা কৰি মৰি যাম কিন্তু।' চিঠিৰ পাঠ দিয়া ৰাহু কেতু, শনি গ্ৰহ এতিয়া সিহঁতৰ বুকু ওপৰত চাপিব পাৰিছে। নীলকণ্ঠৰ পূৰ্ণিমাৰ শুভ্ৰ জ্যোৎস্নালোকিত নিৰ্মল আকাশ তমসাচ্ছন্ন হৈ পৰিছে। ল'ৰা-ছোৱালীকেইটা জাৰিতহৈ থকাটোৱেই অলঙ্ঘ্য বাধাৰ প্ৰাচীৰ হিচাপে যেন কাৰোবাৰ সম্মুখত প্ৰধান ভেটা হৈ দিছে। ল'ৰ-ছোৱালীকেইটা নাই হৈ গ'লেই গ্ৰহণ সুসাধ্য হয়। তেজী সূৰ্যক অৱশ্যে বহু অমাবস্যাৰ গ্ৰহণেও ম্লান কৰিব নোৱাৰে।

নীলকণ্ঠ তেতিয়া ঘৰত আছিল। এদিন ৰাতি নিচাৰামে এটা পিলাচত অলপ চৰ্বিত জাতীয় জুলীয়া পদাৰ্থ আনি খাবলৈ নীলকণ্ঠক বৰকৈ অনুৰোধ জনালে। নীলকণ্ঠই বাৰে বাৰে অস্বীকাৰ কৰিলে। নিচাৰামে নিচাৰ কোনো স্থান কাল পাত্ৰৰ কথা পাহৰি নীলকণ্ঠক বাৰে বাৰে অনুনয় বিনয় কৰিলে পানীয়খিনি গ্ৰহণ

কৰিবলৈ। নীলকণ্ঠৰ সন্দেহ হ'ল—'কোনো কাহানিও নকৰা অনুৰোধটোৰ ইমান আন্তৰিকতা বা জোৰ কিয়? চৰ্বত ইমান অকণমান কেতিয়াবা, কাৰোবাক কোনোবাই দিয়ে বা যাচে নেকি?' ৰমাই খঙত বঢ়া পৰি নিচাৰামক কলে 'তুমি কি সাহসত তেওঁক এইকণ চৰ্বত যাচিছা? তেওঁতো তুমিহে নাজানা, বহুত উচ্চ জাতৰ মানুহৰ ঘৰতো বা হাততো এটোপ পানীও নাখায়, শুদ্ধ-পৱিত্ৰ অন্তৰেৰে আৰু অতি চাফ-চিকণকৈ দিলে চণ্ডালৰ ঘৰতো খাবলৈও হয়তো তেওঁতে ইতস্ততঃ নকৰে।' নীলকণ্ঠৰ কালৈ চাই ৰমাই বেদনা ভৰা অন্তৰেৰে কলে—'কিয় খাব আপুনি? কেতিয়াও নাখাব! আপোনাৰ মহান সামাজিক প্ৰতিষ্ঠা আছে, যিজনে দোকানতো একাপ চাহ নাখায়—সেইজন মানুহে এই তুচ্ছ বস্তুকণ নাখায় বুলি মই জানো। মই মৰ্মান্তিক আঘাত পাইছো। (নিচাৰামলৈ চাই) তুমি এই দুঃসাহস কেতিয়াও নকৰিবা—মই তোমাক সাৱধান কৰি দিছো। তুমি পাহৰি গৈছানেকি যে মই এজন মহান সুপুৰুষৰ সহধৰ্মিণী। আৰু তুমি কোন—এবাৰ তোমাৰ অতীতটোক স্মৰণ কৰাচোন? মোৰ সৰল সহজ পণ্ডিত স্বামীক জালত বন্দী কৰাটো সহজ হয়তো হব পাৰে, কিন্তু সেই মহান সুপুৰুষজনৰ সহধৰ্মিণীৰ চকুত ধূলিমাৰাটো মুঠেই সহজ নহয়।' ৰমাৰ কথাৰ তীব্ৰতাত নিচাৰামৰ নিচা যেন আধা অন্তৰ্হিত হ'ল। সি 'ম্যেঁই দেখ্ লুংগা' মনোবৃত্তি এটা লৈ যেন সুৰ সুৰ কৰি ভয়াৰ্ত পুচ্ছ গোপনকাৰী শ্বাপদৰ দৰে নীৰৱে আতৰি গ'ল। ৰমাৰ চকুত তেতিয়াও অগ্নি-স্ফুলিংগ জিলিকিছিল।

নীলকণ্ঠৰ বিবেকত যেন এছাটি নতুন বতাহ বলিবলৈ ধৰিলে, এগছি নতুন বন্তি টিমিক্ টামাক্কৈ জ্বলিব ধৰিলে। নিচাৰাম উঠি যোৱাৰ ঠিক আগে আগে তাক প্ৰায় অপ্ৰিয় ভাষাতেই ৰমাই আকৌ কৈ পেলালে—'কণ্ঠভূষণৰ ৰাজপুত্ৰ নীলকণ্ঠ ফুকন আজিও

ৰাজপুত্ৰ। চাকিচাবৰ্ল জোৰ কৰি দিধ খোজা অমৃত এচি-কটাই তেওঁক তোমাৰ দৰে অমৰ কৰিব নোৱাৰে। এগিলাচেও নোৱাৰে—তাত লোভো নাই, কোনো পৈশাচিক নাৰকীয় শক্তিয়েও সংযমটোক দোলা দিযাৰ নোৱাৰে। নোখোজাকৈ বিষ যাচি দিয়া মানুহ—হত্যাকাৰী নিলাজ অসভ্য, বৰ্বৰ শূকৰৰ দৰে বিষ্ঠাভোজী। যিবোৰ জানোৱাৰ এমুঠি অন্নৰ অভাৱত কণ্ঠাগত-প্ৰাণহৈ দেশ-দেশান্তৰত অঘৰী যাযাবৰ হৈ বাচি থাকে অথবা শিয়ালৰ দৰে পাক চুৰি কৰিবলৈ বা পৱিত্ৰ শয্যা স্পৰ্শ কৰিবলৈ সাহস কৰে—সিবোৰেই আশ্ৰয়দাতা বিশাল বৃক্ষৰ গাত বঘূমলাহৈ মেৰিযাই ধৰি তেজ পূৰ্জ শুহি আশ্ৰয় দাতাক ওলোটাই পানীয় যাচে—তাৰ অন্তৰ্নি-হিত কুৎসিৎ লালসা আৰু মতলবযে ঘৃণ্য আৰু ভয়ংকৰ, তাত তিল-মানো সন্দেহৰ অৱকাশ নাই।' তোমালোকৰ নিচিনা মানুহ আমাৰ নিচিনা মানুহৰ ঘৰলৈ আহি বহা ঠাইখনত যোৱাৰ পিচত গোবৰ পানী চটিওৱা হৈছিল সৌসিদিনালৈ। এনেকি নিম্নশ্ৰেণীৰ মানুহেও তোমালোকৰ হাতে চোৱা পানী- একণ শুকাই মৰিলেও—নোচোৱে নাখায়। ভাগ্য সু-প্ৰসন্ন বুলি জানিবা যে—এইখন অসম দেশ, ইয়াত বাহিৰৰ শিয়াল কুকুৰ আৰু গাধযো মৰ্যদা পায প'াচশ বছৰবো পূৰ্বে পৰা পাই আহিছে। জন্মগত জাতিত দোষ নাথাকিব পাৰে, কিন্তু দোষ—স্বভাৱৰ।' নিচাৰাম যোৱাৰ পিচত নীলকণ্ঠই ভাবিবলৈ ধৰিলে—'কোনটো সাহ-পিত-জাত অথবা শিক্ষা-সংস্কৃতিজনক অভিজ্ঞা ত্যক মূলধন কৰিলৈ নিচাৰামে ৰমাৰ দৰে মৰ্যাদা সম্পন্ন আৰু চিৰ নমস্যা কুলশ্ৰেষ্ঠা বিদুষী গৃহিণীৰ শয়ন কক্ষত প্ৰৱেশৰ চেষ্টা কৰিছে? ৰমাইতো তাৰ চৈধ্য পুৰুষকেই উদ্ধাৰ কৰিছে। লাই পোৱা কুকুৰে ডিঙিলৈকে জপিয়ায। কিন্তু ক'ত পালে, কোনে দিলে এই লাই শ্বাপদটোক? ৰমাক সি সীমা বুলি বা সীমাৰ পৰ্যায়ত ধৰিছে নেকি? সি নীলকণ্ঠৰ ঘৰ খনক সীমাহঁতৰ লেখীয়া বুলি ভাবিছে নেকি?

এই ঘৰখনতো এখন বৰ্ণ-শংকৰ অতিথিশালা বা কস্ম'পলিতান হোটেল বা ইন নহয়। এই ঘৰখন সাৰ্বজনীন জিৰণি ঘৰো নহয়। জিৰণীয়া মৌবোৰ উৰি উৰি ঘূৰি ঘূৰি ইযালৈকে আহে। কাৰ প্ৰৰোছনা আৰু পৰামৰ্শত নিচাই এইদৰে শুভোট গোৱে নাচি গৃহ দাহৰ বাবে সম্পূৰ্ণ উদ্যত হৈ পৰিছে ? কথা প্ৰসংগত এদিন ৰমাই নীলকণ্ঠৰ মূৰৰ চুলিৰ মাজত আঙুলি বুলাই কৈছিল—'মোৰ বিয়াৰ অৰ্থ কি জানে ? অৰ্থাৎ কাৰোবাৰ ব্যৱহাৰত মযো মৰা গৰু হ'ব লাগে আৰু মোৰ বিযা মানে কোনোবাই মৰা গৰু পে াই হাত ধোৱক। কাৰো এদিনলৈও এইকণ জ্ঞান নহ'ল বা স্বীকৃতি দিযাটো গম নাপালোঁ, যদিও তেওঁলোকে জানে—যে সেইখন ঘৰত এজনীযেই মাত্ৰ জীযা গৰু। সহস্ৰ ঘাত-প্ৰতিঘাতৰ মাজতো আপোনাৰ জীৱন, আপোনাৰ চৰিত্ৰ যিদৰে 'নিবাত নিস্কম্পইৱ প্ৰদীপ'ৰ দৰে অণিৰ্বাপিত বা ধীৰ-স্থিৰ হৈ আছে, সেইদৰে আপোনাৰ পূজা, উপাসনা, সাধনা বা দেশৰ পৱিত্ৰ কৰ্ম-যজ্ঞত উৎসৰ্গিত হবলৈ অনাঘ্ৰাত কুসুমৰ দৰেই অদ্যবধি অপেক্ষা কৰিছোঁ মই। সাৰদা 'থিযৰি' মই 'প্ৰেক্টিচ'—সাৰদাৰ সূত্ৰক মই ধাস্তৱত আপোনাৰ জীৱনত প্ৰতিভাত কৰাম। দয়াকৰি এইকণ ভাবিব যে আপুনি কোৱাৰ দৰে সাৰদা আপোনাৰ জীৱন নৌকাৰ বহু দূৰৰ 'লাইট হাউচ' হলেও মযো আপোনাৰ হাতৰ এগছি অকম্পিত মিঠাতেলৰ চাকি—বহুত পোহৰ নহব পাৰে, কিন্তু এইকণ ক্ষুদ্ৰ পোহৰোযে পৱিত্ৰ, আপোনাৰ আশাৰ বস্তি হোৱাৰ প্ৰকৃত যোগ্যতা ইয়াৰো হয়তো নাথাকিব পাৰে। সূৰ্যৰ ৰশ্মিৰ মাজতো চাকিৰ নিজৰ ক্ষুদ্ৰ পোহৰ নাথাকে জানো।,

'আপোনাৰ জীৱনত মই কোন বাৰু কওকচোন।' ধুনীযা থুতুৰিটো নীলকণ্ঠৰ কপালত চেপি ধৰি আৰু হাতীৰ দাঁত সদৃশ মসৃণ হাত দুখনেৰে নীলকণ্ঠৰ নীলগ্ৰীৱ বেষ্টন কৰি, অন্তৰ ঢালি দি ৰমাই এইবাৰ প্ৰশ্ন কৰিলে। সেই অৱস্থাতেই অলপ ওপৰ

মুখ কৰি নীলকণ্ঠই অপলক নেত্ৰে ৰমাৰ নয়ন যুগললৈ বহুপৰ চাই থাকিল। সেইও যেন এটি বিদেহী আত্মাৰ শূন্যময় নীড়হে অথবা যোগেশ্বৰ হৰৰ ধ্যানস্থ প্ৰস্তৰীভূত এটি অবয়বহে। 'কি হল? মোৰ চকুৱে কি আছে—বিষ নহয়নে?' কিন্তু বিষ হলেও আপুনি তাক হজম কৰি পেলাবই পাৰিব— আপুনি নীলকণ্ঠ? নাম কাটিছাদেই অৰ্থাৎ গাঁপিপাৰাটোৰেই নহয় জানো? ক'লা? মোৰ প্ৰশ্নৰ দেখোঁ একো উত্তৰ নিদিলে? আপোনাৰ উত্তৰটোৱেই মোৰ জীৱন বিচাৰা একমাত্ৰ সত্য চিৰ জীৱনৰ কাম্য, মোৰ সাধনা —মোৰ স্বৰ্গ'। নীলকণ্ঠই দৰৰ প্ৰতিধ্বনিৰ দৰেই এটি ক্ষীণ অস্পষ্ট স্বৰ, তথাপি তন্ময় হৈ কৈ গ'ল— 'ৰম্ (আৱেগিক সম্বোধন), তুমি মোৰ কোন? তুমিয়েই মোৰ জীৱন, 'মোৰ জীৱনৰ' বুলি এটা প্ৰশ্নও নাই উত্তৰো নাই। তুমিয়েই এই মনেই তুমি—বাহিৰতো তুমি, ভিতৰতো তুমি, সকলো তুমিময়। ই মোৰ দুৰন্ত ৰ ভাষা বুলি নাভাবিবা। মই আজি সফল, তোমাৰ ভিতৰৰ দুৰ্জয় শক্তিৰ অধিকাৰী মই। তুমি ফুলৰ পাপৰিৰ দৰেই স্নিগ্ধ, কোমল, পৱিত্ৰ, কুলিৰ কুজনৰ দৰেই সুৰদী সুমধুৰ, ৰামধনুৰ দৰেই বিতোপন। জীৱনত ভাল পোৱা নাৰী এজনীয়েই বুলি আজি মই উপলব্ধি কৰিব পাৰিছোঁ সেইও যে কি অমূল্য ধন। ভাল লগা হয়তো একাধিক হবও পাৰে। ভাল পোৱা আৰু ভাল লগা— দুটা সম্পূৰ্ণ পৃথক বস্তু। তুমি কোৱাৰ দৰে শামুকৰ পেটতো মহামূল্য মাণিক থাকে, বিষ-বৃক্ষ আৰু বাঘ-ভালুকৰ জিঘাংসু প্ৰবৃত্তিৰ সৈতে অটব্য অৰণ্যতো সুগন্ধি চন্দন, দেৱদাৰু আদি বৃক্ষ সৰ বিৰাজ কৰিছে, ফণিনীৰ মূৰতো সঞ্জীৱনী মণি থাকে।' ৰমাৰ পৰিয়ালটোত এজন সুন্দৰ উদাৰ ন্যায়নিষ্ঠ পুৰুষ আছিল, তেওঁ ৰমাৰ ককায়েক কণক। কণকে নীলকণ্ঠক নিজ পিতৃত কৈও সম্ভৱতঃ বেছি ভক্তি-শ্ৰদ্ধা আৰু সন্মান কৰিছিল আৰু ভাল পাইছিল।

নীলকণ্ঠযো কণকক নিজ ভাতৃ বা পুত্ৰৰ দৰেই মৰম-স্নেহৰ এনাজৰীৰে বান্ধি ৰাখিছিল। পৰিয়ালটোৰ ক্ষেত্ৰত কণকৰ মনত তিলাৰ্দ্ধও সুখ-শান্তি নাছিল। কণকৰ মন শুদ্ধ আৰু পৱিত্ৰ আছিল। নিচাৰাম যে দূৰৰ পৰাই শব্দ ভেদী বাণ মাৰি আৰু কাৰোবাক হত্যা কৰিব খুজিছিল, নীলকণ্ঠ ফুকনৰ পৱিত্ৰ সংসাৰখনত খাণ্ডৱ দাহনৰ সৰ্বগ্ৰাসী অগ্নিকুৰা জ্বলাই দিবৰ যো-জা কৰিছিল—সেই কথা কণকেই প্ৰথমে উদ্‌ঘাটন কৰিছিল।

পৰ'-সৰাপাপৰি।

শৈশৱ আৰু কৈশোৰত লৰা-ছোৱালী কেইটা ডাঁটোৰ দৰেই নীলকণ্ঠৰ পাচে পাচে ফুৰিছিল। ঘৰৰ পৰা কৰ্মস্থানলৈ যোৱাৰ সময়ত প্ৰায়ভাগটোৱেই প্ৰত্যেক বাৰতেই নীলকণ্ঠৰ গলত সাৱটি ধৰি কান্দি কান্দি নিজেতো হাবাশাস্তি হৈছিলেই নীলকণ্ঠকো ফিৰি আহিবলৈ বাধ্য কৰিছিল। যদি কেনেবাকৈ লুকাই চুৰকৈ, সিহঁতৰ আৰে অঁৰে নীলকণ্ঠই আলিবাটত কেইখোজমান দিছিল, তেনেহলে কেনেকৈ উমানে উমা ন আহি সিহঁতে নীলকণ্ঠৰ বাট ভেটি ধৰিছিল অথবা কোলাত উঠি হলেও লগতেই যাবলৈ ওলাইছিল। সেই কথা আজি সপোন-সুখ যেনহে লগাইছে। কেৰাচিন তেলৰ বটল আৰু বজাৰ কৰা মোনাখন, ভিনিচকীয়া পুতলা-চাইকিলখনত তুলি শিশু কমল বজাৰ কৰিবলৈ গৈ কলেজ 'পাওঁ পাওঁ হৈছিল। উতলি থকা কলী জহা চাউলৰ ভাতত চুৱা-ডাবাৰৰ পানী ঢালি দিয়াত মাকে বাৰান্দাৰ খুটাত, আঠুকাটি ফুৰা কমলৰ ভৰি এখন এৰাল দিয়া গৰুৰ দৰে বান্ধি থৈছিল। উঠনা দি গাখীৰ দিয়া সত্তৰ

বছৰীয়া বুঢ়া বোধন ৰাভা ককাই কমলক এনে বন্দী অৱস্থাত দেখি নীলকণ্ঠ আৰু ৰমাক অকল ধমকি দিয়াই নহয়, গালি পাৰিবলৈও ইতস্ততঃ নকৰিছিল— তহঁত পঢ়া-শুনা কৰা টাউনৰ ভদ্ৰলোক,—যশোদাৰ পিঠত খোৱা কানাইৰ মহিমাৰ কথা কি বুজিবি? মই গাখীৰ ব্যা চাকৰা গোৱাল মোৰ অন্তৰ দহি গৈছে। গোৱালেহে কানাইৰ মহিমা বুজে। তহঁতৰ দৰে কোনোবা বসুদেৱ— দেৱকী ভদ্ৰলোক হলে আমাৰ নিচিনা নন্দ-গোৱালৰ ঘৰতেই পলুৱাই থৈছিলনি—এনেহেন কানাই গোসাঁইটোক। বাপেক মাক হবলৈ লাজ লগা নাছিলনে তহঁতৰ? লাজ লগা কাম কৰি গোসাঁইক জন্ম দিলি, এতিয়া নিলাজৰ দৰে প্ৰতি পালন কৰিবও খুজিছ নেকি? জানিছি, এই জাতিত শাস্তি থাকে ই গোসাঁয়ে তহঁতকো শাপ দিব। যশোদাজনীয়েও জানো গোসাঁইটোক শান্তি ৰাখিব পাৰিছিল? ভদ্ৰলোক হলে আৰু কয় কি—'গোসাঁইক কংস মামাকে মাৰি পেলাব। তাৰ চৈধ্য পুৰুষৰ শক্তি আছিল নেকি গোসাঁইৰ গাত হাত দিবলৈ? এইহেন পিয়াহ খোৱা, শিশুটোৰ হাততেই দেখোঁ— মহাবীৰ কংস মামা তুলা ধুনা হৈ গ'ল। মই হলে কিন্তু গোটেইখন পৃথিৱীৰ মানুহবোৰেই গোটাই লৈ কংসটোৰ বংশকেই ধ্বংস কৰি পেলালোঁহেঁতেন! মই কালিৰ পৰা তহঁতক আৰু গাখীৰ নিদিওঁ, এই পাপবোৰ আমাৰ দৰে দুখীয়া, মূৰ্খ মানুহবোৰৰ সহ্য নহয়, কিন্তু সেই বুলি তহঁতে এনে কাম কেতিয়াও কৰিব নোৱাৰ, কৰিলে বৰ অমংগল হব তহঁতৰ! মই নাহিলে নেদেখম হয়,— কিন্তু মেঘৰ সিপাৰৰ আকাশত থকাজনে দেখিয়েই থাকিব আৰু সেই কামৰ ফলো ভোগেদাৰেই দিব। যা পিতাই গিলাচটো লৈ আহগৈ, তোক আজিৰ পৰা গাখীৰ দিবলৈ আৰু নাহোঁদেই।' কোলাত তুলি লৈ থকা কমলক সাতোটামান চুমা খাই গিলাচটো আনিবলৈ থৰক বৰককৈ খোজ কঢ়া অথবা হুতৰ হতৰকৈ আঠুকাঢ়ি

ফুৰা কমলক ভিতৰলৈ পঠিয়াই দিলে।

বোধন ককাই এটা অকণমান গিলাচত আধা পোৱা মান গাখীৰ কমলৰ বাবে সদায় এনেয়ে দি গৈছিল। বোধন ককাই একালে মুখৰ নীলকণ্ঠ-ৰখাক গালি পাৰি আছিল, আন কালে কমলৰ ভৰিৰ গাঁঠি খুলিদি, ধূলা-জাৰি কোলাত তুলি লৈ চুমা খাই খাই চকু পানী মচিছিল। কমলে বোধন ককাইক চাহ, মূৰী বিস্কুট আদি খোৱাখাৱাকৈ কোনো দিনেই এনেযেই গুচি যাবলৈ এৰি নিদি ছিল। তুবাৰ মুখত-গা-খী ৰ শব্দটো শুনাৰ লগে লগেই কমলে পাৰি ধৰি, চুচৰি-বাগৰি মাকৰ ওচৰলৈ গৈ কয়—'মা চাহ আন্তা'। মাক চাহ দিয়াত পলম কৰিলে বিস্কুটৰ টেমা-টোকেই আলমাৰিৰ পৰা আনিবলৈ মাকক নানা প্ৰকাৰে কুটুৰিব গৈ। ককাইৰ চাহ জলপান দিয়াৰ পাচতহে কমলৰ শান্তি। কমলৰ মুখত হাঁহি ফুটি উঠে। ককাই কমলক কোলাত তুলি লৈহে চাহ খাব লাগিব। ককাই কমলক সোধে—'সোণ তোমাক কোনে বান্ধিছে? মাই? কমলে আদৰ লগাই লগাই কয়—'ও মা মা বাণি।' 'আক নেৰাৰে নহয় বান্ধিব।' ককাৰ কথাত কমল সম্পূৰ্ণ ভাবে আশ্বস্ত হোৱা যেন লাগে। নীলকণ্ঠই আন্তৰিক শ্ৰদ্ধাৰে বোধন ককাইক অলপ ভৰ ভাবেই কয়—'ককাই, কানাইক গোৱালিনী যশোদাইহে দেখোন উৱালতো বান্ধি থৈছিল হাতত্যো বান্ধিছিল। সেই যে দুই আঙুল নাটিছিল ।' ককাই নীলকণ্ঠৰ উক্তিৰ এটি দুৰ্বোধ্য উত্তৰ দি পণ্ডিতৰ মাত বন্ধ কৰি দিলে—'তহতৰ দৰে ভদ্ৰলোকবোৰৰ সেইবোৰ কথা মূৰত নোসা-মাবদে। বুজিছ—আমাৰ সকলো মাতৃযেই গাখীৰ বেচা গোৱালিনী নহয় জানো? সিহঁতে গাখীৰ বেচি আনন্দ আৰু শান্তি কিনে। অমৃত বেলেগ নাই—সকলো-মা'ৰ গাখীৰেই অমৃত যি জন্মৰ পৰাই সন্তানক জীয়াই ৰাখে। মই আজিহে পানী চানী মিহলি কৰি

গাখীৰ বুলি কিবা অলপ তাক দিছোঁ, কিন্তু ৰমা মাই'তো জন্মৰ লগে লগেই পিয়াহটো মুখত দি তাক জীয়াই থকাৰ উপায়'টো দি দিছে। ৰমা মা'ও যশোদা নহয় জানা ? সেই জনী যশোদাই কিন্তু কৃষ্ণৰ ঈশ্বৰৰ শক্তিটোক ভক্তি'ৰ বন্দী কৰিছিল, ৰমা মাই—অহংকাৰ, গৰ্ব আৰু খঙেৰেহে বন্দী কৰিব বিচাৰিছে।

নীলকণ্ঠ হতভম্ব হৈ গ'ল। কি উত্তৰ দিব—ভাবি নাপাই-মাত্ৰ হাঁহি এটি মাৰি ক'লে—'ককাই, তুমি আকৌ আহঁা-নাহঁা এইবাৰ নাপাতিবাদেই, বিশেষকৈ লৰাটিৰ কাৰণ হলেও আহিবই লাগিব তুমি। এদিন তুমি নাহিলেই তাৰ কি অৱস্থা হয়—তুমি নিশ্চয় জানা, তাক ৰখাই টান হব। সি কান্দি কাটি হাৰা-শাস্তি হয়, সি বাৰে বাৰে বাহিৰলৈ ওলাই আহি কোনোবা ফালে গুচি যায়। মই মাকক কম ভেওঁ যাতে তাক বান্ধি চাপি নকৰে।' বোধন কাই কমলক নীলকণ্ঠৰ কোলাত দি চুমা এটি খাই হৃষ্ট-চিত্তই গাখীৰৰ ভাৰ কান্ধত লৈ ওলাই যায়--আৰু এটা দিনৰ বাবে, চৌব্বিশ ঘণ্টাৰ বাবে।

আবেলিটো বোধন ককাই অহা সময় নহয়, এইটো কলেজৰ বুঢা মালীকাই নীলকণ্ঠৰ ঘৰলৈ অহা সময়। কেতিয়াবা নহাটো ব্যতিক্ৰম। পাহৰণিটো মানুহৰ স্বভাৱ—ভাল বা বেয়া, সুখ বা দুখৰ বাবে। তথাপি পাহৰণি এটা বদ অভ্যাসেই এটা বেয়া গুণেই—বহু-ক্ষেত্ৰতেই। ৰমাই বোধন ককাইৰ মিঠা তিৰস্কাৰ, সদুপদেশ আৰু স্নেহৰ অনুশাসনো কেতিয়াবা পাহৰি যায়।

কাকো পৰে তালো সৰে'। ৰমাই থিয়ই থিয়ই বাৰান্দাৰ খুটাত বান্ধি কমলক কেই চাপৰ মান লগোৱাৰ সময়তেই কলেজৰ মালীকাই আহি ৰমাক সিন্ধিৰ মুখত হাতে লোটে চোৰ ধৰিলে। এই ক্ষেত্ৰতো বোধন বাভা ককাইৰ দৃশ্যৰ পুনৰাবৃত্তি হ'ল। মালীকাইৰ ডাবি ধমকি, উপদেশ, পৰামৰ্শবোৰো নিঃসন্দেহে মধুৰ, আন হাতে কমলৰ

দুষ্টামিবোৰো সমানেই গধুৰ। কমলৰ শাস্তি লঘু হ'ল। কিন্তু লোপ নাপালে।

কলেজৰ সেই সময়ৰ অধ্যক্ষ—অখিল সেনগুপ্ত এজন বিদ্যোৎসাহী, কাৰ্যদক্ষ, আৰু কৰ্তব্য পৰায়ণ শিক্ষাবিদ্ আছিল। অতি আন্তৰিকতা আৰু নিষ্ঠাৰে কাম কৰা নীলকণ্ঠক অধ্যক্ষই মৰম, শ্ৰদ্ধা আৰু প্ৰাপ্য সন্মানটো অকুণ্ঠ আৰু মুক্তচিত্তই জনাইছিল। ৰমাই ৰন্ধা মাংস-পৰঠা প্ৰতি শনিবাৰৰ গধূলি অধ্যক্ষই অতি আগ্ৰহ আৰু তৃপ্তিৰেই খাইছিল। মাজে সময়ে অধ্যক্ষাযা নীলকণ্ঠহঁতক নিমন্ত্ৰণ কৰিছিল। কমলে তেওঁক মামা বুলি মাতিছিল। নিজৰ বিচানখনৰ ওপৰত নাচি-বাগি দেখালে কৰা কমলক কোলাত তুলি লৈ অধ্যক্ষই হেনো পৰম তৃপ্তি পাইছিল।

অন্যায়-অসত্যক প্ৰশ্ৰয় নিদিয়া অধ্যক্ষজন এদিন জাতি ভাইৰ হাতত্তেই অন্যায়ৰ বলি হৈছিল, নিৰ্দোষ বলি হৈছিল। নীলকণ্ঠহঁতে আপ্ৰাণ চেষ্টা কৰিও তেওঁক ৰাখিব নোৱাৰিলে। তেওঁক অধ্যক্ষ পদ ইস্তফাদি গুচি যাবলৈ বাধ্য কৰাত নীলকণ্ঠৰ অন্তৰ বহুদিনলৈ বিষাদিত হৈ পৰিছিল। দৰস্ত অধ্যক্ষৰ পৰা নীলকণ্ঠই অতি নিয়মীয়াকৈ চিঠিৰ যোগে সকলো খবৰ পাইছিল। তেওঁ যোৱাৰ সময়ত বহুতাকেই হেনো কৈ গৈছিল—নীলকণ্ঠ যুৱকৰ দৰে সাধু-পৱিত্ৰ আৰু নিষ্ঠাৱান পুৰুষ মই জীৱনত লগ পোৱা মনত নপৰে। এনে উদাৰ পুৰুষৰ বাবে সকল অসম খনেই নহয় —সমগ্ৰ ভাৰতবৰ্ষ সমগ্ৰ পৃথিৱীখনেই আপোন ঘৰ। অধ্যক্ষই ৰমাক কৈছিল— বোমা, তুমি পৰম ভাগ্যৱতী। তোমাৰ স্বামী পৰম পণ্ডিত, তেওঁ এজন ঋষি তুল্য লোক। তেওঁ উদাস, অথচ উদাৰ। কোনো মায়াই তেওঁক অন্যায়, অধৰ্ম আৰু পাপৰ মজিয়াত বান্ধি ৰাখিব নোৱাৰে—অথচ তেওঁৰ মায়া অন্তহীন, অসীম। এই অমূল্য ৰত্নক তুমি কোনো দিনেই অৱজ্ঞা নকৰিবা। ইষ্ট দেৱতাৰ দৰেই তেওঁক তুমি ভাব ভক্তি কৰি শিৰত

তুলি, শিবৰ তিলক কৰি ৰাখিবা। এই ঋষি জনেই যদি জীৱনত কেতিয়াবা কাৰোবাক প্ৰাণ-ভৰি ভাল পাইছে—তেনেহ'লে সেই জনী তুমিয়েই, তাত কোনো দ্বিতীয় ব্যক্তিৰ তিল ধাৰণৰো স্থান নাই। ঋষিৰ প্ৰেম এটা বিৰাট শূন্যও অৰ্থাৎ মহাশূন্যতেই সমগ্ৰ বিশ্বই পূৰ্ণ হৈ আছে। জীৱনৰ দুৰ্গন্ধময় নলাৰ পেটুৰৈত কস্মিন্ কালেও ভৰি পিছলি পৰিবলৈ নিদিয়াটোৱেই—জীৱনৰ, আত্মাৰ পৰা-শক্তি। দৃঢ়খোপনি পুতি ৰাখিলে কোনো অশুভ শক্তিয়ে কাকো এখোজো লৰাব নোৱাৰে। সেইটো নিজৰ খোপনিৰ দৃঢ়তাৰ কথা। উপদেশখিনিৰ কাৰণ আছে। উদ্যানৰ শ্ৰেষ্ঠতম পুষ্পটিয়ে দৰ্শক-ভ্ৰাতাৰ দৃষ্টি সবাতোগ্ৰে আকৰ্ষণ কৰে। পুষ্পটিক মুষ্টিবদ্ধ কৰিবৰ? মন্মথ বাতুলহে পৰে।

সোণৰ কণী-পাৰা হাঁহক বধ কৰিলে তেজ পুঁজ আৰু শূন্য গৰ্ভহে পোৱা যায়—সোণৰ কণী আৰু হাঁহ তেতিয়া অদৃশ্য হয়। জ্যোতিষক বিশ্বাস কৰিবা। পূৰ্বজন্মাৰ্জিত-সদসৎকৰ্মবিপাকো দৈৱম্। কৰ্মই দৈৱগতি নিৰূপণ কৰে জানো।'

বিমল আৰু শিশু পদ শ্ৰীৱাসে গয়া আৰু নালন্দা এবাৰ পাটনা কাশী, দিল্লী, মথুৰা, বৃন্দাবন আদি ঠাইলৈ ঘূৰিবলৈ বুলি ওলাল। কেঁচা কল গছ শুকাই চোঁচনি হোৱা ডন মানুহৰ ৰ'দৰ তাপ 'লু' বলাৰ আগন্তুক। পাটনাৰ বিখ্যাত ডা. হৰিকৃষ্ণ ঝাৰ ঘৰৰ পৰা নীলকণ্ঠহঁত কাশীলৈ গ'ল। কাশীৰ বিশ্বনাথ মহাপ্ৰভুক দৰ্শন কৰি নীলকণ্ঠহঁত সাত-আঠ মাইল দূৰৰ সাৰনাথ মন্দিৰ আৰু বৌদ্ধ ধৰ্মৰ স্মৃতি চিহ্নবোৰ চাবলৈ গ'ল। ধ্যানী বুদ্ধই বহি সাধনা কৰা সাৰনাথৰ বিৰাট বৌদ্ধ স্তূপটো আৰু তাৰ আশে পাশে খনন কাৰ্যৰ দ্বাৰা আৱিষ্কৃত হোৱা স্মৃতিচিহ্নবোৰ, যাদু-ঘৰ বিৰলা মন্দিৰ আদি দৰ্শন কৰি আনন্দত মন ভৰি গ'ল। তাৰ স্মৃতিবোৰ বুটলিলৈ সেই একেখন ভাড়াকৰা ৰিক্সাতেই নীলকণ্ঠহঁত কাশীলৈ উভতিল। কিন্তু এমাইলমান বাট

তাহাৰ পিচতেই প্ৰবল ভাৱে লু' বলিবলৈ ধৰিলে। বমাৰ কোণাত পৰ্ণশ্ৰী আৰু নীলকণ্ঠৰ কোনাত বিমল। জ্বলা জলন্ত জুই সদৃশ লু'ৰ ভাপত সিজি-সিজি গালাত লাল-বাল দিলে। দৰ্শই চকু মুদখাই গ'ল, মূৰতো পৰিল আৰু শৰীৰ একেবাৰে সেতু সেমেই পৰিল। ভয় আৰু চিন্তাত নীলকণ্ঠ-বমাৰ প্ৰাণ বায়ু ওলাই যায় যায় অৱস্থা হ'ল। বমাৰ চাদৰ আৰু নীলকণ্ঠৰ চুৰিয়া পানী পালেই ভিজাই খিৰ্কাৰ চাবিওফালে মেৰিয়াই দিয়ে। মাত্ৰ দুই মিনিটমান সময়তেই কাপোৰ শুকাই খৰখৰীয়া হয়। এনেতে অৱস্থা হৈছিল যে ঘোৰাই খাবৰ বাস্তাৰ কাষত কুঁৱাৰ বিওৰ ভিতৰত জমা কৰি থোৱা পানীত কাপোৰ ভিজাই খিৰ্কাত মেৰিয়াই দিবলগীয়া হৈছিলগৈ। খিৰ্কাৰ চাৰিওফালে আৰু যাত্ৰী—উভয়ৰে চকু আৰু নাকৰ বাহিৰে সৰ্ব্ব শৰীৰ আন কাপোৰেৰে ঢাকি লোৱা হৈছিল। নীলকণ্ঠই এবাৰ বাট বিশ্বনাথ মহাপ্ৰভুৰ চৰণ চিন্তা কৰি আহি কোনো মতে বাৰাণসী পাইছিলহি। বাৰণা আৰু অসী নদী সঙ্গমৰ মাজৰ ঠাইখিনিকেই বাৰাণসী বোলা হয় বুলি বিদ্যা চালাক নীলকণ্ঠক কৈছিল।

কাশীও তেতিয়া অগ্নিকুণ্ডৰ দৰে আছিল। সূৰ্যাস্তৰ লাগে লাগে কাশীৰ সমস্ত দোকানীয়ে বৃহৎ বৃহৎ পাইপেৰে পানী মাৰি ভিজাই দিয়া হৈছিল। তেতিয়া খাটিয়া ভাড়া কৰি চাবিজনা লোকৰ ওপৰৰ চাঁতত চাবিজন শুই পৰিছিল। ৰাতি কিন্তু শীতল বতাহ বয়। দিনৰ অগ্নি দাহৰ পিছত সৰ্ব্ব শৰীৰতেই যেন স্নিগ্ধ শীতল চন্দনৰ প্ৰলেপটোক মৃদু মলয়াই স্পৰ্শ কৰি গৈছে আছিল। দুইখন খাটিয়াৰ মাজত মাটি-কুজাত পানী ভৰাই ৰখা হৈছে। আধাঘণ্টা এঘণ্টাৰ মূৰে মূৰে পানী নাখালে কণ্ঠ শুকাই যায়। ৰাতিটো শীতল যদিও পিছদিনা প্ৰভাততেই আকাশ পৃথিৱী যেন আকৌ একুৰা জুইৰ গৰ্ভত সোমাই পৰে। আমাডিমা ল'ৰা-ছোৱালী দুটিলৈ নীলকণ্ঠ ঘোৰ বিপদত পৰিবায়। কোনো মতে ৰাতিটো কটাই পিছদিনা গধূলি

কেণ্টন মেণ্টত টিকট কৰি পাটনালৈ নীলকণ্ঠৰ গুচি আহে। পাটনাত সিদিনা ৰাতি থাকি পিচদিনা পুৱাই তেওঁলোক গুৱাহাটীলৈ গুচি আহে।

ডাঃ হৰিকৃষ্ণ ঝাই গুৱাহাটীত থাকি প্ৰেক্‌টিছ কৰে। ধন্বন্তৰি বৰুৱা ডাক্তৰৰ দৰে তেওঁ লোকৰ মানত ধন্বন্তৰি। তেওঁ নীলকণ্ঠৰ পৰিয়ালটোৰ পৰম বন্ধু। ডাঙৰ লৰা কমল বেইবাবাৰ ডাঙৰ দুৰ্ঘটনাত পতিত হৈ মূৰ্চ্ছা গৈছিল। 'কোৱামিন দি তুলাৰ দ'মৰ ওজত মুমূৰ্ষু ৰাখি, কমলৰ কাষত আবাৰো চৰিশৰ্যনত বহি বহিয়েই নিশাটো কটাই দিছিল পৰিয়ালটোৰ পৰম বন্ধু হিতাকাঙ্ক্ষী ডাঃ ঝাই। সেইবাৰ স্মৃতি সুখ-দুখৰ অশ্ৰুৰ সতে 'সুত্ৰে মণিগণাইৱ' আজিও অন্তৰত গঠা হ'ল।

কাটিহাৰ ষ্টেচনত গাড়ী বদলিছ। বমাহঁতে গাড়ীৰ ভিতৰতেই ভাতৰ যোগান ধৰা ব্যৱস্থা হ'ল। নৈষ্ঠিক, ব্ৰাহ্মণ শুদ্ধ ঘৰৰ লৰা নীলকণ্ঠই বহু যত্ন কৰিও আৰম্ভত কোনো দিনেই বেলগাড়ীৰ ভিতৰত ভাত খোৱা অভ্যাসটো গঢ়ি তুলিব নোৱাৰিলে। সিহঁতৰ নহৰুক নো'খোৱাৰ প্ৰধান কাৰণটো অশুদ্ধ্যে ঘিণ হেনো। কিন্তু শেষ নিশা হলে, স্নানাদি নিত্য কৰ্মবোৰ গাড়ীৰ ভিতৰতেই তেওঁ সম্পূৰ্ণ কৰে। যদি পোৱা যায়—তেতিয়াহে আঙুৰ, আপেল আৰু অলপ গাখীৰ খায় নীলকণ্ঠই নহলে তিনি চাৰি দিন পৰ্যন্ত নিৰাহাৰেই কটাই দিয়ে।

জংচনটোত গাড়ীখন অন্ততঃ বিশ ত্ৰিশ মিনিট ৰোৱাৰ কথা। গতিকে নীলকণ্ঠই কিবা অলপ ফল-ফুলৰ বিচাৰি কিছুদূৰ পালেগৈ। পানী-ছুনিৰ সুবিধাটো দেখি তেওঁ নিত্য কৰ্মতহে লাগি গ'ল। গা-মোচাখন সকলো সময়তেই তেওঁৰ লগতেই থাকে। স্নানান্তে কিবা অলপ ফল কিনিবলৈ লগতেই গাড়ী উকি দি লৰচৰ কৰিব ধৰিলে, বমাহঁতৰ ডবাটো বহু দূৰতেই থাকি গ'ল। কিছুদূৰ গাড়ীৰ গতিৰ প্ৰতিযোগীতা কৰি, বমাহঁত থকা ডবা পোৱাৰ আশা ত্যাগ কৰি,

খোপাই যোপাই আন এটা ডবাৰ হেণ্ডেলত ধৰি নীলকণ্ঠ জাপ মাৰি চিৰিটোত উঠিল। কিন্তু দৰ্জা ভিতৰৰ পৰা বন্ধ। মিলিটেৰীয়ে দৰ্জাৰ খোলা আয়নাৰে নীলকণ্ঠক এনে ভাবে হাতেৰে ঠেলিব ধৰিলে যেন নীলকণ্ঠ চলন্ত গাড়ীৰ চকাৰ তলত পৰি টুকুৰা-টুকুৰহৈহে যাব! মধ্যে জীওঁ-মোঁ-আধিকৈ নীলকণ্ঠয়ো প্ৰকাণ্ড মিলিটেৰীটোৰ হাতত এনেভাৱে খামোচ মাৰি ধৰিলে—যেন তাৰো হাতৰ হাড ভাঙ্গি গুৰিহৈ যাব। বাধ্যহৈ সি দুৱাৰ খুলি দি নীলকণ্ঠক গাড়ীৰ ভিতৰলৈ মাতি লৈ গ'ল। প্ৰথম অৱস্থাত অপমান কৰিব খোজা মতলবটো অবস্থাই সলনি কৰি দিলে।

সৈনিক জন তাৰ প্ৰকাণ্ড ট্ৰাঙ্কটোতেই নীলকণ্ঠক বহিবলৈ দিলে। সি ইতিমধ্যে উপলব্ধি কৰিছিল—'ঠেলাৰ নাম—বাবা-জী।' আন এজন সৈনিকে কিছু তাচ্ছিল্য মিশ্ৰিত সুৰত কৈ উঠিল—'কৈ তক্‌লিব হ্যায় ?' নীলকণ্ঠই তপ্‌কৰে কৈ উঠিল—'Certainly! Have you not sense the situation? Why should I have come to your compartment leaving my wife and children alone in a different compartment? You pose to be the defenders of this great semi-continent But unlike the traditional bravery, dignity and the spirit of sacrifice of the noble Indian soldiers, you have failed to protect and help someone who is going to be crushed by utter misfortune. It is, in fact, an act of perpetration of some of the Indian soldiers to ignore or even to push to danger, a man in distsers'

দীৰ্ঘ দূৰত্ব, গাড়ীৰ গতি দ্ৰুত। সৰু সৰু ষ্টেশনত গাড়ী ৰৈ ৰৈ যোৱাৰ তাগিদা নাই। গাড়ী গৈয়েই থাকিল। নীলকণ্ঠৰ উক্তিখিনি

হৃদয়ংগম কৰিব পৰা সৈনিক কোনোৱা এজন দুজন হয়তো তাত নিশ্চয় আছিল।

এজন বাহিৰা মানুহ নিষিদ্ধ বিভাগীয় খোটালিত উঠিলেই যেতিয়া, বাক যুদ্ধলৈ আহ্বান নকৰি মিত্ৰতাৰ মুখা পিন্ধাই ভাল উপায়। তাত সুনাম কিৰি অহাৰ আশা হয়তো থাকে। হাত যোৰ কৰি মোলায়েম কথাকৈ কৈ সিহঁতে কিবাকিবি খোৱা বস্তু যচাত নীলকণ্ঠয়ো হাতযোৰ কৰি বিনম্ৰভাৱে বস্তুখিনি, গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিলে। 'আপ ব্ৰাহ্মণ হ্যায়'? সৈনিকে যেন বিচাৰ কৰি প্ৰশ্ন কৰিলে। 'Yes I am a brahmin but that does mot stand in the way of accepting your kind offer. Generally I donot take any thing in the train itself

ৰেলগাড়ীৰ চিৰাচৰিত কৃত্ৰিম ভদ্ৰতা, আলোচনা আৰু প্ৰশংসা সূচক মন্তব্য কিছু সময় ধৰি চলিল। ক্ষণিকৰ সহযাত্ৰীক জীৱনত হয়তো দুনাই কোনো দিনেই, লগ পোৱা নাযাব, দেখা নহ'ব।

কোনোবা এটা জংশনত গাড়ী ৰৈ গ'ল। কৰমৰ্দন বিনিময় কৰি নীলকণ্ঠ নামি গ'ল আৰু তীব্ৰবেগেৰে বমাইঁত থকা খোটালি বিচাৰি নীলকণ্ঠ ধপলিয়াব ধৰিলে। দুৰ্ভাগ্যক্ৰমে নীলকণ্ঠই কম্পাৰ্টমেন্টৰ নম্বৰটোও টুকি লৈ যাবলৈ পাহৰি গৈছিল অথবা তাত গুৰুত্বই দিয়া হোৱা নাছিল। বিমল আৰু পদ্মশ্ৰীয়ে কান্দি কাতি অস্থিৰ হৈ গৈছিল। সৌভাগ্যক্ৰমে সেই কম্পাৰ্টমেন্টত পঞ্জাবী বৃদ্ধ দম্পতী এহাল আছিল। তেওঁলোকে বিমল আৰু পদ্মশ্ৰীক নানা প্ৰকাৰে বুজাই দি, ইটো সিটো বস্তু দি পদ্মশ্ৰীক কোলাত তুলি লৈ অভিভাৱকীয়ানাও কৰি গৈছিল, 'তোমালোকৰ পিতাজী জৰুৰ কোনো বেলেগ কম্পাৰ্টমেণ্টত উঠিছে, তেওঁ ক'তো ৰৈ যোৱা নাই। আমি আছোঁ নহয়, তোমালোকে একো ভয় কৰিব নালাগে' বুলি পদ্মশ্ৰীক কোলাত তুলি লৈ ভদ্ৰলোক দম্পতীয়ে নানা প্ৰকাৰে সিহঁতক

সান্ত্বনা দি গৈছিল। তথাপি পিতৃস্নেহৰ ক্ষেত্ৰত সিহঁতে বুজনি মানিব খোজা নাছিল, গতিকে বিমলে খিড়িকীৰে মুখখন সামান্য বাহিৰ উলিয়াই দেউতাক নীলকণ্ঠক ক'ৰবাত মানুহৰ মাজত দেখে নেকি—তাকে চাই গৈছিল, বিবুদ্ধি হৈ গাড়ীখনৰ গাতে গা-লগাই ইতস্তত: বিক্ষিপ্ত পদক্ষেপে দৌৰি যুৰা নীলকণ্ঠক হঠাৎ দেখি বিমলে "দে উ তা" বুলি এনে এটা আনন্দময়, স্বস্তিবাচক চিঞৰ মাৰি দিলে যিটাৰে নীলকণ্ঠৰ বুকুহৈ যাব খোজা শ্বাসটোক যেন ঘূৰাইহে আনিলে। নীলকণ্ঠই লক্ষ্য কৰিলে—বিমলৰ চকুত পানী, মুখত শব্দহীন করুণ ভাষা, এনে হাতেৰে অশ্ৰুধাৰ' মচিছে, আনখন হাতেৰে হাত বাউল দি দেউতাক নীলকণ্ঠক মাতিছে। পন্নাই দু'য়াখন হাত খিড়িকীৰে উলিয়াই দি কেৱল দে তা দে তা কৈ মাতিছে। পণ্ডাৰী দম্পতীৰ মুখত হাঁহি বিৰিঙি উঠিছে। ৰমাৰ আনন্দই পাৰ ভাঙি যাব খোজাটোও স্পষ্ট বুজা হ'ল। পণ্ডাৰী বৃদ্ধ দম্পতীৰ ব ৰেহে ই সংযত হৈ ৰ'ল।

সমস্ত কিৰি অহা টকা লগৰ ট্ৰাংকটোতেই মজুত আছে, ৰেলগাড়ীৰ টিকতো আছে। ক'তো এবাৰো ননমাকৈ পোনেই গুৱাহাটীলৈ অহা গাড়ীৰ কম্পাৰ্টমেণ্টতেই ৰমা বহি আছে। আৱশ্যক হলে কম্পাৰ্টমেণ্টৰ মানুহেও বিপদে-আপদে সহায় কৰিবই। বিশেষ সহায় কৰিব ওলোৱা মানুহবো ৰেলগাড়ীৰ ডবাত স্বাভাৱিকতেই বৰ বেছি অভাৱ নহয়। গতিকে ৰমাহঁতৰ বিশেষ ভয়ৰ কাৰণ হয়তো নহবও পাৰে। কিন্তু নীলকণ্ঠ যে টিকটহীন, কপৰ্দকহীন ৰেলযাত্ৰী। গতিকে ভয়ৰ কাৰণটো তেওঁৰহে অধিক। কিছু ভয় ল'ৰা-ছোৱালী দুটাই হয়তো ইতিমধ্যেই পাইছেই। কিন্তু অপ্ৰত্যাশিত আৰু অনাকাংক্ষীত অৱস্থাৰ ধামখুমীয়াক চম্ভালিব বা নিয়ন্ত্ৰণ কৰিব পৰা শক্তি আৰু উপস্থিত বুদ্ধিও ৰমাৰ নোহোৱা নহয়। ৰমাৰ চিন্তা নীলকণ্ঠৰ বাবেহে। ৰমা সংক্ৰান্ত সেই মৃত সঞ্জীৱনী স্বৰূপ

আনন্দৰ স্মৃতিবোৰ সদায়ে নীলকণ্ঠৰ অন্তৰত ৰামধনুৰ সৃষ্টি কৰে, আনহাতে বেদনাৰ জুই কুৰাও জ্বলাই তোলে। নীলকণ্ঠ সেই জুইত পুৰি পুৰি ভস্মাচ্ছাদিত হৈ যায়।

'ৰাতি ন-দহ বজাত কলেজ বা অইন ঠাইৰ পৰা ঘৰলৈ ঘূৰি আহি তলাটো খুলি আন্ধাৰ ঘৰত প্ৰবেশ কৰোঁতে কেতিয়াবা খুন্দা-খাটলি খাই কপালখন উখহি উঠে আৰু বিষম যন্ত্ৰণাত চকুৰ আন্ধাৰত জোনাকী পৰুৱা দেখোঁ' ঠিক সেই মুহূৰ্তত মোৰ জীৱন দৰ্শনৰ ব্যাখ্যা শূন্য হৈ যায় যেন। জীৱনটোত আমি ন্যৰ ভৰি কাটি মৰোঁ। কিন্তু আহাৰও লেংটা, যাওঁতেও লেংটা, মাজভাগৰহে কৃত্ৰিম, ভুৱা আৰু কপট কাপোৰখনৰ দৰকাৰ হয়। যি সম্পূৰ্ণ সন্ন্যাসাশ্ৰয়ী সি সদায় লেংটা সন্ন্যাসী শুকদেৱ—মায়া-মোহহীন মহা লেংটা তেওঁ। মহাজ্ঞানী ভগৱান বেদব্যাস মায়াশ্ৰয়ী—তেওঁক বস্ত্ৰালংকাৰ লাগে। এনেকি পূৰ্ণব্ৰহ্ম স্বৰূপ কৃষ্ণকো বস্ত্ৰালংকাৰ লাগে। কাৰণ তেৱেঁই মায়া—আৰু আনকালে—মায়াৰ বিপৰীততা বিকল্পও তেৱেঁই। কিন্তু শ্মশানবাসী নিৰ্বিকাৰ, নিষ্ক্ৰিয়, নিৰালম্ব, ভূতনাথক বস্ত্ৰালংকাৰ নালাগে। ব্যাঘ্ৰচৰ্ম, কালকূট, বিষধৰ সৰ্প, ত্ৰিশূল, ডম্বৰু যুক্ত আৰু শব-ভস্মাচ্ছাদিত-শৰীৰহৈ সেই কপট প্ৰসাধন-বোৰক তেওঁ তাচ্ছিল্য আৰু উপহাস কৰি তাৰ অৰ্থশূন্যতা আৰু অনিত্যতাৰহে ইংগিত দিছে। এইবোৰতহে শিৱত্ব আছে। কিন্তু আমি শিৱ হবলৈ নিবিচাৰি ইন্দ্ৰ হবলৈ বিচাৰোঁ। তাতেই আমাৰ ব্যৰ্থতা। তথাপি সেইটোৱেই মোহনীয় স্পৃহা, পৰম তৃষ্ণা আৰু প্ৰবল ক্ষুধাৰ ধাৰ। আদিম পশুটোক বস্ত্ৰালংকাৰ লগা হয়—যেতিয়া সি কৃত্ৰিম মানুহ হয়—পশুটোৰো নালাগে—পশুপতিকো নালাগে। ধনলোভী তথাকথিত ভক্তই ভগৱানৰ বস্ত্ৰালংকাৰ সোপাৰ বিশদ বৰ্ণনা দিওঁতে প্ৰকৃত ভগৱৎ সত্তাক সম্পূৰ্ণ বিস্মৃতহৈ যায়। ধন-বিদ্যা -ৰূপ, যশাদি স্বৰূপে সৰলো ভুক্ততে থকা দেৱীয়ে সেইবোৰ আমাক

দিয়ক। সেইবাৰ পৰিপূৰ্ণ ভাবে দি দেৱীয় আমাৰ জীৱন, সংসাৰ—নদন-বদন কৰক।' ভক্তিৰ স্বৰূপটো এনেকুৱাই।

নীলকণ্ঠৰ জীৱনত এটা দুখেই অশ্ৰুধাৰ বোৱাব পাৰে—সেই দুখ মৃত্যুৰ দুখ, যিকোনো মানুহ—যিকোনো জীৱৰ মৃত্যুত নীলকণ্ঠৰ অশ্ৰুপাত অনিবাৰ্য। কাৰণ—নিজে মৰি হাঁহি হাঁহি আনক কন্দুৱাবৰ বাবেই সিহঁত সকলোৰেই জন্ম হয়—জন্ম হৈ মৰে। এনে হয় বুলিয়েই অথচ এনে নহবলৈকে শ্ৰীমদ্ভগৱদগীতাই উপদেশ দিছে— 'ভক্ৰকাপৰিদেৱনা'--অৰ্থাৎ শোক কৰা উচিত নহয়। এই ঔচিত্য বোধ- বা আনৌচিত্যবোধটো মোৰ জ্ঞান' মজ্জাগত জ্ঞান? পৰৰ বাবে অশ্ৰুৰৰ পৰা ওলাই অহা কান্দনটোবেই—এটা অৱগুণ্ঠিত পবিত্ৰ, শুদ্ধ সুখ। অশ্ৰুত তাৰ এখন সহানুভূতিশীল অন্তৰ থকাটো নিশ্চিত হব পৰা যায়। যি হৃদয়ৰ দৰদ আৰু সহানুভূতি নাই, সেই হৃদয়ৰ অভিমান, কান্দোন আদি থকাটোও শোভা নাপায় তেনে চকুলোত উত্তাপ নাই—সি হিংচেৰ্চা। তেনে চকুলোৰ কপট অভিনয়, স্বাৰ্থৰ অভিনয়। সেই অশ্ৰুৰ বংবাৰ অভিনয়—বিচিত্ৰ।

বিমল আৰু পদ্মাই শোকাকুল হৈ দেউতাক নীলকণ্ঠক ডিঙিত আকোৱালি ধৰিলে। সিহঁতৰ শোকাশ্ৰুত আনন্দ বা জিলমিলনিবোৰ উদ্ভাসিত হৈ উঠিল। পঞ্জাবী দম্পতীযও স্বস্তিৰ নিশ্বাস পেলাই হৃষ্ট-চিত্ত হ'ল। ভাৰত-গৌৰব, স্বাধীনতা যুদ্ধৰ সৌহাৰ্দ, বীৰজাতি সুদৰ্শন পঞ্জাবীৰ চকুত বিৰিবিডি উঠা অশ্ৰুকণাবোৰো বৰ পৱিত্ৰ শিশুৰ দৰেই বৰ ধুনীয়া। তেওঁলোকৰ অশ্ৰু সহজে পতিত নহয়, কিন্তু যেতিয়া হয়—তেতিয়া সি 'চোখৰ জল মাত্ৰ' নহৈ শংকৰ মৌলি গংগাজলৰ দৰেই সুৰতৰঙ্গিনী হৈ পৰে।

সহধৰ্মিণী, পত্নী, প্ৰিয়তমা, সন্তানৰ আদৰ্শ মাতৃ, বংশৰ ভৱিষ্যৎ ৰক্ষাকাৰিণী ধৰ্ম-কৰ্ম-গৌৰব-যশস্যা, মান-সম্মান আৰু পাপ- পুণ্যৰ বস্তু ভাণ্ডাৰ স্বৰূপ ৰমাৰ চকুত আনন্দৰ প্লাৱন। বৃদ্ধ দম্পতীও

পৰম আনন্দিত হ'ল। বহু বছৰ অসমত থাকি থাকি অসমীয়া হৈ পৰা উদাৰ ভদ্ৰ দম্পতীটোৱে জয়মতী-মূলা গাভৰুৰ দেশৰ অসমীয়া মহীয়সী নাৰীৰ মহান ঐতিহ্যৰ 'কিছু আভাস' যেন দেখিবলৈ পালে।

অকণমাণি কমলৰ বাবে কাপোৰৰ ফুলাম জোতা এযোৰ কিনি অনা হ'ল। তৃতীয় মহাসমৰৰ আয়োজন কৰি জোতা যোৰ কমলক পিন্ধোৱা হ'ল হয়, কিন্তু জোতা পিন্ধাই তাক খোজ কঢ়াবৰ সাধ্য-হলে কাৰো নহ'ল। ৰমা আৰু নীলকণ্ঠই দুয়ো দুকাষে হাতত ধৰি কমলক খোজ কঢ়াবলৈ চেষ্টা কৰি সম্পূৰ্ণ ব্যৰ্থ হৈ গ'ল। কমলে দুয়োৰো হাতত ওলমি ভৰি দাঙি ঝুলিবলৈ ধৰিলে। তিন দিনৰ ভয়ামৰ ৰণত পৃষ্ঠভংগ দি কাপোৰৰ ফুলাম জোতা দোকানত ঘূৰাই দি তাৰ বদলে ৰসগোল্লা কিনি অনা হ'ল। কমলে ৰসগোল্লা এটা হাতত লৈ উৰাই-ঘূৰাই বেহৰূপ চাই লাহে লাহে অলপ অলপকৈ চেলেকিবলৈ ধৰিলে। এইদৰেই নৃত্য-নাটিকা দেখুৱাই দেখুৱাই ডেৰ বছৰীয়া শিশু কমল ক্ৰমে কিশোৰ, যুৱক হৈছিল এদিন। অতীতে নিজৰ ছাপবোৰ ক্ৰমে ক্ৰমে একৰাই লৈ যায়।

দুৰ্গা পূজাৰ বিজয়া দশমী। নীলকণ্ঠৰ দুয়ো কান্ধত কমল-বিমল। ৰাম-লক্ষ্মণক বীৰ হনুমন্তই কান্ধত তুলিলৈ যোৱাৰ দৰেই নীলকণ্ঠযো প্ৰায় দুমাইল-আঢ়ৈ মাইল বাট গৈ ভাসনৰ ঠাইত উপস্থিত হ'ল। ডেৰ-দুই ঘণ্টা ধৰি দুয়োকো বিজয়া দশমীৰ ভাসন দেখুওৱা হ'ল। মানুহৰ ভিৰত সিহঁতক এবাৰো ক'তো নমাই দিয়াৰ সুবিধা নহ'ল। সেই ল'ৰাকো আজি পিতৃ-বিদ্বেষী কৰি তোলা হৈছে। পদুমৰ দৰে স্নিগ্ধ পদ্মশ্ৰীয়েও আজিকালি অন্তৰ খুলি কোনো এটা কথা কবলৈ যেন ইতস্ততঃ কৰে। বিয়াদি উলিয়াই দিয়া নিজৰ ছোৱালী—নিজৰ তেজ-মঙহৰ সমাহাৰ অকপট

চিন্তুই প্ৰাণভৰি আশীৰ্বাদ দি'য—নীলকণ্ঠই। ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়—অজ্ঞাত আৰু কল্পিত আঘাতবোৰ যেন অনাঘ্ৰাত কুসুমৰ দৰেই ভগৱানৰ পূজাৰ নিৰ্মালিহে সিহঁতৰ শিৰত বৰ্ষণ হয়। দূৰ প্ৰান্তত সংগীহাৰা নীলকণ্ঠৰ চকুলো মচি মচি হ্'ত বাউলদি মাতা বিমলৰ হাত তুখন দৰ্কাৰ হ'ল নীলকণ্ঠৰ শৰীৰত পৰিবলৈ কুণ্ঠাবোধ নকৰা যেন আজি অনুভৱ হৈছে। ৰমাই নিচাৰামক অপমান কৰি উলিয়াই দিয়া অপৰাধতেই প্ৰতিশোধ লোৱাৰ এইবাৰ গোপন ষড়যন্ত্ৰ মাত্ৰ। এই ষড়যন্ত্ৰৰ ঘাই মন্ত্ৰী সীমা। সীমাৰ নিচিনা কূট'কৌশল বিদগ্ধা নাৰীৰ পক্ষে ত্ৰাণকৰ্ত' প্ৰচ্ছন্ন বন্ধুৰ আকাল নাই।

আন এজন ভকতৰ লগ'ত সীমা তীৰ্থ কৰিবলৈও যায়। এক বস্ত্ৰাচ্ছাদিতহৈ দ্'যো টেক্সীৰ পিছৰ চিটত বহি যায়। অৰ্দ্ধ দিন জোৰা পথখিনি এইদৰেই ৰহস্যময় লগ্ন-গ্ৰন্থিৰ অন্তৰালতেই শেষ হৈ যায়। আগৰ চিটত ভকতৰ বৃদ্ধ পিতৃ-মাতৃও বহি যায়। ভকতৰ মাকে 'অকিচিৰেলি' অৰ্থাৎ বাৰ্দ্ধক্যভা'ৰ তিনিজনমান পুৰুষৰ লগত সংসাৰ কৰি আহি জীৱন-নাটৰ শেষ-অংকত এই অৰ্দ্ধ-বৃদ্ধৰ আশ্ৰয়ত থিতাপি লৈ'ছহি। গতিকে ভকত ৰাম আদৰ্শ মাতৃৰ আদৰ্শ পুত্ৰ। অৱশ্যে ভকত ৰামে নিজেই কয়—তেওঁ হে'নো 'এই বৃদ্ধৰ পুত্ৰ নহয়। তেওঁৰ প্ৰকৃত পিতৃ আন এজনহে।

আদৰ্শ পুত্ৰ ভকতৰাম অবিবাহিত আৰু সীমাতকৈ পোন্ধৰ বছৰ'মান বেচি সৰু হ'ব পাৰে। কোনো কোনো ভকতৰ মতে অভিসাৰিকা পৰস্ত্ৰী ৰাধাওতো পৰ পুৰুষ কৃষ্ণতকৈ ডাঙৰ।

অন্ধকাৰ কোঠালিৰ নিঃসংগ শেতেলীত খৰস্ৰোতা স্মৃতি ধাৰাই নীলকণ্ঠ সন্ন্যাসীক পাৰাপাৰহীন অজ্ঞাত মহা সিন্ধুলৈ লৈগৈ জোলাকা জোলো'ক পানী খুৱাই ঢৌত উটুৱাইলৈ যায়। বিশাল সুনীল সিন্ধুৰ

পৰ্বত-প্ৰমাণ ঊৰ্মিমালাৰ বুকুত নীলকণ্ঠৰ জীৱন-ডিঙাখনি কোনো এটি মুহূৰ্তত বুৰি অতল তলি পাবগৈও পাৰে।

নীলকণ্ঠই সুনীল সিন্ধুৰ পানী-জিয়লি বিচাৰি মাতৃ আৰু পিতৃ কণ্ঠভূষণৰ হিয়া উবুৰিয়াই দিয়া অকৃত্ৰিম অপত্য স্নেহৰ সান্নিধ্যত উপস্থিত হ'লগৈ।

অসমৰ গাঁৱত প্ৰায়েই কোনো উপলক্ষ—ওজাপালি ঢুলীয়া, খুলীয়া, যাত্ৰা-পাৰ্টি আদিৰ অনুষ্ঠান হয়। ৰভাৰ পূবে বা উত্তৰে সাময়িক ভাৱে সজা এটি মণিকূটত পূজা-পাঠ' হোম-যাগ যজ্ঞাদি অনুষ্ঠিত হয়। মণিকূটৰ ভিতৰৰ বিস্তৃত শুভ্ৰ বস্ত্ৰাচ্ছাদিত গাদীত সৰ্বজন-বৰেণ কণ্ঠভূষণক সসম্ভ্ৰমে বহি অনুষ্ঠান উপভোগ কৰিবলৈ আমন্ত্ৰণ জনোৱাটো এটা চিৰাচৰিত প্ৰথা। পিতৃ কণ্ঠভূষণৰ কাষত শিশু নীলকণ্ঠৰ তুলসীৰ লগত বল-পটুৱাৰ মুক্তি হয়।

ছয়শ, সাতশ মোনী বৃহৎ নৌকাৰে গৈ খেৰ-খুটা বটাকাটা মানুহবোৰে কণ্ঠভূষণৰ নাৱৰ 'ছৈ'ত বহি বৰগীত, বনগীত, লোক-গীত গাই, শাস্ত্ৰৰ ব্যাখ্যা আধ্যাত্মিক তত্ত্বৰ ব্যাখ্যা কৰি যাবলৈ তাক নানা ধৰণৰ বিপদ-আপদৰ সহায় সাৰথি হিচাপে লগত যাবলৈ সময়ে সময়ে অনুৰোধ জনায়হি। গভীৰ নিশা নাৱৰ 'ছৈ'ত বহি টনা ৰাগত হাবি-বন, গিৰি-গহ্বৰ জীৱ-জন্তু চৰাই-চিৰিকতি সকলো সজাগহৈ উঠি যেন মন্ত্ৰ মুগ্ধৰ দৰে সেইৰাগ শুনি থাকে। গভীৰ নিশা অৰণ্যত বনৰজাৰ বুকুৰ কলিজা কপোৱা ভোৰতালৰ শব্দৰ দৰে গভীৰ গৰ্জনত নাৱৰ যাত্ৰীবোৰ শেতু সেতুহৈ 'ছৈ'ৰ ভিতৰত সোমাই পৰে। নাও পাৰত লগাবলৈ দি অৰণ্যৰ কাষলৈ গৈ কণ্ঠভূষণে "মন মেৰি লাগু 'এভৱ গহন বন, আন্তি মোহ পাশে ছন্ন, তাহে হামো হৰিণ বেঢায়, ফন্দিলো মাযাৰ পাশে, কাল-ব্যাধ ধাযা আসে, কাম-ক্ৰোধ-কুকুৰা খেদি খায়" "এ নাথ তাৰিও' তাৰিও নাথহে এ যদুমণি" ইত্যাদি বৰগীতৰ ৰাগ টানি

ঘূৰি যুৰে। লাহে লাহে বনৰজাৰ গৰ্জনো নিতাল মাৰে। পুহমাহত খেতিয়ক সকলে পথাৰত পৰাধান বাটি থাকোঁতে এদিন হঠাৎ এটি বন-ৰীয়া বৰা ওলাল, মানুহবোৰ ভয়াৰ্ত হৈ যেনিয়ে তেনিয়ে ফৰিং চিটিকা দিলে। ছয়ফুটতকৈয়ো উচ্চতা সম্পন্ন কণ্ঠভূষণৰ দেৱোপম শৰীৰ। প্ৰকাণ্ড অথচ গন্ধৰ্ব সদৃশ মূৰ্তিটোৰ মূৰত পাগুৰী, ভৰিত খৰম আৰু হাতত ৰূপাৰে মূৰ বন্ধোৱা, তেল পিচলি পৰা এডাল সুদৃশ্য লাঠী বা টোকোন।

কোনো ঠাইৰপৰা আহি থকা, নীলকণ্ঠৰ ভীম বলী পিতৃ কণ্ঠভূষণে ঘটনাৰ গঢ়-গতি বুজি, মানুহবোৰক কাপুৰুষ আখ্যাৰে মৰমৰ তিৰস্কাৰ কৰি বৰাহ অৱতাৰৰ ওচৰলৈকে চোচা ললে আৰু ঘোৰ ভয়ামযা ৰণত বৰাহ অৱতাৰে পৰিত্ৰাণ বিচাৰিসেঠাং দিলে—অৱতাৰ নিধন হ'ল বুলি কণ্ঠভূষণে খেদকৰি আহি ঘৰ পালে, তেওঁ ৰাতি নিৰম্বু উপবাস কৰিলে, স্নানান্তে গোঁসাই ঘৰত সোমাই প্ৰায় তিনি ঘণ্টা কাল একেৰাহে শালগ্ৰাম শিৱ আৰু লাডুৱা গোপালৰ বিগ্ৰহৰ আৰতি অৰ্চনাদি কৰিলে। পিছদিনা প্ৰাতঃ-কালে উঠিও পূৰ্বদিনৰ দৰে উক্ত বিগ্ৰহ ত্ৰয়ৰ পূজাৰ্চ্চনা সমাপন কৰিলে। শংখ ঘণ্টা-ডবা বৰকাঁহ বাজি উঠিল। সমগ্ৰ গাওঁবাসী তুৰ্যোহাত যেৰ কৰি, কণ্ঠভূষণৰ ঘৰৰ ফালে মুখ কৰি সেৱা জনালে—ঠিক পূৰ্ব দিনৰ গধূলিৰ দৰে। কোনো মানুহেই আচৰিত নহ'ল, কণ্ঠভূষণৰ নৈতিক আৰু আধ্যাত্মিক দিশটোৰ লগত এটা বৃহৎ এলেকাৰ সমূহ জনতাৰ সম্পূৰ্ণ পৰিচয় আছে। শাৰীৰিক মানসিক আৰু সামাজিক শক্তি, মৰ্যদা আৰু ত্যাগৰ পৰিচয়টো তেওঁলোকে পদে-পদেই পাই আহিছে। কণ্ঠভূষণৰ এলেকাত কোনো লোকেই প্ৰায় আদালতত নিষ্পত্তিৰ বাবে গোচৰ নতৰিছিল। সৰ্ব-সম্মতিক্ৰমে তেওঁকেই সদায় বিচাৰ পতি হবলৈ সনিৰ্বন্ধ অনুৰোধ জনাইছিল। বাদী-বিবাদী—উভয়েই তেওঁৰ বিচাৰত পৰম সন্তোষিত আৰু হৰ্ষোৎ ফুল্লহৈ পৰিছিল। কণ্ঠভূষণৰ সন্মুখত মিছা সাক্ষী কোনো

দিনেই থিয় নহৈছিল। দোষীয়ে নিজ মুখে দোষ স্বীকাৰ কৰিছিল।

মাঘ বিহুৰ ৰাতিপুৱা মেজি বা মঠ পোৰাৰ পাছত ডেকশীয়া আৰু ডেকা ল'ৰাবোৰৰ খেলাধূলা আৰম্ভ হ'ল। গাঁৱৰ পালোৱান সদৃশ পাহোৱাল ডেকাবোৰে কণ্ঠভূষাক খাটনি ধৰিলে—'প্ৰভু! শ্ৰী চৰণত প্ৰণিপাত জনাইছোঁ। আজি বছৰৰ এই বিহুৰ দিনা আমাক আশীৰ্বাদ দি উৎসাহিত কৰক। চলন্ত বৃহৎ বলদ্ গৰুৰ গাড়ীখন প্ৰভুৰ দ্বাৰা ৰখা হওক' দুই এজন প্ৰাণটাকি চেষ্টা কৰিলে, কিন্তু উফৰি গৈ দবত পৰি গ'ল। প্ৰভুত বাদে এই কাম অন্যৰ সাধ্যাতীত। সকলোৱেই হাতযোৰ কৰি কণ্ঠভূষণৰ বাবস্থাৰ অনুৰোধ জনাবলৈ ধৰিলে। 'মনৰ অমনক দুৰ্বলতাই আগপৰি হুকুৱাই দিয়ন্ত কৈ চেষ্টাকৰি হবাই ভাল' বুলি শিৱ-বাহনক মনতে প্ৰণিপাত জনাই কণ্ঠভূষণ প্ৰভুয় গাড়ীৰ গঁৰলিৰ মাজত বাহু পাতি ধৰিলে। ভীম-গোৰে গোৰ এটা মাৰি মাটিত গাত এটা কৰি তাত হেলনীয়াকৈ খোপনি পুতি গাড়ীৰ গতি ৰোধ কৰিলে। গাড়ী চালকে প্ৰকাণ্ড বলদ দুটাক কোবৰ উপৰি কোব মাৰি গাড়ী চলাবলৈ যৎপৰোনাস্তি চেষ্টা চলালে, কিন্তু প্ৰকাণ্ড বলদ দুটাই প্ৰাণপণে বল প্ৰয়োগ কৰিও, আঁঠুকাঁটি বলদিও এখোজো আগবাঢ়িব নোৱাৰিলে বৰং সমতা বা ভাৰসাম্য হেৰুৱাই কণ্ঠভূষাৰ প্ৰবল হেঁচাত গাড়ী যুঁৱলিৰে সৈতে তীব্ৰবেগে পিচলৈ হুহকি গ'ল। বলৰ ধমকত বলদ দুটাও আগলৈ চেষ্টা কৰি উবুৰি খাই মাটিত পৰি গ'ল। গাড়ী চালকজন পিচ ফাললৈ হুৰকৈ নামি গৈ ওটৰ ঘৰাদি ঘূৰি দূৰত চিটিকি পৰিল গৈ। কণ্ঠভূষণে এনে অৱস্থাত যুৱলি এৰি দিয়া হেতু প্ৰবল হেঁচাৰ ফলত গাড়ীখন বহুপিচলৈ গৈ এডাল প্ৰকাণ্ড গছত খুন্দা খাই বজি ৰলগৈ। পৰম বিস্ময়ত সকলো অভিভূতহৈ পৰিল। ইয়াক দ্ৰোপদী হৰণৰ সময়ত জয়দ্ৰথৰ ৰথখন ভীমে অন্তৰিক্ষলৈ

দলিযাই দিয়া দৃশ্য’ বুলি সকলোৱে শ্ৰদ্ধা ভক্তিৰে শলাগিলে। সক-লোৱে কণ্ঠভূষণক ভৰিত ধৰি প্ৰণিপাত জনালে আৰু বয়োবৃদ্ধ জ্ঞাতি আদিয়ে তেওঁৰ মূৰত হাত থৈ আশীৰ্বাদ দিলে।

কণ্ঠভূষণৰ নিজৰ খেতিৰ মাটিত পাঁচজন হালোৱাৰ দ্বাৰা পাঁচখন হাল চলোৱা হয়। এজন বন্ধা (বছৰেকীয়া চুক্তিত বন্ধ যি)ৰ নাম নিৰপতি শেখ অৰ্থাৎ নৃপতি শেখ। অকল সংস্কৃত আৰু ইচ্‌লামিক অৰ্থাৎ হিন্দু আৰু মুছলমানৰ সমাহাৰেই নহয়—সংস্কৃতিৰো সমন্বয় সমাহাৰ। চমৎকাৰ নাম, চমৎকাৰ তাৰ কাম। সি ডাব নাৰিকল পাৰিবলৈ গছত উঠিল। প্ৰায় ত্ৰিশ পয়ত্ৰিশ ফুটওখ নাৰিকল গছৰ পৰা ডাববোৰ মাটিত পৰিলে ডাববোৰ ফাটি পূৰ্ণমাত্ৰাই পানীবোৰ ওলাই যায়। কণ্ঠভূষণে নাৰিকলবোৰ মাটিৰ ছয়-সাত ফুট ওপৰতেই ক্ৰিকেট বল ‘কেচ’ ধৰাদি ধৰি ৰাখে। এটা ডাবো মাটিত পৰি ফাটি যাবলৈ নিদিয়ে। হাঁকুটীৰে জোৰ কৰি হলুৱাই কাটা ভলুকা বাঁহটোৰ জোংটো মাটিত তিনি ফুট পৰ্যন্ত সোমাই যায়—ঠিক গাৰ বাষতেই।

‘মোৰ শীতল শেতেলীত পেলাই থোৱা ঠেৰেঙা শৰীৰটোক আৰু বিষাদগ্ৰস্ত মনটোক প্ৰাণ সঞ্চাৰী সঞ্জীৱনী সুধাৰূপ এনে অসংখ্য স্মৃতিবোৰেও জীপাল কৰিব নোৱাৰে’—তেওঁ স্বগত উক্তি কৰে— ‘নীলকণ্ঠ মই মই যেন এটা জীৱন্ত জীৱাশ্ম—এটা প্ৰস্তৰীভূত পদাৰ্থ, মোৰ বাহ্যিক চিন আছে—আভ্যন্তৰৰ মোকাম নাই, প্ৰাণ আছে— প্ৰতিষ্ঠা নাই, খিপ্‌খিপনি আছে, স্পন্দন নাই—ঠিক বুটাম টিপি দি চলমান কৰা যন্ত্ৰ এটাৰ দৰেই—যাৰ নিজস্ব একো নাই। স্পিং লগোৱা পুতলাৰ দৰে—স্প্ৰিংডালৰ পাক্‌কেইটা শেষ হলেই নিষ্প্ৰাণ পুতলা আকৌ থৰ্‌ লাগে। কোনে, কিহে সেই জড়তা জোকাৰি দিব বাৰু?

এই মৃত্যু জড়তাৰ কথা গম পালে সাৰদাই বাৰু কি ক’লে

হৈঁতেন, কি কৰিলেহেঁতেন। সাৰদাই হয়তো ভাবিছে—মই সুখী, কৃতী, যশস্বী। সাৰদা আজি বহুত দূৰত। তেওঁ মোৰ সংসাৰখনৰ আন্ধাৰখিনি দেখা নাই—আন্ধাৰখিনিত খেপিয়াব লগা হোৱা নাই। খেপিয়ালেও একো দেখা নাপায়। নীলকণ্ঠ মই—বহুদিন আগতেই মই বোবা হৈ গৈছোঁ। মুৰত ৰাম-টাঙোন মাৰিলেও আৰু চিৰ-কাললৈ মাত নোলায়। জীয়াই জীয়াই জ্বলন্ত চিতাত তুলি দিলেও আৰু মুখৰ মাত নোলায় নতুনকৈ নোপোৰে। আজি যদি এই হতভাগ্য নীলকণ্ঠৰ জীৱন্ত সমাধিটো সাৰদাই এবাৰ অনুধাৱন কৰি যাব পাৰিলেহেঁতেন। নীলকণ্ঠৰ মানত সাৰদা শেৱালী আৰু ৰমা দেৱী ত্ৰয়ী। কিন্তু তেওঁলোক ভিন্নগোত্রসম্ভৱা দেৱী।

সাৰদা যেন সাৰস্বত দেৱী। এই দেৱী বন্দিৰ মুৰ আৰু তেজপিয়া দেৱী নহয়। তেওঁ অমৃত সৰসী—তেজৰ নহয়। তেওঁ আনক অমৃত সৰসীত অৱগাহন কৰায়। তেওঁ সাহিত্য সংস্কৃতিৰ সাধিকা-পোষিকা। বিশাল বৃক্ষত তুলি দি তেওঁ স্তৱ কৰিছে নে ৰং চাইছে? ৰমা যদি ডাল দৰিদ্ৰ অথচ পৱিত্র আৰু সৎবংশজাত এগৰাকী কন্যা হ'লহেঁতেন। মোৰ মন-প্ৰাণ অন্তৰক ৰমণ কৰিব পৰা শক্তি অকল ৰমাৰেই আছে—একমাত্র ৰমাকেই মই প্ৰাণ ভৰি ভালপাওঁ। যেতিয়াই মই ইষ্টদেৱ বা বিগ্ৰহৰ সন্মুখত বহোঁ তেতিয়াও তাত ৰমাৰ মূৰ্তিহে দেখোঁ। 'এইদৰে ভগৱানক ভাবিলে কেতিয়াবাই ভগৱানক পালেহেঁতেন ' বুলি ৰমাই মোক কৈছিল। কৰ্মৰ লগত ভাগ্য, ললাট লিপি আৰু বিধাতাৰ অস্তিত্বও আজি-কালি মই মানিবলৈ বাধ্য হোৱা যেন অনুভৱ কৰোঁ। কলিজাৰ খিপখিপনিটো আৰু কেইদিনমান কোনোৰকমে চলি থাকিবলৈ দিয়াটোৱেই মোৰ যেন পৰম লক্ষ্য আৰু সাধনা হৈ পৰিছে এতিয়া। সকলো আদৰ্শ, সকলো সাধনা সকলো উচ্চাকাংক্ষা যেন কিহবাই সমাধিস্থহে কৰি পেলাবলৈ ধৰিছে।

নীলকণ্ঠ নামটোৱেইতো সভ্যদেৰ সমাজ-চ্যুত এটা নাম, এটা পূজা-বিহীন, যজ্ঞ-ভাগ - বঞ্চিত নাম । দ্বিতীয় বিশ্ব যুদ্ধৰ 'বাই প্ৰডাক্ট' নৱ-সভ্য সমাজখনৰ এটা বহিস্কৃত নাম—নীলকণ্ঠ, এটা অপৰিচিত অজ্ঞাত, অন্ধকাৰ আঁৰ কাপোৰৰ সিপাৰৰ নীলকণ্ঠ নামটো এটা শোচনীয় 'অবস্কিউৰিটী' । সেইখন সমাজলৈ আমদানিকৃত নৱা ভাদৰ-কায়দাবোৰ নিশিকাটোৱেইতো মোৰ যোগ্যতাহীনতাৰ প্ৰমাণ। সেইখন সমাজৰ লেন-দেনৰ উপাদানবোৰ হ'ল—আধুনিক সোমৰস, দহ প্ৰকাৰ ব্যসন, অবৈধ 'চেক্স' আৰু অবৈধ উপায়ে আত্মসাৎ কৰা কাগজৰ খমখমীয়া নতুন ছপা নোট কেইখিলামান ।

ইচ্ছা কৰা হ'লে নীলকণ্ঠই এই সমস্ত সম্পদ এবছৰৰ ভিতৰতেই আয়ত্ত কৰি তথাকথিত সভ্যতা-সংস্কৃতিৰ পূৰ্ণাৱয়ৱ ভচুং পহু এটা হৈ যাব পাৰিলেহেঁতেন । কিন্তু নীলকণ্ঠৰ বংশ আৰু পূৰুষত্বৰ এটোপাল তেজতো এই প্ৰবৃত্তি কোনো দিনেই হোৱা নাই । নীলকণ্ঠই সেই বিষয় কয়—এইবোৰ গদ খাই পেট নষ্ট কৰাৰ দৰেই কথা । সমগ্ৰ মানৱ সমাজখনেই যেন আজি ইয়াৰ দ্বাৰা প্ৰলোভিত হোৱাৰ উপক্ৰম হৈছে । ঐতিহ্য ন্যায় বিচাৰ নৈতিক পৱিত্ৰতা আৰু আভিজাত্যই মোৰ বিবেক-বাঘজৰী । আদৰ্শচ্যুতৰ আন নাম অপমৃত্যু হব নোৱাৰে জানো ! আভিজাত্য জানো সৰ্বকালেই অন্তঃসাৰশূন্যঅহমিকা ? আচাৰহীনতাৰ মজিয়াত নিষ্ঠাৰ বেদী স্থাপন নহয়, হলেও সি থৰক-বৰক্ । আদৰ্শত্যাগতকৈ পৃথিৱী ত্যাগ মোৰ দৰে নীলকণ্ঠ এজনৰ বাবে সহজ সাধ্য । মোৰ মন অবিকল, অবিচলিত । স্বোপাৰ্জিত-টোৱেই মোৰ ইহ-পৰকালৰ সম্পদ হৰিশ্চন্দ্ৰৰ অফুৰন্ত ভঁৰাল, দাতা-কৰ্ণৰ দানৰ সম্বল ।' এনেবোৰ আত্মগত প্ৰত্যয় আৰু প্ৰতিশ্ৰুতিয়েই আঁকৌ এবাৰ তেওঁক শৈশৱলৈ উজনিমুৱা কৰিলে ।

পৰ'-মা।

পাঁচখন হালৰ খেতি'ৰ উৎপন্ন—আহু, শালী জহা ধানেৰে কণ্ঠভূষণৰ তিনিটা মেট মাৰা ভঁৰাল। হাজাৰ বাৰণ জুলীয়া গুড় মিঠৈৰ কলহ, একুৰি মোনৰ ওচৰা-উচৰি সৰিয়হ মুগ, মচুৰ, মাটি মাহ, কলামাহ মধ্যমীয়। আকৃতিৰ পোহুৰ বিশটা মান মাছৰ পুখুৰী (কিচাৰী)ৰ থালী পাতি থৈ জীয়াই ৰখা বিবিধ প্ৰকাৰৰ মাছ (বছৰ'টোৰ তিনিশ পয়ষষ্টি দিনৰ কুৰি পঁচিশ দিনো যাদ নপৰাকৈ মাছ খোৱা হয়), হাজাৰ বাৰণ জোপা বাৰীৰ কল গছ, হাজাৰো ওচৰ তা'মোল পাণৰ গছ, নাৰিকল গছ, আম কঠাল গছ, বিভিন্ন বাঁহ গছ আদি অসংখ্য জিৰাট আদিৰে পৰিপূৰ্ণ বৃহৎবাস্তু, অপৰ্যাপ্ত খেতিৰ বাবে ৰবি বাৰিৰি, দ-বাম—প্ৰচুৰ জমি, একুৰি ছয়টা সৰু ডাঙৰ ঘৰ, তিনিখন চাওল আৰু লৰা বুঢ়ালৈ একুৰি ছয়জন পৰিয়ালৰ মানুহেৰে পৰিপূৰ্ণ কণ্ঠভূষণৰেই গৃহাশ্ৰম সেইখন।

প্ৰতি পূৰ্ণিমা তিথিতেই সত্য নাৰায়ণ পূজা উপলক্ষে সমগ্ৰ নিশা ওজাপালিৰ নৃত্য অথবা নাম-কীৰ্তনৰ অনুষ্ঠান এটা ধৰা বন্ধা ৰীতি। তাৰ অলপো হেৰ-ফেৰ কোনো দিনেই হোৱা নাই। এই উপলক্ষে তিনৰ পৰা সাতখন পৰ্যন্ত গাঁৱৰ মানুহক নিমন্ত্ৰণ কৰা হয়। মাঘ মহত সন্ন্যাসী সকলক কৰা ব্ৰহ্ম-ভোজনটোও প্ৰতি বছৰে কৰা এটা উল্লেখনীয় অনুষ্ঠান। সেই সন্ন্যাসী সকলকৰেই খোৱা পানীৰ পুখুৰী খন্দাই, ফল-ফুলৰ উদ্যান সজাই, শিৱৰ থান সজাই, কাশীৰ পৰা অনা শিৱলিংগ প্ৰতিষ্ঠা কৰাই গাওঁ বাসীক দান দিছে। তেওঁৰেই সুযোগ্য ভতিজাক কণ্ঠভূষণে আপদে-বিপদে সকলো সময়তেই তেওঁৰ ওচৰ চপা মানুহক মুক্ত হস্তে দান আদি দি, আন্তৰিক সহায় সহযোগিতা আগবঢ়াইছিল। এনে বদান্যতাৰ ক্ষেত্ৰত তেওঁ কোনো দিনেই—কোনো অৱস্থাতেই পৰান্মুখ হোৱা কোনেও দেখা নাই। কু-স্বভাৱীক এটি বাৰ মাত্ৰ

তিৰস্কাৰী চকুৰ চায়। পিচমুহূৰ্তত্তেই ভৱিষ্যতৰ বাবে শাসনৰ সু-ব্যৱস্থাকৰি শুধৰণিটোও মজ্জাগত কৰি দিয়ে। এইখিনি কৰি, অৰ্থাৎ তেওঁৰ মতে প্ৰকৃত কৰ্তব্য কৰিহে প্ৰাৰ্থীজনৰ ঈপ্সিত পূৰ্ণ কৰে। ধাৰ লবলৈ অহা মানুহক ধাৰ বুলিয়েই ধন, বস্তু দিয়ে, কিন্তু ধাৰ পৰিশোধ কৰিবলৈ আহোতাজনৰ পৰা এই উদাৰ কৰ্মযোগীজনে কেতিয়াও ধন বা বস্তু ঘূৰাই নলৈছিল। এই উদাৰতা আৰু বদান্যতাই কৃত্ৰিম প্ৰাৰ্থীৰ সংখ্যা স্বাভাৱিকতে বৃদ্ধি কৰিলেও কণ্ঠভূষণে কাকো বিমুখ নকৰিছিল। ধন বা বস্তু দিয়াৰ পাচত তেওঁ কৈছিল—'মই তোমাক দিলোঁ। আৰু ওভোতাই দিয়া বুলি ধৰা, কিন্তু এইখিনি আৰু কৈ থোৱা, কিবা এটা ভাল কাম কৰা গৈ। বেয়া কামত খৰচ কৰিবলৈ মই কাকো একো নিদিওঁ—তোমাকো দিয়া নাই। তেনে কৰিলে কিন্তু কোনো মংগল নহয় বা আকাংক্ষিত শুভ ফল নাপাবা। হয়তো মোৰ পৰাও ভৱিষ্যতে কিবা পোৱাৰ আশা কৰিবলৈ টান হব পাৰে।' তথাপি মানুহৰ স্বভাৱৰ সহজ পৰিবৰ্তন নহয়। কণ্ঠভূষণৰ এই আত্ম-ভোলা উদাৰ স্বভাৱে ছদ্মবেশী ধৰুৱাৰ লানি নিছিগা কৰি পেলায়। কণ্ঠভূষণে সকলো জানিও নজনাৰ ভাও ধৰে, দানৰ পুণ্যও নিবিচাৰে। তেওঁ নাম নিবিচাৰে, কোনোবা অভাৱী জনৰ শুদ্ধ কামটোৰ এটা সু-সমাধানহে বিচাৰে। তাতেই তেওঁৰ প্ৰাপ্তিৰ উপলব্ধি।

কণ্ঠভূষণৰ মতে কাম বা কৰ্তব্যই—ধৰ্ম, নীতি, ভাগ্য আৰু ভগৱৎ ভক্তি। "যোগস্থঃ কুৰু কৰ্মাণি সঙ্গং ত্যক্ত্বা ধনঞ্জয়ঃ। সিদ্ধ্যা সিদ্ধ্যোঃ সমোভূত্বা সমত্বং যোগ উচ্যতে ॥" (৪৮—২ গীতা)। কণ্ঠভূষণে বিবেক বুদ্ধিৰে কৰ্ম কৰে, কিন্তু কোনো কৰ্মৰেই মৰ্ম উপলব্ধিলৈও তেওঁ বাট নাচায়। এয়েই তেওঁৰ কৰ্মৰ মূলমন্ত্ৰ। তেওঁ কৰ্মফল আৰু আকাঙ্ক্ষাৰ মৈত্ৰী নিবিচাৰে।

কণ্ঠভূষণৰ সহধৰ্মিণী, উমা—শৈলৰাজ সুতাৰ দৰেই—তপস্বিনী

সাধ্বিকা, পতিব্ৰতা। তেওঁ দক্ষ সুতাৰ দৰেই ত্যাগ সৰ্বস্বা সতী পৱিত্ৰা অথচ নিৰীহ প্ৰকৃতি সম্পন্না। আপোন ভোলা, উদাস প্ৰকৃতি সম্পন্ন, সন্ন্যাসী নীলকণ্ঠৰ জন্মৰ বাবে, তেওঁৰ দুৰ্গম জীৱন-টোৰ বাবে সেই পুৰুষৰ ঔৰস, আৰু এই ত্যাগ সৰ্বস্বা নাৰী গৰ্ভই দায়ী। একুৰিৰো ওপৰ সংখ্যক মানুহৰ বাবে দুইবেলা দুটা ভোজ ৰান্ধি-বাঢ়ি খুৱাই-বুৱাই, ঘৰখনৰ সকলোৰে বাবে যাৱতীয় কাপোৰ আদিৰ বয়ন কাৰ্যতো এঘণ্টা-দুঘণ্টা খাতি-খুতি, সাজ-বাচন ধুই, ঘৰ-চোতাল আদি সাৰি-মচি ৰাতি ৰাৱটাৰ ওচৰা-উচৰি সময়ত যেতিয়া আজৰি হয়, আৰু প্ৰায় নিশা চাৰি পাঁচ ঘণ্টাৰ বাবে নিষ্কৃতি পাই, তেতিয়া দিনৰ নিৰৱচ্ছিন্ন কামৰ ভাগৰ আৰু ৰাতিৰ টোপনিয়ে উমা দেৱীক হেচামাৰি ধৰে। তেতিয়াহে তেওঁ ওৰণীখন কিছু দূৰ মূৰৰ ওপৰলৈ উঠে। যুদ্ধোত্তৰ প্ৰগতিৰ কালত সীমাহীনত ইয়াক ভীষণ নাৰী নিৰ্যাতন বুলি সৰ্বভাৰতীয় আন্দোলন আৰম্ভ কৰি দিয়াত যথেষ্ট যুক্তিযেই প্ৰদৰ্শন কৰাব পাৰিলেহেঁতেন। কিন্তু সেই যুগৰ নাৰীক তেনে কাৰ্যৰ পৰা বিৰত ৰাখিলেহে সম্ভৱতঃ আন্দোলনৰ মনোভাৱ গঢ়ি উঠিলহেঁতেন। তেওঁ-লোকে আজি নিজ মুখে প্ৰকাশ কৰা কথাৰ মৰ্ম—অৰ্থাৎ ভাবাৰ্থবোৰ এনে ধৰণৰেই—নাৰী শক্তি- স্বৰূপা, তেওঁক দুৰ্বলা বুলি ভাবা সাধাৰণ ধাৰণাটো এটা বৰ ডাঙৰ ভ্ৰম। কোন অৰ্থত নাৰী দুৰ্বলা? শাৰীৰিক, মানসিক নে নৈতিক অৰ্থত? আজিৰ যুগতহে দেখোঁ বহু পুৰুষৰ দ্বাৰা বহু নাৰীকেই অশ্লীল পাশৱিক ক্ৰিয়া আৰু ক্ৰীড়াৰ অংশীদাৰ বা লগৰী কৰা হৈছে আৰু তেনে চেষ্টা গোপন বা প্ৰকাশ্য ভাবেই চলিয়েই আছিছে। শাহু-শহুৰ, পিতৃ-মাতৃ, ভাই বন্ধুক অৱমাননা আৰু অপমান কৰিছে, নাৰীদেহৰ সৌন্দৰ্যৰ স্নিগ্ধ আবৰণখিনি উদঙাই দি প্ৰকাৰান্তৰে নাৰীক ঘৰে, বাহিৰে, ৰংগমঞ্চ, চিত্ৰ-গৃহ সকলোতে নাঙঠ কৰি ৰং চাইছে,

তৃপ্তি লভিছে বহুক্ষেত্ৰত নাৰীক প্ৰকাশ্যে বা অপ্ৰকাশ্যে প্ৰচ্ছন্ন ব্যৱসায়ৰ অংশীদাৰ কৰি বৰ্ণ-শংকৰ সৃষ্টি কৰিছে। কেইখনমান কাগজৰ নোটৰ বিনিময়ত বহু নাৰীও নিজে উপযাচি আহি তাত সহযোগিতাহে কৰিছে। তেনে নাৰীয়ে নিজেই নিজৰ কুসুম-পবিত্ৰ মাংসপিণ্ড বোৰ প্ৰদৰ্শন কৰি কাউৰী—শগুনৰ জিভাৰ পানীৰ বাবে আবেদন জনাই দোকান পাতিছে—ই যেন বজাৰৰ চাহ-মিঠাই বা সুৰাৰ হে দোকান। এনে আৰু অংসখ্য ঘৃণনীয় কামৰ মূল কৰ্তা কোন' বুলি প্ৰশ্ন কৰিলে উত্তৰটো নিঃসন্দেহে 'পুৰুষ' বুলিয়েই কব লাগিব। আজিৰ বহু পুৰুষৰ হে ঘৃণনীয় কৰ্মৰ বলি হৈছে—নাৰী। কিন্তু বিধাতাৰ সৃষ্টিত নাৰী এটি মহামূল্য বস্তু। বস্তুৰ নিজস্ব প্ৰতিভা আছে—প্ৰভা আছে, দুষ্কৃতিকাৰী লম্পট পুৰুষে সেই মহীয়সী নাৰীক প্ৰভাহীন নকৰিলে নাৰী সদায় স্নেহময়ী হৈয়েই থাকিব। 'মা' সংযুক্ত হৈ থাকিলেহে পুৰুষ--'মাধৱ' হব পাৰে। নাৰীও 'ধৱ'যুক্ত হৈহে 'মা' বা লক্ষ্মী হব পাৰে। দুয়ো পৰস্পৰৰ পৰিপূৰক কোনো স্বয়ং স্বাধীন নহয়---দুয়ো পৰাধীন--দুয়ো পৰাধীন হৈহে—এক, স্বাধীন অৰ্দ্ধ-নাৰীশ্বৰ—গৌৰ আৰু শ্যামৰ সমাহাৰ। বিজুলী আৰু মেঘৰ একত্ৰতাই জল সৃষ্টি কৰে, জলে ফল সৃষ্টি কৰে—সন্তানৰ সৃষ্টি কৰে। সেইবিলাকৰ স্থূল-প্ৰকৃতি মা হয়—বিশ্ব-ব্ৰহ্মাণ্ডৰেই মা হয়। আৰু স্থূল পুৰুষ গুচি 'ধৱ' অৰ্থাৎ পতি হয়---বিশ্ব-ব্ৰহ্মাণ্ডৰেই পতি হয়। নাৰী আৰু পুৰুষক ভিন্ন ভিন্ন কৈ সূক্ষ্মাতিসূক্ষ্ম অংগ প্ৰত্যংগ দি ভাব ধাৰা দি, প্ৰবৃত্তি-আশা আকাংক্ষা, আদৰ্শ আৰু একোটা মন দি সেই সকলোবোৰৰে সূক্ষ্মাতিসূক্ষ্ম নিৰ্দিষ্ট বিধান আৰু কৰ্ম-দি বিধাতাই নাৰী আৰু পুৰুষ সৃষ্টি কৰিছে, এজনৰ অবিহনে আনজন কোনো অৱস্থাতেই সুখী হব নোৱাৰে। এনেকি প্ৰেম-ভক্তি সংক্ৰান্ত শুদ্ধ ত্যাগতো প্ৰচ্ছন্ন অসন্তুষ্টিৰ ভাব এটা সুপ্ত হৈ নথকা নহয়।

নীলকণ্ঠ আজি কালি তেওঁৰ ভিতৰত এটা স্পষ্ট বৈৰাগ্য চেতনা-বোধৰ দ্বাৰা উদ্বুদ্ধ হবলৈ আৰম্ভ কৰিছে যেন লাগে। যৌৱনটোৰ বিৰুদ্ধে এটা বিতৃষ্ণাৰ ভাব সক্ৰিয় হৈ উঠিব ধৰিছে। মানৱ-শৰীৰত যৌন-চেতনা, উদৰৰ ক্ষুধা আৰু মনৰ তৃষ্ণাইহে যত অনৰ্থৰ মূল। মৰ্মস্থল নহলে কৰ্মস্থলো নাথাকিলহেঁতেন আৰু তেতিয়া কৰ্ম বন্ধনৰ আশংকাও নাথাকিলহেঁতেন। কৰ্ম বন্ধনহীন আত্মাইতো মুক্তাত্মা, পৰমাত্মা। কৰ্ম-বন্ধন হীনতাৰ স্বভাৱ স্পৃহা বা আশাইতো 'স্থিতপ্ৰজ্ঞৰ' ভাষা, 'কি লাভ ইযাত দুদিনীয়া সুখে দুদিনৰ পাচ আতৰি যায, মৰুৰ মাজত নিযৰৰ কণা পলায় পুৱাৰ পৰশ পাই।' নীলকণ্ঠৰ মনটোক কবিৰ মৰ্ম বাণীয়ে যেন সপোনৰ পৰা জগাইহে তুলিলে। ক্ষন্তেকৰ সুখটো অন্ত বা অনন্ত কাললৈ কঠাল এঠা লগাদি লাগি নাথাকে। এই সুখে তৃপ্তি নিদিযে, বৰং অতৃপ্তিৰ ৰাক্ষসী খক বা হুতাহটোহেকইহে ঘিউ ঢলা জুইৰ দাৰে ই উত্তৰোত্তৰ বৰ্দ্ধিতহে কৰায়।

'ন জাতু কামঃ কামানা মুপ ভোগেন শাম্যতি।
হৱিষা কৃষ্ণবৰ্ত্মেৱ ভূয এৱাভিবৰ্দ্ধতে ॥'

কামনাৰ আহাৰে তৃপ্তি নপলায়—অতৃপ্তিৰ দাৱানলহে শতগুণে জ্বলায় 'খায় মৰে, নাখায় ভাবে।' কুৰি-পঁচিশ বছৰৰ আগতেই এই ধ্যান-ধাৰণা উদয হোৱা হলে, নীলকণ্ঠ আজি এটা সৃষ্টি ধৰ্মী আণৱিক শক্তিত পৰিণত হলহেঁতেন সম্ভৱতঃ। সেই সিদিনাৰ সাতডলা বিলৰ ধনগুলৈ টোৱেইতো আজি নীলকণ্ঠৰ জীৱনত কল্কি অৱতাৰ হিচাবে আবিৰ্ভাৱ হৈছেহি।

পৰ্ব-সমুদ্ৰ মন্থন।

আহাৰ মহীষা প্ৰলয়-তাণ্ডৱী বানে গাওঁ ভূঁই পথাৰ খামাৰ কল তল বাঁহতল প্লাৱিত কৰি একাকাৰ কৰি পেলোৱা এটা সমযত লৰা-ছোৱালী আৰু পৰিয়ালৰ কিছু সংখ্যক লোকক লৈ এখন জাহাজ সদৃশ হাজাৰ মোনী নাৱেঁৰে কণ্ঠভূষণ ফুৰিবলৈ ওলাল। ভেওঁ বান পানাও চাব, তীৰ্থও কৰিব। ঘৰখন হাজোৰ হয়গ্ৰীৱ মাধৱ দৰ্শন প্ৰাৰ্থী, হেওঁলোকৰ মানত দূৰৰ জয় জগন্নাথ যেন ঘৰতেই স্থিতি লৈছে। খোৱা থকাৰ পূৰ্ণ আয়োজন হল সেই জাহাজ সদৃশ নাৱতেই। তেতিয়া সাগৰ-সংকাশ সাতডলা বিলৰ বান। ওপৰে ওপৰে কাঁহী এখনৰ দৰে সেই বান দেখাজনে পৃথিৱীখন ঘূৰণীয়া বুলি কৰৰ যেন বৰ বেচি যুক্তি বিচাৰি নাপায়। শুক্লা চতুৰ্দশীৰ জোৎস্না-প্লাৱিত আকাশ পৃথিৱী। প্ৰলয-পয়োধিত যেন কেশৱৰ সৃষ্টিৰ নৱ সন্ধ্যা-লগ্ন অথবা নৱাৰুণৰ কৌমুদী আভাৰে সদ্য উদ্ভাসিত ই যেন সপোনৰ এখনি মায়াপুৰী।

নাৱৰীয়াই মনৰ হৰিষে গুণ্‌গুণাই নাও বাইছে। প্ৰকৃতিত আহাৰ মহীষা বৰৈয়া মাটি মিঠা আমৰ সোৱাদ। মলয়ানিল-বাহক ৰজনীৰ নিমজ আমেজ। দিনৰ নিদাঘৰ তাপত গাত্ৰ চৰ্ম দগ্ধ কৰি এড়াৰ কৰাৰ এইযা যেন যথোচিত ক্ষতিপূৰণ। সমগ্ৰ দিনটোত নাও বোৱা দুঃসাধ্য প্ৰায়। ভোজন-বিশ্ৰাম পৰ্ব দিনৰ মাজ ভাগতেই সমাধা হৈ যায়। সকবোৰ সায়াহ্নতেই নাৱঁৰ গৰ্ভৰ সু-জ্জিত শয্যাত শায়িত হৈছে, নাৱঁৰ গৰ্ভই মাৰৰ গৰ্ভই সমান। কণ্ঠভূষণ নাৱঁৰ ছৈৰ ওপৰত বহি দিক্ নিৰ্ণয় যন্ত্ৰৰ কাম কৰিছে—অভ্ৰান্ত দিক দৰ্শন। নাৱৰীয়াবোৰৰ অনুৰোধক্ৰমে তেওঁ পদ্মাসন কৰি বহি—বৰগীত, লোকগীত আদি বিবিধ ৰাগৰঞ্জিত সুৰ টানিছে। এটা সময়ত কণ্ঠভূষণ নিজৰ সুৰতেই নিজে উটি গ'ল—দূৰ, বহু দূৰলৈ। তেওঁৰ পদ্মা আসীন শৰীৰটো যেন কাষ্ঠৱৎ

হৈছে গৈছে। অথচ অবিৰল ধাৰে সুৰৰ নিৰ্ঝৰিণী বৈযেই থাকিল।

নাৱঁৰ সন্মুখত কিছুদূৰত একুৰা চলন্ত জুই ইতস্ততঃ বিক্ষিপ্ত ভাবে ধাৱিত হবলৈ ধৰিলে। চুম্বকে লোহাক আকৰ্ষণ কৰাৰ দৰে ই যেন নাওখনক পুতলাহে নচুৱাব ধৰিলে—এনেদৰে দিগভ্ৰান্ত কৰি ই তাক অকাই-পকাই ঘুৰাই লৈ ফুৰাব ধৰিলে। নাওখন যে টাকুৰী ঘূৰাদি ঘূৰি ফুৰিব ধৰিলে—সেইফালে কাৰো ভ্ৰূক্ষেপেই নহ'ল। গাওঁতা-বাওঁতা শ্ৰৱন-কীৰ্ত্তন কৰোঁতা সকলো সুৰত মগন।

ভয়াল ৰাতিৰ ভীত-ভাৱনাইও কাকো ভাবুকি নিদিলে। মাৰাখন দৌৰৰ দৰে নাৱঁৰ গতিৰ অন্ত নাইহে নাই। হঠাৎ কণ্ঠ ভূষণৰ হাঁতৰ হাতৰ দুযোৰ বাম কৰতালৰ 'কৰক্' 'কৰক্' ধ্বনি স্তব্ধ হৈ গ'ল, গীতৰ সুৰ নিজম পৰি গ'ল, ধ্যান ভংগৰ দৰে কণ্ঠভূষণ মৃদু কম্পিত হৈ বিচলিত হৈ উঠিল। নাৱৰীয়া সকলোৰো যেন তেতিয়াহে সম্বিৎ ফিৰি আহিল—অজ্ঞাত আশংকাত শৰীৰ মন জিকাৰ খাই উঠিল। হঠাৎ নাৱঁৰ গুৰি বঠা ধৰা আদবয়সীয়া ককাইযে কবলৈ ধৰিলে—'প্ৰভু। অভিমন্যু যেন চক্ৰ ব্যূহৰ সোঁ মাজতেই পাকঘূৰণি খাইছো, ঘূৰ্ণিয়াই আছোঁ। সাৰথি সুৰত মগন, ৰথী ৰণক্লান্ত। সুৰৰ ধ্যান এৰি প্ৰভুৰ অন্তৰ্দৃষ্টিক জাগ্ৰত কৰি তুলিলেহে ব্যূহ-নিৰ্গমন সম্ভৱ হব। ৰথীৰ যেন দূৰতে অশুভাহ দৰ্শন হৈছে। শিশুৰ পৰিত্ৰাতাৰে মাতিলেও যেন লাভ নাই। চকা ঘূৰি মৰৰ—'চক্ৰ'ইহে ৰক্ষা কৰে। বুদ্ধি, জ্ঞান আৰু ভক্তিয়ে উপায় কৰে।' ৰামায়ণ, মহাভাৰত কীৰ্ত্তন-দশম পঢ়ি কিছু বুজাই দিব পৰা চুবুৰীটোৰ মাতব্বৰ গাওঁবুঢ়া গৰীয়া কাইৰ কথা শুনি কণ্ঠভূষণৰ মুখত ক্ষীণ হাঁহি এটি দেখা দিলে। জ্যোৎস্নালোকত হয়তো তাক স্পষ্ট নেদেখিও যেন সকলোৱে অন্তৰ হিচাবে তাৰ মৰ্ম উপলব্ধি কৰিলে। তেওঁ সেই নিশা-কাল নাৱঁৰ টিঙত বহি স্নান কৰিলে। তাৰ পিছত তেওঁ নাৱঁৰ 'হৈ'ৰ

ওপৰত প্ৰাণায়ামত বহি ধ্যানস্থ হৈ পৰিল। কণ্ঠভূষণে পিছতেই— নাৱঁৰ চাৰিওকালে বৃত্তাকাৰে ঘূৰি ঘূৰি নাওঁখনৰো বৃত্তাকাৰ গতিপথ নিৰ্ণয় কৰা অশুভ অগ্নিপিণ্ডটো লাহে লাহে পোন ৰেখাত মাত্ৰ এটা দিশলৈ গতি কৰিব ধৰিলে। সাগৰ সদৃশ জলৰাশিৰ ওপৰত ক্ষন্তেকতে ইমূৰ-সিমূৰ দৌৰি ফুৰা অগ্নিপিণ্ডটো গাওঁবাসী বাইজৰ চিৰকালৰ চিনাকি। কিন্তু তাৰ কুকৰ্মৰ মোৰবোৰৰ হাত সাৰাৰ উপায়টোহে তেওঁলোকে নাপাব। উপায়টোৰ লগত চিনাকি নাই। শুদ্ধ অন্তৰেৰে কৰা জপ, ধ্যান আৰু গায়ত্ৰী মন্ত্ৰৰ আৰাধনাইহে হয়তো তাৰ বিভ্ৰান্তিকৰ কৌশলৰ জালখন ফালি পেলাব পাৰে বুলি আধ্যাত্মিক, মানসিকতা বোধৰ ধাৰণা। শ্মশানৰ গেচীয় অৱস্থিতিটোৱে অৱশ্যে অধিভৌতিক ক্ৰিয়া-প্ৰক্ৰিয়া কৰাৰ ক্ষমতা আছে যেন লাগে।

কণ্ঠভূষণে নিৰ্বাক ধ্যানস্থ অৱস্থাতেই, মুদ্ৰিত নয়নে হস্ত সম্প্ৰসাৰণ কৰিলে। অংগুলি সংকেত দি নাৱঁৰ শুদ্ধ গতিপথ নিৰ্ণয় কৰি দিলে। দূৰাপসাৰিত অগ্নিপিণ্ডৰ বিপৰীতে নাৱৰীয়াই নাওঁ চলাই দিলে। প্ৰায় আধাঘণ্টামান সময় নাওঁখনে তীব্ৰ খৰতৰ গতি ললে। নাৱৰীয় সোৰে আতংকত চিঞৰি উঠিল— 'প্ৰভু! নিগমে মৰিলোঁ!—আকৌ উকাদেৱতাৰ ৰোষ! দূৰত সেই কুৰা চাওক!' কণ্ঠভূষণে মিচিকিয়া হাঁহি এটি মাৰি কলে—'নৈগ থাকা, দুৰ্বল, অশুভ ভাৱ প্ৰকাশ নকৰিবা, হাতেৰে কৰ্ম কৰা, অন্তৰেৰে মহাশক্তিক স্মৰণ কৰা, ধ্যানস্থ হোৱা। যদি পাৰা, মনে মনে ধ্যান কৰা—'তমসো মা জ্যোতিৰ্গময়'।

কলম্বচৰ জাহাজৰ বিদ্ৰোহী আৰু নিধন প্ৰয়াসী সংগীবোৰে এইকুৰা জুইকেই হয়তো দেখি এনেভাবেই চিঞৰি উঠিছিল—A light, at last, a light is seen — A light with divine power বহুত দূৰৰ সেই জুইকুৰা আৰু ওচৰৰ এই জুইকুৰাত লুকাই

আছে—লুকাই থাকিবলৈ বাধ্য। বস্তুত অসত্যৰ মাজত সত্যটোও লুকাই থাকিব পাৰে। অসত্যবোৰ ওপৰে ওপৰে উৰি ফুৰে। পানীত জুই লগাৰ অসত্যটোও যেন সত্য হৈ যায়। কিন্তু প্ৰকৃত সত্যটো, প্ৰকৃত জুইকুৰা পানীতো থাকে—থাকিব পাৰে—সেইটোৱেই স্থিৰসত্য, দিশহাৰা সংসাৰ নাবিকৰ সেয়েই পোহৰ গৃহ, সেয়েই স্বৰ্গীয় জ্যোতি, সেয়েই আত্ম জ্যোতি। সেই জ্যোতি, সেই সত্যটো মহাসমুদ্ৰৰ মাজৰ দ্বীপ এটাত থকা জুপুৰী ঘৰটোতেই হয়তো থাকিব পাৰে।

কণ্ঠভূষণৰ নাও গৈ জুপুৰীনিবাসী পামুৱৈ জনৰ চোতালতেই লাগিল গৈ। জ্বলি থকা হাৰিকেন লেম এটা খোলা চালিখনৰ মাৰলিৰ পৰা লোহাৰ তাঁৰৰ হাকোটা এডালত ওলমি আছিল। পানীৰ ওপৰে ওপৰে ঢৌ খেলি ফুৰা বতাহ ছাঁটিৰ নিৰৱচ্ছিন্ন গতিয়ে লেমটোক ঘড়ীৰ পেণ্ডিউলামটোৰ দৰে হিল্লোলিত কৰি আছিল—যেন সেই উকা দেৱালৰহে 'স্লথ' গতি— কণ্ঠভূষণৰ নাৱৰীয়াৰ আতংকৰ কাৰণটো স্পষ্ট। ভ্ৰান্তি আৰু শান্তিৰ কাৰণো একে হব পাৰে।

তৃতীয় প্ৰহৰ ৰাতি। লেম'টোৰ কাষতেই পাশ বেৰৰ আঁৰত সমুৱা ভেদোকা শহাকৰ্ণীযা হৈ শুই আছিল—কোন মুহূৰ্তত বাঢনি পানীয়ে লাম-লাকটুখিনিৰে সৈতে জুপুৰী তিনিটাক পানীৰ তলত জুপুকা মাৰিবলৈ বাধ্য কৰায—তাৰ কোনো নিশ্চয়তা নাই। ধান, মাহ, গুৰ, সৰিযহখিনি বানপানী অহাৰ আগন্তুক দেখিয়েই নাৱেৰে নি ঘৰত থৈ আহিছে। গতিকে ফচল থোৱা জুপুৰিটো প্ৰায় খালী বুলিবই পাৰি। এটা থকা ঘৰ অৰ্থাৎ কোঠালি, আনটোত এহাল হালোৱা গৰু আৰু এযোৰা গাই দামুৰিৰ লগতে এটি দমৰা বন্ধা আছে। পামুৱৈ গৰু গাইখিনিয়েই ঘাই সম্বল।

ভেদোকাইৰ কাষতে ওচৰে পাঁজৰে আৰু সৌতৰ ওঠৰ ঘৰমান

পামুৰৈ আছে। প্ৰায় ঘৰতেই এজন,—খুব বেছি দুজনকৈ ঘৰৰখীয়া হৈ আছে। সকলো সময়তেই তেওঁলোক বাঢনি পানীৰ বা'ৰ আতংকগ্ৰস্ত অথচ সতৰ্ক হৈ আছে। বিযলি-নিশা পানীৰ ওপৰত বহু মানুহৰ মাত শুনি কৃষক পামুৰৈবোৰ উঠি আহিল, পানীৰ বাধা আৰু ধাৰৰ বাবে কিছুমান আহিব নোৱাৰিলে। পানীৰ ধাৰে বাঁহৰ শাকো উটুৱাই নিছে। পানী শুকালেহে সাঁকো মেৰামতি কৰা হব। গৰমৰ দিনৰ ভাগত হলে কোনোমতে ভিজিবুৰি আহিব পৰা যায়। ভিজিবুৰি থকা গাবেই আলাপ আলোচনা হোৱা যায় তেনেকৈযেই তেওঁলোক গুচিও যায়।

ভাৰতৰ স্বাধীনতাৰ আগৰ আৰু কিছু পিচৰে অসমীযা গাৱঁলীযা জীৱন-ধাৰা, পমুৱা জীৱন-ধাৰা এনেকুৱাই। এই দুৰ্যোগ বিপৰ্যযৰ মাজতেই তেওঁলোকে হাঁহি-ধেমালি কৰি আলাপ আলোচনাৰ সূত্ৰ টানে—বিভিন্ন বিষয়কলৈ আৰু চৰম বিপত্তিৰ সময়ত ক্ষন্তেক মূৰে কপালে হাতদি বহিও পৰে। কিন্তু তেওঁলোকৰ কৰ্মৰ মূল মন্ত্ৰ হ'ল—'নুবুৰে মানে বাবা—নমৰে মানে চাবা।' 'কৰিম কিম্বা মৰিম'—এনে মন্ত্ৰ বেছি আৱেগিক হৈহে উচ্চাৰণ কৰে। অৱশ্যে আগঢাটোৱেই স্বাভাৱিক নিযম। প্ৰকৃতিৰ লগত যুদ্ধ আৰু শান্তিযেই গ্ৰাম্য জীৱনৰ ধমনীৰ অবিচ্ছেদ্য প্ৰবাহ।

নাৱৰীয়াবোৰে 'কোনোবা আছা যদি অলপ ওলাই আহাচোন' বুলি মাতিব ধৰাত হাতত লেমটো লৈ ভেদোকাই আথেবেথে ওলাই আহি অলপ আচৰিত হৈযেই সুধিলে—'আপোনালোক, কোন? এই ৰাতিখন এই মহা সমুদ্ৰত ভা'হি ক'ৰপৰা আহিছে নো? পকৱাই পোৱা নাইতো? নাওখন এই গছডালতেই বান্ধক, সকলোবোৰ নামি আহক? কিমান মানুহ আছে? খোৱা বোৱাও নিশ্চয় হোৱা নাই। চাউল-দাইল আৰু আলু গুটিবে সিধা এটি দিব পৰা হব। চাউল মুঠি সিজাই খাওকছি, লগত ল'ৰা-ছোৱালী আৰু তিৰোতা

মানুহো আছে যেন লাগিছে। হাজোৰ হয়গ্ৰীৱ মাধৱ, নহলে পোৱা মক্কা দৰ্শন কৰিবলৈ আহিছে নেকি? কিন্তু আপোনালোকক খাঁটি হিন্দু যেনহে লাগিছে! ৰাতি বেলা বহুতবেই এনে দুৰ্গতি হয়। কিন্তু কোনো সাধু-পবিত্ৰ ধাৰ্মিক মানুহ আহিলে একেবাৰেই অপচেষ্টা কৰিব নোৱাৰে। সাধু-পবিত্ৰ মানুহবোৰ একেবাৰেই কৰিব নোৱাৰে। ইতিমধ্যে লৰা-ছোৱালী তিৰোতা আৰু কণ্ঠভূষণৰ বাহিৰে বাকীবোৰ মানুহ নাৱৰপৰা নামি আহিল। নাওখন গছডালত বান্ধি থোৱা হ'ল। কণ্ঠভূষণৰ নাম কোৱাত মানুহবোৰগৈ ঘৰৈকে অনুৰোধ কৰি হাতে-ভৰি ধৰি কণ্ঠভূষাক নাৱৰ পৰা নমাই আনিলে। সকলোৱে গল-বস্ত্ৰহে আঠুকাঢ়ি তেওঁৰ ভৰি চুই সেৱা কৰিলে কণ্ঠভূষা এখোজ পিচুৱাই গৈ কলে— ৰাতি ভৰিচুই সেৱা কৰিব নাপায়। আমি সাজ লাগি ভাঙোতেই খাইবৈ নাওমেলি ধীৰে সুস্থিৰে আহি আছিলোঁ। পানীৰ লীলা চাই চাই আহি থাকোতে নাও আপোন গতিত আহি আছিল, কিন্তু হঠাৎ ই দিশহাৰা হৈ গ'ল। কিনো হ'ল বাৰু ভাত? অলপ ভামচাই বৰং চোৱা হ'ল। পাছুৱৈ মানুহবোৰে ঘৰ বিনগেৰে সৈতে এখন নতুন কল পাতত কিছুমান তিযহ, আম, অমৃতা আদি আনি কণ্ঠভূষণৰ সন্মুখত থলে আৰু হাতযোৰ কৰি, গ্ৰহণ কৰিবলৈ অনুৰোধ জনালে। লগত নতুন গামোচা ঘৰৰ পৰা নিধা লোটাত নতুন তোলা পানি আদিও যতনাই দিলে। কণ্ঠভূষণে হাত-ভৰি ধুই ফলবোৰ কাটি সকলোকে ভগাই দিলে, নিজও যৎসামান্য মুখত দিলে। ইযাৰ পিচত মানুহবোৰক কৃতজ্ঞতা জনাই শুকান চোতালত খৰমৰ খট খট্ শব্দ কৰি কণ্ঠভূষণ নাৱৰ 'ছৈ'ত উঠিল গৈ। পত্নী উমা আৰু আন কিছুমান 'ছৈ'ৰ ভিতৰৰ বিচনাত শুই পৰিল। নাৱৰীযাবোৰ চালিৰ তলত লেমৰ ৰহস্যময় আলোকত বহি পৰিলগৈ আৰু বৰগীত লোকগীত আৰম্ভ কৰি দিলে। আহাৰ মহীয়া ৰাতি, তেনেই চুটি। ডেৰ-দুই ঘণ্টামানৰ পিচতেই পুৱে বগা ডাৱৰ দিবই।

কণ্ঠভূষণে 'চৈ'ত বহি প্ৰভাতী বৰগীত—'তেজৰে কমলাপতি পৰভাতনিন্দ, তেৰিচান্দ মুখ পেখোঁ উঠৰে গোবিন্দ, ৰজনী বিদূৰ দিশ ধৱলীবৰণ, তিমিৰ ফাৰিয়া বাজ ৰবিৰ কিৰণ ' বৰগীতটি উদাত্ত সুৰত আৰম্ভ কৰি দিলে। নিতাল নিস্তব্ধ প্ৰভাতত এই উদাত্ত সুৰ বিস্তৃত জল-বক্ষৰ ওপৰে ওপৰে দূৰ- বহু দৰলৈ বাগৰি বাগৰি গৈ এক কল্লোলৰ গন্ধৰ্ব পুৰীৰ সৃষ্টি কৰিলে। ভেদোবাইহঁতৰ জল-প্লাৱিত পামখন—এখন তীৰ্থস্থান, এখন মহাপুৰুষীয়া সত্ৰৰ হাউলি অথব এখন আধ্যাত্মিক সাধনাৰ ক্ষেত্ৰযেন লগা হ'ল। ঘৰবোৰ যেন কেৰলীয়া ভকতৰ সংসাৰ সম্পদ শূন্য অথবা পৰমাৰ্থ পূৰ্ণ বিতৃৰৰ জুপুৰীহে। জগত গুৰু শ্ৰীমন্ত শ কৰদেৱে যেন তেওঁৰেই কোনোৱা এজন দীৰ্ঘ-দেহী, আজানুলম্বিত বাহু, থুলন্তৰ সুশ্ৰী, সুপণ্ডিত পৰম ভক্ত ধৰ্মাচাৰ্য শিষ্যকহে ত'ৰ পঠিয়াই দিছে। পামখন যেন বৈকুণ্ঠ ধামহৈহে পৰিছে! পামুৱৈসকল সই শেষ নিশা আৰু শুণ্ডলে। তেওঁলোকে চোতালতেই ল'গি থকা নাওখনৰ কেইগজমান দূৰৰ চাপৰিৰ তলত বহি খঞ্জুৰী, ৰামকৰতালেৰে বৰগীত লোকগীত আদি গাই গাই ৰাতি পুৱাই দিবলৈ কণ্ঠভূষণৰ অনুমতি পাইছিল। শেষত তেওঁ উচ্ছ্বসিত হৈ নিশাৱশানত নিজেও 'তেজৰে কমলাপতি গাইছিল। কণ্ঠভূষণে নিয়মিত ভাবেই প্ৰাতঃকৃত্য আৰু নিত্য-নৈমিত্তিক কামবোৰ সমাধা কৰিলে। পোহৰ হোৱাৰ লগে লগেই আন সকলোৱেই নিজ নিজ কৰ্ম সমাধা কৰিলে আৰু গলবস্ত্ৰহৈ কণ্ঠভূষণক প্ৰাৰ্থনা জনালেহি— 'প্ৰভু! আপোনাৰ পবিত্ৰ পদাৰ্পণে এই 'কলীয়া-পানী'ক বৈকুণ্ঠত পৰিণত কৰি পেলাইছে। আমাৰ দৰে কয়দীবোৰে আৰু এটা দিন এটা ৰাতি শ্ৰীচৰণৰ সংগ বিচাৰিছোঁ। এই বানপানীৰ সময়ত তৃণ-কুটাডালো কৰিবলগীয়া কাম বুলি একো নাই। গতিকে শ্ৰীমুখৰ ধৰ্মতত্ত্ব কথা শুনাৰ আগ্ৰহ আমাৰ দৰে অধম নিঃকিনবো হৈছে।' কণ্ঠভূষণে অলপ ৰঙ্গ কৰি কলে—'তিথিটো পূৰ্ণ কৰি থাকিলে 'অতিথি'

শুচি 'আলহী' অৰ্থাৎ গৃহস্থৰ এনাহৰ পাত্ৰতে হোৱা যায়। গতিকে জনা মানুহে দৈৱ-দুৰ্বিপাকত 'অতিথি' হ'বলগীয়া হলেও 'আলহী' নহয়। আমাৰ হলে থাকি বৰ ভাল লাগিছে—আৰু থাকিবলৈ ইচ্ছাও গৈছে। কিন্তু কি কৰিম, উপায় নাই আৰু থাকিবলৈ! তথাপি আপোন লোকৰ ইচ্ছাক সন্মান জনোৱাৰ বাবে আজি আবেলিলৈকে থাকি হাজোলৈ যাম। এপৰ ৰাতিৰ ভিতৰতেই হ'জোৰ হয়গ্ৰীৱ মন্দিৰৰ আটি-পৰীয়াৰ ঘৰ পাব লাগিব'গ।

প্ৰতিঘৰ পামুৱৈয়ে নিজাৰ নিযা সিদাবাৰৰ পৰা এনো মুঠি মাত্ৰ চাউল ৰাখি বাকী সকলো বস্তু দিবাই দিলে। বৰ, নাৰত লৈ যোৱা বস্তাবিলি জহাচাউলৰ সক এবস্তানান্ত তেওঁলোক দি দিলে পানীত ডুবি থকা মানুহ—বহু বকমৰ বিপদ আহিব পাৰে। চাউল কেইটা লগত থাকিলেও কিছু সকাহ পোৱা যায়। পানী জাগ দিয়াৰ লক্ষণ ৰবৰম। উনাই ভাগ বান্ধিলে। প্ৰায় এবমান বজালৈকে শ্ৰীমদ্ভগৱদ্গীতা, ভাগৱত পুৰাণ, মহাভাৰত, ৰামায়ণ, কীৰ্ত্তন দশম নামঘোষা আদিৰ গভীৰ আলোচনা কৰি কণ্ঠভূষণে সকলোকে ভক্তি বসত আপ্লুত কৰি পেলালে। ইয়াৰ পিচত তেওঁ ভোজন কৰিলে। ভোজনৰ পাত্ৰৰ উচ্ছিষ্ট কণ্ঠভূষণৰ তীব্ৰ বিৰোধিতা সত্ত্বেও, সকলোৱেই জোৰ কৰিয়েই ললে। সকলোৱে ভোজনান্তত ক্ষন্তেক বিশ্ৰামলৈ স্বস্তিবোধ কৰিলে।

'প্ৰভু! আবেলি ব'দ পৰাৰ লগে লগেই নাও এৰিদিয়াৰ কথা যদিও এতিয়াও হাতত কিছু সময় আছে, শ্ৰীমুখৰ কথা শুনাৰ হেপাহ এই কলীয়াপানীবাসীৰ এতিয়াও পলোৱা নাই। ভগৱানক পাব পাৰিবনে নোৱাৰি, কোনোবাই পাইছেনে নাই—এই বিষয়ে প্ৰভুৱে অধম সকলক কিছু জ্ঞানৰ পোহৰ দিলে পাপ-তাপ কটা যাব বুলি ভাবোঁ"—জলমগ্ন গাঁৱবাসীৰ সানুনয় অনুৰোধ! ঈষৎ চিন্তা যুক্তহৈ কণ্ঠভূষণে কলে—'প্ৰশ্ন উত্তম যদিও—উত্তৰতহে অধম হোৱাৰ সম্ভাৱনা

বাক্ দুটা এটা বওঁ। ভগৱান অৰ্থাৎ অনন্ত কোটি বিশ্বব্ৰহ্মাণ্ডৰ সৰ্ব নিয়ন্তা, এক পৰম শক্তিৰ অস্তিত্ব বোনোৱেই নুই কৰিবৰ দুঃসাহস কৰিব নোৱাৰে। ভগৱান নিৰাকাৰ বোলাৰ অৰ্থ অনন্তকোটি বিশ্ব-ব্ৰহ্মাণ্ডৰ আকাৰ সামৰিও মানৱৰ সসীমজ্ঞানে নিৰাকৰণ কৰিব নোৱাৰা অথচ অনন্তকোটি ৰূপ বা আকাৰ লৈযেই তেওঁ—অসীম, তেওঁ নিৰাকাৰ—তেওঁ সাকাৰ। 'যত্ৰ জীৱ তত্ৰ শিৱ'ৰ অৰ্থ অকল এইটোৱেই নহয় যে—জীৱবোৰৰ মাজতহে শিৱ বা মংগলময় ভগৱানজন লুকাই আছে। তেওঁ দৃশ্য, অদৃশ্য, বাস্তৱ-কাল্পনিক সকলোতেই অন্তঃসত্তাহৈ বিৰাজ কৰিছে—'যি নাই'—তাতো তেওঁ আছে, নাইটোৱেইতো তেওঁ অৰ্থাৎ সি সৰ্বজ্ঞানাতীত, সি অবাঙ্ মনোগোচৰ, লিপ্ত, নিৰ্লিপ্তও।

ভক্ত প্ৰহ্লাদৰ বাবে স্ফটিক স্তম্ভতো ভগৱান আছে। প্ৰহ্লাদ-পিতৃ হিৰণ্যকশিপুৰেও নাই বুলি কোৱা নাই—বৰং শত্ৰু জনৰ জগত প্ৰতিযোগতাৰ মাজেৰে বল জুখিহে ফুৰিছে—বিমান (অসীম) শক্তিৰ হওঁ। 'যত জৰ জংগম-কীট-পটংগম, অগ, নগ, জগ তেৰিকায়া' জগদগুৰু শংকৰদেৱেও আকৌ কৈছে—'কুকুৰ, চণ্ডাল, গৰ্দভৰো আত্মা ৰাম। জানিয়া সবাকো কৰিও প্ৰণাম।' কুকুৰ, চণ্ডাল, গাধাও ৰাম, গতিকে সিহঁতক প্ৰণাম কৰা' এনে অৰ্থ ভ্ৰমাত্মক, হাস্যকৰ। সকলো বস্তুৰেই আত্মাহে ৰাম-অৰ্থাৎ ৰমণীয়। ভগৱানৰ অৰ্থ-সেই পৰম ৰমণীয়, পৰম মংগলময়, পৰম আনন্দময় আত্মাহে। সিহঁতৰ আত্মাই বিস্তাৰি থিনিহে দিবা। 'আত্ম-পক্ষি'ক ধৰিৰাখিবলৈহে পিঞ্জৰ ৰূপ ক্ষণভংগুৰ গ্লানিময় দেহটোৰ আৱশ্যকতা আছে। বাঘৰ শৰীৰ-পিঞ্জৰাতো ৰাম থাকে, মাঘ 'কবি'ৰ শৰীৰ পিঞ্জৰাতোত্ৰৈগুণ্য ময় (ওজঃ শান্তাদি অথবা সত্য শিৱাদি) ৰাম আছে সদা সৰ্বদাই। সেই বিশ্বাতিগ ৰামক চিনিলৈ তাক যথাৰ্থ মূল্য দিয়াটোহে সেৱাৰ অৰ্থ। ভেঁটিখোৰ অফিচাৰক কপট সেৱা এটি কৰি, ভেঁটি দি পিচত গালি পাৰিলে—সি সেৱা হৈ নাথাকিল। বাটাত দেখা—কুকুৰ চণ্ডাল,

গাধৰটোক আঁঠুকাঢি সেৱা এটা কৰিলেই 'সেৱা'ৰ প্ৰকৃতাৰ্থ পালন কৰা নহ'ল—সিহঁতৰ প্ৰাপ্যখিনিক ভাল ভাবে দিয়াটোকেই সেৱা কৰা বোলা হয়। আত্ম-তুষ্টইতো ভগৱান তুষ্ট—আত্মাৰূপী ভগৱান তুষ্ট। আত্মাই উপলব্ধি নকৰিলে শৰীৰে কোনো বস্তুতেই সুখ, শান্তি আৰু আনন্দ নাপায়। আত্মা, অচ্ছেদ্য অক্লেদ্য, অদাহ্য হন্যমানেঅপি শৰীৰে---নহন্যতে', আত্মাৰ ছেদন কৰিব নোৱাৰি, অগ্নিসংযুক্ত কৰিব নোৱাৰি, পুৰি পেলাবও নোৱাৰি। বধ্য শৰীৰতো আত্মা অবধ্য। ক্লেদাক্তধৰাহ শৰীৰত অক্লেদ্য আত্মাৰূপী ৰাম থাকে। এই ৰবাহ আত্মাইতো ৰাম, ভূমিত অৱতৰণ কৰিবযইতো অৱতাৰ হৈছে। শৰীৰ উপলক্ষ, আত্মাক উন্মিলিত নয়নেৰে দৃষ্টি নিক্ষেপ কৰি মুদ্ৰিত নয়নেৰে ধ্যান কৰিলে ভগৱদ্দৰ্শন হয়।

আত্মাৰ নিৰ্দিষ্ট ৰূপ নাই, সেয়ে ভগৱান অৰূপ। ক্ষুধাতুৰ, তৃষ্ণাতুৰ, ঋণী, প্ৰবাসী, ব্যৰ্থ-প্ৰেমিক, পুত্ৰহাৰা, প্ৰিয়তমা-পত্নী হাৰা ৰোগ গ্ৰস্ত, দীন-দুখী, বৈধব্য-বিধুৰা—সকলোৱেই আপদ কালত ভগৱানক মাতে, তথাপিও শংখ-চক্ৰ-গদা-পদ্মধাৰী,-কমণ্ডলুধাৰী অথবা ত্ৰিশূল ডম্বৰুধাৰী কোনো ভগৱানেই কাকো একদিনাও দেখা দিয়া নাই। ক্ষুধাতুৰৰ বাবে এটুকুৰা ৰুটি এমুঠি—ভাত, তৃষ্ণাতুৰৰ বাবে এটোপ পানী নিঃসংগ বিপদগ্ৰস্তৰ বাবে এষাৰি মাতৰতেই ভগৱান লুকাই থাকে। ঋণ পৰিশোধ, প্ৰবাসীজনৰ গৃহ-প্ৰত্যাগমন, প্ৰেমিকৰ অৰ্থাৎ প্ৰেমৰ মিলন, পুত্ৰ দৰ্শন, ৰোগ নিৰাময় কৰণ, দুখ-বিমোচন আদিৰ শুভ ভাৱটোৱেই ভগবান। ধৰি লওক—আমি গোটেই বাৰেই দিক্ ভ্ৰান্তৈ অৰ্দ্ধৰাত্ৰি তামসী মায়াৰ পাচে পাচে ঘূৰি ফুৰি শ্ৰান্ত, ক্লান্ত আৰু মহাভীতি গ্ৰস্ত হৈ—জপ,ধ্যান প্ৰাণায়াম আদি কৰি ভগবানক মাতিছো, মায়াৰ পোহৰ পিচ পেলাই এৰি আছি তেওঁৰ অনিৰ্বাণ পোহৰ বিচাৰিছোঁ। ভগৱানক জানো নাপালোঁ? পালোঁ,—আপোনালোকৰ মাজত! তেওঁৰ জ্যোতি জানো পোৱা নাই?

পালো—ভেদোকাইৰ লেমটোৰ জুই কুৰাত। আপোনালোকে জানো ভগৱানৰ আদেশ পালন কৰি আমাৰ অৰ্থাৎ ভগবানৰ সেৱা নকৰিলে? সেইজন ভগৱানৰেই আদেশ পালন কৰি আমি অতি নগণ্য হলেও আপোনালোকৰ জানো কিবা অলপ সেৱা আগবঢ়াব নোৱাৰিলো? আপোনালোকেই এই প্ৰলয়-প্লাবিত জগতৰ মাজত জানো আমাৰ ঈশ্বৰ—নহয়? মানুহেই মানুহৰ বাবে ভগৱান। মানুহেই সাত্বিক ভগবান, মানুহেই তামসিক ছয়তান। দুখ দেওঁতা। মানুহৰ কৰ্মফলৰ সুবিচাৰক তেওঁৱেই। প্ৰকৃত কথা—মানুহ, বিভিন্ন জীব, পদাৰ্থ, অপদাৰ্থ বিশ্ব, এনেকি মহাশূন্য সকলোৱেই ভগৱান,—এই ভগৱানক আমি দেখিছোঁ। এই সকলোৰেই মংগলৰ বাবে যি কৰা হয়—সিয়েই ভগৱান আদিষ্ট কৰ্ম, সিয়েই ভগৱানৰ সেৱা, সেই কৰ্মই সনাতন ধৰ্মৰ সাৰ মানব ধৰ্ম, পৰম ধৰ্ম, সৰ্ব-ধৰ্ম-সাৰ।

ভগৱানৰ প্ৰকৃত সেবক বা পৰম ভক্তজনৰ নাম—নাৰদ, শুক, প্ৰহ্লাদ, ভীষ্ম, বলিৰাজ, বিদুৰ বা মাৰুতিও হয়তো নহয়। ভগৱানৰ প্ৰকৃত ভক্ত, প্ৰকৃত সেৱক, সেইজনেই—যিজনে অকৃত্ৰিম ভাৱ, নিস্বাৰ্থ ভাৱ আৰু পবিত্ৰ নিষ্ঠাৰে ভগবান-ৰূপী মানৱক সেৱা কৰে। 'হাতত কৰা কাম, মুখে বোলা ৰাম, হৃদয়ে ধৰা ৰূপ, সেৱাস মুকুতি পাইবা বহিলা স্বৰূপ' কাম, নাম আৰু ৰূপৰ সমন্বয়েই ভগৱানৰ স্বৰূপ মুক্তি বা শান্তিৰ মহামন্ত্ৰ। মহাপুৰুষৰ উক্তিৰ এয়েই মৰ্ম।

এই চতুৰ্যামময় নিশাটোত আপোনালোক আৰু আমাৰ মিলন—সংযোগটোৱেই হৈছে ভগবানৰ অভিপ্ৰেত বিষয়। ইয়াত দুয়ো পক্ষৰেই মাংগলিক বিধানটো আছিল। এই সংযোগ অভাৱিত-পূৰ্ব—কোনো পক্ষৰেই জনা নাছিল। কোনোবাই যদি কয়—তেওঁ কালীক দেখিছে, কৃষ্ণক দেখিছে—তেনেহলে কব লাগিব—ই তেওঁৰ চিন্তাৰ সীমাহীন তীব্ৰতা, যুক্তিৰ সত্যতা, একনিষ্ঠতা আৰু একাগ্ৰতাৰ সাফল্য—

কালী-কৃষ্ণৰ অস্তিত্ব প্ৰকৃততে থাককেই বা নাথাককেই। ভগৱান শিৱ যদি মংগল গ্ৰহতো থাকে,—তেনেহলে তেওঁক একান্ত ভক্তি অৰ্থাৎ চিন্তাৰ দ্বাৰা টানি আনিব পাৰি, বৰ অৰ্থাৎ ইপ্সিত লাভ কৰিব পাৰি। ভক্তই কষ্ট স্বীকাৰ নকৰিব লা – ভগৱানেই বা ইমান কষ্ট কৰি গ্ৰহান্তৰৰ পৰা কিয় নামি আহিব—নহয় জানো ? সেইবোৰ বৰ তত্ব গধুৰ কথা'।

'প্ৰভু, কিছু কথা বুজা যেন লাগিল—কিন্তু বহু কথাৰ ভু-পোৱাই নহ'ল। কিন্তু নাজানি, সুবুদ্ধি অমৃত খালেও অমৰেই হৈ যোৱা যায়, চুৰি কৰি অমৃত খাই বাহু-কেতু অমৰ হ'ল। আমাৰ তেনে আশাই হৈছে। হয়গ্ৰীৱ মাধৱ, কেদাৰলৈকে প্ৰভুৰ অনুচৰ হবৰ প্ৰবল ইচ্ছা হৈছে, দয়া কৰি নিৰাশ নকৰে যেন'—পাণ্ডাসকলে এই অনুৰোধ জনাই কণ্ঠভূষণক গল বস্ত্ৰ দি সসন্মানে বিদায় দিলে। দুই এজনক নাৰত লৈ বাকীবোৰক পাৰ বৰ্থীয়া কৰি বৰা হ'ল।

শিশু নীলকণ্ঠই বিপৰ্য্যৰ প্ৰায় সমস্ত নিশাটোতেই চকুৰ চিপ্ নামাৰি এইবোৰৰ অভিজ্ঞতা লাভ কৰিছিল। পাণ্ডুৰে সকলেও কণ্ঠভূষণক ঈশ্বৰৰ দৰেই ভক্তি কৰা দেখি, দেউতাকৰ প্ৰতি শিশু কালৰেপৰাই গাঢ় ভক্তি ভাবে শিপাই পেলাইছিল। তেনে এটা আদৰ্শকেই যেন নীলকণ্ঠৰ ব্যক্তিত্বও সংগোপনে গঢ়লৈ উঠিছিল। পাৰ্থক্য ইমানেই যে কণ্ঠভূষণৰ ভাবধাৰা, আদৰ্শ আৰু জীৱন দৰ্শন সম্পূৰ্ণ প্ৰাচ্য সংস্কৃতি-সমৃদ্ধ। তেওঁ পাশ্চত্য বিজ্ঞানক ভূৰি ভূৰি প্ৰশংসা কৰে, বিজ্ঞানৰ অভূত-পূৰ্ব কৰ্ম আৰু সাফল্যকো ঈশ্বৰ তত্বৰ দৰেই প্ৰমূল্য দিয়ে। কিন্তু বিজ্ঞানৰ দোহাই দি জন্ম লাভ কৰা অত্যাধুনিক সংস্কৃতি আৰু আদৰ্শৰ মূল্য নিৰ্ণয় নকৰে, মূল্য নিৰ্ণয়ৰ ক্ষেত্ৰত তেওঁ অনাসক্ত। বিজ্ঞান আৰু জ্ঞান প্ৰকৃতাৰ্থত সৃষ্টিৰ প্ৰতীক সদায়—ধ্বংসৰ নহয়।

আনহাতে নীলকণ্ঠৰ ভাবধাৰা, আদৰ্শ আৰু জীৱন দৰ্শন—প্ৰাচ্য

পাশ্চাত্যৰ মিলন ভূমি আৰু সংস্কৃতি সমন্বয়ৰ বহুলক্ষেত্ৰ বিশেষ। অৱশ্যে নীলকণ্ঠৰ ভাৰতীয় ঐতিহ্যময় সংস্কৃতি আৰু সমাজৰ ক্ষতি-কাৰক অত্যাধুনিকতা বা 'আলট্ৰা মডাৰ্ণ' ৰোগ গ্ৰস্ত প্ৰবৃত্তিটোক হেয় ভাবে চাই বুলিহে কব পাৰি। তাক নিজ প্ৰশ্ৰয় নিদিছিল। যি বিতৰ্কিত জ্ঞান, তাকো তেওঁ বিশেষ জ্ঞানৰ দ্বাৰাইহে চালি-জাৰি চাইছিল।

নীলকণ্ঠই ঈশ্বৰ তত্ব সম্পৰ্কে গতানুগতিকতা পৰিহাৰ কৰি বিজ্ঞানৰ সহায় লৈছিল। বিভিন্ন দেৱ-দেৱীৰ পূজা পাতল, জাতকৰ দশকৰ্ম, শ্ৰাদ্ধাদি ক্ৰিয়া কৰ্মত সৰ্ব সাধাৰণৰ আবেগময় নিৰৰ্থক অৰ্থটো, নীলকণ্ঠই সদায় পৰাপক্ষত ত্যাগ কৰিছিল। এই সকলোবোৰতেই তেওঁ বিজ্ঞান আৰু দৰ্শনৰ তথ্য আৰু সত্যৰ সমৰ্থন বিচাৰিছিল। বিজ্ঞান-দৰ্শন সমন্বিত আচাৰ অনুষ্ঠান নীতি-নিয়ম আদি সকলোকেই তেওঁ গ্ৰহণ কৰিছিল। 'মিছা সাক্ষী দিবলৈ নৈ, চুৰ কৰিবলৈ নৈ, গোপনে কাৰোবাক হত্যা কৰিবলৈ নৈ, পৰস্ত্ৰী, পৰপুৰুষৰলগত সহবাস কৰিবলৈ নৈ, আৰু এই লখীয়া শত সহস্ৰ ঘৃণ্য কাম কৰিবলৈ নৈ -গোপন মানসিকতাৰে কৰ্তাই কৰা পূজা-পাতল, হোমযাগ -যজ্ঞাদিত, ভক্তিও নাই—শক্তিও নাই, কৰ্মও নাই, ধৰ্মও নাই। আনহাতে বহুতৰ মতে সন্ধ্যা, গায়ত্ৰী, অংগন্যাস, অঘ-মৰ্ষণ, প্ৰাণায়াম আদিবোৰ ব্ৰাহ্মণ সকলৰ শৰীৰৰ ওপৰত 'চলা কেৰি কেচাৰ' বিশেষহে। তেওঁলোকে নিশ্চয় বৈজ্ঞানিক ভিত্তিটোৰ কথা ভাবিবলৈ ইচ্ছা নকৰে।

ন্যাস অৱমৰ্ষণ, প্ৰাণায়াম আদিবোৰক চিকিৎসা বিজ্ঞানৰ সূত্ৰ বুলিব পাৰি। বিভিন্ন ন্যাসৰ প্ৰক্ৰিয়াই মানৱ শৰীৰৰ অংগ-প্ৰত্যংগ মাংসপেশী আদিৰ ওপৰত স্থিৰ বৈদ্যুতিক ক্ৰিয়া কৰে—অথবা বিদ্যুত-সঞ্চাৰী প্ৰভাৱ পেলায়। অঘ-মৰ্ষণে জলৰ সহায়েৰে শ্বাসনলী ধৌত আৰু শোধিত কৰে। অঘ-মৰ্ষণ—শ্বাসনলী ধৌত-কৰণৰ

এটি প্রণালী মাথোঁ। প্রাণায়ামৰ পূৰক, কুম্ভক, ৰেচক প্রণালীৰে শ্বাসনলী বায়ুৰে শোধিত কৰা হয়, ধৌত কৰা হয়। সেইদৰে অন্ন গ্ৰহণৰ সময়ত অন্নৰ পঞ্চদেবতাক পূজা কৰাৰ অৰ্থ শৰীৰৰ পঞ্চবায়ু অপান, প্ৰাণ, সমান, উদান আৰু ব্যানক স্মৰণ কৰি জাগ্ৰত আৰু সক্ৰিয় কৰা আৰু তাৰ দ্বাৰা অন্ন গ্ৰহণ কাৰ্য সহজ-সিদ্ধ কৰাটোহে। শ্ৰাদ্ধ আদিত পিণ্ডদানো এটা মহৎ অংশযুক্ত অনুষ্ঠান। 'কিঞ্চিৎ পিণ্ডং ভাৰতবৰ্ষায় ভূভাগায় নমঃ' বুলি প্ৰথম নিজৰ দেশখনকেই শ্ৰদ্ধা জনোৱা হয়। তাৰ পিচত দেশখনৰ দুখী-দৰিদ্ৰ, অনাথ, অপঘাতী, জীয়ন্ত-দগ্ধ আদিক স্মৰণ কৰি পিণ্ডদান কৰি উঠিহে, যাৰ উদ্দেশ্যে শ্ৰাদ্ধ কৰা যায় তেওঁৰ অৰ্থে পিণ্ডদান অৰ্থাৎ শ্ৰদ্ধা প্ৰদৰ্শন কৰা হয়।' নীলকণ্ঠৰ এনেবোৰ যুক্তি আৰু ব্যাখ্যা শুনি বহুজনেই এক নতুন জ্ঞানৰ পোহৰ পোৱা। বুলি বিমল আনন্দ লভিছিল আৰু এই বিষয় সন্তুষ্ট হৈ কৈছিল-কৰ্মমাত্ৰই অৰ্থহীন নহয়।' সংস্কাৰ কৰ্মৰ অৰ্থই প্ৰকৃত সংস্কৃতি। অত্যাধুনিক বিকৃত সংস্কৃতিৰ বিষম বীজ ইয়াত নাই। অন্তদৃষ্টিহীনতাৰ পৰিণাম অন্ধতা।'

তাৰ পাছত হয়গ্ৰীৱ মাধৱ, কেদাৰ গণেশ আদি মন্দিৰ দৰ্শন কৰা হ'ল। ভীমৰ পঞ্জা খোৱা চৰিয়া, কামেশ্বৰ পাহাৰ আদিও চোৱা হ'ল। কণ্ঠভূষণে সামান্য ভাবে কথাবোৰ সকলোকেই বুজাই গৈছে গলৰ ওপৰৰ পৰা মূৰৰ অংশটো ঘোঁৰাৰ মূৰৰ দৰে আৰু শৰীৰৰ বাকী অংশ মানুহৰ দৰে থকা লক্ষৰ মূৰ্তিটিয়েই হয়গ্ৰীৱ মাধৱৰ বিগ্ৰহ। ভোটবিলাকে এই মূৰ্তি বৌদ্ধ ধৰ্মৰ প্ৰভাৱ পৰা আৰু ই তেওঁ-লোকৰ বুলি দাবী কৰিব খোজে। মাঘ মাহত মাধৱ দৰ্শন, কৰিবলৈ ভোট সকল দলে দলে হাজোলৈ হেনো আহে। কামেশ্বৰ পাহাৰৰ দেৱতাৰ পুৰী আৰু মহাসতী বেউলাৰ কালীনাগে দংশন কৰা স্বামী লক্ষীন্দাৰক ইয়াতেই শিৱৰ কুমাৰী পদ্মাৱতী দেৱীয়ে

জীযাই দিছিল বুলি কোৱা হয়। কালীনাগ চুঁচৰি যোৱা জালৰ নিচিনা স্পষ্ট চিহ্ন এটা প্ৰকাণ্ড শিল এটাত দীঘলে পৰি আছে। চিহ্নটো সম্পূৰ্ণ সাপৰ মোটৰ আকৃতিৰ। কেদাৰ মন্দিৰৰ শিৱলিংগৰ পিচ ফালেও ঢেঁকী এটাৰ মান ডাঙৰ সাপ এটা মানুহৰ আগেৰেই অহা-যোৱা কৰি থাকে। গল মুচৰি মাৰি (Strangled to death) ভোগ দিয়া খাঁহী ছাগলীৰ হাড-মাংসৰ পেলনীয়া অংশবোৰ সেই অজগৰ সাপটোৱে হেনো সদায় খাইছি। এটা প্ৰকাণ্ড শিলৰ বাতিৰ দৰে ভীমৰ পন্তা খোৱা চৰিয়াটো শ্ৰীগণেশ মন্দিৰৰ কিছু দূৰতেই পৰি আছে। এই কিম্বদন্তিৰ চিহ্নটোৱে সকলো তীৰ্থ যাত্ৰীকেই আকৰ্ষণ কৰে। মাধৱ মন্দিৰৰ তলৰ খট্‌খটীৰ পাদ প্ৰান্তত অৱস্থিত বৃহৎ পুখুৰীটোৰ কাছবোৰ প্ৰসিদ্ধ, কলকলকৈ মাতিলেই সিহঁতে মানুহৰ ভৰিত ঘঁহিয়াই কল খাইছি।'

কণ্ঠভূষণক মন্দিৰৰ কৰ্তৃপক্ষই বিশেষ সন্মানদি নিজ তত্বাৱধানত ৰখাৰ সকলো সুব্যৱস্থা কৰি দিলে। কণ্ঠভূষণে সকলো সময়তেই শিশু নীলকণ্ঠক সকলো ঠাইলৈকেই লগতলৈ ফুৰাইছিল আৰু প্ৰায় সকলো অৱস্থাতেই নিজৰ লগতেই ৰাখিছিল। নীলকণ্ঠৰ শিশু সত্তাটোত ঐতিহ্যৰ পৰাই এটা উচ্চাভিজাত্য, বংশ মৰ্য্যাদাবোধ আৰু অসমীয়া-ভাৰতীয় সংস্কৃতিৰ অভিমানে দৃঢ় আৰু গভীৰ প্ৰভাৱ পেলাইছিল।

সেইবাবেই হয়তো বিশ্বযুদ্ধৰ 'বাইপ্ৰডাক্ট' অত্যাধুনিক সমাজ-খনৰ আদৰ্শ পুৰুষৰ পদ মৰ্য্যাদাৰ পৰা তেওঁ স্খলিত হৈ আজি পদে পদে ঠগ খাই আছিছে, বঞ্চিত হৈ আছিছে। তেওঁৰ বংকাল সাৰ সংস্কৃতি-জীৱাশ্ম বুলি সাধাৰণ শ্ৰেণীটোৱে অপাংগ দৃষ্টিৰেই চাবখোজে। সমাজৰ অধঃপতন আৰ কুখ্যাতিৰ পুৰোহিত হৈ তাৰ লগত তাল মিলাব পৰাটোৱেই আজিৰ সুপুৰুষৰ চিন, তথাকথিত কৃতকাৰ্যতা, সাফল্য আৰু গুণী, কীৰ্তিমানৰ চিন বুলি তেওঁ নাভাবে। কুৰি

শতিকাৰ জন্ম আৰু আৱশ্যক সগৰ বসবো সামঞ্জস্য সম্ভৱ হ'ব পাৰে বুলি তেওঁ কয়।

'ঘৰঘৰ নাবান্ধিবা, ঘৰসৰাহ নাপাতিবা' মহাপুৰুষ মাধৱদেৱৰ এই উক্তিটিৰ মৰ্ম নীলকণ্ঠই আজি বাবি উপলব্ধি কৰিবলৈ চেষ্টা কৰিছে। জীৱনত বিড়ি চিগাৰেট আদি কোনো নিচাৰ [illegible] বস্তুকেই স্পৰ্শ নকৰা নীলকণ্ঠই প্ৰায় সমগ্ৰ জীৱনটোতেই [illegible] টকা জমালে। সেই টকাৰে মাটি কিনিলে, ঘৰবাৰি সাজিলে, পাড়াও দিলে, থাকিবৰ'ল সকু-সুৰা পৰীক্ষা [illegible]। [illegible] [illegible]। এইবোৰ? এই সকলো কৰিছি নীলকণ্ঠই [illegible] বৰ্গ শক্তি [illegible] কৰিলে, নিজৰ অধ্যয়ন আদি মন কৰিবাৰ স্পৃহা আৰু [illegible] বহি পেলালে। পণ্ডিত না কণ্ঠৰ [illegible] [illegible]—'পাচত তুমি কি হ'ব? আজিৰ যুগত টকা লাগে। টকা হ'লে [illegible] 'গড' হৈ যায়। পণ্ডিত [illegible] [illegible]। [illegible] [illegible] খচি-খাচ পণ্ডিত [illegible] খোজ কাঢ়ি যায়—[illegible] [illegible] উপায় নাই—ৰক্ষা নাই। [illegible] [illegible] [illegible] [illegible] [illegible] 'গাড়ী' চিজাইনা'ৰ গাড়ীখন—পণ্ডিতৰ শুভ্ৰ চুৰিয়া-চোলা [illegible]। চটিয়াই লতুৰি-পুতুৰি কৰি থৈ যায় [illegible] [illegible] [illegible] [illegible] পাৰে। গাড়ীখন [illegible] উন্মাদতেই পণ্ডিতৰ গাঁথনিটোকেই [illegible]। পণ্ডিত নদমাত পৰি পৰিলেই যায়। তেওঁ মনৰ [illegible] [illegible] ফিৰি যায়, [illegible] [illegible] মনৰ উন্মাদনা [illegible] [illegible] [illegible] স্থান পায়—তেওঁ [illegible] [illegible] [illegible] আশাটো সেই পণ্ডিত হয়তো চিৰকালৰ বাবেই [illegible] বাব।' নিজৰ লৰাই ভৱিষ্যৎটোক কোন ফালে গতি দি লৈ যাব'—নীলকণ্ঠক এই চিন্তাই বৰ আমনি কৰিব ধৰিলে। [illegible], সকলো কৰি দিয়ো তেওঁ সন্তানক 'হংসমধ্যে বকো যথা' কৰিহে তুলিলে সৰ্বস্ব দিয়ো সংস্কাৰ কৰিবহে তুলিলে। সু-চৰিত্ৰ আৰু সু বিদ্যা লাভৰ সুযোগদি আন আকৰ্ষণৰ পৰা সন্তানক বিৰত

ৰাখিব পাৰিলেহে সু সন্তান সম্ভৱতঃ আশা কৰিব পাৰি। ধন পালে মন নষ্ট হয়, মন নষ্ট জীৱনৰ কষ্ট। ক্ষেত্ৰবিশেষে—অধঃপতন।

উচ্চতম আদালতৰ নৈষ্ঠিক বয়োবৃদ্ধ মহাবিজ্ঞ বিচাৰক এজনে এসময়ত কৈছিল হেনো—'কেইটা তিৰোতাৰ বিয়াৰ পিচত এদিনো এবাৰিও (স্বামীৰ পৰা) আঁতৰত ৰাখিব নালাগে। স্ত্ৰীৰ ভায়েক মৰাতো থাকিব দিব নালাগে, কোনো পাৰ্টীত যাব নালাগে—শৱযাত্ৰী-বোৰ শ্মশানৰ পৰা ঘূৰি অহা সময়ৰ বাহিৰে নাটোও নালাগে।' কথাষাৰ সদায় সঁচা নহয় বুলি নীলকণ্ঠই ভাবে। এবাৰ ডাঙৰ [illegible] এটা কথাতে ইংগিত দিয়া যেন লাগিছিল—দউত!' আপোনাৰ মহামান্য বংশ গৰ্ভজ কৰাৰ মন অন্তৰ পূৰি দেই উপাস্থাপিত হৈ যাব খোজা দৃশ্যি নাৰ লগত মোৰো অন্তৰৰ মত। নব সংহতিৰ ভূমিকা। আপুনি মহাত্মা। আনৰ এষাৰ কথা কেইজনেই বা সহজ ভাৱে সহজ কৰি আপোনাৰ ওচৰত ব্যক্ত কৰিব পাৰে! আপুনি তেনে এটিৰ লড়াৰ দৰেই ধীৰ-স্থিৰ-গম্ভীৰ আৰু ভোদা প্ৰবৃত্তিৰ আছিল—এতিয়াও সেইজনেই হৈ আছে। আপোনাক কোনোৱে 'দেৱদূতপনাৰ' শব্দ যোগ নিদিয়াকৈ উল্লেখ নকৰে। কোনেও বা আপোনাক নাজানে। আজি কালি কদাচিৎ উঠা সামান্য খংটো মহাদেৱৰহে খং, নিষ্ঠুৰ বাস্তৱ অৱস্থাই সেইখিনি হ'বলৈ বাধ্য কৰিছে। স্থায়িত্বহীন ক্ষণস্থায়ী খংটোৰ পিচ মুহূৰ্ততেই 'বৰ' দানহে দিয়ে। গতিকে ভীতি সঞ্চাৰ নকৰা আপোনাৰ খংটোক কোনোৱেই ভয় নকৰে। ই 'পাতে চুই, খোৱাৰহে নাম। গতিকে আপুনি যি নীলকণ্ঠৰ দৰেই সংযমী, ধৰিত্ৰীৰ দৰেই সহনশীল—সেয়েই হৈ থাকক।' কমলৰ লগতে ৰমা আৰু আন বহুতৰেই অন্তৰ নিগৰি আছে এই কথাবোৰ। কিন্তু এই 'নীলকণ্ঠ' এজন তেজ মঙহৰ মানুহৰহে নাম।

সত্য-ত্ৰেতা আদি যুগৰ মহাতপা ত্ৰিকালজ্ঞ ঋষি-মুনিবোৰে

জানো এই খং দমন কৰিব পাৰিছিল ? এই খঙৰ অৰ্থ অন্যায়ৰ প্ৰতিবাদ আৰু সংস্কাৰৰ আন্তৰিক আকাংক্ষা । খং সাত্ত্বিক, ৰাজসিক আৰু তামসিক প্ৰকৃতি জাত বা গুণ সম্পন্নও হ'ব পাৰে । দুৰ্বাসা ঋষিৰ খঙে (শাপে) শকুন্তলা আৰু দুষ্মন্তৰ মাধ্যমেৰে ভাৰতীয় পুৰুষ-নাৰীৰ আদৰ্শ চৰিত্ৰৰ মঙ্গলময় স্বৰূপটোহে প্ৰকাশ আৰু প্ৰকট কৰি দেখুৱালে । কিম্ভূত কিমাকাৰ চঞ্চল মাংস-পিণ্ডৰ প্ৰতি অষ্টাৱক্ৰৰ খঙে (অভিশাপ-বৰ একেত্ৰ) সুন্দৰ-সুঠাম সগৰ বংশৰ কুল প্ৰদীপ, বংশ—উদ্ধাৰকাৰী ভগীৰথৰ গৌৰৱময় নৱজন্ম দিছিল । এনে সহস্ৰ সহস্ৰ সাত্ত্বিক খং আজিও দেখা যায়—যাৰ ফলশ্ৰুতি মহৎ । হৰিচন্দ্ৰ, শ্ৰীবৎসাদিৰ প্ৰতি প্ৰদৰ্শিত খঙে আদৰ্শ চৰিত্ৰ সৃষ্টিৰ তাৎপৰ্যটোহে দেখুৱালে । সুৰাপায়ী, তস্কৰ, হত্যাকাৰী আদিৰ খংটো তামস ভাৱ প্ৰভাৱিত হেতু তাৰ শাস্তিৰ ব্যৱস্থাটোও সহজভাৱে তামসিক প্ৰকৃতিৰ হয় বুলিহে কব পাৰি ।'

যি সন্তান এদিন সকলো সুখ-শান্তি-আনন্দৰ উৎস বুলি নীলকণ্ঠই বিগত কুৰি-পচিশ বছৰ সুখ-আনন্দৰ সপোন ৰচনা কৰি আছিল—সেই নিজ ৰক্ত মাংস-মজ্জা সম্ভূত সন্তানক আজি সীমা আৰু ৰমাৰ পৰিয়ালটোৱে পিতৃ বিদ্বেষী কৰি তুলিব ধৰিছে । 'প্লেইন লিভিং এণ্ড হাই থিংকিং' আদৰ্শটো তেওঁলোকৰ বাবে – 'দুৰ্ভিক্ষ, দুৰৱস্থা আৰু সন্মান হানিকৰ প্ৰদৰ্শন । সংসাৰত এনে মানুহো জানো আছে – যি নিজ সন্তানৰ সম্ভাব্য বিপৰ্যয়ৰ কথা জানি বা ভাবিও নিষ্ঠুৰ আনন্দৰ গোপন হাঁহি হাঁহিব পাৰে ?

ৰমাৰ পৰিয়ালটোৰ বাবে সীমা আৰু নিচাৰ উপদেশ দৈৱবাণীৰ দৰেই সত্য আৰু মূল্যবান । সীমা হঠাৎ এদিন নীলকণ্ঠৰ ঘৰত উপস্থিত হ'লহি । হতালি-বতালিৰ অভিপ্ৰায় বুজি ৰমা পিচ দুৱাৰেদি মনে মনে বাহিৰলৈ ওলাই যাওঁতে নীলকণ্ঠক কৈ গ'ল – 'সীমাক কব মই ঘৰত নাই – ঘৰলৈ অহাত পলম হব ।' নীলকণ্ঠই

ৰমাক ক'লে—'মোৰ মূৰত ভূত চপাই দি তোমাৰ আপদ সাৰাৰ চেষ্টা মই বুজিছোঁ। যেতিয়া তুমি বক্তা পৰিলা। সাবিত্ৰীয়ে তোমাক শক্তি দিয়ক।' ৰমাক নাপাই সীমাই কিছু নিৰুৎসাহ অনুভৱ কৰিলে যদিও সেইবোৰ ধাতু সহজে গলা বস্তু নহয়। ক্ষন্তেক মৌনতা অৱলম্বন কৰি সীমাই মনে মনে নীলকণ্ঠকেই উত্তৰ কথা শুনাই মুগ্ধ কৰিব বিচাৰিলে—'এই সংসাৰত কোনো ব্যক্তি, কোনো বস্তুৱেই, কাৰো বাবে অপৰিহাৰ্য নহয়, বুজিছ, ক্ষন্তেকৰ বাবে পোৱা বস্তুৰেই কাম চলি গ'লে সকলো হেৰুৱা না থকা বস্তুৰেই ক্ষতি পূৰণ হোৱা বুলি অনুভৱ কৰা জনেই সুখী আৰু মোৰ মতে জ্ঞানীও। এনে অভ্যাসৰ বাবে বিজ্ঞজনে বুকচাকুৰি নমৰে? হাতত পোৱাটোকেই তেওঁ উপভোগ কৰে—হুইক বা বাবাৰ বা বই দুৰ্ভোগ। পাপপুণ্য, ধৰ্মাধৰ্ম, যশ-অপযশ, আদিৰ কথাক মনত ঠাই দিয়া টাৱেই এটা দুৰ্বলতা—পৰকালৰ ভ্ৰান্ত ধাৰণা দুৰ্বল মনৰ হে খোৰাক। সবল মনৰ জ্ঞানীজনে তাক মনৰ পৰা ক'ৰবাত দলিয়াই পেলায়। যিভাৱেই ভৱা যায়, সেইভাৱেই ভগৱানক পোৱা যায় বুলি জানো আপোনালোকৰ সেইখন গীতা শাস্ত্ৰতো কোৱা নাই?' চকুক নোৱাৰিলেও বাক্ শক্তিৰে সম্পূৰ্ণ বোধ কৰি থাকিব বুলি ভাবি থাকিও, নীলকণ্ঠই মুখ খুলিলে বাধ্যহৈপৰি কলে—'নিশ্চয়। ভগৱানক নাপালেও ভাবনা বা ভাওনৰ বস্তুটোকেই কেই-দিন মানৰ বাবে হয়তো পাব পাৰি। ভগৱানক ভগৱান বুলি নাভাবি কোনোবাই যদি চোৰ গুণ্ডা, সুৰাপায়ী, লম্পটজনকহে ভগৱান আৰু বাৰাঙ্গনী ঠাকুৰনীকহে দেৱী বুলি ধৰি লয়, তেনেহলে তেওঁলোকে সেইবোৰকহে হয়তো ক্ষন্তেকৰ বাবে পাব পাৰে—ভগৱানক পোৱাৰ প্ৰশ্নইবা ক'ত? সেইবোৰ চোৰৰ দ্বাৰা অপহৃত বস্তুৰ দৰে 'ভাবনা' বা ভাওনৰে লুট্‌পাট্ কৰি অনা বা পোৱা বস্তু। এই ভাবনাটোৰ আচল নাম চৌৰ্যবৃত্তি। ইয়াত, এদিনৰ আনন্দ,

পুৰস্কাৰপ্ৰাপ্তি আৰু চিৰদিনৰ নিৰানন্দৰ শাস্তিৰ বিধানটোৱেই তাৰ ফলশ্ৰুতি। তাৰ অংগত ৰক্ত-বৰ্ণৰ লিপিৰে ভগৱন্ত পুৰুষে। টলকা মাৰে, '[illegible]-গৰী' দিয়ে। অৱশ্যে পৱিত্ৰ আত্মশুদ্ধি আৰু আন্তৰিক অনুশোচনাৰ দ্বাৰা বহু দোষৰ লেতেৰাবোৰৰ [illegible] কিছু একবাৰও পাৰি। কিন্তু-পূৰ্ব-পৰিকল্পিত-কৃত্ৰিম অনুশোচনা টোক পাপ-নিষ্কৃতি বা পাপ-মুক্তিৰ অস্ত্ৰ হিচাপে বিষয় ভোগাসক্ত ব্যৱহাৰ কৰাৰ [illegible] অসক্ত বা লিপ্ত হলে—সেই কু-কৰ্মৰ অনুগামী অনুশোচনাৰে পাপ খণ্ডন নকৰে, সেই মুক্তিৰ অৰ্থ—[illegible]। [illegible] তাৰ আনন্দৰ কাৰণ হ' সীমা গ'ল—কিন্তু 'সীমা [illegible]' 'অসীম'ৰ চিন [illegible] [illegible] মহত্বৰ নাই। সাৰদা [illegible] আনন্দময়ী নাৰী এক দুৰ্নিৰীক্ষ এতিয়াও লক্ষ [illegible] আছে, [illegible] পুৰুষ [illegible] কৰিবাবেই মহাপ্ৰলয়ৰ সৃষ্টি হৈ আছে। [illegible] মহাপাপত লটিঘটি কুষ্ঠৰোগাক্ৰান্তৰ [illegible] সঞ্চাৰ আৰু সংক্ৰমিত কৰা নাৰী [illegible] বিৰামৰ দৰে—[illegible] [illegible]স্পৃট, মহাপাপী, [illegible] আৰু পৰস্ত্ৰী গামী পুৰুষ নামধাৰী হিংস্ৰ জন্তু বহুত আছে বুলিয়েই পৃথিৱীৰ দহভাগৰ নভাগেই নৰকৰ নামান্তৰ হৈছে মাথোঁ। ঘৰে ঘৰে অশান্তিৰ দাৱানল জ্বলি উঠিছে, গৃহাশ্ৰমৰ চৌহদ্দীৰ [illegible] বাস-গৃহৰ নিমজ [illegible] অদৃশ্য অন্তৰখনত সহস্ৰ সহস্ৰ ঘৃণৰ অদৃশ্য লিপি অংকিত কৰা সহস্ৰাক্ষৰ। অন্তৰ-জীৰ্ণ স্তম্ভ যেন স্তম্ভিত হৈহে দণ্ডায়মান হৈ আছে—যেন স্পৰ্শ মাত্ৰেই ধূলিচ্যুৎ হৈ যাব! সংসাৰবোৰ কৃত্ৰিমতাৰ প্ৰলেপ লেপি সজি আছে। এই সংসাৰবোৰেই এদিন স্বাভাৱিক, পৱিত্ৰ আৰু স্বাচ্ছন্দ্য গতি ধাৰাত জীৱন নিৰ্বাহ কৰিছিল। ন্যূনতম্ ভেমবা কৃত্ৰিম ভাৰিনিটো কপটতা নাছিল। সংসাৰখন সম্পূৰ্ণ স্পষ্ট আছিল, ই—সহজ সিদ্ধ আৰু সহজলভ্য আছিল।

আজিৰ যুগত স্ত্ৰী-পুৰুষ—উভয়ে অযুক্তিকৰ, ব্যয়বহুল আৰাম

বিচাৰে, অলসতাক অবিৰত প্ৰশ্ৰয় দিয়ে। বিশেষকৈ গাঁৱলীয়া দুখী-দৰিদ্ৰবোৰ তিল প্ৰমাণো কষ্ট কৰিব নোখোজে। আধাকিলো মিঠাৰ বাটি খোজ কাঢ়িবলৈ অস্বীকাৰ কৰি বাছুৰ বাবে এঘটা লাগিলে দুঘণ্টা ও বোন্দাপৰ্বদি ৰখি থাকিব। যি গাঁৱত চাউল এপোৱাৰ অভাৱত কেইবাদিনো বহুতকেইটা চকুৰ তলত জাল নাযায়, সেই গাঁৱতেই আনকী আজি কালি খোলা ফটিকাৰ দোকান। এবং দিন টকুৰী ঘূৰাই ঘৰি গৃহস্থালিৰ কৰ্মব্যস্ত, অৰ্দ্ধ ভুক্তা, শতছিন্ন--জীৰ্ণ-জীৰিলি--বস্ত্ৰ-পৰিহিত গৃহলক্ষ্মীৰ হাতৰ কাণৰ অলংকাৰ, বাটি-বাৰী, বাচন-বৰ্তন বেচি-বন্ধক থৈ স্বামী দেৱতাই গোলা ফটিকা পান কৰে, ঘৰ ঘৰুৱা কিন্তু লাঘোন থাকে, মাহত অন্ততঃ দিন। তিতাপ নাই। এদিন পৰিয়ালটো ভিক্ষাৰীত পৰিণত হৈ যায়—মাটিত পৰি পলাই যায় দীন-দৰিদ্ৰ হৈ যায়। সিহঁত আকৌ আনৰ ঘৰত ভিক্ষা কৰিবলৈ লাজ পায়—অপমানবোধ কৰে। সিহঁতৰ বা দুই চাৰি পুৰা অন্ততঃ জমি আছিল, জীৱন টানিবৰ বাবে আছিল, গৰু-গাই-পুখুৰী মাছ আছিল। সিহঁতবোৰ জনসাগৰৰ ভিতৰৰ পৰা লুকাই চুৰকৈ অবৈধ ভাবে অসমলৈ অহা অনুপ্ৰবেশকাৰী অবৈধ। দেশীয় এজন নহয়। সিহঁতৰ জাল প্ৰমান পত্ৰ, চকাৰ বাটি ঘৰ, ভাগ সাইত অৰু ভোটাৰ লিষ্টত বাও নাই, নামও নাই। গতিকে সিহঁতে ইষ্ট-কুটুম্ব, লগা-ভগা, জাতি-গোত্ৰৰ গাঁৱত লগ্ন চাৰিফালে যিমান পাৰে দাঁহি-ধুৰাহি অবাধে কৰে। সিহঁতে নিজকে দেশীৰ দৰে কেচুৱাবোৰৰ বাবে গাখীৰৰটেমা কিনিব বুলিকৈ পইচ-খুজি মদ খায়, চিনেমা চায়। বিদেশীয় সংগৃহিত ধনেৰে মাটি-ঘৰ কৰে ব্যৱসায় কৰে ইহঁতে কিন্তু জাতি কুটুম্বৰ ধন আত্মসাৎ কৰিও বেয়া কামত লিপ্ত হয়। কিছুমান কাঠ-বেঞ্চি-চোৰ হয়, মাৰ খায়--জেললৈও যায় আৰু এইদৰেই এই জাতিটো গদীয়া হৈ যায়।

গাঁৱত গাওঁ উন্নয়নি পঞ্চায়ত, পুলিচ দাৰোগা আদিৰ সদাশয় আৰু সু-দৃষ্টিত মদৰ দোকানৰ সংখ্যাই চাউল-দালিৰ দোকানৰ সংখ্যাক চেৰ পেলাই বীৰদৰ্পে দ্ৰুত গতিত আগ বাঢ়ে। প্ৰগতিৰ মাপ কাঠি ড'লত বগা-বগা চিন'বাৰ বাচনী পানী জোখা খুটাৰ চিনৰ দৰে এটা এটা কৈ প্ৰায় সমস্ত চিনেই তল যাব খোজে।

মদৰ দোকানী বুদ্ধিমান,কীৰ্তিমান মহন্ত, মহাজন। তেওঁৰ উকখা পঁজাৰ ঠাইত বজ আট্টালিকা উঠে, অথবা টিংপাতৰ ঘৰ হ'লে তাৰ ওপৰত পৰা সূৰ্য-কিৰণে গাওঁবাসীৰ চকুত ঝলক লগায়, চকু অন্ধ কৰে আৰু মহন্ত মহাশয়ক মহাজন, নতুন সদাগৰ বুলি মাতিবলৈ বাধ্য কৰায়। মহাজনৰ হাতযোৰ কৰি কথা কোৱাৰা মানুহক জুই-পানী আলাপ কৰা হয়। হাতযোৰৰ শক্তি যে পানীয়খিনিৰ দাম দহ পইচা কমাই পেলায়—এনেকি বাকিয়াকৈও মদিৰা দিবলৈ তেওঁ আগ্ৰহী হয়।

হাতৰ ষ্টিক ডালেৰে পুলিচ ডাৰোগাই পানীয় মহাজনৰ আৰু পিঠিৰ ফালে প্ৰহাৰ অৰ্থাৎ পৰশ কৰে, পাত্ৰিক ৰাইজে বংপায, কাৰণ, পাপৰ শাস্তি হৈছে! তেওঁলোক হয়তো বাপুজাৰ পৃষ্ঠভীৰ্ণ স্বাধীন ভাৰতত চমৎপ্ৰদ স্বাধীন ভোজবাজী বা ভেলেকী বাজীটোৰ লগত এতিয়াও ঘনিষ্ঠ ভাবে চা চিনাকি হবই পৰা নাই। টাকোনৰ আগৰ লোমা বাতুলী দিয়া চৰ্ম-গ্ৰন্থিৰ পেচত কেইখনমান নোট মুৰাই বান্ধ খায় আৰু দণ্ডধাৰীৰ জেপত টিপতে সোমায়। এইদৰেই পৃথিৱীৰ সৰ্ববৃহৎ গণতন্ত্ৰক সিহঁতে শ্ৰদ্ধা কৰে। চকুচৰহা, কুচুটীয়া বুঢাবেথা-ছুই এজনে হয়তো নিলাজৰ দৰেই ক'ব—বিদেশী চৰকাৰ ইংৰাজে হ লে এনেহেন দেশ প্ৰেমিবৰোৰক হিংসা কৰি জেল-জৰিমনাই কৰিলে-হেঁতেন।

জীৱনৰ প্ৰতি শ্ৰদ্ধা থাকক বা নাথাকক, প্ৰাণৰ মায়া আৰু মৰণৰ ভয় সকলোৰেই আছে। লক্ষ লক্ষ বিদেশী ভোটাৰে মনৰ মানুহক

এম, এল, এ , এম, পি , মিনিষ্টাৰ বাছি দিব , তেওঁলোকেই নতুন জনগণ অধিনায়ক ভাৰত-ভাগ্যবিধাতা—অসমৰ ভাগ্যবিধাতা । তেওঁ-লোকৰেই কেইজনমান ভিক্টোৰিয়াৰ নাতি-পৰিনাতিক 'টুইষ্ট' কৰা ভাৰতৰ ভাগ্যবিধাতাও পঞ্জাব, সিন্ধু, গুজৰাট, মাৰাঠা, দ্ৰাবিড়, উৎকল বংগই জয় গাথা গোৱা নৱ বাহিনী নতুন ভাৰতৰ ভাগ্য বিধাতাও । তেওঁলোকেই ভিক্ষাৰ জোলোঙাত লৈ অহা ভাষা, সাহিত্য, সংস্কৃতি, অৰ্থ নীতিৰ চিৰস্থায়ী বন্দোবস্তিৰ ভিত্তিত অবাধ সোতোৰ পকৰাৰ লানিৰ দৰে ভাৰতলৈ যেন পাৰ পাত্ৰলৈ অহা ভাগ্যবিধাতা, ভাগ্য নিয়ন্তাহে । অসমীয়াৰ ব্ৰহ্ম শিৰত থিয়হৈ মাজ মজিয়াত আট্টালিকা বন্ধা বিধাতাবোৰৰ বিস্ফুৰিত চণ্ড-তাণ্ডৱত 'অসম' নাম চিৰকাললৈ লুপ্ত হ'ব ধৰা দেখি, যুৱ-শক্তিয়ে সিহঁতক নিজ দেশলৈ আঁতৰাই পঠিয়াব লাগে বুলি কলে । ইয়াতেই যুৱ-শক্তিৰ দোষ, সিহঁতৰ ধ্বংস যজ্ঞৰ সূচনা । নীলকণ্ঠৰ ভাষাত আজিৰ সমাজ-খনো—'অপব্যয় বাদী সমাজ' ।

গাঁৱত কোনো কৰ্ম ব্যস্তা বোৱাৰী গৃহিণীৰ ঢেঁকী-শালত ঢেঁকী দি থাকোঁতে সন্তান জন্মৰ আগলী প্ৰসৱ-বেদনা আৰম্ভ হ'ল । শোৱনী ঘৰৰ শেতেলী পাওঁতে নৌ-পাওঁতেই সন্তান জন্ম হলেই । সদ্যোজাত শিশুৰ ক্ৰন্দৰ ধ্বনি শুনিহে হঠাৎ কোনোবাই হয়তো নৱ জাতকৰ শুভা গমণৰ গম পায় । কাৰোবাৰ হয়তো শাওন-ভাদ মহীয়াভুঁইকই থাকোঁতে বোকাপানী পূৰ্ণ ভুঁই তলিতে বোকাৰ ওপৰতেই সন্তান ভূমিষ্ঠ অৰ্থাৎ কৰ্দমাষ্ঠ হয়—বোকা ভাওনা পাতে । এনে সন্তানো কেতিয়াবা দেৱহুতিৰ স্বামী বা পুত্ৰ তুল্যহৈ পৰাটো একো আচৰিত নহয় । কেই ঘণ্টামান বা এদিন-দুদিনত বাদেই প্ৰসূতি-মাতৃ স্বাভাৱিক ভাৱেই উঠি-লৰি অথবা কাম কৰিয়েই ফুৰে (অন্ততঃ নিজৰ খিনি)। কিন্তু আজিকালিৰ চহৰ-নগৰ-গাঁৱৰ প্ৰত্যেক প্ৰসূতিয়েই হাস্পাতাল বা 'নাৰ্ছিংহোম'ত থাকিবই লাগিব , খুব কমেও পাঁচৰ পৰা দহ হাজাৰ

টকা খৰচ হব বা কৰিবই লাগিব , স্বাস্থ্যৰক্ষাৰ গূঢ় মন্ত্ৰ হিচাপে যাতে শিশুই খাব নোৱাৰে—সেই ধৰণে মাতৃ-স্তন্য-দুগ্ধ বন্ধ কৰিবই লাগিব আৰু সৰ্বোপৰি নদন বদন বা উ'ভনদীহৈ বৈ যোৱা প্ৰসূতিৰ সু-স্বাস্থ্যৰ বাবে (?) তেওঁক 'চীজাৰিণ' কৰিহে সন্তান জন্ম দিব পৰা কৰা হয়। কিন্তু সৌভাগ্যৰ (?) বিষয় এয়েই যে তাৰে এটা সন্তানকো আততায়ীৰ হাতত বলি হবলৈ জুলিয়াছ চীজাৰ কৰি জন্ম দিবলৈ এওঁলোক অপাৰগ। জ'ন্নভৰ বহু প্ৰসূতিয়েই হয়তো ঘূণীয়া হৈয়েই বাছি থাকে।

লৰাটি অন্ততঃ এটা সকসুৰা জুলিয়াছ চীজাৰ বা ছোৱালীজনী ইন্দিৰাগান্ধী হবই।' পৰিয়ালটোৰ সকলোৰেই এয়েই দৃঢ় প্ৰত্যয় - প্ৰত্যাশা। কাক তালিয়বৎ কাৰো স্বপ্ন হযতো সফলো হৈ পৰে।

মহাযুদ্ধ আৰু স্বাধীনতাৰ আগৰ কালছোৱাত ঘৰৰ কামবন কৰি উঠিও ঘৰ ঘৰুৱ'ৰ যাৱতীয় কাপোৰকানি আদি বৰলৈ অসমীয়া গৃহিণীয়ে নিশ্চিত ভাবেই সময় উলিয়াই লৈছিল। গাওঁ-চহৰ, এনেকি নগৰ আদিতো টকী বাইস্কোপ, চাৰ্কাচ, ক্লাবঘৰ আদি অত্যাধুনিক আমোদ-প্ৰমোদৰ আহিলাবোৰ নাছিল বুলিলেই হয়। তথাকথিত সভ্যতাৰ উপাদানবোৰো নাছিল। মানুহে নিজকেই এটা যান্ত্ৰিক যুগৰ পুতলা বুলি ধৰিলৈ স্বধৰ্ম স্বকৰ্মক অৱমাননা কৰা নাছিল। আজিৰ যুগটো জ্ঞান-বিজ্ঞানৰ শীৰ্ষস্থানীয় যুগ। কিন্তু তেন্ লগোৱা গাঁহৰ মুৰৰ ওচৰত অনন্তকাল বহি থকাৰ কল্পনাটো সম্পূৰ্ণ অসম্ভৱ অবাস্তৱ। এদিন তললৈ পিছলি পৰ টোহে মহাকাল প্ৰভাৱিত বাস্তৱ। বিজ্ঞানে হযতো ইয়াক বিপৰীত ক্ৰিয়া (Opposite action) অথবা প্ৰতিক্ৰিয়া (Reaction) বুলিও কব পাৰে।

পৰ-বিষ ক্ৰিয়া।

নীলকণ্ঠক ইতিমধ্যে কলেজ কর্তৃপক্ষই একপ্ৰকাৰ জোৰ কৰিযেই অধ্যক্ষ পদত নিযুক্ত কৰিছে। কিন্তু তেওঁ তীব্ৰ অনিচ্ছা আৰু আপত্তি প্ৰকাশ কৰিলে। চহৰখনৰ সকলো জনা-শুনা লোক, উচ্চ খাপৰ ব্যক্তি, কলেজৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱক আদিৰ একান্ত ইচ্ছা—নীলকণ্ঠ যুকন অধ্যক্ষ হবই লাগিব। 'নহলে কথা বৰ বেয়া হব দেই ছাৰ।' বুলি বহুত শুভাকাংক্ষী আৰু সদাশয় ব্যক্তি বিশেষৰ মৰম শ্ৰদ্ধা আৰু সম্মান সূচক হুন্-কিও পালে তেওঁ। অজ্ঞাত ভয় আশংকাত—এটা অভূত-পূৰ্ব সৰ্বগ্ৰাস—সূৰ্য গ্ৰহণৰ তিনি ৰাতিৰ ভিতৰৰ অশুভ ক্ষণটোও পাৰ নৌহওঁতেই তীব্ৰ হেঁচাই জাপি দিয়া অধ্যক্ষ পদটো নীলকণ্ঠই গ্ৰহণ কৰিবলৈ বাধ্যহৈ পৰিল। ক্ষুদ্ৰাতিক্ষুদ্ৰ জ্যোতিষৰ জ্ঞান আৰু বিশ্বাসেৰে নীলকণ্ঠই ভাবিছিল যে এদিন তেওঁ এই পদ স্বেচ্ছাই এৰিবই লাগিব। গতিকে সুযোগ পালেই এই ভূতেধৰা দিয়া অধ্যক্ষ পদটো স্বেচ্ছাই বিসৰ্জন দিব। 'ছাৰ জনক ৰজাও-ঋষিও—তেওঁ কিন্তু কৃষিও কৰিছিল। জনক সেইজন-যিজনে উৎকৃষ্ট ৰজা, ঋষি আৰু কৃষক, অৰ্থাৎ সংস্কৃতিৰ উৎকৃষ্ট পুৰুষ জন্ম দিব পাৰে।'

আজিৰ যুগত চাকৰি সংগ্ৰহৰ অৰ্থ—'অৰ্থই' জীৱনটো জীযাই ৰখাৰ বাবেই হওক বা বিলাসিতাৰ বাবেই হওক। এই চাকৰিৰ বাবে 'ভূ-দেৱ'বোৰক স্তুতি প্ৰাৰ্থনা কৰিব লাগে, পূজাপাতালদি অনুগ্ৰহ প্ৰাৰ্থী হ'ব লাগে, মৰ অ'ইউসীৰ ৰাতি দান-দক্ষিণাও কৰিব লাগে, নহলে আত্মীয়-কুটুম্ব দূৰসম্পৰ্কীয়ও হব লাগে, এই পৃথিৱীৰেই অশুভ গ্ৰহ উপগ্ৰহৰ সন্তুষ্টিৰ বাবেও এটা স্বকীয়া কৰ্তব্য থাকে। কিন্তু অতীতত ব্ৰহ্মচৰ্যব্ৰত পালন কৰি গুৰু গৃহবাসীহৈ, জ্ঞানাহাৰণত ব্ৰতী হোৱা শিষ্যৰ ভিক্ষা আৰু উঞ্চ বৃত্তিৰেহে গুৰু শিষ্যৰ জীৱিকা নিৰ্বাহ হৈছিল। গুৰুৰ শুভেচ্ছা আৰু আশীৰ্বাদতহে শিষ্যই জ্ঞানাহৰণ

সমাপ্তিৰ আদেশ পাইছিল। মনৰ সৈতে ধনৰ কোনো সম্বন্ধ নাছিল, বাস্তৱিক পক্ষে বাণীসাধকক সেই দিনত লক্ষ্মীযে সদায় পৃষ্ঠ প্ৰদৰ্শনহে কৰিছিল। অকল আপুনি নীলকণ্ঠ ফুকনৰ প্ৰসংগতহে আজি এই কথাৰ সংগতি আছে বুলি আমাৰ সকলোৰেই পূৰ্ণ বিশ্বাস আছে, গতিকে অধ্যক্ষ পদ গ্ৰহণ কৰাৰ বাহিৰে আপোনাৰ কোনো গত্যন্তৰ নাই।' চহৰখনৰ সকলো সম্প্ৰদায়ৰ মানুহৰেই এয়েই প্ৰবল অভিমত। এদিন এনেদৰেই নীলকণ্ঠৰ কণ্ঠৰ নীলাখিনিৰ ওপৰতে ইবন্দীৰৰ জিঞ্জিৰি ডাল পৰিল। কিন্তু আন এদিন শূন্যগগন-বিহাৰী মুক্তি প্ৰয়াসী বিহংগম স্বেচ্ছাই সজা ভাঙি ক'ৰবাৰ দূৰ দিগন্তলৈ চিৰকালৰ বাবেই উৰা মাৰিলে—হয়তো বৰি শ্বেলীৰ স্কাইলাৰ্কটোৰ দৰেই। কিন্তু কিয় এনেহেন সম্মানীয় পদ এটা নীলকণ্ঠই স্বেচ্ছাই ত্যাগ কৰিলে?

নীলকণ্ঠই হাতত দুখনৰ শক্তিৰে টকা আৰ্জিলে ঘৰ বান্ধিলে আৰু ঠেঙৰ ওপৰত ঠেং তুলি সকলোকে ৰাজভোগ কৰিবলৈ সুবিধাও দিলে। শান্তিৰ আকুল তৃষ্ণাত তেওঁ যথা-সৰ্বস্ব সহৰ্মিণীৰ হাতত অৰ্পণ কৰিলে। নীলকণ্ঠ স্বেচ্ছাই যেন কপৰ্দক শূন্য হৈ পৰিল, কি অদৃশ্য অভিশম্পাতে নীলকণ্ঠ-ৰমাৰ হৰ-গৌৰী দম্পতিৰ সংসাৰখনত অনিৰ্বাপিত দাবানল জ্বলাই তুলিলে—যি জুইত ৰমা সতীত্বহ হ'ল-নীলকণ্ঠ সংসাৰ—বিৰাগী হ'ল? ৰমাৰ চকুলোৰ কাৰণ কি? ৰমা বিদ্ৰোহিনী? কিন্তু কাৰ বিৰুদ্ধে এই বিদ্ৰোহ? ৰমাই ভাবে-'সিহঁতে মোক প্ৰগতিৰ অন্ধকূপত ঠেলি-হেঁচি সুমুৱাই দি জোৎস্নালোক সঞ্চাৰী দ্বাৰ বন্ধ কৰি দিব বিচাৰিছে, মোৰ শৰীৰত ইমান দিনে লাগি থকা জ্যোতিৰ্ময় বৰ্ম একৰাই দি মোক নগ্ন ৰূপ এটা দিলে সিহঁতে কি সুখ পাব বাৰু? সিহঁতৰ গোপন মনৰ তলিত কি অভিপ্ৰায় কি অভিসন্ধি আছে? মোৰ জীৱনত সিহঁতে ইয়াতকৈ কি বেচি অমূল্য সম্পদ বিচাৰে? মোৰ স্বামী মহান ত্যাগী আৰু বুদ্ধৰ দৰেই সন্ন্যাস-প্ৰভাৱিত বাবেই? সিহঁতৰ লালসাই এতিয়াও

বুজি পোৱা নাই নেকি যে--লক্ষজনৰ মাজতো দুষ্প্ৰাপ্য অমূল্য ভাণ্ডাৰটোকেই মই হেৰুৱাবলৈ ওলাইছোঁ— নাৰী জীৱনৰ পৰম সম্পদ, পৰম সৌন্দৰ্য, পৰম মুক্তিকেই মই জন্ম-জন্মান্তৰৰ বাবেই হেৰুৱা-বলৈ ওলাইছোঁ। সিহঁতে মোক কলৈকে ঠেলিছে? পবিত্ৰ অসমীয়া নাৰী জীৱনত আদৰ্শ চ্যুতি মৃত্যু—জীৱন্ত সমাধি। বুকুৰ মগুহক কাটি সিহঁতে মোক কোন অদৃশ্য কুৰংগত নিক্ষেপ কৰিবলৈ ওলাইছে? কি দোষ এই নীৰৱ, পবিত্ৰ ধৰ্মৰদেওঁৰ কাণ, কি শাস্তি, কি? স্বস্তি ইয়াত প্ৰচ্ছন্ন আছে? এই ভোলানাথ কৰ্ম্মযোগীজনে কাৰ কি অমৃতত বিষ দিছে? কাৰ বঢ়া ভাতৰ মুখৰ আগৰ পৰা কাঢ়ি নিছে? এই পৃথিৱীৰ লক্ষ লক্ষ পাপৰ কোনখন মজিয়াত তেওঁ ভৰি দিছে? অথবা এপলকৰ বাবেও তেওঁ এটিও ক্ষীণ দৃষ্টি সেইফালে নিক্ষেপ কৰিছে? সৰ্বজন মান্য, জ্ঞানী, পণ্ডিত নাৰী জীৱনৰ পৰম গৌৰৱ, এই উত্তম পুৰুষজনত খোলাকটি—হতাশী মোৰ এই পৰম হিতৈষী বোৱে কি গুণৰ অভাৱ দেখিলে? কোন অদৃশ্য বা কল্পিত দেৱতা এইজন পুৰুষতকৈ মোৰ বেছি পূজনীয়?

সিহঁতে মোক কি মোহিনী বাণ মাৰিছে? সিহঁতৰ কি ভেলেকী বা ভোজবাজীত মোৰ বিবেক আচ্ছন্ন হৈ পৰিব খুজিছে, আৰু কাৰ মনৰ দুষ্ট শ্বাপদ টোৱে—লেলিহান জিহ্বা মেলি মোক গ্ৰাস কৰিবলৈ খেদি আহিছে। সীমা নিচা—এই জল্লাদ দুটা। সিহঁতৰ কিয় এনে বুকুৰ আগ মগুহ হৈ পৰিছে—যাৰ উপদেশত আজি মই মোৰ জীৱন বসন্তত নৰকৰ অন্ধকাৰ দেখিবলৈ আৰু তামসী মায়াৰ সুৰ শুনিবলৈ পাইছোঁ। মই কৰা অপমানৰ বাবে নিচাৰ এইয়া প্ৰতিশোধ চৰিতাৰ্থতা নেকি? মই নিচাক'তো অপমান কৰা নাই মই—চাৰিটো—তাৰ প্ৰতি মোৰ ধৰ্ম ডাক মাত্ৰ। চুবি আৰু জুৱাৰ খোলাকটিৰ সি ইন্দিৰাক কিনিব খুজিছে নেকি? সে বাওনাই চন্দ্ৰলৈ হাত মেলিছে' ইন্দিৰা'ক জানা বিশ্ব ব্ৰহ্মাণ্ডৰ

কোনো শক্তিয়ে, কেতিযাবা নাৰায়ণৰ অস্তুত-শয্যা-চ্যুত আৰু পাদ-পদ্মান্তৰ কৰিব পাৰিছে? নিদ্ৰাবিকাৰ ভ্ৰম হলেও ইন্দিৰাৰ ভ্ৰম অসম্ভৱ।

সীমা কোন? সীমাই ইমান দিন বান্ধৱীৰ মুখাখনহে পিন্ধি লৈ পদে পদে মোক ভুৱা দিছিল নেকি? সীমাই আমাৰ দুযোজনৰ উদাৰতাক দুৰ্বলতা বুলি লৈ বিশ্বাস ঘাতকতাহে কৰিছিল নেকি? সীমাৰ দেহ মনৰ জগতখনৰ সীমা নাই। সেই কুখ্যাত নৰকৰ অন্ধকাৰ গলিৰ সীমালৈ মোকো তাই টানিছে নেকি? কাৰ সাহসত সীমা-নিচা এই মৰসাহৰ অধিকাৰী হৈছে?

শান্তিৰ অশান্ত, বৰ্বক—দূত এই ভোলানাথ নীলকণ্ঠজনে দুৰ্বাৰ মানসিক সংঘাত উপস্থিত হলে—গভীৰ ৰাতি খোলা বাৰান্দাৰ দগলা-হীন চোকাত পৰি থাকে গৈ। কাৰোবাৰ পৰা প্ৰাপ্যৰ বিপৰীতে দুৰ্ব্যৱহাৰ অন্যায় আৰু অৰ্থহীন অহমিকাই এই সমীক ঋষি তুল্য পুৰুষজনক গৃহচ্যুত, শয্যাচ্যুত কৰি পেলাব নেকি? তেওঁৰ গলত মৰা সাপৰ মালাডাল আঁৰি দিলেও তেওঁ কোনো ধৰণেই বিকাৰ গ্ৰস্ত নহয়, এনেকি ভ্ৰুক্ষেপেই হয়তো নকৰে। নীলকণ্ঠৰ কণ্ঠৰ বেদনাখিনিক আগুৰি থকা জীয়া বা মৰা সাপ ডালৰ পাৰ্থক্যই বা কি? অৰ্থই বা কি? তেওঁ তাৰ বাবে কাকো ব্ৰহ্মশাপ দিব নোৱাৰে। বৰং ধ্যান-ভংগৰ পিচত তেওঁ হয়'তো কব—'সকলো অজ্ঞতাকেই ভগৱানে এদিন প্ৰসন্ন আৰু ক্ষমাৰ দৃষ্টিৰেই চাব—তোমাক নোচোৱাৰ প্ৰশ্নই নাই। তাৰ বাবে মই ভগৱানক প্ৰাৰ্থনা জনাইছোঁ।'

ৰাতি পুৱাৰ আগে আগে এই নিৰ্বিকাৰ নিৰ্লিপ্ত পুৰুষজন এক ভেৰ ঘটাৰ বাবে ভিতৰৰ নিজৰ শেতেলীত গৈ শুই পৰে। ৰাতি পুৱা চাৰি বজাৰ লগে লগেই শয্যা-ত্যাগ কৰাটো তেওঁৰ চিৰ-কলীয়া নিয়ম। গতিকে এই চিৰ-বঞ্চিত পুৰুষজনৰ সুখ গ্ৰহণৰ চমৎকাৰ বুদ্ধিৰ অভিনৱ ধাৰাটো কোনোৱেই ধৰা পেলাব নোৱাৰে।

কিন্তু তেওঁৰ আৰু মোৰ অন্তৰাত্মাৰ করুণ গোপন বিননিৰ ধ্বনিটো জানো ক'তো প্ৰতিধ্বনিত নোহোৱাকৈ আছে ? অন্ততঃ মোৰ জন্মৰ বাবে দায়ী বোৰৰ অন্তৰত জানো সেই ক্ৰুৰ হাঁহি এতিয়াও মাৰ যোৱা নাই ? তেওঁ ক্ৰমে ক্ৰমে কৰ্পূৰৰ দৰে নিঃশেষ হৈ যাব ধৰিছে।'

বমাই এদিন নীলকণ্ঠক কৈছিল— 'বিশাল সুনীল নভো মণ্ডলত ধ্ৰুৱ তৰা নাথাকিলে সমুদ্ৰ-তৰণী দিশহাৰা হৈ যায়, জল-মগ্নযাত্ৰী অক্টোপাচৰ পেটত প্ৰাণান্ত হৈ যায়। তিলতিলকৈ অহা অৱক্ষয়তকৈ একেবাৰে অহা প্ৰণান্তিক নিশ্বাসটো বেছি কাম্য নহয় জানো ? তাত আশু মুক্তিৰ স্বাদ আছে।' 'সেইটো দেশপ্ৰেম আদিৰ দৰে সৎকৰ্মৰ ফলশ্ৰুতি হলে হয়তো প্ৰিয় জনবো খুব দুঃখৰ কাৰণ এটা নহবও পাৰে, কিন্তু ই যদি পৰস্ব অপহৰণ লেখীয়া কদাকাৰ কৰ্মৰ ফলশ্ৰুতিহে হয়, তেনেহলে জন্মান্তৰতো এই অপ মৃত্যুৰ চৰম গ্লানি মচ নাখায়। উৎকৃষ্ট বুলি ধাৰণা কৰা ভোজনটোৰ ভুক্তিৰ কেই দণ্ডমান পিচতেই ভোজন পৰ্বটোৱেই এটা সুখ-দুঃখৰ সপোনত পৰিণত হৈ যায়। সেই সপোনবো এটা নাম জীৱন। মৃত্যুয়েই এই জীৱন। 'জীৱন'—ম'হুহৰ উপকৰা নামহে।' নীল-কণ্ঠৰ উত্তৰ শুনি বহুপৰ নীৰৱ হৈ বৈ এটি দীৰ্ঘ নিশ্বাস এৰি নীলকণ্ঠৰ বেদনাভৰা চকু মুৰিলৈ বমাই এক থাকেই চাই ব'ল। তেওঁ সপোনৰ পৰা সাৰ পোৱা-নোপোৱা অৱস্থাতেই যেন নিজকে নিজেই কৈ গ'ল— 'এই মহাজ্ঞানী, চিৰদুঃখী সন্ন্যাসীজনক মই একোৱেই নিদিলো, একোবেই দিব নোৱাৰিলো, দিযাৰ সাধনা নকৰিলো। এটি অজান-অবোধ শিশুৰ মাকক এটি লুজেন গুটি বিচাৰি ব্যতিব্যস্ত কৰাৰ দৰে, এই মৰম-তৃষ্ণাতুৰ পণ্ডিতজনে মোৰ পৰা কেতিয়াবা কেতিয়াবা নাৰী জীৱনৰ ক্ষুদ্ৰতম অথচ গৌৰৱৰ বস্তুটো বিচাৰি কাঙালৰ দৰে কাকুতি মিনতি কৰিও ব্যৰ্থ হৈ পৰি শেষত মোৰ বুকুৰ মাজত মুৰটো সুমুৱাই দি লেউ-সেউ হৈ

পৰি থাকে, মাজে মাজে একোটা মাত্ৰ দীৰ্ঘ শ্বাস কাঢ়ি উঠে। তেনে কৰাৰ কাৰণ সুধিলে তেওঁ কয়— 'অন্ততঃ তোমাৰ অমৃত প্ৰবাহী বুকুৰ মাজত মই মোৰ 'মা'ক বিচাৰিছো। ৰমা, তুমি ৰাক্ষসী, মানৱী, নহয় তুমি দেৱী—কাৰণ তুমিয়েই মোৰ কাণ্ডজ্ঞানহীন কাঙাল অৱস্থা জোকাৰি জোকাৰি জ্ঞান দিছা।' 'পতিতে ক্ষুদ্ৰ, অনিত্য আৰু ইতৰ বস্তু ভিক্ষা নকৰে, তেওঁ এখন বিশাল সাম্ৰাজ্যৰ অধীশ্বৰ। সেই সাম্ৰাজ্য প্ৰতিষ্ঠা আৰু তাক দৃঢ় কৰাৰ বাবে হয়তো সহায় হাত বিচৰাহে আপোনাৰ ক্ষেত্ৰত শোভা পায়।'

নীলকণ্ঠৰ ঘৰলৈ তেওঁক বিচাৰি বহু মানুহেই আহে। তেওঁলোকে বহু সভা-সমিতিলৈ—সভাপতি, মুখ্য অতিথি, বিশিষ্ট অতিথি, নিৰ্দিষ্ট বক্তা হিচাপে নীলকণ্ঠক অতি আগ্ৰহেৰে নিমন্ত্ৰণ কৰেহি। আন বহুতেও শিক্ষা সম্বন্ধীয় উপদেশ, নানা তৰহৰ সহায় সহযোগ গভীৰ তত্ত্বমূলক আলোচনা, এনেকি বক্তৃতাৰ সম্পূৰ্ণ পাঠ লিখি লবলৈকে নীলকণ্ঠৰ সান্নিধ্যলৈ আহে। তেওঁলোকে সেইবোৰ উচ্চ পৰ্যায়ৰ সভা-সমিতিত বক্তৃতা দিব নহলে লিখি লৈ পাঠ কৰিব। কাৰোবাক পঞ্চাশ বছৰ পূৰ্বৰ ইতিহাস গবকা কৃতিত্বৰ সম্বৰ্দ্ধনাও লিখি দিব লাগে। এই সকলোবোৰকেই তেওঁ আনৰ নামত লিখি দিয়ে। এই সকলোবোৰৰ বাদেও কলেজৰ পৰিচালনা সভাৰ সভাপতি, সদস্য, আদালতৰ উচ্চ পদাধিষ্ঠ বিষয়া আদি বোৰেও শিক্ষা, পৰিবেশ, আইন-শৃংখলা, ছাত্ৰ, আন্দোলন, কলেজ পৰিচালনা আদি গুৰু-গম্ভীৰ বিষয়বোৰ আলোচনা আৰু পৰামৰ্শৰ বাবে লৈ আহে।

নীলকণ্ঠক ঘৰত নাপালে তেওঁলোক বিফল মনোৰথ আৰু নিৰাশ হৈ উভতি যায়। নীলকণ্ঠৰ অনুপস্থিতিৰ সুযোগবোৰ ভকতবামৰ মাতৃ, ভগ্নী আদিয়ে নিতৌ নিয়মীয়াভাৱে আহি পূৰ্ণগ্ৰহণ কৰেহি।

বোম্বাই চিনেমা জগতৰ অভিনেতা-অভিনেত্ৰী সকলৰ প্ৰতি তেওঁ-লোক উখলিত-কণ্ঠে প্ৰশংসা-মুখৰ হৈ উঠিছি। পতী-পত্নী গ্ৰহণ আৰু বিসৰ্জন, তাৰ সংখ্যা নিৰাকৰণ, ক্ৰমিক নম্বৰ-গণনা, স্ত্ৰী-স্বাধীনতা, নাৰী নিৰ্যাতন, আমেৰিকাৰ নাৰী জাগৰণ আদি উত্তপ্ত আৰু উদাত্ত আলোচনাত ভকতবামৰ মাতৃ-ভগ্নীৰ লগত আৰু তেনে দুই এগৰাকী মহিলাই আত্ম-নিয়োগ কৰিলেছি। সিহঁতৰ প্ৰসংগ শীৰ্ষস্তৰত উপণিত হোৱাত বিৰক্তি আৰু ঘৃণাত ৰমাই চটফটাই আছে যদিও চাহ, লুচি, মিঠাই, তৰকাৰী আলহীক খুৱাবই লাগিব। গতিকে কাম কৰা ছোৱালীজনীৰ লগত ৰমা বান্ধনি ঘৰত ঘামি-জামি কৰ্মব্যস্তা-অৱসৰহীনা। 'ফুকন ছাৰ ঘৰত আছে নে' বুলি নেপথ্যৰ অৰ্থাৎ বহা কোঠালীৰ দুৱাৰ মুখৰ বাক্যবাৰ শুনি সদস্যা সকল খং আৰু বিৰক্তিত জিকাৰ খাই উঠিল। লগতে সুস্বাদু জলপানটোৰ অংশীদাৰ বৃদ্ধিৰো ঈৰ্ষাজনিত পৰম আশংকা হ'ল। চহৰৰ বিচাৰ পতি এজনৰ লগত দুজন অধ্যাপক সিদিনা এটা জৰুৰী বিষয়ৰ আলোচনাৰ বা'ৰে নীলকণ্ঠৰ ওচৰলৈ আহিছিল। ৰমাই লৰালৰিকৈ হাতখন ধুই নিজেই তেওঁলোকৰ ওচৰলৈ যাবলৈ নৌ-পাওঁতেই ভকতবামৰ মাতৃয়ে কৈ উঠিল—'হেৰৌ আপী, ক'ত মৰিলিঔ? যা, ঘৰত নাই বুলি কগৈ—এই সোপাক। এৰা দেও দিন নাই, ৰাতি নাই—, ক'ৰ কিছুমান বাজে মানুহৰ সোঁত, বাজে মানুহৰ আড্ডা স্থলচাই হ'ল—নকমাই হ'ল । শান্তিৰে বহি এৰাৰ কথা কবৰ উপায় নাই।' সতীৰ্থ সদস্যাবোৰেও 'এৰা দেও, কাম বন নাই, পুৰুষ মানুহবোৰে ভদ্ৰলোক বোলাই টলো টলো কৰি ঘৰে ঘৰে আড্ডা মাৰি ফুৰক, ডাঙৰ ডাঙৰ সভা-সমিতিৰ সভাপতি, চেক্ৰেটাৰী হওক, ডাঙৰ ডাঙৰ লেকচাৰ দিয়ক, আৰু ভদ্ৰ ঘৰৰ মহিলাবোৰে বান্ধনি ঘৰত 'গেচ'ৰ গৰমত শৰীৰৰ তেজখিনি এশ ডিগ্ৰীত পানী উতলা দি উতলিবলৈ দিয়ক, দিনমান

গৃহ-বন্দীনী হৈ মুৰ আৰাদি মৰক, সত্য কথা কি—ঘৰখন এখন বৈচিত্ৰহীন বন্দীশালৰ বাহিৰে আন একোৱেই নহয়। চব্বিশ ঘণ্টাৰ প্ৰতিটো মুহূৰ্ত্তই কেৱল স্বামী সন্তানৰ সেৱা-শুশ্ৰূষা কৰা—অৰ্থাৎ গেৰাৰী খাটাৰ বাহিৰে নাৰী জীৱনৰ যেন আৰু আন কোনো কামেই এই পৃথিৱীত নাই।' বেছ ইমানেই আটিছে। বৰ্মা বা কাম কৰা ছোৱালী—কোনো এটি প্ৰাণীও যাবলগীয়া নহ'ল। 'বাজে' অতিথি পুৰুষ সকল (?) হিতাকাংক্ষীনী (?) সদস্যা সকলৰ অধিকাৰৰ চৰ্চ্চাৰ উদাত্ত সুৰ শুনি 'দিলখুচ (?) হৈ সুৰুক কৰে আতৰি পৰিল। বৰ্মা বজ্ৰ পৰা মানুহৰ দৰেই হ'ল। উৎকৃষ্ট চাহ জলপানৰ নিয়মীয়া আকৰ্ষণে সদস্যা বৰ্গৰ ভাষণ আৰু মন্তব্যক আৰু সজীৱতা দিলে—'চাওঁকচোন বাৰু—আমিতো সদায়েই দেখোঁ—এই বাজে মানুহ সোপাৰ লাগি' নিছিগা ধাৰ, মন খুলি এটা সৰু আৰু গুৰুতৰ আলোচনাও কৰিবৰ উপায় নাই। এইখন এখন কলেজ ইউনিভাৰছিটি, ৰাজহুৱা সভা মণ্ডপ বা কাছাৰী ঘৰ নেকি? নে আন কিছুমানে আকৌ, এইখন এখন মন্ত্ৰী, এম, এল,এক গালি পাৰা নাট্য শাল।' বুলি ভাবিছে? এইখন বক্তৃতা-মঞ্চও নহয় নিশ্চয়। এইখন ঘৰলৈ ভদ্ৰ মহিলা আহ-যাহ কৰে বুলি তেওঁলোকে নাজানে জানো?

ৰমালৈ লক্ষ কৰি সদস্যাবৰ্গৰ মাজৰ পৰা ভকত বামৰ মাকে কলে—'আপুনিও ভাল দেও। এদিন ভাল ধৰণে' ত'তত লগাকৈ কথা শুনাই দিব নোৱাৰে নেকি? চাবচোন—একেদিনাই উজাৰ খাই যাব। মতা মানুহবোৰেই যেন দেশখন উদ্ধাৰ কৰি সোণৰ জখলাৰে স্বৰ্গত'হ তুলি থব। বহু মতা মানুহেইতো বাতিপুৱা আন্ধাৰে-পোহৰে উঠি চাহখিনি কৰি খায়েই, লগতে দালি ভাত দুটাও গেচৰ দুটা আখাত বহাই দিলেই লেঠা মৰি যায়। ভাজী-তৰকাৰী কৰিবলৈ যদি দেৰি হয়, তেনেহলে দালিখনতেই কিবাকিবি দি থৈ

দিলেই দেখোঁ, সমস্যা সমাধান হৈ যায়! এই সামান্য কথাখিনিও মতা মানুহবোৰে নুবুজিলে হবনে আৰু? আমাৰ দৰে কিছুমান জনাবুজা নাৰীয়ে ব মতা মানুহৰ তত্ব বুজা তিবোতাই বিদ্ৰোহ কিয় নকৰিব? মৈয়ে কওঁ—যদি মতা মানুহবোৰৰ এইখিনি খুমেই নাই, তেনেহলে বান্দৰকৰা ছোৱালী ৰোহিণী কেওঁটেই ভাতকেইটাও বান্ধক সদায়—তেতিয়া বাবে একো লেঠাই নাথাকিব! দুই পক্ষই মুকলি।

নিষিদ্ধাবৰা নামে আন এগৰাকীয়ে ক'লে—এই আজিৰ কথাত ধৰকচোন—সাধন মহলদাৰে নিজেই পইচা খৰচ কৰি টিকট কাটি আনিছে—মোক 'গৃহপ্ৰবেশ' চিনেমাখন দেখুৱাব। মাত্ৰ আমি দুই-জনেইতো নহয়—আৰু কোনোবা এগৰাকীও হেনো যাব পাৰে—যদি বিশেষ একো অসুবিধা নহয়। দুয়ো বিশ্ৰান্ত যাম, বিশ্ৰান্ত আহিম। মই মাত্ৰ ঘৰলৈ যাব লাগিব।

মই আমাৰ তেখেতক কৈছোঁ—'ভাতকেইটা ৰান্ধি থব। মোৰ বাবে ভাত নাৰান্ধিলেও হব—মোৰ মূৰৰ বিষটো উঠিব পাৰে। তেখেতৰ ঘৰতো কোনো নাই—পৰিবাৰ ল'ৰা-ছোৱালী কেইটালৈ ত্ৰিপুৰাৰ মাকৰ ঘৰলৈ গৈছে। মই গ'লে অলপ ভাল পাব। তেওঁ বৰ অকলশৰীয়া হৈ আছে। আমি হলে এনে বিবেচক আৰু উদাৰ মতা মানুহবোৰৰ সুখ-দুখৰ কথা বুজি পওঁ। কিন্তু আন মতা মানুহবোৰে হলে আমাৰ দৰে মাইকী মানুহৰ অন্তৰৰ কথা-বোৰ তিলমাত্ৰও বুজি নাপায়। অৱশ্যে সাধন মহলদাৰৰ দৰে অতি দিলদাৰ মতা মানুহো নথকা নহয়! আন এজনীয়ে সেই কথাত ফোৰণ দি ক'লে—'সাধন মহলদাৰৰ দৰে প্ৰগতিবাদী মৰদ আজি এই প্ৰগতিৰ যুগতো কেইজন আছে—ই ভাবিবলগীয়া কথা।' ভকতৰামৰ প্ৰৌঢ়া মাতৃয়ে এই গভীৰ তত্বৰ কথা কৈ সকলোকে আপ্যায়িত কৰিব খুজিলে। এনেতে চাহ-জলপান আহিল। নীলকণ্ঠ

ৰমাৰ যুগ্ম সংসাৰখনত খোৱাৰ প্ৰাচুৰ্য সৰ্বজনবিদিত। এই প্ৰাচুৰ্য চাহ জলপানতে দেখি সদস্যাবৰ্গৰ চকুবোৰ তিৰ্‌বিৰাই উঠিল, চকুৰ মণিবোৰে লেহ্য-পেয়-চৰ্ব-শোষ্যৰ ওপৰেদি শ্ৰীহস্ত মুক্তাৱলীৰ মুদ্ৰাবোৰ মনে মনে প্ৰদৰ্শন কৰি গ'ল। ভকত-মাতৃযে তত্বকথা উদাও মুৰত কৈ গ'ল—এইযা ৰমা ভনীটিৰ কথাই ধৰক—মানুহবোৰৰ যে কি বিবেচনা। মুৰত ঘিঁউৰেই নাই নেকি? সকলো নাৰী-পুৰুষেই দেখো এক মুখেই নীলকণ্ঠ যুকনক দেৱতা বুলি গুণ-গান কৰি কয়—'নীলকণ্ঠ ফুকন মাত্ৰ এজনেই, তেওঁ ঋষিতুল্য, দেৱতুল্য পুৰুষ। তেওঁৰ ঘৰখন প্ৰকৃত পক্ষে কিবাবোৰ সেই তাহানিৰ নৈমিষাৰণ্যহে, কিন্তু বৰ্তমান তেওঁৰ ঘৰখন জয়াল জয়াৰ অৰণ্যহে পৰিণত হ'ব ধৰিছে। সমাজৰ অতি নাচ স্তৰৰ জীৱ কিছুমানে নীলকণ্ঠৰ গৃহ-লক্ষ্মীক চঞ্চলা, কৃপিতা আৰু পৰমধনৰ পৰা বঞ্চিতা কৰিবলৈ বিচাৰিছে। অমৃতৰ ভাণ্ড মুখৰ ওচৰৰ পৰা কাঢ়ি নিবলৈ বিচাৰিছে অথবা পাৰ্বতীক কৈলাশ পৰ্বত শিখৰৰ পৰা কুৎসিৎ কদাকাৰ জঁৰাগ্নি পূৰ্ণ কুণ্ডত নিক্ষিপ্ত কৰি তেওঁৰ দেৱী ৰূপৰ ঘনাঘৰ কলুষ-লিপ্ত কৰিব বিচাৰিছে। 'জয়া'ক 'জয়াৰ প্ৰভাৱান্বিতা কৰিবলৈ বিচাৰিছে। শৃগাল শূকৰ যোনি মানুহতেই অধিক প্ৰভাৱশীল নেকি।' হাঁহি উঠা কথাখিনি মুখস্থ নকৰি নোৱাৰিলোঁ। এইবোৰ বাৰে ভচহু কথাৰ অৰ্থৰ তলানলা একো নাপাওঁ পাই। সেয়েহে কথাবোৰ কিছু মুখস্থৰ নিচিনাকৈ কানো মতে ৰাখিছোঁ। দেও! সিহঁত এইবাৰ ছাগল দেৰে কোবাযো অভং অভজা আৰু আৰাধনীয় বথা কলে কি হ'ব? সেইবোৰৰ জানো কিবা অৰ্থ আছে কামৰ কথা কওক—তেহে বুজা যাব। নীলকণ্ঠ যুকনক অলপ লিখা-পঢ়া কৰা মানুহ বুলি আমিও বেছ জানো। কিন্তু তেওঁ স্বামী দেৱতাৰ প্ৰকৃত কৰ্তব্য জানো কিবা কৰিছে? ৰমা ভনীটিক মাহে মাহে তেওঁ কিমান শাৰি-ব্লাউজ, গহনা, আদি দি, চিনেমা, দূৰ ভ্ৰমণৰ সুবিধা দি আনন্দত ডুবাই ৰাখিছে? এইবোৰ কথা জানো

তেওঁ প্ৰতিদিনেই লক্ষ্য কৰিছে ? দুটা ক, খ, ম, ম, পঢ়িলেনো কিটো হ'ব। ৰমা ভনীটিৰ ভাগ্যখন ৰবৰেযা।'

কথাবোৰে ৰান্ধনী ঘৰত ৰমাৰ অন্তৰত আগ্নেয়গিৰিৰ সৃষ্টি কৰিছিল। ৰান্ধনী ঘৰ-সংলগ্ন মাষ্টাৰ বেড্‌ৰুমৰ নীলকণ্ঠৰেই শয্যা-উপবিষ্টা টীকা-টিপনী ভাষ্য কাহিনীসকলৰ আলোচনাক যেন ৰমাৰ ৰোষ-অগ্নেয়গিৰিয়ে পুৰিদেই ছাই কৰি পেলাব। জলন্ত, উত্তপ্ত লাভাৰ দ্বাৰা কদৰ্যময় গলিত পলিত গন্ধবোৰক নিঃচিন্ন কৰি ক'ৰবালৈ উটুৱাইহে লৈ যাব। কিন্তু ভোজ্য বস্তুবোৰ টীকাকাহিণী সকলৰ উজ্জ্বল চকুৰ আগে আগে দি নীলকণ্ঠৰ পত্নী ৰমাই সম্ভ্ৰম সূচক কথাৰেহে দুই এটা কথাৰ প্ৰত্যুত্তৰ দি কলে—'আপোনালোকে এইবোৰ আলোচনা নকৰাই মঙ্গল। তেওঁতে মোক যি দিছে তাৰ তুলনা নাই, কোন নাৰীয়ে সেইখিনি পাইছে—আৰু ভৱিষ্যতেও পাব—বোধ হয় তেওঁলোকৰ নামবোৰ এটা আঙুলিৰ গণনাতেই শেষ হৈ যাব খোজে। কেইজনী নাৰীযেই মোৰ দৰে মহান গৌৰৱৰ অধিকাৰিণী হৈছে সেই নামো সীমাবদ্ধ যেন লাগে। যিবোৰৰ দ্বাৰা মোৰ অমৰত্ব লাভ নহয়—সেইবোৰ লৈ মই কি কৰিম- 'যেনাহং' নামৃতা স্যাং কিমহং তেন কুৰ্য্যাম।' এয়া একেবাৰী বিদুষী পতিপ্ৰাণা মহাসতীৰেই অন্তৰৰ পৱিত্ৰ উক্তি। বিষয় বৈৰাগ্য-ভাৱোদয় হ'ল মোৰ স্বামীয়ে সেই মহীয়সী নাৰীৰ উদ্দেশ্যে কৰপুটে প্ৰাৰ্থনা আৰু পৰম শ্ৰদ্ধা জনাই এই মহাবাণী উচ্চাৰণ কৰে। দেবী, মানবী, ৰাক্ষসী যিয়েই হওক প্ৰত্যেক নাৰীকেই তেওঁ দেৱী বুলি ভাবে, দেৱীৰ আসন দিয়ে। তওঁ হৈ পৰে—মাতৃ বক্ষৰ আশ্ৰয় প্ৰাৰ্থী, এক অবোধ-সৰল-নিস্ব নিৰঞ্জন পৱিত্ৰ শিশু। তেওঁ আনন্দ অম্বৰ পিন্ধাই অম্বৰীষ কৰে- নিজে দিগম্বৰহৈ শ্মশান-বাস কৰে। তাৰ তুলনাত মই তেওঁক কি দিছোঁ। জানে ? ফুটুকাৰ ফেন।' মোৰ আশুতোষ তাতেই সন্তুষ্ট, শিশুৰ দৰে হৃষ্টচিত্ত। কামিনী ভনীটি আৰু তক খাইদেউহে কথাবোৰ বুজিব। এজন কলেজৰ অধ্যক্ষই

এসময়ত মোক পৰম ভাগ্যৱতী বুলি কৈছিল—মই পৰম ধন লাভ কৰিছোঁ।'

প্ৰতিবেশীনী কামিনী ডেকা আৰু তৰুদেৱী পলম্বৈক আহিছিল। দুয়ো ভদ্ৰ ঘৰৰ জীয়ৰী, বোৱাৰী। আলোচ্য বিষয়ৰ গতি-ধাৰা দেখি শুনি, মজি দুয়ো মুখাত চক ঢাকি পেলাইছিল। কামিনী ডেকা—এগৰাকী কৃতী শিক্ষক-দুহিতা আৰু এজন শিক্ষকৰো পত্নী, তৰুদেৱীও এগৰাকী শিল্পীৰ সহধৰ্মিনী। ঘৰত কাম কৰা ল'ৰা এজন বা ছোৱালী এজনীৰ খুব বিশেষ এটা আৱশ্যকতা নাই বুলিয়েই তেওঁলোকে ভাবে। ঘৰৰ প্ৰায় সকলো কাম-বনকেই তেওঁলোকে আনন্দ-মনে আৰু গৌৰৱ বোধেৰেই নিজ হাতেই সুসম্পন্ন কৰে। অৱশ্যে অসুখ-বিসুখ আৰু বিশেষ অসুবিধা হলে কিছুদিনৰ বাবে হলেও ল'ৰা বা ছোৱালী এজনী তেওঁলোকে ৰাখে। কিন্তু ভাতৰ চৰুটোত ঘৰৰ মানুহৰ বাহিৰে আন মানুহৰ হাতৰ স্পৰ্শ কোনো দিনেই নাপায়। শিক্ষক আৰু শিল্পীৰ শিক্ষিকা সহধৰ্মিনীদ্বয়ে শাস্ত্ৰৰ মূলমৰ্মটো জানে বা বুজে তাৰ বৈজ্ঞানিক পদ্ধতিও মানে।

'হেৰি – প্ৰগতিশীলা বাইদেউসকল' সদস্যসকলৰ জ্ঞানক পুতৌ কৰি অতিশয়াহে দুয়ো গৰাকীয়ে কয়—'বুজিছে,-মাতৃ-ভগ্নী আৰু নিজৰ স্ত্ৰী'ৰ বাহিৰে কবলৈ গলে কাৰো হাতে পাকান্ন গ্ৰহণ কৰিব নাপায় বোলা কথাৰ নৈতিক, বৈজ্ঞানিক ভিত্তি আৰু তাৎপৰ্যও আছে। মানুহ জাতিটোক দেৱতাৰ এপিটম, বুলি ধৰিব পাৰি। মানৱৰ মংগল, জগতৰ মংগলৰ বাবেই উৰ্বৰ মস্তিষ্ক সম্পন্ন ঋষি-মুনিসকলে—এখন মানৱ সমাজৰ গঢ়দি থৈছে। বিবাহ প্ৰথাটো মানৱ সমাজখনতহে প্ৰযোজ্য আৰু প্ৰচলিত, আন কোনো প্ৰাণীতেই ইয়াৰ প্ৰমাণ নাই। অৱশ্যে সিঁহতৰো মতা-মাইকীৰ সংযোগ হয়, নীড় বান্ধে, গাত-খান্দে, আৰু গহ্বৰৰ আশ্ৰয়লৈ সংসাৰ পাতে। সিঁহতে সন্তান জন্ম দিয়ে। সিঁহতৰ মাজতো মৰম-স্নেহৰ হাট বহে, সিঁহতৰ মৰম-স্নেহবোৰ

অকৃত্ৰিম। সিহঁতে কেতিয়াও স্বধৰ্ম নেৰে। লাজ চৰম আদি মানৱ সভ্যতাৰ উপাদানবোৰ অৰণ্যে সিহঁতৰ নাই, কিন্তু বন্ধানীতি আছে। সিহঁত জন্মগত বোধশক্তিটো (Intuition) ৰেই চিৰ-পৰিচালিত। মানৱ জগতত ইযাৰ প্ৰগতি বা ক্ৰমবিকাশশীল ৰূপ এটা আছে - জীৱ জন্তু জগতত ই নাই। তাত ভাই ভনী মাতৃ পুত্ৰ, স্বামীস্ত্ৰীৰ চিন নাই সম্বন্ধ মৰ্যাদা এৰো নাই। সিহঁতৰ লজ্জা নিবাৰণ আৰু তাপ নিয়ন্ত্ৰণ কৰা বস্ত্ৰও নাই, শোভাকৰ অ-ংকাৰো নাই, সিহঁত সদা-সৰ্বদাযেই সম্পূৰ্ণ নগ্ন আৰু নগ্ন অৱস্থাৰেই সিহঁত মৈথুন মগ্ন হয়। সভ্য সংস্কৃত মানুহৰ আৰৃতিলৈ কোনোবাই যদি শৃগাল-শূকৰক নিজৰ পূৰ্ব পুৰুষ বুলি প্ৰমাণ কৰি তাৰ পৰম্পৰা ৰক্ষা কৰিব বিচাৰে তেনেহলে তেতিয়াই মানৱ সমাজৰ বুকুলৈ প্ৰলয়-বিভ্ৰাট নামি আহে। লোক-চক্ষুৰ ভিতৰ মাজতো সিহঁতৰ বাবে নিলাজ বুলি কোনো কথাই পৰিত্যক্ত বা বৰ্জনীয় নহয়। তথাকথিত উন্নত আৰু প্ৰগতিবাদী মানৱ পশুবোৰে ৰবং গৰ্ব আৰু আনন্দৰ কাম বুলি সেইবোৰৰ প্ৰতি প্ৰশংসাত পঞ্চমুখহৈ পৰে' ৰমাৰ ভনীও সেই সময়ত তাত আছিল। এযা তেওঁলোকৰেই পূৰ্বোক্ত-প্ৰগতিবাদৰ উদাও সুৰৰ ব্যাখ্যাৰ বিপৰীতে শিল্পী-সহধৰ্মিণীৰ—এইযা জোকৰ মুখত চূণ দিয়া প্ৰত্যুত্তৰ। ই এক প্ৰকাৰ জ্ঞান গৰ্ভ ভাষণ। শিক্ষক পত্নী কামিনী ডেকাই ক'লে— ৰমা বাই দউৰ দৰে পৰম ভাগ্যৱতী নাৰী লাখৰ ভিতৰতো এজনীও নোলাব। তেওঁ দেৱ-পত্নী, ঋষি পত্নী। নীলকণ্ঠ ছাৰৰ নামটো কাৰোবাৰ জিভাৰ আগত আহি পৰাৰ মুহূৰ্তটিতেই সকলোৰে যোৰহাট হাতবোৰ কপাললৈ উঠি গৈ কপালত বৈ থাকে। বাইদেৱে সাত জন্মৰ পুণ্যফলৰ পুৰস্কাৰ স্বৰূপেহে ছাৰক স্বামী পাইছে যিটো সত্য সকলো নাৰীৰেই আজি ঈৰ্ষাৰ বস্তু। পূৰ্বজন্মৰ সাধনা আৰু পুণ্য আৰু ইহজন্মৰ ভাগ্যই নাৰী জীৱনৰ সৰ্বশ্ৰেষ্ঠ অমূল্য সম্পত্তিটোকেই ৰমা বাইদেউক দি দিছে। ইযাতকৈ শ্ৰেষ্ঠতম সাফল্য, গৌৰৱ, মৰ্যাদা আৰু পবিত্ৰ আনন্দ নাৰী জীৱনত

আন একোৱেই হব নোৱাৰে। এনে স্বামীৰ চৰণ ধুৱাই পাদোদক খাব লাগে, যদিহে দেৱতাৰ দৰে পূজা কৰি মূৰত তুলি ৰাখিব লাগে। আমাৰ তেওঁখেতেও ছাৰৰ কথা কৈ কৈ তন্ময় হৈ যায়।' সদস্যা বৰ্গৰ চকুত নিলাজ চাৱনি। এনেতে শিল্পী সহধৰ্মিণীয়ে সদস্যা বৰ্গৰ কটাঘাত আৰু অলপ কলাখাৰ চটিয়াই দি ক'লে—এইবোৰতো এইবোৰেই লোক নিৰন্তৰে সকলোৱে জনা কথা ফুচকু যাব অন্ধ সিও জানে শুনে। তেখেতে অগণন বক্তৃতা দিলে বিভিন্ন ৰাজহুৱা সভাত—গীতা-ভাগৱত, কীৰ্তন-দশম, নাম ঘোষাৰ বিশদ আৰু সুমধুৰ ব্যাখ্যা কৰিলে, ছাত্ৰবো বুজালে। তেওঁৰ মধুৰ বক্তৃতা শুনি সকলোৱে সময়ৰ জ্ঞান হেৰুৱাই পেলোৱা সদায়েই অনুভৱ হয়, দেখিও আহিছোঁ, বাৰ-চৈধ্য ছাত্ৰাৰ পদগুৰু মানুহে বক্তৃতাৰ অপূৰ্ব স্বাদ লয় আৰু ৰস পান কৰে। সভাপতিয়ে তেওঁক ব্যাসদেৱ বুলি মন্তব্য দিয়ে। শলাগৰ শৰাই আগবঢ়াওঁতা জনেও—'আজিৰ সভাত স্বয় ব্যাসদেৱেই যেন উপস্থিত হৈ পৰম তত্ত্বময় জ্ঞান গভীৰ বিষয়ৰ ব্যাখ্যাৰে সহস্ৰ সহস্ৰ দৰ্শক-শ্ৰোতাক পৰম আপ্যায়িত কৰি চিৰ ঋণী কৰিলে। ইয়াৰ তুলনা-বিৰল। আমাৰ ভিতৰত ইতিমধ্যে সিদ্ধান্ত কৰা হৈছে বিশেষ ধৰণৰ সভাৰ অনুষ্ঠান কৰি তেখেতক আমন্ত্ৰণ জনাম। তাত তেখেতৰ তত্ত্ব গধুৰ, সুশ্ৰাব্য বক্তৃতা শুনিম। তেখেতে যেন আমাক নিৰাশ নকৰে।—এইটো তেখেতৰ চৰণত আমাৰ আন্তৰিক গোহাৰি' বুলি সামৰণি মাৰে। ছাৰৰো দোষ আছে—শ্মশানবাসী ভঙুৱা মহাদেৱৰ যি দোষ। মনো জগতত তেওঁ হিমালয় পৰ্বতৰ বৰফ-স্তূপৰ মাজত আত্ম-গোপনকাৰী ধ্যানী ঋষি হোৱা বাবেইতো ঘৰত গোপন সিদ্ধি দি দক্ষ চোৰ-চুৰুনী লতুৰা লুতুৰী লুচ্ছা-লুচ্ছীবোৰে লুট কাৰ্যত প্ৰবৃত্ত হৈ টিঘিলঘিলাব ধৰিছেহি। টিলঘিলাতীবো অভাব নোহোৱা হৈছে। নীলকণ্ঠ ভোলানাথো। এয়ে নোহোৱা হ'লে কেতিয়াবাই তাণ্ডৱ আৰু মহাপ্ৰলয়ৰ সৃষ্টি হ'লহেঁতেন। চোৰ-লম্পটৰ সাহস সেই

খিনিতেই। ভূতনাথৰ ঘৰতো ইতৰ ভূতৰ আড্ডা শোভা নাপায়—শ্মশানেই ভূতৰ ৰঙ্গভূমি। যেয়া পাৱলগীয়া তিল প্ৰমাণো অসত্য কথা আমি বোৱা নাই—কৈকেয়ীৰো এটা খোৱা যুক্তি আছিল। আপোনালোকে মনৰ ভোখাৰেই পৰচৰ্চা কৰক—সিদ্ধি-সিধা দুয়ো-টাইতো পাই আছে। দুয়োটাই আপোনালোকৰ লক্ষ্য মিছা কৈছোঁ জানা। ৰমা আছো দেই—বেলেগ এদিনহে চাহ খাম—আজি নহয়।'

তৰুদেৱী আৰু কামিনী ডেকা বেগেৰেই খোজ দি গুচি গ'ল মুখত ঘৃণা ভাব এটা লৈ। এইবোৰেই অসমীয়া মহীয়সী নাৰী আৰু সেই পঞ্চম বাহিনী 'বেটেলিয়ানটোও মহাসতী জয়মতীৰ দেশৰেই নাৰী। বুক ফাটিলেও মুখ নফটাটো কিছু ৰমাৰো দোষ, এই দোষে প্ৰতিবাদ বহ্নিক আচ্ছন্ন কৰি ৰাখে, ধূমায়িত অৱস্থাটো কিন্তু অনুমেয়। নীলকণ্ঠ-ৰমাৰ বাবে 'নাই'ৰ মাজতো 'ঈপ্সিত'টো আছে—ঈপ্সিতটো ক্ষণভংগুৰ হলেও আছে। দুঃখবোৰ নিৰৰ্থক নহয় কিন্তু।

ৰমা কিছুদিন নীলকণ্ঠৰ পৰা আতৰি থাকিবলগীয়া হ'ল। নীলকণ্ঠৰ আত্মা নিদ্ৰামগ্ন, জাগৃতিৰ লক্ষণ দেখা নাযায়। তেওঁৰ চিত্ত যেন বিকাৰ শূন্য—সমাধিস্থবৎ, মন স্পৰ্শ-ৰহিত বাসনাৰ বাহটো পাতত ওলমি থকা টোকোৰা চৰাই বাহ—যি নিষ্ঠুৰ কোবাল ধুমুহাত তলত সৰি পৰি ছিন্ন-ভিন্ন হৈ যাবও পাৰে! সজা বাসীৰ যেন য'তেই ৰাতি ত'তেই কাতি।

ৰমাৰ ভগ্নীয়ো চহৰৰ দুই এগৰাকী ব্যক্তিৰ সহধৰ্মিণীৰ লগত নবোন্মেষিণী উন্নতি সাধিনী সভাৰ সদস্যা ভুক্তা হ'ল। অমাৱস্যাৰ অন্ধকাৰ ৰাতি বিষ্ণুপুৰীয়া লীলামালাই নিশাচৰী চকুত ধূলি মাৰিব নোৱাৰে।

বহুত প্ৰলোভনেৰে প্ৰলোভিত কৰি ইতিমধ্যে নিচাৰামে বহুতৰ পৰা লক্ষাধিক টকা সৰকাইছিল। টকা বিচাৰি যেয়া দুই এজনে লীলাময় নিচাৰামক গুহ্যাদপি গুহ্যলীলাৰত অৱস্থাত

পাই এনে পিটন দিলে যে, তেওঁলোকে তাক, মৃত্যু আসন্ন ভাবি, নৰ্দমাত পেলাই থৈ আছিল। বক্ত বীজৰ লেলেটিয়া বীজাণুটোৱে শেষবাতি চকু মেলিলে। তেজ—বঙা পানীৰখিনিৰ বাগিটোৱেও লাহে লাহে তাক বাগি দিব ধৰিলে। 'বিক্রিনেচৰ সর্বস্বত্ব অংশী-দাৰ কেইজনে, সগোত্রী বক্ত—বীজৰ গাতীতেই, বাতাবাতি নিচাক গুৱাহাটীলৈ নানি কচু গাওঁতেই স্থাপিত কৰিলে নি। মানুহে বচন এষাবি মাতে—'গুৱাহাটীৰ পশ্চিমত লুপ্ত নিচা অসীমত, গোপিকাৰ পুচ্ছ ভাগ দেখিও অতৃপ্তি।' নিচাৰামৰ নিচাই একাধিক গুৰুতৰ সৃষ্টি কৰি থৈ গ'ল। বিষ্ণুপুৰীয়া কৌমাদকী গদাই চোনহ-স্পর্শ কৰাত নিচাৰামে যি স্বাভাৱিক ভেশছন পৰিগ্রহ কৰিছিল, সেই ৰূপতেই কচুগাওঁ নিবাসী হৈ পৰিছিল। মানুহে কয়—'সি এটা বক্ত লোলুপ ভেম্পায়াৰ। তাৰ অনন্তৰূপ অনন্ত শয্যা।'

মানুহ আৰু তেওঁৰ বৰ্মৰ সংযোগ সূত্র বৰ দুৰ্বোধ্য। সৃষ্টিস্থিতি প্ৰলয়ৰ বৰমূৰীয়া তিনিজনাও তাৰ তলা যেন ন'পায়। নীলকণ্ঠ কৰ্মক্ষেত্ৰত 'শিৱ'। কিন্তু তেওঁ যেন সাধনা কৰিছে 'শৱ'বাহ। সেই বজনীৰ বেল যাত্রাৰ ইতিহাস, সেই সপোন, বেল আলিৰ বেদখল কৰা মাটিত পৰকীয়া প্ৰীতি আৰু ভক্তিৰ গদগদ কীৰ্ত-নীয়াৰ সেই সুৰ, পৰিত্যক্ত বেল গাড়ীৰ প্ৰতি পশ্চাদ্দৃষ্টিৰ মোহ, গৃহ প্ৰৱেশ আৰু মৃত্যু-নীৰৱ বেদনা—সকলোবোৰেই যেন নীলকণ্ঠৰ অৱচেতন মনটোক জুমুৰি দি ধৰিলেহি। প্ৰাণটো যেন এটা ভঙা কলহ—তাত বাজনাৰ শব্দও নাই, পিয়াহৰ পানীও নাই।

'মানৱী জীৱনৰ শেষ নিশ্বাসটো এৰি দিয়াৰ পূৰ্ব মুহূৰ্তত দাঁত দুপাৰি বা ঠকৰা দুটা হাতুৰী-বটালি লগাই কিঞ্চিত ফাঁক কৰি তাত আধা চামুচ পঞ্চামৃত অথবা গংগা-জল ঢালি দিয়াৰ অৰ্থ কি? ইহজীৱনৰ অমৃত পান নে পৰজন্মৰ সৌভাগ্যৰ প্ৰতিশ্ৰুতিৰ স্বাক্ষৰ।' এনে ভাব নীলকণ্ঠৰ মনত কিয় উদয় হ'ল?' তেওঁ

আকৌ ভাবিছে—ইষ্ট-কুটম্ব, লগা-ভগা, অঙহী-বঙহী—সকলোৰেই তেওঁক যেন কৈছে—'ইহজীৱনত আমি সকলোৰেই আপোনালৈ 'ছাপ্ৰছ-যুলি' সহায় হাত আগবঢ়ালোঁ—আকৌ যেন পৃথিৱীৰ মহা মোহন-ভোগ খাবলৈ আছে। হেলা নকৰে যেন। এইবাৰ কিন্তু আপোনাক নিশ্চয় মোহন-ভোগ-পঞ্চামৃত খুৱাম্‌ই খুৱাম। এই চামুচ মাত্ৰ তাৰেই নমুনা বা 'ছেম্পল'হে দিলোঁ। আপুনি বাক কেনে পাইছে—আপুনি হয়তো মুখেৰে স্পষ্টকৈ ফুটাই কব নোৱাৰিব, কাৰণ আপোনাৰ প্ৰাণ-বায়ু কণ্ঠাগত—যাওঁ যাওঁ অৱস্থা। এই সময়ত আপোনাৰ খাওঁ খাওঁ অৱস্থা নাই বুলিযেই ধৰি লৈছোঁ। শেষ অংকৰ শেষ দৃশ্যত এইদৰে অমূল্য দৰ ভোগ্য উপভোগখিনি অতি কষ্টৰে সংগ্ৰহ কৰি আনিছোঁ। আপুনি খাব নোৱাৰিব বুলিযেই মাত্ৰ এ টাপ এটোপকৈ আধা চামুচ কৰি হলেও আনিছোঁ। বেছিকৈ আনিলো একো লাভ নাই—পেলনীহে যাব। এইযা কৈছোঁ নহয়, এইকণকেই আকৌ আপুনি কোৱাবিযে দি উলিয়াই পেলাইছে! ইযাত ঘিঁউ, মৌ, আদি পাচ বিধ দুৰ্মূল্য বস্তু আছে। মহঙ্গাৰ বস্তু বেছিকৈ আনিলে—কিমান অপব্যয় হৈ গ'ল-হেতেন। যদি সংজ্ঞা হেৰুওৱা নাই, আপুনিযেই এবাৰ কথাটো গভীৰ ভাবে চিন্তা কৰি চাওকচোন? আপুনি অশেষ কষ্ট কৰি এৰি থৈ যোৱা—ঘৰ-মাটি, বিল্ডিং, ধন-সম্পত্তি আদিবোৰ আমি ধ্বংস বা অপব্যয় কৰিলে আপোনাৰ আসন্ন স্বৰ্গ যাত্ৰী আত্মাই জানো বৈকুণ্ঠতো শান্তি পাব? এই বাবেইতো আপোনাৰ আৰ্জন কমি যোৱা অৱস্থাত আপোনাক তেনে একোৰেই নিদি অপব্যয়টো কমালোঁ। 'কমেলিটী'টো কৰিবই লাগিব। নহলে নিন্দাবাদ উন্মুখ হৈ উঠিবৰ পুৰা সম্ভাৱনা আছে।

যুক্তিৰ কথাই চাওঁক—আপুনি যদি শয্যাশায়ী ৰোগী—ডাক্তৰে কেইটামান পিল খাব লাগে বুলি কব। বৰ হাঁহি উঠা কথা।

ডাক্তৰে ভাৱে—তেওঁ ভগৱান। কাগজ এটুকুৰাত নাম লিখি দিয়া বড়ি দুই-চাৰি গণ্ডা খালেই ৰোগী অমৰ হৈ যাব। বিশেষতঃ আপুনি এতিয়া 'বং চাইল্ড অৱ ফিফটি'ত উপনিত হৈছে। ভাৰতীয় মানুহৰ গড় হিচাপৰ আয়ুস দেখোঁ পাৰ হৈয়ে গ'ল। এতিয়া কোন মুহূৰ্তত কি হয়—তাৰ একো নিশ্চয়তা নাই। অযথা ব্যয় এসোপা কৰি জানো লাভ আছে।

আপুনি অসুস্থ শৰীৰেৰে এই মুহূৰ্তত বুজিব নোৱাৰিলেও, আপোনাৰ অন্তৰাত্মাই নিশ্চয় ইয়াক বুজিব পাৰিছে, এইটো বিজ্ঞানৰ যুগ হোৱাৰ লগতে—অৰ্থনীতিৰো যুগ।

ভাৰতবৰ্ষত দিনে দিনে বহুত মানুহ মৰে তাৰ এশগুণ দিনে দিনেই জন্মে। এবটল গংগাজলৰ এটোপ এটোপ মৃতজনৰ মুখত দি পাৰ্থিৱ দেহ আৰু মন শুদ্ধ কৰা হয়, আত্মাটোক স্বৰ্গৰ আলহী কৰি পঠিয়াই দিয়া হয়। পুত্ৰ-ভাৰ্যা, জমি-জমা, ধন-দৌলত, অপূৰ্ণ আশা-বাসনা আদিৰ বাবে যদি কোনবাকৈ লেলেটিয়া জীৱটো আধা বাটৰ পৰা আকৌ ঘূৰি আহি পুনৰ লেলাউ ভুঞ্জে—তেতিয়াহে আইধৰতকৈ বাইধৰ চাব নহবনে বাৰু? গতিকে 'ডাইৰেক্টলি' এণ্ড 'ওৱানচ্ ফৰ অল' মুক্তিৰ দেশলৈ পঠিয়াই দিবৰ বাবেই এই গংগাজলৰ ব্যৱস্থা। ইমান মানুহেই সিকলীয়া হয় যে—এটোপ এটোপকৈ দিলেও কেইটোপমান গংগাজলহে গংগাৰ তলিত ৰবগৈ সম্ভৱ। তাতেই কুঁৱাৰ পানী ভৰাইহে আকৌ এবটল কৰিব লগা হয়, ভালৰ অলপেই ঢেৰ, অলপেই শুদ্ধ—এই কথা বুজা জনেই বুদ্ধ নহয়নে ?' এয়া মাথো নীলকণ্ঠৰেই অন্তৰৰ কথা, তত্ত্বদৃষ্টি বা অন্তৰ্দৃষ্টি জানো ? আৰু বহুতৰো নহয় জানো ?

মহাযুদ্ধই গৰকা সমাজখনত মহাযাত্ৰা-অপেক্ষাৰত বহু পিতৃ-মাতৃ বহু স্বামীৰেই এনে গোপন সৌভাগ্য সংঘটিত হোৱা নাই জানো ?

তেওঁলোকৰ চোতালত সৌভাগ্যৰ ফুল ফুলিলে (?) তাৰ

বুটলিব কোনে ? নীলকণ্ঠই এইবোৰ ভাৰে, মাথো ভাবেহে— কিন্তু নাই কোনো সমাধান নাই কোনো সন্নিধান ?

'পুৎ' নামৰ নৰকৰ পৰা ত্ৰাণ কৰা জনেই 'পুত্ৰ' বুলি শাস্ত্ৰই কয় যদিও—পুত্ৰ মানে এটা পুতলাহে—যাৰ জন্মৰ কেইদিনমান পিচলৈকে পুতলাৰ দৰেই ই পিতৃ-মাতৃক আনন্দ দিয়ে। কিমান আশা-আকাংক্ষা, কল্পনাৰ আলাসতে পাতা চাওঁবাৰত সিহঁতক প্ৰতিষ্ঠা কৰি ভৱিষ্যতৰ আলাডিডনৰ বাজমহল সজা হয়। হঠাৎ কাৰোবাৰ এদিন চাওখন ভাঙি পৰে--- মহলটো কুণ্ডলী পকোৱা ধোঁৱাবোৰৰ লগত শূন্যত বিলীন হৈ যায়। কোনোবা কালা-চোৰৰ হাতত যাদু চাকি চুৰি হৈ যায়। সকলোৱেই অৰ্থৰ দাস। ভগৱানটোকেই যেতিয়া তোষামোদ আৰু অৰ্থপ্ৰাচুৰ্য পূজাৰ দাস কৰি পেলোৱাৰ শক্তিশালী চেষ্টা চলিছে-- কেঁচু কুমতিৰ দৰে দুৰ্বল মানুহৰ ক্ষেত্ৰত সি কোন চাৰ কথা ? নীলকণ্ঠ যেন এটা শুধ্ বগা বাষ্প-পিণ্ডত পৰিণত হৈ গৈছে— যাৰ অস্তিত্বটোৰ গতি কেৱল উৰ্দ্ধমুখী অথচ সজল, করুণ, সক দ'বাৰ দৰে চকুমুদি নিজকেই নাই কৰাবে ই এটা হাস্যস্পদ প্ৰবৃত্তি—এটা সহজ, অথচ দুৰ্বাৰ, দুৰ্দান্ত আত্ম-চৈতন্য।

পৰ্ব:-প্ৰলয়-পয়োধি।

সিদিনাও নতুন সূৰ্য এটা পূব আকাশত উঠিছিল—তাৰ অৰ্থ পশ্চিমত অস্ত যোৱাৰ প্ৰতিশ্ৰুতি। পৃথিৱীৰ শুভ লগ্নৰ পৰা নিতৌ সূৰ্য উদয় হৈছে। কিন্তু দাৰ্শনিক শিল্পীভাৱাপন্ন নীলকণ্ঠই নিতৌ নতুন সূৰ্য এটা উঠি অহাহে দেখে। তাৰতৰ সূৰ্য উঠাৰ দেশ—

অসম। নীলকণ্ঠৰ আত্মাৰ নিভৃত সুগভীৰ তলিৰ পৰা প্ৰতিটি প্ৰভাততেই উত্তাল স্বৰিত কণ্ঠে উচ্চাৰিত হৈছিল:—

উদয়ং গিৰিমূপেতং ভাস্কৰংকস্মুৰ্ণং
নিখিল-ভূবনেত্ৰমজ্ঞান ধ্বান্তহৰং
প্ৰে জ্বলজ্জালঘনং চৰাচৰ-প্ৰাণধৰং
নমাম্যহং তৎ সবিতুৰ বৰণ্যং ভৰ্গঃ ॥

কিন্তু সিদিনা উদিত ভাস্কৰ, নীলকণ্ঠৰ দ্বাৰা প্ৰাত-বন্দিত হ'লেন নাই—পৰিয়াল বা আন কাৰো বাবেই জ্ঞাত নহল। নীলকণ্ঠৰ কোঠালি বাহিৰৰ পৰা এনেয়ে বন্ধকৰা আছিল। নাতিয়েক প্ৰভাকৰ নাতিপুত্ৰ পাঁচ বছৰ আগে আগে আহি ককা নীলকণ্ঠৰ লগ লয়হি—নাতিপুতাই সাধু কব লাগে, গান গাব লাগে—সিও শাস্ত্ৰীয় সংগীত, নহলে ব্যায়াম কৰি উঠি বগৰী গছডাল জোকাৰি দিব লাগে। পকা বগৰীবোৰ বহাগ মাহৰ উজান উঠোৱা বৰষুণৰ গধুৰ টোপালবোৰৰ দৰে গিৰগিৰকৈ ভূ'মৰে৷ মূৰ গায়ে পৰে—আনন্দত দৌৰাদৌৰি লৰা-ঢাপৰা কৰোঁতে বগৰীৰ ওপৰত ভৰি পৰি সি পিছল খাই পৰে, ডেৰ-দুই বছৰীয়া শিশু প্ৰভাকৰে কিন্তু নাকান্দে—ক্ষন্তেক পিচতেই উঠি হাঁহি হাঁহি বগৰী বুটলে—বান্দৰৰ পোৱালীবোৰ ধৰিবলৈ দৌৰি যুৰে, জীৱ-জন্তুবোৰো মানুহ—বিশেষকৈ শিশু অন্তৰৰ ৰঙীন কথাবোৰ বুজি পায়। সিহঁতেও তাৰ লগত খেলাত সম্পূৰ্ণ ভাগ লয়। বয়সস্থবোৰক কিন্তু সিহঁতে আক্ৰমণৰ ভংগীটোৰেই তীক্ষ্ণ দৃষ্টি নিক্ষেপ কৰে।

শিশু প্ৰভাকৰেও নীলকণ্ঠৰ লগে লগে অনুকৰণ কৰি ব্যায়াম কৰে তাৰ অশুদ্ধ ভংগী আৰু চকু-মুখৰ বিকৃতিয়ে আনন্দময় হাঁহিৰ উদ্ৰেক কৰে। তেওঁ কথমপিহে দমটো বন্ধ কৰি ৰাখে। এটা বিশেষ পাত্ৰত তাৰ শৌচ কৰা নিয়ম। তেতিয়াও সি ককা নীলকণ্ঠকহে মাতে—ককাক নীলকণ্ঠই তাক ধুৱাই পৰিস্কাৰ কৰি দিব লাগে।

নীলকণ্ঠই কাপোৰ ধুলে শিশু প্ৰভাকৰেও কাষত লেপেটা কাঢ়ি ধৰি সক কাপোৰ এখনলৈ পকাত থেকেছি থাকে নতুবা নীলকণ্ঠক অনুকৰণ কৰি সিও কাপোৰখন আছাৰে। নীলকণ্ঠ কলেজলৈ বুলি ওলালে শিশু প্ৰভাকৰে আগবঢ়ি ছাটটোলৈ নওলা মুখত বৈ থাকেগৈ—নীলকণ্ঠৰ পলোৱা পথ ৰুদ্ধ। উপায়হীন হৈ তেওঁ তাক কোলাত তুলি লৈযেই অগ্ৰসৰ হয়। সি কিন্তু কলেজলৈ যোৱা বাটটোও চিনিলৈছে—ইতিমধ্যে। বিপৰীত বা অন্য পথ ললে, মাউতে হাতীৰ মূৰত অংকুশেৰে টানি ধৰাৰ দৰে—সিও ছাটটোৰ দাঙি ডালেৰে কৰাকক টানিব ধৰে। শিশু যেন ভগৱানৰ ছায়া মূৰ্তি, সি সকলো জানে, দেখে, শুনে—তাক প্ৰতাৰণা কৰাৰ অৰ্থ পাপ। কিন্তু তাকতো সদায় কলেজলৈ নিব নোৱাৰি। 'ছাৰ আতিযেক উপাধ্যক্ষ হ'লনেকি? আপোনাৰ অকালপক্ক উপাধ্যক্ষ নাতি। চমৎকাৰ শৰা—হীৰাৰ টুকুৰা হীৰাই—কেতিয়াও কাচ নহয়।' মানুহৰ বৰ প্ৰশংসাক তেওঁ অতিশযোক্তি, অতিৰঞ্জন বুলি বয় অথচ মৰম আৰু আশীৰ্বাদ বুলি ধৰিলৈ মিচিকিযাই হাঁহে মাত্ৰ। তেওঁ তাৰ মংগলকামনা কৰি ভগৱানৰ ওচৰত কৰযোৰে প্ৰাৰ্থনা জনায়। সি নীলকণ্ঠৰ শান্তিৰ নিজৰা।

প্ৰভাকৰ—জীযাৰী পদ্মশ্ৰীৰ প্ৰথম সন্তান। নীলকণ্ঠৰ জোঁৱাই পাৰ্থ প্ৰতিম অসমৰ এজন শ্ৰেষ্ঠ গাযক আৰু জীযাৰীও প্ৰায় সমান প্ৰতিভা থকা গাযিকা আৰু নৃত্য শিল্পী। নীলকণ্ঠই সিহঁতক প্ৰাণভৰি আশীৰ্বাদ দিযে—প্ৰভাকৰৰ দৰেই দীপ্তিম ন হওক সিহঁত।'

সিদিনা ৰাতি পুৱাও প্ৰভাকৰ আহি নীলকণ্ঠৰ কে ঠালিৰ বন্ধ দ্বাৰ উন্মুক্ত কৰি ভিতৰলৈ সোমাই গ'ল, কিন্তু হঠাৎ 'সি ককা, ককা'ক ফেকুৰি কান্দিব ধৰিলে। ৰমা নীলকণ্ঠৰ ভ্ৰাতৃ আৰু পদ্মশ্ৰী দৌৰি আহিল। তাক কোলাত তুলিলৈ সকলোৱে সকলো ঠাইত নীলকণ্ঠক বিচাৰি চালে কিন্তু তেওঁৰ কোনো সন্ধানেই পোৱা নগ'ল। কোঠালিৰ সকলো বস্তুৱেই ঠিকে ঠাকেই আছে—মাত্ৰ কোঠালিৰ অতিথি স্বয়ং

নীলকণ্ঠইহে নাই। সেইখনৰ ওপৰত দলিলৰ দৰে কিবাকিবি কাগজ সযত্নে স্থাপিত হৈ আছে। ৰমা আৰু কমলহঁতে সইবোৰ লৰা-লৰিকৈ পঢ়ি পেলালে। উইল কৰি প্ৰত্যেককেই জমি জুমা, ঘৰবাৰী, টকা পইচা তাত ভাগভাগ কৰি দিয়া আছে। টকা পইচা বুলিবলৈ বৰ বিশেষ একোৱেই নাছিল। ঘৰ-দুৱাৰ বন্ধা জমি জুমা বিনা আৰু সকলো ধৰণৰ সংস্কাৰ কৰ্ম, জাত কৰ্ম আৰু বিভিন্ন সকাম-নিকাম কৰোঁতেই নীলকণ্ঠৰ সুদীৰ্ঘ অৰ্জনৰ প্ৰায় সমস্ত ধনেই শেষহৈ আহিছিল। নীলকণ্ঠৰ ভ্ৰাতৃ আৰু ৰমাৰ মূৰ আচন্দ্ৰাই কৰিলে, তেওঁলোক দুয়ো প্ৰায় অজ্ঞান হৈ পৰি গ'ল। কোঠালিটোত নীলকণ্ঠৰ পৰিধেয় বস্ত্ৰাদি সকলো বস্তুৱেই যথাস্থানত অক্ষত, অলাৰ অচৰহৈ স্থাপিত হৈ আছে যদি তেওঁ জীৱিত আছে—তেনেহলে তেওঁ এক বস্ত্ৰহৈ গৃহত্যাগ কৰিছে। যদি এইটো প্ৰমাণিত নহয় গৈ, তেনেহলে হয়তো প্ৰাণ-ত্যাগেই নিশ্চিত। ৰমা শিলামূৰ্তি হৈ গ'ল। এই বিষয়ে কলেজ কৰ্তৃপক্ষকো যথাবিধি সুদি পঠিওৱা হ'ল।

কলেজৰ পৰা খবৰ আহিল— ফুকন আজি ছয়মাহমান আগৰ পৰাই অধ্যক্ষ পদ ইস্তফা দি এখনৰ পিচত এখনকৈ পুৰা তিনিখন দৰ্খাস্ত দিছিল, কিন্তু কলেজ কৰ্তৃপক্ষই ফুকনৰ অপূৰ্ব কাৰ্য দক্ষতা, এক নিষ্ঠতা, সাধুতা, পৱিত্ৰতা আৰু গভীৰ জ্ঞানৰ বাবে আৰু মহাবিদ্যালয়ৰ স্বৰ্ণময় উজ্জ্বল ভৱিষ্যতৰ নিশ্চিত আশাকৰি তেওঁক এৰি নিদিবলৈ সিদ্ধান্ত কৰি আহিছিল— কোনো ধৰণৰ ওজৰ-আপত্তি নিটিকিছিল। সৰ্বসাধাৰণ বাইজেও একান্ত ভাবে চেষ্টা কৰি ফুকনক কোনোমতে এৰি নিদিছিল। ইমান দিন কৰ্তৃপক্ষ কৃতকাৰ্য হৈ আহিছিল, কিন্তু আজি প্ৰায় একপক্ষমান আগতে তেওঁ কৰ্তৃপক্ষক জনাই দিছে— যে তেওঁ অধ্যক্ষ পদৰ পৰা অব্যাহতি বিচাৰিছে। মহাবিদ্যালয়ক দিবলগীয়া একো নাই। কাম নকৰিলে কৰ্তৃপক্ষই তেওঁক কোনো মতেই জগৰীয়া কৰিব নোৱাৰে। শেষ পৰ্যন্ত বাধ্যত পৰিছে তেওঁৰ

পদত্যাগ পত্ৰ সকলোৰে অনিচ্ছা আৰু বাধা স্বত্তেও গ্ৰহণ কৰিবলগীয়া হ'ল। যোৱাৰ সময়ত তেওঁ কাকো দেখাই নকৰিলে। এনেকি জোৰ কৰিযেই কাকো তেওঁ বিদায় সভাও পাতিবলৈকে নিদিলে। 'জীৱিতাৱস্থাত, প্ৰাপ্যমালা ডালৰ পৰা বঞ্চিত কৰি, জ্বলন্ত চিতাগ্নিত বনৰীয়া ফুল চটিওৱাটো বেতিযাও তেওঁ পচন্দ নকৰে। আমাৰ মহাবিদ্যালয তথা বিদ্বৎমণ্ডলীযে এজন সমন্বয়-সাধক জ্ঞানী ব্যক্তি, এজন সাহিত্য সংস্কৃতি আৰু শিল্পৰ প্ৰকৃত পূজাৰী হেৰুৱালে। এই মহান ক্ষতি চিৰ অনুৰণিত অঞ্চলটোৰ বাবে অপূৰণীয় হৈ থাকি যাব। আপোনাৰ পিতৃ প্ৰতিম অগ্ৰজ য'তেই নাথাকক—ত'তেই যেন তেওঁৰ চিৰকাম্য শান্তিৰণ পাওক তেওঁৰ আজন্ম সাধনাই সিদ্ধি লাভ কৰক। সহস্ৰ সহস্ৰ তেওঁৰ গুণমুগ্ধ জনৰ এযেই আকাঙ্ক্ষা আৰু পৰমেশ্বৰৰ চৰণত আন্তৰিক প্ৰাৰ্থনা। মহাবিদ্যালয়ৰ পৰা তেওঁ কিছু পইচা পাব। ধনখিনি আহিলে নাৰী তথা মাতৃমংগল অনুষ্ঠান এটি প্ৰতিষ্ঠা কৰিবলৈ টকাখিনি যুৱনে দানদিবলৈ লিখি দি গৈছে আৰু সংশ্লিষ্ট সকলোকেই তদনুক্ৰমে আৱশ্যকীয় কৰ্তৃত্ব আৰু পৰামৰ্শ দিছে। পদত্যাগৰ কাৰণটো স্বাস্থ্যজনিত বৈৰাগ্য বুলিযেই উল্লেখ কৰা হৈছে। বৈৰাগ্যোদয়ৰ কিছু পূৰ্বাভাসো পোৱা গৈছিল। তেওঁ বহু সময়তেই নিৰ্বাক নিস্পন্দ, সমাধিস্থবৎ হৈ থাকে, বাহ্যজ্ঞান যেন শূন্য হৈ যায। শাৰীৰিক অৱনতিৰ অৱস্থাটো কাৰো চকুত পৰা ধৰণৰ নাছিল। সকলোৰে মুখত মাত্ৰ এটাই কথা—'এটা সত্য যেন আত্ম গোপন। ক্লাচিকেল পৰম্পৰাৰ সূত্ৰডাল যেন ছিন্নহৈ গ'ল। মহাবাহু ব্ৰহ্মপুত্ৰৰ বক্ষস্থিত—শিলা খণ্ড তেওঁ যেন কঠোৰ তপস্যা-মগ্ন।'

নীলকণ্ঠৰ সংসাৰ-যাত্ৰা হ'ল, গৃহপ্ৰবেশ হ'ল গৃহত্যাগো হ'ল। প্ৰাণত্যাগৰ প্ৰবৃত্তিটোৱে ফুচুলিওৱাৰো সম্ভাৱনা থাকিব পাৰে নেকি বাৰু? নে তেওঁ আৰু কিছু দৃশ্যপট অংকিত হোৱা দেখিব পাৰে বুলি অপেক্ষাই কৰিছে নেকি। ই জানো বান প্ৰস্থীৰ লক্ষণ? সময় জানো হৈছে? জীৱনটো এটা ৰহস্য।

দ্বিতীয় খণ্ডঃ—

পৰ্বঃ-ধৃতবানসি বেদম্‌

এহেজাৰ দেৱ মন্দিৰ বুকুত ধাৰণ কৰা এখনি সৰু চহৰ। প্ৰাতঃ সন্ধ্যা এহেজাৰ ঘণ্টা প্ৰায় একেলগেই বাজে—সৰ্ববাদ্যময়-ঘণ্টা। টোপনি গধুৰবোৰো জাগ্ৰত হ'বলৈ বাধ্য হয়, কিন্তু ন-কইনাৰ নিভাঁজ-মসৃণ শৰীৰ-মনৰ দৰে কোমল শয্যাৰ মোহ আৰু আকৰ্ষণ কোনোমতে ত্যাগ কৰিব নোৱাৰি দুয়ো হাতযোৰ কৰি পালত শম্মেক হ'লেও ঠেকা খুৱাই ৰাখি থৈ যোৱা ভাবে—ভক্তি-প্ৰবণ জনগণ, ভক্তি-প্ৰধান ঠাই, বিবৰ্কতিত ৰতি কৰি (জানো) মুক্তিপন্থা পায়?

সূৰ্য-সুতা-যমভগ্নী পুণ্যতোয়া যমুনা। পাৰৰ সেই শিলটোতে হেনো পৰম পুৰুষ শ্ৰীকৃষ্ণই কেশী দৈত্যক বধ কৰিছিল। তীৰ্থ-যাত্ৰীসকলে তাত পিণ্ডদান কৰে। শিলটোৰ কিছু দূৰত এডুখৰি ঠাই—ঠাই ডোখৰ গছ-গছনিৰে ভৰা—টিলা এটিৰ দৰে। ঠাই ডোখৰৰ প্ৰায় মধ্যস্থলতেই এটি পৰ্ণকুটীৰ। কুটীৰটোক মাজত লৈ সৰু-ডাঙৰ বিভিন্ন ফুলৰ পুলি কিছুমানে আত্মপ্ৰকাশ কৰিছে। ৰাতি পুৱা-গধূলি চহৰৰ মন্দিৰবোৰৰ পৰা বতাহৰ বোকে চাত ভাহি অহা ঘণ্টা ধ্বনিৰ সমান্তৰালত সেই কুটীৰাভ্যন্তৰৰ পৰাও সংগীত-প্ৰবাহ আহে। আন্ধাৰ আধা পোহৰ- ৰহস্যৰ মাজেদি মূৰ্ত হৈ উঠে—নিজস্ব সংগীত। বহু বহু দৰ্শক, শ্ৰোতা, ভক্তাদিৰ সমাবেশ হয়। বিভিন্ন ভাষা-সাহিত্যৰ মিশ্ৰ আধ্যাত্মিক গীত বাদ্যই উপস্থিত লোকক কৌতুহলী কৰি তোলে। ক্ৰমে ক্ৰমে জন সমাগম বৃদ্ধি হয়— আৰু ভিৰৰ সৃষ্টি হয়।

স্বৰ্ণ কাঁটাৰ বেৰৰে আশ্ৰম পৰিবেষ্টিত। গছৰ ডালত বিবিধ চৰায়ে আপোন মনে গুৰুলা সংগীতৰ ঐক্যতান বাদনৰ সূত্ৰধৰে।

বিহংগ কাকলিৰ এই অভিনৱ মূৰ্ছনাই তাহানিৰ কণ্ব-মৰীচি আদি ঋষিৰ তপোবনলৈ সকলো শ্ৰোতা-দৰ্শককেই যেন স্মৃতি জাগৰিত কৰি, আকৰ্ষণ কৰি লৈ যায়। আশ্ৰমৰ চেহাৰা বা আকৃতিত শিশুৰ শৰীৰ-শ্ৰী-প্ৰকৃতি বা অন্তৰ্দৰ্শনত বিদগ্ধ জ্ঞানৰ স্ফুৰণ। কুটীৰ বক্ষৰ পৰা শংকৰ-মাধৱ মহাপুৰুষ দুজনাৰ বৰগীতৰ সুললিত সুৰ তাহিঁ আছে, দাস্য-ভক্তিৰ সুৰ।

মাজে মাজে মধুৰ ভক্তিৰ সুৰে ভক্ত-শ্ৰোতাক কিছু অনুসন্ধিৎসু কৰি তোলে। ৰাধাৰ অভিসাৰত বিদ্যাপতিৰ বৈষ্ণৱ পদাৱলী আদিৰ পৰকীয়া প্ৰীতিৰ সুৰটো প্ৰকট হৈছে—'ৰা'-ধাতুত বিশ্ব-সৃষ্টিৰ আভাস—সহজীয়া প্ৰীতিৰ আভাস। কামৰূপী লোকগীত, গোৱালপৰীয়া লোকগীত আদি দৈনিক নিয়মিতভাৱেই গোৱা হয়। লাহে লাহে দিনদিনে ভক্তবৃন্দৰ বিপুল সমাৱেশে এটা অভূতপূৰ্ব আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি কৰি তুলিলে আৰু আশ্ৰমখন এখন জ্ঞান-বিজ্ঞান চৰ্চাৰ কেন্দ্ৰ হৈ পৰিল। ভক্তবৃন্দৰ ঐকান্তিক ইচ্ছা-আকাঙ্ক্ষাক কেন্দ্ৰ কৰি নিত্য হোম আৰু যাগ-যজ্ঞৰো অনুষ্ঠানৰো আৰম্ভ কৰি দিয়া হ'ল। নিতে নিতে সহস্ৰাধিক জনতাৰ বাবে আশ্ৰমাধিপতি সন্ন্যাসীৰ ঈশ্বৰতত্ত্ব, ভক্তিতত্ত্ব, গীতাৰ ব্যাখ্যা—বিশেষকৈ কৰ্মযোগৰ প্ৰাঞ্জল ব্যাখ্যা, একশৰণ নামধৰ্ম, দাস্যভক্তি, ৰাধা কৃষ্ণৰ যুগল মিলন জনিত যুগ্ম-ভক্তিৰ পাৰমাৰ্থিক ব্যাখ্যা, অসমীয়া সাহিত্য, ভাৰতীয় বৈষ্ণৱ ধৰ্ম, অসমীয়া মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্ম, বেদৰ ছন্দনাম-বিজ্ঞান, সন্ধ্যা গায়ত্ৰী আদিৰ বৈজ্ঞানিক ভিত্তি, অসমীয়া সংস্কৃতিৰ স্বৰূপ, ভাৰতীয় সমন্বয়-সংস্কৃতি, আৰ্থ-সামাজিক বিৱৰ্তন—এনেকি ৰাজনীতিৰ স্বৰূপ পৰম্পৰা আদি বিভিন্ন বিষয়ৰ তত্ত্ব-মধুৰ আলোচনাৰ কেন্দ্ৰ হৈ পৰিল—সেই নবনিৰ্মিত আশ্ৰম। ভক্তবৃন্দ, আশ্ৰমানুৰাগী বৃন্দ আদিৰ আন্তৰিক আৰু ঐকান্তিক চেষ্টাত আশ্ৰমে

শুনিব পৰা শব্দ-চালন বেতাঁৰ যন্ত্ৰ চাবিটো চুকতেই পতা হ'ল। অযাচিতভাৱে শ্ৰোতা, দৰ্শক আৰু ভক্তবৃন্দৰ পৰা অহা দান বৰ-ডণিৰ এটি কৰ্পদকো আশ্ৰমাধিকাৰী সন্ন্যাসীয়ে গ্ৰহণ নকৰিলে। বৰং তেওঁ তাৰ পৰিবৰ্তে এইদৰে অনুৰোধ জনাইছিল—,শ্ৰদ্ধেয় বিদ্যাৱৎ মণ্ডলী আৰু সুধীবৃন্দ। আপোনালোকে যদি এই অধমক চিৰকৃতজ্ঞ আৰু বাধিত কৰিব খুজিছে, তেনেহলে আশ্ৰমৰ সামগ্ৰীক উন্নয়ণৰ বাবে—অৰ্থাৎ শিক্ষা-সংস্কৃতি-জ্ঞান-বিজ্ঞান আদিৰ প্ৰচাৰৰ অৰ্থে পাৰিলে হাতে-কামে কিবা কৰি দিয়ক। বিশেষকৈ বিভিন্ন ধৰণৰ গ্ৰন্থৰ আশ্ৰমলৈ দিয়া দানেই ভিক্ষা হিচাপে বিচৰা হৈছে। বিভিন্ন সাহিত্য-সংস্কৃতি-ভাষা আৰু ধৰ্মৰ এই আশ্ৰম এখনি সমন্বয় কেন্দ্ৰ। এই সকলো বিষয়কেই ইয়াত যথাযথ শিক্ষা দিয়া হয়। বিভিন্ন পৰ্যায়ত ইয়াত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰো শিক্ষা দিয়াৰ আয়োজন কৰা হৈছে। এই বিষয়ে ইতিমধ্যে বহু অগ্ৰসৰো হোৱা গৈছে। ইয়াত এই শিক্ষা গ্ৰহণটোৱেই আপোনালোকৰ আটাইতকৈ উদাৰ আৰু মহান সহযোগ, কৰ্তব্য সম্পাদন আৰু দানৰ পৰিচয় হব বুলি ভাবোঁ।।'

চহৰখনৰ বিশ্ববিদ্যালয়ত ভাৰতীয় বৈষ্ণৱ ধৰ্মৰ গৱেষণা হয়। লাহে লাহে সেই গৱেষণাৰ সূত্ৰ ধৰোতাসকলৰ এই আশ্ৰমতো সমাৱেশ হবলৈ ধৰিলে। প্ৰকৃত পক্ষে আশ্ৰমখন এখন গৱেষণা কেন্দ্ৰ বা জ্ঞান নিকেতন হৈ পৰিল। আশ্ৰমত সমন্বয় আৰু শান্তিৰ শীতল প্ৰবাহ বলিবলৈ ধৰিলে, সকলোৱেই মন-প্ৰাণ-চিত্ত-আত্মা যেন কৰ্মযোগী হিচাপে অভিসিক্ত হৈ পৰিল—ই সকলোকেই প্ৰভাৱান্বিত কৰি পেলালে—সকলোৱেই অন্তৰ স্পৰ্শ কৰিলে। আশ্ৰমলৈ শিক্ষিত-অশিক্ষিত, বিদ্বান-পণ্ডিত, জ্ঞানী-অজ্ঞানী—আদি সকলো ধৰণৰ মানুহৰ সোঁত ববলৈ ধৰিলে। বহুতেই আশ্ৰমাধিপতি

'দীক্ষা দিয়া বস্তু নহয়—ই লোৱা বস্তু। ইয়াক অন্তৰাত্মাই আৱাহন কৰে—ই বাহিৰৰ পৰা জাপি দিয়া বস্তু নহয়। প্ৰকৃততে দীক্ষাৰ গুহ্যমন্ত্ৰ একো নাই, গূঢ়াৰ্থও একো নাই। সৎচিন্তা, সৎকৰ্ম্ম, সদাচৰণ আৰু পৱিত্ৰ জ্ঞানৰ স্বেচ্ছা প্ৰণোদিত সক্ৰিয় সাৰ গ্ৰহণেই প্ৰকৃতাৰ্থত দীক্ষা। এয়েই তত্ত্বময় দীক্ষাৰ স্বৰূপ।

সৎকৰ্ম মানৱ-সেৱা, শৰীৰ-মন-আত্মাৰ পৱিত্ৰ আচৰণ আৰু একপ্ৰকাৰ ত্যাগেই দীক্ষা মন্ত্ৰৰ বাহ্যিক আচৰণ বুলিব পাৰি। প্ৰাণ পৰ্য্যন্ত জীৱনৰ সৰ্বস্ব ত্যাগেই যদি স্বদেশ, স্বজাতিৰ মংগল সাধন কৰিব পাৰে—তেনেহলে এই হেন ত্যাগেই সৰ্বোত্তম দীক্ষা মন্ত্ৰ। এই উপদেশৰ উপৰিও তেওঁ দীক্ষা প্ৰাৰ্থীৰ প্ৰতি মন্তব্য সূচক উক্তি কৰি কৈছিল—যে এই পৃথিৱীত দীক্ষা দিয়াৰ অধিকাৰ হয়তো কাৰোৰেই নাই, কিন্তু স্ব-প্ৰণোদিত হৈ দীক্ষা লোৱাৰ অধিকাৰ নিঃসন্দেহে সকলোৰেই আছে—অৰ্থাৎ গুৰু হোৱাৰ অধিকাৰ কাৰো-ৰেই নাই হয়তো। কিন্তু একলব্যৰ পদ্ধতিৰে গুৰু-গ্ৰহণ কৰা বা ছাত্ৰ বা শিষ্য হোৱাৰ অধিকাৰটো সকলোৰেই আছে। আমি সক-লোৰেই অনন্ত-জ্ঞান পিয়াসী ছাত্ৰ। আমি আমৰণ—বাণী সাধক, সদা-সৰ্বাতকালেই আমিবোৰ শিষ্য-প্ৰশিষ্য হে।'

সন্ন্যাসীৰ পৰিধেয় বস্ত্ৰও তাৎপৰ্য্যময়। শৰীৰৰ মধ্যাংশৰ পৰিধেয় ধুতিখন—গেৰুৱা বৰণৰ, গাত্ৰবস্ত্ৰ-উত্তৰীয়-খণ্ড-তুষাৰ ধৱল, দাৰু-নিৰ্মিত পাদুকাদ্বয়ো পাদ-কবচৰূপে সমস্ত শৰীৰক ধাৰণ কৰিছে, শিৰস্ত্ৰাণ বা বগা পাগুৰীটো যেন শুভ্ৰ মেঘৰ বেষ্টনী হে, পৰ্জ্জন্যৰ দৰে ই যেন জ্ঞানামৃত-সঞ্চাৰ কৰে। এনেকি ছাটি টাৰ কাপোৰখনো শুধ বগা বৰণৰ—ই যেন শান্তিৰ শীতল ছায়া প্ৰদায়িনী শক্তি-সংসাৰ নিদাঘৰ দহন-তাপ নিবাৰণী শক্তি। মধ্যদেহ আবৃত কৰা গেৰুৱা বৰণৰ অম্বৰখনে যেন সংসাৰ-বিষয়-বাসনাক ত্যাগমন্ত্ৰ দি পৱিত্ৰতা আৰু শান্তিৰ প্ৰতিষ্ঠাহে কৰিছে! কোনোবাই এই বিষয়ে

প্ৰশ্ন কৰিলে তেওঁ, সন্ন্যাসীৰ পৰা ইংগিত ব্যতি'ৰেক কোনো ব্যাখ্যা নাপায়। 'আমি সংকল্প আৰু বিশ্বাসৰ আশ্ৰয় প্ৰাৰ্থী'—তেওঁ উক্তি কৰে।'

জুপুৰীটোৰ কেঁচা মাটিৰ মজিয়াখন হলাকৰ্ষিত ক্ষেত্ৰ তুল্য ন্যূনাধিক্য মৃত্তিকাৰ দোমৰ অবিন্যস্ত আৰু আওগৰীয়া। তেওঁৰ ভূমি-শয্যা ইয়াতেই ৰচিত।

মজিয়াৰ সৰুবৰ চপৰাবোৰৰ ওপৰত ধাৰ থকা পাতৰ বহল বিৰিণাৰধাৰি এখনেই সন্ন্যাসীৰ শয্যা ৰচনা কৰিছে। মূৰৰ তলত লবলৈ গাৰু বুলিবলৈ প্ৰায় একোৱেই নাই। জাবজহতো গাতলবলৈ বিশেষ পৃথক কোনো কাপোৰ নাই বুলিলেই হয়। মাত্ৰ চপৰাৰ ওপৰত পাৰিথোৱা শুদা ঢাৰিখনৰ ওপৰত এখন কম্বল, এখন পাতল বগা ছাদৰ। টোপনিত বাগৰ সলাই ইকাতি সিকাতি কৰিলে, বিৰিণাৰ বিচনাই থেৰা- ৰবাকৈ গা-কাটি পেলায়। পাঠ দিব নোৱাৰা শিষ্যৰ শৰীৰত ওজাদেউৰ চেকনিৰ কোবৰ কটা দাগবোৰ কাৰ্বাঙ্কল্ ঘাৰদৰে পুৱাৰ পোহৰত সন্ন্যাসীৰ অপৰাধী (?) শৰীৰত জিলিকি উঠে—ওজাদেউ আৰু ছাত্ৰৰ মাজৰ অন্তৰ্দ্বন্দ্বৰ দৰেই। ভক্ত সন্ন্যাসী বা আন কোনোৱে এইবোৰৰ কাৰণ সুধিলে তেওঁ ৰহস্যৰহে ইংগিত কৰে—'মানৱ জাতিটোৱে যুগ যুগান্তৰ নিজকে ইতৰ পশু-পক্ষী আদতকৈ সৰ্বোত্তম্ বা 'চুপ্ৰিমবিং' বুলি জাহিৰ কৰি আহিছে। কুৰি শতিকাৰ বিজ্ঞানৰ প্ৰভাৱ হয়তো পশু-পক্ষীৰ অন্তঃসত্তাটোতো পৰিছে, সেয়ে সিহঁত মানৱ জাতিৰ এই অহমিকাৰ বঢ়াইটোত ক্ষুণ্ণহৈ ইতিকিং কৰি তাক অস্বীকাৰ কৰিছে। মানুহ এজন দেখিলে ক্ষত্ৰিয়, শূদ্ৰাদি কাউৰীয়ে বেকৃবেকায়, খুটিয়ায়, পিছে পিছে খেদি যায়। ব্ৰাহ্মণ কাউৰীয়ে তাৰ সন্মুখত বহি ভবিতব্যৰ কথা কয়। মানুহ দেখা মাত্ৰেই কুকুৰে ভুকে। ৰাতি বিচৰণৰ অৰ্থ—মানুহৰ বাবে অনধিকাৰ প্ৰৱেশ। প্ৰেতযোনীয়ে দিনত বিচৰণ কৰি অনধিকাৰ চৰ্চ্চা কৰে। ৰাত্ৰি

বিচৰণত মানুহৰ দংশন-সংশয় বৰ্তমান। কাউৰী কুকুৰবো ব্ৰহ্মজ্ঞান হয়তো আছে। এই যুগটোত জীৱশ্ৰেষ্ঠ (?) মানৱ জাতিৰ প্ৰতি সকলো কালৰ পৰাই এটা অৰ্থপূৰ্ণ প্ৰত্যাহ্বান আহিছে। পচান্নৈৰে ভাগৰ অৱনতিৰ বিপৰীতে পাঁচ ভাগৰ উন্নতিটো প্ৰলয়বানৰ বিপদ সীমাত চিহ্নিত হৈ থকাৰেই কথা।'

আশ্ৰমত নাৰীৰ প্ৰৱেশ নাছিল বুলিলেই হয়। সন্ন্যাসীয়ে কয় আশ্ৰম—সাধনা-তপস্যাৰ নিকেতন। সকলো নাৰীয়েই ইয়াৰ সহযোগী হবলৈ হয়তো অপাৰগা। অথচ একেখন ব্ৰহ্ম সাধনা মুখৰিত গৃহাশ্ৰমতেই ব্ৰহ্মবাদিনী মৈত্ৰেয়ীৰ লগতে ঘোৰ সংসাৰাভিলাসিনী কাত্যায়নীয়েও বাসকৰে। যাজ্ঞবল্ক্যৰ ব্ৰহ্মজ্ঞানৰ বাবে তেওঁ লালায়িত নহয়-কহল। 'অৰ্থ'তেই তেওঁৰ যেন অমৃতত্ব নিহিত হৈ আছে। সকলো নাৰীয়েই অৱশ্যে সৰ্বস্বত্যাগী মৈত্ৰেয়ী হলেও সংসাৰ নৰ্কে। 'গীতা' ধৰ্ম প্ৰধান হলেও গীতা পঢ়া বা গীতাজ্ঞান লাভৰ খুবেছি সাৰ্থকতা এটাও নাৰীৰ ক্ষেত্ৰত নাই যেন লাগে। কাত্যায়নীৰ সহাবস্থান'টোও প্ৰশংসনীয় নহৈ নোৱাৰে।

জুইৰ বাষত ঘিউ গলে—নগলিলে খাঁটি ঘিউ নহয় বুলিও মানুহে কব খোজে—খোজাটো স্বাভাৱিক। গতিকে জুই-ঘিউ—পৰস্পৰৰ মাজত ব্যৱধান থকাটোৱেই সাধাৰণ ভাবে বিধেয়। কিন্তু খাঁটি ঘিউ আৰু দাৰু-অগ্নিৰ সংশ্ৰৱ আৰু সহযোগতহে জগৎ সৃষ্টিকৰী, পৰ্জ্জন্য সৃষ্টিকাৰী, অন্ন-সৃষ্টিকাৰী, ভূত সৃষ্টিকাৰী যজ্ঞ অনুষ্ঠিত হয়। সৰ্বশোষ্য বহ্নি সৱাকো শোষে তথাপি তাংক নোচোৱে দোষে।' কিন্তু ইতৰ নৰনাৰী সেই পৱিত্ৰ জুইকুৰা হব নোৱাৰে। উপমাটোৱে ঐশ্বৰিক শক্তিবহে ইংগিত কৰে। নহলে মহাপাপ পংকিল ব্যভিচাৰী নৰ-নাৰীৰ নামো ঈশ্বৰ-ঈশ্বৰী হৈ যাব। অৱশ্যে এইটোও স্বীকাৰ্য যে নাৰী সাধনা-তপস্যাদিৰ সম্পূৰ্ণৰূপেই অধিকাৰিণী—যদি তেওঁ আনৰ আৰু নিজৰো বাটত নিজেই হেঙাৰ হৈ নাযায়। উপাই জানো কঠোৰ

তপস্যা কৰা নাছিল ? বাটৰ হেঙাৰক জানো ভস্মীভূত কৰিবলৈ উদ্যতা হোৱা নাছিল্ ? হেঙাৰ জানো তিষ্ঠিল ? নাৰীৰ এই চামুণ্ডা তপস্যাইহে— লম্পট কামী পুৰুষৰ আসুৰিক শক্তিৰ যুগে যুগেই বিনাশ সাধন কৰি আহিছে।'

আশ্ৰম-ধৰ্ম পালনৰ ক্ষেত্ৰত—বিশেষ ভাবে মাতৃ আৰু ভগ্নী স্থানীয়াবোৰৰ পক্ষৰ পৰা অতি আন্তৰিকতাপূৰ্ণ আৰু শক্তিশালী আবেদন আহিবলৈ ধৰিলে। কিযনো, ইতিমধ্যেই এই পবিত্ৰ আশ্ৰমৰ ধৰ্ম, আদৰ্শ আৰু গাম্ভীৰ্যৰ স্বৰূপটো চাৰিওফালে উদ্ভাসিত হৈ উঠিছিল। আশ্ৰমৰ বহুব্যাপ্ত প্ৰশংসা শুনি-শুনি সহস্ৰ সহস্ৰজন মুগ্ধ আৰু আকৰ্ষিত হৈ পৰিছিল। দলে দলে নাৰী সমাজৰ বহুতেই আশ্ৰমৰ পৰ্য্যন্ত ভিৰৰ সৃষ্টি কৰিছিল। 'আমাক আশ্ৰমত প্ৰৱেশ কৰিবলৈ অধিকাৰ দিয়ক, আমাক আশ্ৰম ধৰ্ম গ্ৰহণৰ পৰা বঞ্চিতা নকৰিব অমৃত পানৰ সুযোগ দিয়ক। দেশ আৰু স্বামীজীৰ মহান ব্যক্তিত্বৰ সেৱা কৰিবলৈ সুযোগ দিয়ক। মাতৃ সকলক—ভগ্নী সকলক পৱিত্ৰ কৰ্মত ব্ৰতাচাৰিণী কৰক। বিষ্ণুযেও মা লক্ষ্মীৰ সেৱা বিচাৰে, ভক্ত-ভক্তাৰ সেৱা বিচাৰে। এযেইতো নাৰীৰ পৰম ধৰ্ম। সহস্ৰ পুৰুষৰ সেৱাও এক নাৰীৰ সেৱাৰ তুল্য হব নোৱাৰে। ভাৰতীয় নাৰীৰ জানো এযেই আদৰ্শ নহয়। এই পৱিত্ৰ কৰ্ম আৰু জ্ঞানৰ পৰা বঞ্চিতা হৈহে হয়তো বহুনাৰী ভ্ৰষ্টাচাৰত প্ৰবৃত্তা হয়।' এইদৰে আশ্ৰমৰ যাৱতীয় কৰ্মত সক্ৰিয় অংশ গ্ৰহণ কৰিবলৈ তেওঁলোকে আবেদনৰ উপৰি আবেদন জনালে। তেওঁলোকে বিপুল আৰু জোৰ জনমতৰ সৃষ্টি কৰি অৱশেষত সাফল্য লাভ কৰিলে। আশ্ৰমবাসী আৰু আন সকলোৰে নেৰানেপেৰা চেষ্টাত আশ্ৰমৰ প্ৰৱেশ-দ্বাৰ নাৰীৰ বাবেও উন্মুক্তহৈ গৈছিল। অগণন্ ভগ্নী, মাতৃ আৰু গৃহলক্ষ্মী গৃহিণীৰ পদধূলিৰে আশ্ৰমৰ মাটি গংগা-মৃত্তিকাত পৰিণতহৈ গ'ল। আশ্ৰমখন মহামিলনৰ ধৰ্মক্ষেত্ৰহৈ পৰিল—এখন যেন তীৰ্থস্থানহৈ পৰিল।

ইতিমধ্যে আশ্রমত বিদ্যোৎসাহী, সুধীজন আৰু সদাশয় বহু ব্যক্তিৰ সহায়ত সুবৃহৎ গ্ৰন্থাগাৰ এটি গঢ়ি উঠিছিল। গ্ৰন্থাগাৰৰ অধ্যয়ন কক্ষত ভাগে ভাগে নিয়মিত ৰূপে ভিন্ন ভিন্ন বিষয় অধ্যয়ন কৰা হৈছিল। বিশেষ বিশেষ বিষয়ত বিদ্বান, উচ্চ অৰ্হতা প্ৰাপ্ত আৰু দক্ষ ব্যক্তিৰ দ্বাৰা সেইবোৰ নিয়মিত ৰূপে আগ্ৰহী শিক্ষাৰ্থীক পঢ়োৱা হৈছিল। সন্ন্যাসী নিজেই গভীৰ গৱেষণাত নিমগ্ন হৈ পৰিছিল। সাহিত্য-সংস্কৃতি বিষয়ৰ গভীৰ গৱেষণাৰ সাৰমৰ্মবোৰ সৰু সৰু পুস্তিকাৰ আকাৰত ভক্ত-সুধীবৃন্দৰ দ্বাৰা বহুল প্ৰচাৰিত হৈছিল। পুৰণি ধোঁৱাচাঙত উইলিৰ ধৰা অসমীয়া সাহিত্য-সংস্কৃতিৰ বহু ভাণ্ডাৰবোৰে মুক্ত শ্বাস পাইছিল, সিহঁতে সন্ন্যাসীৰ ওচৰত মুক্ত আৰু প্ৰাণ সঞ্চাৰী পোহৰ বিচাৰিছিল।

আশ্ৰমত দিনে চাৰি ঘণ্টা সময় দেশ-ভক্তিমূলক আৰু ধৰ্মালোচনী সভাত আধুনিক বা নব্য ভাৰতীয় আৰ্য ভাষাৰো বিশেষ আলোচনা হৈছিল। ৰাতি পুৱা আঠ বজাৰ পৰা দুপৰীয়া বাৰ বজালৈকে এই চাৰি ঘণ্টা সময় সন্ন্যাসীয়ে মুকলি সভাত সহস্ৰ সহস্ৰ পুৰুষ মহিলাৰ সন্মুখত তেওঁৰ সুশ্ৰাব্য, সুললিত, সুমধুৰ আৰু গভীৰ জ্ঞান-গৰ্ভ-বক্তৃতা সদায় নিয়ামত ভাবেই দিবলগীয়া হৈছিল—ৰাইজৰ একান্ত অনুৰোধত। সন্ন্যাসীৰ বক্তৃতাত ৰসৰ অন্তঃসলিলা-ফল্গু প্ৰবাহিত হৈ থকা সময়ত বহুত মাতৃ ভগ্নী, আৰু গৃহ লক্ষ্মীৰ--এনেকি বহুপুৰুষৰো গোপন অশ্ৰু অজ্ঞাত সাৰেই সৰি পৰিছিল। কিমান ভক্তি প্ৰাণ পুৰুষ মহিলা যে মুদ্ৰিত-নয়ন অৱস্থাত সমাধিস্থবৎ হৈ পৰিছিল। কিমান পাণ্ডিত্যাভি মানীয়ে যে—বিস্ময়-বিমুগ্ধ, বিস্ফাৰিত-নয়ন আৰু তন্ময় হৈ এই অজ্ঞাত সন্ন্যাসীজনলৈ স্থাণুবৎ চাই আছিল তাৰ কোনো লেখ নাছিল।

শিৱানন্দ সন্ন্যাসীৰ আশ্ৰমৰ গৌৰৱো উজ্বল আদৰ্শ প্ৰতিষ্ঠাৰ

কথা ওচৰ-পাঁজৰৰ নগৰ-চহৰবোৰতো বৈ বৈ ফুটি ফাট গ'ল। নাৰী-পুৰুষৰ সমানেই এই জ্ঞান আৰু আনন্দ-পীঠলৈ ধাব ধৰিলে। এদিন ভক্তা গোপিনীৰ ধাব বৈছিল— তাহানিৰ সেই বিপিন-বিহাৰীৰ বৃন্দাবনলৈ। ঋষিবোৰৰ কাত্যায়নীব্ৰতৰ পূৰ্ণ সফলতা লাভ হৈছিল। আজি ভোগাসক্ত নৰ-নাৰী ধাৱিত হৈছে শিৱানন্দ সন্ন্যাসীৰ আনন্দ-পীঠলৈ— জ্ঞান আৰু মুক্তি কামনাৰে। এদিন আগলৈ গোপিনী ধাৱিতা হৈছিল সংগ লিপ্সা কামনালৈ। আজি কলিকালত ইয়ালৈ অগণন নৰ-নাৰী ধাৱিত হৈছে,—কামনাবোৰৰ এক দিশলৈ এৰি বৈ। মহাযুদ্ধৰ মোৰেও সেইলোকক মোহ-মুদ্গৰ শাসিত কৰিব নোৱাৰিলে। এদিন প্ৰতীক ৰূপত জীৱাত্মাবোৰ পৰমাত্মাৰ ওচৰলৈ ধাৱিত হৈছিল— যি দৰে সাগৰৰ বুকুত মিলিবলৈ নদীবোৰে দুবাৰ বাধা অতিক্ৰম কৰি কুল-বল ভাঙি বৈ যায়। শ্ৰীকৃষ্ণ কানাইৰ বাঁহীৰ সুৰ টো পৰমাত্মাৰ সনাতন সুৰ - যথানদীনাং বহবোহম্বু বেগাঃ সমুদ্ৰমেবাভিমুখা দ্ৰৱন্তি ' আজি অগণন নৰ-নাৰী জ্ঞানানন্দ-পীঠলৈ ধাৱিত হৈছে—কিহৰ আশাত? জ্ঞানানন্দ লাভ? নে বৈৰাগ্য জনিত আত্মোপলব্ধিৰ নিস্পৃহ হতাহ? কোনোবা কৌতুহলী মনৰ তামচা চোৱাৰ উদগ্ৰীৱ বাসনাটোও হয়তো কাৰোবাৰ সংগী হৈছে নেকি শিৱানন্দৰ আনন্দপীঠলৈ? দুৰ্বোধ্য মানৱ মন, পদ্মপত্ৰ স্থিত জলবিন্দুবৎ চিৰ-চঞ্চল, চিৰ অস্থিৰ, চিৰ বাতাহত—অথবা ই যেন অশ্বথ পত্ৰ, নতুবা এটি বাটৰ দাঁতিৰ কচুৰ পাত। অথচ ক্ষন্তেক উজ্জ্বল এই বৰদ-মন, ক্ষন্তেক আশ্ৰয় প্ৰাৰ্থী--এই যাযাবৰ মনো।

শিৱানন্দ সন্ন্যাসীৰ বক্তৃতা সভাত আজি কালি প্ৰায় পুৰুষ নাৰীৰ সমান ভিৰ। সকলোৱে অনিমেষ নেত্ৰে—একে ধ্যানে সন্ন্যাসীৰ পাণ্ডিত্য পূৰ্ণ বক্তৃতা শুনে, কিন্তু সন্ন্যাসীৰ পূৰ্ণ-চাক্ষুষ দৃষ্টি আকৰ্ষণ কৰিবলৈ আজি পৰ্যন্ত কোনোৱেই সক্ষম হোৱা

নাই। বেছি ভাগ সময় তেওঁ মুদ্ৰিত নয়নে অথবা নভোমণ্ডলৰ বিশাল বক্ষলৈ দৃষ্টি নিক্ষেপ কৰিহে ভাব ৰাশি ব্যক্ত কৰিছিল। বক্তৃতা-মঞ্চত এইজনা তপস্বী সন্ন্যাসীয়—স্থান-কাল-পাত্ৰৰ কথা বিস্মৃত হৈ গৈছিল, কোনো কৃত্ৰিম ভাৱেই কিন্তু বক্তব্যক প্ৰ নিময বা কক্ষচ্যুত কৰি তুলিব নোৱাৰিছিল। শ্ৰোতৃ মণ্ডলীৰ ভিতৰত হয়তো এনে মানুহো আছিল যিবোৰ সন্ন্যাসীৰ এই ঠাৰ বা 'ঝচ্‌ৰ্‌তো খুব বেছি এটা অৰ্থবহ নহয় বুলি পচন্দ কৰিবলৈ সাজু নাছিল। কোনো ৰমণীয়ও হয়তো এনেমত পোষণ কৰিছিল। কোনোবা অভিমানিনীৰ ভেমটোৱে হয়তো সন্ন্যাসীৰ দৃষ্টিক ক্ষুদ্ৰ গণ্ডীৰ কাৰাগাৰত অৱৰুদ্ধ কৰিবলৈ ব্যৰ্থ মানোৰথ হৈছিল— তেওঁৰ শত চেষ্টা বিফল গৈছিল। 'যুগ যুগ উৰ্বশীবোৰে বহু সব্যসাচীৰ ধ্যান ভংগ কৰিবলৈ গৈ অক্ষমা বুলি নিজকেই প্ৰমাণিত কৰিছিল— কিন্তু অৰ্জুনবোৰৰ একনিষ্ঠতাক পংগুত্ব নাম দিবলৈ সক্ষম হৈছিল। অৰ্জুনবোৰৰ কঠোৰ ব্ৰত, সাধনা, একনিষ্ঠ, তপস্যাদিক ভুলাচনীৰ বাতি দুটাতে উঠা-নমা কৰাবলৈও সক্ষমা হৈছিল। জীৱনৰ স্বৰূপটোৱেইতো এনে-ক্ৰুৰ', ৰঙীন-কলা আৰু বগা ৰং দুটাই স্পষ্ট। ক'লা ৰংটোত মুকুতা মালা চেৰাই গলেও—জিলিকিহে উঠে— মুক্তাবোৰ বগা কাৰণে। আন্ধাৰ আৰু পোহৰৰ দুয়ো দুয়োকো স্পষ্টহে কৰে।

শংকৰ, বুদ্ধ, যীচু, মহাত্মাদি Dimond of the first water. আত্মাবোৰ জ্বলে। আত্মা কুসুম-কোমল, শৰীৰটো সবাতোকৈ এডোখৰ টান মাটি, তাকেই কিন্তু অজ্ঞান আৰু হিংসাৰ গজালে বিন্ধে। আত্মাক কেনেকৈ গজালে ভেদ কৰিব? কেনেকৈ মৃত্যু-যন্ত্ৰণা দিব? সেই বাবেই আত্মা সদায় হাঁহি মুখ। সেই আত্মাই মৃত-শৰৰ গলিত-দুৰ্গন্ধ কাটোৰ ভিতৰত সোমাইহে পৰদুঃখ অনুভৱ কৰে। 'বুলেটবোৰত ৰাম নাম সত্য হয়, বিষ-পাত্ৰ অমৃত পূৰ্ণ হৈ যায়—শিৱানন্দই কয়।

পৰ্ব:- মেঘে-ঢকা তৰাৰ লাস্য ??

মহামূল্য বস্ত্ৰালংকাৰেৰে চকুত চমক লগোৱা সাজে সাজি সিদিনা এগৰাকী দিপলিপ্ ৰূপহী কন্যা সন্ন্যাসীৰ বক্তৃতা শুনিবলৈ আহি তিৰোতা মানুহৰ আগ শাৰীতেই বহিলহি। সভাত বক্তৃতাৰত সন্ন্যাসীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ ৰূপহী গৰাকীয়ে নানা ধৰণে ভাব-ভংগী দি চঞ্চলতা প্ৰকাশ কৰিবলৈ ধৰিলে। চঞ্চলতাৰ মাত্ৰাধিক আতিশয্যই সভাত উপস্থিত বহু পুৰুষ নাৰীৰেই বিতুষ্ট কৰি তুলিলে। কিন্তু ৰূপহী গৰাকী ইমানেই অপৰূপ সৌন্দৰ্য্যৰ অধি-কাৰিণী আছিল যে—বহুতো দৰ্শক-শ্ৰোতাই অমৃত বৰষা বক্তৃতাৰ প্ৰতিও অমনোযোগী হৈ পৰি, তাৰ পৰা চকু ফিৰাই, প্ৰগলভা ৰমণী-গৰাকীৰ অপলক নয়ন স্থাপিত কৰি ৰাখিছিল। মোহিনী-ৰূপৰ চিকমিকনিত যোগশ্বৰ তাৰো ৰতুল-প্ৰায় হৈ গৈছিল। সাধাৰণজনে সহ্য কৰাটো মুখৰ কথা নহয়। এটা অস্বাভাৱিক গুণ গুণনিৰ আলোড়নে সভাস্থলীৰ সুদৃঢ় নিয়মানুবৰ্ত্তিতাৰ ভেটিটোক কম্-জোৰ কৰি দিলে। প্ৰতিবাদৰ মৌনী দাবীটো লাহে লাহে সৰৱ হৈ উঠিল। ই সন্ন্যাসীৰ বাবে অপমানজনক তীব্ৰাঘাত। তেওঁ চকু উন্মীলিত কৰি ৰূপহীলৈ এনে দৃষ্টি নিক্ষেপ কৰিলে—যি দৃষ্টিত এদিন ৰতি-পতি ভস্মস্তূপত পৰিণত হৈ গৈছিল। সভাত উপস্থিত সুধীবৃন্দক কৰযোৰে প্ৰণাম কৰি সেই মুহূৰ্ত্তেই তেওঁ সকলোৰে পৰা বিদায় লৈ সভা ত্যাগ কৰি গুচি গৈছিল। সভাৰ পৰা উঠি আহি সন্ন্যাসী লগে লগেই পদ্মাসন কৰি ধ্যানস্থ হৈ পৰিল। তেওঁ সময়ৰ সম্যক জ্ঞান হেৰুৱাই পেলাইছিল।

সন্ন্যাসী সভা ত্যাগ কৰাৰ লগে লগে সভাৰ পুৰুষ-নাৰী সকলোৱেই ৰূপহীক যে হাতে চুই নামাৰিলে—এয়ে তেওঁৰ আত্মাৰ প্ৰবোধ আৰু শান্তি হ'ল। কিন্তু সন্ন্যাসীৰ অগ্নি উদগীৰণ কৰা দৃষ্টিৰ বিদ্যুৎ প্ৰবাহে ৰূপহীৰ সমস্ত শৰীৰ আৰু আত্মাত এক

অভিনৱ প্ৰচণ্ড প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে। তেওঁৰ শৰীৰত যেন প্ৰচণ্ড-বজ্ৰপাত হ'ল। বতাহত কদলী বা অশ্বত্থ বৃক্ষৰ পাতৰ দৰে তেওঁৰ প্ৰগলভ শৰীৰ মন প্ৰকম্পিত হবলৈ ধৰিলে। উদৰাভ্যন্তৰৰ পৰা যেন দূষিত বীজাণু-যুক্ত তিক্ত পদাৰ্থবোৰ অবিৰল ধাৰে নিৰ্গত হবলৈ ধৰিলে। বস্ত্ৰ-অলংকাৰাবৃত যেন একুৰা অ'ণৰ্ব্ৰা'পত অগ্নি সংযোগ হৈ তিশমকৈ যৌন পীঠবোৰ ক্ৰমে ক্ৰমে দগ্ধ কৰি আনি ধৰিলে আৰু তাৰ এটি এটিকৈ ভস্ম স্তূপত পৰিণত কৰি এৰি আঁতৰি ধৰিলে। তেওঁ অসহ্য, অযুক্ত বেদনাত অতিষ্ঠা হৈ পৰিল, মূৰ আচন্দ্ৰাই কৰিব ধৰিলে। এদা যি ৰূপ-যৌৱনেৰে ৰঞ্জনী তিলোত্তমা সদৃশ-নাৰীয়ে সহস্ৰ সহস্ৰ মদ-গন্ধ লুব্ধ কামী পুৰুষৰ স্নিগ্ধ ঊৰ্মি সদৃশ চিত্ত চাঞ্চল্যৰ সৃষ্টি কৰি সিহঁতৰ বক্ষত ঠেকা খুৱাই খুৱাই বাহ্য-জ্ঞান-শূন্য আৰু বাতুল প্ৰায় কৰি তুলিছিল—সেই ৰঞ্জনী ৰূপ-গৰ্বিনী আজি নিজেই বিকৃতা, শূন্যা, দুৰ্বলা, কুশ্ৰী, আৰু সেই দুৰ্বল-কামনা পুৰুষবোৰৰ পুতৌৰহে পাত্ৰ হৈ পৰিল। অনুতাপ-দগ্ধা ৰূপসীয়ে অনুভৱ কৰিব ধৰিলে—তেওঁৰ বহুমূল্য বস্ত্ৰাবৃত যেন জতুৰ অট্টালিকাত বন্ধ আছিল—ইমান দিনে। অট্টালিকাৰ হয়তো অন্তৰালতেই যৌনাংগত জ্বৰ তুলিছিল, শৰীৰত পঞ্চশৰ আৰু তাৰ ব্ৰাহ্মিৰ দুৰ্বহ বোজাটো তুলি দিছিল আৰু অন্তৰত উত্তেজনাৰ ৰমৰমনি তুলি দিছিল। ভস্মাচ্ছাদিত নগ্ন নাৰী দেহটো পুৰুষ নামৰ কাউৰী-শগুণ কিছুমানে কামুৰি আঁচুৰি ক্ষত-বিক্ষত কৰি গলিত ৰক্ত মাংসৰ ধাৰটো নিৰন্তৰে যেন বোৰঞ্জি স্ফূৰ্তি কৰি ৰাখিব বিচাৰিছিল। কপট বস্ত্ৰ এখন দি, লজ্জা নিবাৰণী বস্ত্ৰখন যেন কাঢ়ি লৈছিল। সিহঁতে তেওঁক দিব বিচাৰিছিল—নগ্ন নিৰ্লজ্জতা। অলংকাৰবোৰে যেন তেওঁক অস্ত্ৰাঘাতহে কৰি আছিল। গল পতা ধাৰৰ কুশনাগ পাশৰ দৰে তেওঁৰ সৌন্দৰ্য-ৰূপ ভাম শক্তিক চেপি চেপি কোনোবা অন্ধকাৰ পাতাল পুৰীৰ নৰকত

যেন ইমান দিনে বন্দী কৰিহে ৰাখিছিল। কংকণপাতে খটাংসুৰক বধ কৰিবলৈ অপাৰগ হৈ যেন আজি নিজকেই আত্মহত্যা কৰিবলৈ বাধ্য কৰাইছে। হাতৰ আঙুঠি বাৰে যেন আজি ওলোটা গতিত নৱ মধুলোভী আঙ্কাৰৰ যাত্ৰী, ভক্ষৰ হৃদয়ন্তবোধক কুসুমৰ দৰে বিস্মৃত হৈ যাবলৈকে সকিয়াই দিছে। নূপুৰ যুগল যেন পাদ শৃংখলাহে আছিল। শোভা বৰ্দ্ধনকাৰী অলংকাৰ নহৈ ই যেন তেওঁক গুটিযা মাৰা ঘোৰাৰ দৰে চলন শক্তি ৰহিত কৰি বন্দী কৰিহে ৰাখিছে। গুটিযামাৰা ঘোৰাৰ দৰে তেওঁ কৰ্মহীনা-আনন্দহীনা অথচ গৰাকীয়ে যেন অশ্বাৰক্ষণ কৰা নাই।

তেজ-পূজ মল নিৰ্গত হোৱা, পূতি-গন্ধময় নৰকৰ দ্বাৰত নিমজ্জিত হব বিচাৰিছিল—পুৰুষ নামধাৰী কিছুমান শ্বাপদ, শূকৰ। সিহঁতে অশৌচীয়া দ্বাৰতো নিমজ্জিতহৈ, বিষ্ঠাভোজন কৰি দূৰাৰোগ্য ব্যাধি-গ্ৰস্ত হবলৈও। তাত বা ঘৃণাবোধ নকৰে। বস্তুতেইতো কৃত্ৰিম ৰূপৰ পোহাৰ মেলি দিয়া নাৰীদেহ ক্ৰয় কৰে। কাগজৰ নোট কেইখনমান সিহঁতৰ পৰা আদায় কৰাৰ লোভটোক চিনাজোঁকৰ দৰে বগাবলৈ দি অভিশাপ লগাইহে পৰে বহু নাৰী ললনা। শ্ৰীৰাম চন্দ্ৰৰ পাদ স্পৰ্শত পাহাৰত, দ সংস্পৰ্গ হেতু শিলীভূতা অহল্যা উদ্ধাৰ হৈ হোৰ দৰে, অষ্টাবক্ৰৰ অভিশাপত ভেভেৰীয়া মাংস পিণ্ডটোথৰ সগৰবংশ উদ্ধাৰ-কাৰী ভগীৰথ হোৱাৰ দৰে, শিৱানন্দ সন্ন্যাসীৰ ৰোষাগ্নিয়েও অজ্ঞাত কুল-শীলা অপৰূপ ৰূপ যৌৱন সম্পন্না বনিতা এগৰাকীক হয়তো সৰ্বত্যাগী —তাপসিনী সন্ন্যাসিনী ৰূপত দীক্ষাদি ৰূপান্তৰিত কৰিলে। তেওঁ যে সদ্বংশজাতা তাক বিদুষী—এই বুলি ভাবিললেও এতিয়া কাৰো একো ভুল নহবও পাৰে হয়তো। এই গৰাকী নাৰীৰ অৱচেতন মনটোত এইবোৰ কথা লিপিবদ্ধ কৰা পুস্তিকাৰ দৰে যেন একে সময়তেই থুপ খাই গ'ল—কিহৰ গুণত ? এইটো কেনেকৈ সম্ভৱ হ'ল ? ইয়াত কিহৰ প্ৰভাৱ, কাৰ প্ৰভাৱ সম্ভৱ হৈছে ? ইয়াৰ কিবা তাৎপৰ্য

আছে নেকি ? কিবা চিন্তনীয় আছে নেকি ? ৰূপহীয়ে প্ৰতিশোধ ললয় নেকি ?

সিদিনাৰ বক্তৃতা সভাত অসম্ভাব্য বিস্ময়কৰ ঘটনা এটা ঘটি গ'ল। ই সকলোৰে বাবে অভাৱিত-পূৰ্ব আছিল। সকলোৱে ভাবিবলৈ বাধ্য হৈছিল—যে আশ্ৰমত নাৰীৰ প্ৰৱেশ নিষিদ্ধই হৈ যাব একেবাৰেই। এই উদ্বিগ্ন যৌৱনায়ুৱতীৰ অৱচেতন মনটোত প্ৰৱেশাধিকাৰ লাভ কৰা এই জ্ঞান যেন যোগী-ব্ৰহ্মচাৰী শিৱানন্দৰ অন্তৰাত্মাৰ অনৰ্গল শ্ৰুতলিপি ! তেওঁ চকু মুদি দেখা পালে—সন্ন্যাসীয়ে যেন খড়ৰ পৰিবৰ্তে মিচিকিয়া হাঁহি মাৰি এফালৰ পৰা কথাবোৰ শ্ৰুতলিপিৰ দৰে কৈ গৈছে। অৰ্জুনৰ বিশ্বৰূপ দৰ্শনৰ দৰে সেই অজ্ঞাত কুল-শীলা নাৰীয়ে নিজৰ ভূত-ভৱিষ্যৎ যদি সকলোৱেই ক্ৰমে ক্ৰমে এফালৰ পৰা দেখিবলৈ ধৰিলে। তেওঁৰ শৰীৰ মনৰ পৰা সকলো কলুষ গ্লানি ক্লান্তি, শান্তি যেন স্খলি পৰিল। পিছদিনা প্ৰভাততেই এনে অনুমান হ'ল— তেওঁ যেন সম্পূৰ্ণ এজনী পৃথক নাৰী। সব শৰীৰ তেই শুভ্ৰ বস্ত্ৰ, কোনো অংগতেই এপদো অলংকাৰ নাই। এবেও দিন তেওঁৰ যৌৱন-তৃষাৰ ভলিত পিশাচা কামনাবিলাক কাৰ্নিভ্যাল'ৰ দলৰ প্ৰাভাৱেই যেন বৰ্থ মানাবৰহৈ ঘিৰি ঘিৰি যাবলৈ ধৰিলে। সিইঁত অন্তৰ লাগে লাগেই সন্ন্যাসীৰ ছাঁয়া মূৰ্তিয়ে যেন সন্মুখত থিয় দিয়েহি। হাতীৰ আগত শিয়াল পৰাদি ভীতিগ্ৰস্ত ছুৰাত্মাবোৰ কোৱাৰি চোল্‌কি পিচ ভৰিৰ মাজত নেজ সোমোৱাদি কুকুৰ ধূলি হৈ পশ্চাদ্ধাবন কৰিব ধৰিলে। ৰূপহীৰ কুঠী বিক্ৰ, দেহমন বিক্ৰ,—বিক্ৰ হ'ল চপা নোটৰ চন্দুক। কিবা এটি অপূৰ্ব স্বৰ্গীয় জ্যোতিৰে উদ্ভাসিত আৰু সিক্ত হৈ পৰিল—তেওঁৰ নৱজাগ্ৰতি প্ৰাপ্ত অন্তৰাত্মা। এই সকলোবোৰ —অজানিতে, অলক্ষিতে আৰু অনায়াসেই ঘটি গ'ল—যেন মহাচতুৰ যাদুকৰৰ ঐন্দ্ৰজালিক যাদুদণ্ডৰ ভেলেকী বাজী অথবা বিশ্ব-নিয়ন্তাৰ পূৰ্ব-পৰিকল্পিত বিধানৰাহে শক্তিশালী প্ৰভাৱ। যুৱতীৰ সৰ্ব শৰীৰত পৱিত্ৰ শান্তি বাৰি যেন অভিসিঞ্চিত হ'ল।

পিচদিনা সেই ৰূপ গৰ্বিণী (?) যুৱতী প্ৰভাততেই শুদ্ধ দেহ-মনেৰে স্নানাদি নিত্য কৰ্ম সুসম্পন্ন কৰি, সম্পূৰ্ণৰূপে অলংকাৰ শূন্যা হৈ পৰিল। শুভ্ৰ বস্ত্ৰ পৰিধান কৰিলে, কুৱৰ কাৰ্ত্তিক-কামদেৱৰ মূৰ্ত্তি পানীত বিসৰ্জন দিলে। টকা পইচা অলংকাৰ সকলোবে টোপোলা বান্ধি তেওঁ আশ্ৰমৰ নামত উছৰ্গা কৰি দিলে। পিচলৈ সন্ন্যাসীয়ে সেইবোৰৰ নিযদংশ নাৰী কল্যাণ সমিতিলৈ খৰচ কৰিবলৈ উপদেশ দিছিল। বাকী অংশ দুখীয়া দৰিদ্ৰৰ মাজত সিহঁতৰ নতুন বৃত্তিমূলক উন্নয়নৰ বাবে দান দিলে। শুভ্ৰ বস্ত্ৰ পৰিধান আৰু সন্ধিয়া এসাঁজ মাত্ৰ হবিষ্যান্ন গ্ৰহণ কৰি যুৱতীনাৰী নিয়মমতে বক্তৃতা সভালৈ যাবলৈ ধৰিলে সিদিনৰ উক্ত ঘটনাৰ তিনি দিন পাচলৈকে সন্ন্যাসী—শিৱানন্দ বক্তৃতা মঞ্চলৈকে বাহিৰ পৰাই নাছিল। ইয়াকে দেখি ভক্তিপ্ৰাণ আৰু জ্ঞান পিপাসু আশ্ৰমবাসী আৰু বাহিৰে আশ্ৰমৰ অৱনতি আৰু অমংগল আশংকা কৰি আশ্ৰমৰ কুলপতি সন্ন্যাসীৰ ওচৰত সকলো কথা নিবেদন কৰি পুনৰ বক্তৃতা আৰম্ভ কৰিবলৈ আন্তৰিক প্ৰাৰ্থনা জনালে। প্ৰথম দুই তিনি দিন সভাস্থলীত সেই ৰূপ গৰ্বিণী যুৱতীক দেখি সকলো জাঙুৰ খাই উঠিছিল যদিও যুৱতী অবিচলিতা আৰু নিবাত-নিষ্কম্প প্ৰদীপ শিখাৰ দৰে সমাধিস্থবৎ হৈ থকা অৱস্থাটোৱে সকলোকে বিস্ময় বিমুগ্ধ, ভীতি বিহ্বল আৰু অনুসন্ধিৎসু কৰিও তুলিছিল। যুৱতীৰ অভিনৱ বিপৰীত ৰূপটোও সন্ন্যাসীৰ ওচৰত বৰ্ণিত হৈছিল। কিন্তু তথাপিও পিচদিনা আশ্ৰম-পতি বক্তৃতা সভালৈ নাহিল। নিজ দৰ্শন আৰু দেশ-সেৱাৰ কথা স্মৰণ কৰি আৰু ভক্তৰ কাতৰ প্ৰাৰ্থনাক সমীহ কৰি পঞ্চম দিনা স্বামীজী সভাত উপস্থিতহৈ বক্তৃতা দিলে। সিদিনাৰ বক্তৃতাত গভীৰ কাৰুণ্যৰ সুৰ এটা অন্তঃসলিলা ফল্গুৰ দৰে প্ৰবাহিত হৈছিল। ই যুৱতীক মৰ্মন্তুদ দুঃখ দিছিল।

ৰূপহী যুৱতী গৰাকীয়ে যিমান পাৰে লোক চক্ষুৰ পৰা আঁৰ হবলৈ আৰু সন্ন্যাসীৰ পৰা সম্পূৰ্ণ গোপন ভাবে লুকাই থাকিবলৈ তেওঁ

সদায় সভাৰ শেষৰ ফালে কোনেও স্বাভাৱিকতে দৃষ্টি নেপেলোৱা চুক এটাত বহি থাকে গৈ, কিন্তু হীৰা মুক্তা, আদি মহামূল্য ৰত্নবোৰে আন্ধাৰতহে স্পষ্টভাবে নিজ অস্তিত্ব প্ৰকাশ কৰে। দৈবাৎ সেই শুভ্ৰ বস্ত্ৰৰ ওপৰত পৰা কাৰোবাৰ দৃষ্টিটোলৈ ভক্তি ভাবটোহে ওলোটাই প্ৰেৰিত হয়। দূৰত উপবেশন কৰাজনৰ ভ্ৰম হয়—'জনতাৰ পৃষ্ঠপীঠত সৰ্ব-শুক্লা সৰস্বতী স্থাপিতা হৈছে কিয়? সৰস্বতীৰ কুচ-যুগৰ বৰ্ণনাতো আজি হয়তো কাম-গন্ধ নাই। (অলং কৰোতি—ইতি অলংকাৰঃ) অলংকাৰে শোভা কৰে—লোভ আনে, সৌন্দৰ্য কিন্তু বিকৃত হয়। ই দেৱ পূজাৰ সুগন্ধি পুষ্প শুচি বাটৰুৱাৰ চকুৰ-তৃপ্তি, মদাৰ ফুলহে পাৰ।

সন্ন্যাসীয়ে বক্তৃতা প্ৰসঙ্গত কৈছিল—'থকা সকলো বস্তুতেই মায়া বা আশক্তিক ত্যাগ কৰাটোহে আচল ত্যাগ। যাৰ একো নাই তাৰ ত্যাগো নাই। ভিক্ষাৰীৰ ত্যাগ নাই, ত্যাগ-সম্ৰাটৰ, বুদ্ধৰ। ত্যাগ সঞ্চিতৰ—বঞ্চিতৰ নহয়। ভোগৰ হয়তো যুক্তি আছে কিন্তু ত্যাগত আছে মুক্তি-পৰামুক্তি, অপৰা মুক্তি। মুক্তিৰ প্ৰতিশ্ৰুতিয়ে আনে শান্তি। এই শান্তি চিৰকাম্য পৰমকাম্য। কিন্তু শান্তিৰ বাবেও সংগ্ৰাম সংঘৰ্ষণ আৰু সংঘাত লাগে। শান্তিকামীয়ে সংঘাতৰ স্বৰূপটো নিজেই বাচি লব। সংস্থাপনৰ বাবেও সংহৰণ লাগে। দুৰ্যোধনৰ ত্যাগটো অৰ্জুনতকৈ শ্ৰেষ্ঠতৰ বুলি ভবাৰ যুক্তি আছে—তাক উলাই কৰিব নোৱাৰি। দুৰ্যোধন অভিমানী দানীও।

ৰূপ সৰ্বস্বা (?) নাৰীৰ আত্মাই বিচাৰিছে— সেই পৰম শান্তি। তেওঁৰ অন্তৰাত্মাই বিচাৰিছে-সন্ন্যাসীৰ নিকটতম সান্নিধ্য – তেওঁৰ কৃত্ৰিম ধৈৰ্যৰ বান্ধ সুলকি পৰিল। নাৰী-মনৰ বিচিত্ৰ অভিব্যক্তিয়ে অক্ষয়-অব্যয়-অনিৰ্বাপিত জ্যোৎস্নালোক প্ৰাৰ্থীহৈ সন্ন্যাসীৰ পদ প্ৰান্তত আত্ম নিবেদন কৰিলে। দুৰ্বলা নাৰীয়ে এটা দুৰ্দান্ত সাহসৰ কাম কৰি পেলালে—হয়তো অকৃত্ৰিম নিৰ্ভেজাল নৈতিক সাহস। তেওঁ সন্ন্যাসীলৈ লিখিলে – মেঘে ঢাকা তৰাৰ দুৰ্বহ জীৱন-সংগ্ৰাম-বৃত্তান্ত :– ।

পৰ্ব ঃ-'তপস্বিনী,-তাল-বিলম্বিত

ওঁ শিৱায নমঃ।

'হে পৰমত্ৰাতা স্বামী। পতিতাৰ সহস্ৰ প্ৰণাম জানো দেৱতাৰ গ্ৰহণ যোগ্য, তথাপি এই নিম্ন নিবেদিত স্বীকাৰোক্তিখিনি, প্ৰভুৰ বিশাল সিন্ধু সদৃশ উদাৰতা আৰু মহানুভৱতাক স্মৰণ কৰি প্ৰভুৰ প দ পদ্মত সনিৰ্বন্ধ নিবেদন কৰিলোঁ। 'মযাকৃতান্যনেকানি পাপানি হৰ দেৱ।' বহু বহু অপৰাধৰ মাৰ্জনা বিচাৰিলোঁ। সিন্ধুবক্ষ সদায় উদাৰ।

পাপীৰ মুখত ৰাম নাম, ভূতৰ মুখত ভূতনাথৰ—নাম, শোভা পোৱা নোপোৱা একে কথা। 'জুইৰ ওচৰ চাপিলে তাপৰ প্ৰভাৱ পৰে, পাপ হৰে' বোলা শ্ৰীমুখৰ বাণীৰ সত্যটো মিছা হব নোৱাৰে। তাৰেই প্ৰভাৱতেই দু আষাৰ কথা লিপিবদ্ধ কৰি প্ৰভুৰ শ্ৰীচৰণত সবিনয়ে, ভক্তি শ্ৰদ্ধাৰে নিবেদন কৰিলোঁ। এই হতভাগিনীৰ কৰুণ জীৱন-গাথাৰ ক্ষুদ্ৰাংশৰো আভাস পালে, দয়াৰ সাগৰৰ এক বিন্দুৰ নিশ্চয অভাৱ নহব বুলি বিশ্বাস ৰাখিছোঁ। মহতৰ ৰোষতো বৰ আৰু সন্তোষৰ ভাৱ থাকে। সন্তুষ্টিযেই স্বযং-আশীৰ্বাদ। এই হেন আশীৰ্বাদ পাই পংগুই পৰ্বত লঙ্ঘন কৰে, বোবাৰ বোধত বেদৰ বাণী প্ৰতিধ্বনিত হয। জীৱন ধন্য হয। আত্মা, ক্ষুদ্ৰ-ক্ষণ ভংগুৰ পিঞ্জৰাবদ্ধ হৈযো অনন্তৰ পিনে উৰা মাৰে।

ৰুদ্ৰৰোষত এক কামদেৱ ভস্ম হ'ল—বহু কামদেৱৰ সৃষ্টি হ'ল। কাম ভস্মবোৰ উৰি উৰি গৈ ঘৰে ঘৰে, আকাশে-বতাহে বহু কামদেৱৰ সৃষ্টি হ'ল—কামৰূপাৰ সৃষ্টি কৰিলে। সেই কামদেৱৰ ঔৰসত সঞ্চিত হ ল—সৃষ্টিৰ অনিৰুদ্ধ গতি। ৰতিৰ গৰ্ভজাত এই অনিৰুদ্ধ গতিক কোনোৱেই হয়তো ৰোধ কৰিব নোৱাৰাৰেই কথা।

দুৰ্বলীৰ অভাৱে স্বভাৱ হয়তো নষ্ট কৰে। সবলৰ অভাৱে আৱিষ্কাৰৰ সূত্ৰ ধৰে। সকলো বস্তুৰ 'অতি'টোৱে জটিলতাৰ সৃষ্টি কৰে। অতি দানে দানীক পাতাললৈও টানি নিয়ে। অতি ধনবানে

ধনৰ অভাৱত ধনৰ মাজতেই শুকান তুলাপাত খাই মৰে। অতি পোহৰে চাটমাৰি ধৰি চকুক অন্ধ কৰি পেলায আন্ধাৰলৈকে যাত্ৰী কৰি পেলায। অতি ৰূপত ঘূণে বিন্ধে। আনহাতে যটা কানিৰ মেৰতো লক্ষ্মী প্ৰসন্নাহৈ থাকে। ঋষি আৰু মহাজ্ঞানীক সাধাৰণ নাৰীয়ে প্ৰেমিক-স্বামী বুলি গ্ৰহণ কৰিব নোখোজে। প্ৰেমিৰ হৰ খুজিলে জেপত জুৰা পাশাৰ বন্দোবস্ত লাগিবই। 'পেন ডা্ৰেব'ৰ বাবেতো প্ৰেম ?) সদায় আৱদ্ধ। ধনৰ গৰ্ভইহে প্ৰেমৰ জন্ম দিয়ে। মনৰ গৰ্ভ উৰ্বৰা হলেও সি সদায় বন্ধ্যা। বন্ধ্যা-গৰ্ভত প্ৰেমৰ জন্ম এটা ব্যতিক্ৰম এটা আশা-নিৰাশাৰ হাঁহি।

মই অতি ভদ্ৰঘৰৰ, সদ্বংশজাতা, কুলীন ব্ৰাহ্মণ কন্যাই আছিলোঁ। মই আছিলোঁ' বুলি কোৱাৰ অৰ্থ—সেই কুলীন ব্ৰাহ্মণ কন্যাৰ মই প্ৰেতযোনী বুলিহে আজি অনুভৱ কৰিছোঁ। এই হেনো ৰূপত লক্ষ্মী, গুণত সৰস্বতী আছিলোঁ। কথাষাৰ দৰ-দৰবিলাক সকলোৰে মুখে মুখে বিয়পি পৰিছিল। একমাত্ৰ কন্যা সন্তান মই, মই দেউতাৰ আলাসৰ লাড়ু আছিলোঁ। মাই কিন্তু এনে ক্ষেত্ৰত মোক ভাল চকুৰে দেখিব নোৱাৰিছিল কাৰণ মই হেনো 'ভ্ৰাতৃ বিহীন' ছোৱালী। মই হেনো ভাই-ভনীৰ জন্মৰ সম্ভাৱনাটোকেই বিনাশ কৰি পেলাইছোঁ। চিৰকালৰ বাবে। গতিকে সুযোগ পালেই নিজৰ দোষটো মোলৈ ঠেলিয়াই দি বা মোকে আৰোপ কৰি বিনটীয়া ছোৱালী' বুলি বেয়া কথা থকা ভাব। প্ৰয়োগ কৰি তিৰস্কাৰ নকৰাকৈ নাথাকিছিল মোৰ জন্ম দাত্ৰী আই। বিশেষতঃ তেওঁ হয়তো এনে মনে ভাবিছিল কিজানি মযো সেই 'এক বাঁহৰ কাঁকৈ' হৈয়েই পৰো। হঠাৎ কেতিয়াবা দেউতাৰ কাণত এনে কুশ্ৰব্য বাক্যৰ শেষ শব্দ দুটাই ভীষণ ভাবে আঘাত কৰে, দেউতাই মৰ্মান্তিক বেদনা পায, মোৰ গা-মূৰ পিহি দি কপালত চুমা খাই-খাই অশ্ৰুপাত কৰে। এজন বিদগ্ধ দাৰ্শনিক পণ্ডিতৰ উচ্চ শিক্ষা-প্ৰাপ্তা কন্যা মই—একমাত্ৰ সন্তান মই। দেউতাৰ অক্লান্ত

জিলিকি উঠে বিমল আনন্দ। সপোন দেখে—লীলাৱতী গাৰ্গী মৈত্ৰেয়ীৰ। মই বুজি পাওঁ দেউতাৰ সপোনবোৰ। কথাষাৰ কথাখাৰ চটিযাই এটি শুনক বুলি দেউতাই কয়—'দশপুত্ৰ সম-কন্যা'—কোনোবা পুৰণি শাস্ত্ৰৰ 'আউট ডেটেড্ বা ম্যাদ যোৱা অথবা বাক্জেআপ্ত' উক্তি। উক্তিটো নিশ্চয় বৈৱস্বত' মনুৰ নহয় সংহিতাৰো নহয়,—কাৰণ এই উক্তিৰ আজি কোনো সংগতি নাই, গতিও নাই। কিন্তু দেউতা দৃঢ়-সংকল্প। তেওঁ মোক লীলাৱতী, গাৰ্গী মৈত্ৰেয়ী—কোনোবা এজনী হলেও কৰিবই কৰিব। তেওঁ সেই অনুপাতে মোক তেওঁৰ শিক্ষা-দীক্ষাদি গঢ়ি তুলিছিলেই একপ্ৰকাৰ।

দেউতা নিজেই বিদগ্ধ দাৰ্শনিক পণ্ডিত আছিল আৰু এখন বিশ্ববিদ্যালয়ত সুখ্যাতিৰেই অধ্যাপনা কৰিছিল। দেউতাই দৰ্শন বিষয়ৰ গ্ৰন্থও ৰচনা কৰিছে। তেওঁ স্মৃতি শাস্ত্ৰৰো পণ্ডিত আছিল। মই প্ৰথম শ্ৰেণীৰ অনাৰ্ছ সহ বি, এ পাছ কৰিলোঁ। অকল প্ৰথম শ্ৰেণীয়েই নহয়—সংস্কৃত বিষয়লৈ মই প্ৰথম শ্ৰেণীৰ প্ৰথম স্থানো পাইছিলোঁ। মই পোৱা নম্বৰটো বেই বিশ্ববিদ্যালয়ৰ সকলো অনাৰ্ছ বিষয়ৰ ভিতৰতেই সৰ্বোচ্চ নম্বৰ আছিল। পণ্ডিত দেউতাই শিশু সুলভ আনন্দ প্ৰকাশ কৰা দেখি মাই ভেকাহি মাৰি কৈ উঠিছিল—'আমাৰ বিদ্যাৱতীয়ে এতিয়া দেশৰ পণ্ডিতবোৰৰ মূৰত উঠি তাণ্ডৱ নৃত্য নকৰিলেই ৰক্ষা। কলেজে কলেজে সোণৰ মোহৰ আনি সোণৰ 'ভাণ্ডাৰী' ৰাখিব লাগিব। দেখিলেহে লেখিম। চাই থাকিম নহয়—দেউতাকৰ দৰে ঘাই নোপোৱা বিদ্যাৰ দৌৰটো কিমান দূৰ'।

দেউতাৰ কিছুমান এনে ছাত্ৰ আছিল—যিবিলাকক লগ লগালে—জ্ঞানৰ সপ্তৰ্ষি মণ্ডল সৃষ্টি কৰিব পৰা হৈছিল। সেই সপ্তৰ্ষিৰ (?) প্ৰত্যেকেই মোক বিবাহ পাশত আবদ্ধ কৰিবলৈ আহাৰ-নিদ্ৰা ত্যাগ কৰা যেন অনুভৱ হৈছিল। তেওঁলোকে মোহিনীৰ পাচে পাচে দৌৰি ফুৰা জটীয়া তাণ্ডৱা-ৰূপ ধৰা যেনো লাগিছিল। অৱশ্যে বাহিৰত নহয়,

বাহিৰত তেওঁলোক অতি শান্ত-শিষ্ট, ভদ্র, সমাধিস্থৱৎ আৰু পবিত্র অন্তৰৰ আছিল। সেইজনেই হয়তো মোৰ পাণি-গ্রহণৰ লায়কো আছিল—শিক্ষা বুদ্ধি, ৰূপ-গুণ আদি সকলো বিষয়তেই। সেইভাৱে পালিত শিষ্য, তেনে উপযুক্ত গুণী এজনক পোৱাৰ হেঁপাহটো মোৰো জন্মিছিল। তেওঁলোকৰ ভিতৰত মৌনী প্রতিদ্বন্দ্বিতাৰ ভাৱো নজন্মাকৈ থকা নাছিল যেন লাগে। কিন্তু ৰাজকন্যাৰ স্বয়ম্বৰ দৰে— এজন বাণী-সাধকৰ অতি লাজকুৰীয়া অথচ হৃদয় আলোড়িত কৰিব পৰা কাৰুণ্যময় দৃষ্টিয়ে মোক ববকৈ আকর্ষণ কৰিছিল। তেওঁৰ নাম আছিল— সিদ্ধার্থ গোস্বামী। দেউতাৰো ইচ্ছা—মই এম,এ পাছ কৰাৰ কিছুদিন পিচত সিদ্ধার্থৰ লগতেই মোৰ বিয়াখন হৈ যাওক। কিন্তু দেউতাৰ প্রকৃত-প্রধান আৰু প্রবল ইচ্ছা—এম এ পাছ কৰিয়েই মই দেউতাৰ অধীনত গবেষণা কৰি ডক্টৰেট ডিগ্রীটো লওঁ। মোৰ গৱেষণাৰ বিষয় হব—'প্রাচীন ভাৰতবর্ষৰ বিদুষী নাৰী আৰু উচ্চ আদর্শ।' ডক্টৰেট ডিগ্রী লাভৰ পিচতহে মোৰ বিয়াৰ কথাটোৰ উত্থাপন অধিক উপাদেয় হব পাৰে। দেউতাৰ একান্ত ইচ্ছাক মই সর্বান্তঃকৰণে সম্মতি জনাওঁ। দেউতাৰ জীৱিত অৱস্থাতেই মোৰ সাধনা মূর্তিমতী হৈ উঠক—মোৰো এয়েই একান্ত কামনা। ইতিমধ্যে সংস্কৃত বিষয় লৈ মই এম, এ শ্রেণীত নাম ভর্তি কৰাইছোঁ।

মোৰ কলংকিত নামটোৰ লগত সংশ্লিষ্ট কৰি পৰম শ্রদ্ধেয় দেউতাৰ নামটো এতিয়াই উল্লেখ কৰিবলৈ মোৰ বংশ-মর্যাদা আৰু আভিজাত্যই বাধা প্রদান কৰিলে।

দেউতাৰ দেশজোৰা অগাধ পাণ্ডিত্যৰ কীর্তি দেখি শুনিও মা'ৰ অৱহেলা, ঘৃণা আৰু পদে পদে বাধাৰ কু-অভিপ্রায়টোৰ প্রকাশ্য-অপ্রকাশ্য কু আচৰণত মোৰ সংস্কৃত আৰু জ্ঞান-পিপাসু মনটো বিদ্রোহী হৈ উঠিল। মোৰ মন মা'ৰ প্রতি সম্পূর্ণ বিদ্রোহী হৈ উঠিল তেতিয়াই যেতিয়া মা'য় মোক কিছুমান অতি নিকৃষ্ট আৰু এইখন ঘৰৰ ঐতিহ্য

আৰু মৰ্যাদাৰ সম্পূৰ্ণ বিপৰীতে যোৱা। ঘৃণ্য-নিষিদ্ধ কাম কৰিবলৈ বাধ্য কৰি তুলিলে। মায়ে মোক বিয়া দিব বিচাৰিছিল— কোনো ধনীৰ দুলালৰ লগত—লুতুৰা তামসিক গুণ বিশিষ্ট, অন্ত্যজ, মূৰ্খ, লম্পট, জুৱাৰী— যিয়েই নহওক লাগে, আৰু যি কোনো উপায়েৰেই কাগজৰ ছপা নোট কিছুমান নঘটক লাগে,— বেলগাড়ীৰ ডবাবে এডবা ধন-সূচক ছপা কাগজৰ নোট হলেই হ'ল। দেউতাৰ সপোনৰ হতভাগিনী গাৰ্গী-মৈত্ৰেয়ীৰ ক্ষুদ্ৰ অস্তিত্ব মাত্ৰ ভ্ৰূণটোৰ লগত এই কণি বিহৰগুটি-নীচাত্মাবোৰৰ সৈতে সংশ্ৰৱ ঘটিবলৈ মায়ে মোক বাধ্য কৰিছিল। কাৰণ, মাই নিজেই তে'ন এখন নষ্ট-চৰিত্ৰ যুক্ত, নৰক কুণ্ড সদৃশ, নীচ ঘৰৰ পৰা আহিছে। সেইখন ঘৰত জাতি-অজাতি স্ব-ধৰ্মী বিধৰ্মী, সাধু-অসাধু, লুচ্ছা-লম্পট আদিৰ একোৰেই বাচ-বিচাৰ নাই। মামাহঁতৰ নানা তৰহৰ প্ৰকাশ্য-অপ্ৰকাশ্য নিষিদ্ধ ব্যৱসায় আছিল। মামীহঁতৰো ব্যৱসায় আছিল—সকলোৰে জনা ব্যৱসায়, কোনোৰে নজনা ব্যৱসায়। ব্ৰহ্মা-বিষ্ণু-মহেশ্বৰে নজনা অথচ অশ্বিনী কুমাৰ দুয়ে জানিবলৈ বাধ্য হোৱা ব্যৱসায়। কেঁলাধন থুপুৰিওৱা 'বিত্ত অসুৰ'ৰ পোষ্য পুত্ৰবোৰৰ দাৰ্শনিক পণ্ডিতৰ (অনুপস্থিতিৰ সুযোগ লৈ) ঘৰৰ চৌহদ স্পৰ্শকাৰী লাখটকীয়া বিদেশী কাৰ খিয কৰাব ধৰিলে। মাৰ চকুত অমৰাৱতীৰ আনন্দ আৰু সপোন ৰচিত হ'ল। ৰচিত হ'ল—কল্পিত ৰঙীন সপোন। মায়ে মোক জোৰ কৰিয়েই লাখটকীয়া বিদেশী কাৰত চিনেমা চাবলৈ, শকৰ কৰিবলৈ, মোৰ তীব্ৰ প্ৰতিবাদ সত্ত্বেও পঠিয়াব ধৰিলে। প্ৰথম কিছুদিন গুৰু-কন্যা পণ্ডিত-কন্যাই ভাবিব নোৱাৰা ধৰণে সম্মান-সম্ভ্ৰম পালো। এইয়া যে ক্ষন্তেক পিচতেই বলি শালত মূৰ সোমাব-লগীয়া ছাগলীটিৰ কপালৰ ৰক্তাক্ত সিন্দুৰৰ ফোঁট আৰু ধূপ-ধূনা-নৈবেদ্যৰ পূজা-আৰতি,—প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰা দুৰ্বলা নাৰী আৰু পণ্ডিত কন্যাৰ ই জ্ঞানৰো অগোচৰ আছিল। এই

দ্বাৰাই সম্ভৱ, কেৱল পবিত্ৰা নাৰীয়েই লম্পট-পুৰুষ কিম্বা মানৱ ইন্দ্ৰজালত বন্দী হৈ অসতীৰ কলংক-লিপ্তা হবলগীয়া হয়। নাৰীৰ ঈৰ্ষা আৰু লোভেও নিজ নাৰী জাতিৰেই ধ্বংস যজ্ঞত ইন্ধন যোগায়। পণ্ডিত পত্নী মোৰ-মাতৃ দবীৰ এই কথা তযাতা বুদ্ধিও সুবুদ্ধি শিয়াল শগুণৰ ভক্ষ কৰি মোক জীয়াই সিহঁতৰ মুখলৈ ঠেলি দিলে।

দেউতা দাৰ্শনিক। তেওঁ কি তত্ত্ব অনুসন্ধান কৰি কৰি গুচি যায়— নব নোৱাৰো। হয় তা সম্ভাব্য-অসম্ভাব্য Hypothetical সিদ্ধান্ত এটা লৈ তাতেই নিশ্চিত হৈ গ্ৰন্থৰ বিষয়-বস্তুৰ মাজত ডুবি থাকে। তেওঁৰ নৱম সহধৰ্মিণীয়ে যে ঘৰখন ডুবাবৰ সকলো আয়োজন কৰিছে—সেইটো হলে তেওঁৰ আকাশ লক্ষী 'হাইপথিছিছ' বোৰে ঢুকি পোৱা নাই। চন্দ্ৰলোকৰ আৱিষ্কাৰৰ অভিলাসী হোৱা কৈও দেশৰ মাটিৰ আৱিষ্কাৰৰ হাবিয়াহটো বেছি বাস্তৱ আৰু মংগলময়, বুলি ভাবা নাই। স্বৰ্গীয় জৱহাৰলাল নেহৰু খুড়াৰ এনে ভাবাপন্ন কথা এবাৰিলৈ মোৰ বৰকৈ মনত পৰিছিল। দৰ্শনত মাটিৰ গোন্ধটো অধিক উপাদেয়, অধিক মংগলজনক—হয় জানো? আজি হয়তো দুঃখ-নিষ্পেষিত হৈ কবলৈ (ভুল হলেও) বাধ্য হৈছোঁ—দেউতাহঁতৰ দৰে বিদগ্ধ দাৰ্শনিক পণ্ডিত মহাত্মাবোৰে নভোমণ্ডলতেই বিশ্বজোৰা সাম্ৰাজ্য স্থাপন কৰি আমাৰ দৰে ভাত-মাছ খোৱা অন্নতুষ্টজনৰ স্পৰ্শৰ পৰা বহু ওপৰলৈ গুচি যায়। দিব্যজ্ঞান বঞ্চিত হৈ আমিবোৰে দুৰ্গন্ধ, ময়লাযুক্ত মাটিতেই লুটি খাই পৰি অজ্ঞাত সাৰেই নিঃশেষ হৈ যাওঁ। মাৰ লগত বিবাহ হোৱাৰ পাচতো দেউতা 'মেটাফিজিক্স, 'এথিক্স,' 'চাইকলজী,ৰ হাইপথিছিছ বোৰৰ সৰোবৰত অৱগাহন কৰি থাকিল। সেই বিষাই জন্ম দিলে-এটি বিহফল, মোক। দেউতাৰ মানত অমৃত ফল হলেও—প্ৰকৃত পক্ষ মই দেউতাৰ সংসাৰ বিষবৃক্ষৰ বিষফলহে। মাৰ গাৰ শক্তিশালী জিন (gene) ৰ প্ৰভাৱেই অধিক শক্তিশালী হ'ল নেকি মোৰ গাতো? দেউতাৰ

সৰ্বাংগ-সুন্দৰ ঠাচতেই গঢ়ি উঠা মোৰ সামগ্ৰিক সত্তাটো বিজাতবীয়া-খোপনিছুভা হৈ পৰিল কিয় ? বিজ্ঞানে ইয়াৰ কি উত্তৰ দিব ?

ফুল-শয্যা ৰাতি স্বামীৰ লগত হৰ-গৌৰী মিলনৰ সময়ত মোৰ পূজনীয়া মাতৃদেৱীৰে নিশ্চয় লক্ষৌ অথবা কলিকতাৰ আন্ধাৰ গলিৰ আন্ধাৰ কুঠিৰ বাৰাংগনাৰ নৃত্য-অলংকাৰ, টকা-পইচা আৰু তমসাবৃত নিৰ্লজ্জ কক্ষটোৰ কথাই ধ্যান কৰি আছিল। দেউতাই হয়তো ভাবিছিল—ব্ৰহ্মজ্ঞানৰ স্বৰূপ কি ? বিজ্ঞানে কিমান 'ডেটা' দিব পাৰিছে, শতৰূপা, প্ৰজাবতী, গাৰ্গী, মৈত্ৰেয়ী, উৰ্মিলা আদিৰ কোনজনী তেওঁৰ উত্তম কন্যা হব ? 'পুং' নামৰ নৰকৰ পৰা ত্ৰাণ পোৱাৰ কথা হয়তো ভবাই নাছিল তেওঁ। মৃত্যুৰ পিচত—'পুং' হে নালাগে কোনো নৰকেই দেউতাৰ আত্মাক পতিত কৰিব নোৱাৰে। 'কিং তেন পুত্ৰ জাতেন যো ন বিদ্বান্ ন ভক্তিমান কন্যাৰ ক্ষেত্ৰত দেউতাৰ এই আশংকা নাই নেকি ? ইয়ো এক ৰহস্যময় কথা যেনেই লাগে। দেউতাৰ আকাংক্ষীত ছোৱালীজনী কোনো এলাপেচা ছোৱালী নহয়। তেওঁ অনন্যাপূৰ্বা। দেউতা আছিল 'উৰ্দ্ধৰেতা'। তেওঁৰ বাবে ময়েই হয় ত্ৰাত্ৰী।

মই হেনো ৰম্ভা, তিলোত্তমা, উৰ্বশী, শকুন্তলাৰ দৰেই সৌন্দৰ্যৰ ৰাণী আছিলোঁ। গতিকে 'উৰ্বশী'ৰ নাম চমুৱাই মায়ে মোক উৰ্বী বুলি মাতিছিল। বৈবাহিক জীৱনত সপত্নীৰ সম্ভাৱনা থকা হেতু দেউতাই 'মৈত্ৰেয়ী' নাম পৰিহাৰ কৰি 'গাৰ্গী'কেই ৰাখিছিল। সপত্নীৰ প্ৰতি মৈত্ৰী আৰু ধনৰ প্ৰতি মৈত্ৰী-শূন্যতা—মৈত্ৰেয়ী চৰিত্ৰৰ বৈশিষ্ট্য হোৱা হেতু মৈত্ৰেয়ী নামৰো তেওঁ পক্ষপাতী আছিল। হয়তো কণ্ব মুনিৰ অন্তৰ্হিত শকুন্তলাৰ গান্ধৰ্ব বিবাহোত্তৰ ভবিষ্যৎটো ধৰা পৰাৰ বাবে আৰু শকুন্তলাৰ বিঘ্ন খণ্ডনৰ বাবে কণ্বমুনি সোম তীৰ্থ লৈ গৈছিল। দেউতাৰ জ্যোতিষ বিষয়ক জ্ঞানে মোৰ ভৱিষ্যৎটো হয়তো মনে মনে ধৰা পেলাইছিল। কিন্তু ভবিতব্য অনিবাৰ্য

দুৰ্নিবাৰ। পাৰ্থক্য ইমানেই যে— কণ্বমুনি সকলো জানি বুজিও আশ্ৰমৰ সীমাৰ বাহিৰলৈ গৈছিল। কিন্তু দেউতাৰ ক্ষেত্ৰত অন্ততঃ শেষবাৰ নাজানা-নুবুজা অৱস্থা এটাই ভাবণাদি তেওঁক গৃহাংগনৰ বাহিৰলৈ লৈ গৈছিল। অদৃষ্টৰ কি পৰিহাস। ই বৰ কুটিল।

বিবাহবোলা পৱিত্ৰ বন্ধন মোৰ ভাগ্যত নঘটিলেই। কিন্তু এক, দুই, তিনি, সিহঁত জানো সতিনী? নোহোৱা-নোপোজা কি অৰ্থত সিহঁত সতিনী? আৰু উপপতি। স্পৰ্শ অক্ষম স্পৰ্শ ৰহিত হৈযো সিহঁতবোৰ উপপতিৰ কোন ব্যাখ্যাৰ অন্তৰ্ভুক্ত উপপতি। জ্ঞানতঃ আজিও মই অনাঘ্ৰাত কিশলয় হৈয়েই আছোঁ—ই দেউতাৰেই আশীৰ্ব্বাদ নিশ্চয়।

মোৰ হতভাগ্য জীৱনৰ কাহিনী—বৰ কৰুণ, মৰ্মান্তিক, হৃদয় বিদাৰক। মাৰ মৰম আৰু শ্ৰদ্ধাৰ পাত্ৰ, বুকুৰ আগ মঙহ – ভুলাসবোৰৰ লগত আনন্দ বিহাৰ কৰিবলৈ বাধ্য হৈ পৰোঁ।—অৰ্থাৎ দণ্ডত মানৰ নানাচিলে গুৰুতৰ শাস্তি আছে— অনিবাৰ্য শাস্তি। 'কিতাপৰ মাজত কূপ-মণ্ডুক হৈ থাকিলে বিচিত্ৰ বহিৰ্জগতখনৰ কূচিকা লাভ নহয়। বাপ-বেটীৰ একেই বাঘ-মোৰে ধৰা স্বভাৱ। এই কিতাপৰ বাগীয়ে দিনে দিনে ঘৰখনক ভিক্ষাৰীৰ ঘৰত পৰিণত কৰি পেলাব ধৰিছে। বাপেকে লিখা এসোপা কিতাপৰ পৰা অৱশ্যে কিছু টকা ঘৰলৈ আমদানি হয়,। কিন্তু সেইবোৰ দান কৰি উদং কৰি দিয়ে- বিশেষকৈ বোকোৰা এজন ভণ্ড তপস্বী সন্ন্যাসীৰ আশ্ৰমলৈকে নিয়ম মতে শকত 'ধনৰাটোপোলাটো যায় বৰ গোপনে—অনেক এই ধোঁৱা খুলীয়া দাতাজনৰ নামো কাৰো জানিবৰ উপায় নাই। তেওঁ যে মাজে মাজে ঘৰৰ পৰা উধাও হয়-তাৰ তত্ত্ব বুজিবলৈ অমুকীৰ বাকী নাই এতিয়া আৰু। সেই আশ্ৰমলৈ গৈ তেওঁ হেনো ছদ্ম নামত কিবা গৱেষণা চৱেষণা কৰে। ঘৰশোহা পৰপোহা এনে পাগল স্বামী যেন কোনো হতভগীয়ানী তিৰোতাৰ ভাগ্যত নঘটে। এতিয়া

স্বৰ্গৰ অমৰাৱতীৰ নন্দন কাননৰ পাৰিজাত ফুলৰ দ'ৰে এই ছোৱালী জনীক পাগলৰ হাতৰ পৰা ৰক্ষা কৰিব পাৰিলেই হ'ল।' দেউতাৰ অনুপস্থিতিত এনে বহু ভাষ্য কৰি মা মুখৰা হৈ উঠে।

দুলালবোৰৰ কপট অভিনন্দনৰ কবলৰ স্পৰ্শৰ পৰা নিজক মুক্ত কৰি লৈ আহি অধ্যয়ন মগ্ন দেউতাৰ কোলাত সোমাই পৰোঁ গৈ—নহলে দেউতাৰ ধ্যান ভংগ নহয়। ধ্যানভংগ দেউতাই মোৰ গা-মূৰ পিহি দি কপালে মূৰে চুমা খাই, শিশুৰ দৰেই মৰম কৰে আৰু কয়—'মাজনী, তই এতিয়াও দুগ্ধ-পোষ্যা শিশু এটি হৈয়েই আছ, কুটীল সংসাৰ এখনো আছে, তই তাৰ এটা চুকো দেখা নাই, পৰিচয় হোৱা নাই। মোৰ জগতখনৰ তই বুঢ়া শিশু-গহীন শিশু। জ্ঞানালোকত বুঢাজনৰ স্থবিৰতা পৰিলক্ষিত হলেও ঠগন নাই। অদৃশ্য শক্তিৰ প্ৰভাৱত জীৱনত উত্থান-পতন আছে, প্ৰলয় তাণ্ডৱ আছে—তাৰ এটা শেষো আছে-- সকলোবেই আছে লাস্যময় সৃষ্টি। সৎকৰ্মৰ গতিত বিৰতিও নাই—বিৰক্তিও নাই অৰ্থাৎ থাকিব নালাগে। ই আসক্তি শূন্য, অফুৰন্ত, কৰ্মশক্তি, জীৱন গতি। দহনত স্বৰ্ণ—কলুষ দূৰ হয়, দুখঃ দহনত জীৱন পৱিত্ৰ হয়, বিনন্দ বিলাস সৃষ্টি হয়। বহু দুঃখক অস্বীকাৰ কৰিলেও তাৰ হাতৰ পৰা সাৰণ নাই। পৰম পুৰুষ শ্ৰীকৃষ্ণও স্বয়ং ব্যাধৰ হাতত শৰ-বিদ্ধ হৈ প্ৰাণ-ত্যাগ কৰিছিল—এই ত্যাগবহে মহত্ব আছে, আমি সাধাৰণে ব্যাধক দোষ দিওঁ-কিন্তু মহত্বৰ প্ৰকাশত ব্যাধ উপলক্ষ বা নিমিত্তহে। ভৱিতব্য বা অদৃশ্য ফলশ্ৰুতিটো পূৰ্ব-পৰি-কল্পিতহে—কাবোবাৰ। অহমিকা প্ৰকাশক মাই দিয়া 'উৰ্বী' নামটোবো নাই নাই বুলিও এটা সাৰ্থকতা অনুভৱ কৰিলোঁ—মই উৰ্বী অৰ্থাৎ পৃথিৱীৰ দৰেই সহন শীলা হৈ পৰিছোঁ—ইতিমধ্যে। কিন্তু এই উৰ্বীবো শান্তি-নিকেতন—দেউতাৰ কোলা। তেওঁৰ সান্নিধ্য, তেওঁৰ বিশুদ্ধ জ্ঞান-প্ৰসূত উপদেশ, অকৃত্ৰিম, অফুৰন্ত পিতৃ-স্নেহ আৰু আশ্ৰয়ে মোৰ পৰম

সম্ভৱনা, ঘোৰ স্বৰ্গ।

মই দেউতাক ক'লোঁ— 'মা'ৰ বাধ্যতামূলক কৃপাত চক্ৰখানত ঘূৰি আহিলোঁ। মূৰটোও ঘূৰিছিল, গাড়ীত টোপনি গৈ আছিলোঁ বহুপৰ। মৰমৰ দাবীৰ চৰ্পত গিলাচ ৰৰকাটা আছিল। এতিয়াও মূৰটো ভাল লগাই নাই। শৰীৰ বৰ দুৰ্বল, অথচ মনটো বৰ ৰঙীণ— বেছ আনন্দদায়ক, ৰঙীণ স্বপ্ন বিভোৰ ভাৱ। দেউতা, তোমাৰ দৰ্শন— মনোবিজ্ঞানে এই বিষয়ে কি কয়? দেউতাই কপালখনত টিপামাৰি ধৰি বহু সময় তলমূৰা হৈ ৰ'ল। মই ক'লোঁ— 'দেউতা কি হ'ল? তোমাৰো মূৰ বিষাইছে নেকি? নিৰুত্তৰ হ'লা যে।' দেউতাই স্বগোক্তিৰবৎ উত্তৰ দি লেহাই লেহাই ক'লে— 'কম কি? কবলৈ কি বাকী আছে? মই যেন এটা দুঃস্বপ্নৰ কবলত পৰি অপদস্থ হৈছোঁ, অপমানীত হৈছোঁ—অপদাৰ্থ মই। 'মাতা বিত্তং পিতা শ্ৰুতম্'— অন্তৰ্দ্বন্দ্ব-বহিৰ্দ্বন্দ্বও এইখিনিতেই। 'দেউতা, কন্যা বৰয়তে ৰূপং কথাষাৰ উহ্য ৰাখিলা যে । মনীষীবো ভুল হোৱাৰ সম্ভাৱনা থাকিলেও তোমাৰ কন্যাই তোমাৰ বিষয়েই এই কথা কেতিয়াও নাভাবোঁ। তুমি জানা যে সকলো কন্যাই সকলো সময়তেই ৰূপ অৰ্থাৎ শাৰীৰিক ৰূপ নিবিচাৰে, পুৰুষ অথবা নাৰীৰ গুণখিনিয়েই ৰূপ। গুণ থাকিলে, ৰূপ পোৱা যায়— খাঁটি ৰূপ। কিন্তু ইতৰজনৰ চাক্ষুষ দৃষ্টিৰ ৰূপটোতো গুণ নাথাকিবও পাৰে—থাকিলেও সেই গুণ তাৰ সেই ৰূপৰ 'চেৰাৰ ভাভিত' হেৰাই যোৱাৰ ভীতিটোৱেই অধিক সম্ভৱনাময়। কুলি-কাউৰীৰ পাৰ্থক্য আৰু মূল্য সেইখিনিতেই।' 'মা, গাৰ্গী, বিচাৰিলেই জানো সকলো পোৱা যায়? – গাৰ্গী, মৈত্ৰেয়ী, নাচিকেতা আৰু ভীক পোৱা যায়? মা, মহৰ্ষি কণ্বই প্ৰাণসম-কন্যা শকুন্তলাৰ ভৱিতব্যটো হয়তো পূৰ্বতে জ্ঞাত হৈয়ো বাধা দিব জানো পাৰিছিলা? সময়ৰ নিজ প্ৰকৃতিৰ দীৰ্ঘ-বিলম্বিত ভৱিতব্যটো অনিবাৰ্য ভাৱে ঘটিবই।

কিন্তু ইয়াক ইচ্ছা শক্তি আৰু কৰ্মই হ্ৰস্ব-দীৰ্ঘ কৰিব পৰাটো খাটাং কথা। । এই পৃথিৱীত মানুহে নিজক বাহাৰা, মহৎ কৰা অথবা ৰসাতলে নিওৱাটোৰ গুৰিত আটাইতকৈ ডাঙৰ শক্তিটো হ'ল—সংগ। সৎ সংগই এজন মংগলময় মানৱৰ সৃষ্টি কৰে—তেওঁক স্বৰ্গৰ দেৱতাৰ ৰূপত কৈয়ো মহৎ ৰূপত প্ৰতিষ্ঠা কৰায়। অসৎ সংগই মানুহক এটা অমংগল জনক বিভীষিকা ৰূপে জীৱন্ত আৰু বাস্তৱ নৰকত পতিত কৰায়। প্ৰত্যেকজন মানুহৰ জীৱনতেই অৱস্থা ভেদে সৎ আৰু অসৎ সংগৰ প্ৰভাৱ প্ৰায় অনিবাৰ্য হিচাপেই পৰে। অৱস্থাৰ লগত ব্যক্তি-চৰিত্ৰৰ সবলতা দুৰ্বলতাৰ প্ৰশ্নও আছে। সবল চৰিত্ৰটো বিপৰীত অৱস্থাতো নিবাত-নিষ্কম্প ইব প্ৰদীপঃ' হৈ থাকে। তাক একোৱেই টলাব নোৱাৰে। অৱশ্যে সৎকৰ্ম কৰিও বহুত মানুহে দুৰ্ভোগ ভুগিব লগীয়া হয়। এই কথা যিজনে স্বীকাৰ কৰে, তেওঁৰ মুক্তি পথ সুগম হয়। যশস্যাকে মই জীৱনৰ মুক্তি বুলি কব খুজিছোঁ, গৌৰৱময় প্ৰতিষ্ঠাকেই স্বৰ্গৰাজ্যৰ ৰূপ দিব বিচাৰিছোঁ। ই এটা শুদ্ধ জীৱন দৰ্শন হোৱা উচিত। পোৱা সোণহে শুদ্ধ, পোৱা লোহে মামৰ-মুক্ত। দুঃখে পোৱা জীৱনহে নিটোল, খাঁটি জীৱন, আদৰ্শময় জীৱন। শকুন্তলা সাবিত্ৰী বেউলা, জয়মতী আদিৰ চৰিত্ৰই তাৰেই ইংগিত নিদিয়ে জানো? চকু মুদি থাকিলেও এখন বিশ্ব দেখাই যায়—আন এখন সমাগত হয়।' এইখিনি কথাকৈ দেউতা আকৌ কি ভাবত ডুবি গ'ল। লিপ্ত হৈয়ো যেন নিৰ্লিপ্ত তেওঁ।

দেউতাৰ ইচ্ছা—মোক এম, এ পাছ কৰাব—ডক্টৰেট প্ৰাপ্ত কৰাব আৰু·· ।' মাই দেউতাৰ আকাশ লখী, অত্ৰতো উচ্চাকাংখাক আলাসত পতা পিঠাগুড়িৰ-চাং আখ্যাদি কয়—'উৰ্বীয়ে আৰু পটিৰ নালাগে—এপাচি নৱৰ পাইনো কেইচুককা ধন আনিলে? অজস্ৰ সম্পত্তি, টকা-পইচা, গাড়ী-ঘোৰা থকা লৰা হাততেই আছে, সদায়

আহ্‌-জাহ্‌ কৰিও আছে—মনো নকৰা নহয়, সিহঁতৰ এই কঙ্কাল-বিজ্ঞা নহলেনো কি জাতি যাব? কোনখন মহাভাৰত অশুদ্ধ হব? জাতি, অজাতিয়েই বা আজিকালি সকলোৱেই বাছ-বিচাৰ কৰে জানো? কঙ্কালে ফিৰা-চাহ পানী খায়, দেৱতাই সোমৰস পান কৰে, ইয়াক কোনে বদঅভ্যাস বুলি কব? একমাত্ৰ সন্তান—ৰাজৰাণীহৈ থাকিব। টকাৰ ওপৰত—বাগৰি বাগৰি ৰাজভোগ কৰি থাকিব জীৱনভৰ। তাইৰ বিয়া দিয়েই—এমাহ বা দুমাহৰ ভিতৰতেই আৰু পলম কৰিব নোৱাৰি।' মাব মৰ-বামোৰ দেখি দেউতাই গহিনৰে আপত্তি কৰি কলে—'গাৰ্গী মাৰ বিয়াৰ বাবে ইমান চিন্তানো কিহৰ? তাই আগতে হাজাৰৰ ভিতৰত এজনী হওক—তাইৰো খ্যাতি, ঘৰৰো গৌৰৱ। বিশেষত তাই পঢ়া শুনাত অতি বুদ্ধিমতী। বিয়া বিষয়ত তাইৰ বিদ্যা বুদ্ধি-জ্ঞান আভিজাত্য আৰু ৰুচি-অভিৰুচিৰো পূৰ্ণ মৰ্য্যদা আৰু মূল্য দিব লাগিব। তাইৰ স্বামী-দেৱতা হোৱাৰেই বা কেইজনৰ পৰম ধন আৰু বাবু আছে? খোলাত ভাংভাজি খোৱা মহাদেৱৰ কিমান ধন কি ধন আছিল। তেওঁ কিন্তু পৰম ধনৰ অধিপতি—পৰম ধন-দাতা। তাই ঘৰৰপৰা ওলালেইতো চৌদিশ শূন্যহৈ যাব, লক্ষ্মী-সৰস্বতী দুয়ো কুপিতা হৈ যাব। ঘৰখন ছাৰ খাৰ হৈ যাব।'

মাব ভঙ্গ লগাব পৰা বিজ্ঞাখিনি দেউতাৰ নিতান্তেই অভাৱ। বিদগ্ধ দৰ্শনো পংগু। অন্যায় অসহ্য হ'লে দেউতাৰো কেতিয়াবা খং উঠাটো খুবেই স্বাভাৱিক, ব্যাস-বশিষ্ঠ আৰু কালিব নেহেক খুড়াও জানো খং ৰাগ-মুক্ত আছিল? হাজাৰ হওক দেউতাতো মৰ্ত্যৰ মাটিৰ গোন্ধ থকা দুৰ্বল মানুহ—আৰু বেছি দুৰ্বল। কিন্তু তেওঁৰ মাব দৰে 'যুদ্ধংদেহি' মনোভাৱ নাই। নিৰুপায় দেউতা নিৰুত্তৰ হয়। ৰণচণ্ডী মাৰ বিভীষিকাময় আঁকোৰ গোঁজা সিদ্ধান্তটোৱেই আন সকলো দিহা পৰামৰ্শ বা সিদ্ধান্তকেই গ্ৰাস কৰি পেলায়। দেউতাৰ দৰ্শনে আন্ধাৰতেই খেপিয়াই ফুৰে—গাৰ্গী, মৈত্ৰেয়ী—হয়তো আৰু কাৰোবাক। দেউতাৰ

স্বপ্নবোৰে আন্ধাৰত আঁচু ফুল ৰচনা কৰে—আকাশ-কুসুম ৰচা স্বপ্নবোৰ আন্ধাৰ-আৱৰ্তত দুৰ্বিপাক খাই দ্ৰবীভূত হৈ যায়। বিদ্বান-বিদুষীবোৰে ছুঁযা চাই হাঁহে জানো?

বিভিন্ন বক্তৃতা মালালৈ আমন্ত্ৰিত হৈ দেউতা সময়ে সময়ে সপ্তাহ বা পষেক গুৱাহাটীৰ পৰা দূৰত থাকে। বেছিৰ ভাগ সময় মই দেউতাৰ লগতে যাবলৈ জেউৰ ধৰি সফল-কাম হওঁ, কেতিয়াবা মাই বাধা দি যাবলৈ নিদিয়ে। মই লগত গ'লে দেউতাৰ আনন্দই পাৰ ভাঙি যাব খোজে। মযো দেউতাৰ বক্তৃতাৰ জ্ঞান আৰু কৌশল কিছু কিছু আয়ত্ব কৰি পেলাওঁ, এনেকি ৰাইজৰ অনুৰোধ বা আদেশ ক্ৰমে মযো কেইবা ঠাইত দেউতাৰ লগতে বক্তৃতা দিবলগীয়া হৈছিলোঁ। মোৰ বক্তৃতাৰ ফোঁপ-যষ্টী কথাবোৰ ৰাইজৰ পৰা কিয় ভূৰি ভূৰি প্ৰশংসা লাভ কৰিছিল—কব নোৱাৰোঁ। ই দেউতাৰ আত্মাৰ আশীৰ্বাদহে।

বাধাপ্ৰাপ্ত হোৱাৰ দিনা অগত্যা দেউতা অকলে যাবলৈ বাধ্য হয়—তেওঁ যে যাবই লাগিব। বক্তৃতা সভালৈ যোৱাৰ সময়ত সিদিনাও মোক মূৰত ধৰি আশীৰ্বাদ দি দেউতাই চলচলীয়া চকুৰে কৈ গ'ল—'যেনাহং নামৃতা স্যাং কিমহং তেন কুৰ্যাম' কথাষাৰি সদায় আত্মাৰ দৃষ্টিত ৰাখিবি মা। তই অমৃতত্ব লাভ কৰিবি। গুৰু বৃহস্পতিও ঘোৰ অপবাদ আৰু অসত্যৰ কবলত পৰিবলগীয়া হৈছিল, কিন্তু তেওঁ আৰু বেছি মহৎ হে হৈছিল। আত্ম-বিস্মৃতি যেন গুৰুতৰ অৱস্থান্তৰতো নঘটে। ভোকাতুৰ সিংহইও বিষ্ঠা ভোজন নকৰে, তৃষ্ণাতুৰা চাতকিনীয়ে বৃষ্টিৰ জল-ভিন্ন অন্য জল পান নকৰে, ঊৰ্দ্ধমুখী-হৈহে তেওঁ সদায় ভদ্ৰ-দৰ্শন কৰে। অষ্টাবক্ৰৰ ভদ্ৰ-দৰ্শনৰ চেষ্টাহে প্ৰশংসনীয় চিৰ মংগলময়। তাৰ ফলশ্ৰুতিৰ নাম—বংশোদ্ধাৰ—বংশগৌৰৱ।'

দেউতা যেন একপ্ৰকাৰে হাওৱাই হৈ গ'ল—মোৰ এনে লাগিল। ঘৰত বিপদটোক 'জুৰাবীৰা' মেলিদি দেশৰ সম্পদটোক বিচাৰিলে

উকা (?) বক্তৃতাত, অধ্যয়নত, অধ্যাপনাত। ঘৰত মাৰ অবাধ ৰাজত্ব চলিল। মাত্র এটা নৈতিক বাধা—সিও যেন অপসাৰিত হ'ল অস্তমিত হ'ল। আমাৰ সংসা'-অৰণ্যখনত অস্তমিত সূৰ্যই এৰিযোৱা সূচীভেদ্য আন্ধাৰ নামে। দিবা-সুপ্ত তস্কৰবোৰ চকুত ৰক্ত ৰং। মদাৰ ফুলবোৰ ফুলি ফুলি উঠে।

ধনপতি সদাগৰে লগ-সমনীয় আদি কিছুমান উভয়লিংগ অনুচৰক লৈ এটি বন-ভোজৰ আয়োজন কৰিলে। সংগী হবলৈ এই উৰ্বীকো মাৰ ওচৰত টানি অনুৰোধ জনালে। চক্ষু-লজ্জা বশতঃ মাও আমন্ত্রিতা হ'ল—তেৱোঁ ইচ্ছা কৰিলে হয়তো যাব পাৰে।' এনে এটা ভাবেৰে পৰিকল্পনাটো কৰা হ'ল অৰ্থাৎ মা' নোযাৱাটোৱেই একান্ত কাম্য। কাৰণ হাজাৰ হওক জন্মৰে পৰা নিজহাতে পালন-পোষণ কৰা ছাগলিটিক জানি শুনি কচাইৰ হাতত বিক্ৰী কৰাটোত গৰাকীয়ে হয়তো খুব এটা আনন্দ নাপ ব। কিন্তু তথাপিও প্ৰায় বহুতেই চকুমুদি কচাইতেই ছাগলী বিক্রী কৰে। হত্যাকাণ্ডটো চকুৰ আগত অন্ততঃ নঘটিলেই তেওঁলোকে একপ্রকাৰ আনন্দ পোৱাৰ প্ৰয়াস কৰে। গতিকে ঘৰখন অকলশৰে এৰিব নোৱাৰাৰ আদৰ্শ লৈ—মা, অৱশ্যে নগল, নোগাল। নেৰানেপেৰা আপত্তি আৰু বাধাৰ সৃষ্টি কৰিও মই তিষ্ঠিব নোৱাৰি শেষ পৰ্যন্ত অদৃশ্য শক্তিৰ হাতত নিজকে সমৰ্পণ নকৰি নোৱাৰিলোঁ—এই হতভাগিনী উৰ্বী নিয়তিৰ ভোজৰ সংগী হলোঁ। 'নিয়তি কেন বাধতে'—মনে মনে আওৰালোঁ।

প্ৰায় সপ্তাহ জোৰা ভোজ উৎসৱত সৰ্ব প্ৰকাৰ খোৱা-বোৱা, নাচ-গান, আমোদ-প্ৰমোদ, অবাধ আসংগলিপ্সা চৰিতাৰ্থতাৰ পাত্ৰ ভেদে মুক্ত-গোপ্যাস্ফুৰণ চলিল। জন্মদাত্ৰী-প্ৰদত্ত কাক তালীয়বৎ মোৰ উৰ্বী নামটো পৰ্যন্ত জিকাৰ খাই উঠিল, পিতৃৰ 'উৰস'টোৱে মৌনী বিদ্ৰোহাগ্নি জ্বলাই তুলিলে। উৰ্বী-ঔৰ্ব্ব-প্ৰকৃতি গতা হৈ মই বাড়বাগ্নি প্ৰজ্জ্বলিত কৰিলোঁ। অৰ্দ্ধ-দগ্ধহৈ বহুতেই চেপ্তালুটি পাৰিব ধৰিলে

কিন্তু ধনপতিহঁত দ-পানীৰ মাছহে—কন্তেক ডুব মাৰি থাকিল। ডুবিযাই ডুবিযাই সৰু-দুৰ্বলী মাছবোৰ গিলি গ'ল। লক্ষ্য তাৰ এটি দেৱাঙ্গ মাছ। বাহিৰৰ বীৰদৰ্পটোৰ কৱচৰ তলত মোৰ নাৰীদেহটো ভীতি-গ্ৰস্তহৈ থাকিল, কাৰণ—বাড়বাগ্নিকো নিৰ্বাপিত কৰাৰ কৌশলটো সিহঁতে আযত্ত কৰি থৈছে। মই কিন্তু মাতৃ উৰুভেদ কৰি অহা উৰ্ব নহওঁ, মাতৃয়েহে নিজ উৰু ক্ষত কৰি মোক ছেদকৰি উলিয়াই দিছে। গতিকে মাতৃয়ে মোৰ ঔৰ্ব-শক্তি খৰ্ব কৰি পেলাইছে। 'ঋষিৰ দৰে—ভূন উৰ্ৱছি বোলা মোৰ সুৰো যেন অসাৰ্থক আৰু অৰ্থহীন হৈ পৰিল।

নিজৰ অজ্ঞাতেই বলিশালৰ অন্তভুৰ্ক্তা হোৱা ৰহস্যটো মোৰ বাবে সম্পূৰ্ণ অজ্ঞাত হৈয়েই ৰ'ল। সকলোৱেই চাহ চৰ্পত কৰি পান কৰিছে—মো কা দিছে, তাত কোনো সন্দেহৰ অৱকাশ নাই। অৱশ্যে 'বিদগ্ধ পণ্ডিত-পুত্ৰী গাৰ্গীক (?) বিশেষ সম্ভ্ৰম আৰু সতৰ্কতাৰেই এই সকলোবোৰ যচা হৈছে। এই সকলোবোৰ মোৰ সম্পূৰ্ণ অজ্ঞাত—এবোদ্ধেই মোৰ তিল প্ৰমাণো আসক্তি থকাৰ প্ৰশ্নই নাই। কিন্তু প্ৰবাসত নিয়ম নাই বুলি কোৱা হয়, আৰু ভদ্ৰতাও ৰাখিব লাগে। অৱশ্যে পৰৰ লগত বাস কৰিছো যেহেতু ইয়ো জানো প্ৰবাস নহয়? ঘৰ-ভূৰ, বাহিৰ-ভূৰ, গতিকে দুৰত্ব-অস্তিত্ব টো টলং-ভটং। দুৰৰ নিশাবোৰ মোহাচ্ছন্ন। গভীৰ নিদ্ৰাত সকলো নিদ্ৰামগ্ন। 'পণ্ডিত-কন্যাৰ শয়নৰ বিশেষ ব্যৱস্থা'— সুকীয়া-নিৰল আৰু শ্ৰদ্ধা প্ৰদৰ্শনৰ আন্তৰিক ব্যৱস্থা কৰা হৈছে।

ৰজনীবোৰে ৰং লগায়। 'ৰঞ্জ' ধাতুটো বাতি ক'লাই নহয় জানো? পিচদিনাৰ প্ৰভাতটো ৰৰ পলমকৈ আহিল। মৃত্যুৰ তালিম দি অদ্ভুত চকু মেলিলোঁ। টোপনি, মৰাই সমান টোপনি ক্ষুদ্ৰ মৃত্যু, কিন্তু পুনৰ্জন্মৰ নতুন পাতনি—এই ক্ষণিকৰ মৃত্যু। টোপনিত বিহৰ কণিকা প্ৰয়োগ কৰিব পাৰিলে--সাধনা আৰু মৃত্যু—দুই পক্ষৰেই পথ ৰুজু হয়।

মোৰ সৰ্বশৰীৰত এটা অস্বাভাৱিক বিষৰ উমান পালোঁ। শৰীৰৰ পিন্ধা কাপোৰ কানিবোৰ একেবাৰেই অসংযত, কেশ-গুচ্ছ ৰুক্ষ, দেহৰ আবৃৰ-সমৃদ্ধ অংগবোৰত অনঙ্গ—আঁচোৰ—অশালীনতাৰ বজ্ৰলেপ। কিন্তু শয়ন বা নিদ্ৰা-পূৰ্ব অৱস্থাটো এইটো নাছিল? তেনেহলে জীৱনত নোহোৱা-নোপোজা এই কিংশুকী কাহিনীৰ অৰ্থ কি? কোনে কেতিয়া আৰু কি বাবে এই কাহিনীৰ নৱোন্মোচনী উদ্বোধন কৰিলে? কাৰ বঢ়া ভাত কাঢ়ি খাইছিলোঁ মই?

মোৰ মূৰ ঘূৰি গ'ল, কলিজাৰ স্পন্দনটোও মাৰ যোৱাৰ উপক্ৰমেই হৈছিল নেকি? অস্বাভাৱিক দীৰ্ঘ-বিৰতিৰ মূৰে মূৰেহে ই তাৰ অস্তিত্বৰ সঁহাৰি দিছিল। প্ৰভু! তুমি অন্তৰ্যামী। অজানিত অনাকাঙ্ক্ষিত দোষ ক্ৰটীৰ বৈ নাকাটিলে নতুন অপৰাধবোধে 'গণ্ডস্যোপৰি বিস্ফোটকম্'ৰ দৰে নতুন পীড়াৰ জন্ম দিব। মোৰ মৰ্মস্থলৰ পৰা ৰক্ত স্ৰৱণ হৈছিল। এটা অব্যক্ত বিষ অনুভৱ কৰিছিলোঁ। ই কি হ'ল মোৰ। মই কি গিৰি-শৃংগৰ পৰা কুকস্থত পৰি গৈছিলোঁ নেকি?

মই আতংকত আৰ্তৰাৱ কাঢ়ি উঠিছিলোঁ। আথানত বিষৰ তীব্ৰতাৰ জ্বালা। অসুস্থতাৰ অজুহাত দেখুৱাই ঘৰলৈ ফিৰি অহাৰ জোৰ প্ৰস্তাৱ দিলোঁ। অৱশেষে মোক সসম্ভ্ৰমে ঘৰলৈ লৈ অহা হ'ল।

ঘৰত কেইদিনমান প্ৰচ্ছন্ন পাগল হৈ ৰলোঁ। মানৱ জীৱনটো এখন বিয়োগান্ত নাটক। দুঃখৰ বজ্ৰ-মুষ্টিয়ে আঘাতৰ উপৰি আঘাত কৰিলেও কেতিয়াবা মুখ ফুটাবৰ উপায় নাই। মা হিৰোভা মানুহ—মোৰ অৱস্থাটো সহজেই অনুমান কৰিলে। এতিয়াহে তেওঁ ভূমিকম্পৰ জোকাৰণি অনুভৱ কৰা যেন লাগিল। কিছু উদ্বিগ্নতাৰেই মোক প্ৰশ্ন কৰিলে—'উৰ্বী' কি হ'ল তোৰ?' মই খঙেৰেই উত্তৰ দিলোঁ—'তোমাৰ ইচ্ছাই সত্বৰ পূৰ্ণ হ'ল। দেউতাৰ গাৰ্গী মৈত্ৰেয়ী আত্ৰেয়ীবোৰ মৰি ভূতুনী হ'ল। তোমাৰ উৰ্বীৰ দেহটো হয়তো

উই-কৰ্কৰা নে উই-টিলা— কিবা এটি হ'ল। অপমানীতা আৰু কষ্টা ভূতুনীবোৰে তোমাক টেট্‌ চেপি ধৰিব, মৃৰত উঠি নৃত্য কৰিব, তুমি জীৱন্তে শ্মশান বাসীনী হবা। দেউতায়ো অব্যাহতি নাপায়। জ্ঞানী, পণ্ডিত আৰু সাধু হলে দুৰ্বল হব লাগিব—এয়ে হয়তো তেওঁলোকৰ নীতি শাস্ত্ৰৰ সূত্ৰ নে 'হাইপ'থেছিছ'। দুৰ্বল মানুহকো জ্ঞানীভূতে ধৰি জুলোকা জোলোকে শিকায়। কেতিয়াবা চৰম শাস্তিটোকেই দি পেলায়। গীতাৰ কৃষ্ণ, জ্ঞানীও বলীও— শাৰীৰিক, নৈতিক, আধ্যাত্মিক— সকলো শক্তিৰেই চৰ্চাকাৰী। জ্ঞানী-মূৰ্খ দেউতা সবল হ'ল— তুমি মোক আজি এইদৰে, বাক্‌নী ৰূপে চোবাই চোবাই খাই শেষ কৰিব নোৱাৰিলাহেঁতেন। তুমি মাতৃ নামৰ দুৰ্ঘোৰ নৰক, ঘৃণ্য কলংক। কোনো সন্তান—বিশেষকৈ কোনো কন্যা সন্তানেই যেন তোমাৰ দৰে পিশাচী মাতৃ-গৰ্ভৰ পৰা জন্ম গ্ৰহণ নকৰে। যদি পাৰে-- সিহঁত অযোনী—সম্ভৱা হওক। নহলে জন্ম গ্ৰহণেই নকৰক। তুমি পুত্ৰী-ঘাতিনী, তুমি মা নোহোৱা— তুমি সাক্ষাত ডাকিনী। চিতা জুইতকৈয়ো চিন্তা জুই কুৰা সহস্ৰ গুণেই অন্তৰ্দাহী। এই মৰ্মান্তিক বেদনা-দায়ক জুই কুৰাত কিছুদিনৰ বাবে আধাপোৰা খৰি হবলৈ মোক এৰি দি বং চাব হয়তো পাৰিবা— কিন্তু তোমাৰ বং চাবলৈ তাৰ পিচত হয়তো এই পৃথিৱীত কোনোৱেই শৰীৰ ধাৰণ কৰি নাথাকিব। তুমি মৰিশালিৰ ভগ্ন কলহ-টেকেলি আদি মৃন্ময় পাত্ৰৰ মাজত ভস্ম স্তূপত বহি অকলে অকলেই বিনাবা। তোমাৰ বিননিৰ— কাৰো হৃদয় স্পৰ্শ কৰিব নোৱাৰা প্ৰতিধ্বনিবোৰে শ্মশান-ভূমিৰ ভগা কলহ-টেকেলিবোৰত ঠেকা খাই খাই তোমাৰ বুকুলৈকে ঘূৰিবেং হৈ ফিৰি আহিব। তোমাৰ এইবোৰ বুজিবলৈ জ্ঞান ক'ত আকৌ? ডাকিনী-যখিনীবোৰেও তোমাৰ শঠা-মিত্ৰ হৈ পৰি তোমাৰ সঙ্গ লব। তুমি চিৰকাল তাৰেই বাসিন্দা হবা আৰু মই জন্ম-জন্মান্তৰৰ

বাবেই হেৰাই যায়।’

দেউতা দেশ-উদ্ধাৰ কৰি আহিল,— মযো আজি মা'ৰ ঔচ্ছিল্যময় সুৰৰ জেৰ টানিধৰি কবলগীয়া হৈছোঁ, উচ্চাৰণ কৰিবলগীয়া হৈছো—এ'ন অন্তদাহী বাক্য। দেউতা, দুৰ্ভগা সন্তানক অতি স্নেহ বসতঃ তুমি ক্ষমা নকৰিবা। প্ৰভো। এই দীনা, এই জ্ঞানহীনা নাৰীয়ে আপোনাৰ শ্ৰীচৰণত'হে সেই ক্ষমাৰ আশ্বাস পাম বুলি প্ৰাৰ্থনা জনালো। আপুনি উত্তম বিচাৰক, যি কোনো তাৰ্কীকেই আপোনাৰ ওচৰত যুক্তি তৰ্ক উত্থাপন কৰিবলৈ দুঃসাহস কৰিব নোৱাৰে, তেওঁলোক অপাৰগ। সেই জ্ঞান বস্তুবেই নাই বুলি মোৰ বিশ্বাস ঘণীভূত হৈছে দিনদিনাই। আপোনাৰ একণ দয়াই মোৰ ইহ-জন্ম পৰ-জন্মৰ শান্তি আৰু মুক্তি সাধন কৰিব। সহস্ৰ নদীয়ে শোষা কৰা'হ'লেও সিহঁ'ত সিন্ধু বক্ষৰ কামোহা'ডা উলিযাব নোৱাৰে। সিন্ধু সিন্ধুয়েই হৈ ৰব।

কাগজ-পত্ৰে ডাঙৰ ডাঙৰ হৰফেৰে দেউতাৰ নাম আৰু বক্তৃতাবোৰ ছপা হৈ ওলাল। প্ৰশংসা পাৰ ভাগি বৈছে। দেউতাক লৈ হেনো দেশে গৌৰৱ অনুভৱ কৰে। কিন্তু তেওঁৰ ঘৰখন? মই? ইমান বিশাল বিদ্যাই যদি নিজৰ ঘৰখনকেই বচাব নোৱাৰে, শাসন কৰিব নোৱাৰে, অধঃপতনৰ গ্ৰাসৰ পৰা উদ্ধাৰ কৰিব নোৱাৰে, বা তেনে কৰিবলৈ অপাৰগ হয়, ব্যৰ্থ হয়, তেনেহ'লে অহৰ্নিশে সময়-ধন-আয়ুস ক্ষয় কৰি চৰ্চা কৰা বিদ্যাৰ সাৰ্থকতাটোনো ক'ত ৰ'ব। পণ্ডিতৰ ঘৰতে যদি নৰক হয়, তেনেহলে দশৰ 'নৰ'বোৰৰ ঠাই ক'ত? শিয়াল-শগুনৰ ভক্ষাৱশিষ্ট মৰাশৰ লাও খোলা'ত মুৰ'টো থৈ ও আসুৰিক স্বভাৱেৰে সেইদিনমান সিহঁত বৰ্তি থাকিব লাগিব। এই অপ্ৰিয় সত্য'টোৰ নগ্ন উক্তিয়ে দেশৰ বহু বৃহস্পতি-ৰূপ জ্ঞানী-মানীক আঘাত দিব পাৰে। অজ্ঞাত আৰু অনিচ্ছাকৃত উক্তি আৰু দোষৰ বাবে অজ্ঞাত মহাত্মা সকলৰ শ্ৰীচৰণত পৰি দোষ-মাৰ্জনা ভিক্ষা কৰিছোঁ। সেই ভিক্ষা প্ৰভুৰ

শ্ৰীচৰণত পাৰেই মই ।

দেউতা গৃহাৰণ্যলৈ আহিযেই মোৰ বিচাৰ কৰিলে, মই দেউতাৰ ওচৰলৈ নোযোৱাত তেওঁ পৰম বিস্ময় মানিলে। দেউতাই যেতিয়াই মোক লগত লৈ সভা-সমিতি আদিলৈ গৈছিল, বহিৰ্ভ্ৰমণলৈ গৈছিল,—তেতিয়াই বক্তৃতা মঞ্চত তেওঁৰ কাষত মোক বহুৱাই লৈ ভৱিষ্যতৰ বাবে প্ৰশিক্ষণ দিছিল। তেওঁ কৈছিল—'কিছু কিছু বিদ্যা তোৰ আয়ত্ত হৈছে, কিন্তু বিদ্যাৰ্জনত তই চৰম সীমালৈ কৰা অবিশ্ৰান্ত, অক্লান্ত গতিটো অব্যাহত ৰাখিবই লাগিব। মোৰ অবিহনে মা গাৰ্গী। এইস্থান দৈত পূৰাৰ লাগিব— এই স্থান, এই বাম—মোৰ পাচত যে তোৰ— এই কথা কেতিয়াও বিস্মৃত নহবি।' ধূপ-ধূনা, ফুল আদিৰ গন্ধত, দেউতাৰ অতি গভীৰ অথচ মনোমুগ্ধকৰ বক্তৃতাৰ মাজত কোনোবা অলকাপুৰীৰ দেৱ সভাত মই হেৰাই যাওঁ। বক্তৃতাৰ সময়ত এই নিৰ্বাক নিমীলিত, দুৰ্বলমনৰ যেন লগা এই ব্যক্তি সত্তাটোক দেৱগুৰু বৃহস্পতি অথবা বেদ ব্যাস যেনহে অনুভৱ হয়। অন্ধকাৰ নৰকৰ যাত্ৰীহে কিছুদিন তেনে বক্তৃতা আপোনাৰ শ্ৰীমুখৰ বাহিৰৰ কৰ্ণে শুনা নাছিলোঁ। দেউতাই যেন মোক প্ৰভুৰ আশ্ৰয়লৈকেই ।

মোক লগত লৈ নোযোৱাৰ বা যাব নোৱাৰা বাবে মোৰ অভিমান হৈছিল বুলি হয়তো দেউতাই ভাবিছিল। সেইবাবে মোক মাতি নি গা-মূৰ পিহিদি কপালত চুমা খাই এক প্ৰকাৰ তাৰ বাবে ক্ষমাই খুজিছিল তেওঁ। কিন্তু ইমানতো মই বজ্ৰপৰা মানুহৰ দৰে হুম্‌ভুম্‌ নামাতি থৰ হৈ ৰলোঁ। মোৰ জীৱনত চিতাৰোহণৰ লেখীয়া অভিমানটোৰ বস্তু-তত্ত্ব এজন পলায়ন বাদী (?) ঋষিৰ নথকাই স্বাভাৱিক। অৱশ্যে এইটো নিশ্চিত আছিল যে দেউতাৰ লগত যোৱা হলে মোৰ এই সৰ্বনশীয়া কাহিনীৰ সৃষ্টি নহ'লহেঁতেন। যিমান দিনেই নহওক লাগে, মই দেউতাৰ লগত থাকি গ'লোহেঁতেন।

মাই মোক তেওঁৰ লগত যাবলৈ বাধা দিয়াৰ কাৰণটো কি—আছিল ? মইতো মায়া-সোণৰ-হৰিণৰ পিচত দৌৰাৰ প্ৰশ্নই নাছিল ! মাৰ দৰে প্ৰকৃত-উপযুক্ত, শিক্ষা-দীক্ষাহীন আধুনিক যুগৰ নাৰীয়ে সীতাৰ দুস্কৰ্ম আৰু পতনৰ তাৎপৰ্যটো বিচাৰ কৰিব নোৱাৰে। পণ্ডিতৰ ঘৰৰ গগনস্পৰ্শী সংস্কৃতি, মান-সম্ভ্ৰম, লাজ-কাজ সুঁৰৰি, মোৰ লগতেই মা নোলাল কিয় ? অন্ততঃ সৰ্বনাশৰ আধা নবচালে কিয় ? তেওঁতো ঘৰত অকলেই থাকিল। নিজক বচোৱাৰ ক্ষমতা আৰু আভিজাত্যাভিমান মোৰ পূৰ্ণমাত্ৰাই আছিল। কিন্তু চৈতালিৰ চিত্ৰীয়ালৰ মোৰ'টো শুক বৃহস্পতিও জানো পাইছিল ? মৰাশৰ দেহৰ ওপৰত ভূত-প্ৰেতেইহে তাণ্ডৱৰ তালিম দিয়ে।

দেউতাৰ ভৰিৰ পতাৰ ওপৰত মোৰ মৌনী-ব্যৰ্থ অশ্ৰুবোৰ টপ্‌টপ্‌কৈ সৰি পৰিবলৈ ধৰিলে— পণ্ডিত পুৰুষ ভেবাবাম হৈ গ'ল। মই এখুজি-দুখুজিকৈ দেউতাৰ ওচৰৰ পৰা অপূৰ্ণঘাত অপসৰী সূতাৰ দাৰে যেন বতাহত খোজ দি আঁতৰি আহিলোঁ।।

মা' পৰা পক্ষত দেউতাৰ ওচৰৰ পৰা আঁতৰি ফুৰিছিল। কিন্তু কিমান দিন এইদৰে স্বামীক আঁৰ কৰি ফুৰিব ? এদিন অলপ জোৰ কৰিযেই মাক লগ ধৰি দেউতাই প্ৰশ্ন কৰিলে 'গাৰ্গীৰ কি হৈছে ? ক্লাছলৈও যোৱা নাই, ঘৰতো এইদৰে বিষণ্ন মনে থাকে, স্বাস্থ্যও ম্লান হৈ গৈছে। মোৰ আগততো কান্দিয়েই পেলালে। তাইৰ চকুৰ পানী মই সহ্য কৰিব নোৱাৰোঁ। তাইৰ জীৱনত এইটো অস্বাভাৱিক অৱস্থা মই কেতিয়াও দেখা নাই। কি হৈছে তাইৰ ? তুমি মাকজনীহে এই মৰ্মান্তিক বেদনাৰ কথা উপলব্ধি কৰিব পৰা নাইনে ? কিবা মৰ্মান্তিক ধৰণৰ বেদনাই হ'ব নিশ্চয়। নহলে তাই এনে নকৰে। তাইৰ দেৱীৰূপটোত সোণত সুৱগা চৰোৱা পৱিত্ৰ বিদ্যাও আছে—তাই হাজাৰৰ ভিতৰতেই বিদুষী গুণৱতী কন্যা। এই বেদনাৰ কথা তুমি নিশ্চয় জানা। তাইৰ কি হৈছে ? মই নিঃশেষহে যাম,—মোৰ প্ৰাণ

বায়ু ওলাই যাব—যদিহে তাইৰ এই চকুপানীৰ ধল বন্ধকৈ নাযায়! তুমি মোক এই মুহূৰ্ত্তে কৈ দিয়া। মোৰ কলিজাৰ ধিপ্-ধিপনিটো তাইতে বৰ্ত্তি আছে।' 'মই কেনেকৈ কম—উৰ্বীৰ কি হৈছে। ধন-পতিহঁতে বৰ নেবানেপেৰাকৈ অনুৰোধ কৰাত বন ভোজলৈ তাইক যাবলৈ দিলোঁ। প্ৰায় এসপ্তাহ মান পিচত তাৰপৰা আহি গা-অসুখ বুলি পৰি থাকেহি। মোৰো তাৰ বাবে চিকিৎসাৰ কৰিলে পাৰেমানে। আপোনাৰ গাৰ্গী, মৈত্ৰেয়ী-আত্ৰেয়ীবোৰক হেনো এই, একমাত্ৰ মযেই হত্যা কৰিলোঁ। তাই যদি কৰবাত কিবা এটা কৰি পেলা লগাইছে, তাৰবাবে মই কিয় দোষ মূৰ পাতি লম? মই কিয় জগৰত পৰিম? পঢ়ুৱাই শুনুৱাই ধৈৰ্যৈ কৰিলে আজিকালিৰ ছোৱালী এনেকুৱাই হয়। দুপাত কিতাপ পঢ়ি উদণ্ডাই মাতৃ-ভক্তিৰ কথা পাহৰি যায়। তাই ধন-দৌলতৰ ওপৰত ধাগৰি বাগৰি ৰাজৰাণী হৈ ৰাজপাট ভোগ কৰক! নিজ সন্তানৰ বাবে এই মহৎ কামনা কৰিছোঁ, সুবিধাও দিছোঁ - এই ক্ষেত্ৰত। তাই কেনে ভাবে লয়—সেইটো তাইৰহে কথা। তাত মোৰ দোষটো ক'ত মই বুজি নাপাওঁ। কোনোবা মূৰ্খ আৰু হিংসাকুৰীয়াই কলেই মই দোষী হ'মনে? সিহঁতে বিচাৰে—মই তাইক কোনোবা ডাল-দৰিদ্ৰ, দিন-ভিক্ষা প্ৰাণ-ৰক্ষা' সন্ন্যাসীলৈ বিয়াদিওঁ আৰু কেইদিন মান পিচতে স্বামী-স্ত্ৰী—উভয়ে ভিক্ষাৰ জোলাডা লৈ দুৱাৰে-দুৱাৰে ভিক্ষা মাগি ফুৰক অথবা দিন মজুৰি কৰি পেট প্ৰবৰ্ত্তাওক। আপোনাৰ যিহে ছোৱালী—দুপাত কিতাপ পঢ়া সন্ন্যাসী-বৈৰাগীৰ প্ৰতিহে উৎকট্ টানটো। তাইৰ দুখ নহৈনো কাৰ দুখ হ'ব! মই আন মানুহৰ মুখৰ পৰা শুনা নাইনে—বনভোজত খোৱা লোৱা অ দি সকলো বস্তুৰেই যিহে উভৈনদী হৈছিল! কোনোৱেই এটা পাতি পইচাও খৰচ কৰিব লগীয়া হোৱা নাই। উৰ্বীৰ বাবেতো ৰাজৰাণীৰ দৰেই ব্যৱস্থা। বহুতৰ হেনো ঈৰ্ষাই হৈছিল—তাইৰ ওপৰত। উৰ্বী মোৰ ছোৱালীহে! তাইক মোৰ লগত খাপখোৱা মৰ্যাদাখিনি দিবই

লাগিব ! কিন্তু মই আচৰিত হৈছোঁ—তাই ইমান দুঃখ কৰিব লগীয়া কিটো আছে ? সকলো কথাৰেই একোটা উপায় আছে—সু সমাধান আছে। বিশেষতঃ ধনপতি এ এ আপোনাৰ কি হ'ল ? মূৰটো দেখোঁ—একেবাৰেই হালি পৰিছে। শুনিছেনে ? মূৰটো তুলিলৈ পোনহৈ বহক চোন। কি হল ? নামাতে দেখোঁ ? আপুনি আকৌ এনেখন কৰিবলৈ কিটো হ'ল ? কি বিপদ। চকু উৰ্দ্ধ এইপিনে আহচোন। এই, আপোনাৰ মহিমা বুজাই টান।' মাৰ হৃদয়হীন ঘৃণনীয় কথাবোৰে মোক ইতিমধ্যে খুব সৰকা কৰি বিক্ষি উত্তেজিত কৰি তুলিছিল। মই প্ৰায় দৌৰি গৈ দেউতাৰ মূৰটো তুলি ধৰি তেল-পানি দি থপৰিয়াই থপৰিয়াই দিলোঁ। মহাজ্ঞানৰ আধাৰ সেই মূৰটো কোলাত তুলি ললোঁ। ইতিমধ্যে ডাক্তৰ আহি চিকিৎসা আৰম্ভ কৰিছিলহি। কেইচামুচমান গৰম গাখীৰ খুৱাই দিলোঁ। ডুবি যাব ধৰা হৃৎপিণ্ডৰ স্পন্দনটো কিছু দ্ৰুততৰ হ'ল। গৰম পানীৰে ভৰি-হাতবোৰ ধুৱাই দিলোঁ। দুঘণ্টামানৰ ভিতৰতে জ্ঞান আহিব বুলি ডাক্তৰবোৰে ক'লে। ডাক্তৰ-কবিৰাজ অগণন হ'ল মুগ্ধ ৰাইজ ইতিমধ্যে আমাৰ দেউতাৰ ঘৰৰ চৌহদ আলি-পদূলি বিৰাদি বাট নোপোৱা ভিৰ কৰি তুলিলে। 'মহা পণ্ডিতজন দেশৰ সম্পদ।' ঠিক দুঘণ্টা মান টোপনি যোৱাৰ দৰে, তন্দ্ৰা মাৰি থকাৰ দৰে থাকি ঈষৎ চক্ষু উন্মীলিত কৰিলে দেউতাই। মাই কিবা কব খুজিছিল। মই মাক বাধা দিলোঁ।

ডাক্তৰৰ পৰামৰ্শ মতে দেউতাৰ ওচৰত তেতিয়া মা আৰু মোত বাদে আন কোনো মানুহ নাছিল। ডাক্তৰ আৰু গণ্য-মান্য মানুহবোৰ আন আন কোঠালিত বহি দেউতাৰ বিষয়েই আলোচনা কৰি আছিল। মাৰ মেল খাব ধৰা মুখখনলৈ লক্ষ্য কৰি মই কলোঁ 'মা, তুমি মুখ বন্ধ কৰা, ইমানেই বুলাইছে, স্বামী ঘাতিনীৰ পাপতো লিপ্ত নহবা। তোমাৰ আদৰ্শই প্ৰতিষ্ঠা হ'ব। কাৰোবাৰ ধন দৌলতবোৰৰ দ্বাৰা

তোমাৰ খকুৱা স্বভাৱ আৰু নীচ মনটোকেই ৰাজৰাণী কৰি সুখে-স্বচ্ছন্দে ভূত-প্ৰেতৰ ৰাজ্যতেই অকলশৰীয়া ৰাজত্ব কৰিবা। তোমাৰ সেই ৰাজত্বত দেউতা আৰু মোৰ অস্তিত্ব হেৰাই যাব। এক বিচিত্ৰ ইতিহাসৰ পাতত তোমাৰ নাম জিলিকি থাকিব—নাৰীৰ গৌৰৱময় ইতিহাসে তোমাৰ গুণ-গৰিমা কীৰ্তন কৰিব। তুমি চিৰজীৱিনী হবা, আমি অনামীহৈ হেৰাই যাম।'

দেউতা যি পাটীত পৰিল— পৰিলেই। বহুত'বাৰ ডাক্তৰ কৰিৰাজেৰে দেউতাৰ ঘৰ ভৰি থাকিল। তেওঁলোকে স্বেচ্ছাই দেউতাক নানা তৰহৰ পৰীক্ষা-নিৰীক্ষণ কৰি কলে—'আশা বৰ দুৰ্বল, চিকিৎসাৰ বলত দুই এদিন বাচিব পাৰে। He has been engulfed by a fatal cardiac shock? দেউতাই হঠাতে কেতিয়াবা জ্ঞান পায়, হঠাতেই জ্ঞান হেৰাই যায় তেওঁৰ। তৃতীয় দিনা সামান্য ধৰণে জ্ঞান অহা যেন লাগিল। চকু কলাঘূৰতীয়া। সোঁহাতখন ওপৰলৈ তোলাৰ ভংগী কৰি দুৰ্বল ভাবে মোৰ কালে চালে— মই দেউতাৰ মুখৰ ওচৰলৈ গলোঁ। কঁপা-কঁপা হাতখন মোৰ ব্ৰহ্মৰন্ধ্ৰত থৈ অস্পষ্ট ভাৱে কিবা উচ্চাৰণ কৰিলে। দুধাৰি অশ্ৰু দুগালেদি প্ৰৱাহিত হৈ গ'ল। কিছুপৰৰ মূৰত স্পষ্টভাৱেই শুনা গ'ল— 'Sufferings acompany and end with emancipation. It is Sufferings that leads up to the goal in the long run All's well that ends well অসতোমা সদ্‌গময়, তমসোমা জ্যোতিৰ্গময়, মৃত্যোৰ্মা অমৃতংগময়। মা গাৰ্গী, তোৰ দুখৰ ৰাতি পুৱাব, মোৰ বস্তুতকৈও ভাল বস্তু তই অতি উত্তমজনৰ ওচৰত অচিৰেই পাবি। সেইজনেই তোক দেৱীৰ ৰূপত প্ৰতিষ্ঠা কৰি থৈ যাব। তোৰ পিতৃ-আত্মাই যেন এই সত্যক প্ৰত্যক্ষ দৰ্শন কৰিব পাৰিছে। দুঃখ আহিব, দুঃখত মৃয়মানো হবি, কিন্তু তই অমৰত্বহে লাভ কৰিবি, তই দেশ প্ৰেমিক দেৱতাৰ সান্নিধ্য লাভ

কৰিবি। ওঁম্ শান্তি, ওঁম্ শান্তি, ওঁম্ শান্তি, নাৰায়ণ, নাৰায়ণ, নাৰায়ণ।' দেউতাৰ মুখটো এৰ্কতীয়াকৈ হাঁহি পৰিল। ভীষ্মৰ শৰ-শয্যাৰ অন্তত ই যেন ইচ্ছা-মৃত্যু।

এই পৃথিৱীত মহাভাৰতখন চলিয়েই আছে, মহাভাৰতৰ শেষ নাই। অন্যায় যুদ্ধত ভীষ্মবোৰ শৰশয্যাতেই পৰে। নপুংসক শিখণ্ডীয়েই মহাজ্ঞানী গাঙ্গেয়ৰ মৃত্যুৰ মূল সূত্ৰ, অৰ্জুন নিমিত্ত মাত্ৰ। কিন্তু অৰ্জুনৰ ৰথৰ সাৰথি নাৰায়ণৰ এই অভিপ্ৰায় কিয় ?

মাই শুভ্ৰ বস্ত্ৰ পিন্ধিলে। কিন্তু মনটোত, চিত্তটোত, অন্তৰখনত শুভ্ৰতাৰ অস্পৃশ্য (?) স্পৰ্শ লাগিল নে নাই কব নোৱাৰিলোঁ। অনুশোচনাৰ শান্তি-জলে মন পৱিত্ৰ আৰু শান্ত কৰিলে নে নাই—তাৰো উমান নাপালোঁ।

দেউতাৰ চন্দন কাঠৰ চিতা-ভস্ম আৰু হাড়বোৰৰ ভস্ম কিছুদিন শুভ্ৰ হৈয়ে ৰ'ল। কিন্তু লাহে লাহে সিও মেঘ-বৰ্ণ হৈ আহিল নৱ নৱ-সৃষ্টিৰ অংকুৰ বহন কৰিলে। জ্ঞান-বিদগ্ধজন শুষ্ক-কাষ্ঠ খণ্ডবে প্ৰজ্বলিত অগ্নিত দগ্ধ হৈ গৈছে—এৰি গৈছে সেই সেউজী ভস্মস্তূপ। সেই স্তূপত পূৰ্বাভিপ্ৰেত নৱ নৱ সৃষ্টিৰ অংকুৰ নিশ্চিত ভাবেই প্ৰচ্ছন্ন হৈ আছে।

কীটানুবিদ্ধ মনটোত মই শত শত বৃশ্চিক দংশনৰ জ্বালা অনুভৱ কৰিবলৈ ধৰিলোঁ। নাৰীজাতিৰ সৌন্দৰ্যৰ গৌৰৱটো যেন 'ৰৌৰৱ'ত পৰিণত হ'ল। সুপ্তাত্মাৰ ক্ৰন্দন শুনোতা কোনো নাই।—সঁচাকৈয়েই কোনো নাই। উৰ্বীজনীৰ বাবে উঞ্ছবৃত্তিৰো উপায় নাই, মোত, গাৰ্গী জীৱন্মৃত।

ধনপতি এদিন আমাৰ ঘৰলৈ আহিল। সম্ভৱত মাই গোপনে মতাই অনাইছে। দুয়ো গোপনে কিবা আলোচনা কৰিলে। ধনৰ পতিয়েই নেতিবাচক ভংগীত তেওঁৰ সাকৰা মুখটো জোকাৰিলে। তেওঁ কলে—'ৰাক চাওঁ-কি অসুখ হৈছে। কলিকতাত মোৰ এজন

ডাক্তৰ বন্ধু আছে, মোৰ ভনী এজনীৰ ঘৰো আছে। লক্ষ্ণৌতো বাইদেউ এজনী আছে। চিন্তা নকৰিব আপুনি। এঠাইত যেনে হ'লেও দেখুৱাবলৈ চেষ্টা কৰিম। নিশ্চয় ভাল হৈ যাব। সম্ভৱ, এইটো এটা এ'কাডাঙৰ বেমাৰেই নহয়। ম'ত্র কেইদিনমান হাস্পাতালত থাকিব লাগিব পাৰে।' ধনপতি গ'ল, কিন্তু এই নিঃস্বা উৰ্বীৰ মন পহিযন নগ'ল। অনাগত ভৱিষ্যৰ অন্ধকূৰৰ কথা ভাবি মোৰ শৰীৰ-মন শংকিত হৈ জিকাৰ খাই উঠিল। অশ্রুধাৰা অবাধ্য হৈ বৰলৈ ধৰিলে। দেউতা শুক্রাচাৰ্য হোৱা হলে ভয়ৰ বিশেষ কাৰণ নাছিল—মৃত সঞ্জীৱনীৰ বৰ অভাৱ নহ'লহেতেন, কিন্তু দেউতা দেৱ গুৰু বৃহস্পতি হৈ নিজে অভিশাপ মূৰ পাতি ললে। নিজ শিষ্যৰ কৰ্ম-গুণে নিজেই আত্ম-হত্যাকাৰীত পৰিণত হৈ গৈছিল। মই দেউতাৰ শিষ্যা নহৈ মাৰ শিষ্যা হোৱা হলে আজি মোৰ এই বিবেক-দংশন নহ'লহেঁতেন।

শৰীৰত বিষাক্ত কীটৰ দংশনৰ ছাপ বা দাগবোৰ ধনৰ ধনে ধুই নিয়ে। অনিচ্ছাকৃত-অজ্ঞাত দোষেও চিৰকাল পোৰে। শিশুৰ আঙুলিও জুয়ে পোৰে,-অবোধ-অজ্ঞান শিশু বুলি ক্ষমাটো জুয়েও নেদেখুৱাব, নকৰে। সংসাৰৰ হতভাগ্য নৰ-নাৰীবোৰ কাবোবাৰ চঞ্চল চকুৰ বাবে পিপিলিকা সদৃশ—বিশেষকৈ নাৰীবোৰ। ধনপতিহঁতৰ দৰে পুৰুষবোৰে মাকো আজি-কালি তুচ্ছ— তাচ্ছিল্য কৰে অৱজ্ঞা কৰে। কোন নাৰীৰ মৰ্মস্থল ক'ত—সিহঁতে চিনি পায়। হলা গছত বাগিকুথাৰ মাৰিবলৈ কোনোৱেই ভয় নকৰে—ইতস্ততঃ নকৰে—গছৰ লগত লতাও মূলোচ্ছেদ হয়। কিন্তু সিহঁতে মোক এতিয়াও ভয় কৰে, সমীহ কৰি চলে। মই সিহঁতৰ সুপ্ত-অথচ জীৱন্ত প্ৰত্যক্ষবিবেক, এই বিবেকৰ ওচৰত সিহঁত চিৰদিনেই পৰাজিত। মোৰ ধনৰ ওচৰত হীনমন্য, দুৰ্বল, সম্পদহীন, শ্বাপদ-স্বভাৱী আৰু পৰম ভীতু সিহঁতৰ দৰে তস্কৰবোৰ। সুপ্ত-ধৰিত্ৰীৰ বুকুত মল-মূত্ৰ ত্যাগ

কৰিবলৈ পিশাচৰো ভয় নাই, মৃত শৱদেহৰ ওপৰত তাণ্ডৱ নৃত্য কৰিবলৈ ভূতৰো ভয় নাই, দগ্ধাৱশেষ বা অৰ্ধদগ্ধ শৱদেহক উপকাৰী শৱযাত্ৰী (শ্মশানযাত্ৰী) য়েই টঙনিয়াই টঙনিয়াই শেষ কৰে।মৃতদেহৰ মৌনী কাতৰোক্তি বা প্ৰচ্ছন্ন কৰুণ কাহিনীৰ ইতিহাস কোনে শুনে?

গোটেই দিনটোত সিদিনা মোৰ প্ৰতি মাৰ পাৰ ভাঙি যোৱা মৰম-স্নেহৰ আতিশয্য দেখি অস্বাভাৱিক ভাবেই মই বিস্ময়-বিমুগ্ধ হৈ গলোঁ। দেউতাৰ জীৱিতাৱস্থাত, এই'মাৰ কৌমাৰ্যৰ জীৱদ্দশাত যদি এদিনৰ বাবেও এনে মৰমৰ নমুনা পালোঁ'হঁতেন—তেনেহলে পণ্ডিতৰ ত্ৰি-পাপযুক্ত, সপ্তশূন্যদিক্ ঘৰত এই বিয়োগান্ত নাটকখন ৰচিত নহ'লহেঁতেন কিজানি। মাৰ মৰমৰ কোৰ দেখি মই স্তব্ধ হৈ গ'লোঁ— ভহতৰ সেই শাস্ত্ৰৰবো'ৰও বোলে কয়—নিজে নিজক সদায় ৰক্ষা কৰিব লাগে। মই গৰ্ভধাৰিণী তোৰ মা হৈ—তোৰ অহিত চিন্তা নকৰো। পিতা-পুত্ৰীয়ে সদায় এই ভুলেই কৰি আহিলি। যি হ'ল হ'ল--এতিয়া মোৰ কথাবাৰ শুন, তোৰ জন্মদাত্ৰী মাৰৰ কথা শুন। তই যা, চিকিৎসাটো কৰাই অন্ততঃ পৰীক্ষা'টো কৰাই আহ্ হৈ। অসুখ একো নহবও পাৰে। তথাপি বনত বাঘ নাথাকিলেও মনৰ বাঘটো চোপলৈ থাকে। তাক খেদিবৰ আন কোনো উপায় নাই যদিও এইটোৱেই একমাত্ৰ নিশ্চিত উপায়। এইদৰে তিলে তিলে জীৱনটো ক্ষয় কৰাৰ বিপৰীতে, উশাহ পাবি, জীৱন-ভৰ আনন্দৰেই দিন যাপন কৰিব পাৰিবি। ধন পতিৰ বিষয়ে ভুল নাভাবিবি—তেওঁ আমাৰ উপকাৰী মানুহ। বিশেষতঃ তেওঁ তোক তেওঁৰ ভনীয়েকৰ ঘৰতে হে ৰাখিব হৈ। তেওঁ সকলো খৰচ পাতিয়েই কৰিব। তামৰ পইচা এটাও আমি খৰচ কৰিব নালাগে। এই সুযোগ হেৰুৱাই বা নষ্ট কৰি হাতৰ কুঠাৰ নিজৰ ভৰিত নামাৰিবি। সুযোগবোৰ বামধেনুৰ ৰঙৰ দৰেই মোহনীয় কিন্তু বিজুলীৰ চিক্মিকনিৰ

দৰে ক্ষণস্থায়ী,— এবাৰ অদৃশ্য হৈ গলেই চিৰকালৰ বাবেই অন্ধকাৰ দিশত হেৰাই যায়। সুযোগ-সন্ধানীবোৰে পিচত নিস্ফল অনুতাপ-দগ্ধ হৈ আন্ধাৰৰ শিলত কপাল আফালি আফালি মৰে।' মা'ৰ কথাত মই সন্মতি জ্ঞাপন কৰাৰ প্ৰশ্নই নাই—কিন্তু মৌনা হৈ ৰ'লো-নৰৈ অন্য উপায় নাই। মনে মনে ভাবিলো— জীৱনৰ ইয়ো এক পৰীক্ষা, হয়তো অগ্নি পৰীক্ষা, হয়তো বা জীৱনৰ শেষ পৰীক্ষা -পৰীক্ষাত উত্তীর্ণ- নহলে ধৰাশায়ী হোৱা পতন। ভাবিচালে ইয়ো মোৰ এক কৰ্তব্য যেনেই লাগে। কাৰণ—ইয়াৰ সহায়ত যি কোনো এটা নিশ্চিত অৱস্থাবেই আশা কৰা যায়। এই অৱস্থা প্ৰাপ্তিটো স্বৰ্গীয়ও হব পাৰে, নাৰকীয়ও হব পাৰে। এই অৱস্থা 'স্বস্তি' বাচিক নহৈ কেৱল 'অস্তি' বাচকো হব পাৰে। ই এটা কাহ পৰি জিন যোৱা অৱস্থা— এটা নিশ্চিত অৱস্থা। বিশেষতঃ মই এতিয়া অনন্যোপায়— অনিশ্চিত ফলাকাংক্ষী হোৱাতকৈ বা ভীতি-গ্ৰস্ত তাতকৈ কৰ্ম এটাহে বাস্তৱ বিধেয়।

'হতোবা প্ৰাপ্স্যসি স্বৰ্গং জিত্বা বা ভোক্ষ্যসে মহীম্।
তস্মাদুত্তিষ্ঠ কৌন্তেয় । যুদ্ধায় কৃত নিশ্চয় ॥ [৩৭-২-গীতা]
সুখদুঃখে সমেকৃত্বা লাভালাভৌ জয়াজযৌ।
ততো যুদ্ধায যুজ্যস্ব নৈবং পাপমৱাপ্স্যসি ॥ [৩৮-২-গীতা]

শ্ৰীমদ্ভাগৱদগীতাৰ এই বাণীৰ তাৎপৰ্য অভাবিত পূৰ্বভাবে হঠাৎ মনলৈ অহাৰ অৰ্থ, হয়তো আজি মই তাক বাস্তৱত আৰোপ কৰিব লাগিব, প্ৰয়োগ কৰিব লাগিব। কৰ্মত প্ৰবৃত্ত নহৈ মৰণ নিশ্চিত কৰাতকৈ কৰ্মত প্ৰবৃত্তহৈ মৰণ বা তাৰ বিকল্প—লক্ষ্মী-লাভ কৰাহে শ্ৰেষ্ঠ উপায়। লক্ষ্মী-লাভ জানো আজি ? মনটোত দুঃ-সাহসৰ ঠাই এখন আবিষ্কাৰ কৰি উলিয়ালো। মই মৌনাহৈ ৰলো। 'মৌনেন সন্মতি লক্ষণম্।' সাধাৰণৰ ভিতৰৰে এজন মই। মায়ো মোৰ এই অৱস্থাক সন্মতি বুলিয়েই—মোৰ শেষ মৌনতাক

মনে মনে আদৰণি জনালে।

এদিন অন্ধকাৰ গভীৰ নিশা মাৰ সহায়ত যৎপৰোনাস্তি চেষ্টাৰ প্ৰতিশ্ৰুত দি ধনপতিয়ে চিকিৎসাৰ বাবে মোক তেওঁৰ বাইদেউৰ ঘৰলৈ বুলি লৈ গলহি। মোৰ কি হৈছ— মোক যে চিকিৎসা কৰাব লাগে? চিকিৎসা নকৰালেই যেন কিবা এটা বিভ্ৰাট হোৱাৰ আশংকা। মোৰ ধাৰণা হ'ল— মই ঘৰত থকাটো বেছি বিপদ জনক যেন। মোৰ্বা তেনে এটা নিশ্চিত ভাবে অন্তৰধনক প্ৰভাৱান্বিত কৰি পেলোৱা যেন অনুভৱ হৈছে। বিশেষকৈ মা'ৰ একছত্ৰী ক্ষমতা আৰু অধিকাৰৰ ধামখুমীয়া আৰু সান্নিধ্যই বা আৰু কি নতুন বিপদৰ সূচনা কৰে। লুভীয়া মন আৰু বিকাৰ-গ্ৰস্ত চিত্তৰ কোনো নিশ্চয়তা নাই, কোনো ভাষা নাই, অভিজাত্য নাই, কোনো পৱিত্ৰতা নাই—নাই কোনো জাতি-কুল সত্যাসত্য বিচাৰ। মই অজানৰ উদ্দেশ্যে পৰিদি পিতৃ ভিঠাৰ দুৱাৰডলি গচকি ঘৰৰ বাহিৰ হলোঁ। সীতা, মায়া-স্বৰ্ণ-মৃগৰ পাচত স্বেচ্ছাই মানসিক ভাবে ধাবিতা হৈ হে ৰাৱণৰ দ্বাৰা ধৃতা বা আক্ৰন্তা হৈছিল, আৰু মায়ামৃগৰ ঠেংৰ জৰীডাল মোৰ গলত বান্ধী দি চোচোৰাই নিবলে ৰেত্ৰাঘাতৰ উপৰি ৰেত্ৰাঘাত কৰিছিল— মোৰ জন্মদাত্ৰী মাতৃয়ে। দুৰ্বোধ্য ইতিহাস নাৰী চৰিত্ৰৰ।

এখন পুৰণি নাচ-গান সমৃদ্ধ আৰু নৱাৱী আদব-কায়দাৰ নগৰলৈ মোক লৈ যোৱা হ'ল। চাৰিও কালেই পুৰণি ঐতিহ্যৰ ভগ্নাৱশেষৰ চিনাৱাৰ সিঁচাৰণি হৈ আছে। ৰাতি গৈ পোৱাত হোটেল এখনত সত্তহ'ত আশ্ৰয় লব লগীয়া হ'ল বুলি মোক ধন পতিয়ে কলে। ভনীয়েক হেনো আগৰ বাসস্থানত নাই। সম্বন্ধীয়া ভনীয়েক হেতু, কিছুদিন খবৰা-খবৰি কৰাৰ আৱশ্যকতা তেওঁ অনুভৱ কৰা নাছিল। অসন্তোষী হলেও কোনো কথাতেই মোৰ আপত্তি নৰহিল। 'পৰত আশ, বনত বাস' মোৰ বৰ্তমান অৱস্থা। মই নিৰুপায়।

ভাগ্যক ধিয়াই থকাত বাদে মোৰ গত্যন্তৰ নাই। ললাট-বিধি-লিপি মচি নিশ্চিহ্ন কৰাৰ সাধ্যকাৰ? বিধি-যোগত বিধুৰো সৈংহিকেয় তমোগ্রহই গ্রাস কৰি পেলায়। খোৱা-বোৱাতো কোনো আপত্তি নাথাকিল। যাদু বিদ্যাৰ দৰে ক'ত কি কাৰচাজি চলালে তাৰ একো উমাদিহ নাপালোঁ। কোনো দেৱ ভোগ্য খোৱাৰ পিচত মৰ-টোপনিত চেতনাহীন হৈ পৰিলোঁ। মোৰ জীৱনলৈ কোনো প্ৰকাৰৰ অভিশাপ নামিছিল নেকি? এই বিষয়ে মই সম্পূৰ্ণ অজ্ঞাত হৈয়েই ৰলোঁ। মই যেতিয়া হাত-ভৰি বান্ধি প্ৰানীত পেলাই দিয়া মাখো এটি শৰদেহহে। উপায় ক'ত মোৰ?

মোৰ ভ্ৰাতা কৰ্তাই দিনমান বাহিৰেই যে ভনীয়েকৰ ঘৰ বিচৰাৰ চালাকি কৰি বহিভ্ৰমণ কৰে, ৰাতি হে টেলত গুহ্যতৰ সাধন-ভজনত আত্ম-নিয়োগ কৰে। সি তাতো দেহ মনৰ মানুহ পায। জেলোঙ্গাৰ মেকুৰী বাহিৰ হোৱাৰ উপক্ৰম হোৱাত, অৱশেষত এদিন সকলোধৰণৰ ধৈৰ্য হেৰুৱাই পেলাই, 'মই যলৈকে ইচ্ছা যাম, তলৈকে গুচি যাম' বুলিকৈ এক প্ৰকাৰ সাজুই হলোঁ। মই তাৰ কু অভিপ্ৰায়বোৰক সকলো প্ৰকাৰেই বাধা দিলোঁ। সি অভিস্থ হৈ উঠিল। এদিন সি খোলা-খুলিকৈয়েই কৈ দিলে— উৰ্বী, তুমি নিশ্চয় তোমাৰ বৰ্তমান অৱস্থাৰ কথা উপলব্ধি কৰিব পাৰিছা। মই তোমাক এনে ঠাইত থৈ যাম, য'ত তোমাৰ কোনো অভাৱৰ প্ৰশ্নই নুঠে, অভিযোগ হয়তো থাকিব, কিন্তু লাভ জানো কিবা হব? নিজক সুখী কৰাটো আৰাম দিয়াটো জানো সকলো বিত্ত আৰু সম্পদৰ উদ্দেশ্য নহয়। তুমিতো বহু পঢ়া-শুনা কৰা ছোৱালী, তুমি জানো এই কথা নুবুজা। তোমাৰ লগত উঠা-বহা কৰা তোমাৰ বহু লগৰীয়েইতো তোমাৰ দৰে আৱৰী নহয। জাৰ্মাণ নে কোনোবা এজন বিদেশী পণ্ডিতেও বোলে এই সঁচা কথা'ৰাৰ খোলা খুলিকৈয়েই কৈ দিছে! নিজৰ ছোৱালীৰ প্ৰতি মৰম-স্নেহৰ গুৰিতেও বোলে পিতাকবোৰৰ

হেনো এনে এটা অস্পষ্ট টানৰ ক্ষীণ সুৰ থাকিব পাৰে। তোমাৰ বান্ধৱী তুই এজনী'যওতো এই কথা কয়। সিহঁতেতো হয়তো পঢ়া শুনা কৰা ছোৱালী। নহলেইবা এই কথা বুজিবলৈকে পঢ়া শুনাৰেই বা কি দৰ্কাৰ আছে ? ৰাষ্টাত দেখা মতা কুকুৰে মতা কুকুৰৰ লগতহে দেখোঁ কামোৰা-কামুৰি কৰি কাজিয়া কৰে। এই'টাৱেই পৃথিৱীৰ নিয়ম, স'চা নিয়ম।

তোমাক থোৱা ঠাইলৈ মই মাজে মাজে আহি থাকিম। তোমাৰ চিকিৎসাটোও দৰ্কাৰ হলে তেওঁলোকেই কৰাব আচলতে তোমাৰ চিকিৎসাৰ কোনো দৰ্কাৰো নাই- কাৰণো নাই, আধুনিক বিজ্ঞান ইমান আৰু বৈঁচেলুৱা নহয় - আমিও ইমান মূৰ্খ নহওঁ। এই ক্ষেত্ৰত তুমি স্বস্থ বা, স্বস্তি' উচ্চাৰণ বা অনুভৱ কৰিব পাৰা তোমাৰ মনটোত বাদে দেহাটোতো কোনো অস্বস্তি'ৰ চিহ্ন বা লক্ষণ দেখা বা অনুভৱ কৰা নাই তুমি। এতিয়া তুমি এটা নিশ্চিত জীৱন যাপন কৰিব পাৰা—তেনে নকৰাটো তোমাৰ মূৰ্খামি হব তোমাৰ ইমান বিদ্যা অথলেই যাব। এয়েই মোৰ আশা আৰু শেষ কথা—' এই বুলি সি মোক অশোভন ইংগিতেৰেই বাহু-বেষ্টন কৰি আকোৱালি ধৰিলে। বনভোজ পৰ্বৰ বস্ত্ৰ হৰণৰ নায়ক কোন - বুজিবলৈ আৰু বাকী নাথাকিল।

বনভোজৰ ৰাতি মোৰ সংজ্ঞাহীন অৱস্থাৰ নায়ক যে এইজন যশোৱন্ত সু পুৰুষেই এতিয়া আৰু এই কথাত মোৰ তিল প্ৰমাণো সন্দেহ নাথাকিল। 'পাণ্ডিত্য আৰু জ্ঞান থাকিলেই, বিশ্ব-সব মহানুভৱতা দেখুৱাব লাগে আৰু দুৰ্ব্বল (?) হ'ব লাগে নেকি বুলি দেউতাক দোষাৰোপ কৰি মন্তব্য কৰিছিলোঁ এদিন, আজি তাৰ বিপৰীত সাৰ্থকতা বিচাৰি পালোঁ। তেজ মঙহেৰে গঢ়া শৰীৰটোৰ 'বাইপ্ৰডাক্ট' মনটোৰো ধৈৰ্যৰ এটা সীমা আছে। এই সীমা অতিক্ৰম কৰাতহে মহা যোগী, মহাসংযমী শিৱই প্ৰলয় তাণ্ডৱৰ সৃষ্টি কৰিছিল। দেউতাই

তাৰ সীমা চুইছিল, কিন্তু এই সীমা পাৰ—হোৱাৰ আগতেই দেউতা নিজেই পাৰাই গৈছিল—পণ্ডিত সাৰি গৈছিল।

মোৰ শাৰীৰিক শক্তিৰ জে খ-মাখ্ হোৱা নাছিল—হোৱাৰ প্ৰশ্নই নাছিল। কিন্তু নৈতিক শক্তিৰ সহস্ৰবাৰৰ পৰীক্ষা আৰু জোখ-মাখত সম্পূৰ্ণ ভাবে উত্তীৰ্ণ হৈছো—কাল সন্ধিক্ষণতো যিটোৰ তৰ্দ্ধনি হোৱা নাই। এই শক্তিৰ প্ৰভাৱতেই মহাসতী ভিন্দা বা তুলসীয়ে স্বয়ং নাৰায়ণকো শিলামূৰ্ত্তিত পৰিণত কৰিছিল। এইবাৰ মই শাৰীৰিক শক্তি প্ৰয়োগ কৰি ধনপতিক এনে এটা প্ৰচণ্ড ঠেলা মাৰি দিলোঁ যে —লৰা গৰু বীৰপুৰুষজন সম্‌ভালে চিত্‌ভঙ্‌লা খাই পকীবেৰাখনত মূৰ আফালি পৰিলগৈ। তাৰ মূৰ ফাঁটিগৈ তেজ ববলৈ ধৰিলে, ইপিনে তাৰ ভৰি এখনৰ ওপৰত প্ৰকাণ্ড ট্ৰাঙ্ক এটা বিবাট শব্দ কৰি ওপৰৰ হেদালিৰ পৰা পৰি গ'ল। অভাৱনীয় ঘটনা প্ৰত্যক্ষ কৰি মই তমোময় হৈ গলোঁ। ক্ষন্তেক পিচতেই মই সম্বিত ফিৰাই পাই তৎক্ষণাতেই —কৰ্ত্তব্য স্থিৰ কৰি পেলালোঁ। নিজম, নিতাল গভীৰ নিশা সেই সৰ্বনশীয়া বাৰেবাংকৰা শয়ন ভোজন অন্ধ কূপৰ পৰা অনন্তৰ উদ্দেশ্যে নিৰ্গতা হলোঁ। নিয়তিৰ ঠাৰ-ঠিয়াৰ যদি কিবা আছিল—মোৰ মেধাত সেইবোৰ নোসোমাল্। পণ্ডিত কন্যা মায়াজালত পৰি, লোহাৰ শুকান চকৰ খোলাত ভজা বাজা কাটা কাৰৈ মাছৰ দৰে চেঙা-জুটি পাৰি পাৰি জপিওাবলৈ ধৰিছোঁ। দেউতাৰ কল্পনাৰ গাৰ্গী আজি ভ্ৰষ্টা মাৰ্গী। চকু-মনত দৃষ্টি নাই—অন্তৰত আশা নাই, চিত্তত লক্ষ্য নাই. পদ-চলনত নিৰ্দিষ্ট গতি নাই। কেৱল ঘূৰ্ণায়মান ধৰাতেই লৰি ধাপৰি ঘূৰিছোঁ। ছমহীয়া শিশুৰ দৰে, থিয়-দন্তা দিয়া শিশুৰ দৰে, থিয়চকুৰাবোৰৰ আক্ৰমণত হে যেন মই হাম্‌খুৰি খাই লৰি ফুৰিছোঁ। মই জ্ঞান শূন্যা।

হঠাৎ কোনোবাই মোক যেন পাচফালৰ পৰা হাতখনত খাপমাৰি ধৰিলে। ই যেন এটা সম্পূৰ্ণ ব্যতিক্ৰম, অন্তহীন ধাৰন্‌টোৰ অভাৱিত

পূৰ্ব ব্যতিক্ৰম। এক মুহূৰ্তৰ পিচতেই ত্ৰস্তমানা হৈ পৰিলোঁ মই। স্পৰ্শটো কোনোবা নাৰী হাতৰ যেন লাগিল। হাতৰ কঙ্কনৰ স্পৰ্শ, প্ৰসাধনৰ উৎকট গন্ধ আৰু নাৰীকণ্ঠস্বৰে মোৰ অস্থিৰ মস্তিষ্কটোৰ দুৰ্বল ধাৰণাটোক কিছু থিতাপি দিলে। কাম ছুঁযাৰ মাজত নাম-গন্ধহীন মায়াৰ এইয়া আকৌ আষ্টোপাছ বন্ধন নে কৰুণাময়ী নাৰীৰ স্নেহ সিক্ত মাভৈ বাণী—আততায়ীৰ হাতৰ পৰা 'পৰিত্ৰাহি' বিচৰা অৱলাই সহজতে ধৰিব পৰাৰ কথা নহয়—তাতে মই প্ৰায় বাহ্যজ্ঞান শূন্যা—শৰীৰ-মন শ্ৰান্ত-ক্লান্ত।

'এই বোন তুমি? কিয়, এনেকৈ পাগলীৰ দৰে ঘূৰি ফুৰিছা?' নাৰীকণ্ঠৰ এইখিনি কথাত বাদে মই আৰু একো শুনিলোঁ। একো কব নোৱাৰিলোঁ মই। সম্ভৱতঃ মই অজ্ঞান হৈ পৰি গৈছিলোঁ। মোক কোনে, কেতিয়া আৰু কেনেকৈ আনি এখনি সুন্দৰ শেতেলীত শুৱাই দিলেহি—তাৰো একো গম নাপালোঁ। গভীৰ জল ৰাশিত সাঁতুৰি সাঁতুৰি শেষত পানী জিয়লিত পৰি থকা অৰ্দ্ধমৃত অৱসন্নতা—মোৰ সমস্ত শৰীৰ মনত। মোৰ জীৱনত আৰু এটা ৰাতি পুৱা—এটা অপৰিচিত ৰাতিপুৱা। মই এখন দুগ্ধ ফেননিভ শয্যাত শায়িতা। মোৰ বিচনাৰ কাষত বহি আছে—এগৰাকী স্বল্পাভৰণা সুন্দৰী নাৰী। নিদ্ৰা মোহ ত্যাগ কৰিবলৈ অনিচ্ছুক মোৰ দুটি দুৰ্বল চকুৱে সেই গৰাকী প্ৰৌঢ়া নাৰীৰ চকুত আৱিষ্কাৰ কৰিলে দৃপ্ত মৰম সনা চাৱনি—মাতৃ বা জেষ্ঠা ভগ্নীৰ স্নিগ্ধ-স্নেহসিক্ত চাৱনি। তেওঁ মৰম সনা কণ্ঠস্বৰেৰে মোক প্ৰশ্ন কৰিলে—'মাজনী, অলপ ভাল পাইছানে? তুমি স্নানাগাৰলৈ গৈ গা পা সুন্দৰ মতে ধুই অলপ গাখীৰ ফল আৰু লঘু আহাৰ কৰা। তোমাৰ বাবে সকলো যত্ন কৰি ৰখা হৈছে।' মোক স্নানাহাৰ অন্তত আকৌ বিচনাত বিশ্ৰাম কৰিবলৈ দি প্ৰৌঢ়া আগৰ দৰে বিচনাৰ কাষত বহিলহি। মাতৃ সুলভ অকৃত্ৰিম স্নেহেৰে নিজ-হাতে প্ৰৌঢ়াই খুৱাই দিয়াৰ সময়ত মোৰ ধাৰাসাৰে চকুপানী বৈ

পৰিছিল। মই প্ৰৌঢ়াৰ বুকুত মুখ গুজি দি শিশুৰ দৰেই থোৱা বস্তু গ্ৰহণ কৰিছিলোঁ। বাৰে বাৰে মোৰ স্বৰ্গগত পিতৃলৈ মনত পৰিল,—মোৰ আনন্দাশ্ৰুৰে শৰীৰ-মন পুলকিত হৈ পৰিছিল। 'তোমাৰ সম্পূৰ্ণ বিবৰণ পাছে পৰেও শুনিম। সম্প্ৰতে মই ইয়াকেই অলপ কৈ থওঁ যে —যোৱা ৰাতি তুমি আচন্দ্ৰাইহে ৰাজপথত পৰি গৈছিলা, আমি দাঙি আনি তোমাক ইযাত শুৱাই ৰাখিছো। আমি বুজিছোঁ—নিশ্চয় তুমি অতি ভদ্ৰ ঘৰৰ সু-সন্তানেই হবা। তোমাৰ দৈহিক সৌন্দৰ্য, মাত কথা আৰু ব্যৱহাৰে তাকেই কয়।

আমাৰ সকলোৰে যেন এটাই কাহিনী মা। মোৰ দীৰ্ঘ দিনীযা অভিজ্ঞতাৰ বিহকটিযে তাকেই সোঁৱৰাইছে যেন লাগিছে মাজনী। মই নিশ্চিত হব পৰা নাই, তথাপি তোমাৰ পৱিত্ৰতাৰ ওপৰত বিশ্বাসৰ ভিত্তি কৰি কৈছোঁ এইখিনি। তোমাক আশ্ৰয় দিব পাৰিলে সুখী হম। কিন্তু এটা কথা—তুমি যদি আমাৰ ইযাত থাকিবলৈ আপত্তি নকৰা, তেনেহলে তুমি সম্পূৰ্ণ নতুন ৰূপত থাকিব পাৰিবা। আমি এখন নৰকত বাস কৰিছোঁ—ইযাত নাৰী-পুৰুষৰ কোনো জাতি নাই, ধৰ্ম নাই, নীতি-অনীতি নাই, পৱিত্ৰতা-অপৱিত্ৰতা নাই, সংস্কৃতি, সাহিত্য নাই, লজ্জা-চৰম—একো নাই। আছে মাথো দেহা আৰু বেহা, তন আৰু ধন—কৃত্ৰিম ৰূপৰ পোহাৰ, দুৰ্গন্ধময় কেঁচা মঙহৰ গোলা ৰঙীন লজ্জা-নিবাৰণিৰ আঁৰত গোপন ব্যাধিৰ কিল-বিলনি, কীট দংশন।

মাজনী, মযো এদিন ভদ্ৰঘৰৰ জীযৰী আছিলোঁ। লম্পট-লুতুৰা পুৰুষৰ ষড়যন্ত্ৰত পৰি ভ্ৰষ্টা হলোঁ, পৰিযাল আৰু মোৰ উচ্চাকাঙ্ক্ষাৰ সৌধটো ধূলিসাৎ হৈ গ'ল। মই তথাকথিত ভদ্ৰ সমাজ-খনৰ বিৰুদ্ধে বিদ্ৰোহ কৰিলোঁ—যি সমাজে মোক ৰক্ষা কৰিব নোৱাৰিলে। সেই সমাজৰ সেই পুৰুষবোৰেই দেহ ভিক্ষাৰী ৰূপে এদিন শৰণাগত হৈ পৰিল মোৰ দৰে নাৰীবোৰৰ। মোৰ মুখৰ এষাৰ কথাত এনেকি ভব্য-গব্য পুৰুষবোৰেও উঠ-বহ কৰিব ধৰিলে। মোৰ

প্ৰতিশোধ লোৱা হ'ল, কিন্তু কাৰ ওপৰত? শিয়াল,কুকুৰৰ লেখীয়াকৈ পৰা সেই শৱদেহ মাংসলোভী বীৰ পুৰুষ কিছুমানৰ ওপৰত নে মোৰ নিজৰ দুৰ্ভাগ্যৰ ওপৰত? মই মাথোঁ ভাবোঁ। ভাবি ভাবি সমাধান নাপাওঁ।

ময়ো ভদ্ৰ ঘৰৰেই শিক্ষিতা জীয়ৰী মাজনী। কিন্তু মোৰ শিক্ষাই দুশ্চৰিত্ৰ লম্পট পুৰুষ কিছুমানৰ ওচৰত পৰোক্ষভাৱে ভিক্ষা বৃত্তি লবলৈহে যেন মোক বাধ্য কৰিলে॥ দিনবোৰ বাগৰি ৰাতি হ'ল, ৰাতিবোৰ বাগৰি বাগৰি অলিখিত ইতিহাস হৈ পৰিল। মোৰ নাৰী সত্তাটোত বৰ আঘাত লাগিল, নিজৰ ধুনীয়া বুলি খ্যাতি পাই অহা দেহটোৰ ওপৰত ঘৃণা উপজিল। স্বাভিমানটো ব্যাহত হল, তাৰ ফলশ্ৰুতি ৰূপে প্ৰতিশোধৰ অভিনৱ ভাব প্ৰজ্বলিত হৈ উঠিল মোৰ ব্যক্তিসত্তাত। বহু সুদৰ্শনা-কৰবীৰ গন্ধে সুচৰিত্ৰা নাৰীয়ে মোৰ 'মিশন'ত সহযোগ কৰিলে। কামী আৰু নামী পুৰুষবোৰক ধনে-মানে জোলোকা-জোলোকে পানীখুৱাই নগৰ না-গতি কৰিলোঁ। বহু শীৰ্ষ পৰ্যায়ৰ দিগ্বিজয়ী নামী ধুৰন্ধৰ আৰু তেনে বহুতেই আমাৰ দামী মোক্কেল। দিনৰ প্ৰখৰ পোহৰত আজানুলম্বিত কাগজৰ ফুলৰ বনকৰা মালা গলত লৈ—স্ত্ৰী-শিক্ষা, স্ত্ৰী-স্বাধীনতা, নাৰী মংগল আৰু 'সমাজৰ আমূল পৰিবৰ্তন'ৰ দিগ্বিজয়ী বক্তৃতা-দান কৰিব আৰু ৰাতি হলে বাই-ভনীহঁতৰ নাৰীমেধ যজ্ঞ আৰম্ভ কৰি শত শত অবলাক তাত পূৰ্ণাহুতি দিব। তাৰেই বহুতেই যুদ্ধৰ বজাৰৰ আমদানি পুৰুষ বিভিন্ন বিষয়া, বিভিন্ন-নিষিদ্ধ বস্তুৰ ব্যৱসায়ী আৰু অন্যান্য বহুতেই আছিল। যুদ্ধৰ বজাৰৰ নোটৰ জোৰত আজি সেইবোৰেই জনগণৰ ভাগ্য বিধাতা জনগণৰ বাবে মহাপুৰুষ। দেশখনৰ মহান স্বাৰ্থৰ কথা ভাবি কোৱা এই সত্য আমাৰ আত্ম-সমালোচনাহে—পৰচৰ্চা বা কুৎসা ৰতনা অথবা সত্যৰ অপলাপো—নহয় নিশ্চয়। আগৰ হাল যিপিনে যায়, পিচৰ হালো সেই পিনেই যায়, গুৰি নিকা হলে

পুলি-পোষাও নিন্দা হয়। স্বাৰ্থত ব্যাঘাত হলে অথবা অপ্ৰিয় সত্য বেকত হলেই যে বদনাম ৰটনা কৰা হয়—ই সম্পূৰ্ণ অসত্য। সাধাৰণ জনতাকৈ তেওঁলোকহে অধিক সমালোচনাৰ পাত্ৰ-অধিক নিন্দা হোৱা উচিত নহয় জানো? তেওঁলোকহে জনগণৰ আদৰ্শ।

অথচ যিবিলাক নিস্বাৰ্থ দেশ-প্ৰেমিকে সঁচাকৈয়ে ভাৰতবৰ্ষৰ পৰাধীনতাৰ শৃংখল ছিন্নকৰি দেশৰ মুক্তি সাধিলে, দেশৰ স্বাধীনতা আনিলে,—জীৱনৰ বহু সুখ-দুঃখ আৰু তেজৰ বিনিময়ত তেওঁলোকৰ প্ৰায় সকলোৱেই অপৰিচিত হৈ কালৰ কৰাল গ্ৰাসত হেৰাই গ'ল। তেওঁলোক কেৱল ব্যক্তিগত স্বাৰ্থ পূৰণৰ অৰ্থেই স্বাধীনতা সংগ্ৰাম যজ্ঞৰ হোতা হোৱা নাছিল। যিবোৰ বৃটিছৰ পদ-লেহনকাৰী পুলিচৰ চাঙন আৰু গুলিৰ মুখৰ পৰা কোনো মতে বাচি আছিল—তেওঁলোক হয়তো আজি নান্নংনবস্থং আৰু যিবিলাক সুবিধাবাদী ঘৰ বভীষণে আন্দোলনৰ বিশ্বাস ঘাতকতা কৰিলে—আন্দোলনকাৰীৰ তেজেৰে ভাৰতী আইৰ বুকু কলংকিত কৰিলে, সেইবোৰৰ বহুতেই পবিত্ৰ ত্ৰিৰংগ পতাকাৰ অধিকাৰী, ধৰ্মধ্বজধাৰী হৈ পৰিল। এইখন দেশৰেই এনে কিছুমান আমি পুৰুষ আৰু নাৰী। দেশৰ উদগা তটোৰ কথা ভাবি ভাবি চকুপানী সৰে। আমি কান্দি কান্দি হাঁহিছোঁ। সেই হাঁহি হাঁহিহে কান্দিছোঁ।—সময়ে তাৰ খতিয়ানটো এদিন নিশ্চয়কৈ কৈ দিব। সময় সুবিচাৰক।

আমাৰ প্ৰশ্নৰ জাউৰিত বেচেৰাহঁত বিব্ৰত হ'ল। ধনৰ অংক বঢ়াই দিলোঁ। সিহঁতৰ আচনিবোৰ বক্তৃতাত জীয়াই থাকে মাথোঁ। দিনৰ দহটা আচনি— বছৰত হয়তোবা এটাহে কাৰ্যকৰী হয়। সেই প্ৰইচাবে আমিয়েই কিছু সংখ্যক প্ৰতিশ্ৰুতিৰ বাস্তৱ ৰূপ দিওঁচোন। আমি পতিতাৰ ৰূপত পৰিণতা হলেও, পতিত-পাৱনী দেশ-মাতৃৰ প্ৰতি আমাৰো যৎকিঞ্চিত কৰ্তব্য আছে। শিশু আৰু পাগল-ভকতৰ প্ৰস্ৰাৱেৰে স্নান কৰিবলগীয়া হোৱাতো মহাকালী বিক্ষুব্ধা হোৱাৰ

হেনো ভয় নাই। আমাৰ প্ৰস্তাৱ শুনি বহুভোজী নেতা-বেটাবোৰৰ গল ডেঙাপ। ধনৰ অংক সংখ্যাটোৰ বৃদ্ধিৰ পৰিঘে ভেঁওলাকে লাহে লাহে জন-সংখ্যাটোকো আঘাত কৰি হ্ৰাস কৰিবলৈ ধৰিলে। বহু চোৰাকো সহজে মোৰে নাপায়, পাপৰধন পৰ্যাচিতত যাব দিবলৈও উদাৰ দেশ-প্ৰেমিকবোৰ ৰাজি নহয়—প্ৰেমিকাৰ বাবেও নহয়। পাপৰ লক্ষমুদ্ৰাৰ্জনৰ পৰা এটা কণা-কড়িৰেহ নাৰীমেধ যজ্ঞ সমাপণ কৰ চক্ৰবৰ্তী সম্ৰাট হবলৈ বিচাৰে। বং-ৰহৈছো কৰিব, পাপৰ পাল্লাৰ দগাটোও মাট খান্দি সোমাই যাব পৰাকৈয়েই গধুৰ হৈযেই থাকিব লাগিব। হিচাপ-নিকাচ, লাভ-ক্ষতিৰ অংক-টোৰেইতো। আজি আমাৰ দেশৰ-নীতি ৰাজনীতি,সমাজনীতি-ধৰ্মনীতি। এইযা জানো মহামানৱজনাৰ নীতি আছিল? দেশ কোন পথে?

আমি নৰকত বসন্তৰ সৃষ্টি কৰিবলৈ বিচাৰিছো নেকি? তুমি হয়তো এই মৰ্মান্তিক বিষাদৰ মাজত হাঁহিবলৈ বিচাৰিছা? হঁহাৰ কথাই। কাৰণ—ই এটা ব্যতিক্ৰম—অসম্ভাৱিত ব্যতিক্ৰম। গতিকে ইযাক অসম্ভৱ উকা আদৰ্শ যেন লাগিছে নিশ্চয়। তোমাক কবলৈ মো'ৰ ইচ্ছা গৈছে—মহাপ্ৰলয়ৰ পিচতেইতো সত্য যুগৰ সৃষ্টি হয়, ধ্বংসইহে সৃষ্টিৰ আৱহনী মন্ত্ৰ-আৱহসংগীত, সঞ্জীৱনী সুৰ।

মাজনী, মইহে অনৰ্গল পাগলীৰ দৰে বকি গৈছোঁ, তোমাক ওঁঠ লৰাবলৈকো এবাৰো সুবিধা দিযা নাই। তাৰ এটা কাৰণ বৰ্তমান তোমাৰ মানসিক প্ৰস্তুতি নহবও পাৰে। কিন্তু মোৰ অন্তৰাত্মাই কৈছে—মোৰ কথাবোৰ তুমি হয়তো মোতকৈও বহু ভালকৈয়েই বুজিবা—কাৰণ, তুমি হয়তো মোতকৈও বহু বেছি শিক্ষিত—বহু বেছি বিদুষী। এতিয়া তোমাৰ কথাৰ অলপ মাত্ৰ আভাস দিবা নেকি? নিদিলেও নাই, নাৰীৰ বেদনাৰ কথা মই বুজোঁ ইমান দিনৰ অভিজ্ঞতাৰে।'

এটি আন্ধাৰ নিশাৰ অচিনাকি গলিৰ এজনী নাৰীৰূপা যোগিনীয়ে

আন্ধাৰ আৱৰ্তৰ মাজত মোৰ বাবে জোৰ-বন্তিহে লৈ আছিল যেন! মই অবাক, বিস্ময়-বিমুগ্ধ হৈ গলোঁ—এই বিদুষী ইয়াত? এই অৱস্থাত? হয়তো মোৰ দৰেই এদিন এই মাতৃ-স্বৰূপা নাৰী কোনোবা নীচ ব্যাধৰ-বিহ শৰত জৰ্জৰিতা হৈ আজিৰ এই অন্ধ কূপত দুৰ্বহ যন্ত্ৰনা ভোগ কৰিবলগীয়া অৱস্থাত পৰিছেহি। কিন্তু এই নাৰী যেন অনন্ত পূৰ্ণা। ক্ষন্তেক আগতেই তেওঁ 'নৰকত বসন্ত ৰচনা'ৰ কথা কৈছিল। 'তোমাক কোনোবাই অন্যায় ভাবে বোকাত পেলাই দিলে— তুমি তাতেই বাসস্থান ৰচনাৰ চেষ্টা কৰিবা' এনে ভাবৰ কথা এষাৰিলৈ মনত পৰিল। এয়েই সেই নাৰী, যাৰ বাসস্থানৰ দুৱাৰ দলিৰ মাটি কোনো কোনো ধৰ্মীয় অনুস্থানত কিয় লাগে, আজি তাৰ তাৎপৰ্য যেন নিজ অনুভূতিৰে আৰু যুক্তিৰে বুজি পাইছো। এই নাৰী বহু আগতেই 'গণ'ৰ ঈশ্বৰী-মাতৃ হৈ গৈছে।' মনে মনে তেওঁক শত-সহস্ৰ প্ৰণাম জনালোঁ। মই মোৰ জীৱনৰ সমস্ত কথাকেই এই ত্ৰাণ-কৰ্ত্ৰী দেৱ-দূতীজনীক অকপট চিত্তই কৈ গলো-সৈ কাটিলো, তেওঁৰ স্নেহাশীষজনিত আশ্ৰয় বিচাৰিলোঁ। মই তেওঁৰ পবিত্ৰ 'মিশন'ৰ--একান্ত সহযোগিণী হবলৈ প্ৰাৰ্থনা জনালোঁ। বিপদ-তৰণী বিচাৰিলোঁ।'

কাৰ্ত্তিক-কামেশ্বৰৰ পূজাৰ্চনাৰ কুঠীত আকৌ ভিৰ জমিল, কুঠিলৈ হেনো কোনোবা অপ্সৰাৰ (?) আগমন হৈছে। ভব্য-গব্য সকল আহি 'মৌত' মাখি পৰা দি জুম বান্ধি পেলালে। কিন্তু-মধু-গন্ধ-লুব্ধ ক্ষুদ্ৰ মক্ষিকাবোৰে নাজানে যে—মধুৰ তীব্ৰ স্বাদ সিহঁতৰ ডিঙিত মাৰণক চৰ্চৰণি তুলি সিহঁতক মৃত্যুৰ সন্নিকটস্থ কৰিবও পাৰে! লোভৰ নিজা ৰবীয়াকৈ কোনো অনুশোচনা বা বিবেচনা নাই। লোভৰ গুপ্ত নাম— চিনাজোক। তেজ পিবলৈ, লেউ লেউ কৰি গন্ধ অনুসৰণ কৰাই তাৰ কাম। কোনোবাই যে সিহঁতৰ মুখতো চুণ দিব পাৰে—সেই কথা লৈ এইদলে, এই গোষ্ঠীয় কেৰেপকেই নকৰে—

জানিও নজনাৰ ভাও কৰে।

'হীৰাবাই, তোমাৰ নতুন আমদানি বুলবুলিক লৈ আহা, টকালৈ ভয় নকৰিবা, আমাক মাত্ৰ তেওঁৰহে লাগে।' এইষা নৱ মধুলোভী অভ্যাগত সকলৰ ধনৰ গৰমৰ বিপৰীতেও কাতৰ প্ৰাৰ্থনা। হীৰাবাইদেউ ওৰফে হীৰাবাইৰ তীব্ৰ বাধা সত্বেও মই ওলাই আহিলো। তেজপিয়াৰ দলৰ মোক দূৰতেই দেখিয়েই চকু থিৰহৈ গ'ল। দূৰৰ পৰাই যেন তেজ শুহি নিবলৈ ধৰিলে, সিহঁতৰ উচ্ছিষ্ট ভোজী, নিলাজ, অশ্লীল মুখবোৰ অস্তমিত সূৰ্যৰ ৰেঙুন আভাৰে ৰঞ্জিতহৈ উঠিল। এই আভাত সূৰ্যাস্তৰ আশংকা। সিহঁতৰ বিস্ময়াবিষ্ট শংকিত চকু-মুখত পঢ়িবলৈ পালো— মই যেন স্পৃহনীয় হলেও, স্পৰ্শ-ৰহিতা, স্পৰ্শ-কাতৰা হলেও যেন সিহঁত অশুচি দহলৈ স্পৰ্শ অক্ষম, শংকাকুল—দুৰ্গা-প্ৰতিমাৰ সৌন্দৰ্যত মুগ্ধ হৈ'য়া শংকা, ব্যৰ্থতা। মই যেন কামাখ্যাপীঠত কুমাৰী-পূজাৰ সাকাৰ প্ৰতিমা। খুব বেছি কাম পাগলৰ দৃষ্টি মৈথুনেই চৰম মুক্তি—সিমানখিনিযেই হে সম্ভৱ। সিহঁতৰ যৌন-চেতনাতো মই ভক্তিৰ আৰাধ্য প্ৰতিমা। সিহঁতৰ ওষ্ঠাধৰৰ তীব্ৰ-গোপন স্পৃহা আৰু লুব্ধ নয়নৰ দৃষ্টিৰবাৰ উন্নাসিক নহৈ ৰবং দেহি পদপল্লৱমুদাৰম' অৱস্থা প্ৰাপ্ত হোৱা যেনহে মোৰ অনুভূত হৈছে। অলপ বেছি বয়সস্থ-বোৰৰ দৃষ্টি যেন মোৰ উৰ্দ্ধপুণ্ড স্থানত সমাহিত হৈছে। 'অপ্ৰাপ্য-মনসা বাসা' বস্তুটো অতি লোভ কৰি হেকওৱাতকৈ, ভনী, কন্যা, বান্ধৱী, মাতৃদেৱী – কিবা ধৰণে তেওঁৰ সহযোগী সঙ্গী বা অধিকাৰী হোৱাটোৱেই পৰম কাম্য। এনে এটা ধ্যান-ধাৰণাক যেন তেওঁ-লোকৰ অন্তৰাত্মাই লিৰিকি-বিদাৰি চাবলৈ ধৰিছে। 'মানুহ—অৰ্থাৎ পুৰুষ-নাৰী মাত্ৰেই সকলোৱেই যে—ভূত প্ৰেত, দৈত্য-দানৱ, লম্পট-তস্কৰাদি নহয় এনে এটি শুদ্ধ আৰু পৱিত্ৰ ধাৰণা বহুদিনৰ মূৰত মোৰ আতংকিত বিবেকে বিচাৰি পালে। বিবেক-আলো কাচিৎ

সংশোধন সাপেক্ষ হব পাৰে। কাৰণ তাতো কেতিয়াবা কলুষতাৰ চিন্তা পবিৰ পাৰে। তেওঁলোকৰ ধনৰ মুষ্টিবদ্ধ অংকবোৰে সদায় নতুন বাট, নতুন উত্তৰ বিচাৰে। মোৰ দেহটোৰ উপস্থিতিয়ে জটিল মুষ্টিবোৰ শিথিল কৰি দিছিল— সম্ভৱতঃ বহুতৰেই দৃষ্টি ভংগীও শৈথিল্য প্ৰাপ্তিৰ সৌন্দৰ্যৰে ভূষিত হৈ পৰিছিল। মই নিৰ্ভয়ে, হৃষ্ট-চিত্তেই প্ৰশ্ন কৰিলোঁ—'শ্ৰদ্ধেয় ককাইদেউ আৰু পিতৃব্য সকল, আপোনালোকৰ হতভাগিনী ভনী বা কন্যাজনীৰ অলপ মানৱ-মংগলৰ কথা মনতেই ভাবিছোঁ। উদাৰ-চিত্তে যি পাৰে দিবলৈ অনুৰোধ জনালোঁ। আপোনালোকৰ ভনী বা কন্যাজনীৰ অলপ প্ৰাৰ্থনা, অলপ দাবীও আছে শুনিলে সুখী হয়, সেইদৰে কৰ্মত প্ৰবৃত্ত হলেতো—দেশৰ মংগল সাধিত নহবৰ কাৰণ নাই। নাৰী জাতি বিশ্ববৰেণ্য নহবৰো বিশেষ কোনো কাৰণ নাই। আপোনা-লোকৰ কৰ্তব্যবোধ বা মনুষ্যত্ব নিশ্চয় তাৰ দ্বাৰা প্ৰমাণিত হব।

আপোনালোকৰ ঘৰত নিশ্চয় মাতৃ, ভগ্নী, সহধৰ্মিণী আৰু কন্যা আছে। তেওঁলোক আপোনালোকৰ নিশ্চয়, শ্ৰদ্ধা-ভক্তি আৰু অকৃত্ৰিম স্নেহৰ পাত্ৰী। আপোনালোক যিমানেই যি নহওঁক লাগে—তেওঁলোকৰ প্ৰতি শ্ৰদ্ধা, ভক্তি, মৰম স্নেহ, সখ্য, মৈত্ৰী শিক্ষা-দীক্ষা, নিৰাপত্তা আদি সকলো বিষয়ৰ দায়িত্বই আপোনা-লোকৰ হাতত ব্যক্তিগত আৰু সামাজিক ভাবে ন্যস্ত। ত্ৰুটী-বিচ্যুতি আৰু অমংগল সাধনত ক্ষতি আৰু কুযশ, উৎকৰ্ষ সাধনত আপোনালোকৰ যশ আৰু গৌৰৱ। যি ঘৰ, যি দেশ, যি সমাজত মাতৃ জাতিৰ, নাৰী সমাজৰ, ভগ্নী-গোষ্ঠীৰ স্নেহ, মমতা, সতীত্ব, নাৰী-মহিমা আৰু মৰ্যাদা বোধটো আতংকগ্ৰস্ত নহয় আৰু অক্ষুণ্ণ হৈ থকাৰ সুবিধা পায়, নাৰীৰ প্ৰতি পুৰুষৰ দৃষ্টি য'ত সম্ভ্ৰম-সূচক আৰু স্নেহময় হৈ থাকে, যি সমাজত নাৰীৰ সৰ্বাংগিন নিৰাপত্তাৰ প্ৰতিশ্ৰুতি থাকে আৰু নাৰী—পুৰুষৰ লালসাৰ লক্ষ্য আৰু কেৱল—ভোগ্যা হৈ

নাথাকে, যি জাতিৰ নাৰীযেই তাৰ সংস্কৃতিৰ প্ৰথম প্ৰতীক হৈ থাকে, অথবা তেনেভাবে প্ৰতীয়মান হৈ থাকে, আৰু অন্যত্ৰ বিৰলা কামৰূপৰ গৃহ-দেৱীৰ দৰে সৰ্বত্ৰই পূজিতা হয়—সেই দেশ, সেই জাতি, সেই সমাজ আৰু সেই ব্যক্তিযেই—সভ্য, সংস্কৃত, পবিত্ৰ, উন্নত আৰু ধন্য। সেই দেশৰ মাটিত অমৰত্ব লাভ হয়, দেৱ সমাজ প্ৰতিষ্ঠা হয় আৰু পুৰুষৰ হাত সদায় নাৰী-ৰক্তৰ ভূষিত হৈ থাকে। দশম-একাদশ শতিকাৰ কালিকা পুৰাণত সেই বাবেই কামৰূপ অৰ্থাৎ বৃহত্তৰ অসমৰ নাৰীক দেৱী বুলি কোৱা হৈছিল—'অন্যত্ৰ বিৰলা দেৱী কামৰূপে গৃহে গৃহে'।

জয়মতীৰ দৰে মহাসতী পৃথিৱীৰ বুৰঞ্জীত বিৰল। এই মহাসতীক অৱমাননা কৰি এটা স্বয়ম্ভু ৰাজশক্তি এটা অপৰিণাম-দৰ্শী শাসন পদ্ধতি বুলিছোৱাৎ হৈ গৈছিল। মযমতীয়া শাসনৰ কু-খ্যাত হৈ হৈ গৈছিল।

'মাতৃৱৎ পৰদাৰেষু পৰদ্ৰব্যেষু লোষ্ট্ৰ (ষ্ট্ৰ) ৱৎ'—ভাৰতীয় সংস্কৃতিক আৰু আধ্যাত্মিক জীৱনত শাস্ত্ৰৰ এই নীতি বচনটোক মহামন্ত্ৰ হিচাপে লৈ নাৰী মংগল যজ্ঞত প্ৰবৃত্ত হৈ, আপোনালোক নিজেই তাৰ প্ৰধান হোতা হব লাগিছিল, কিন্তু বৰ পৰিতাপৰ বিষয় এইযে তাৰ পৰিবৰ্তে আপোনালোক নিজেই যজ্ঞধ্বংসকাৰী, অশুভশক্তি বা আততায়ী, নিশাচৰ হিচাপেহে সম্পূৰ্ণ প্ৰতীয়মান হৈছে। স্বাৰ্থান্ধ হৈ আপোনালোকে মোক নিশ্চয় বেয়া পাইছে বা পাব, যে তাত হয়তো সন্দেহ নাই। কিন্তু মোক অকল পূৰ্ব পৰম্পৰাৰ এটা নিৰ্বোধ ব্যতিক্ৰম বুলিয়েই বা অন্য প্ৰকাৰে বেয়া পোৱাৰ অধিকাৰ বা যুক্তি আপোনালোকৰ তিলাৰ্দ্ধও নাই। কোনোবা নাৰী স্বেচ্ছাই এই নৰকৰ দ্বাৰলৈ, এনেকি দৰ্শন কৰিবলৈও আহে বা আহিছেনে অদ্যাৱধি? আপোনালোকেই আমাক এই নৰকৰ দ্বাৰলৈ জৰী-টাঙোন লগাই বান্ধি অনা নাইনে? আপোনালোকেই এই নৰকৰ উকীল-গোমস্তা নহয়নে? দুঃখী-দৰিদ্ৰৰ ৰক্ত শোষণ কৰি, মেজৰ

তলেদি হাত পাতি অনা কোটি কোটি টকাৰ কুবেৰ মালিক—সেই বহু বিধাতা, বহু দাতা, ত্ৰাতাই নহয়নে আপোনালোক ? জানেনে—আপোনালোক কি দোষত দোষী, 'ত্ৰিজন'ৰ মহা পাতকতো লিপিত থাই থকা আপোনালোকৰ চৰিত্ৰ ঘৃণাৰ্হ আৰু কলুষিত। আপোনালোকৰ সিংহাসন, ছত্ৰ, দণ্ড, আৰু লক্ষী ভাণ্ডাৰৰ গোপন মাহাত্ম্য—দেৱৰো অজ্ঞাত, সৃষ্টি কৰ্তাৰো অগোচৰ।

কামিনী— কাঞ্চনৰ জগতেই আপোনালোকৰ কৃষ্ণ লীলাতো অতিকৈ সৰস, মুক্তিকামী আৰু আন্তৰিকতা-পূৰ্ণ। এ'ষই জানো মানৱ কল্যাণ, সমাজ সেৱা আৰু আধ্যাত্মিক উৎকৰ্ষতাৰ মূল সূত্ৰ—অপৰিহাৰ্য অংগ ? এ'যই জানো সাংবিধানিক সংহিতা ? বাপু, সুভাষ আদিৰ অ ত্মাই হাহাকাৰ কৰি অশ্ৰুপাত কৰা নাই জানো ? ভাৰতী আইক শৃংখল-মুক্ত কৰাৰ বাবে, জন্মস্বত্ব-স্বাধীনতা লাভ কৰাৰ বাবে, লক্ষ লক্ষ ভাৰত সন্তানে মহান ত্যাগ কৰিলে—বহুতেই প্ৰাণাহুতি দিলে, কেঁচা তেজৰ ধাৰ বোৱালে। এষেই তাৰ পৰিণতি বুলি তেওঁলোকে বা আপোনালোকেই জানো তেতিয়া ভাবিব পাৰিছিল ? কস্তুৰবা, ঝান্সিৰাণী, লক্ষ্মীবাঈ আদি মহাসতীৰে দেশৰ নাৰী জাতিয়ে সু-সভ্য ইংৰাজ ৰাজৰ হাতত সম্ভৱতঃ ধৰ্ষিতা হোৱা নাছিল। নিজৰ দেশৰ ককাই-ভাই স্বৰূপ—'পুলিচ, মিলিটেৰী, চি, আৰ, পি, ধনবান, জ্ঞানৱান আপোনালোক। কাৰ হাতত ধৰ্ষিতা আমি ? এবাৰ অন্তৰ্দৃষ্টি নিক্ষেপ কৰক ? আমি জানো ধৰ্ষিতা নহওঁ। নাৰী-মংগল যজ্ঞৰ পৰিবৰ্তে নাৰীমেধ যজ্ঞ-অনুষ্ঠান কৰি লক্ষ লক্ষ নাৰীক এইদৰে পূৰ্ণাহুতি দি জীৱন্ত দগ্ধ কৰি পেলাইছে কোনে— দয়া কৰি বিচাৰ কৰি চাবনে ? আমাক বন্দী কৰা, উচ্ছেদ কৰা বা মুক্তি দিয়াৰ এক্তিয়াৰ আপোনাসকলৰ আছে। এইটোও স্বীকাৰ্য যে কালিদাস, ডাণ্টে, শেক্স্‌পীয়েৰ, মিল্টন আদি অসংখ্য পুৰুষ মনীষীয়েহে যুগে যুগে জগতৰ নাৰী সমাজক মহা

মানৱী বা দেৱী সমাজৰ বাপত প্ৰতিষ্ঠা কৰি অথবা অমৰ ললনা তুল্যা কৰি থৈ গৈছে। মই কৰযোৰে প্ৰশ্ন কৰিব খুজিছোঁ যে—সেই মহান ঐতিহ্য, আদৰ্শ, শ্ৰদ্ধা, ভক্তি, স্নেহ, মমতা আৰু স্বাৰ্থ ত্যাগ আজি কলৈ গ'ল আৰু কিয় অন্তৰ্হিত হৈ গ'ল ? ইয়াৰ সদুত্তৰটো দিবলৈ আপোনালোকৰ উদাৰতা নিশ্চয় আছে। নাৰীয়ে উৰা জাহাজ চলোৱা, বিজ্ঞানাগাৰত গভীৰ গৱেষণা কৰা, স্বামী-পুত্ৰাদি পৰিয়াল বৰ্গক নিজ হাতে ৰান্ধি খুওৱা পৰ্যন্ত সকলো কামকেই মই নাৰীৰ আদৰ্শ বুলি গ্ৰহণ কৰোঁ আৰু তাত পূৰ্ণ সমৰ্থন দিওঁ। কিন্তু তথাকথিত নাৰী স্বাধীনতা, প্ৰগতি আৰু অত্যাধুনিকতাৰ সমৰ্থনৰতো প্ৰশ্ন নাহেই, বৰং মোৰ দৰে ক্ষুদ্ৰ শিক্ষা প্ৰাপ্তা নাৰী তাৰ ঘোৰ বিৰোধিনীহে। আজি আমাৰ এই আধ্যাত্মিক দেশৰ মাটি, পানী আৰু বায়ুত ঐতিহ্যময় সেৱা সংস্কৃতি-সভ্যতাৰ আয়ুস টুটি আহিছে— ইয়াৰ এটি মূল কাৰণ—আজিৰ এচাম নাৰীৰ তথা-কথিত প্ৰগতি বাদ। গাৰ্গী, মৈত্ৰেয়ী, আত্ৰেয়ী শ্ৰৱাৱতী, ধাত্ৰী পান্না, বেহুলা, সাবিত্ৰী, জয়মতী আদিৰ নৱ-জীৱনৰ পুনৰুত্থানৰ বৃহৎ সম্ভাৱনা আনি দিব পাৰে একমাত্ৰ নাৰী পুৰুষৰ সংগতি আৰু সহযোগিতাইহে। সোণৰ গীতাৰে কৰা যজ্ঞ আপোনালোকৰ বাবে, আমাৰ বাবে কিমান ফলদায়ক—আমি উভয়ে তাক জানো।

আপোনালোকৰ পক্ষৰ পৰা হয়তো মোৰ ওপৰত যদি কিবা প্ৰকাৰৰ খং উঠিছে, তেনেহলে এই দুৰ্ভাগিনী কন্যা বা ভগ্নীক আপোনালোকৰ বিবেক পৰিচালিত অন্তৰত যথাযোগ্য স্থান এখনি দি, সত্যৰ আশ্ৰয়লৈ, আন্তৰিকতাৰে বুজাই দিলে মইহা অন্তৰখনত, দগ্ধ জীৱনটো হয়তো এফেৰি শান্তি পাবও পাৰোঁ।'

'আনদিনা বলি গোটৰ গড যায় গলি, আজি দেখোঁ বলি গোটে হাসে খল খলি'— এনে এটা ভাবে যেন কুঠিৰ অতিথি সকলক আচ্ছন্ন কৰি পেলালে। তেওঁলোকৰ চকু-মুখলৈ চাই মোৰ

এনে এটা ধাৰণাই হ'ল। ক্ষুদ্ৰ হলেও, মোৰো যে কিবা একণ পৱিত্ৰ ব্যক্তিত্ব আৰু অভাৱনীয় গাম্ভীৰ্য থাকিব পাৰে—তাৰ প্ৰত্যক্ষ উমান পাই, তেওঁলোকৰ বহুতৰেই যৌন-ক্ষুধাটাৰ লালটিবোৰ নিষ্কাশিত যেন হৈ গ'ল অথবা লালটিবোৰ শুকাই কৰ্কৰীয়া মাৰিলে—ভাবান্তৰ হৈ যেন তেওঁলোকে চৰ্চৰণিহে খালে। বহুতৰ অন্তৰ আৰু বিবেকেই সত্যৰ অনুসন্ধান কৰা যেনো লাগিল। সকলোৰেই যে জ্ঞানচক্ষু গজিল এইটো খাটাং নহলেও, বহুতৰেই মতি গতিৰ যেন আশু সলনি হ'ল। তেওঁলোকে সমাজৰ মংগলৰ বাবে দান-বৰঙণিখিনি খোলা মনেৰেই দিলে যদিও, ভিৰ কমিল। দুৰ্গা পূজাৰ ধুনীয়া প্ৰতিমা দৰ্শন কৰিও ভক্ত দৰ্শকে সদায় প্ৰণামি নিদিয়ে। সৌন্দৰ্য, ভক্তি, প্ৰেম এনেকি যৌন সম্ভোগো কিহবাৰ দ্বাৰা সীমাবদ্ধ হৈ যায় যেতিয়া তাত ব্যক্তিগত স্বাৰ্থ ব্যাহত হয়। ধনৰ লগত ধৰ্মৰ বৰ টুটা সম্পৰ্ক আৰু প্ৰকাৰ ভেদ আছে। প্ৰণামিবো এটা ব্যক্তিগত প্ৰাৰ্থনা থাকে। সকলো প্ৰাৰ্থনাই ভক্তি নহয়। নিস্পৃহ ভক্তি হয়তো গতানুগতিক প্ৰাৰ্থনা-বিবৰ্জিত। অৰ্থ প্ৰাৰ্থনা আৰু পৰমাৰ্থ প্ৰাৰ্থনাৰ ইহ আৰু পাৰলৌকিক পাৰ্থক্য আছে।

হীৰা বাইদেউ আৰু মোৰ আশাশুধীয়া আৰু ঐকান্তিক পৰিশ্ৰম আৰু চেষ্টাত ইতিমধ্যে নাৰী কল্যাণ মূলক বহু কাৰ্যই সংঘটিত হ'ল। নিৰাশ্ৰয়া আৰু পতিতা নাৰীৰ উৎকৰ্ষ সাধনৰ বাবে বহুমুখী কৰ্মানুষ্ঠান এটি আৰম্ভ কৰা হ'ল। তাত অসমৰ বয়ন শিল্প আৰু কুটীৰ শিল্প পদ্ধতিত তাঁত-বোৱা-কাটা, চিলাই ধাত্ৰী বিদ্যা, শিশু পৰিচৰ্যা আদিৰ যোগেদি মাতৃৰ মহিমা মণ্ডিত গুণৰাশিৰ মুক্ত অনুশীলন, বিভিন্ন সংগীত শিক্ষা আহৰণ—এনেকি প্ৰাথমিক স্তৰৰ পৰা মাধ্যমিক বিদ্যালয়, কোনো কোনো বিষয়ত মহাবিদ্যালয় পৰ্যন্ত জ্ঞানগত শিক্ষা আহৰণৰ সুবিধা আদিৰ সুব্যৱস্থাও কৰা হ'ল। বহু সদাশয় লোকে মুক্তহস্তে সহায় সহযোগ আগবঢ়ালে। শকত ধনৰ মোনাৰ বলত কুঠীৰ নাৰীৰ

দ্বাৰা বৈকুণ্ঠৰ সৃষ্টি হৈ পৰিল। কুঠী বৈকুণ্ঠী হ'ল, প্ৰমোদকক্ষ প্ৰয়াগ তীৰ্থ হ'ল, উজন্টি—বৈজয়ন্তী হ'ল। কুঠীৰ অনামিকা—মধুদ্বিষ প্ৰিয়া হ'ল, চয় গুচি নিশ্চয় হ'ল। ভোগৰ থলী গুচি যোগৰ থলী হ'ল। মৰণ পথৰ যাত্ৰীবোৰ তীৰ্থ যাত্ৰী হ'ল - তেওঁলোক অকৃত্ৰিম আন্তৰিক শ্ৰদ্ধাৰ উপযুক্ত পাত্ৰী হ'ল।

অনুষ্ঠানলৈ আগেয়ে নহা বহু শিক্ষিত আৰু জ্ঞানী, এনেকি সাধু পুৰুষবো আহ্-যাহ্ কৰিবলৈ ধৰিলে। সদা প্ৰস্ফুটিত কুসুমৰ স্বভাৱ গন্ধৰ প্ৰকাশ আৰু প্ৰচাৰটো স্বতঃস্ফূৰ্ত, স্বতঃসিদ্ধ আৰু স্বভাৱ। অভিনৱ অনুষ্ঠানটোৰ প্ৰচাৰত কোনো ধৰণৰ অকৃপণ পৰিশ্ৰম, বৰং বিস্ময় আৰু কৌতূহলৰ মাজেদি প্ৰচাৰটো সুসিদ্ধান্ত হ'ল। দুৰ্গতি নাৰী আজি নিজেই,—দুৰ্গতি-নাশিনী--সমাজ-দেহৰ অৰি প্ৰবল প্ৰতাপী দুৰ্গতি' অসুৰক বধকৰি এই ৰূপ ধাৰণে নাৰী তথা মানৱ-সমাজৰ প্ৰভূত উপকাৰ সাধিলে। ই যেন কোনোবা মহান আদৰ্শৰ ক্ষুদ্ৰ সংস্কৰণ। মোৰ অন্তঃসত্তাটো বসন্ত কুসুমৰ দৰেই হৈ ধৰি উঠিল আশালতাই জীৱন পালে, জীপ পালে।

কল্পনাৰ চুলিৰ মাৰত চুলনি দি ভাবসমূহ হেন্দ্ৰ তলৰ ধাৰত সৰি পৰা স্বভাৱটো আৰু দুৰ্ভাগ্যটো নাৰীৰ ক্ষেত্ৰতহে অধিক গতিশীল যেন মোৰ অনুভৱ হয়। পাৰত কেনেবাকৈ উঠিবলৈ পাৰিলে অহং' ভাৱটো তুনাই মৰ পোলোকা দিয়াৰ পৰিবৰ্তে পুনঃ পুনঃ জাগ্ৰতহৈহে উঠে। মই এজনী নাৰী, মোৰ নিষ্কৃতি ক'ত? মোৰ জীৱনত নাৰী জীৱনৰ চৰম পতন বা অভিশাপ নামিছিল নে নাই—মই সেই বিষয়টোৰ ক্ষেত্ৰত নিশ্চিত নহওঁ। কিন্তু বাহিৰ ধৰণ কোনো কুকৰ্ম ফলৰ অনাকাংক্ষিত লক্ষণ দৃষ্টিগোচৰ নহ'ল। হয়তো অভিশাপৰ আন্ধাৰ নমাই নাছিল।

সকলো মানুহেই হৰিশ্চন্দ্ৰ হ'ব নোৱাৰিলে—নিৰামিষ দান-দক্ষিণাৰ-ধাৰটো তিনি শপতৰ পিচত অচল। কথাতে কয়—দানৰ

পুণ্য, দক্ষিণাৰ (দক্ষ) বা কুশল-বৰ নহ'লে ভক্তিও অচল। গ্ৰহ-পূজা যি—অশ্বমেধ-ৰাজসূয় ও সেই। মানুহবোৰ ভাল আৰু বেয়া হোৱাৰ একোটা আৰম্ভণ আৰু সমাপণ আছে, পৰিণতি আছে।

মন্মথৰ শিষ্য বৰ্গৰ ভিৰ কিছু নাইকিয়া হ'ল সঁচা কিন্তু তাৰ মাজৰে সম্পূৰ্ণ অচিনাকি এজন এতিয়াও কুঠীতে আছে। তেওঁ আগৰ দৰেই ভক্তসকলৰ দৰে এটা চুকত বহে। তেওঁ সদায় অৱনত মস্তক, নিৰ্বাক, বিষণ্ণবদন, নিস্তব্ধ। মনটোও যেন বিক্ত উদাস। তাত কোনো খং ৰাগ, মান-অভিমান, দুঃখ দৈন্য, হৰ্ষ-বিষাদ, ইচ্ছা-বাসনা, পোৱা-নোপোৱা—আদি কোনো ভাৱৰেই যেন ক্ৰিয়া-প্ৰতিক্ৰিয়া নাই! তেওঁ নেহ'লে বিহৰ টানত, বিহৰ আশাতেই বা মৌন প্ৰস্তৰ মূৰ্তিৰ দৰে, সেই নিৰ্দিষ্ট চুকটোত তেওঁ বহি থাকেহি? এনেকি একোবাৰলৈকে তুবাৰো মোৰ ফালেও নাচায় মোক একো নকয়, মাক নিৰিবিচাৰে—নামাতে। নিজম নিশা ছায়া মূৰ্তিৰ দৰে কেতিয়াবা তেওঁ তুৰ পৰা অন্তৰ্হিত সাৰে-শুলাই যায় সিও এটা ৰহস্য হৈয়েই থাকে। মোৰ কৌতূহল সৰ্বাধিক।

একুৰি মান বছৰ বয়সৰ দেওনা পাৰ হোৱা এই ৰহস্যময় নিৰ্বাক-নিশ্চল মূৰ্তিটোৰ ওপৰত পাছত কিছুদিন লক্ষ্য কৰিলোঁ—জন-শূন্য দৰবাৰী কুঠী-বৰ্হত একলশৰে বহি থাকিও এই সুন্দৰ সুঠাম যুৱকক লক্ষ্য কৰিলোঁ। ভাৱান্তৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰিও শেষত বিফল-ব্যৰ্থ কাম হলোঁ। দৰ্শনত ৰাজকুমাৰ যেন লাগিলেও, এও কোনোবা ঋষি-কুমাৰ যেন হে মোৰ ধাৰণা হ'ল। মনত ক্ৰিয়া প্ৰতিক্ৰিয়া সৃষ্টি কৰিব পৰা কোনো ভাৱান্তৰ বা প্ৰতিক্ৰিয়াশীল পৰিবৰ্তনৰ লক্ষণেই নেদেখিলোঁ—এই ঋষি কুমাৰত। যুৱকলৈ মোৰ অবুজ ব্যথা অথচ কিবা যেন পৰিচিত মায়া মমতা উপজিল। মোৰ ভিতৰত অচিন্ত্য-পূৰ্ব মাতৃ-সত্তাটো অধিক উন্মুখ হৈ উঠিল—তেওঁ হয়তো সেই এটা বস্তুৰেই কঙাল। জন্মিয়েই মাতৃ হেৰোৱা শিশুটোৰ হাবেঁৰে বুকুত সাঁৱটি লোৱা—এই অজ্ঞাত যুৱকজন যেন এটা জীৱন্ত পুতলা—এটা মৌনী অথচ ভাষ্যকাৰ

পুতলা!

এদিন কিবা এটি শক্তিশালী নৈতিক সাহস গোটাইলৈ যুৱকৰ ওচৰলৈ গৈ সুধিলোঁ—'তুমি আ-আ, আপুনি সদায় কিয় এইদৰে অকলশৰে ইয়াত বহি থাকে হি? আপোনাৰ পৰিচয় পাব পাৰোনে? আপুনি সদায় এটা বিশিষ্ট শক্তিশালী ব্যতিক্ৰম হিচাপে নিজক স্পষ্ট প্ৰমাণ কৰাৰ শিক্ষা ক'ত পালে বাৰু? কি বিচাৰি আপুনি সদায় ইয়ালৈ আহে? কি পায—? কি লৈ গুচি যায়? আপোনাৰ কেন্দ্ৰিয়াও কোনো দাবী দূৰৰ কথা—এষাৰ মুখৰ মাতেই নুশুনিলোঁ। দ্বিতীয় ব্যক্তিৰ মনৰ কথাক উদ্দেশ্য বা লক্ষ্য কৰি, মই আজি পৰ্যন্ত কাকো এনেদৰে প্ৰশ্ন কৰা নাই। 'আপুনি মোতকৈ বয়সত নিশ্চয় সৰুৱেই হ'ব। কথাবোৰ সোধাৰ মূলতে অথবা যক্তি হিচাপে মই উপযুক্ত সম্বন্ধ এটা দাবী কৰিব নোৱাৰোঁ নে? আপুনি ঘড়ীৰ কাটাৰ গতিৰ লেখীয়াকৈ ইয়ালৈ যি কোনো দাবীহীনহৈ অহাটোৱেই মোৰ দাবীৰ সৰলতা প্ৰমাণ কৰে। ৰহস্য-মুক্তি-জনিত শান্তিকণৰ জানো অভাব হ'বলৈ দিব?

এইবাৰ ৰহস্যময় যুৱকে মোলৈ প্ৰশ্নাকুল স্বৰূপ সম্ভৱতঃ প্ৰথমবাৰ মূৰ তুলিলে। মোৰ চকুৰ পৰা এনেকৈ কেউ কিছুপৰ চাই থাকিল। এই যুৱকৰ সজল চকু মোৰ আন্তৰিক দৃষ্টিত প্ৰথমবাৰ আৱিষ্কৃত হ'ল। আতিশয্যৰ লাজ আৰু শংকা যুৱকৰ অশ্ৰুত ইন্দ্ৰ ধনুৰ দৰেই প্ৰতিভাত হৈ উঠিল। কাৰুণ্যৰ দৰ্শনটো যেন মোৰ চিত্তত ধৰা দিলে, দৰ্শনৰ ব্যাখ্যাটো কিন্তু যুৱকৰ মৌনতাত ডুবাই ৰাখিলে নেকি। যুৱকৰ মস্তক আকৌ অৱনত হৈ মোৰ ভৰিৰ পতাৰ ওচৰলৈকে চাউলি আহিল। তাৰ পিছত তথনো লগলাগি কেইমুহূৰ্তমান স্থবিৰহৈ ৰ'ল—তাৰ পিছত সাপোন দেখি সাৰপাই উঠি খোজ কাঢ়া মানুহৰ দৰে এখুজি-তখুজিকৈ, মূক-বধিৰৰ ন্যায় কোঠালীটোৰ পৰা ওলাই গৈ আন্ধাৰৰ আৱৰণীৰ আঁৰত

অদৃশ্য হৈ গ'ল। মই বিস্ময়-বিমুগ্ধ হৈ মাত্ৰ চাই বলোঁ। মোৰ অন্তৰ ব্যথিত হৈ পৰিল আৰু অন্তৰাত্মাত এইটো স্পষ্ট হ'ল যে— যুৱকৰ অন্তৰত কিহবাৰ মাৰাত্মক আঘাত লাগিছে আৰু এওঁ একান্ত মৰম-স্নেহ-ভিক্ষাৰী— হয়তো মোৰ পৰাও। মোৰ মাজতেই হয়তো যুৱকে এজনী ভগ্নী অথবা মাতৃ বিচাৰিছে যেন অনুভৱ হৈছে আৰু অভাৱ আৰু আঘাতৰ গুৰিও তাতেই যেন লাগিছে। যিমানেই ভাবোঁ সিমানেই স্পষ্টকৈ আহিবলৈ ধৰিলে যে উচ্চ আদৰ্শত প্ৰতিষ্ঠিত হোৱা গুণে তাত বাধা গ্ৰস্তহৈ আৰু হয়তো কোনোৱা অতি আপোন জনৰ অভাৱ বা বিশ্বাস ঘাতকতাত অতিষ্ঠহৈহে অতিভদ্ৰ আৰু অতি সম্ভ্ৰান্ত ঘৰৰ এই যুৱকো গৃহত্যাগী হৈছেহি। যদি মোৰ দ্বাৰা বিবেচিত যুৱক সম্বন্ধীয় মস্তক-তত্ত্ব (Phrenology) শুদ্ধই হয়—তেনেহলে, ই এটা অত্যাশ্চৰ্যময়-সংযোগ—এটা পূৰ্ব-নিবন্ধন্।

পৰ্বত প্ৰমাণ মহোৰ্মিৰ মাজতো তুলুঙা তৰণীখনে মৌলিক আৰু স্থিৰ অস্তিত্ব প্ৰমাণ কৰিব পাৰে। কিন্তু হঠাৎ মোৰ ধাৰণা হ'ল—যুৱক হয়তো আৰু নাহে। যুৱকেও হয়তো স্বাভিমানটোক বুভুক্ষিত কৰিব নোখোজে। সেয়ে নহলে তেওঁ সংসাৰত্যাগী শিশু-সন্ন্যাসী নহলহেঁতেন।

কিন্তু পিচদিনা যুৱক আকৌ আহিল, একে ঠাইতেই একে দৰেই কলৈকো দৃষ্টিপাত নকৰাকৈ অকলশৰে-বহি ৰ'ল তেওঁ। তেওঁ অমৃতত্ব নে মহাশূন্য প্ৰত্যাশী,—কোনে কব? ওপৰ দৃষ্টিত মানসিক বিকাৰগ্ৰস্ত বুলি ভ্ৰম হোৱাৰ সম্ভৱনাটোও দূই কৰিব নোৱাৰি। মই পোনে পোনেই গৈ যুৱকক প্ৰশ্ন কৰিলোঁ—'এনেদৰে অমূল্য জীৱনটো কলৈ ঠেলি দিছে? আমি অৰ্থাৎ মই জানো আপোনাৰ জীৱনৰ হৃত বস্তুটো উদ্ধাৰৰ চেষ্টা কৰিব নোৱাৰোঁ? কি সেই বস্তু? বিদ্যা, ধন, বংশ মৰ্যাদা, সংস্কৃতি দেশ সেৱানে তেনে কিবা? কোন সেইজন—পিতা, মাতা, ভাই, বন্ধু, স্নেহময়ী ভগ্নী নে আন কোনোবাহে? আপুনি যিকোনো এটাকেই

ইয়াত আশা কৰিব পাৰে—মনত ৰাখিব, এইটো এটা কুঠীহে থকা নাই আজি! কুঠী এখনক এখন আশ্ৰম কৰি গঢ়িতুলিছেঁ।—হীৰা বাইদেউ, তেওঁৰ সহযোগিনীবোৰ আৰু মই। এই অপূৰ্ব্ব ঘাত পৰিবৰ্ত্তনটোৱেই আপোনাক ইয়ালৈ আকৰ্ষণ কৰিছে—বুলি মোৰ দৃঢ় প্ৰত্যয় হৈছে, মই যেন মানস চক্ষুৰে সত্য দৃষ্ট হৈছেঁ।, আপুনি কোন—মই নিচিনিও চিনিছেঁ।—'সতাংহি সন্দেহপদেষু বস্তুষু প্ৰমাণমন্তঃকৰণ প্ৰবৃত্তয়ঃ' মোৰ কথাৰ ওপৰতেই বোবা যুৱক হঠাৎ বাচালহৈ উঠি টপৰাই কৈ পেলালে—It is my revered father's oft quoted maxim. The same holds good in respect of you in my esteem It is beyond doubt now that we two are heavenly blessed having fathers with vast Scholarship and wisdom of rare kind'

আপুনি হয়তো ভাবিছিল—পংক্তিটোৰ অৰ্থ মই বুজি নাপাম। ইয়ালৈ অহা সকলোবোৰৰ বিষয়ে আপুনি কৰা অভিযোগ সঁচা নহয়। মাত্ৰ এটা উদ্দেশ্যলৈ সকলোবোৰ ইয়ালৈকে আহে নে? এইটো সত্য যে বহুতেই ইয়াত আত্মহত্যা কৰেহি।

আনহাতে এইটো শুনিও আচৰিত হব যে কিছুমানে আত্মহত্যাৰ পৰা নিষ্কৃতি পাবলৈও ইয়ালৈ আহে। মোক আপুনি কোন দলত অন্তভূৰ্ক্ত কৰিব খুজিছে—নাজানো। আপুনি মোক তুমি বুলি মাতিব —মই বয়সতো সৰু, জ্ঞানতো হীন। আপুনি কৰা সবল দাবীটোত মই পৰম সন্তুষ্ট যদিও মোৰ অতি স্নেহময়ী ভনী এজনী আছে। এইখন ঠাই মোৰ বাবে পৰিপূৰ্ণ হৈ আছে। মোৰ ঋষি তুল্য বিদগ্ধ পণ্ডিত পিতৃ অন্তৰ্দ্ধান হৈছে। তেওঁ জীৱিত নে মৃত—তাৰো কোনো শুংসূত্ৰ নাই। মোৰ কোমল বয়সৰ জীৱনটোত মাতৃ স্নেহৰ তীব্ৰ হেঁপাহটোৰ তিনিটা চুকেই বুভুক্ষিতহৈ ৰ'ল। নিজ মাতৃ-ভ্ৰাতৃ ভগ্নীহঁতৰ পাপাচাৰ আৰু নৈতিক পতন জনিত ব্যৱহাৰত মোৰ মাও অতিষ্ঠহৈ পৰিল।

শেষত দেউতাৰ পিচতেই তেওঁৰ পথকে লৈযেই মাও হয়তো দেশ-ত্যাগিনী হৈছে। মোৰ জন্মদাতা-জন্মদাত্ৰীৰ স্নেহৰ পৰা মই আজি সম্পূৰ্ণ বঞ্চিত, অপসৃত। শেষত মযো তেওঁলোকৰ পথকেই অনুসৰণ কৰিলোঁ। সেই বাবেই মই বিচাৰিছোঁ—চিৰন্তন, সনাতন মাতৃ-স্নেহ। আপোনাৰ ওচৰত নতশিৰ হোৱাৰ অৰ্থ এতিয়া মানে নিশ্চয় দুৰ্বোধ্য গূঢ়াৰ্থ হৈ থকা নাই। চিৰ-বঞ্চিতজন ডুবি যায়, তেজৰ ৰঙত আত্মজাহ দিবলৈ ইয়ালৈ আহে। মোৰ ভৰি দুখনেও প্ৰথমে মোক ইয়ালৈ কোনৈক কিভাবি লৈ আহিল—নাজানো। সম্ভৱতঃ মোৰ চিত্ত-বিভ্ৰম অথবা চিত্ত বিকৃতি ঘটিছিল, নে অন্ধ নিয়তিয়ে অন্ধকাৰ, পথেদি মোক অমৰ তীৰ্থ লৈহে লৈ আহিল। এই তীৰ্থৰ অধিষ্ঠাত্ৰী দেৱী দৰ্শন সংঘটিত হোৱাত মোৰ মনৰ শ্ৰান্তি, ক্লান্তি, বিভ্ৰান্তি বিভ্ৰমাদি সকলোযেই যেন নিমিষতেই অন্তৰ্হিত হৈ গ'ল। আপোনাৰ জ্ঞানৰ প্ৰভাই প্ৰথম দিনাই মোক মোৰ ঋষি-পিতৃ দৰ্শন কৰালে। এই মহা মোহৰ ৰাজ্যত মই আপোনাক অকল চিনি পোৱাটোৱেই যথেষ্ট বুলি ভাবিলোঁ—মনে মনে মই আপোনাত শৰণ ললোঁ। সকলোবোৰ স্বাৰ্থান্ধই যেতিয়া আঁতৰিল—এই মাথো আপোনাৰ ওচৰ চাপিলোঁ—কি বিচাৰি বাৰু? সেই সকলো দুৰ্ভগীযাই হেৰোৱা-মহামূল্য ৰত্নটোৰ ৰঞ্জন ৰশ্মিয়ে মোৰ ভিতৰ-বাহিৰ সমস্ত উদ্ভাসিত কৰি তুলিলে। মই আবিষ্কাৰ কৰিলোঁ—পৰশ মণিটোৰ অসীম জ্ঞান-ধ্যান, স্নেহ-মমতা, সতীত্ব আৰু আদৰ্শ। মই ফিৰাই পালোঁ—মোৰ জীৱনৰ হৃত সৰ্বস্ব। দেউতাই কৈছিল—আমি অমৃতৰ পুত্ৰ—আমি অমৰ।' তথাপি ভাবিছিলোঁ—দেউতাৰ লগে লগে—কৰ্ম, জ্ঞান দেশপ্ৰেম—আৰু ভক্তিৰ পৰম্পৰাটোৰো অৱসান হ'ল, কিন্তু কি আচৰিত। বিশেষ তেনে একেবাৰেই নহ'ল—কাৰোবাৰ ভিতৰত দেউতা কৰবাত যেন অমৰ হৈযেই ৰ'ল। আপুনি হয়তো নাজানে—আপোনালোকৰ নৱগঠিত অনুষ্ঠানটোৰ এচুকত বহি মই অধ্যয়নৰতহে থাকোঁ, এই মুক্তি-তীৰ্থত মই আত্ম-

গোপন কৰি পৰি থাকোঁ। মই Unseen unsung unhonoured and unheared মই অজ্ঞাত, অদৃশ্য, অস্পৃশ্য একলব্য, কল্পনাৰ গুৰুদ্ৰোণে কিন্তু প্ৰচ্ছন্ন শিষ্যজনক চিনি নাপায়।'

'মানৱ জীৱনটো বাস্তৱ বৰ্জিত এটা উকা কল্পনাক আশ্ৰয় কৰি বৰ্তিব নোৱাৰে। পিতৃ-মাতৃ, স্বামী-স্ত্ৰী, সন্তান, ভাই-ভনী, ইষ্ট-মিত্ৰাদিক লৈয়েই এটা পৰিপূৰ্ণ জীৱন—যিটো হয়তো মোৰো অৱচেতন মনটোত স্বাভাৱিক ভাৱেই সুপ্ত হৈ থাকিব পাৰে। অতি-মানৱ আৰু সংসাৰ বিৰাগীৰ ক্ষেত্ৰত হয়তো ই প্ৰযোজ্য নহৱও পাৰে। ঠিক পুত্ৰৰ বয়সৰ নহলেও এই যুৱকৰ প্ৰতি এটা মাতৃত্বৰ শুদ্ধ দাবী লৈয়েই দেউতাৰ আদৰ্শৰ গাৰ্গী মই কেতিয়াবাই আকৰ্ষিতা হৈ পৰিছোঁ। সিদিনাৰ পৰা মাতৃ-পুত্ৰৰ সম্বন্ধটো পৰস্পৰ, 'তুমি' সম্বোধনে নিকটতম্ কৰি তুলিলো। যুৱকে মাত্ৰ 'অমৰ' নামেৰে নিজক মাতিবলৈ মোক অনুৰোধ জনালে। মোৰ অন্তৰাত্মাত তেওঁৰ নাম সম্বন্ধে যেন অলপ সন্দেহ, অলপ খোকোজা কৰবাত লাগি থাকিল। মই অযোনি সম্ভৱ পুত্ৰৰ দ্বাৰা যেন মহিমাময়ী হলোঁ। দেউতাই কৈছিল—'শেষ ভালেই সকলো ভাল। দেউতাৰ বাণীৰ যেন অৰ্দ্ধ ভাগ সাৰ্থকতাৰ উপলব্ধি হ'ল মোৰ।

অমৰৰ প্ৰতি বহুতৰেই ঈৰ্ষা জন্মিছিল, কিন্তু অমৰৰ অভিজাত ব্যক্তিত্ব, দৈহিক সৌন্দৰ্য, জ্ঞান আৰু গাম্ভীৰ্যই সকলোকেই মুখ তুলিব নোৱাৰাকৈ বশীভূত কৰি পেলাইছিল। অৱশেষত অমৰৰ প্ৰতি শ্ৰদ্ধাত সিহঁতৰ মুখ সো খাই গল। সত্য, নিষ্ঠা, ত্যাগ আৰু পবিত্ৰতাৰ জয়টো এটা অৱশ্যম্ভাৱী সত্য '

হীৰাবাইদেৱে এদিন কলে - 'গাৰ্গী মা (এতিয়া সকলোৱে মোক দেউতাই দিয়া নামেৰেই মাতে), বৃন্দাবনলৈ হেনো ক'ৰবাৰ পৰা বিদগ্ধ পণ্ডিত সন্ন্যাসী এজন আহি বিৰাট আনন্দাশ্ৰম পাতিছেহি। তাত নানান ধৰণৰ গভীৰ বিষয়ৰ জ্ঞান চৰ্চা আৰু আলোচনা

কৰা হয় আৰু বিভিন্ন বিষয়ৰ শিক্ষা আদিও দিয়া হয় ভালে এদিন আমিও যাওঁ বলা'চোন।' 'অৱশ্যে মোৰো এই আশ্ৰম আৰু সন্ন্যাসীৰ সুদূৰ ব্যাপ্ত খ্যাতিৰ কথা শুনি শুনি মনতে তালৈ যাবলৈ এটা অদম্য হেঁপাহ জন্মিছিল। কিন্তু আশ্ৰমলৈ 'আহি - তিযাই যাব লাগে' এনে ভাবৰ গুৰুত্ব দিয়া নাছিলোঁ। মোৰ ঠেকা খোৱা আৰু লাঞ্ছিত মনটোৱে সন্ন্যাসীক এবাৰ পৰীক্ষা কৰি চোৱাৰো স্পৃহা'টোক পৰামৰ্শ দিছিল। সংসাৰ-বিৰাগী জ্ঞানী সন্ন্যাসী মহাত্মানো কিমান পানীৰ মাছ--এবাৰ জুলুকিৰ চাব এটা মাৰি চোৱা যাওক অথবা খাঁটি সোণ টুকুৰাক এবাৰ কষটিত মৃদু ঘৰ্ষণ কৰিয়েই চোৱা যাওক। অন্ততঃ মোৰ ৰূপৰ আকৰ্ষণৰ দ্বাৰা পৰীক্ষিত হৈ তিষ্ঠিব পৰা সংযমখিনিয়ে যোগীৰাজক কুলায় নে নুকুলায় চোৱা যাওক। কুৰূপ নাৰীয়েও নিজক কোনোবাই তিলোত্তমা বুলি কলে—গৰ্ব-সমুদ্ৰ মন্থনৰ আলোড়ন তোলে। মইতো লোকৰ মানত নিজেই উৰ্বশী। গতিকে ধূৰ্জটিৰ ধ্যান-ভংগ হেতু ৰতিৰ কৃত্ৰিম-অসত্য মতি-গতিৰে অপৰূপা হৈ সাজি-কাচি ওলালো। প্ৰায় সকলো পুৰুষৰ প্ৰতি ওপজা বিতৃষ্ণাই মোক এই অভিনৱৰূপত সজাই তুলিলে। মই মোৰ আচনিৰ কথা অমৰক কলোঁ, কিন্তু অমৰ এনেভাৱে ভীষণ গৰ্জন কৰি চকু ৰঙা কৰি উঠিল যে মই ভয় খায়েই গলোঁ। 'তোমাক মই মাতৃত্বৰ দায়িত্ব দিছো, উপদেশ নিদিও। আনক ভুলাচনীত তোলাৰ আগতে নিজৰ তৰ্জুখনৰ কেৰ্ (থকাৰ সম্ভাৱনা'টো) মাৰি লব লাগে। নিজেই পৰীক্ষিত হোৱা আত্মদৰ্শন কৰা, নিজৰ লগতে আনকো উপলব্ধি কৰা। মন এক হলেও, সকলোৰে মানসিক স্তৰ একে নহয়। সাগৰৰ পানীত ভাহি ফুৰা নাবিকে সাগৰৰ লৱণাক্ত জল পান নকৰে। নাবিকে সিপাৰৰ কাষৰ সাধনাহে কৰে! মানৱ মংগলটোৱেই তেওঁৰ অভিপ্ৰায় তেওঁৰ সাধনা। তোমাৰ অভিপ্ৰায়ৰ মই সংগী হব নোৱাৰোঁ।

আৱশ্যক বোধ কৰিলে মই অকলেই সেই মহাত্মাৰ ওচৰ চাপিম।' মোৰ ভিতৰৰ গাগীয়ে অমৰৰ উত্তৰটো ঠিক এনে ধৰণেই বিচাৰিছিল, কিন্তু মোৰ বাহিৰৰ উৰ্বীয়ে আন্ধাৰতেই চন্দ্ৰালিৰ নোৱাৰা কিবা কিবিবোৰকেই খেপিওঁৱাটোহে স্বাভাৱিক বুলিও জানো। অমৰৰ কথা শুনি মই আনন্দিত অথচ হতভম্ব হৈ গলোঁ। তথাপি মৰণত শৰণ দি কলোঁ।—'অতিথি অবিশ্বাস এটাক গা-ৰখীয়া বা পহৰাদাৰ কৰি বৰ্ত্ত প্ৰবৃত্ত হ'ল— নিৰাপত্তা প্ৰায় সুনিশ্চিত। ইয়াত অবিশ্বাসটোক আত্মৰক্ষাৰ বিশল্য-কৰণী মন্ত্ৰ বা কবচ বোলাহে শ্ৰেয়। যুক্তিহীন অন্ধ-বিশ্বাসৰ স-গোত্ৰীবোৰে বিপদ সৃষ্টি কৰাৰ সম্ভাৱনা'টোহে অধিক।' অমৰ'ৰ কলে -'চোৰেহে ধৰা পৰাৰ ভয়ত আন্ধাৰৰ আঁৰত গা-ৰখীয়া বা পহৰাদাৰ ৰাখে। নিৰাপদে স্বৰ্গ লৈ যোৱাৰ ভয়টো যুধিষ্ঠিৰৰ হয়তো নাছিল। ৰক্ত প্লাৱিত নোৱাখালিৰ বুকুত মাৰণাস্ত্ৰলৈ পৈশাচিক নৃত্য কৰা আততায়ীৰ মাজেৰে নিভয় চিত্তে ঘূৰি ফুৰি শান্তি প্ৰতিষ্ঠা কৰিছিল—অকল অৰ্দ্ধ নগ্ন সন্ন্যাসী-বাপুজীয়ে। এই সাহসৰ তেজ আন কাৰ ধমনীত আছিল? বাপুজীয়ে নিজে সকলোতেই বিশ্বাস ৰাখিছিল— এনেকি ইংৰাজ শাসক বৰ্গতো সেই বিশ্বাস হেৰুৱা নাছিল—এয়েই তেওঁৰ জীৱনৰ অমৰ বাণী। গুলী বিদ্ধ হৈ তেওঁৰ জানো মৃত্যু হ'ল? তেওঁ অমৰ হ'ল—'নহন্যতে হন্যমানে শৰীৰে'। আন হাতে হত্যাকাৰীহে নিহত হ'ল। বিশ্বাসৰ মৃত্যুৰ নামেই অপমৃত্যু। শৰীৰ শুদ্ধ হলেও মনত কেতিয়াবা চেকা লাগে। কৃচ্ছ্ৰ সাধনা বিনে এই চেকা মোচন অসম্ভৱ। 'বিশ্বাসে মিলয় হৰি' বুলিও জগদগুৰু শ্ৰীমন্ত শংকৰ দেৱে কৈছে—'। কুবিৰ দেওনা পাৰ হৈ যোৱা, যুদ্ধোত্তৰ সভ্যতাৰ দ্বাৰা প্ৰভাৱান্বিত যুবক এজনৰ জ্ঞানৰ গভীৰতাত তেওঁৰ পিতৃ-পৰিচয় স্তৰটো স্পষ্ট হৈ উঠিল। সেই অজ্ঞাত মহাজ্ঞানী পিতৃজনক আন্তৰিক প্ৰণাম-জনালোঁ। কিন্তু নাৰী মনৰ তৰলতা আৰু খুহুৰনি নকমিল।

চোৰ ধৰিবলৈও কুকুৰ ৰখা হয় বুলি নকলোঁ। হীৰা বাইদেউক লৈ-জ্ঞানানন্দ আশ্ৰম-অভিমুখে ৰাওনা হলোঁ। মই যেন সাক্ষাৎকাৰ লোৱা পৰীক্ষকহে।

প্ৰভু, লোকে লোকাৰণ্য হোৱা আপোনাৰ বক্তৃতা— সভালৈ কেইবাদিনো গলোঁ, আপোনাৰ মধুময় জ্ঞান-গম্ভীৰ বক্তৃতা মোৰ কৰ্ণ কুহৰত বৰ্ষিত হ'ল। যজ্ঞভুক অগ্নিৰ দৰে মোৰ আত্মাৰ কৃষ্ণ বৰ্ণ্যটো শত সহস্ৰ গুণেই ভম্‌কি, ভম্‌কি জ্বলি উঠিল— উপশম হোৱাৰ প্ৰশ্নই নাই। তথাপি কোনো নাৰী মনৰ বিচিত্ৰ অহমিকাটো মোত যেন স্ফীতহৈ উঠিল। মোৰ ৰূপৰ পোহাৰে প্ৰভুক এক কড়িৰ গ্ৰাহকৰ নিম্নতম শাৰীলৈ অৱনমিত কৰিবলৈ অপাৰগ হৈ গ'ল। এনেকি ই প্ৰভুৰ সামান্য কটাক্ষপাতটোৰো লায়ক নহ'ল— মোৰ ঘৃণ্য অভিশপ্ত ৰূপটো। প্ৰভুৰ শৰীৰ, মন, অন্তৰক স্পৰ্শ কৰিবলৈ ওপৰঞ্চি ভংগি বা কৌশলৰ আশ্ৰয় ললোঁ। এইবাৰ কৈলাস-শিখৰ ক্ষীণ ভাৱে প্ৰতিধ্বনিত হ'ল। কিন্তু মোলৈ উলটি আহিল কি? ৰোষ—ৰুদ্ৰৰোষ। যি ৰোষাগ্নি'ৰ মোক পুৰি পুৰি ভস্মীভূতা কৰি পেলালে। ফুটাকড়ি লুব্ধা মোৰ উৰ্বী চিৰকাললৈ ছাই হৈ নাই হৈ গ'ল। ৰি-ছাৰ-ৰেক্‌-খন বা পুনৰুত্থান হ'ল— পণ্ডিত, দাৰ্শনিক-পুত্ৰী গাৰ্গীৰ। মহৰ্ষি কণ্বই জানো কন্যা শকুন্তলাৰ ঐহিক আৰু পাৰলৌকিক জীৱনটোৰ কথা জনা নাছিল। জানিও হয়তো কিয় প্ৰতিকাৰ কৰিব নোৱাৰিছিল? তেওঁ কিয় হঠাৎ সোমতীৰ্থলৈ গুচি গৈছিল? তেওঁ নাৰী জীৱনৰ আৰহ সংগীতৰ মূৰ্চ্ছনাটোৰ কথা জগতত সদৰি কৰিবলৈ আকৌ আশ্ৰমলৈ উভতি অহা নাছিল জানো!

দেউতায়ো মোৰ সম্ভাব্য পতনটোৰ কথা কিজানি বুজিহে বক্তৃতা— মঞ্চলৈ গুচি গৈছিল। তেৱোঁ ঘৰলৈ ফিৰি আহিছিল, কিন্তু তেওঁ ফিৰি অহাটো একেবাৰেই ফিৰি নহাৰ সমান আছিল।

স্তেওঁৰ নশ্বৰ দেহ'টোৰ বিলুপ্তিৰ লগে লগে জ্ঞানৰ সঁফুৰাটোও আত্মাৰ আৱৰ্তত হয়তো ঘূৰণি পাক খাই গৈছিল। কিন্তু চক্ৰৱৎ পৰিৱৰ্তিত সংসাৰ নীতিৰ তাড়নাত তাৰ দিগন্ত প্ৰসাৰী বিশাল ৰূপটো প্ৰভুৰ স্পৰ্শত মোত পুনৰ প্ৰতিভাত হৈ উঠিল। মোৰ বিশ্বৰূপ দৰ্শন হ'ল। এই বিশাল বিস্তৃতিৰ মাজত দেউতা'ৰা দৰ্শন পালোঁ। আপোনাৰ ত্যাগ আৰু আত্ম-শুদ্ধিৰ বাবে পৱিত্ৰ সাধনা দেখি মই অভিভূতাহৈ গলোঁ।—লোক বা দেশ হিতৈষণাৰ আন্তৰিকতা আৰু উদাৰতা দেখি মুগ্ধ হৈ গ'লোঁ—অন্তৰৰ অজ্ঞতা আৰু মলি-মামৰবোৰ মই জোকাৰি পেলাবলৈ যৎপৰোনাস্তি চেষ্টা কৰিলোঁ।

তুহিত্ৰীক যৌতুক দিয়া মাৰ তুক্তাৰ্থৰ লেপাট গাঁঠি'টো ক্ৰমে-ক্ৰমে ৰসহীন আৰু ঢিলা হৈ হৈ শুকাই কৰ্কশীয়া মাৰি আছিল। আপোনাৰ মধুবাত'ৰ স্পন্দনত আজি 'সে জৰ জৰ কৰ সৰি পৰিল। ডাণ্টৈৰ দৰে মই যেন 'পাৰ্গটৰী' পাৰ হলোঁ। বৈতৰণীত ডুবদি মই যেন সংসাৰ-মায়া বিস্মৃত হ'লা। ঈশ-জ্যোতিৰ ওচৰত আত্ম-সমৰ্পণ কৰিলো। কায়-মনো-বাক্যে প্ৰভুৰ চৰণৰ দাসী হলো। ক্ষণ ভংগুৰ সুখৰ কোনো মৃগ তৃষ্ণাই মোক আকৃষ্ট কৰিব নোৱাৰিলে। আগতো নোৱাৰিছিল। দেউতাৰ সেই জ্ঞানী শিষ্যৰ মুৰ্তিটোয়েও যেন মোক আশীৰ্বাদ দি শূণ্য মাৰ্গত অন্তৰ্দ্ধান হৈ গ'ল। আপুনি দিয়ক বা নিদিয়ক, মই স্বতঃ-স্ফূৰ্ত ভাবেই আপোনাৰ দীক্ষা গ্ৰহণ কৰিছো। মই জানো-এই দাসীৰ বাবে প্ৰভুৰ অভয় শ্ৰীচৰণত এধনিষ্ঠামান ঠাই নিশ্চয় হব। প্ৰকৃত মুক্তি সাধন মাৰ্গৰ দীক্ষা-গ্ৰহণত পৰৰ হিতটো'ৰইতো চৰম আৰু পৰম লক্ষ্য। আপুনি মানৱ মংগলৰ পুৰোহিত—মোৰ মানস গুৰু। আপোনালৈ মোৰ লক্ষ-কোটি প্ৰণাম - মোৰ লক্ষ নিবেদন। এয়েই আপোনাৰ ওচৰত মোৰ লক্ষ জীৱনৰ পৰম তৃষ্ণাৰ স্বৰূপ প্ৰকাশ। ইতি—

জ্ঞান-ভিক্ষাৰিণী সেৱিকা—

গাৰ্গী

॥ পৰ্ব ॥

অহল্যা-মুক্তি

বাণী সাধকৰ যোগেদি গাৰ্গীৰ লিখা—যথা সময়ত শিৱানন্দ সন্ন্যাসীৰ ওচৰত নিবেদন কৰা হ'ল। 'কাৰ লেখা হব পাৰে' ভাবি আশ্ৰম-স্বামী শিৱানন্দৰ মনত প্ৰথমে পৰম কৌতূহল জন্মিছিল। লেখাখিনি পঢ়ি জ্ঞানী শিৱানন্দ বিস্ময়-বিমুগ্ধ হৈ গ'ল— এয়েই সেই তৰঙ্গায়িত-অংগঅংগনা— লীলাময়ী ললনা। তিলতিল পৰিমাণ ৰূপ পৰিগ্ৰহ কৰি পূৰ্ণ-ৰূপ সমৃদ্ধা এও শাপভ্ৰষ্টা তিলোত্তমা, মেনকা, ৰম্ভা অথবা উৰ্বশী। আনহাতে এয়েই বিদুষী গাৰ্গী – বেদজ্ঞা গাৰ্গী— ইয়াকি সম্ভৱ ? কি দোষত শাপভ্ৰষ্টা এওঁ ? কোন দৈত্য বধৰ বাবে এই তিলোত্তমাৰ জন্ম ? জ্ঞানবৃক্ষৰ চূড়ালৈ আবাহন কৰিবলৈ লগাই দি এজনী দেৱীস্বৰূপা নাৰী এদিন মোৰ যৌৱন-প্ৰভাতৰ ৰ'দ কাচলিতেই এৰি থৈ গুচি গ'ল। মই তেওঁক নিবিচৰা বাবে হয়তো অভিমানিনী হৈ গৈছিল। তেওঁ হেনো দূৰৰ পৰাই মোৰ শীৰ্ষ বিন্দুটো চাই চাই অমৃত পান কৰি থাকিব। সেই দেৱীয়ে মোক সাৰ বস্তুটোৰ ইংগিত দি গ'ল—জীৱনৰ সাৰ গ্ৰহনৰ বাবে মোক উদ্বুদ্ধ কৰি থৈ গ'ল। মই সেই সাৰ বস্তু গ্ৰহণৰ লায়ক হৈছো নে নাই—মই কি এই প্ৰশ্নৰেই পৰীক্ষাৰ্থী ? এয়েই কি সেই গৰাকীৰ পৰিপূৰ্ণ সংস্কৰণ ? থাঁটো কষটিত মোৰ ঘৰ্ষণ আৰম্ভ হ'ল নেকি ? পৱিত্ৰতা, বিশুদ্ধতা প্ৰমাণিত হব জানো ? ই পূৰ্ববৎ অক্ষুণ্ণ ৰব জানো ? মোৰ এদিনৰ ৰোষ আৰু বিতৃষ্ণাই 'চিৰকালৰ বাবে শূন্যত নিশ্চিহ্ন কৰি পেলোৱা হয়তো এজনী বাৰাঙ্গনাই মোৰ মুদ্ৰিত চক্ষুৰ পতাত আসীনা হৈ ওঁঠত ৰক্ত পদ্ম ফুলাই ফুলাই মিচিকিয়াই হাঁহিছেহি। অৰ্থ কি ? প্ৰভাৱ কিহৰ ? বাৰাঙ্গনা ? মোৰ মনৰ ইতৰ ঘৃণা ভাৱটোক মই কি এতিয়াও বিসৰ্জন দিব পৰা নাই ? তেওঁ বাৰুণী নে বৰদা— মনে-জ্ঞানে এতিয়াও কি কোনো স্বীকৃতি দিবলৈ দ্বিধা

বোধ কৰিছে সে চিত্ত অপাৰগ ? জ্ঞান-সমুদ্ৰত ডুব দিওঁতে মোৰ হাত ধৰি মনক ৰমণ কৰিব পৰা মাত্ৰ এ'ন এগৰাকী ৰমণীৰেই জানো মোৰ অন্তৰাত্মা আকলুৱা নাছিল ?

মই আজি দেখা পাইছোঁ—মোৰ জীৱনৰ প্ৰথম প্ৰেম যেন এটা শ্মশান-চিতাৰোহী অৰ্দ্ধ-দগ্ধ শৱদেহ, অথচ ই চিৰপৰিচিত ভস্মাচ্ছাদিত নিজৰেই দেহ। মোৰ প্ৰেমৰ সাম্ৰাজ্য যেন আজি এখন জন মানব-হীন শ্মশান অথবা পৰিত্যক্ত এৰাবাৰী শ্মশান ভূমিৰ পত্ৰ পুষ্প-ফল হীন শুষ্ক অৰ্দ্ধমৃত ডকত বহি কৰা কাকৰৰটো যেন মোৰ সেই প্ৰথম প্ৰেমৰ ভাষা। এদিন তাত লীলা কৰিছিল ছায়া থকা জীয়া ভূতে, আজি তাত লীলা কৰিছে হয়তো কাঁয়হীন মায়া ভূতে। এ মই এইবোৰ কি ভাবিছোঁ বাৰু ? মই নিজেই জানো মায়াৰ নাগ পাশত বন্দী হৈ থকা নাই। বন্ধন ছিন্ন কৰিব পৰা হলে মই কাবে', কোনো হৰণ ভগনৰ কথা মনত স্থানেই নিদিলে'া'হঁতেন। ওপৰ-শুকান পচা ঘাৰ ভিতৰৰ বেদনাটো এটা লগত যোৱা বেমাৰেই নেকি ? মোৰ উদাসীন কাঁয়তপা, সন্ন্যাস ব্ৰতী অন্তৰখনৰ অশ্ৰুৰ তাৎপৰ্য কি ? কোনটো সত্য—তপস্যা নে তাপ ? মোৰ গৌৰৱ বোধটো জানো—দুৰ্বল, আত্ম-প্ৰবঞ্চনা, পলায়ন-বাদী-মনোভাৱ, আৰু ত্যাগৰ অভিনয় নহয় ? ভাল পো'ৱা বস্তুটোত চিৰন্তন ভাল পোৱাৰ লগতে ঘৃণা, বিতৃষ্ণাৰ বজ্ৰকীট, সোমাই থাকিব পাৰে নেকি ? ই বজ্ৰকীট-ক্ষত শালগ্ৰাম হৈ থাকিব নোৱাৰে জানো ? প্ৰেম এটা লাভ-ক্ষতিৰ অংক নিশ্চয় নহয়, প্ৰেমিক জন দাতাহে—গ্ৰহীতা নহয়—দিয়া'টোৱেই ইয়াৰ ধৰ্ম। প্ৰেমতো স্বয়ং দয়িতাহে। দয়িতাই—প্ৰেম। দয়িতাক দিয়াতেই আনন্দ—দয়িতাই—পৰমানন্দ নহয় জানো ? আনন্দই ৰস।

বিস্মিত তপস্যাৰ বা ব গাৰ্গীৰ প্ৰতি বোষ আছিল, ঘৃণা নাছিল, ভাল পোৱাৰ প্ৰশ্নই নাছিল, অধিকাৰ জানো থাকিব পাৰে। তেনেহলে

মোৰ মুদ্রিত চকুৰ পতাত আসীনাহৈ গাৰ্গীয়ে কিয় মিচিকিয়াই হাঁহিব লাগিছে? ভাল পায়েই পেলালো নেকি? নহয়, কেতিয়াও নহয়। আকৰ্ষণ? হলেও হব পাৰে। —হয়তো তীব্ৰ আকৰ্ষণেই। আকৰ্ষণেই বা কিয়? কিহৰ? মোৰ যৌৱন প্ৰভাতৰ এ'দ কাঁচলিত জ্ঞানাংকুৰত 'সাৰ' দিয়া সেই আদ্যাশক্তিয়েই আজি দশ-ভুজাৰূপে দশোদিশ—সামৰি, সামৰি, তাক আপডাল কৰি, অক্ষয় জ্ঞান-বৃক্ষ অথবা অক্ষয় বটবৃক্ষত পৰিণত কৰাৰ সম্ভাৱনাখিনি আনি দিছে নেকি? এই বৈচিত্ৰ্যময়ী, দুৰ্বোধ্যা অথচ পৱিত্ৰানাৰী সদায় ৰহস্যময়ীও। আকৰ্ষণৰ কাৰণ—নাৰী-ৰহস্য নে মোৰ সাধনাৰ সৰ্বোত্তম আৰু পৱিত্ৰতম সংগী সাহচৰ্য? মোৰ ক্ষেত্ৰত ই স্বাৰ্থকলুষিত হোৱাৰ সম্ভাৱনাও আছে নেকি? এই সম্ভাৱনা গাৰ্গীৰ ব্যক্তি সত্তাত নিশ্চিত ভাবেই নাই বুলি কবপৰা যায়। এটা মহৎ আৰু পৱিত্ৰ উদ্দেশ্য সাধনৰ ক্ষেত্ৰত নাৰীক সংগ দিয়া বা নাৰীৰ সংগ লোৱাটো জানো নীতি-শাস্ত্ৰ-বিগৰ্হিত অপৰাধ? নিৰ্ঝৰিণী নিস্তৃত নীৰ, নিৰ্যাতিত বা নিৰ্বাসিত হলেহে নিশ্বাস হেৰুৱায়। গোঁৰ খোৱা পানীৰ ৰুদ্ধ শ্বাসটো বংশগত। কেইটামান ভেঁট ফুলৰ সুগন্ধই তাৰ বংশগত দুৰ্গন্ধটোক ঢাকি ৰাখিব নোৱাৰে যদিও কুমুদিনী নিজেই মহা পৱিত্ৰা—সুগন্ধি আনন্দময়ী। সত্যৰ প্লাৱনে কিছু নিকা কৰে হয়, কিন্তু —সি পাহৰি যাব নোৱাৰে তাৰ বংশ পৰিচয়, তাৰ স্থিতি স্থাপকতা।'

জন্মতেই কোনো স্থিতপ্ৰজ্ঞহৈ নাহে, পৱিত্ৰ জ্ঞান আৰু সাধনাৰেহে সি সম্ভৱ হব পাৰে। সন্ন্যাসী শিৱানন্দ কৃচ্ছ্ৰ সাধনাৰ যোগেদি আজি স্থিত-প্ৰজ্ঞৰ অৱস্থা প্ৰাপ্ত হৈছে। বাসনাই সাধনাৰ অন্তৰায়। বিষয় -বাসনা এৰি, সুখ-দুখক সমভাৱ কৰি, যিজনে আত্মাৰ চিন্তাত মগ্ন হয় —সেইজনেই স্থিতপ্ৰজ্ঞ। —'এৰি বিষয়ক চিত্তে আত্মাত ৰময়। সেই গোট স্থিতপ্ৰজ্ঞ জানিব নিশ্চয়।'

বক্তৃতা সভালৈ উপযাচি অহাটো মোৰ পক্ষে বৰ মৰসাহৰ কথাই হব—বিশেষকৈ সন্ন্যাসীৰ সেই ৰুদ্ৰ-ৰোষৰ পিচত। তথাপি সাধনাৰ

ক্ষেত্রত মৃত্যুও নগণ্য। কিন্তু মুক্তকণ্ঠে কৰা মোৰ স্বীকাৰোক্তিয়ে উদাৰ মহাত্মা শিৱানন্দ সন্ন্যাসীৰ অন্তৰত করুণাৰো উদ্রেক কৰিব পাৰে। তেওঁ যথার্থই শিৱানন্দ—মংগল সাধনতেই তেওঁৰ আনন্দ। এই বিশ্বাসৰ পৰম ধন লৈয়েই মই শিৱানন্দ স্বামীজীৰ ওচৰ চাপিলোঁ—কুঠী-আশ্রিতা অথচ পণ্ডিত কন্যা গাৰ্গী আজি বৈৰাগিণী। জগত গ'ল মোৰ ত্রাণকর্ত্রী, মোৰ জ্যৈষ্ঠা ভগ্নী স্বৰূপা হীৰা বাইদেউ। মোৰ কথাত অমৰ মুদ্রিত নয়নে ৰ'ল।'

সিদিনাও বক্তৃতা সভা লোক-লোকাৰণ্য। শিৱানন্দ স্বামীজীৰ সুগভীৰ-সুমধুৰ বক্তৃতা শ্ৰোতৃ-বৃন্দই মন্ত্রমুগ্ধবৎ শুনিছে, কিন্তু কি আচৰিত কথা। —হিমালয়ৰ-গিৰি শৃংগৰ-দৰে অভ্ৰভেদী, অচল, অটল, স্থিৰচিত্ত সন্ন্যাসীৰ নয়ন যুগলে যেন কিবা এটাৰ গোপন অনু-সন্ধানত আজি ৰৈ ৰৈ ছন্দ-পতন ঘটাইছে। সম্মুখত জ্বালা-মুখৰ পৃথিৱী কম্পিত কৰা গর্জন শুনিও 'যিজন নিবাত নিস্কম্প ইৱ প্রদীপ'ৰ দৰে অনুদ্বিগ্ন-চিত্ত, যাৰ স্থিৰ অচঞ্চল নয়ন যুগলে এটিবাৰো তালৈ কটাক্ষপাত নকৰে, চৌপাশে—উৰ্বশী, মেনকা, ৰম্ভা তিলোত্তমাই লযলাসে নৃত্যছন্দত মত্তা মাতঙ্গিনী হলেও, যাৰচিত্ত-বৈক্লব্য নঘটে, যি 'বীতৰাগ ভয় ক্রোধ', যিজন ' ৰস বৰ্জংৰসোহপ্যস্য পৰংদৃষ্ট্বা নিৱৰ্ত্ততে।' স্বৰূপ—সেইজন অসামান্য পুৰুষৰ আজি এইহেন অৱস্থা—এইৰূপ।' শ্ৰোতাবোৰৰ বহুতেই যেন শিৱানন্দ স্বামীৰ এই ভাবান্তৰ লক্ষ্য কৰিছিল। তেওঁলোক বিস্ময়াচ্ছন্ন হৈছিল।

নিযমিত সময়ত সভাভংগ হৈছিল। শিৱানন্দ সন্ন্যাসী বাহিৰে বাহিৰে গৈ যোগেশ্বৰ মহাদেৱৰ মূর্তিৰ পাদ-পদ্মত সাষ্টাংগ প্রণিপাত জনাই দণ্ডৱৎ হৈ পৰি থাকিল কিছু সময় ধৰি। পিচত স্নানান্তে উপা-সনা কৰি সমস্ত নিশা অনাহাৰ, অনিদ্ৰাই অধ্যয়ন ৰতহৈ থাকিল।

ইফালে সভা ভংগ হোৱাৰ পিচতো কেইবা দিনো ধৰি অলপ সময় গাৰ্গী সভাস্থলীতেই বহি আছিল—সন্ধ্যাগৈ মন্দিৰৰ প্ৰাংগণত ধ্যানস্থাৰ

দৰে বহি থাকেগৈ , হীৰাবায়ে বহুকৈ মেলিও এই কামৰ পৰা গাৰ্গীক নিবৃত্তা কৰিব নোৱাৰিলে। অগত্যা হীৰাবায়ো গাৰ্গীৰ লগতেই কিছু দিন সৈতাৰি হবলগীয়া হ'ল শিৱানন্দৰ আশ্ৰমত।

'সন্ন্যাসীৰ ৰোষৰ পিচত প্ৰথম বক্তৃতা সভাত মই কিছু ভীতাহৈ পৰিলোঁ।—মোৰ লেখাখিনিয়েনো সন্ন্যাসীৰ অন্তৰত কেনে ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পাৰে। বিৰূপ প্ৰতিক্ৰিয়াৰ আশংকাত ঘণে ঘণে হিয়া কঁপি উঠিছিল। অৱশ্যে মোৰ আত্মাই যেন তেওঁৰ আশ্ৰমৰ-আশ্ৰয়ৰ আশ্বাস পাইছিল।

মোৰ মৰণ শয্যাৰ স্বীকাৰোক্তি স্বৰূপ নিবন্ধটোত সংসাৰ বিৰাগী সন্ন্যাসীৰ জীৱন দৰ্শন হয়তো নিশ্চিত ভাবেই উদাৰ হব। মই অপলক নেত্ৰে করুণ ভাবে শিৱানন্দ স্বামীজীৰ চকুলৈ চাই আছিলো। যোগীৰাজ সন্ন্যাসীৰ অভূতপূৰ্ব,— অসম্ভাব্য পূৰ্ব ভাবান্তৰটো মোৰ পৰিলক্ষিত হৈছিল। 'হে পৰমেশ্বৰ, কৰুণা-সাগৰ, দয়াময়— তোমাৰ কি অতৰ্ক্য-মহিমা।' সন্ন্যাসীৰ নয়ন যুগল যেন আজি ৰোষহীন, কৰুণা বিগলিত, দয়াৰ্দ্ৰ স্নেহ-সিক্ত আৰু প্ৰেম মহাসিন্ধুৰ ঊৰ্মি মালাৰে তৰঙ্গায়িত। লাঞ্ছিতা পদদলিতা আৰু ভাগ্য বিড়ম্বিতা প্ৰাণী এটিৰ প্ৰতি এই উদাৰ জ্ঞানী পুৰুষৰ অপাৰ কৰুণাৰ যেন তুলনা নাই। অৱশেষত মোৰ মনে-প্ৰাণে যেন শান্তি পালে। চোৱা অমৰ, অবিৰত চেষ্টাৰ ফলত মোৰ জীৱনলৈ এনে এটি দিনে আহিল— যিদিনা মই সন্ন্যাসীৰ শ্ৰীচৰণত —আশ্ৰমত স্থান পালো।”

কুঠীত এদিন শুনিলোঁ।—'কোনোবা ধনপতি (?) হেনো এখন হোটেলত থকা সময়ত, তাৰ ভৰিৰ ওপৰতে কেনেবাকৈ প্ৰকাণ্ড ট্ৰাংক এটা পৰি যোৱাত, সম্পূৰ্ণ অজ্ঞানহৈ পৰি আছিল। পিচত পাটনা নে ক'ৰবাৰ হাস্পাতালত নিয়াত ভৰিখন আঁঠুৰ ওপৰতেই কাটি পেলোৱা হৈছিল, তদুপৰি তাৰ সোঁহাতখন সম্পূৰ্ণ অৱশ হৈ গৈছে। সেই হাতখন যেন তাৰ কান্ধৰ পৰা ওলমি থকা এটা

সম্পূৰ্ণ পৃথক বস্তু- যেন শৰীৰৰ লগত তাৰ কোনো আংগিক সম্পৰ্কই নাই। সি তথাপি বাচি আছে- কাৰণ তাৰ অজস্ৰ ক'লা টকা আছে-ক'লা টকাই ক'লা মানুহবো বগা কৰে, সমাজে ভিতৰ ক'লা নধৰে।

ধনপতি অকল ধনৰেই পতি হোৱা হলেও বিশেষ কথা নাছিল। কোনেও নাজানিলেও মই জানো-সেই ধনপতি কোন! সি এজন পকা জুৱাৰী আৰু অত্যন্ত সুৰা আৰু পৰনাৰী-আসক্ত। সেই হোটেলৰ মালিকৰ মতে-'কোনো ভদ্ৰ মহিলাক অশালীন ব্যৱহাৰ কৰি মহাপাপত লিপ্ত কৰিবলৈ চেষ্টা কৰোঁতেহে এনে ঘটনাটো ঘটি যায়। হোটেলৰ নাম ভৰ্তি-কৰণ বহীত হেনো তেওঁ সম্পূৰ্ণ ভুৱা নাম-ঠিকনা দিছিল সেই ভদ্ৰ মহিলাৰ অজ্ঞাতে- যাতে সেই নাম-ঠিকনা কোনোৱে কেতিয়াও বাস্তৱ ক্ষেত্ৰত বিচাৰি নাপায়। কিন্তু পাপ আৰু গোপনতা চিৰকাল লুকাই থাকেনে? সেইবোৰ হয়তো আইনষ্টাইনৰ 'ৰিলেটিভিটি' লেখীয়া বস্তুহে। এদিন সেই পাপ আৰু গোপনতা প্ৰকাশ পালে।' গাৰ্গীক পোৱাৰ প্ৰথম নিশাৰ সূত্ৰধৰি হীৰাবায়ে এই বিষয়ে চিন্তা কৰি একপ্ৰকাৰ সমাধান এটা পালে। নিজৰ মনতেই ঘটনাৰ পম খেদি খেদি উত্তৰটো একপ্ৰকাৰে প্ৰায় উলিয়াই ললে। গাৰ্গীয়ে তেওঁক জীৱনৰ সকলো কথাকেই কৈছিল যদিও ধনপতিৰ এই অৱশেষ বিপৰ্যয়ৰ কথা গাৰ্গী নিজেও নাজানিছিল বুলি হীৰাবাইৰ আগত স্পষ্ট ভাবেই কলে। ঘটনা যেন প্ৰত্যক্ষ হল।

হীৰাবাই কলে—'মাজনী! তোমাৰ মোৰ বাহিৰে যেন ঘূণাক্ষৰেও এই কথা কোনেও নাজানে'। গাৰ্গীয়ে কলে—'বাইদেউ, আপোনাক কোৱাৰ দৰে মই সমস্ত কথাকেই আশ্ৰমৰ শিৱানন্দ সন্ন্যাসী প্ৰভুক লিখি জনাইছোঁ। তেওঁৰ ওচৰত গোপন কৰিবলগীয়া মোৰ একোৱেই নাই—একোৱেই গোপন কৰা নাই মই।

তৃতীয় ব্যক্তি—তেওঁ মৌন হৈয়েই ৰ'ব—ই মোৰ অন্তৰৰ দৃঢ় বিশ্বাস। অৱশ্যে ধনপতিৰ শেষ বিপৰ্যয়ৰ কথা তেওঁ নাজানে—কাৰণ, মই তাক নিজেই নাজানো।'

সকলোৰেই এটা শেষ আছে—এটা পৰিণতি আছে—সুখৰো আছে, দুঃখৰো আছে, হাঁহিৰো শেষতেই অশ্ৰুবোৰ গোট খাই তুষাৰ ৰচনা কৰে--তুষাৰ গলি বাৰিষাৰ ধল নমায়। এই ধলত ওখ-চাপৰ একাকাৰ হৈ যায়। আকৌ কান্দি কান্দিয়েই কোনো জীৱনে অশ্ৰু ফুল ফুলায়—অশ্ৰু ফুলে হয়'তা জীৱনটোক হাঁহিবলৈ শিকায়। কাৰোবাৰ হিয়া ধুনা অশ্ৰুৰ ধলে জীৱনৰ কলুষতা-মলি-মামবোৰো ধুই ধুই নিকা কৰে। অৱশ্যে সকলো দস্যু'ৱেই 'ৰত্নৰ আকৰ' হ'ব নোৱাৰে, বাল্মীকিও হ'ব নোৱাৰে। ধনপতিহঁতৰ কোনো কালেই সেই ধাতু নাই। কৃচ্ছ্ৰ-সাধনাৰ বগা উঁই খাই মাটিৰ দেহটোক শুদ্ধ মাটি কৰে, তাৰে দেৱতাৰ প্ৰতিমাও গঢ়া হয়। অথবা সেই শুদ্ধ বগা মাটিবোৰত জ্ঞান ৰত্নৰ আবিষ্কৃত হয়। দুগ্ধ সংস্পৰ্শতো এভাৱ, এভাৱ হৈয়েই থাকে, ৰব সংগ-দোষত শুভ্ৰ দুগ্ধহে ম্লান হৈ যায়। দুগ্ধৰ বৰ্ণলুপ্ত হয় স্বদো হয়'তা বিকৃত হয়।

বাতৰি কাকতত খবৰ ওলাল বিখ্যাত দাৰ্শনিক পণ্ডিত .. স্বৰ্গ গামী হ'ল, বিদুষী ৰূপৱতী কন্যা সন্ধানহীনা হৈ'ছে, তেওঁৰ মৃত্যুও সম্ভৱ হ'ব পাৰে। অৱশেষত পণ্ডিতৰ প্ৰৌঢ়া পত্নীও পাগলী হ'ল। পাগলী পত্নীৰ মাক-ভায়েকহঁতে পণ্ডিতৰ সমস্ত সম্পত্তি আত্মসাৎ কৰিছে। সুচিকিৎসা-বিহীনা পাগলী গ্ৰাম্য বেজ-বৈদ্যৰ আওপকীয়া আসুৰিক চিকিৎসাৰ পাকত পৰি মৃত্যুৰ সন্নিকটস্থা হৈছে। মাতৃ-ভ্ৰাতৃৰ গোপন ষড়যন্ত্ৰ সফল হৈছে। এই ঘটনাই সদাশয় শিক্ষিত সমাজত গভীৰ শোকৰ ছাঁ পেলাইছে আৰু সৰ্বসাধাৰণৰ মাজত ই এক বিশেষ আলোড়নৰ সৃষ্টি কৰিছে।

পণ্ডিত-কন্যা গাৰ্গী থকা সমস্ত পণ্ডিত-গৃহ এখন পটাশালি যেন হৈ আছিল। এতিয়া সি টকা উপাৰ্জনৰ বাট—ব্যৱসায়-কেন্দ্ৰ হৈ পৰিছে। জ্ঞান-বিদ্যাৰ সুনামী ঘৰৰ হাউলী এতিয়া মৰাপাটৰ গুদাম-ঘৰ হৈ গৈছে। পণ্ডিত-কন্যাৰ মামাকহঁতৰ ৰাক্ষসী-খকটো পূৰ হ'ল, কিন্তু গুণগ্ৰাহী সকল আন্তৰিক শোকত মুহ্যমান হ'ল, তেওঁলোকে মামাকহঁতৰ জঘণ্য নীচ, আৰু পাপ কাৰ্যক তীব্ৰভাৱে গৰিহণা দিছে। অৱশ্যে পণ্ডিতজনাৰ অতি ধন-লোভী পত্নীৰ সহস্ৰ ধনু প্ৰায়শ্চিত্তৰ পিচতো হয়তো মুক্তিৰ ব্যৱস্থা নাই বুলিহে সকলোৰে মত। কৰ্মফলৰ এৰণ নাই—মাত্ৰ এদিনৰ আগ অথবা এদিনৰ পিচ।' কোনোবা সদাশয় ব্যক্তিয়ে চিঠিৰ আকাৰে লিখা বাতৰিটো পঢ়ি বিদুষী গাৰ্গী ভাঙি পৰিল। জ্ঞান-বিজ্ঞান-সমৃদ্ধ ঐতিহ্যময় পৰিয়াল এটা চিৰদিনৰ বাবেই ধ্বংস হৈ গ'ল—গৌৰৱ ৰবি অস্তমিত হৈ গ'ল, এই বংশৰ চিন-মোকামেই নাই কিয়া হৈ গ'ল— পৰিচয় চিৰকাললৈ লোপ পালে। এটি দীৰ্ঘ নিশ্বাসেৰে গাৰ্গীয়ে সমস্ত বেদনা মনৰ পৰা জাৰি-জোকাৰি পেলাই দিলে। 'মই ত্যাগ মন্ত্ৰত দীক্ষিতা সন্ন্যাসিনী। শুভ্ৰ বস্ত্ৰই মোৰ আত্মাৰো বিশুদ্ধতা আৰু পৱিত্ৰতাৰ প্ৰতীক হব লাগিব, মোৰ নৱজন্ম হবই লাগিব-মোৰ পুনৰ্জন্ম হবই লাগিব। The die is cast, all is over মোৰ জীৱনৰ পাশা খেলাত বৰ বিচিত্ৰ এটাল পৰিল। জয়-পৰাজয়ৰ বিচিত্ৰ সন্ধিক্ষণ এইজীৱনৰ পূৰ্বাহ্নৰ পৰিসমাপ্তি ঘটিল। বিদায় সবলৈ চেনেহৰ সখা, বুকুৰ 'কুটুম, আপোনজন— কোনো নাই। উকা নাও মেলি জীৱনৰ ভটীয়নিত উটি গলোঁ— মই বিক্তা গাৰ্গী মই পূৰ্ণা গাৰ্গী অথচ কাঙালিনী গাৰ্গী আজি যেন মই—কমলা?

হীৰাবাইৰ ওচৰত মোৰ কোনো কথাই অজ্ঞাত হৈ ৰোৱাৰ অৱকাশ নাথাকিল। তেওঁ মোৰ জীৱনৰ ধ্ৰুপদী সংগীতৰ সংগতা হ'ল। এই গলিৰ কদাকাৰ আবৰ্জনাৰ মাজতেই মই কমলিনী হৈ নৱ-জন্ম

গ্ৰহণ কৰিলো। তেওঁ মোক কৈছিল—'গাৰ্গী মা, আমাৰ গলিৰ প্ৰমোদ কক্ষৰ দুৱাৰ ডলিৰ মাটি নিবলৈ বহুত মানুহেই আছে যি দৰে এই দুৰ্গন্ধময় দেহটোকো উপভোগ কৰিবলৈও বহু মানুহেই ইয়াতৈ আছে। সহস্ৰজনক প্ৰশ্ন কৰিলে, তেওঁলোকে কয়— 'এই মাটি যজ্ঞত লাগে। কিয় লাগে— কব নোৱাৰে।' বুজিছা মা— ভোগ কৰি কৰি আমুৱালে। মৌ বেছিকৈ গলত ঢালি দিলেও শ্বাস বন্ধ হোৱাৰ সম্ভাৱনাহে বেছি। বিশেষ কথা এয়েই যে আমিতো ইমান দিনেই প্ৰকৃত পক্ষেই বিষহে পান কৰিলো। সময় আৰু অভিজ্ঞতাই আমাক সকলোকেই শিকায়। এটা সময় আছিল-এটা অৱস্থা আছিল—যেতিয়া এইবোৰত ঘৃণা উপজিল। এনে সময়তেই তোমাক লগ পালোঁ। আত্মশুদ্ধিৰ মণিকাঞ্চন সংযোগ হ'ল বুলিয়েই—(মই কাঞ্চনো নহওঁ মণিও নহও অৱশ্যে) ধৰি ললোঁ। তোমাক সাৰথি লৈ এই আত্ম-প্ৰতিষ্ঠাৰ যুদ্ধত নামিলোঁ —আৰু কিমান দিন গেলা পঁচা মাংসৰ দোকান খোলা ৰাখিম ? দোকানৰ সন্মুখত ৰঙা চাকি জলাৰ প্ৰশ্নই নাছিল—আমি স্বেচ্ছাই ৰঙা-চাকি জলাই দিলো, তাৰ ঠাইত এতিয়া জলাই দিলোঁ—সেউজীয়া চাকি— জীৱন জিজ্ঞাসাৰ প্ৰতীক। ৰক্তক্ষয়ী বিধ্বংসী কীটবোৰৰ পৰিবৰ্তে আমি এতিয়া দেখিম সৃষ্টিৰ নৱপ্ৰভাতৰ উৰ্দ্ধমুখী নৱহৰিতাংকুৰ। উৰ্দ্ধৰেতাবোৰহে হব আমাৰ কাম্য।'

স্বামীজী তোমাৰ ওপৰত নিশ্চয় সদয় হৈছে এতিয়া মানে! আমি নিয়মীয়া ভাবে তেওঁৰ ওচৰলৈ গৈ মনৰ তমঃটো দূৰ কৰি তমস্কাৰ হোৱাৰ পথ বাচি লও বলাহঁক।

তোমাৰ মুখৰ ওপৰেদি বহুত ধুমুহাই পাৰ হৈ গ'ল। আমি কোনো ক্ৰমে তিষ্ঠি আছো—বুলি কবলৈও লাজ লাগে। এতিয়া আত্ম-প্ৰতিষ্ঠাৰ সময় সমাগত বুলিহে আমি ভাবিব লাগে। 'আয়ু-গৈলা আলেজালে' বুলি জানো তুমিয়েই এদিন কোৱা নাছিলা ?' হীৰাবাইৰ

কথাশুনি গাৰ্গীয়ে এতিয়া সম্পূৰ্ণ ভাবেই বাস্তৱ ধৰ্মী কামৰ কথা ভাবিবলৈ ধৰিলে—'জীৱন নাৱঁৰ ওপৰেদি বিপদ-ধুমুহাৰ তাণ্ডৱ নৃত্যবোৰ পাৰহৈ যোৱাৰ পাচত স্থবিৰ নাওখনিৰ কৰ্তব্য কি ? শিৱানন্দ স্বামীজীৰ আশ্ৰম আৰু আমাৰ নাৰী সংগঠন অনুষ্ঠানৰ নীতিগত উদ্দেশ্য আৰু লক্ষ্য প্ৰায় একেই। গতিকে আমাৰ অনুষ্ঠানটো আশ্ৰমৰ অনুষ্ঠানৰ এটা শাখাৰ দৰেই দেখা হৈছে। মোৰ একান্ত সাধনা হব—স্বামীজীৰ পৰা জ্ঞান আৰু উপদেশ গ্ৰহণ কৰা আৰু দ্বিতীয়তে সেইবোৰ লোক হিতাৰ্থে আমাৰ অনুষ্ঠানত যথাযথ ভাৱে প্ৰয়োগ কৰাটো। হীৰাবাইৰ পৰামৰ্শ অভিজ্ঞতা-প্ৰসূত আৰু মহৎ। এইটোৰেই আমাৰ প্ৰথম আৰু প্ৰধান কাম হিচাপে ল'ব লাগিব। শৰীৰটোৱে বিষয় আহাৰ খায়েই জীয়াই থকাৰ প্ৰয়াস কৰিলেও শৰীৰকো মনৰ আহাৰ লাগে। আত্মাই পৰমাৰ্থৰ অৰ্থ ভুঞ্জি শান্তি আৰু নিৰ্বাণ লাভৰ প্ৰয়াস কৰে' বুলিয়েইতো স্বামীজীয়ে বক্তৃতা প্ৰসংগত কৈছিল।'

হীৰাবাই আৰু গাৰ্গী শিৱানন্দৰ বক্তৃতা সভালৈ নিয়ম মতেই যাবলৈ ধৰিলে, ভক্তি শ্ৰদ্ধা সহকাৰে তেওঁলোকে আলোচ্য বিষয় হৃদয়ংগম কৰে। গাৰ্গীয়ে অমৰবো লগ ধৰে—অমৰ বিক্ষুব্ধ মানসিক শান্তি হয়, অথচ অমৰৰ স্বৰাজ্যত স্বামী শিৱানন্দৰ সান্নিধ্য এবাস্ত লোভনীয় হৈ উঠিছে। কিন্তু কিবা অদৃশ্য দুৰ্বোধ্য বাধাপো যেন সম্প্ৰসাৰিত হাতেৰে অমৰক আগবাঢ়িবলৈহে কৈছে, অথচ তেওঁ কিয় থমকি ৰৈছে। অমৰ তুমি বুভুক্ষিত আত্মা, তুমি যেন আত্ম প্ৰবঞ্চনা আৰু আত্ম নিগ্ৰহৰ দ্বাৰা দলিত আৰু পীড়িত। অমৰ, যি পথৰ তুমি পথিক, সেই পথ পায়ো তাক নিষিদ্ধ ভাবি তাৰপৰা আঁতৰি থকাৰ কাৰণ কি হব পাৰে বাৰু ? বৈকুণ্ঠৰ দুৱাৰ ডলিত উপস্থিতহৈও দুৱাৰ-গড়িয়া পাৰ হবলৈ ইতস্ততঃ কৰা তুমি কি প্ৰকৃতিৰ মানসিক ৰোগ গ্ৰস্ত ? তুমিতো বাণী সাধক। আশ্ৰম সৰপ্ৰকাৰেই এখন পৱিত্ৰ জ্ঞানপীঠ। শিৱানন্দ

সন্ন্যাসী এই শ্ৰেষ্ঠতম জ্ঞানপীঠৰ পৰমজ্ঞানী মহাত্মা। তেওঁ পৰম দয়াবান, কুসুম-কোমল তেওঁৰ বিশাল হৃদয়, প্ৰশান্ত তেওঁৰ বদন, গংগাজলৰ দৰেই তেওঁৰ পৱিত্ৰ সজল দৃষ্টি, জ্ঞান দীপ্ত তেওঁৰ দেহাৱয়ৱ আৰু অংগ সঞ্চালন। যি এবাৰ তেওঁক দৰ্শন কৰাৰ সৌভাগ্য লাভ কৰিছে—তেওঁ নিশ্চয় দেৱদৰ্শন পাইছে আৰু দৰ্শন প্ৰাৰ্থীও নিজে দেৱ ভাৱত উদ্বুদ্ধ হৈ গৈছে।' গাৰ্গীৰ মন্তব্য শুনি অমৰৰ অন্তৰ যেন এটি অপ্ৰকাশ্য গুপুত আনন্দত হেন্দোলিত হৈ উঠিল, কিন্তু বাহিৰত তেওঁ সম্পূৰ্ণ অনুদ্বিগ্ন যেন ভাৱ প্ৰদৰ্শন কৰি উত্তৰ দিলে—'মই সেই-বাবেইতো তালৈ নাযাওঁ, শূকৰে শুকদেৱৰ ভাগৱতৰ ভাগ কিদৰে লব? ভাগৱতৰ অধিকাৰ কিদৰে ভাগবটোৱাৰা কৰিব? ভাগ লব নোৱাৰি ব্যৰ্থ মনোৰথহৈ কেঁচাটোৰ দৰে ফিৰি আহি অপদস্থ হোৱাতকৈ তালৈ নোযোটোৱেই মংগল। মা', তোমাৰ গৰ্ভত কিয় মই জন্মলাভ নকৰিলো? তুমি আচৰিত হোৱাবেই কথা হব যদিও নকৈ নোৱাৰো যে তোমাৰ দৰেই মহা পৱিত্ৰা, বিদুষী এগৰাকীকেই মোৰ দেউতাই বিচাৰিছিল—সহধৰ্মিণী হিচাপে আৰু মই বিচাৰিছিলোঁ—মোৰ ঋষি তুল্য পিতৃৰ অনুগামী পত্নী হোৱাৰ উপৰিও, মোৰ পৱিত্ৰ স্নেহময়ী জন্মদাত্ৰী হোৱাটো। কিন্তু মোৰ ভাগ্য বিড়ম্বনাৰ কাৰণে প্ৰায় তেনে এগৰাকী পায়ো হেৰুৱালো, ভ্ৰাতৃ-ভগ্নী আৰু মাতৃৰ নামত মোৰ মাৰো কিছুমান ৰক্ত-পায়ী পিশাচ-পিশাচী থকাটোৱেই তাৰ মূল কাৰণ। গতিকে সন্ন্যাসীৰ বক্তৃতা সভালৈ গলে মোৰ কটাঘাত চেঙ্গাতেল পৰিব। গৰ্ভ নাৰেজীৰ বিধ্বংসী বীজাণু ধ্বংসপ্ৰায় হৈ উপকাৰ হলেও তাৰ নিলাজ-পোৰণিটো মোৰ ভগ্ন মনে সহ্য কৰাটো সম্পূৰ্ণ অসম্ভৱ হৈছে উঠিব! গতিকে তুমিয়েই আশ্ৰমলৈ যোৱা। বক্তৃতাৰ ভোজনৰ-উচ্ছিষ্ট ভাগ পাবলৈ মই ইয়াত আগ্ৰহেৰে অপেক্ষা কৰি থাকিম। সেই ভাগ মোৰ প্ৰাপ্য—সেই ভাগ মই হেৰুৱাব নোৱাৰোঁ।' অমৰৰ কথাত কিবা যেন ৰহস্যই লুকাভাকু খেলি গ'ল। গাৰ্গী বিস্ময় বিমুগ্ধহৈ

কৌতূহল বশতঃ অমৰৰ চকুলৈ চাই থাকে। কিন্তু সন্ধানবোৰ নিসন্ধান হৈযেই থাকে। গাৰ্গীযে মাথো এটি চুটি মন্তব্য কৰি থয—'How Similar the the '. অমৰ আশ্ৰমলৈ নাযায়। অথচ আশ্ৰমৰ বিতং বিবৰণ সন্ন্যাসীৰ চকু, মুখ, হাত ভৰি, কথা-বৰ্তাৰ ধৰণ-কৰণ, কণ্ঠস্বৰ. বেশ ভূষা, আহাৰ,-বিহাৰ আদি সমস্ত কথাকেই গাৰ্গীৰ পৰা সুধি পুচি জানিবলৈ চেষ্টা কৰে।

সন্ন্যাসীৰ কণ্ঠস্বৰত—তুলসীদাস, মাৰাবাই, তুকাৰাম, সুৰদাস, কবীৰ, নানক আদিৰ ভজনৰ উপৰিও—অসমীয়া লোকগীত, বৰগীত, শংকৰী বৈষ্ণৱ সাহিত্য, আধুনিক অসমীয়া সাহিত্য-ভাষা, বিহু আৰু শংকৰী কৃষ্টি, বৈষ্ণৱ, শাক্ত, শৈৱ, জৈন, বৌদ্ধ, খ্ৰীষ্টান আৰু ইছলাম আদি ধৰ্মৰ তত্ত্ব ব্যাখ্যাৰ নিখুত অনুশীলনটোৱে গাৰ্গীৰ মনতো সন্ন্যাসী কোনো অসমীয়া মানুহ বুলি সন্দেহৰ সৃষ্টি কৰিছিল। সুদূৰ অসমৰ পৰা অহা অসমজীয়ৰী বুলি গাৰ্গীক সন্ন্যাসী শিৱানন্দই প্ৰথম অৱস্থাত ধৰিব পৰা কোনো পথুই নাছিল। কিন্তু গাৰ্গীৰ লক্ষ-সন্ধানী লেখাৰ অসমীয়াখিনিয়ে সন্ন্যাসীৰ মনতো প্ৰশ্নৰ জাউৰি তুলিছিল—বৰ নীৰৱে, বৰ গোপনে। সম্ভাৱ্য জন্ম-ভূমিৰ আকৰ্ষণেও তুযাকো মানসিক ভাবে বহু ওচৰ চপাই আনিছিল। কিবা শুংসূত্ৰ পোৱাৰ আশাত গাৰ্গীৰ আশ্ৰমলৈ আহ যাহটো সঘন আৰু মিযমীয়া হ'ল, এটা গৌৰৱময আৰু পৱিত্ৰ সন্দেহ আৰু আশাকেই ভিত্তি কৰি গাৰ্গীয়ে এটা অস্বা-ভাৱিক সাহসেৰে চিঠিখন অসমীয়াতে লিখিছিল। সন্ন্যাসীয়ে হিন্দী, বঙালী, অসমীয়া, ইংৰাজী—এনেকি সংস্কৃততো প্ৰায় সমপৰ্য্যায়তেই বক্তৃতা দিব পাৰে—সেইবোৰ ভাষা সাহিত্যবো সম্পূৰ্ণ জ্ঞান তেওঁৰ আছে। কিন্তু তেওঁ বেছি ভাগ সময়ত অসমীয়া ভাষাতেই বক্তৃতাদি অসমীয়া আৰু উত্তৰ-ভাৰতৰ ভাষাগত মিলটো বা মৌলিক পাৰ্থক্য খিনিও দেখুৱাই গৈছিল। সন্ন্যাসীৰ এই প্ৰচেষ্টা বা স্পৃহাৰ তাৎপৰ্য কি? ৰহস্য কি? গাৰ্গীৰ ইয়ো এটা সন্দেহৰ কাৰণ।

সম্ৰাট হৰ্ষবৰ্দ্ধনৰ সময়ত ভাৰতলৈ অহা চীনদেশীয় পৰিব্ৰাজক হিউয়েনচাঙৰ মন্তব্য আৰু টোকাৰ বিষয়েও তেওঁ উল্লেখ কৰে। তেওঁ কৈছিল যে ভাস্কৰ বৰ্মাৰ দিনৰ কামৰূপৰ ভাষা আৰু উত্তৰ ভাৰতৰ ভাষাসমূহৰ ভিতৰত বিশেষ পাৰ্থক্য নাছিল বুলিলেই হয়। দেশৰ প্ৰতি আন্তৰিক অনুগত্যময় এনে উক্তিৰ যোগসূত্ৰই পৰস্পৰৰ প্ৰতি প্ৰশ্ন আৰু পৰিচয় সম্পৰ্কীয় সন্দেহৰ উদ্ৰেক কৰিছিল।

গাৰ্গীহঁতৰ অনুষ্ঠানৰ কিবা কামৰ বাবে অমৰ এদিন কাশীলৈ গ'ল। তেওঁ সেইকেইদিনা সদায় প্ৰাতঃকালে দশাশ্বমেধ ঘাটলৈ স্নান কৰিবলৈ যায়। শ্ৰীবিষ্ণু প্ৰীতিকামঃ প্ৰত্যহং গঙ্গায়াং প্ৰাতঃ স্নানমহং কৰিষ্যে' 'বিষ্ণুৰবাম' বুলি আৰম্ভ কৰি পিচত এই মন্ত্ৰ উচ্চাৰণ কৰি অমৰে শংকৰ মৌলি বিহাৰিণী ত্ৰিভুবন তাৰিণী গংগাত স্নান কৰি ঘাটৰ পাণ্ডাক এনেয়ে অলপ দক্ষিণা দি খট্ খটিয়েদি ওপৰলৈ উঠি আহিছিল। যাত্ৰীয়ে পূজাৰ অন্তত পানীত ত্যাগ কৰা নাৰিকল আদি দ্ৰব্যবোৰ পাণ্ডাৰ দ্বাৰা নিয়োজিত মানুহৰ দ্বাৰা ধৰাই অনাই আকৌ আন যাত্ৰীকেই পূজাৰ বাবদ বিক্ৰী কৰা দস্তুৰটো দেখি পাণ্ডাবোৰৰ প্ৰতি অমৰ বীতশ্ৰদ্ধ হৈ পৰিছিল। 'এই তুলনাত কামৰূপ কামাখ্যাধামৰ শ্ৰদ্ধেয় পাণ্ডাবোৰ সহস্ৰগুণেই উদাৰ ভদ্ৰ, আৰু অতিথী পৰায়ণ। ত্ৰিশ চল্লিশজন পৰ্যন্ত যাত্ৰীৰ দল একোটাক পাণ্ডাৰ গৃহিণী, ভগ্নী বা মাতৃয়ে প্ৰসাদৰ নামত বহুবিধ ব্যঞ্জনৰ যিটো ভোজ খুৱায় শ্ৰীশ্ৰীজগন্নাথ ক্ষেত্ৰ তীৰ্থত বাদ ভাৰতবৰ্ষৰ কোনো তীৰ্থস্থান বা পাণ্ডাই আজিলৈ তাক কল্পনাও কৰিব নোৱাৰে। দৰদাম কৰি প্ৰণামী আদায়ৰ নামত ধন ঘটাৰ বাহিৰে তীৰ্থযাত্ৰীকো যে কোনো তীৰ্থত এইদৰে আপ্যায়ণ কৰা হয়—এই কথা তেওঁলোকৰ চিৰ অজ্ঞাত। যাত্ৰীৰ ওচৰত কামাখ্যাৰ পাণ্ডাৰ কোনো দাবী নাই। যাত্ৰীয়ে মনে জানি যি দিয়ে, কামৰূপ কামাখ্যাৰ পাণ্ডাই তাকেই হৃষ্টচিত্তে গ্ৰহণ কৰে। এনেকি কোনোৱে যৎকিঞ্চিত প্ৰণামীখিনি দিবলৈ পাহৰিলেও বহু পাণ্ডাই

তাক স্মৰণ কৰাই দিবলৈও লাজ পায়। অৱশ্যে যাত্ৰীয়ে হয়তো সেইবাবেই হৃষ্ট আৰু উদাৰ-চিত্তেই পাণ্ডাক দেৱালয়ৰ মাননি দিয়ে। যাত্ৰীয়ে জানে—তাৰ শকত অংশটো চৰকাৰৰ হাতলৈ যাব। সেই ধন চৰকাৰে দেৱালয়-উন্নয়ণ আৰু জন-কল্যানৰ কামতহে খৰচ কৰিব। সেই ধন পাণ্ডাই নিজেই আছুতীয়াকৈ মন্দিৰৰ নামত জমাৰাখে। কামাখ্যাৰ পাণ্ডাৰ দেশাত্মবোধ আছে, আভিজ্যতও আছে।

অমৰ সিদিনা খট্‌খটিযেদি ওপৰলৈ উঠি আহি আছিল। দুয়োকাষে দুৰাৰোগ্য বেমাৰী-ভিক্ষাৰীৰ কাতৰ প্ৰাৰ্থনা—'বাবা দযাকৰ, মা দয়া কৰ, কুছ্‌দে দে বাবা।' হতভাগ্যৰ দলৰ গলিত পলিত অৱস্থা, কাতৰ-চাৱনি। হাড়ৰ মাজত সোমাই থকা অস্পষ্ট জীৱবোৰৰ ক্ষীণ আৰু দূৰৰ পৰা ভাহি অহা যেন লগা অৰ্দ্ধস্ফুট নিস্তেজ স্বৰবোৰে এটা মহা কাৰুণ্যময় দৃশ্যৰহে যেন অৱতাৰণা কৰিছে। ভৰিৰ পতাৰ গুৰিতে দীঘলকৈ পৰিথকা বা আনত শিৰে বহি থকা জীৱবোৰৰ কণ্ঠস্বৰবোৰ যেন বজ্ৰাহত ভাহি অহা গংগাৰ অপৰ প্ৰান্তৰ কোনোবা দূৰ দিগন্তৰ প্ৰতিধ্বনিহে। তেনেদৰেই মানুহ জাতিটো জীয়াই থাকে, সিহঁতবোৰেও জীয়াই থকাৰ বাবে আমৰণ চেষ্টা কৰে। জীয়াই থকাৰ হেপাহটোৱেই যেন, জীৱৰ চৰম লক্ষ্য সিহঁতৰ মুখৰ ৰাম নামটো পৰম লক্ষ্য জানো? পৰম লক্ষ্যটো কেইজনৰ হেপাহ? মৃত্যুক কেইজনে ভয় কৰে?

এনে ভাববোৰে অমৰৰ হৃদয় বৰকৈয়েই আলোড়িত কৰিছিল। তেওঁৰ হাতদুখনে যন্ত্ৰৰ দৰেই চলি যাক যি পাৰে দি গৈছিল। অমৰৰ হৃদয়ে অনুভৱ কৰিব বা বাছি উলিওৱাব পৰা নাছিল যে—তাৰ মাজতো—ব্যৱসায়ৰ প্ৰতিনিধি বা এজেন্ট—কৃত্ৰিম পংগু বা বেমাৰী কিছুমানো ৰখা হৈছে। দিনমান ভিক্ষা বৃত্তিৰে পোৱা সিহঁতৰ পইচা বা দ্ৰব্যবোৰ গধূলি গোপন কক্ষত সিহঁতৰ তত্বাবধায়ক অৰ্থাৎ মুনাফাদাৰ মুনিববোৰক পাই পাই হিচাব কৰি দি দিব লাগে—এক পইচাৰ ইফাল-সিফাল হ লে সিহঁতৰ গুৰুতৰ শাস্তি হৈছিল। গধূলিৰ অন্ধ-

কাৰত পবিত্ৰ পাপী আৰু পংগুবোৰৰ ভিক্ষা সৰ্বস্ব দুৰ্দান্ত মালিকৰ বৃহৎ খুমুপাকত পৰেশ কৰিবই লাগিব? সংকট-মোচন আঞ্জনেয়ও যেন ছাৰ মানি কাশী-ধামত নিৰ্বিকাৰ দৃষ্টি দিহে আছে। কাৰণ—তেওঁৰ মন্দিৰৰ দীঘলীয়া প্ৰৱেশ পথতে এই নৃশংস ব্যৱসায় লীলা অহৰ্নিশে চলিবই লাগিছে। কলিকালত ধৰ্মৰ মাত্ৰ এপদহে বৈ ৰৈছে, যাৰ যি ইচ্ছা তাক চৰিতাৰ্থ কৰাটোৱেই কলিৰ ধৰ্ম— কলিকালত কলিয়েই পৃথিবীৰ ভগৱান—ৰজা, শাসক, দাৰ্শনিক বৈজ্ঞানিক পৰামৰ্শদাতা আৰু পৰম হিতাকাংক্ষী।

হঠাৎ এটি অস্বাভাৱিক দৃশ্যই অমৰৰ মনটো বৰকৈ আকৃষ্ট কৰি পেলালে। এজনী ওখ কিঞ্চিৎ স্থূল লাৱণ্যময়ী নাৰী তলৰ খট্ খটীটোত বহি থকাৰ পৰা উঠি আহি ভিক্ষাৰীবোৰক পাঁচ-দহ পইচা ভিক্ষা দি দি আহিছে। নাৰী গৰাকীত অমৰৰ দৃষ্টি নিবদ্ধ হৈ গ'ল। নাৰী গৰাকীৰ শৰীৰটো তন্ন তন্নকৈ জৰীপ কৰাৰ অস্বাভাৱিক আৰু অশালীন প্ৰচেষ্টাটোত অমৰ নিজেই লজ্জিত হৈ পৰিলেও অমৰৰ মনত যেন কিবা এটা সন্দেহৰ ভাৱ বিজুলী খেলাই গ'ল। নাৰী গৰাকীয়ে সম্পূৰ্ণ শুভ্ৰ বস্ত্ৰ অৰ্থাৎ শুভ্ৰ মেখলা-চাদৰ পিন্ধিছিল। সমগ্ৰ মুখ মণ্ডল উন্মুক্ত কেশ দামৰ দ্বাৰা আবৃত হৈ আছিল বাবে স্পষ্ট ভাৱে চিনি পাবলৈ কিছু অসুবিধা হৈছিল। তথাপি শাৰীৰিক গঠনৰ কালৰ পৰা কি বা এটা ক্ষীণ ধাৰণাই যেন অমৰৰ মনত ভুমুকি মাৰিব ধৰিলে। তিৰোতা গৰাকীৰ চকুৰ দৃষ্টিশক্তিও কিছু পৰিমাণে হ্ৰাস পোৱা যেন অনুমান হৈছিল— তেওঁ ৰিত চকু ব্যৱহাৰ কৰিছিল। অমৰৰ শিৰৰ বেছি অংশই তিৰ্যা কাপোৰেৰে আবৃত আছিল। স্ত্ৰী মূৰ্তিটিয়ে হঠাৎ ভিৰৰ মাজত অদৃশ্যা হৈ গৈছিল। অমৰে তেওঁক বিচাৰি নাপালে। তেওঁ অমৰলৈ লক্ষ্য কৰিছিল নে নাই অমৰৰ সেইটো বোধগম্য নহ'ল, কাৰণ তেওঁ কোনো ভাৱান্তৰ লক্ষণীয় নহৈছিল। তেওঁক স্থিৰ চিত্তা যেনেই

লাগিছিল। অমৰৰ মনত সমুদ্ৰৰ উত্তাল তৰংগ উঠিলি উঠিল—কিন্তু সংযত হ'ল।

অমৰ পোনেই গৈ প্ৰভু বিশ্বনাথক দৰ্শন কৰি গাৰ্গীহঁতৰ অনুষ্ঠানলৈকে গুচি গ'ল। লগত লৈ গ'ল মনটোক ঘূৰ্ণীপাক খুৱাই আলোড়িত কৰা সেই সন্দেহ, সেই খুন্দুৰনি সেই প্ৰত্যয়— সেই বিশ্বাস। 'কাৰ পাপ-পুণ্যৰ ধাৰত কোন নিৰপৰাধী'ৰ হৃদয়টো উটি যায়' কিন্তু কিয় এনে হয়'?

অমৰ কাশীত থকা দিন কেইটাত শিবানন্দ সন্ন্যাসীৰ আশ্ৰমত বহুত কথাই যেন ঘটি গ'ল। গাৰ্গী—শিবানন্দ সন্ন্যাসীৰ আশ্ৰমৰ নাৰী-নিকেতনত আছিল গৈ। সেইবাৰ অসুখৰ বাবে ভীৰাবাই আশ্ৰমলৈ যাব নোৱাৰিলে। হঠাৎ নৰ নাৰীৰ মাজত শিৱানন্দৰ বক্তৃতা শুনি গাৰ্গী তন্ময় হৈ যায়। বক্তৃতাৰ শেষত চকু মুদি ধ্যানস্থ অৱস্থাত গাৰ্গী তাতেই বহি থাকে, যেন কেওঁৰ নিজৰ এটা স্বকীয় অস্তিত্বই নাই, গাৰ্গী স্থান কাল-পাত্ৰৰ-কথা যেন সম্পূৰ্ণ বিস্মৃতা হৈ যায়। তেওঁ যেন কোনোবা অজান পোহৰৰ দেশলৈ গতি কৰি—সেই পোহৰৰ দেশত ভেবাই যায়। তেওঁৰ আত্মাক সেই পোহৰে উদ্ভাসিত ক'ৰ তোলে।

গাৰ্গীৰ অৱস্থাৰ এই অস্বাভাৱিক দৃশ্য বহুতৰেই চকুত পৰে। অস্পষ্ট গুঞ্জনটো ঘুমুক্ ঘানাক্ কৈ গৈ শিৱানন্দৰো কৰ্ণগোচৰ হয়। সন্ন্যাসী-মনটো কঁপি উঠে, চিত্তত চাঞ্চল্য আৰু ব্যাকুলতাৰ অস্পষ্ট ক্ৰিয়াৰ সূচনা হোৱা যেন অনুভূত হয়। আত্মাই কেন্দ্ৰস্থ হৈ এই অশান্ত পৰিধিটোক হস্ত সম্প্ৰসাৰণ কৰি ঠেলি দিবও বিচাৰে অথচ অৱচেতন মনটোৱে মৃদু মৃদু স্পৰ্শ কৰিবও বিচাৰে। অবদমিত, গচ্ছিত সংস্কৃতিৰ আকাংক্ষাটোও জাগ্ৰত হৈ উঠে। সুদীৰ্ঘ-কষ্টসাধ্য অনুসন্ধানৰ অন্তত তেওঁ দেখিলে— পাতাল পুৰীত সঞ্জীৱনী নাগমণি যেন তমঃনাশ কৰি উজ্জ্বল হৈ আছে। সেই

মৃত সঞ্জীৱনী মণিযে যেন আত্মাৰ আৱৰ্তত হেৰাই যোৱা অজ্ঞাত বাসী কাৰোবাক অদৃশ্য হাত চানি দি মাতিবহে লাগিছে। স্মৃত প্ৰাপ্তিৰ আনন্দই যেন তেওঁৰ জয়পৰা অন্তৰখনক শত গুণেই উৎফুল্লিত কৰি তুলিছে। সন্ন্যাসীৰ সংযমৰ বান্ধ শিথিল হৈ যাব খুজিছে নেকি? ও'হো, সন্ন্যাসী শিৱানন্দৰ ক্ষেত্ৰত তেনে সম্ভৱনা নিশ্চয় কেতিযাও নাই।' পৰোক্ষ বা প্ৰত্যক্ষ ভাবে সন্ন্যাসীযে এইবোৰ কি ভাবিছে—কিয় ভাবিছে? বহিৰ্জগতে জানো সৎ উদ্দেশ্যাটোত বিশ্বাস ৰাখিছে? ভবিষ্যতেও জানো তেওঁলোকে এই বিশ্বাস শিৱানন্দ স্বামীত অটুট ৰাখিব?

মানুহৰ চকু সদায বেযা'টোত'হে প্ৰথমে পৰে। বিষ্ঠামৰ ঠাইত—বিষ্ঠা নাথাকি যুলফুটিলেও ফুলৰ গোন্ধ হয়তো কোনোৱেই নলয়, কো'নাৱেই নাপায, ভাৱ কল্পিত বিষ্ঠাৰ গো'ন্ধটোৱেইহে তেওঁ'লাকক— অন্ততঃ জনাবোৰক— আমনি কৰে। গোন্ধটোৰ বেবেৰিবাং গা'ৱেষণাই তেওঁলোকক বিজ্ঞ ভদ্ৰ'লাক কৰি তোলে। আজিৰ সভ্য জগতখনত পশু হৈ জন্ম পোৱা মানুহৰ আদিম অৱস্থাটোৰ এইখ:নেই নকল প্ৰমাণ পত্ৰ নহয জানো বাক? কিন্তু সত্য-সন্ধানৰ বিচলিত হোৱাৰ যুক্তি আছে জানো?

বস্তুতাৰ মাজত অক্ষয বটবৃক্ষৰ ন্যায় সন্ন্যাসীৰ অত্যন্ত প্ৰসন্ন দৃষ্টিয়ে গাৰ্গীৰ মনত সমুদ্ৰ মন্থনৰ সৃষ্টি কৰে, কুৰুক্ষেত্ৰৰ ধৰ্ম যুদ্ধৰ অন্তত স্বৰ্গাৰোহণৰ পৱিত্ৰ অথচ মিশ্ৰিত আনন্দ সঞ্চাৰ কৰে, ত্ৰিশংকুৰ স্বৰ্গৰ অন্তৰীক্ষ সৃষ্টি কৰে, ব্ৰহ্ম ৰন্ধ্ৰত মন্দাকিনীৰ পূত সলিল সিঞ্চন কৰে। গাৰ্গীয়ে অনুভৱ কৰে—মন-মধু ঋতুৰ কোকিল কুজন, আকাশত মধু, পৃথিৱীত মধু, সম্বিৎ-সিন্ধু-অনিল অনল—এনেকি আশ্ৰমৰ গছলতা-তৰু, তৃণ, কক্ষ ভূমি, সন্ন্যাসীৰ কুটীৰ সমীপস্থ কুটজ কুটমল বাজি আৰু ইনকালাৰী পাষাণৰ

কঠোৰ বক্ষও মধু মিশ্ৰিত হৈ পৰিল। গাৰ্গীৰ শিৰ৷ যেন অবিৰত স্ৰোতে মধু বৰ্ষণহে হ্ৰবলৈ ধৰিলে। দ্ৰোণীজাত কুসুমবোৰও যেন তেওঁক স্বৰ্গৰ কাহিনী শুনাবলৈ ললে, চৈতন্যহীন মূকবোবো যেন চিত্ত বৃত্তি প্ৰবৰ্তক আৰু বাঙ্ময় হৈ উঠিল। বৰ্ষাৰ ধাৰাসাৰ বৃষ্টিৰ ক্লান্তিময় বিৰক্তিত শৰতৰ কমোৱা তুলাৰ দৰে অন্তৰীক্ষত উৰি ফুৰা বিক্তভাখিনিক গাৰ্গীয়ে আধ্যাত্মিক আনন্দৰ উৎস বুলি আমন্ত্ৰণ জনালে। শৰৎকালী আই পথাৰৰ বৰ্ষাৰোপিত ধান্য—শীৰ্ষত আত্ম প্ৰকাশ কৰাত যেন কৃষকে চাকি-বন্তি, ধূপ—ধূনা আৰু মংগল বাদ্যৰে স্বাগতহে জনালে।

জীৱন—তৰ্জ্জিত সুখ দুখবোৰ দুয়ো কালেই উঠা-নমাকৈ থাকে। সুখ-দুখ—একোৱেই নথকা অৰ্জখন মৃত্যুৰ নামান্তৰ। দুয়োটাৰ হেৰফেৰ নোহোৱা অৱস্থাটোও জীৱনৰ সিপিঠিত মৃত্যুৰ পৰ্যায়ৰ— অথচ তাতো ক্ষেত্ৰ বা পাত্ৰ বিশেষে স্থিত প্ৰজ্ঞৰ লক্ষণো থাকে।

মেঘহীন আকাশ, বৰদৈচিলাহীন বতাহ, প্লাৱনহীন নৈৰ বালিচৰ, অভিমান শূন্য প্ৰেম, অধৰ্ষিত ফুলশয্যা আৰু চকুপানী দাবী নকৰা শ্মশান চিতা একাৰেই বৈচিত্ৰ্য নাই, সৌন্দৰ্য নাই। দুপ্ৰহৰ ৰৌদ্ৰ তাপত অৰ্দ্ধ-দগ্ধ নহ'লে প্ৰভাতৰ মলয় সমীৰৰ স্নিগ্ধতাটোও অননুভূত, অনন্বয়। জীৱনৰ দুখখিনিক শত্ৰু বুলি ভবাজনে, সুখখিনিৰ লগত কস্মিন কালেও মৈত্ৰী স্থাপন কৰিব নোৱাৰে। এনেকি অতিথি-ৰূপত দেখা দিবলৈও সুখখিনি হয়তো অমাথিত হয়। অধিক সংখ্যক দুঃখৰ সংগী শান্তিখিনিও অপমানিত-হৈ অসহযোগ কৰাৰেই সম্ভাৱনা।

গাৰ্গীয়ে অনুভৱ কৰিলে—তেওঁ যেন পিতৃ-প্ৰদত্ত জ্ঞান-বিদ্যা-শিক্ষাৰ পূৰ্ণ সাৰ্থকতা লাভ কৰাৰ পথত অন্তিম পদক্ষেপহে দিলে। আবদ্ধ পিটনিৰ ৰৌদ্ৰ-তাপিত-স্ফীত-ফেনত গোঁবোৱা মৰাপাটৰ

অৱস্থাৰ পৰাই যেন চিৰমুক্তি তেওঁৰ। পিতৃৰ অন্তিম ইচ্ছা আৰু বাণীৰ ই যেন বৃন্ত-মুক্ত কুসুমাভাস।

গাৰ্গী আজি কালি প্ৰায় ভাগ সময় আশ্ৰমতেই থাকে। হীৰাবাই আৰু অমৰে তেওঁলোকৰ নাৰী মংগল অনুষ্ঠান সুচাৰুৰূপেই তদাৰক কৰি তাক এটি প্ৰায় স্বয়ং-সংম্পূৰ্ণ অনুষ্ঠানত পৰিণত কৰি তুলিছে। মাজে মাজে আশ্ৰমলৈ গৈ তাৰ কৰ্ম-পদ্ধতি আৰু প্ৰণালীবোৰ আয়ত্ত কৰি আহি হীৰাবায়ে তেওঁলোকৰ নৱগঠিত অনুষ্ঠানত প্ৰয়োগ কৰেছি। গাৰ্গী-হীন অনুষ্ঠান কিছুপৰিমাণে ম্লান পৰিলেও, হীৰাবায়ে তাক সুচাৰুৰূপেই তদাৰক কৰি আছে। আশ্ৰমলৈ যাবলৈ অমৰৰ প্ৰবল ইচ্ছা হয়,- কিন্তু ইচ্ছা দমন কৰে তেওঁ যেন দূৰৰ প্ৰহৰী- দূৰৰ পুৰাতাত্বিক, দূৰৰ ভূতাত্বিক।

সিদিনা গাৰ্গীক দেখি বক্তৃতাৰ ছন্দপতন হোৱাত শিৱানন্দ সন্ন্যাসীয়ে নিজেই পৰম বিস্ময় মানিলে, হয়তো এই অসম্ভাব্য লক্ষ্য কৰি শ্ৰোতা-দৰ্শক আদি সকলোৰেই মানত তেওঁ অত্যন্ত হেয়হৈ গৈছে। তেওঁৰ বাবে ই মৃত্যু যন্ত্ৰণাতকৈও লক্ষ গুণেই কষ্ট দায়ক আৰু লাজৰ কাৰণ হৈ পৰিল— তেওঁ সংসাৰ-সৰ্বস্ব ত্যাগী সন্ন্যাসী —দেশেই তেওঁৰ জ্ঞান-ধ্যান-সাধনা আৰু পৰম ইষ্ট। স্নানান্তে প্ৰায় সমস্ত ৰাতিয়েই তেওঁ বিগ্ৰহৰ সন্মুখত শুদ্ধ মনে প্ৰস্তৰ মূৰ্তিবৎ ধ্যানস্থহৈ বহি থাকিল। তেওঁৰ বিগ্ৰহ দেশৰ প্ৰতীক—প্ৰস্তৰ-খণ্ড মাত্ৰ নহয়। নিজৰ শৰীৰৰ ওপৰত অমানুষিক অত্যাচাৰ আৰম্ভ কৰি শিৱানন্দ কৃচ্ছ্ৰ-সাধনত ব্ৰতী হ'ল। ক্ষুদ্ৰ ক্ষুদ্ৰ প্ৰস্তৰ খণ্ডবোৰ শয্যাৰ তলত ৰাখি তাৰ ওপৰত তেওঁ শয়ন কৰিবলৈ ধৰিলে। কোনো দিন কাঁইট-সদৃশ গছৰ ক্ষুদ্ৰ ক্ষুদ্ৰ ডাল-পাতবোৰ আনি শয্যাৰ ওপৰত পিঠিৰ তলত পৰি শয়ন কৰিব ধৰিলে। লৌহ দণ্ডেৰে শৰীৰৰ অংগ-প্ৰত্যংগবোৰক এনেভাবে প্ৰহাৰ কৰিব ধৰিলে

যে—কেতিয়াবা কোনো অংগ ঘোঁতলা খাই নীলা হৈ যায়, তাতো কিন্তু তেওঁৰ ভ্ৰূক্ষেপেই নাই। সমস্ত বেদনা সন্ন্যাসীয়ে নিৰবে সহ্য কৰে।

সন্ন্যাসীৰ গধূলি সময়ত মাত্ৰ এসন্ধ্যা স্বপাক অন্ন গ্ৰহণ কৰাটোহে আশ্ৰমৰ নিয়ম। তদুপৰি সপ্তাহত তিনিদিনেই সন্ন্যাসী শিৱানন্দৰ নিৰম্বু উপবাসতো আছেই। আজি কালি মাজে মাজে তাৰো ব্যতিক্ৰম ঘটি যায়, কিন্তু শৰীৰ আৰু শক্তিত কোনো ব্যতিক্ৰম পৰিলক্ষিত নহয়। হয়তো ওৰেও ৰাতি অধ্যয়ন কৰাতেই কটাই দিয়ে, নহলে কেতিয়াবা বিগ্ৰহৰ ওচৰত ধ্যানস্থ অৱস্থাত বহি বহিয়েই প্ৰভাতৰ হিৰন্ময় কিৰণে শৰীৰ স্পৰ্শ কৰা উমান পায়। সেই ৰাতি অৱস্থান্তৰৰ লগে লগে ভাবান্তৰটো ইমান গ্লানিময় হৈ উঠিল যে তেওঁ ক'তো এখন্তেক স্থিৰ-চিত্তেৰে থাকিব নোৱৰা হ'ল। কিন্তু সন্ন্যাসীত এই অসম্ভাব্য পৰিবৰ্তনৰ হেতু ক'ত?

বক্তৃতা সভাৰ শ্ৰোতা-দৰ্শক মণ্ডলীৰ মাজত আজি কালি প্ৰায়েই এটা অস্পষ্ট গুঞ্জন আলোড়িত হৈ উঠে—'সন্ন্যাসব্ৰতত নিষ্ঠাবান আৰু কঠোৰ সংযমী, সাধনাত অচল-অটল, জ্ঞানত বৃহস্পতি, পুৰুষাৰ্থত কৰ্ণ, যোগত সাক্ষাৎ মহাদেৱ সদৃশ, ত্যাগত বুদ্ধ স্বৰূপ আৰু পৰহিতৰ ক্ষেত্ৰত দধীচিৰ দৰে অনন্য-পূৰ্ব, অনন্য সাধাৰণ এই মহা পৱিত্ৰ লোকজনৰ ক্ষেত্ৰত অচিন্ত্য-পূৰ্ব, অসম্ভাব্য পৰিবৰ্তনৰ অংকুৰটোনো কাক ক'ত ৰোপিত হৈছে? বক্তৃতাৰ অন্তত যে গাৰ্গীয়ে সভাস্থলীত অকলসৰে ধ্যান মগ্ন হৈ বহু পৰলৈকে বহি থাকে—বহুতৰ চাক্ষুষ দৃষ্টিত এইটোও স্বাক্ষৰিত হৈছে। এই টোও কাৰো অবিদিত নহয় যে গাৰ্গী আজি কালি আশ্ৰমৰ টোলতেই নাৰী নিকেতনত থাকে। এদিন এই গাৰ্গীৰে'ই নাটেশ্বৰী ৰূপত স্বামীজী অষ্টাবক্ৰ হৈ পৰিছিল, তেওঁৰ চকুৰ পৰা অগ্নি বৃষ্টি

হৈছিল, বাৰাঙ্গনা (?) কাম ভস্মাচ্ছাদিতা হৈছিল। সেই ৰূপ গৰ্বিতা, অহমিকা-স্ফীতা নাৰীৰ আজি শান্ত সৌম্য,-পবিত্ৰ তপস্বিনী ৰূপেই জানো স্বামীজীৰ চিত্তবিকলতাৰ অংকুৰ? নে ছলনাময়ী, কুহকিনী নাৰীৰ এয়া, পুৰুষ-চিকাৰৰ ফান্দ, অথবা চিত্ত বিনোদনৰ বাবে কেৱল মৃগয়া প্ৰয়াসহে? স্বামীজীও জানো মৃগ তৃষ্ণাৰ পশ্চাদ্ধাৱমান? স্বামীজীৰ জ্ঞান সঞ্চাৰী বক্তৃতাৰ প্ৰভাৱ ইমানেই জানো। স্বামীজীয়ে শিকাইছিল— 'বস্তুৰ অবিকল অন্তঃসত্তাটোত সূক্ষ্ম দৃষ্টি নিক্ষেপ কৰিবলৈ—বহিৰ্দৃষ্টিত ধৰা দিয়া অথচ অন্তৰ্দৃষ্টিৰ অগম্য হৈ থকা চাকচিক্যটো নাইবা জীৰ্ণতাৰ ধ্বজ- কৌপিনটোত সত্য আচ্ছাদিত হৈ থাকে—শৰীৰটো নাঙঠ হৈও থাকিব পাৰে। সত্যবানৰ বাবে সত্যোদ্ধাৰত অল্পমাত্ৰ প্ৰয়াসহে আৱশ্যক। মিথ্যাচৰণে বাধ্য কৰি সত্যক ৰঙ্গ মঞ্চৰ সাজ পাৰ পৰিধান কৰায়—মাত্ৰ কিছু সময়ৰ বাবে। অবিকৃত সত্য, সাজ খুলিলেই আবিষ্কৃত হৈ যায়—আবিৰ্ভূত হৈ যায়। অলংকাৰে শোভা কৰায় শৰীৰটোকহে— চিত্ত, বিবেক, প্ৰাণ আৰু আত্মাক ই টলাব নোৱাৰে। পূৰ্বৰ দুৰ্বল মনক অলংকাৰে অৱশ্যে লটি ঘটি কৰে বুলি ইয়াৰ দুৰ্নাম আছে।

সালংকৃতা গাৰ্গীয়ে সন্ন্যাসী মনৰ অভ্ৰভেদী উচ্চ চূড়াক ঠেলি কাতি কৰিব পাৰে নেকি প্ৰথম প্ৰথম এবাৰ পৰীক্ষা মাত্ৰহে যে কৰি চাইছিল—এই সত্য, সত্যসন্ধ শিৱানন্দ স্বামীৰ আত্মাত ধৰা দিছিল, গাৰ্গীৰ লেখাই তাৰ জবান্ বন্দী। গাৰ্গীৰ পৱিত্ৰতাই তাৰ পৰিচয়, গাৰ্গীৰ ত্যাগেই তাৰ প্ৰত্যয়। প্ৰায় সকলো শিষ্যৰেই এই একেমত। শুক্ল বস্ত্ৰত উৰি পৰা ধূলি কণাটোও কলুষ বুলি ধাৰণা হয়। কৃষ্ণ বস্ত্ৰত ইয়াৰ অস্তিত্বটো মিলি- জুলি থাকে। যাজ্ঞনীৰ ৰক্ত বস্ত্ৰ পৰিধানৰ অৰ্থও এয়েই নহয় জানো? সোণৰ সীতা-মূৰ্তিয়ে ৰামৰ অশ্বমেধ যজ্ঞটো জানো সফল কৰি তোলা নাই?

স্বর্ণময়ী সীতা ৰামৰ অধ্যাত্মিক যজ্ঞৰ সহধৰ্মিণী। শিৱানন্দ কাম জয় যজ্ঞৰ হোতা। স্বদেশৰ সৰ্বাংগীন মংগলটোৱেই এই যজ্ঞত পূৰ্ণাহুতিৰ অৰ্থ আৰু লক্ষ্য। এজনী বিপন্না বিপৰ্যস্তা নাৰী গাৰ্গীৰ বিবেক বোধটোত এই সত্য সম্পূৰ্ণ ধৰা দিছে। শুভ বুদ্ধিহীন বহু পুৰুষ এই ক্ষেত্ৰত ব্যৰ্থকাম হৈছে। 'ৰা' ধাতুত আধ্যাত্মিক যুক্তিৰ সংশ্ৰয় অনা হৈছে কিয়? গাৰ্গীৰ 'ৰাধা-ৰাগটো শৰীৰ-মনৰ নহয়—আত্মাৰ ৰাগ আত্মাৰ বিননি।

গাৰ্গীহঁতৰ কাম আছিল— অধ্যয়ন, বয়ন-শিল্প চৰ্চা, শাৰীৰিক পৰিশ্ৰমৰ যোগেৰে আশ্ৰম, চহৰ আৰু অন্যান্য ঠাইৰ পৰিষ্কাৰ, পৰিচ্ছন্নতা ৰক্ষা কৰা। বৃক্ষৰোপণ কৰা আৰু তাত জল-সিঞ্চন কৰা মাতৃত্বৰ দায়ীত্ব পালনত আদৰ্শ শিক্ষা গ্ৰহণ, ধাত্ৰী বিদ্যা শিক্ষা, অতিথি শুশ্ৰূষা আৰু সৰ্বোপৰি দেশ-হতকৰ যিকোনো কাৰ্যৰ শিক্ষা আৰু তাৰ উদাৰ আৰু সাৰ্থক অনুশীলন। গাৰ্গী তাৰ কৰ্মযোগীনী, কৰ্ম সন্ন্যাসীনী।

বছৰত ঋতু অনুসাৰে বক্তৃতাৰ সময়ৰ সাল-সলনি হয়। গৰমৰ দিনত সাধাৰণতে সন্ধ্যা-আৰতিৰ পিচত বক্তৃতা সভা হয়। এই সভা সপ্তাহত এতিয়া তিনিদিনহে হয়।

পৰাপক্ষত সম্ভৱ স্থলত বক্তৃতাৰ কথাবোৰ হাতে কামে কৰাটোহে প্ৰথম আৰু প্ৰধান উদ্দেশ্য আৰু লক্ষ্য। দুই এটা বিশেষ কামত বাদে নাৰীৰ সমানেই পুৰুষেও বহু কামকেই শিৱানন্দ সন্ন্যাসীৰ আশ্ৰমত সম্পন্ন কৰিবলগীয়া হয়। প্ৰায় চাৰে তিনি ঘণ্টা বা চাৰিঘণ্টা বক্তৃতা চলে। স্বপাক হৱিষ্যান্ন ভোজনৰ অন্তত শিৱানন্দ স্বামী অধ্যয়ন মগ্ন হৈ যায়। অমাৱস্যা, পূৰ্ণিমা, একাদশী আদি তিথিত আৰু এনেয়েও বহু সময়ত তেওঁ নিৰম্বু-উপবাস কৰে। শয়ন সুখৰ বাবে শয্যাৰ্য্য তেওঁক আহ্বান নকৰে। একমাত্ৰ অধ্যয়নেইহে

তেওঁক নিঃসংগ নিশাটোত সংগ দিয়, মগ্ন কৰি ৰাখে, বিমল আনন্দ দিয়ে— ঠিক পতিব্ৰতা পত্নীৰ দৰেই। 'পৱিত্ৰ জ্ঞানত বিশ্বাস ঘাতকতা নাই, অপকৃষ্টি বা ব্যভিচাৰ নাই, প্ৰৱঞ্চনা নাই, দুৰ্বুদ্ধি— দুৰভিসন্ধি নাই, প্ৰেমৰ মূল-নাৰী বেপাৰ নাই। তাৰ ঠাইত আছে—সত্য-শিৱ-সুন্দৰৰ জয়গান, জ্ঞান-স্নাত সৌন্দৰ্য-সুষমা, ভূমানন্দ উপলব্ধিৰ শান্তি। কোটি কোটি নৰ-নাৰী-গংগা-স্নাত হব পাৰে কিন্তু কোটিৰ মাজত এজনহে প্ৰকৃত জ্ঞান বা বিদ্যা-স্নাত হ' পাৰে! গ্ৰন্থাগাৰত কোন সেই ৰমনী বহুধাহে বসব নিজৰা বোবাই আছে বাক?' শিবানন্দই ভাবে।

সন্ধ্যা আৰতিৰ পিচত আৰম্ভ হোৱা বক্তৃতা সভাৰ সিদিনা সামৰণি পৰিল ৰাতি দহটা বজাৰ পিচত। সিদিনা শিৱানন্দ সন্ন্যাসীৰ নিৰ্জল উপবাস আৰু নিশি পালন। স্নানৰ পাচত তেওঁ খন্তেক উপাসনা কৰি অধ্যয়নত মগ্ন হৈ পৰিল। দিনৰ ভাগত আশ্ৰমত প্ৰাথমিক স্তৰৰ পৰা আৰম্ভ কৰি মহাবিদ্যালয় বিশ্ববিদ্যালয় স্তৰলৈকে বিভিন্ন শিক্ষাৰ পাঠদান কৰা হয়—সাহিত্য, আধ্যাত্ম বিদ্যা আৰু বিজ্ঞানেই অগ্ৰাধিকাৰ পায় শিৱানন্দৰ আশ্ৰমত। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ বহুল প্ৰচাৰটোৱেই আশ্ৰমৰ মূল উদ্দেশ্য আৰু লক্ষ্য। বিভিন্ন বিষয়ত নিযাজিত ব্যক্তিৰ দ্বাৰা সেইশিক্ষা সু-সম্পন্ন কৰা হয়। কিন্তু শিৱানন্দই সেইবোৰ নিজেই তদাৰক কৰিব লাগে। সকলোকাল সামৰি স্তুতৰি বক্তৃতাও দিব লাগে। গতিকে গভীৰ অধ্যয়ন অপৰিহাৰ্য। সেই আপ্তজ্ঞান হব লাগিব সহস্ৰজনৰ অন্তৰ স্পৰ্শ কৰিব পৰা ধৰণৰ, সেই অভিব্যক্ত বক্তৃতাই সকলোক সমানেই সন্তুষ্ট কৰিব লাগিব।

তেতিয়া প্ৰায় মাজনিশা পাৰ হৈ গৈছে—শিৱানন্দ গভীৰ অধ্যয়নত মগ্ন হৈ গৈছে। জীৱ জগত মৃত প্ৰায়, প্ৰকৃতি সুপ্তা—

অৰ্দ্ধ চৈতন্যময়ী, দশোদিশ নিতাল-নিস্তব্ধ নিৰ্জন-স্পন্দন ৰহিত। মৃত-স্বামীৰ বুকুত পৰি হিয়া ভগা কৰুণ বিননি তোলা মহাসতী বেউলাৰ দৰে কোনোবা দিশৰ নদীৰ পাৰৰ ওখ জোপাহা গছত পৰি কেতেকীয়ে হিয়া-ভগা মাতেৰে কৰুণ বিননি তুলিছে। দূৰৰ পৰা তাহি অতি অস্পষ্ট কীচক বেণুৰ সুৰটোৱে যেন ওঁ কাৰ ধ্বনি তুলি শিৱানন্দৰ কৰ্ণ-কুহৰত প্ৰণৱ' মন্ত্ৰৰ সৃষ্টি কৰিছে। উত্তৰ গোলাৰ্দ্ধত যেন এটি মাত্ৰ প্ৰাণী হ অৰ্ধ জীৱিত ৰূপত আছে যাৰ নাম শিবানন্দ, দেশৰ মংগলটোৱেই যাৰ আনন্দ। জীয়াই আছে, সাৰে আছে---আক হয়তো আকাশৰ অলেখ তৰাবিলা। শিৱানন্দৰ অৱচেতন মনটোত যেন এটি তৰাই নভোমণ্ডলৰ পৰা গুৰু ভূপীৰাই চকু টিপিয়াই কাৰোবাক কিবা কৰলৈ বিচাৰিছে। হয়তো তেওঁ প্ৰস্থ জ্ঞানত অৰ্ধচৈতন্যময় হৈ ডুবি আছে, তেওঁ নিৰ্বিকাৰ। তেওঁ জানো বিকাৰৰ ভয়ত নিৰ্বিকাৰ? বিকাৰৰ ভয়টোৱে লাই পালেই পাচে পাচে খেদে। ইন্দ্ৰিয়ালু বাৰক প্ৰশোভিত কৰি নিষিদ্ধ গছৰ গুৰিলৈ লৈ যায়, ফল খাবলৈ গছত তুলি দিয়ে, ইপ্সিত ফল পাবিব নোৱাৰি তলত পৰি মৰে। কোনো অজ্ঞঃ-দোষ মুক্ত-হ লও কিন্তু নিযতিৰ বিচিত্ৰ বিধানত বিহত কি হৈ যায় কোনোৱে টলকিবই নোৱাৰ। তেওঁ জিতেন্দ্ৰিয় জন সহজে প্ৰলুব্ধ হোৱাৰ কথা নহয় কিন্তু।

কিন্তু এই সংসাৰত জিতেন্দ্ৰিয়নো কোন--কেইজন? শিৱ,--ভোলানাথ--মহাদেৱ? তেওঁতো প্ৰায়েই নিষ্ক্ৰিয় হৈ থাকে--তেওঁতো কেতিয়াবাই নিষ্ক্ৰিয় হৈ গৈছে। সক্ৰিয় যেন দেখিলে--তেওঁবো লেঠা-জেঙা আছে। তেতিয়া তেওঁৰ পৰিচয়টো সংকটাপন্ন হোৱাৰেই কথা। বহু নিৰ্দোষীও শূলত যায়, ফৰাচী 'গিলো-টিন'টোও এক প্ৰকাৰ তেনে শূলেই বুলিব পাৰি। শূলডাল,

দাওখন অন্যাষৰ হলেও— আজ্ঞাবহ ভৃত্য। প্ৰভু যীশুই হয়’তো গজাল আৰু জল্লাদ—দুয়োৰো বাবেই প্ৰাৰ্থনা কৰিছে— সিহঁত দুয়ো নিৰ্দোষ।

গভীৰ নিশা শিৱানন্দ এবাৰ বাহিৰলৈ যাবলগীয়া হ’ল। তেওঁ খৰম যোৰ পিন্ধি বাহিৰ ওলাল। কৃষ্ণা চতুৰ্দশীৰ সূচীভেদ্য আন্ধাৰ আবৰ্তৰ কৃষ্ণকায় দৈত্যটোৱে কুটীৰৰ নিস্তেজ, ক্ষীণ অথচ অংগুষ্ঠ প্ৰমাণ ঋষিদ্বয়ৰ শক্তিৰ দৰেই তেজস্বী পোহৰটোক গৰামাৰি ধৰিলে। কিন্তু জ্যোতিৰ্ময় মহাশক্তি কিছুপৰৰ পিচত জয়ী হ’ল— কৃষ্ণকায়টো উফৰি গ’ল। জ্যোতি উদ্ভাসিত হৈ উঠিল— ‘ই যে আন্ধাৰে আৱৰা মোৰ অন্তৰ জ্যোতিৰেই উপচ্ছায়া। ই যে আত্মাৰ উজুটি’। হঠাৎ শিৱানন্দ কিবা এটা গুৰু বস্তুত- উজুটিখাই কিছুদূৰ উফৰি গ’ল। কিন্তু সৰুতে গঠিত কৰা ব্যায়াম-পিষ্ট শক্তিশালী শৰাৰটোৰ বাবে ভূমি-পতিত নোহোৱাকৈ ৰৈ গ’ল আৰু লগে লগে ‘উ প্ৰভু’ বুলি শব্দ এটা তেওঁৰ মুখৰ পৰা ওলাই আহিল। তৎক্ষণাৎ ওচৰলৈ আহি ‘কোন তুমি’ বুলি ধৰি তুলিব খোজোঁতেই এখন কোমল মসৃন হাতে সন্ন্যাসীৰ ভৰিৰ পতা স্পৰ্শ কৰি পেলালেহি। ব্ৰহ্মচাৰী স্বামী শিৱানন্দ উচপ্‌খাই উঠিল। লগে লগে পুনৰ প্ৰশ্ন হ’ল – ‘কোন তুমি ?’ ইতিমধ্যে ভূপতিতা জনীয়ে এগৰাকী নাৰী আৰু খুব সম্ভৱ তেওঁ যে আশ্ৰমৰেই সন্ন্যাস ব্ৰতচাৰিণী নাৰী এইটো তেওঁৰ কিছু অনুভৱ হ’ল। তেওঁ পুনৰ প্ৰশ্ন কৰিলে - ‘এই গভীৰ নিশা তুমি সন্ন্যাসী এজনৰ কুটীৰ লগ্ন হৈছা কিয় ? এই গভীৰ আন্ধাৰ নিশাতেইবা তোমাৰ ইয়াত কি কাম থাকিব পাৰে। সূচীভেদ্য অন্ধকাৰত তুমি নগ্ন ভূমিখণ্ডৰ আশ্ৰয় লৈছাহিয়েইবা কিয় ? পদ লগ্নাৰ উত্তৰলৈ অপেক্ষা নকৰি শিৱানন্দ কুটীৰৰ ভিতৰলৈ গ’ল আৰু অধ্যয়ন কক্ষৰ মিঠাতেলৰ প্ৰদীপগছি

লৈ আহিলগৈ। তেওঁ সদায় মিঠাতলৰ বস্তি অলাই অধ্যয়ন কৰে। অধ্যয়নেই তেওঁৰ পূজা, সেৱা, ব্ৰত সাধনা, তপস্যা, দেশসেৱা আৰু নিৰ্বাণৰ উপায় আৰু উৎস। ই যেন তেওঁৰ দেশ সেৱাৰ দ্বিতীয়— মানসিক, নৈতিক আৰু আধ্যাত্মিক স্তৰ।

প্ৰদীপৰ পোহৰত যিখন মুখ প্ৰকাশ পালে—তাক দেখি স্বামী শিৱানন্দ বাকৰুদ্ধ হৈ গ'ল। অনিন্দ্য-সুন্দৰ দেৱী প্ৰতিমাৰ মুখ-সদৃশ সেইখন মুখলৈ চাই, অচঞ্চল, ধীৰ, গম্ভীৰ ভাব প্ৰকাশক নীলাজৰ দৰে নয়ন দুটিলৈ দৃষ্টি কৰি ব্ৰহ্মচাৰী সন্ন্যাসী শিৱানন্দ বিস্ময়াভিভূত আৰু তন্ময় হৈ গ'ল। উদাসীন নিৰ্বিকাৰ ব্ৰহ্মচাৰীৰ ওঁঠাধৰৰ পৰাও এটি অস্পষ্ট মৃদু গুঞ্জন অজ্ঞাত সাৰেই অপসাৰিত হৈ আহিল—'সৃষ্টিৰাত্মেৱ ধাতু।' ক্ষন্তেকতে স্থান, কাল পাত্ৰৰ সত্যটো পাহৰি গৈ মৃদু-মন্দ ভাবে স্বৰিত হৈ উঠিল –

তন্বী শ্যামা শিখৰি দশনা পক্ক বিম্বাধৰোষ্ঠী
মধ্যে ক্ষামা চকিতহৰিণী প্ৰেক্ষণা নিম্ননাভিঃ।
শ্ৰোণীভৰাদলসগমনা স্তোকনম্ৰাস্তনাভ্যাং
যা তত্ৰ স্যাদ যুৱতিবিষয়ে সৃষ্টিৰাত্ৰেৱ ধাতুঃ॥

অৱশ্যে সেই তন্বী শ্যাম বৰ্ণা নহয়—অত্যুজ্জ্বল গৌৰবৰ্ণাহে অথবা কেঁচা সোণবৰণীয়া হ। সমগ্ৰ শৰীৰৰ ওপৰেদি মুক্তাকণৰ সূক্ষ্ম ফেননিভ লাৱণ্য যেন বাগৰি বাগৰি যাব ধৰিছে। 'মুক্তাফলেষুচ্ছায়ায়া স্তৰলত্বমিবান্তৰা অঙ্গেষু প্ৰতিভাতি' স্ৰষ্টাৰ এই আদি সৃষ্টিৰ আদি উদ্দেশ্য কি? লক্ষ্য কি? আহাৰ মহীয়া গছ পকা, ৰহৰহীয়া, মাটি মিঠা সেন্দুৰীয়া আমটোৰ এই উচ্ছ্বসিত জীৱন যৌৱনৰ সাৰ্থকতানো ক'ত বাৰু। দেৱতাৰ নৈবেদ্যৰ উপচাৰ? ভোগৰ উপচাৰ? কিন্তু স্বৰূপাৰ্থত দেৱ-ভোগ ভক্তৰহে ভোগ্য, বিশ্বাসৰহে ভোগ্য! ছিঃ ছিঃ মই কঠোৰ-সংযমী ব্ৰহ্মচাৰীয়ে এইবোৰ কিনো ভাবিছো? হে পতিত পাবন, পাপ ভঞ্জন,

দাৰিদ্ৰ্য-মোচন! ক্ষুদ্ৰহৃদয়ৰ হৃদয়-দৌৰ্বল্য ত্যাগ কৰিবলৈ মোক শক্তি দিয়া প্ৰভু! তাৰ বশ নহবলৈ শক্তি দিয়া প্ৰভু! মোৰ হৃদয় কুৰুক্ষেত্ৰত স্থিত হৈ আ কী এবাৰ কোৱা—'ক্লৈব্যং মাস্মগমঃ পাৰ্থ নৈতৎত্বয্যুপ-পদ্যতে। ক্ষুদ্ৰং হৃদয় দৌৰ্বল্যং তক্ত্বোত্তিষ্ঠ পৰন্তপ॥' কিন্তু মইতো অৰ্থাৎ মোৰ আত্মাই এওঁক—মোৰ কৰ্ম, ব্ৰত, সাধনাৰ অংশীদাৰ হিচাবেহে কল্পনা কৰিছে, অন্য চকুৰে চোৱাৰ প্ৰবৃত্তি নাই বুলি তুমিতো জানা! তোমাৰ ওচৰত ইতো গোপন হৈ থাকিব নোৱাৰে। এই সত্য প্ৰতিষ্ঠিত হোৱাত মোৰ আত্মগ্লানিৰ কি কাৰণ থাকিব পাৰে? জ্ঞানতঃ মোৰ আধ্যাত্মিক দাৰিদ্ৰই প্ৰভাৱ বিস্তাৰ কৰা নাই বুলিয়েই মোৰ দৃঢ় বিশ্বাস। দূৰ আকাশৰ ৰামধনুৰ ৰং, সদ্য প্ৰস্ফুটিত বৃন্ত ধৃত কুসুম -সুষমা, নভোমণ্ডলত স্বেচ্ছাবিহাৰী বিহংগ কুল-পংক্তিত, কোকিল কূজন, দূৰতিক্ৰম্য গিৰিশৃংগ শোভা, সুনীল সিন্ধুবক্ষৰ অশান্ত উৰ্মিমালা, বিশাল ন'ভামণ্ডলৰ প্ৰশান্ত ৰূপ, বৃদ্ধ শিশুৰ অবুজ ভাষা লেখীয়াবোৰ দেখি-শুনি হয়তো ঘাতকৰ হৃদয়তহে ভাল নালাগিব পাৰে, আনন্দৰ হিল্লোল উঠলি দুটিব পাৰে। কিন্তু সন্ন্যাসীৰ চিত্ততো এইবোৰেও কোনো প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব নোৱাৰে। এইবোৰ পদ্ম-পত্ৰস্থিত শিশিৰ-বিন্দুবৎ নিৰ্লিপ্ত, অনাসক্ত অথচ আত্ম বিনোদনৰ উদ্বোধনী গীত, জীৱননাটৰ নেপথ্যৰ নান্দী, কুশীলবৰ পূৰ্ব ৰংগ। সন্ন্যাসী-সত্তাত ইয়াৰ স্থিতিও আছে, হয়তো বিস্তৃতিও আছে, কিন্তু ইয়াৰ ছন্দগতি নাই। কৃতিটোও পৰোক্ষ স্বভাৱৰ অহং ভাৱশূন্য। কিন্তু মোৰ অৱচেতন মনটো শাসক নে শাসিত?'

ভূলুণ্ঠিতা প্ৰাণীটিৰ দুয়োহাতে মোৰ পাদস্পৰ্শ কৰাতহে মই সম্বিত ঘূৰাই পালোঁ। এহ, মই কি কৰিছো ইমান সময়? মই যে সৌজন্য উলংঘা কৰিছো! এইকটু দৃশ্যই যদি কাৰোবাৰ তিক্ত, অপাংগ দৃষ্টি অথবা মনোযোগ ইতিমধ্যেই আকৰ্ষণ কৰিছে! গভীৰ নিশা হলেও

অন্ততঃ পোহৰখিনিয়ে কোনোবা ইয়ালৈকে আহিব পাৰে। হয়তোবা দূৰৰ পৰাই কৌতুহলী দৃষ্টি নিক্ষেপ কৰিবও পাৰে। কাৰোবাক পৰিত্ৰাণ কৰিবলৈ গৈযো তাৰ সলনি বলি শালত মূৰ সোমাই দি এনেদৰে পলম কৰা উচিত নহয়। নতুবা নাৰীৰ স্পৰ্শ লৈ লৈ ধ্ৰুৱৰ দৰে একাগ্ৰ চিত্তে ঈশ্বৰ চিন্তাত সমাধিস্থবৎ হৈযো এনেদৰে এজন সৰ্বত্যাগী সন্ন্যাসীৰ পক্ষে পলম কৰা উচিত হোৱা নাই। গাৰ্গীয়ে নিজে কি ভাবিব। উঠা গাৰ্গী, তোমাৰ শযন কক্ষলৈ যোৱাগৈ। নিশা অৱসানৰ বেছি বিলম্ব নাই। পদ্মনাভৰ ধ্যান কৰি শাযিতা হোৱাগৈ। মুক্ত জীৱন নিশ্চিত তোমাৰ তুমি জীৱন্মুক্তা। এই পৃথিৱীৰ কোনো অপ শক্তিয়েই তাৰ গতিৰোধ কৰিব নোৱাৰে। অন্ততঃ মোৰ স্থিতি, মোৰ সত্য ৰক্ষা আৰু আদৰ্শৰ খাতিৰত তুমি ইযাৰ পৰা আঁতৰি যোৱা। তোমাৰ তিল প্ৰমাণ শ্ৰদ্ধাকনেও মোক মৰ্যাদাৰ উচ্চতম শৃংগত প্ৰতিষ্ঠিত কৰাব পাৰে, নহলে তোমাৰ পৱিত্ৰ হিমাদ্ৰি সদৃশ শ্ৰদ্ধাইহে মোক অপ মৃত্যুৰ দুৱাৰ ডলিলৈকে ঠেলি পঠিযাবৰ সম্ভাৱনা-টোক আলোড়িত কৰিব পাৰে।'

শিৱানন্দৰ বাওঁ হাতত প্ৰদীপ, সোঁহাতেৰে আশীৰ্বাদৰ ভংগী কৰি শিৰ স্পৰ্শ নকৰাকৈয়েই কিছু ওপৰত হাতখন ৰাখিলে। সৰস্বতীৰ দৰে শুভ্ৰ শুদ্ধ মূৰ্তিটিৰ বৰ্ষণ-মুখৰ নযন যুগলৰ পৰা ধাৰাষাৰে অশ্ৰুবৰ্ষণ হবলৈ ধৰিলে। সন্ন্যাসীৰ পাদ-পদ্ম সেই অশ্ৰুধাৰাই বিধৌত কৰি পেলালে। সেইজল স্বশিৰত মাৰ্জন কৰি পৱিত্ৰ মূৰ্তিটিয়ে পদযুগল ভক্তি-পূৰ্বক চুম্বন কৰিলে। লাহে লাহে মৌন মূৰ্তিটিয়ে অৱনতা হৈয়েই শিৱানন্দ স্বামীৰ ওচৰৰ পৰা নিজ শয়ন কক্ষৰ ফালে অগ্ৰসৰ হ'ল। বাওঁ হাতৰ স্থিৰ অকম্পিত প্ৰদীপ শিখালৈ চাই শিৱানন্দ সন্ন্যাসীয়ে নাৰী চৰিত্ৰ মন্থন কৰি অধ্যয়ন কক্ষত ধীৰ পদক্ষেপে প্ৰৱেশ কৰিলেগৈ।

গাৰ্গী যোৱাৰ পাচতো এই দৰে কিমান সময় শিৱানন্দ প্ৰস্তৰ মূৰ্তিবৎ

দণ্ডায়মান হৈ আছিল—তাৰ ধাৰণা তেওঁৰ নাছিল। এটি দীৰ্ঘ-শ্বাসেহে তেওঁক গতিশীল কৰি তোলাত সক্ষম হৈছিল।

অধ্যয়নত মনোনিৱেশ কৰিবলৈ বহুওৱা জেওৰাখনৰ বান্ধ'বাৰ যেন শিথিল হৈ পৰি, কামিবোৰ যেন স্খলকি পৰিবলৈ আৰম্ভ কৰিলে, জেওৰাখন যেন হাউলি পৰিল। চলন্ত গাড়ীৰ মন-অশ্বৰ লাগাম-ডাল যেন সন্ন্যাসীহস্তৰ পৰা চ্যুত হৈ পৰিল। হাজাৰ চেষ্টা কৰিও তেওঁ মনক বশ কৰিব নোৱাৰিলে, বশ মনাব নোৱাৰিলে, প্ৰবোধ দিবলৈকেও তপস্বী মন অপাৰগ হৈ পৰিল।

সেই নিশা সন্ন্যাসী-চিত্তই বিনিদ্ৰ ৰজনীৰ কটাক্ষ আৰু বিদ্ৰূপ সহ্য কৰিবলগীয়া হৈছিল। তাৰ বাহিৰে তেওঁৰ কোনো গত্যন্তৰ যেন নাছিল। শিৱানন্দই সমস্ত বিনিদ্ৰ ৰজনী 'মন মেৰি লাগু 'এনাথ ভাৰিও ' আৰু বিশেষ তুলসী-ভজন 'তু দয়ালু দীন-দয়াল ' আদি বৰগীত, ভজনবোৰ গুণ-গুণাই গাই ৰ'ল।

ৰেখা এডালৰ সৰল আৰু বক্ৰ দুটা ভিন ভিন অৱস্থা—মূলডাল এক। সৰলেই বেঁকা হয় বেঁকাও সৰল হৈ যাব পাৰে—দায়ী, তাৰ অৱস্থাটোহে। শকুন্তলা আশ্ৰম কন্যা। দুষ্যন্তই মৰ্ত্যৰ মাটিৰ গোন্ধটোক জাগ্ৰতহে কৰি দিছিল। এই গোন্ধটোও মৌলিক, সত্য স্বীকাৰ্য। সৰল ৰেখাৰ গতিত গৈযেই বক্ৰ পৃথিৱীৰ এ'কই বিন্দুতেই উপস্থিত হোৱা যায়। গাৰ্গী আৰু তেওঁৰ কক্ষটো বেঁকা হৈ গৈ শেষত 'সৰল'ত আহি উপনীত হৈছেহি। সৰলটো আকৌ বেঁকা হলে ভগ্নাংশত পৰিণত হোৱাৰহে সম্ভাৱনা'টো অধিক হয়—এয়া জানো মানৱ জীৱনৰ কোনো এক সূত্ৰ নহয়?

শিৱানন্দই যি নাৰী-চৰিত্ৰৰ কথা ভাবিছে—সি প্ৰকৃত পক্ষে নাৰী মহিমাহে। চৰিত্ৰ-জটিল, মহিমা— সৰল, পোনপটীয়া। পিতৃৰ জ্ঞান-বিদ্যাৰে গঢ়ি উঠা গাৰ্গীজনীয়েই শিৱানন্দৰ আশ্ৰমৰ

জ্ঞান-বিদ্যা-আদৰ্শত দীক্ষিতা হৈ গঢ় লোৱা বিদুষী, ভক্তা, সন্ন্যাসিনী গাৰ্গী। যৌৱন সমৃদ্ধ ক্ষীণতম আঁচোৰত ভক্তি প্ৰৱণতা'টো ত্যাগৰ অভিনৱ মহিমা'ৰ অতুলনীয় ভাৱে শক্তিশালী হৈ উঠি'ছে মাত্ৰ।

শিষ্যই গুৰুক পৰীক্ষা কৰাৰ প্ৰাসংগিকতা কিবা অ'ক যুক্তি থাকিব পাৰে। গুৰুৰ আচৰণৰ ওপৰতেই আচাৰ্য আখ্যাৰ ভিত্তি। সেই জন আচাৰ্যতেই সেই শিষ্যই-শৰণ, দীক্ষা, নাম-মন্ত্ৰ আদি লয়। গুৰুৰ ভিতৰত আনৰ অজ্ঞাত অসত্যৰ কেৰোণ থাকিলেও, সৎ বুলি ভৰা গুৰুক ভক্তি শিষ্যই সাধনাত সিদ্ধি লাভ হয়তো কৰে। আৰু গুৰু হয়তো নৰকগামীয়েই হৈ যায়। গুৰু হোৱা আৰু গুৰু পোৱাও সহজ কিন্তু শিষ্য হোৱাও কষ্ট সাধ্য আৰু পোৱাও কষ্টসাধ্য। শিষ্যৰ মাহাত্ম্যইহে গৌৰৱ, আকৰ্ষণ, আৰু মংগলটোৰ কাৰণ। নাৰদ, প্ৰহ্লাদ, শুক, ভীষ্ম, বলিৰাজ, আঞ্জনেয় আদিৰ ভক্তি-প্ৰধান শিষ্যত্বৰ বাবেহে তেওঁলোক জগতত অমৰ আৰু চিৰ-স্মৰণীয়। তেওঁলোকৰ 'ইষ্ট'জন মানৱ সমাজত প্ৰায় গৌণ হৈয়েই থাকে। বিশ্ববিদ্যালয়ৰ পৰীক্ষাত প্ৰথম হোৱাজনৰ প্ৰত্যক্ষ সুনাম আৰু আকৰ্ষণতকৈ কষ্ট স্বীকাৰ কৰি শিক্ষা দিয়া গুৰুজনৰ পৰোক্ষ সুনামটো নিশ্চয় অধিক নহয়! গুৰুৱে জেনে বহুতকেই শিক্ষা দিয়ে। প্ৰথম হয় কিন্তু এজনহে, লক্ষ্য ভেদ কৰে মাত্ৰ অৰ্জুনেহে। তেওঁহে প্ৰকৃত আৰু খাঁটী সুনামৰ যথাৰ্থ অধিকাৰী।

শিৱানন্দ কৰ্মযোগী, কামৰ বেলিকা তেওঁৰ মানত ৰাতি দিনৰ কোনো প্ৰভেদ নাই। কৰ্মই তেওঁৰ ধৰ্ম। শিৱানন্দই কয়—'এই পৃথিৱীৰ প্ৰত্যেকজন মানুহেই যদি স্বেচ্ছাপ্ৰণোদিতভাৱে অন্ততঃ এটি মূধাফুটা সংকাম কৰে, তেন্তে তেৱেঁই পৃথিৱীৰ আটাইতকৈ মহত কাম দুয়োটাকেই সম্পন্ন কৰে—প্ৰথম কামটো হ'ল দেশ সেৱা আৰু দ্বিতীয়টো হ'ল—ভগৱৎভক্তি। মানৱ সেৱাই পৰম ভগৱদ্ভক্তি,

নৰেই গণদেৱতা দেশেই সৰ্ব মংগলা, সৰ্বাৰ্থ সাধিকা নাৰায়ণী দুৰ্গা। দেশ-ৰূপিনী দুৰ্গাৰ সন্তুষ্টিৰ বাবেই আমি সকলোৰেই কাম কৰোঁ— জোতা চিলাই কৰোঁ, ঝাড়ুদাৰ হওঁ, পায়খানা চাফ্ কৰোঁ— চণ্ডী, গীতা ভাগৱত পাঠ কৰোঁ; ভাষা-সাহিত্য-সংস্কৃতি-জ্ঞান-বিজ্ঞান দৰ্শনৰ চৰ্চ্চা আৰু সেৱা কৰোঁ। সংগ্ৰাম-প্ৰবৃত্ত হওঁ। আক্ৰোহী হৈ কেৱল্ আমি নিজৰ বাবে কৰা কাৰ্য হেৰাই যায় আমি নিজেও হেৰাই যাওঁ—সময়ৰ বালুকা বাণিয়ে তাৰ পদচিহ্ন নাৰাখে। পবিত্ৰ গায়ত্ৰী মন্ত্ৰও শুদ্ধ গণতন্ত্ৰ সূত্ৰ'হ। আত্মাৰ খোৱাক-পোছা-কে হ মানৱক চিৰঞ্জীৱী কৰে। যিমানেই পাপৰ ভৰ সিমানেই কিন্তু পূজাবো লৰ। সৎকৰ্মইহে পাপ খণ্ডন কৰে, অসৎ কৰ্মীৰ পূজাটোৱেই মহৎ পাপঢকা আৱৰণী, পাপৰ, সাংকেতিক স্বীকাৰোক্তি। সৎকৰ্মীৰ পূজা অৰ্থহীন।

শ্ৰীশংকৰ গুৰুৰ বাবে মাধৱদেৱ, ৰামকৃষ্ণৰ বা'ৰ স্বামী বিবেকানন্দ আৰু ডঃ জনচনৰ বাবে বছোৱেল যিদৰে বিস্তৃতি, বিকাশ আৰু প্ৰচাৰৰ ক্ষেত্ৰত অপৰিহাৰ্য আছিল, সেইদৰে শিৱানন্দ স্বামীৰ মহান প্ৰচেষ্টাৰ বাস্তৱ ৰূপায়নৰ ক্ষেত্ৰত সন্ন্যাসিনী গাৰ্গী একান্ত অপৰিহাৰ্য হৈ পৰিছে ইতিমধ্যে। তেওঁ নিৰ্বিকাৰ চিত্তে, অম্লান বদনে দোভাগ নিশালৈ ঘড়ীৰ ছেকেণ্ডৰ কাঁটাৰ ল'গ লাগেই সমস্ত কাম সুচাৰুৰূপে সম্পন্ন কৰি যায়। কোনো ধৰণৰ কামনা-বাসনা ক্লান্তি, অস্বস্তিৰ চিহ্নও যেন অন্তৰত নাই। শান্তিৰ সীমাহীন পাৰাবাৰ পবিত্ৰতাৰ আকাশী-গংগা আৰু আনন্দৰ মৃদু আলোড়িত তটিনী ৰূপত তেওঁৰ আত্মাৰ পৰিচয়টো উচ্ছল, উচ্ছ্বসিত আৰু সমুজ্জ্বল হৈ উঠিছে। গাৰ্গীৰ দিবলগীয়া যেন বহুত আছে—পাৰলগীয়া যেন একোৱেই নাই। অথচ মানৱ জীৱনৰ পৰম বিভূতিৰেই যেন তেওঁ কৰ্ম জগতত সম্ৰাজ্ঞী ৰূপত বিভূষিতা। তেওঁৰ আকাঙ্ক্ষিত

সকলোৱেই যেন তেওঁৰ কবৰীৰ চূড়ান্ত অৱস্থান কৰিছে, বেণী পতিত আৰম্ভ হৈ গৈছে। চন্দ্ৰমৌলী যেন নিজেই তেওঁৰ জটাটবীতকৈও শক্তিশালী গাৰ্গীৰ বেণী-গুচ্ছৰ মেৰত বন্দী হৈ আছে—যিদৰে ভক্তই ভক্তিৰে ভগৱানক নমাই আনি বন্দী কৰি ৰাখে। 'বৈকুণ্ঠক পৰিহৰি যোগীৰো হৃদয় এৰি থাকে হৰি তথাতে বসিযা ·।' ভক্তৰ ভক্তিত বন্দীত্ব-গ্ৰহণ ভগৱানৰ বিশেষ গুণ বা মহিমা। বিশ্বৰ পৰিধিযে নোজাৰা ঐশী অৱয়টোক যশোদা-মাতৃৰো ভক্তিয়ে বন্দীত্বৰ গৌৰৱহে প্ৰদান কৰিছিল। এনে কি বাখোৱাল কৰিও ৰাখিব পাৰিছিল। ভক্তই ভগৱানক বন্দী কৰাৰ সাহস নাই, হয়তো কোনোৱেই অহংভাৱ প্ৰভাৱিত হৈ সেই সাহস নকৰেও, কিন্তু বন্দীত্বৰো আনন্দ আছে। সেই আনন্দ ভগৱানে নিজেই হাতযোৰ কৰি লয়। জীৱন দৰ্শনৰ ঐক্যই গাৰ্গীক শিৱানন্দ সন্ন্যাসীৰ নিকটতম সান্নিধ্যলৈ লৈ গ'ল। লোক চকুত যেন ই এটা অসম্ভাৱ্য বিপৰীত ধৰ্মী দৃশ্য-পটৰ অৱতাৰণা হ'ল। গাৰ্গীলৈ নিক্ষেপ কৰা যি প্ৰথম দৃষ্টিত শিৱানন্দৰ নয়নৰ পৰা অগ্নি-স্ফুলিংগ বিস্ফুৰিত হৈছিল—সেই চকুত যেন আজি স্নিগ্ধ মধুৰ ৰস-সিক্ত দৃষ্টি। গাৰ্গী আৰু শিৱানন্দলৈ লক্ষ্য কৰিলেই এই কথা স্পষ্ট হব খোজে। কিন্তু বহিদৃষ্টিটো ভ্ৰমাত্মক হোৱাৰ সম্ভাৱনাই অধিক।

পৰ্ব

শৰশয্যা

এটা সময়ত দেশখনক দুৰ্যোগৰ কলা ডাৱৰে ঢাকি ধৰিলে। লক্ষ লক্ষ কৃষকে তাঁৰ তেজপিয়াই বিদেশৰ পৰা তাক পাতি আহিয়েই হওক, অথবা অকলশৰেই উৰি অহা কাকতি ফৰিঙৰ দৰেই দেশ ছাটি ধৰিলে। ঝাঁকপাতি অহা বিধ্বংসী কাকতি ফৰিঙৰ দৰে সিহঁতে দেশৰ সৰ্বস্ব শোষণ কৰি দেশ উচ্ছন্ন কৰি পেলালে। দেশৰ অৰ্থ-নীতি ৰাজনীতি, সমাজ ব্যৱস্থা, চাকৰি, ভাষা-সাহিত্য-সংস্কৃতি, ধৰ্ম, শিল্প, আদি সকলোকেই সিহঁতৰ ৰক্ত লোলুপ দৃষ্টি আৰু ষড়যন্ত্ৰই গ্ৰাস কৰি পেলালে। দেশত মাৰি-মৰক, অভাৱ অনাটনে দেখা দিলে। কৰ্কটৰোগ সদৃশ পৰাক্ৰমী, দেশৰ দুৰ্ভিক্ষই দেশৰ বহু অংশকেই হাহাকাৰময় নিকৰুণ শ্মশান ভূমিত পৰিণত কৰি পেলালে। সৰ্বনাশী বিহমেটেকাই দেশক ধ্বংস স্তূপত পৰিণত কৰা দেখিও দেশৰ ৰাজ ক্ষমতাই কাণেমূৰে কানি কথাৰৈ শুই শুই অকম্পিত সিংহাসনৰ স্বপ্ন দেখি থাকিল। এবং আত্মহনী মন্ত্ৰ আৰু অধিক উদাত্ত স্বৰত উচ্চাৰিত হৈ থাকিল। কাৰণ, বিহমেটেকাই ৰাকচৰ পৰম সম্পদ। ৰাজ শক্তিয়ে এবং সৰ্বনাশীৰ বিভেদনীতি অৱলম্বন কৰি দেশৰ ঐক্য, ভাই-ভাইৰ ঐক্য, জাতিটোৰ ঐক্যক থানবান কৰি ছেদেলি ভেদেলি কৰি পেলালে। দেশখন জহান্নামে যোৱাৰ পথত আগবাঢ়িল। কিন্তু ঘোৰ অমাৱস্যাৰ ৰাতিৰো অৱসান আছে। ৰাতি পুৱাবই, শুক্লপক্ষও হ'বই, পোহৰ আৰু আনন্দ আহিবই। পোহৰক চিৰকাল ঢাকি দিয়াৰ শক্তি কাৰো নাই

যুৱতৰ ন্যায় সংগত দাবীক যুৱৰাজে চিনি পালে, কিন্তু যুৱৰাজ থমকি ৰল। পূৰ্ব-দুষ্কৃতিৰ-মামৰৰ অন্ততঃ কিছু অংশ একৰাই

পেলাব লাগিব। যুৱৰাজে বিবেক আৰু ন্যায়ৰ শুভ বুদ্ধি আৰু পৰামৰ্শ শুনিলে—'এইটো একান্ত তোমাৰেই কাম। তুমিয়েই ইয়াক সুসম্পন্ন কৰিব লাগিব। অইনৰ কৃতকৰ্মৰ বাবে তুমিয়েই দায়ী হৈ পৰাতকৈ ন্যায়টো তুমিয়েই সম্পন্ন কৰা। তোমাৰ শুভ-অশুভ ধাৰণাৰ ওপৰত আমাৰ পূৰ্ণ-ভৰসা আৰু বিশ্বাস আছে। তুমি নিশ্চয়ৰূপেই পৰিবা। দেশ নিশ্চয় তোমাৰ হাততেই ৰক্ষা পৰিব।' যুৱৰাজৰ আশ্বাসদায়ক মিচিকনি হাঁহি এটি দেখা গ'ল। দেশ, জাতি আৰু যুৱশক্তিয়ে স্বস্তিৰ নিশ্বাস পেলালে। শিৱানন্দই অহৰ্নিশে এই চেষ্টাকেই কৰি আহিছিল। কোনো দায়িত্ব নোলোৱাকৈয়েই দায়িত্বৰ কামবোৰ দূৰে দূৰে থাকি কৰি আছিল।

দেশখন আৰু দেশখনৰ যুৱৰাজৰ মংগলৰ বাবে শিৱানন্দই আশ্ৰমত যজ্ঞ আৰম্ভ কৰি দিলে। কাশী, কণৌজ, কামৰূপৰ অৰ্থাৎ অসমৰ পৰা যজ্ঞৰ হোতা ব্ৰাহ্মণ আদি আমন্ত্ৰিত হ'ল। দেশৰ মংগলৰ বাবে আশ্ৰমত অনুষ্ঠিত হবলগীয়া যজ্ঞলৈ সকলো-ৱেই মুক্ত হস্তে দান বৰঙণি আগবঢ়ালে। আশ্ৰমকন্যা শকুন্ত-লাৰ দৰে যজ্ঞৰ আভ্যন্তৰীণ ব্যৱস্থা প্ৰণালীৰ ভাৰ সম্পূৰ্ণৰূপে স্বেচ্ছাই গাৰ্গীয়ে গ্ৰহণ কৰিলে। বহিৰ্ভাগৰ ভাৰ গ্ৰহণ কৰিলে- শিৱানন্দ স্বামীৰ অনুগামী জীৱানন্দাদি আন সকলোৱে। এই যজ্ঞৰ সৰ্বময় কৰ্তা হ'ল স্বামী শিৱানন্দ নিজেই।

দিন ৰাতি সকলো সময়তেই নানা উপদেশ পৰামৰ্শৰ বাবেই গাৰ্গী—শিৱানন্দৰ ওচৰ চাপিব লগীয়া হ'ল। এই সান্নিধ্যই দুয়োজনৰ মনৰ পৰ্দাকো বহুখিনি আঁতৰাই পেলালে। পাৰস্পৰিক উচ্চ আধ্যাত্মিক আদৰ্শ জ্ঞান আৰু দেশপ্ৰেমৰ বাবে ত্যাগমন্ত্ৰ আৰু বেছি শক্তিশালী হৈ উঠিল। ভিন্নৰুচিৰ লোকে তাত ভিন্ন অৰ্থ দেখিলে। কোনোৱে মহাবিজ্ঞৰ দৰে মন্তব্য দিলে জুইৰ তাপ পালে ঘিঁউ গলিবই, তাৰ অন্যথা নহয়। এই তাপত হৰমহাদেৱে

কাম ভস্ম কৰিও নিজেই শেষত ভস্মাকৃতি হৈগৈছিল। মানৱ সমাজত পানীৰ তলত ডুবমাৰিয়েই মহাত্মাবোৰে নিৰম্বু উপবাস কৰে'। দুই এজন তত্ত্বদৰ্শীৰ অমোঘ অব্যৰ্থ এনে বাণীৰ বিপৰীতে বহুতেই প্ৰত্যুত্তৰ দিছিল —'জগতৰ পৰম মংগলৰ অৰ্থে পবিত্ৰ যজ্ঞাগ্নিয়ে ঘি'উৰ সহায়তহে আত্ম প্ৰকাশ কৰে। দুয়োবো সম্মিলিত শক্তিয়ে কেতিয়াবা মানৱৰ অসাধ্যও সাধন কৰে'। শিৱানন্দই কৈছিল 'যিমান দূৰলৈ যজ্ঞধূম বিস্তৃত হৈ পৰে, সিমান দূৰলৈকে বেমাৰৰ মাৰাত্মক বীজাণু সমূহ ধ্বংস হয়। হোমৰ গোন্ধে মানৱৰ শৰীৰ, মন, আৰু আত্মাক শুদ্ধ পবিত্ৰ আৰু ৰোগহীন কৰে। মহ-ডাঁহৰ কামোৰ আৰু বহু বেমাৰ সৃষ্টি কৰাৰ পৰা গৰু- ছাগলীক ৰক্ষা কৰিবলৈ আমি গোহালিত জাগ দিওঁ। জাগ-আৰু যজ্ঞৰ মুখ্য উদ্দেশ্যও একেই।

হোমৰ ধোঁৱাৰ পৰা মেঘ, মেঘৰ পৰা বৰষুণ আৰু বৰষুণৰ ফলত এই ধৰিত্ৰী শস্যাপূৰ্ণা হয়। এই শস্যই প্ৰাণীৰ প্ৰাণ ৰক্ষা কৰে। বৃষ্টি-জলে ৰেতস শক্তিৰূপে পৃথিৱীত শস্য সন্তান উৎপাদন কৰি শাকম্ভৰী দেৱীক অন্নপূৰ্ণা অন্নদা কৰি তোলে। 'অন্নাদ্ভৱন্তি ভূতানি পৰ্জ্জন্যাদন্ন সম্ভৱঃ। যজ্ঞাদ্ভৱতি পৰ্জ্জন্যো যজ্ঞ কৰ্ম সমুদ্ভৱঃ।' গতিকে কৰ্মই যজ্ঞ, যজ্ঞই ধৰ্ম এই ধৰ্ম মানৱ মংগল ধৰ্ম। কিন্তু— 'শ্ৰোত্ৰা দীনীন্দ্ৰিয়াণ্যন্যে সংযমাগ্নিষু জুহ্বতি। শব্দাদীন বিষয়ানন্য ইন্দ্ৰিয়াগ্নিষু জুহ্বতি'। (৪-২৬ গীঃ) কথাষাৰিৰ তত্ত্বও বিস্মৃত হব নালাগিব। নিষ্ঠাবান ব্ৰহ্মচাৰী সকলে সংযম-ৰূপ অগ্নিত ইন্দ্ৰিয় ৰূপ হবি আহুতি দিয়ে আৰু মুক্তিকামী সংসাৰীয়ে ভোগত অনাসক্তহৈ ইন্দ্ৰিয়-ৰূপ অগ্নিত শব্দাদি বিষয় সমূহক আহুতি দিয়ে। বিভিন্ন যজ্ঞই ব্যক্তি, সমাজ, আৰু দেশৰ মংগল সাধন কৰে। যজ্ঞ-সাম্যমৈত্ৰী উৎকৰ্ষৰো সূত্ৰ। ইয়াৰ তত্ত্ব বুজিহে প্ৰজাপতি দক্ষ ছাগ-মুখহৈ পৰিছিল।

শিৱানন্দৰ যজ্ঞলৈ বহু ঠাইৰ পৰা লোক-জন আহিল। এইবাৰ হীৰাবাইৰ চেষ্টাত তেওঁৰে সৈতে অমৰো শিৱানন্দ স্বামীৰ আশ্ৰমৰ যজ্ঞলৈ আহিল। অমৰে শিৱানন্দক আঁৰে আঁৰে থাকি লক্ষ্য কৰি থাকিল। হঠাৎ এদিন অমৰৰ অন্তৰাত্মা কঁপি উঠিল। আনন্দ বিষাদৰ জোঁৱাৰ ভাটাই হৃদয় তোলপাৰ লগালে। সেই ৰহস্য পৰত তেওঁৰ অন্তৰ স্ফীতহৈ উঠিল— আনন্দই অন্তৰাত্মাত শান্তিবাৰি সিঞ্চিত কৰালে। সেই জোঁৱাৰ-ভাটাই পূৰ্ণিমা-অমাৱস্যাৰ সঘন আবিৰ্ভাব ঘটাবলৈ ধৰিলে। অমৰৰ অন্তৰাত্মাই কৈ উঠিল— মই ন নেপোলিয়নে ঠিকেই কৈছিল— জগতত অসম্ভৱ বুলি হয়তো কোনো কথাই নাই। অৱশ্যে অসম্ভাব্যক সম্ভৱনা দবলৈ উপযোগী অৱস্থাৰ সৃষ্টি কৰিব লাগিব। গাৰ্গীও অকল মোৰ মাতৃয়েই নহয়-দেৱীও। তেওঁ কাকো গৰ্ভৰ পৰা জন্ম দিদিও সকলোৰে মাতৃ। নহয়ো তেওঁৰ অযোনী-সম্ভৱ মহাভাগ্যবান পুত্ৰ ধন্য এই সাৰ্থক মোৰ জীৱন। কিন্তু শিৱানন্দ ? তেওঁ আজি অৱতাৰী পুৰুষৰ স্থানত অধিষ্ঠিত হোৱা যেন উপলব্ধি হৈছে। অমৰ বোলা বিদ্ৰূপাত্মক নামৰ মৰামানুহ এটা মই আজি ধন্য। কোন নাৰকীয় শক্তিয়ে পতিতাৰ শাৰীলৈ নমাব খোজা কৰবাৰ গাৰ্গী এজনীক কোন মহাশক্তিয়ে মহাসতী, মহাদেৱীৰ ৰূপত আজি সু-প্ৰতিষ্ঠিত কৰি মোৰ মাতৃত্বৰ আসন এখনো তেওঁক দিলে বাৰু ?

ঈশ্বৰৰ বাণীও শিলৰ ওপৰত পৰি উফৰি যায়—টান মাটিত পৰি ভাতেই ৰৈ যায়। আৰু বোকাত পৰি বোকাৰ গৰ্ভলৈ সোমাই যায়—ফল উৎপাদন কৰে। দাতাই সমানেই দিয়ে, গ্ৰহীতাইহে গ্ৰহণৰ তাৰতম্য কৰে-যেনেদৰে গ্ৰহণ তেনেদৰেই ফলপ্ৰাপ্তি।' পুত্ৰ-স্থানীয় অমৰক শিৱানন্দ সন্ন্যাসীৰ সতে সাক্ষাৎ কৰি দিবলৈ গাৰ্গীয়ে যৎপৰোনাস্তি চেষ্টা কৰিলে, কিন্তু গাৰ্গীৰ সমস্ত চেষ্টাকেই অমৰে ব্যৰ্থকৰি দিলে। অমৰে শিৱানন্দক সাক্ষাৎ কৰিবলৈ কোনোপধ্যেই

শান্তি নহ'ল। এই কথাত গাৰ্গীয়ে পৰম বিস্ময় মানিলে—ইয়াৰ কাৰণ কি? কিবা গভীৰ ৰহস্য আছে নেকি? সে অমৰেও শিৱানন্দক আঁৰে আঁৰে থাকি পৰীক্ষা কৰি চাইছে। আশ্ৰমৰ উদ্যম-প্ৰচেষ্টাবোৰ অমৰৰ মনঃপূত হোৱা নাই নেকি? কিন্তু আশ্ৰমৰ এই মহৎ প্ৰচেষ্টাক গভীৰ শ্ৰদ্ধা-ভিন্ন অৱমাননাৰ চকুৰে চোৱাৰ মানসিকতা যুৱক অমৰৰ উচ্চ ব্যক্তি সত্তাত নাই নিশ্চয়। বৰঞ্চ আমাৰো এই আদৰ্শৰেই গভীৰ, আন্তৰিক আৰু স্বতঃস্ফূৰ্ত ভাৱে অনুপ্ৰাণিত হৈছোঁ এই পথৰেই পথিক। হীৰাবাইৰ অনুষ্ঠানটোও ইয়াৰ এটা শাখা যেনহে। অৱশ্যে কিন্তু আশ্ৰম এৰি নাযাৱ বুলিয়েই কৈছে। মোৰ দৰে তেৱোঁ আশ্ৰমতেই থাকি যাব বুলি কৈছে। তেওঁ হেনো মাজে মাজেহে হীৰাবাইহঁতৰ অনুষ্ঠানলৈ যাব। আশ্ৰমত আৰু উচ্চতৰ শিক্ষা পাব হেনো। শেষ পৰ্যন্ত দেখা যাওক এই ৰহস্যই কিদৰে আত্মপ্ৰকাশ কৰে।

মহাসমাৰোহেৰেই এদিন যজ্ঞ আৰম্ভ হ'ল। শিৱানন্দ—যজ্ঞ কুণ্ডৰ ওচৰত ধ্যানস্থ হৈ বহি ৰ'ল। গাৰ্গী যজ্ঞ বেদীৰ এমূৰত শুভ্ৰ মাৰ্বল পাথৰৰ মূৰ্তি সদৃশ অৱয়ৱ এটালৈ বহি থাকিল। যথা সম্ভৱ দান-দক্ষিণাও বিধিমতেই চলিল—এই উপলক্ষে উপযুক্ত ব্যক্তিৰ সমাগমৰ প্ৰাচুৰ্যটোৱেই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। সীতাহীন যজ্ঞ জানো ৰামৰ বাবে সম্ভৱ হৈছিল। স্বৰ্ণমূৰ্তি জানো ৰক্ত-মাংস-সমৃদ্ধ সীতাৰ ক্ষতি নকৰাকৈ স্থাপিতা হৈছিল। ক্ষতি কাৰ - ৰামৰ, নে সীতাৰ, নে ৰাম-সীতা উভয়ৰেই। স্বৰ্ণমূৰ্তিয়ে জানো ৰামক যজ্ঞফল প্ৰাপ্তি কৰাবলৈ সক্ষম হৈছিল? স্বৰ্ণসীতা তাত্ত্বিক প্ৰশ্নৰ উকা উত্তৰ হৈ থাকিল নেকি? নে লোকচক্ষুলৈ দলিয়াই দিয়া ই এমুঠি ধূলিমাত্ৰ। ৰামৰ আত্মাজানো ৰমণীয় হৈছিল? ৰামে জানো এইবোৰ কথা নাজানিছিল? ৰাম স্বৰ্ণ সীতাক অৱলম্বন কৈ হয়তো তাৰ ৰাজ্যতহে উটি ঘূৰি ফুৰিছিল। শিৱানন্দই ভাৱি

নাপায়—ৰামে যদি ভাৱৰাজ্যত ভাহিছেই-তেন্তে স্বৰ্ণ সীতাৰ ভাৱনাৰ অৰ্থাৎ অভিনয়ৰ কি প্ৰয়োজন? তেজ মঙহৰ সীতাৰ কথা ভাবিলে নিশ্চয় যজ্ঞ অশুদ্ধ বা ভ্ৰষ্ট নহয় বৰঞ্চ যজ্ঞ অধিক শুদ্ধ-পবিত্ৰ, ফলপ্ৰসূ আৰু মংগলময়হে হব পাৰে। পক্ষ যজ্ঞাধিকাৰী আৰু নৈতিক ফলৰ অধিকাৰী সেইজনেই— যিজন কাঁয়াৰ লগত ছাঁয়াৰ দৰে জীৱনৰ নিৰৱচ্ছিন্ন চিৰসংগী। যিজন উৎসৱৰো সংগী, ব্যসনৰোসংগী-ধৰ্ম আৰু পুণ্যৰো সংগী অথচ পাপৰো ভাগ লওঁতা অৰ্কলী ধৰ্ম ক্ষেত্ৰত উঞ্চবৃত্ত গ্ৰহন কৰা জনেই সহধৰ্ম গ্ৰহণৰ দাবী কৰিব নোৱাৰে। শিৱানন্দৰ মনত এনেধৰ যুক্তিৰ প্লাৱনৰ হেতু কি?

যজ্ঞ বেদীত আসীনা স্বৰ্ণনাৰী মূৰ্তিটিয়ে শ্ৰুৱ স্ৰুচৰ প্ৰান্তভাগৰ পৰা নিগৰি পৰা আজ্য ভাগৰ সপ্তধাৰা চাই চাই শৰীৰত এটি মৃদু স্পন্দন আৰু এটি অজ্ঞেয় শক্তিৰ ভাৱ অনুভৱ কৰিবলৈ ধৰিলে। স্তোক নম্ৰ নয়ন যুগল ঈষৎ কম্পিত হৈ উঠিল, কিঞ্চিত উত্থিত হৈ নয়নাজৰ অদৃশ্য গতি এক নিৰ্দিষ্ট এক বিশিষ্ট স্থানত নৰযৌ নভণ্ডো হৈ বিশ্ৰাম ললেগৈ। এই দৃষ্টি বিশ্ৰাম চৰাত নে নয়নত—এনেকৈ সহস্ৰ জনৰ জিজ্ঞাস্য যেন অনুভৱ হৈছিল। হয়তো যজ্ঞৰো অজ্ঞ চকুক জ্ঞান-দৃষ্টি দিবলৈ টান পাইছ। কিন্তু মুক্ৰত চক্ষু নিশিষ্ট প্ৰস্তৰবৎ মূৰ্তিটিৰ কোনো ভ্ৰূক্ষেপেই নাই, কোনো বাস্তৱ জ্ঞানেই যেন নাই—এনেভাৱেই সিটি যজ্ঞৰ বেদীত সমাধিস্থৰৎ হৈ আছে এনে এটি সময়তেই যজ্ঞ মণ্ডপত শংখ, পঞ্চঘণ্টা, ডবা, বৰকাঁহ, ঢোল জোৰতাল কৰতাল আদি মাংগলিক বাদ্যবোৰ বাজি উঠিল। অসংখ্য ব্যাসগোৱা শুকনাম্নী পদগোৱা ওজা পালিয়েও নৃত্যগীত সাময়িক ভাৱে বন্ধ কৰি গললগ্নহৈ যজ্ঞ কুণ্ডলৈ আৰু যজ্ঞপতিলৈ ভক্তিভৰা প্ৰণতি জনালে। সিদিনা ওজা পালিয়ে দক্ষ-যজ্ঞ খণ্ডৰ পদ গাইছিল।

যজ্ঞস্থলীৰ মাংগলিক বাদ্য-ধ্বনিয়ে প্ৰভুৰ মূৰ্ছিবং স্বামী শিৱানন্দক গভীৰ ধ্যান ভংগ কৰি কহলোকৰ পৰা মাটিৰ মোহলৈ অস্ত্ৰেক ঘূৰাই আনিলে। যজ্ঞস্থলীৰ লোকৰ অসংখ্য প্ৰশ্ন সূচক দৃষ্টিয়ে শিৱানন্দ স্বামীৰ চকুত যেন কাৰোবাৰ প্ৰশ্নৰ ৰহস্যময় প্ৰত্যুত্তৰহে বিচাৰিছে। সিহঁতৰ ব্যক্তি সত্তাত যেন ঢেঁকীয়ে স্বৰ্গতো ধান বনাৰ সুৰ। দৃষ্টিবোৰৰ প্ৰবাহটো একুৰীয়া। শিৱানন্দৰ দৃষ্টিও স্থবিৰ হৈ গল— দুটি পদুম কলি তেওঁৰ চৰণ আঁক নয়ন যুগলৈ লক্ষ কৰি প্ৰস্ফুটিতহৈ আছে। শিৱানন্দ বিস্ময় বিমূঢ় হৈ গল— এটা অসম্ভাব্য এটা অবিশ্বাস্য প্ৰত্যয় যেন। বৈষ্ণৱ ব্ৰহ্মচাৰিণীৰ ৰাস লীলা অথবা ৰাধাকৃষ্ণৰ লীলাত ওপজা বৈৰাগ্য তেওঁৰ চিত্তত। ৰূপ, ৰস, শব্দ, গন্ধ, স্পৰ্শৰ লেখিয়া- ইয়ো দৃষ্টি-ভোগ নহয় জানো? বাহিৰৰ ৰূপটো আত্ম প্ৰবঞ্চনা নেকি। কৰ্মত নহলেও ভাৱত জানো নৈতিক পতন হোৱা নাই, ধৰ্মৰাজ বা বিচুৰৰ প্ৰমাণ পত্ৰৰ অৰ্থ না কি? কিন্তু মন বা চিত্তক জানো অৱৰোধ বা বন্দী কৰি ৰাখিব পাৰি, মনেৰে সৎ বা অসৎ বিবেচনা কৰি কাম এটা কৰা বা নকৰা সিদ্ধান্তটোৰ প্ৰভাৱ শৰীৰৰ ওপৰতহে পৰে বা প্ৰযোজ্য হয়। মনে ভাবলৈ আগতেই সমুদ্ৰ মন্থন কৰিলেই। গতিকে এই জগতৰ সকলোৰেই যিহেতু হয় 'মন পাপী নহয় 'মন দেৱতা—উকা ভাৱ কথাত দোষ বিচৰাৰ যুক্তি নাই যেন লাগে ভাৱ টোক কাৰ্যক্ষেত্ৰত সংযতহে কৰিব পাৰি- ধ্বংস কৰিব নোৱাৰি। মনক 'নাভাবিবি' বুলি কোৱাটোতেইতো ভাৱটোৰ অন্ততঃ আধা সিদ্ধহৈ যায়। ভাৱটো সম্পূৰ্ণ পৱিত্ৰ জানো হব পাৰে।

দহজন য'ত—ভগৱানো ত'ত—বুলি লোকৰ এটা প্ৰত্যয় আছে। সমগ্ৰ জনগণেই গণদেৱতা—গণেশ। জন গণৰ প্ৰতি কৰা পূজাই গণেশ পূজা। দোকানৰ গণেশ পূজাৰ গূঢ় অৰ্থও এয়েই।

শ্ৰীশংকৰ গুৰুৰ পত্নী আয়ে অবিঘ্নেশ্বৰ বোলা ষিএজন গণেশক ঘৰৰ চুকত থাপনাপাতি পূজা কৰিছিল, তেওঁৰো দৰাচলতে এই গণ দেৱতাইহে। সেইবাবে শংকৰ গুৰুৱেও নীতিগত ভাৱে নাম মাত্ৰ আপত্তি (ব্যাখ্যাৰ আপত্তি) কৰিলেও খড়্গ হস্ত হোৱা নাছিল।

শিৱানন্দ আৰু গাৰ্গী সম্বন্ধেও দহজন বা গণেশ দেৱতাৰ বায়ু দিয়াৰ এটা অধিকাৰ আছে। কিন্তু সেই অধিকাৰটো থাকিলেও অন্যায় আৰু অসত্যটোক অঙ্গীকাৰ কৰিবলৈও তেওঁলোকৰ অধিকাৰ বা কৰ্তব্য বা দাবী আছে। প্ৰযোগ কৰক বা নকৰক সেই অধিকাৰ বা দাবী শিৱানন্দ গাৰ্গীৰো আছে। কাৰোবাৰ প্ৰতি কাৰোবাৰ আকৰ্ষণৰ কাৰণ ভিন্নমুখী আৰু একাধিকো হব পাৰে। নাৰী পুৰুষৰ আকৰ্ষণ এটা বিষয়তেই আবদ্ধ নহয়। গতিকে গণ দেৱতাৰ নামত বহু সময়তেই প্ৰবৃত্তি লাঞ্ছিত মন-দেৱতাৰ বায়ুক শুদ্ধ বুলি মানিব নোৱাৰি— যিহেতু সি শুদ্ধ নহয়। শুদ্ধ-পৱিত্ৰ দেহ-মন্দিৰত প্ৰতিষ্ঠিত মন দেৱতাৰ বায়ুহে শুদ্ধ হোৱা স্বাভাৱিক। গাৰ্গী শিৱানন্দৰ মাজত আকৰ্ষণ হয়তো আছে, আকৰ্ষণৰ হয়তো এটা ভিত্তিও আছে - আৰু এই ভিত্তি সুগভীৰ আধ্যাত্মিক ভিত্তি।

কথামানেই বতাহ— কমোৱা তুলাবোৰ, নতীয়াৰ মুৰৰ চিলাবোৰ বতাহৰ প্ৰেমত উৰে, মানুহ মনৰ কথাবোৰো হাৱা বতাহৰ প্ৰেমত দূৰ-দিগন্ত ব্যাপি উৰি ফুৰে। গাৰ্গী-শিৱানন্দ সংক্ৰান্ত কথাবোৰকো 'বৌটোক টোটা কৰি' বতি ফুৰা মানুহৰ নাটনি নহ'ল। গভীৰ আধ্যাত্মিক সম্বন্ধ এটা গঢ়ি উঠাটো এটা পৱিত্ৰ সত্য। কিন্তু এই সত্যৰ মানসিকতাত শিৱানন্দৰ কাৰণে গাৰ্গীৰ ওঁঠৰ লালিমাই নাকান্দে, হৃদয়েও হৃদয়ক নিবিচাৰে, বিচাৰে হৃদয়ৰ বস্তুটিক, আধ্যাত্মিক বস্তু। আন হাতে কিন্তু এই বস্তুটিক সিন্ধু-

বক্ষৰ গভীৰ তলিৰ পৰা উদ্ধাৰ কৰিবলৈ কেইজনৰেই বা সামৰ্থ্য আছে? পাৰত বহি গৱেষণা কৰাৰ সামৰ্থ্য কিন্তু সকলোৰেই আছে। শিৱানন্দক পিন্ধোৱা মালাৰ সুগন্ধি ফুল বোৰক তেওঁলোকে হেলাৰঙেই কণাইহঁৰ আহাৰ বোকাৰ শামুকত পৰিণত কৰিব পৰা মানসিকতাও আছে।

গাৰ্গীৰ শিষ্যাত্বৰ দৰ্শনটো হয়তো বহুতেই উপলব্ধি কৰিছে বুলি কয় যিটো তেওঁলোকৰ নিজৰো দৰ্শন। অমৰে অধঃ পতিত জন-মনোবৃত্তিটোক অকল নিন্দা কৰিয়েই এৰা নাই— তাক বহুলাংশে প্ৰতিৰোধো কৰিছিল। গাৰ্গীক তেওঁ চিনি পাইছে, শিৱানন্দক তো সম্পূৰ্ণই । 'পৰস্ত্ৰী ৰাধাৰ লগত ঘটা পৰপুৰুষ শ্ৰীকৃষ্ণৰ চূড়ান্ত আংগিক সম্বন্ধটোক ভকতে— পৰম আধ্যাত্মিক পৰম তাত্ত্বিক বিষয় বুলি কৈ তাকেই চূড়ান্ত ভক্তি পন্থা, ভক্তি মাৰ্গ বুলি সিদ্ধান্ত কৰিলে, আদৰ্শ ভক্তি পন্থা বুলি পালনীয়ও কৰিলে। কিন্তু সমাজখনত কোন পন্থা প্ৰৱৰ্তিত হ'ল— তাত্ত্বিক? মানৱ সমাজখনত তত্ত্ব জ্ঞানী কেইজন? সৰ্বসাধাৰণে এই তত্ত্ব জ্ঞানটো বুজাৰ উপায় কি? তত্ত্ব জ্ঞানটো কেইজনে যথাৰ্থভাৱে পালন কৰে? অথবা তেনে উচ্চ মানসিকতা কেইজনৰেই বা আছে? বৈধব্য-বিধুৰাৰ শান্তিখিনিনো কোন খিনিত? শিৱানন্দ সন্ন্যাসীৰ আধ্যাত্মিক স্তৰটোত আৰোহণ কৰা গাৰ্গীক দেখি উচপ খাই উঠা অথবা নাক কোচোৱা দেশখনৰ যোগ্যতা বা অধিকাৰটো ক'ত বা কিহৰ ওপৰত বৰ্তিছেনো? তেওঁলোক অৰ্থাৎ আমি সকলোৰেই এখন আধ্যাত্মিক দেশৰ মানুহ বুলি কোৱাটো বৰ লাজৰ কথা নহয়নে? কাৰোবাৰ মাংস খাবলৈ ইচ্ছা হৈছে— খাওক। তাত পাপ পুণ্যৰ প্ৰশ্ন নোতোলাই ভাল। কিন্তু বলি বিধানৰ আগতেই দহ বিধ মচলা বটি ওঁঠৰতা ছাগলীৰ বলিৰ মাংসেৰে থালীয়ে থালীয়ে প্ৰসাদ ৰান্ধিবলৈ বহি থকা আৰু খোৱাৰ ধৰ্ম, পুণ্য, ভক্তি

আৰু মুক্তিৰ যুক্তি ক'ত ? কোনজন তামসিকে ইয়াৰ ভৰঃ চোৰ সন্দেহ ভঞ্জন কৰিব? 'খা' ধাতুৰ ভক্তি আৰু 'ভামহং খাভয়ামি' ধাতুৰ ভক্তিৰ পাৰ্থক্য ক'ত ? মনে মনে— হয়তো মাংস প্ৰসাদে সকীয়াই দিয়ে— মাং অৰ্থ মোক, সঃ অৰ্থ সি অৰ্থাৎ সি মোক খায় বা খালে, গতিকে এইবাৰ (বা অহা জন্মত) মই তাক খাম। জোৰ যাৰ, মলুক তাৰ। আদিম সমাজ-ব্যৱস্থাৰ খামখুমীয়াৰ পৰা আজিৰ সমাজ ব্যৱস্থায়ো নিষ্কৃতি পোৱা নাই। এনে স্পষ্ট ভাব ভাষা ঢেকা শক্তিৰ প্ৰতিনিধি অমৰৰ মুখৰ পৰা ওলাল আৰু ওলাবাটোৱেই স্বাভাৱিক। ই তেওঁৰ সতে নাায়ৰ, জ্ঞানৰ আৰু উচিত বিচাৰৰ ভাষা। এই ভাষাৰেই তেওঁ আশ্ৰমৰ সহস্ৰ সহস্ৰ জনতাক একপ্ৰকাৰ সাৱধান বাণী শুনাই দিছিল। জনতা বিস্ময় বিমুগ্ধ হৈ গৈছিল— 'এই তেজোদ্দীপ্ত নব যুব শক্তিৰ আবিৰ্ভাৱ কৰ পৰা কেনেকৈ সম্ভৱ হ'ল ? এই শক্তি ক'ত প্ৰচ্ছন্ন পাত হৈ আছিল ? ই যেন শিৱানন্দৰ অভিনৱ সংস্কৰণ। শিৱানন্দৰ বক্তৃতাত অৱশ্যে মৃদু ভাষাৰ প্ৰয়োগ হৈছিল।

শিৱানন্দৰ ভাষাই প্ৰায় ভক্তীয়া ভাষাৰ ধৰ্ম বা সুৰলৈ গতি কৰা যেন অনুভৱ হয়। কিন্তু প্ৰায় একে জ্ঞানৰ হী কথাকেই যুৱক অমৰে শক্তিশালী, স্পষ্ট, আৰু তেজোদ্দীপ্ত এনেকি ব্যংগাত্মক ভাষাতো ব্যাখ্যা কৰি অস্থিৰ, অশান্ত আৰু ভ্ৰমাত্মক মনবোৰকো জয় কৰি পেলাইছিল। বহুতেই অমৰৰ বিষয় 'কণ্টকৰ্ কণ্টকেনৈব Old - Order Changes Yeilding Place to the new বুলি মন্তব্য কৰিবলৈও বৰ কুণ্ঠিত নহৈছিল। Old Order কথাষাৰ ভাষাৰ ক্ষেত্ৰতহে ব্যৱহাৰ কৰা হৈছিল। অমৰে অৱশ্যে এই বোৰ কাম শিৱানন্দৰ আঁৰে আঁৰেহে কৰিছিল।

গাৰ্গীয়ে পৰা পকত সকলো বিষয়তেই প্ৰায় নীৰৱ দৰ্শিকাৰ ভূমিকা গ্ৰহণ কৰিছিল। কিন্তু শিৱানন্দ গাৰ্গীয়ে বিয়ৰমতেই

সকলো কাম কৰি গৈছিল। তেওঁলোকৰ নৈতিক— ক্ষেত্ৰত হতাশা-গ্ৰস্ত হোৱাৰ কোনো কাৰণ বা লক্ষণেই নাছিল। তেওঁলোকৰ উচ্চ ব্যক্তিত্বক অপৰাধ বোধে স্পৰ্শ কৰিব নোৱাৰি সহস্ৰ যোজন দূৰতেই যেন থমকি ৰৈছিল।

'পুৰুষৰ পক্ষৰ পৰা বয়সৰ এটা নিৰ্দিষ্ট সীমাৰ সিপাৰৰ পৰাহে নাৰীয়ে তেওঁৰ প্ৰাপ্য মৰ্যাদা পায়। এনেকি বৃদ্ধৰ শাৰীত নাম ভৰ্তি কৰা পুৰুষৰ পৰা বয়সস্থা বা যুৱতী নাৰীয়ে যি অকৃত্ৰিম সন্মান, স্নেহ আৰু শুভেচ্ছা পায়, তৰুণ যুৱকৰ পৰা তৰুণী ভাৰ্যায়ো সেইখিনি প্ৰায় আশা কৰিব নোৱাৰে। তৰুণৰ প্ৰেম-প্ৰীতিত শাৰীৰিক ভোগেচ্ছাটো অধিক প্ৰকট, কিন্তু বয়সস্থৰ প্ৰীতিত মন-আত্মাৰ পবিত্ৰ ভোগটোহে প্ৰকট হয় অভিন্নাত্মাহৈ যোৱাৰ অৱস্থাত তেওঁলোক উন্নীত হয়। সেইবাবে বৃদ্ধাৱস্থাৰ স্বামী স্ত্ৰীৰ এজন পৰলোকলৈ গতি কৰিলে আনজন প্ৰায়েই সৰহদিন জীয়াই নাথাকে। আকাশত ভৰাবাদল থাকিলেও, নদীৰ বুকুত দুকুল উপচি পৰা বান আহিলেও তেওঁৰ হৃদয় মন্দিৰ চিৰকাললৈ শূন্যহে যায় অৱশেষত সেয়ো নাই হৈ যায়। এই সত্য দেহজ প্ৰেম অথবা আত্মজ প্ৰেম – উভয় ক্ষেত্ৰতেই প্ৰযোজ্য যদিও বয়সে কিন্তু আত্মাৰ অৱলম্বন বিচাৰিহে অগ্ৰসৰ হয়। যৌৱনে দেহৰ অৱলম্বন বিচাৰি স্থিতিস্থাপক হৈ থাকিবলৈ বিচাৰে। যৌৱনে বিচাৰে আদান, বয়সে বিচাৰে— প্ৰদান—দিয়াটোতেই বয়সৰ আনন্দ। যৌৱনটো খকুৱা—তাৰ মন্ত্ৰ 'দেহিদেহি পুনঃ পুনঃ'। যৌৱন ৰসসিক্ত হৈ থাকিবলৈ বিচাৰে, বয়সে বিচাৰে—ৰিক্ততা—ৰিক্ততাৰ শান্তি সুষমা, ৰিক্ততাৰ সৌন্দৰ্য, আত্মঋদ্ধি, আত্মোপলব্ধিৰ পূৰ্ণতা। আপোনালোকৰ কিছুমানৰ কুহেলিকাচ্ছন্ন দৃষ্টিত গাৰ্গী শিৱানন্দৰ সম্পৰ্কটো কিছু স্পষ্ট কৰি দিয়াটোৱেই মোৰ বক্তব্যৰ উদ্দেশ্য। এটা কথা ভুল নকৰিবলৈ মই

আপোনালোকৰ ওচৰত সানুনয়ে অনুৰোধ জনাওঁ—'বয়সে যি খন হাত ধৰে,— সেইখন হাত আত্মাৰ; আত্মাৰ হাত ধৰিয়েই পৰস্পৰে সেই পৰম আত্মাৰামৰ সাৰূপ্য আৰু সাযুজ্য লাভ কৰিবলৈ চেষ্টা কৰে । ই তেওঁলোকৰ জীৱন্মুক্তিৰ যৌথ সহযাত্ৰা, ইয়াত কিৰণ, ঘূৰণ বা পতনৰ প্ৰশ্ন নাই ।

আপোনালোকে হয়তো ভাবিছে— যদি গাৰ্গী আৰু স্বামী শিৱানন্দৰ মাজত একমাত্ৰ আধ্যাত্মিক দৈৱপ্ৰেমৰ সম্পৰ্কটোহে আছে—তেনেহলে মই কিয় তেনে প্ৰেমৰ বিচাৰ বিশ্লেষণ কৰিছোঁ? তাৰ কাৰণ হ'ল—কোনটো দেহজ প্ৰেম কোনটো ভগৱৎ বা পৰমাৰ্থিক প্ৰেম—তাৰ কিছু স্পষ্ট ছবি আপোনালোকৰ ওচৰত দাঙি ধৰাটো, যিটো মই সূক্ষ্ম বিচাৰ বুদ্ধিৰে সম্যক উপলব্ধি কৰিছোঁ । স্বৰূপাৰ্থত যি দেশ প্ৰেম বাধাগ্ৰস্তহে শিৱানন্দ সন্ন্যাসীৰ দৰে এজন প্ৰকৃত দেশ প্ৰেমিকৰ জীৱনটো এটা বিৰাট শূন্যত পৰিণত হৈ গৈছিল—সেই মহান দেশ প্ৰেমৰ সন্ধান মই কিছু পাইছোঁ । দেৱী সদৃশ গাৰ্গীৰ ত্যাগ, পৱিত্ৰতা আৰু শুদ্ধ জ্ঞান মাৰ্গৰ সাহচৰ্য্য। এইবোৰ সত্যকথা আপোনালোকৰ অন্তৰাত্মায়ো নিশ্চয় জ্ঞাত হৈছে। সত্যৰ নগ্নৰূপটো মিথ্যাবাদী, কপটীয়া আৰু সত্য-উলংঘা কাৰোবাৰে সহ্য কৰিব নোৱাৰে । তেওঁলোকৰ বাবে সত্যৰ স্বৰূপটোৱেই কুৎসিত, কিম্ভুত-কিমাকাৰ, যিহেতু সেই ৰূপ দৰ্শনত তেওঁলোক কস্মিন্ কালেও অভ্যস্ত নহয় । যিদৰে নিশাচৰ পেচাকে ক্ষন্তেকৰ বাবে তমৰ মাজৰ পৰা ওলাই আহিলে ভাস্কৰ ভাস্বত তেজ সহ্য কৰিব নোৱাৰে,—সি অন্ধপ্ৰায় হৈ যায়, সেই দৰে জ্ঞানক নেওচাদিয়া পাপ-পংকিল জীৱবোৰেও সত্যৰ স্বৰূপটো সহ্য কৰিব নোৱাৰে । কিন্তু এইটোও বিস্মৃত হোৱা উচিত নহয় যে ৰবিৰ কিৰণক মেঘে ঢাকিব খুজিলেও কিৰণ স্থায়ী সত্য; ক্ষন্তেকৰ পিচত দূৰিভূত হোৱা মেঘহে অসত্য তেনে ক্ষেত্ৰত । এটা সময়ত মেঘ আঁতৰিবলৈ বাধ্য ।'

শিৱানন্দৰ নতুন সংস্কৰণহেন অমৰৰ মুখত এইধৰণৰ কথাবোৰ আথৈ ফুটাদি ফুটিল। এসৱ ভিতৰত নিৰাস্থৈক্য জনেই যেন বিস্ময় বিমুগ্ধহৈ অমৰৰ কথাবোৰ জ্ঞানগৰ্ভ বেদৰ বাণী হেন স্বীকাৰ কৰিলে৷ কিন্তু বাকী এজনে তাৰ ধনঞ্জয় বায়ুৰ মৰকা-মোৰটো হয়তো নেৰিলে। স্বৰ্গ বৈকুণ্ঠাদিতো হেনে এজন আছে, পৃথিৱী কোন চাৰ। পৃথিৱীৰ মানৱ সমাজখন এইদৰেই চলে। ইয়েই হয়তো, কৃষ্ণলীলাৰ পটভূমি। এই এজনতেই কেশী কংস, মুৰইতো আছে মাজে মাজে সেইবাবে কংসবধ ভাওনাপাতি আত্মপ্ৰসাদ লাভ কৰে। দুৰাৰোগ্য ব্যাধিগ্ৰস্ত হলেও ক'লা ধনেৰে সিইত ৰগা হৈ যায়। আধ্যাত্মিক বা নৈতিক জগতত সিইত ৰঙা হ'লেও ধনৰ ব'লৰে সিইতৰঙা'—অমৰে নিৰ্ভয়েকৈযায়।

'আশ্ৰমত এটা নৱজাগ্ৰত শক্তি সঞ্চাৰ হৈছে। এই শক্তিটোৱে সমাজ-দেহৰ অন্যায়ৰ শমন ৰূপে থিয় দিছে। তেওঁ সমাজৰ ভণ্ডামিৰ মুখাখন খুলি পেলাবলৈ যত্নপৰ হৈছে।' এই অজেয়-অমৰ শক্তিৰ কথা তেওঁ সদায় শুনে কিন্তু সাক্ষাৎ কৰিবলৈ চেষ্টা কৰি বিফল হৈছে— স্বামী শিৱানন্দ। গাৰ্গীও বিফলা হৈছে। শিৱানন্দৰ মনত হাজাৰ প্ৰশ্নৰ ধল বাগৰি গ'ল— আশ্ৰমৰ এই মহান প্ৰচেষ্টাৰ গুৰুভাৰ কোনে স্বেচ্ছাই মূৰ পাতি লৈছেহি? তেওঁ দূৰে দূৰে এইদৰে কিয় গা ঢকাদি ফুৰিছে? ই গীতাৰ নিষ্কাম কৰ্ম, নে ইয়াত কোনো গোপন ৰহস্য নিহিত আছে? কোন এই অজ্ঞাত-নামা যুৱক? তেওঁৰ অভিপ্ৰায়, উদ্দেশ্য বা লক্ষ্য কি?'

শিৱানন্দৰ আনন্দ নিকেতনত দেশ, দেশ সেৱক আৰু শাসনৰ বাঘজৰী ধৰোঁতা দেশৰ কৰ্ণধাৰৰ মংগলৰ অৰ্থে অনুষ্ঠিত যজ্ঞ সুসম্পন্ন হৈ গ'ল। বহুতৰ গোপন মানসিকতাত, গাৰ্গীয়ে ৰামৰ অশ্বমেধ যজ্ঞৰ স্বৰ্ণ সীতাৰ লেখীয়া স্থান এখনিহে এই যজ্ঞত পুৰাইছিল।

অমৰে কিন্তু পৰোক্ষভাৱে, ইংগিতেৰে এনেধৰণৰ বক্তব্য আৰু মন্তব্য বোৰৰ প্ৰত্যুত্তৰ দিবলৈ দ্বিধাবোধ নকৰি কৈছিল— 'পাত্ৰী-নটানা কেলেহুৱা আৰু এলেহুৱা ঘোৰাৰ দৰে মানুহ বোৰৰ নিষ্কৰ্মা মনৰ লাগাম নাই— । হাতীয়ে নৃত্যছন্দ তুলি পথচৰণ কৰে, কুকুৰে বলিয়াহৈ তাৰ পিছত ভুকি ফুৰে. হাতীয়ে জানো এবাৰো ঘূৰি চায় ? হাতীয়ে হয়তো কুকুৰৰ অজ্ঞতাক পুতৌ কৰে, আৰু বলিযালিটোক উপভোগ কৰে। কিন্তু কুকুৰক হাতীয়ে গচকি নামাৰে। অত্যাচাৰী চিকা মাৰিলেও মানুহৰ হাতপোক্ষোৰাৰ ভয় থাকে। অৱশ্যে মহৎ লোকৰ বিশেষ মাৰনটো।তো মহত্ত্ব থাকে। তেওঁ বিবেক বিচাৰৰ সুপথত চলাৰ লোকক শিক্ষাদি ক্ষমাৰ চকুৰে চায়।

শিৱানন্দই দেশ কাল-পাত্ৰৰ কথা কিছু পৰিমাণে ভাবিলেও গাৰ্গী একেবাৰেই নিৰ্বিকাৰা। গাৰ্গী যেন আজি সম্পূৰ্ণ স্মৃতি-লুপ্তা. তেওঁ যেন আশ্ৰমলৈ অহাৰ পূৰ্বাৱস্থা সম্পূৰ্ণ বিস্মৃতা হৈগৈছে পূত সলিলত ডুবমাৰি উঠি বিহেট্ৰীচৰ ওচৰ পেত্ৰ' ডান্টেৰ দৰে। গাৰ্গীৰ অন্তৰ তটিনীও পূত সলিলা তাৰ জলৰাশীয়ে পাৰ্থিৱ জীৱনৰ পাপ তাপ, শোক দুঃখ স্মৃতি বিস্মৃতি-কৃতি-অকৃতি, কামনা —বাসনা—এনেকি পাৰ্থিৱ সুখ আনন্দৰ অনুভূতিও অসাৰ কৰি পেলালে। গাৰ্গী যেন আজি সমাধিস্থা, জীৱন্মুক্তা। গাৰ্গী এনে এটা অৱস্থাত উপনীতা হৈছে য'ৰ পৰা পশ্চাদপসৰণটো সম্পূৰ্ণ অসম্ভৱ। স্বামী শিৱানন্দৰ কুটীৰৰ দুৱাৰ তলিত গভীৰ নিশালৈ ধ্যানস্থ অৱস্থাত আসীনাহৈ থকাটো গাৰ্গীৰ পক্ষে এটা পবিত্ৰ নিত্যকৰ্ম হৈ পৰিছে।

গভীৰ নিশা অধ্যয়ন সমাপ্ত কৰি শয়ন-কক্ষত প্ৰৱেশৰ প্ৰাক্-মুহূৰ্তত বাহিৰলৈ আহি শিৱানন্দই দেখিলে—গাৰ্গী পূৰ্ণ জোৎস্নালোকত ধ্যান মগ্না। শিৱানন্দ পৰমাশ্চৰ্য হ'ল। তেওঁ

গাৰ্গীৰ ওচৰলৈ আহি খুব স্বাভাৱিক ভাৱেই মৃদুকণ্ঠেই কলে 'গাৰ্গী। মই তোমাৰ আত্মাৰ সত্য-ধ্বনি শুনিছোঁ, বুজিছোঁ, উপলব্ধি কৰিছোঁ—তুমি সংসাৰ বন্ধন মুক্তা, জীৱন্মুক্তা ঋষি-ঔৰস জাতা। দেৱহূতি কন্যা স্বৰূপা। তুমি বিদুষী। তুমি নিশ্চয় অৱগতা হৈছা যে আমি এখন পৰম পাৱন আৰু মংগলময় সমাজত বাস কৰোঁ। কিন্তু এই সমাজখনতো বিভিন্ন প্ৰকৃতি আৰু প্ৰবৃত্তিময় ৰেকাচক্ৰ আছে। তোমাৰ—মোৰ ওপৰত কেনে দৃষ্টি পৰিছে—ইতিমধ্যে তাৰ কিছু আভাস নিশ্চয় পাইছা। তাক আৰু নিৰ্বিকাৰ ভাৱে উপাই কৰাটো সমীচীন নহব। অসত্য জনমতবো এটা আসুৰিক শক্তিও আছে। আসুৰিক শক্তিৰ চৰণত নতি স্বীকাৰ গৰ্হিত বুলি পৰিহাৰ কৰিলেও সৰ্বম্ অত্যন্তম্ গৰ্হিতম্ টোও কাৰ্য-কাৰণত পালনীয়। মাত্ৰাধিক্য মাধুৰ্যও স্বাদহীন, বিপৰ্যয়ো। মানৱ জাতিৰ প্ৰথম পিতৃপুৰুষটোও পশু। সৰ কা-ৰণতেই পশুটোৱেই অগ্ৰণী হব খোজে। দেৱালয় আৰু বেশ্যালয় —দুয়ো পশুৰবো গোপন মন্ত্ৰনালয় হব পাৰে। পশু প্ৰবৃত্তিৰ চৰিতাৰ্থতাতেই ইতৰ আনন্দ বেছি। মই জানো—তোমাৰ পৱিত্ৰ আত্মাক একেবাৰেই স্পৰ্শ কৰিব নোৱাৰে :—

> 'নৈনং ছিন্দন্তি শাস্ত্ৰাণি নৈনং দহতি পাৱক।
> নচৈনং ক্লেদয়ন্ত্যাপো নশোষয়তি মাৰুতঃ॥ ২-২৩ গীতা]

তথাপি সমাজ বুলি এটা বন্ধন আছে যিটো মূলতঃ সদিচ্ছা মূলকেই। তাৰ অনুশাসন মনাটো আমাৰ কৰ্তব্য। বিশেষতঃ এই ৰাতি তোমাৰ অতি উত্তম, যুক্তিটিও পংগুহৈ যাব, যোৱা, —পলম নকৰিবা শোৱাগৈ। আন্ধাৰবো চকু আছে। হঠাৎ কিছু দূৰৰ পৰা তীব্ৰ শ্লেষাত্মক স্বৰধ্বনি ভাহি আহি শিৱানন্দ সন্ন্যাসীক বিব্ৰত কৰি তুলিলে—'ৰাতিৰ আন্ধাৰৰ মেৰখৰৰ ভিতৰত মহাপুৰুষৰ পোছাকৰ তলত এয়া কিহৰ লীলা? ৰাসলীলা

সে হৰমোহন পালা? সে বৃন্দাবনত এইবাৰ শিৱৰাত্ৰি আৰম্ভ হ'ল?' অশোভনীয় শব্দবোৰ শুনি অহা আন্ধাৰ দিশৰ পৰা শিলগুটিৰ দুই এটা টুকুৰা শিৱানন্দ আৰু গাৰ্গীৰ ওচৰত পৰিবলৈ ধৰিলে। গাৰ্গীক শিৱানন্দ স্বামীয়ে গাত্ৰ বস্ত্ৰেৰে আৰু আৰু সমস্ত শৰীৰেৰে আবৃত কৰি ৰাখিলে। হঠাৎ এটি শিলগুটিৰ ডাঙৰ টুকুৰাই শিৱানন্দ সন্ন্যাসীৰ কপালখনক সজোৰে আঘাত কৰিলেহি। তেওঁৰ কপাল ফাটি তেজবৰবলৈ ধৰিলে। সেই তেজৰে গাৰ্গীৰ বগলীপাখী যেন শুভ্ৰবস্ত্ৰ ৰাঙলী কৰি পেলালে আৰু গাৰ্গীৰ কপাল ঢাকি প্ৰভাতী সূৰ্য সদৃশ হেঙুলী কিৰণ প্ৰলিপ্ত সিন্দূৰী ফোঁট এটি ৰচনা কৰিলে।

শিৱানন্দৰ বহু আগৰ এটি স্মৃতি আলোড়িত হৈ উঠিল—কপালৰ ঠিক এই খিনিয়েই ঠাই যিখিনিৰ পৰা এদিন কাবেৰীৰ হাতৰ কংকণ-সংশ্লিষ্ট দৈৱিক আঘাতে নিৰ্দোষ তেজৰ ধাৰ বোৱাইছিল—যি তপত ৰক্ত-ধাৰাই কাবেৰীৰ কুমাৰী কপালত বেইতাৰ ৰূপছটা সানিদিছিল—চিত্ৰিত কৰিছিল সপোন সজা আশাৰ কাবেংঘৰ আৰু আনিদিছিল—মিছা বিভেদনাশী সমন্বয় সংহতিৰ বহু সম্ভাৱনাৰ বহু-কিছু ।

আঘাতৰ যন্ত্ৰণা আৰু প্ৰবাহিত ৰক্তধাৰাৰ প্ৰতি কৃচ্ছ্ৰ সাধক সন্ন্যাসী শিৱানন্দ তিল মাত্ৰও ভ্ৰূকুঞ্চিত নহ'ল। তেওঁ প্ৰথম বাৰ এই গাৰ্গীক স্পৰ্শ কৰিলে। কিয়নো ইতিমধ্যে গাৰ্গীৰ শিৰ শিৱানন্দ স্বামীৰ চৰণ তলত লুটি খাই পৰিছে। তেওঁ গাৰ্গীৰ শিৰত হাত দি বৰ মৰমেৰেই যেন কলে- 'উঠা গাৰ্গী, শয়ন কক্ষলৈ যোৱা —শোৱাগৈ। মই যেন দেখিবলৈ পাইছো—পৃথিৱীত মোৰ কাম শেষ যৱনিকাই আঁৰ কৰি পেলাইছে আৰু আনাৰ · · ।' গাৰ্গী লাহে লাহে শয়নকক্ষৰ ফালে অগ্ৰসৰ হ'ল। শিৱানন্দৰ ভৰিৰ পতা আৰু থৰমত গাৰ্গীৰ কপালৰ ৰক্তৰ

কেঁটটো হৈ গ'ল। সেইৰাতি শিৱানন্দই স্নান কৰি তেওঁৰ ইষ্ট বিগ্ৰহমূৰ্ত্তি আশুতোষ ভোলানাথৰ ওচৰত দণ্ডৱৎ দি পৰি থাকিল। তেওঁ আজি ধৰাশায়ী—তেওঁৰ ব্যক্তিত্ব আজি ধৰাশায়ী, কিন্তু ইয়াৰ বাবে দায়ী কোন? তেওঁৰ কৰ্ম, নিয়তি নে অদৃশ্য শক্তি দৈৱ? আজি শিৱানন্দৰ অন্তৰত স্তৱৰ বাবে স্তুতি বা প্ৰাৰ্থনাৰ বিগলিত সুৰ নাই। তেওঁৰ অন্তৰত অনন্ত বিদ্ৰোহ, অনন্ত বিক্ষোভ, অন্তৰাত্মাত অনন্ত বিস্ফোৰণ — সীমাহীন বিপ্লৱৰ গগন-চুম্বী উৰ্মিমালাৰ আলোড়ন। "হে প্ৰভু আশুতোষ, মোৰ জীৱনৰ পদে পদে বিধ্বংসী বিপৰ্য্যয়ৰ এই তাণ্ডৱ নৃত্যৰ হেতু কি" কবানে? প্ৰায় আশৈশৱ দেশ সেৱাৰ বাবে জীৱনটো উছৰ্গা কৰি দিলোঁ কিন্তু আজি পৰ্যন্ত কোনো কৃতকাৰ্য্যতাই লাভ কৰিব নোৱাৰিলোঁ। জীৱনৰ সমস্ত কামনা-বাসনা ত্যাগ কৰিলোঁ, ভাবিলোঁ,—এইবোৰ সাধনা ব্ৰত আৰু তপস্যাৰ পথত ঘোৰ অন্তৰায়। গৃহ-সুখ-শান্তি সন্মান, যশস্যা, ধন-সম্পত্তি, গৌৰৱ, সকলো ত্যাগ কৰিলোঁ, ভাবিলোঁ—দেশৰ বাবে এই বিক্ততাৰ শাস্তি একণ নিশ্চয় আছে। নাৰী মোৰ জীৱনৰ ৰহস্যময় সাঁথৰ—অথচ নাৰীয়েই মোৰ জীৱনৰ ধ্ৰুৱতৰা। কোনো দুৰ্ভগীয়া কোনো দৈৱ বিড়ম্বিতা নাৰী মোৰ জীৱনলৈ ক্ষন্তেকৰ বাবে পৰাজয়ৰ গ্লানি নমাই অনাৰ ক্ষেত্ৰত পৰোক্ষ কাৰণ হলেও দেৱী স্বৰূপা সেই নাৰী মোৰ জীৱনৰ সান্নিধ্যলৈ আহি কিয় বিনাদোষত অপমান, অপযশ,-লাঞ্ছনা, গঞ্জনা মূৰ পাতি লব লগীয়া হ'ল? এয়েইবা কিয় জীৱনৰ প্ৰতি পদক্ষেপতেই ৰাবস্থাৰ চৰম বিৰম্বনাৰ কবলত পৰি লটি-ঘটি হব লগীয়া হৈছোঁ? জানি শুনি জীৱনত কোনো দোষ কোনো পাপেই মই কৰা নাই। তেনেহলে মোৰ জীৱনৰ এই চৰম দুঃখ-অপমানৰ মূল তাৎপৰ্য কি? পৰীক্ষা? মোৰ ওপৰত

ভগৱানৰ পৰীক্ষা কাৰ্য কি এতিয়াও অব্যাহত আছে নেকি ? মোৰ মৃত্যুৰ আগ মুহূৰ্তলৈকে মোৰ ধৈৰ্যৰ পৰীক্ষা চলাবনেকি সেইজন ভগৱানে ? কিন্তু মইতো হৰিশ্চন্দ্ৰ বা শ্ৰীবৎস নহও। নিজকে যুধিষ্ঠিৰ বুলিও দাবী নকৰো। মাটিৰ গোন্ধ থকা তেজমঙহৰ মই এটি ক্ষুদ্ৰ জীৱ, নগণ্য প্ৰাণী, এটি পকৰাই পৰ্বত খহাব বা দাঙিব নোৱাৰে। এই সংসাৰত বহু মানুহেই সজ্ঞানে সুস্থ শৰীৰ মনেৰে আৰু গোপন আনন্দেৰে মহাপাপত লিপ্ত হৈয়ো ওভত গোৰে নাচি সকলোতেই মজালুটিছে। সেই অৱস্থাত ভগৱান ক'ত পলায় ? ভগৱানৰ আদালতৰ তলা বন্ধ কৰি ভয়তে ভগৱান ছুটীলৈ পলাইছে নেকি ? পাপ যদি দোষেই নহয়, দোষৰ যদি শাস্তিয়েই নাই, তেনেহলে পাপ কৰাত নিহতৰ নিশ্চয় যুক্তি আছে। নিজৰ, দেশৰ, দহৰ, সমাজৰ অনিষ্ট আৰু অমংগল কৰাটো যদি পাপ বুলি গণ্য কৰা নহয়, তেনেহ'লে সেইচাম বামপন্থী মানুহে তাক পুণ্য কাম বুলিয়েই তাৰপ্ৰতি অধিক আসক্ত হৈ পৰে, আসক্ত হোৱাটোৱেই স্বাভাৱিক, এইটো মানুহৰ সহজাত প্ৰবৃত্তি। পাপ-পুণ্যৰ বিচাৰ-ব্যৱস্থাই আদিম বৰ্বৰতাক অন্তত কাৰাৰুদ্ধ কৰি ৰাখে। হে প্ৰভু। তুমি কি মোক চিতাত তুলি দিও পৰীক্ষা চলাবলৈ নেৰিবা নেকি ? ই মোৰ পূৰ্বজন্মৰ কৰ্মফল বুলি হয়তো কিবা ইংগিতকেই দিব খুজিছানেকি ? কিন্তু আত্মা যদি শুদ্ধ, পৱিত্ৰ, নিষ্কলুষ, নিত্য, অছেদ্য-অভেদ্য, অচ্যুত আৰু অক্লেদ্যাই হয়, ই, যদি শাশ্বত আৰু অবিনশ্বৰেই হয়, তেনেহলে ই পৰজন্মলৈয়েই বা কিয় পাপ-পুণ্যৰ ভাগি হৈ থাকিবলৈ যাব বা ভাৰ বৈ লৈ যাব ? এই পৃথিৱীৰ সৰহ সংখ্যক মানুহৰ বাবে পৰজন্মইতো এটা উত্তৰবিহীন অনন্ত প্ৰশ্ন। তেওঁলোকৰ বাবে আত্মাৰ পুনৰ্জন্মই বা কি ? মৃত্যুই বা কি ? এইবোৰৰ যদি কোনো

অৰ্থই বিচাৰি পোৱা নাযায়, তেনেহলে মোৰ জীৱনৰ ওপৰেদি নিৰৱচ্ছিন্ন ভাবে এই সহস্ৰ কালান্তক ধুমুহা বলাৰ অৰ্থ কি? ইয়াৰ তাৎপৰ্যই বা কি? নে ভস্মীভূত দেহৰ লগত আত্মাৰো শেষ যৱনিকা পৰি যায়? নে আত্মা বোলা কোনো এটা সত্তাই নাই—তাৰ অস্তিত্বই নাই? তেতিয়াও প্ৰশ্ন হয় কোনটো যুক্তিত জীৱনৰ এই দুৰ্বহ গধুৰ বোজা মই বহন কৰিবলগীয়া হৈছো?

'আত্মান্ সততং ৰক্ষেৎ'ৰেই বা অৰ্থ কি? 'আত্মা'ই শৰীৰটোক বুজাব নাইতো? নে কীৰ্তিয়েই আত্মা? মাছ ভাত খাই বাচি থকাটোৰেই বা অৰ্থ কি? কটি এটুকুৰা, সুৰাৰ পিয়লা আৰু কবিতা কুঁৱৰীৰ উপভোগটোৰেই জীৱন জানো? জীৱন সৰ্বস্ব জানো? অথবা জীৱনটো হাঁহি তামাসাৰ ভাগৰ জুৰ'ৰ গলো জানো? জীৱনটো গোলাপৰ পাহিৰ শীতল শয্যাও নহয় নিশ্চয় আনে হবও নোৱাৰে। তেনেহলে কপালৰ ঘাম মাটিত পেলাই শিল ভঙা এটি আজ্ঞাবহ কল বা যন্ত্ৰ নেকি—এই জীৱনটো? হয়তো এইটোৱেই সত্য। কিন্তু এই সত্যও স্বীকাৰ্য যে জীৱনটো কাৰবাৰে ফুলৰ সুষমা, বিহগৰ কুজন, অমৃতৰ ভাণ্ড অথবা নন্দন কানন। ভগৱানৰ নিখুঁত সৃষ্টিত এই আকাশ পাতাল বৈষম্য কিয়? কৰ্ম ফল? কৰ্ম ফলৰ দোহাই দিলেও মন জুৰ নপৰে, মনে প্ৰত্যয় মানব নোখোজে। জীৱন ব্যাপি কৰা সৎ-কৰ্মৰ শাস্তি আৰু অসৎ কৰ্মৰ পুৰস্কাৰবোৰে কি যুক্তিৰ ব্যাখ্যা দিব হে অন্তৰ্যামী। তোমাৰ অজ্ঞাত একো নাই — মোৰ কৰ্মবো নাই। মই ইমান দিনে যি কৰিছোঁ, আগলৈ যি কৰিবলৈ ওলাইছোঁ—সি তোমাৰ অজ্ঞাত নহয়। মানৱ জীৱনৰ অদৃষ্ট পূৰ্ব ভবিতব্যমটোক ভাল-বেয়াৰ বিচাৰৰ তুলাচনীখনত উঠা-নমা কৰিবলৈ নিদি মই যি সিদ্ধান্ত লওঁ। তাত তুমি ভ্ৰূকুঞ্চন নকৰিবা, অনুমোদন কৰিবা বুলিয়েই মোৰ বিশ্বাস, কাৰণ ইয়াতকৈ প্ৰশস্ত বিধান আৰু একোৱেই হব নোৱাৰে।

শিৱানন্দ স্বামীৰ এই স্বগতোক্তি, অন্তিম স্বীকাৰোক্তি অথবা মহা-প্ৰস্থানৰ গীতৰ ধ্বনি যেন লাগিল। তেওঁ জড়বৎ হৈ গ'ল। তেওঁৰ অমৃতোপম কণ্ঠ যেন নীৰৱ আৰু স্তব্ধ হৈ গ'ল।

স্বামী শিৱানন্দই আজিকালি বক্তৃতাৰ কথাও পাহৰি যাবলৈ ধৰিলে, কোনোবা ভক্ত-সন্ন্যাসী আহি স্মৰণ কৰাই দিলেহে তেওঁ সেই বিষয়ে জ্ঞাত হয়। সভা মণ্ডপত বক্তৃতা দিবলৈ থিয় হৈ শ্ৰোতৃ মণ্ডলীক প্ৰশ্ন কৰে 'মই কিবা কব খুজিছিলো নেকি? কি কম বাৰু?' একাধিক শ্ৰোতাই সমস্বৰে কৈ উঠে 'স্বামীজীয়ে আজি —ধৰ্ম, ভক্তি আৰু দেশ প্ৰেমৰ কথা কোৱাৰ পাল আছিল।' পূৰ্ব ৰীতিৰ বিপৰীতে স্বামীজীয়ে কোনো ভূমিকা নকৰি বা পূৰ্বাভাষ নিদি পোনেই আৰম্ভ কৰি দিয়ে— 'মানৱ জীৱনক যেয়ে ধাৰণ কৰে —সেয়ে ধৰ্ম অৰ্থাৎ কৰ্তব্যই ধৰ্ম। স্বধৰ্মক লক্ষ্য কৰি তুমি বিচলিত হোৱাৰ কাৰণ নাই। —'স্বধৰ্মমপি চাবেক্ষ্য ন বিকম্পিতুমৰ্হসি' তোমাৰ অহিতকাৰীয়ে তোমাক অসমৰ্থ বুলি বহুতো অবাচ্য বচনা কৰাটোতকৈ দুখৰ কথা কি হব পাৰে?

'অবাচ্যবাদাংশ্চ বহূন বদিষ্যন্তি তবাহিতাঃ।
নিন্দন্তস্তৱ সামৰ্থ্যং ততো দুঃখতৰং নু কিম [২-৩৬ গী]

গতিকে সুখ-দুখ লাভ-লোকচান, জয়-পৰাজয়,— সকলো অৱস্থাতেই সমভাব ৰাখি (জীৱন) সংগ্ৰামৰ কাৰণে অৰ্থাৎ কৰ্তব্যবোধেৰে (কৰ্ম) যুদ্ধত প্ৰবৃত্ত হোৱা উচিত। এনে কৰিলেহে পাপে স্পৰ্শ কৰিব নোৱাৰে। কৰ্তব্যত ভীতিটোৱেই পাপ :— 'সুখ দুখে সমে কৃত্বা-লাভালাভৌ জয়াজয়ৌ। ততো যুদ্ধায় যুজ্যস্বনৈবং পাপমৱাপ্সসি। 'যোগস্থঃ কুৰুকৰ্মাণি সংঙ্গংত্যক্তা ধনঞ্জয়ঃ। সিদ্ধ্যসিদ্ধ্যো. সমো-ভূত্বা সমত্বং যোগ উচ্যতে। (২ ৪৮)

ভগৱান শ্ৰীকৃষ্ণয়া এই বুলি হতাশাগ্ৰস্ত, অধোমুখ অৰ্জুনক উপদেশ দিছিল – 'হে অৰ্জুন। কৰ্তৃত্ব বুদ্ধি ত্যাগ কৰি ফলাকাংক্ষ

নহৈ লাভালাভ উভয়তেই সমবুদ্ধি কৰি কৰ্ম কৰা। এনে সম-বুদ্ধিকেই যোগ' বোলে। এনে যোগীয়েই পৰম ধাৰ্মিক।

সৰ্বান্তঃকৰণে কৰা দেশভক্তিয়েই ঈশ্বৰভক্তি। ঈশ্বৰ এনে এটা আদৰ্শ— যি বিশ্বতো আছে, নিঃস্বতো আছে—তেওঁ শ্বাস-প্ৰশ্বাসতো আছে। ভগৱান কৃষ্ণ দৰিদ্ৰ-ব্ৰাহ্মণ-ভক্তৰ ভিক্ষাৰ জুলিতো আছে আৰু তেওঁৰ পদ-ধূলিতো আছে, এই দুয়োৰো সেৱাত উত্তম ভক্তি সিজে। দেশৰ মাটিৰ প্ৰতিটো ধূলিকণাই ভগৱানৰ চৰণৰ ধূলি। এই ধৰণীৰ ধূলি শিৰত লৈয়েই সৰ্বকৰ্মাৰম্ভ হোৱা উচিত। দেশৰ মাটি, মানৱ সমাজ, সাহিত্য-সংস্কৃত ধৰ্ম আৰু মাতৃ-ভূমিক বাদ দি কোনো ভগৱানেই নাই —দেৱদেৱী দূৰৰ কথা।

নিৰাকাৰ বোলা ভগৱানটো এটা উৎস —এটা ধাৰণা— এটা শক্তি —যিটো উক্তামুক্ত সকলোবোৰৰ মাজত আকাৰ বা সাকাৰ ৰূপে আছে — অৰ্থাৎ অক্ষৰ পৰমব্ৰহ্মই ক্ষৰবোৰক ক্ষেত্ৰক (জীৱি-তাৱস্থা) অক্ষৰ যেন কৰি ৰাখে। ইয়েই ভগৱানৰ আত্মাৰূপ। ইয়াৰো এটা অৱলম্বিত ৰূপ আছে যাক 'ব্ৰহ্ম সত্যং জগন্মিথ্যা, জীৱো ব্ৰহ্মৈৱ নাপৰঃ' শ্লোকাৰ্দ্ধৰে কোটি শাস্ত্ৰৰ কথাৰ সাৰ বুলি কব পাৰি —'শ্লোকাৰ্দ্ধেন প্ৰৱক্ষ্যামি যদুক্তং গ্ৰন্থ কোটিভিঃ।' গতিকে জগত গুৰু শ্ৰীশংকৰদেৱৰ মতে — 'পদ্ম পত্ৰ-স্থিত জল-বিন্দুবৎ উজ্জ্বল অথচ সম্পূৰ্ণ নিৰ্লিপ্ত হৈ এই সংসাৰত অৱস্থান কৰাটোৱেই সাৰ গ্ৰহণৰ অৰ্থ। নহলে সংসাৰত সাৰ নাই। অৰণ্য, মন্দিৰ, আশ্ৰম গুহাদিত ধ্যানস্থ হৈ কৰ্মহীন হৈ বহি থকাটোকেই যোগ বুলি কোৱা অনুচিত। সৎকৰ্মত ব্যস্ত হৈ থকাটোৱেই যোগ 'যোগস্থঃ কুৰু কৰ্মাণি'। বেদ, বিজ্ঞান আৰু ধৰ্মৰ প্ৰকাৰভেদ আছে, লক্ষ্য টোৰ ভেদ নাই। 'শক্তিয়েই সকলোৰে মূল উৎস' —'নায়মাত্মা বলহীনেন লভ্যঃ।' কৰ্মশক্তিৰ প্ৰতি বিশ্বাস আৰু তাৰ সুঅনুশীলনেই ধৰ্ম, বিজ্ঞান, দেশসেৱা— এনেকি পৰম ভক্তিও। পৰৰ অমংগল

চিন্তা কৰি অহৰ্নিশে পেটত ভাত আৰু চকুত টোপনি খতি কৰি কাম কৰিলেও ভগৱান সন্তুষ্ট হোৱা দূৰৰ কথা —তেওঁ ঘোৰ অসন্তুষ্টহে হয়। 'যম, নিয়ম, আসন, প্ৰাণায়াম, প্ৰত্যাহাৰ, ধ্যান-ধাৰণা আৰু সমাধিযুক্ত অষ্টাংগ যোগ ৰত জনেই যোগী।

'সত্যেন লভ্যস্তপসা হ্যেষ আত্মা, সত্যমেৱ জয়তে নানৃতং।' ক্ষুদ্ৰ স্বাৰ্থৰ খকটোৰ বাবে সত্যক গোপন নকৰি, অসত্য-অধৰ্মৰ পক্ষ অৱলম্বন নকৰাই প্ৰকৃত সত্য। উপদেশ দিব পৰা জনেই সাধক, তপস্বী, জ্ঞানী আৰু ত্যাগী নহ'বও পাৰে। কল্যাণকামী আৰু শুভ কাৰ্যত ব্যস্তজনে নিজৰ আৰু আনৰো বিনাশ নেদেখে। বিজ্ঞান গৱেষণা বা গৱেষণাও ব্ৰহ্মচৰ্য সাধন।, সংযমটোৱেই সন্মান চানটো অপমান নমুটিব কোৱ খায়ো আমগছে ত্যাগ আৰু পৰোপকাৰ কৰে আনটোৰ কলটো'ৰ খাওঁতা —এনেকি চাওঁতাবো তৃপ্তি বৰ্দ্ধন কৰে। মানু আম কলাদি গছে সংযোগী এক নাভী ছেদন কৰি সন্তান-দানৰ তৃপ্তি উপভোগ কৰে, ধেনুয়ে ক্ষীৰধাৰা বোৱাই দিয়ে। ইষ্ট-নিষ্ঠাই অচলাভক্তি। আঞ্জনেয়ৰ আদৰ্শ - ৰাম, যি তেওঁৰ আত্মাক ৰমণ কৰে —শ্ৰীপতি-সীতাপতি অভিন্নাত্মা হলেও ৰাঘৱেই মাৰুতিৰ ইষ্ট। তেওঁ ব্যক্ত কৰিছিল শ্ৰীনাথে জানকীনাথে অভেদ. পৰমাত্মনি। তথাপি মম সৰ্বস্বঃ ৰামঃ কমললোচনঃ। চান্দসদাগৰৰ ইষ্ট শিৱ (অভিন্নাত্মা দুৰ্গাও)। জিদত হাৰি পদ্মাক পূজা কৰি দেখাত পৰাজিত হলেও তেওঁ ইষ্টক সন্মুখ কৰি, পদ্মাক পৃষ্ঠদেশৰ ফালে ৰাখিহে বামহস্তে পদ্মাক পূজা কৰিছিল, কাৰণ চন্দ্ৰধৰৰ দক্ষিণ হস্ত ইষ্ট শিৱ দুৰ্গাৰ নামত উৎসৰ্গিত হৈ আছিল। এনেকি নিজৰ নামৰ চন্দ্ৰতাপ পদ্মাদেৱীৰ ওপৰত তৰি দিহে তেওঁ অনিষ্টাদেৱীক, কবৈল গলে নিষ্ঠাবিহীন অযোগ্য মাত্ৰ লোকাচাৰ পূজাহে কৰিছিল। ইয়াক কিন্তু ব্যভিচাৰী ভক্তি বুলিও কব নোৱাৰি। ইষ্টৰ প্ৰতি নিষ্ঠাৰ ইয়াত কেশাগ্ৰ প্ৰমাণো হেৰফেৰ

হোৱা নাই। সেয়েহে দেৱাদিদেৱ মহাদেৱৰ দুহিত্ৰী দেৱী পদ্মাতকৈও সাধাৰণ ক্ষুদ্ৰ নৰ মনিষ চান্দো সদাগৰৰ জীৱন দৰ্শন অথবা ভক্তিৰ আদৰ্শ অধিক সমুজ্জ্বল। ভয়ত তেনে সদাচাৰী হোৱাৰ অভিপ্ৰায় তেওঁৰ নাই। সেই ভয়ত ভূতবহে সৃষ্টি হয়। ভূতনাথৰ আবিৰ্ভাৱ নহয়। শক্তি, সাহস আৰু সংযমৰ পবিত্ৰ অনুশীলনতহে ভগৱান প্ৰচ্ছন্ন হৈ থাকে। সেইবাবেই শক্তি মংগলময় ভগৱানৰ সহধৰ্ম পালনকাৰিণী (স্ত্ৰী)।

নধনং নজনং নচ সুন্দৰীং কবিতাং বা জগদীশ কাময়ে।

মম জন্মনি জন্মনিশ্বৰে ভৱতাদ্ভক্তিৰ হৈতুকী ত্বয়ি। ‘হে জগদীশ্বৰ, লোক ধন জন ৰূপৱতী স্ত্ৰী অথবা কবিত্ব— একো নালাগে। হে ঈশ্বৰ জনমে জনমে যেন তোমাৰ প্ৰতি মোৰ অহৈতুকী ভক্তি থাকে। ‘উত্তমো ব্ৰহ্ম-সদ্ভাবো ধ্যান ভাবস্তুমধমঃ। স্তুতিৰ্জপোঽধমো ভাৱো বাহ্য পূজাধমাধমা।’ ব্ৰহ্ম দৰ্শন উত্তম। কিন্তু বাহ্য পূজা অধমৰো অধম হলেও —তাত বিশেষ পাপ নাই বুলিয়েই কোৱা হয়। গতিকে এই পূজাৰ কোনো আৱশ্যকতাও নাই বুলি, কোৱা হয় —ই এটা যুক্তিহীন উদং-উকা বিশ্বাস বজ্জন বাবে।

‘বসতে নাম থোৱা’ বুলি এষাৰ নীতি বচন আছে। জীৱনৰ কৰ্মৰ মাজ ভাগতেই কোনোৱে যদি ভাবে যে – তেওঁৰ কাম এই পৃথিৱীত শেষ হৈছে—তেতিয়া তেওঁৰশেষ কৰ্তব্য কি হব বাৰু ? অৱসৰ / ওহো, জীৱনটোৰ পৰাও জানো লওঁ বুলি অৱশৰ —অব্যাহতি লব পাৰি ? আদালতৰ পৰাচমন জাৰি নহলে কোনোবাই জানো কাঠগড়াত উঠে বা উঠিব পাৰে, কাৰাগাৰলৈ যায় বা যাব পাৰে (,) আমি কাৰ ? আগাৰলৈ যাম ? সি যে এই মাটিৰ মোহৰ অচিনাকি। লক্ষ্য লক্ষ্য দুখ-দৈন্যৰমাজতো ৰৈছে এই পৃথিৱীৰ মোহ, এই দেশৰ মাটি ৰমৰম স্বেচ্ছাই এৰিব খোজে জানো, মানুহে —আত্মা-পৰমাত্মা স্বৰ্গ-নৰক, ইহজন্ম পৰজন্ম আদিৰ বিষয়ে যিমানেই ঢাক-ঢোল নবজাওক মৃত্যুৰ

সিপাৰত কি আছে— সেই বিষয়ে কোনো নিশ্চিত নহয়। কোনো নিঃসন্দেহ নহয়। পন্ডিকে সুখে-দুখে জীৱনক ভটিয়নী সোঁতত উটি যাবলৈ দিয়াত বাদে কোনো গত্যন্তৰ নাই যেনেই লাগে। সোঁতত উটি ভাহি যোৱা জীৱনটোৱে হাঁহি হাঁহিয়েই ক'ৰবাত নিশ্চিহ্ন হৈ যাব। অভিমানক মান-সংকাৰ কৰোঁতা কোনো নাই। চাকনৈয়াত পৰিলে যুঁজিহে মৰিম। মূৰৰ ওপৰৰ আকাশ ভৰিৰ তলৰ পৃথিৱী, আৰু প নীত পৰিশে পিঠিৰ তলৰ— বুকুৰ তলৰ মহাবাহু ব্ৰহ্মপুত্ৰৰো অনুকম্পা নিৰ্বিচাৰে। সন্তৰণ, ম'থো সন্তৰণ অনন্ত সন্তৰণ। সন্তৰণ—এটা আশা। তীব্ৰ সোঁতৰ বিৰুদ্ধেই সোঁতৰ বুকুত পদাঘাত কৰি পাৰপোৱাৰ একান্ত আশাৰ নামেই সন্তৰণ। বিৰুদ্ধ সোঁতটোৰ ওপৰত তাৰ বিপৰীতে কৰা পদ সঞ্চালনেহে তাৰ ভয়াবহতাৰপৰা সংৰণ বীৰক ত্ৰাণ কৰে। "জীৱন-প্ৰশান্ত"ৰ বাতাহত, ঢৌৰ বুকুত উঠি আত্ম প্ৰতিষ্ঠা কৰাৰ নামেই পুৰুষাৰ্থ, পুৰুষত্ব। পুৰুষত্বৰ মূল্যবোধটো তেতিয়াই অভ্ৰভেদী হয়— যেতিয়াই ই স্বদেশ, স্বজাতি স্বধৰ্মৰ বাবে উচ্গিত হয়। অকল আহাৰ, নিদ্ৰা, মৈথুন, ভয়ত-মনুষ্যত্বৰ পৰিচয় নাই। বিভিন্ন ধৰণৰ দেশ সেৱকেই-সুৰ,চাক্ষুষ অমৰ, তেওঁ কল্পিত অমৰ নহয়।

স্বামী শিৱানন্দই সিদিনা এনেধৰণৰ আৰু বহুত কথা বিশদভাৱে ব্যাখ্যা কৰি শ্ৰোতৃ মণ্ডলীক প্ৰায় ছিনি ঘণ্টা কাল মুগ্ধ কৰি ৰাখি অভিভূত কৰি পেলাইছিল। সন্ন্যাসীয়ে এটা বিশেষ ভাৱাবেগত সিদিনা অন্তৰৰ কথাবোৰ কৈছিল। তেওঁৰ যেন হঠাৎ কথা কোৱাটো বন্ধ হৈ গ'ল—অথচ লক্ষ কথাই কবলৈ বাকী—থাকি গ'ল। শিৱানন্দ সন্ন্যাসীয়ে কৈছিল— "মানৱাত্মৰ সত্যটো উদ্ঘাটন কৰি জনমানসত বোধগম্য কৰাত বাচালতাতকৈ মূক, নীৰৱ ভাষাই অধিক প্ৰশস্ত, অধিক ফলপ্ৰসূ

হব পাৰে। নোকোৱাখিনিও কোৱা খিনিৰ লগতে যেন সহৃদয় অন্তৰত বুজিবলৈ বাকী নাথাকিল ।" এটি নমস্কাৰ জনাই শিৱানন্দই সভাস্থলী ত্যাগ কৰিলে। বক্তৃতাৰ পূৰ্বআচৰণৰ এটি ব্যতিক্ৰম ক'ৰবাত যেন আত্মগোপন কৰি আছিল। শিৱানন্দ যেন আজি এটা দেহ-বহিৰ্ভূত শূন্যাত্মা।

শিৱানন্দৰ আজিৰ এই বক্তৃতা এটা নিভৃত কোণৰ পৰা অমৰে মন দি শুনিছিল। সন্ন্যাসীৰ পোচাকৰ আঁৰত কিবা এটা যেন গোপন সত্য তেওঁ বুজি উঠিছিল। সকলোৰে চকুৰ আঁৰত অমৰৰ চকুৰ পৰা বাৰিষাৰ ধল নামিছিল—তেওঁ প্ৰাণক সান্ত্বনা দিছিল, কিন্তু অন্তৰে বুজনি নামানিব খুজি অস্থিৰ হৈ উঠিছিল। অমৰে নিজকে প্ৰবোধ দিলে, "মই ধৈৰ্যচ্যুত নহওঁ, দেখা যাওক শেষ পৰ্যন্ত ঘটনাই কি গতি লয়। জীৱনটো এটা অপেক্ষামান প্ৰশ্ন।

অমৰৰ দৃষ্টি হঠাৎ আন এঠাইত নিবদ্ধ হৈ প'ল। অমৰৰ চকুত বিস্ময়। দশাশ্বমেধ ঘাটৰ নিম্নাংশৰ খট্‌খটীত দেখা সেই নাৰী মূৰ্তিটি সভাৰ এক অপেক্ষাকৃত অন্ধকাৰ ঠাইত অমৰৰ চকুত ধৰা পৰিল—'হয়তো মৃত্যু আকাংক্ষা কৰিছে এটা সময়ত মানুহ পুণ্যস্থান কাশীধামলৈ আহে। কাশীত মৃত্যু হলে আত্মাই পোনেই স্বৰ্গলৈ গতি কৰে হেনো। কিন্তু সেই নাৰী কাশী বৃন্দাবনত এই ৰূপত উপস্থিত হোৱাৰ কিবা ৰহস্য আছে নেকি? যেতিয়াই দেখোঁ— সেই নাৰীৰে তেতিয়াই তলমূৰ ক'ৰি থাকে কিয়? কিন্তু মোৰ দৃষ্টিত মৰাজনো অদৃশ্য হৈ যাব পাৰিব জানো? মোৰ ভ্ৰম? ওহো ই মোৰ ভ্ৰম হব নোৱাৰে। কিন্তু এওঁ এই দূৰত্ব কেনেকৈ অতিক্ৰম কৰিলে? এইটো নিশ্চিত যে সকলোৰে এটা শেষ আছে—দিন-ৰাতি, পৃথিৱী,—বিশ্ব—সকলোৰেই শেষ আছে।

জীৱনৰ চলন শঙ্কিত পদক্ষেপৰ অৰ্থই পদৰ 'উত্থান—পতন । গতি, মতি, শক্তি আৰু অন্তিম 'যতি' ইয়াৰ মাজেদিয়েই সাধিত হয় । কুকায বা সুকায কৰিও মানুহৰ পতন সম্ভৱ হব পাৰে । মহত্মাৰ পতন—মহত্ত্বত এই পতন শাৰীৰিক । নৈতিক পাপত আত্মাও পংকিল হৈ পৰে - ক্ষণিকৰ বাবে—যেন ভাং খোৱা ভোলানাথহে । আত্মা অৱশ্যে শূন্যবাদী ভোলানাথ হৈ থাকে । এটা সময়ত ভোলানাথ আত্মাৰো জাগ্ৰতি সম্ভৱ হোৱাটো অস্বাভাৱিক নহয । আত্মাৰ অবিনাশিত্বৰ লগত নশ্বৰ দেহৰ সম্পৰ্ক কি ? ঘৰত থাকিও অন্ন অৱধী স্বামী স্ত্ৰীৰ সংগমহো মনত্বৰাচাৰী , সিহঁতৰ ভক্তিও বলনাচৰ প্ৰদৰ্শনীহে, এইনাচত বাচবিচাৰ নাই — নথকাটোৱেই পৰমপ্ৰীতি — এনে প্ৰীতিয়েই সিহঁতৰ নীতি ।

অমৰ যেন এটা বিপ্লৱী বিবেক । শিৱানন্দৰ অন্তৰৰ সংযত বিপ্লৱী বিবেকটো যেন অমৰৰ ভিতৰেদি জাগ্ৰত হৈ উঠিছে— 'শিৱানন্দ আশৈশৱ সংযমী । সংযমৰ বান্ধটোক প্ৰবঞ্চিত আৰু শিথিল কৰিব পাৰিলে হয়তো তেওঁৰ জীৱনত এই বিপৰ্যয় নাহিলহেঁতেন । কৰ্বেল গলে—ফৰাচী বিদ্ৰোহৰ জন্ম দিছিল— কচো, ভল্টেয়াৰ আদি লেখক সকলেহে । কৰ্মযোগী শিৱানন্দৰ বিদ্ৰোহী আত্মাৰ সত্যৰ ধ্বনিকো মইহে সক্ৰিয় কৰি তুলিব লাগিব—মইয়েই তাৰ ৰূপ দিম , ময়েই তাক সক্ৰিয় কৰি তুলিম । শিৱ সদায় নিষ্ক্ৰিয় হৈ থাকিলেও 'মংগলময়' নামৰ সাৰ্থকতা নাহে । মোতকৈ শিৱানন্দক ভালকৈ চিনি পোৱা মানুহ এই পৃথিৱীত কোনো নাই । হয়তো মোৰ পাচতে গাৰ্গী মা এই গৌৰৱৰ অধিকাৰিণী হৈছে যে তাত লেশ মানো ভুল নাই । শিৱানন্দৰ প্ৰতি উত্তৰ হোৱা মহীয়সী নাৰী গৰাকীৰ পক্ষৰ প্ৰেৰণা, নিষ্ঠা আৰু শ্ৰদ্ধা-ভক্তিয়েই সন্ন্যাসীৰ

কৃতকাৰ্যতাক ইমান ওপৰলৈ তুলিছে। নাৰীকুলৰেই এগৰাকীয়েই পৰম প্ৰেৰণা হিচাপে আজি তেওঁৰ প্ৰধান সহায়ৈহ কাষত থিয় দিছেহি। নাৰীয়েই এই পৃথিৱীত স্বৰ্গৰাজ্য স্থাপনৰো আচনি কৰিব পাৰে। হে বহস্যময়ী জগজ্জননী নাৰী তোমাক সহস্ৰ নমস্কাৰ। পৃথিৱীৰ মানৱ জাতিৰ অধিক সংখ্যক মানুহৰ মুখৰ হাঁহিটোৰ কাৰণ আজিও এই গংগী সদৃশ পৱিত্ৰ মহীয়সী নাৰীয়েই। নাৰী—মাতৃ নাৰী জগদ্ধাত্ৰী।'

হঠাৎ এদিন শিৱানন্দই তেওঁৰ অনুগামী সন্ন্যাসী শিষ্যবৰ্গৰ প্ৰায়বোৰকেই তেওঁৰ আশ্ৰমৰ প্ৰাৰ্থনা বেদীৰ ওচৰলৈ মাতি অনালে। তাত তেওঁ এনে কিছুমান কথা ব্যক্ত কৰিলে—যিবোৰ কথা শুনি আশ্ৰমৰ সন্ন্যাসী চেৰবো অশ্ৰু, বেদনা-বিগলিত হৈ ধাৰে ধৰলৈ ধৰিলে। কথাৰ শেষৰ ফালে তেওঁ কলে "জীৱনত বহুত বক্তৃতাকেই দিলো যাৰ প্ৰকৃতাৰ্থ পাগলৰ প্ৰলাপবোৰ হে বহিসী। পাগলেও বকে। মই অৰণ্যৰোদন কৰিলো। পশুৰক্তে নেলুছিঙি বক্তৰ বক্ত-পান কৰা সময়ত তেনেকুৱা পশুৱেও করুণ আৰ্তৰাও কৰি বিলাপ কৰে, চিকাৰীৰ উত্তোলিত আগ্নেয়াস্ত্ৰৰ নিষ্ঠুৰতা—নৃশংসতা প্ৰত্যক্ষ কৰিও প্ৰাণ ভিক্ষা কৰে, প্ৰাৰ্থনা কৰে। চিকাৰী বা পশুৰাজ কাৰো হৃদয়ৰ অনুকম্পাৰ এডাল সূক্ষ্ম তন্ত্ৰীও জানো এবাৰৰ বাবে হলেও ঝংকাৰিত হয়? ৰক্তমাংসৰ লোভটোৱেই যিহঁতৰ পৰম ধৰ্ম। ক্ৰৌঞ্চ-মিথুন কাম মোহিত হলেও ব্যাধে সিহঁতৰ কোমল পৱিত্ৰ বুকুত বিহকাড নিক্ষেপ কৰিবলৈ জানো অলপো কুণ্ঠিত হয়। বাণ-বিদ্ধ কৰি ভূ-পতিত কৰাটোতেই চিকাৰীৰ নিষ্ঠুৰ আনন্দ। এই হৰ্ষোল্লাস অনিল-অনলতো আছে যেতিয়া মানুহ কোন চাৰ। মানুহ হয়তো পশুৰ 'ৰেতঃ' টোতেই জন্ম। মানুহৰ শুভ বুদ্ধিটো কৃত্ৰিম—শিক্ষা সংস্কৃতিগত—বহিঃ প্ৰভাৱ

যুক্ত: ই বিবেকৰ তীব্ৰ হেঁচা-চেঁপা আৰু একান্ত সুপৰামৰ্শৰ মাজেদিহে কোনোমতে আত্মা প্ৰকাশ কৰিবলৈ বাধ্য হয়। বিবেকটো কিন্তু স্বভাৱজাত ঈশ্বৰ প্ৰদত্ত। পশু-পক্ষীৰো এক প্ৰকাৰ বিবেক আছে। নহলে গাই গৰুৱে মানুহৰ ভাগলৈ গাখীৰ এৰি থলেহেঁতেন, বলদ গৰুৱে মাটি হাল বাই চাহ নকৰিলেহেঁতেন, গাভী নাচি নিলেহেঁতেন, হাতীয়ে ক্ষুদ্ৰ মানৱৰ অনুশাসন নামানি মাউতক আচাৰি মাৰি পেলালেহেঁতেন। চাৰ্কাছৰ বাঘটোৱে ৰিং মাষ্টাৰৰ হাতৰ ক্ষুদ্ৰ এছাৰি ডালৰ শূন্য আস্ফালন দেখি-শুনি, ভয় আৰু বাধ্যতাৰ অভিনয় কৰি, নেজডাল দুই ঠেঙৰ মাজত সুমুৱাই ৰাখি, আজ্ঞা পালন কৰি দৰ্শকৰ মনোৰঞ্জন কৰি, ব্যয়িত ধনৰ সাৰ্থকতা নিদিলেহেঁতেন। চাৰ্কাচৰ বাঘ বিবেক শূন্য হলে বহুদৰ্শকৰো বুকুৰ ৰক্ত ধাৰাটো প্ৰবাহিতহৈ থাকিবলৈ নাপাই শুকাই কৰ্কৰীয়া যাবলেহেঁতেন নহলে চাৰ্কাছত বাঘৰ প্ৰৱেশেই নিষেধ হ'লহেঁতেন। কিন্তু বাঘ নহলে চাৰ্কাছ নজমে, নচলে, উকা উকা লাগে, ৰোমান্সটো হেৰাই যায়।

সংসাৰ অভিনয় মঞ্চত নিৰন্তৰে আমিবোৰ ভাৱৰীয়াই ভাও দি আছোঁ। কিন্তু ভাওবোৰৰো ভাহিফুৰা এখনি সঁচা নাও আছে—যিদৰে আকাৰৰ পৰাধিতেই 'নিৰাকাৰ' অনন্ত শয্যাত শায়িত হৈ থাকে, বাস্তৱৰ পটভূমিতেই সপোন আৰু কল্পনাৰ আপোনা পতা আছে। দেৱতাৰ মূৰ্তি আৰু সৌন্দৰ্যও মানুহৰ অৱয়ৱ আৰু সৌন্দৰ্যৰেই অনুকৰণ, প্ৰেমবোলা বস্তুটোও এটা বিৰাট সাৰ্বজনিক, সৰ্বগ্ৰাসী স্বাৰ্থই, দেশপ্ৰেমটোও এটা স্বাৰ্থই; দেশৰ বিৰাট স্বাৰ্থটোৱেই দেশপ্ৰেম, ভগৱৎ প্ৰাপ্তিৰ আকাংক্ষাটোৱেই ভগৱদ্ভক্তি, স্বামী-স্ত্ৰীৰ অন্ধকাৰাচ্ছন্ন দেহ সম্ভোগেই মন-সংযোগ দাম্পত্যপ্ৰেম। স্বামীদেহৰ প্ৰতি বেশ্যানুলভ দেহ-মনৰ ব্যৱহাৰ

আৰু আচৰণেই সহধৰ্মিণী স্ত্ৰীৰ সতীত্ব। পৰস্ত্ৰী ৰাধাৰ তীব্ৰ কৃষ্ণাসক্তিটোতেই অবৈধতাৰ ঠাইত কোনো ভক্তই ভক্তিৰ পৰাকাষ্ঠা দেখা পায়।

দেশৰ স্বাৰ্থত সমস্ত ক্ষুদ্ৰ-ব্যক্তিগত স্বাৰ্থ বিসৰ্জন দিওতাজনেও কাৰোবাৰ চকুত ভণ্ডৰ ভাণ্ড হাতত লৰণগীয়া হয়। মহাকাল মহাবলী। মহাকালৰ ঐন্দ্ৰজালিক পদক্ষেপত কণ্ঠমালাৰ নীলা অপৰাজিতাবোৰ চপৰাত পৰিণত হৈ কাৰোবাৰ ললাট-লিপি ৰক্ত-ৰঞ্জিত কৰি পেলায়। আনহাতে লম্পট দুশ্চৰিত্ৰ, জুৱাচোৰ জনে ভেঁটি দি চঞ্চলা লক্ষ্মীকো চন্দুকত চন্দুৱা পেলাই ৰাখিবলৈ সমৰ্থ হয়। অৱশ্যে এই গতিধাৰা বৰ ক্ষন্তেকীয়া, ধৰ্মৰ ঢোল বাজিলে লক্ষ্মীও চন্দুক-মুক্তা হৈ যায়। ৰক্ষীও স্থকক কৰে আতৰি যায়।

আনহাতে সুপ্ত কুসুম ক'লিয়ে বৃন্তমুক্ত হৈ দেৱপূজাত নিজকে উৎসৰ্গ কৰে। কোনো'টাৰে হয়তো অন্তৰৰ বিবিধ ৰং আৰু সুবাস মানৱ অন্তৰৰ মাজত বিতৰণ কৰে আন কোনো'টাৰে হয়তো গছ-জুপিৰ পৰাই মৌ-কোঁহৰ মৌ জোল বিতৰণ কৰি বৃন্তচ্যুত হৈ পৰে —এৰি যায় সুবাসিত স্মৃতিকণ। মানৱ জীৱনৰ প্ৰধান লক্ষ্য আৰু উদ্দেশ্য কি —এইটো খুব স্পষ্ট নহলেও জীৱনত দুটি ধাৰা স্পষ্ট —যশ আৰু অপযশ। যশ অপযশৰ লগত কৰ্ম সদায় সংশ্লিষ্ট হৈ থাকে। এজনে পৃথিৱীত থাকি বৈকুণ্ঠত বাস কৰে, আনজনে ইযাতেই জীয়াতু ভোগে।

জীয়াই থকা দিন কেইটাত সুখ শান্তি আৰু আনন্দ বিচৰাটো সাধাৰণ মানুহৰ সাধাৰণ লক্ষণ। এচামে মৰণোত্তৰ পৰমাৰ্থও বিচাৰে। কিন্তু অনিত্য সুখ শান্তিৰ বাবে যদি মানুহে 'ঋণং কৃত্বা ঘৃতং পিবেৎ' সূত্ৰ প্ৰয়োগ কৰে, তেনেহলে হাজাৰ কৰলগীয়া থাকিলেও মই স্তব্ধ-মূক হৈ থাকিম —একোকেই প্ৰকাশ নকৰোঁ। —লাভ

নাই, কাৰণ, মানুহে স্বভাৱ ত্যাগ নকৰে। তেনে ত্যাগ-প্ৰদৰ্শনৰ অৰ্থ —অভিনয়, বহু সময়তেই ই অভিনয় মাত্ৰ।

গাৰ্গীনামৰ পবিত্ৰ নাৰীগৰাকীক আপোনালোকে ঘৃণাকৰেও ভুল নুবুজিব — অবিচাৰ নকৰিব, অবিশ্বাস নকৰিব। যি দেখিছে —সেয়েই তেওঁৰ স্বভাৱ, সেয়েই তেওঁৰ মহতী শক্তি, সেয়েই সতীত্ব; সেইখিনি এৰিব নোৱাৰা বাবেহে জীৱনত তেওঁ লটি ঘটি হৈছে, নহলে আন দহজনীৰ দৰেই তেওঁ অপৰ্যাপ্ত ধন দৌলতৰ ওপৰত বাগৰি থাকি ৰাজৰাণী হৈ থাকিব পাৰিলেহেঁতেন। অৱশ্যে তেতিয়া এই বিদুষী, দেশ-প্ৰেমিকা, মহীয়সী নাৰীজনীক দেশে না-পালেহেঁতেন। আজিৰ গাৰ্গী মৈত্ৰেয়ী ৰূপটো হেৰুৱাই তেওঁ কাত্যায়নী হৈয়ে হয়তো থাকিব পাৰিলেহেঁতেন। স্বয়ং গাৰ্গীক মঁয়ো এদিন ভুল বুজিছিলোঁ, কিন্তু আজি বুজিছোঁ —এই অজ্ঞাত কুলশীলা নাৰীগৰাকী আমাৰ জ্ঞানানন্দ আশ্ৰমলৈ এটি পৰশমণি স্বৰূপ আশীৰ্বাদ। আজি নাৰীৰ এই মহান বা গুৰুত্বৰ ওচৰত মোৰ ভুল শুধৰণিৰ ক্ষেত্ৰত এটা গধুৰ দায়িত্ব বা নৈতিক কৰ্তব্য আছে।

শুনিছো এজন অজ্ঞাত যুৱকেও হেনো মোৰ আঁৰে আঁৰে মোৰ অৰ্দ্ধসমাপ্ত কামৰ গধুৰ দায়িত্ব স্বেচ্ছাই মূৰ পাতি লৈছে। মোৰ অবৰ্তমানত তেওঁ মোৰ উত্তৰাধিকাৰী - তেওঁ যেয়েই হওঁক - য'ৰ পৰাই নাহক। মোৰ অবৰ্তমানত এই আশ্ৰমৰ ভাৰ, মোৰ এই গুৰু দায়িত্ব মই তেওঁৰ ওপৰতেই অৰ্পণ কৰিলোঁ। গাৰ্গীৰ প্ৰতি প্ৰদৰ্শন কৰা দুৰ্ব্যৱহাৰে মোক অনুতপ্ত কৰি তুলিছে। গাৰ্গীৰ ওচৰত মই মৌনী-ক্ষমা প্ৰাৰ্থী হোৱা যেন উমান পাই গাৰ্গী ভিতৰি ভিতৰি নিজকেই দোষী কৰি অনুতাপ দগ্ধাইছে। কৃতকৰ্মৰ প্ৰায়শ্চিত্তৰ বাবে এই পবিত্ৰ —বিদুষী নাৰী মোৰ ভৰিৰ তলত লুটি খাই পৰিছহি। সেই অজ্ঞাত যুৱকত বাদে হয়তো খুব অল্প সংখ্যকেহে এই কথা বা তথ্যটো বুজি পাইছে। দুবুজাজনে ইয়াত ব্যভিচাৰী

বাঘ ভালুক দেখাটোৱেই স্বাভাৱিক। এজনী অদৃষ্ট-দলিতা পবিত্ৰ নাৰীক এই খিনি সুবিচাৰ নিদিলে অন্ততঃ মোক পাপে চুব। সু-বিচাৰৰ পৰা বঞ্চিতা হৈ আজিৰ পৃথিৱী —অশান্ত। সুবিচাৰৰ অভাৱেই আন্দোলন বিপ্লৱৰ কাৰণ, যুদ্ধ বিগ্ৰহ আৰু শত্ৰুতাৰ মূল উৎস। ভাৰতবৰ্ষৰ স্বাধীনতা-সংগ্ৰামৰ মূল কাৰণো - বৃটিছ চৰ-কাৰৰ প্ৰথম অৱস্থাৰ এই সুবিচাৰৰ অভাৱেই। স্বাধীন হোৱা কালৰ আঞ্চলিক আৰু সামগ্ৰিক অশান্তি ক্ষোভ আৰু আন্দোলনৰ মূল, হেতুটোও এই চূড়ান্ত অবিচাৰৰেই ফলশ্ৰুতি। আপোনালোকৰ ভিতৰৰে মুষ্টিমেয় কেইজনমানে মোৰ প্ৰতি সম্পূৰ্ণ অবিচাৰ কৰা বুলি আপো-লোকেই মন্তব্য দিছে। 'মই নিৰ্দোষী' বুলি কোৱাতকৈ সুধীবৃন্দই মোক 'দোষৰ কোনো প্ৰশ্নই উঠিব নোৱাৰে' বুলি উদাত্ত সুৰে কোৱা কথাষাৰে হয়তো মোলে একণ শান্তি বহন কৰিছে। মই আজি বিজয়ৰ গৌৰৱ অথবা সেই নিশাৰ পবিত্ৰ পৰাজয়ৰ সংক্ৰামক গ্লানি --এইবোৰৰ এ'কাকেই অনুভৱ কৰা নাই। মই এটা ন্যায়ৰেই মূল্য দিছো —গাৰ্গী সেই নিশা অগ্নি পৰীক্ষাত উত্তীৰ্ণ হৈছে; মই সত্যৰ পূজা কৰিছো। মই ন্যায় আৰু অহিংসাৰ সাধনা কৰিছো। এই ব্ৰত দেশৰ, দহৰ, জাতিৰ মংগলৰ বাবে পালিত হৈছে।

মোৰ আত্ম-শ্লাঘা বা আত্মম্ভৰিতাৰ আজলমঠালি-জ্ঞানে কোনোৱে ইয়াত কৌতুক উপলব্ধি কৰিব পাৰে। হওক তেও; পৰোক্ষ ভাৱে মই তেওঁলোকক একণ আনন্দ দিছো বুলিহে ধাৰণা কৰিছো। সুখত আত্মহাৰা হলে, দুঃখত অধীৰ হৈ মুকলি পৰিলে মানুহে এই জগতত প্ৰতি পদক্ষেপতেই হয় উজুটি খাব, নহয় পিছলি পৰিব। —সন্ন্যাস ব্ৰতাচাৰীৰে এই কথা মনত ৰখা উচিত বুলি ভাবোঁ। গৃহাশ্ৰমতো গৃহস্থ সন্ন্যাসীৰ ই পালনীয়; বৰং গৃহীসন্ন্যাসী আৰু বেছি সতৰ্ক আৰু কৰ্মতৎপৰ হোৱা যুগুত। গৃহা-

প্রকৃত বিপদ-আপদ প্রবেশের সুযোগ অত্যধিক, সম্ভাবনা সতত আছে।

আপোনালোকক অনাহকত বহু আমনি দিলো,— ক্ষমা কৰে যেন। জীৱনটো এটা উত্তৰ-বিহীন নিমিলা অংক। বজাৰ অংকৰ উত্তৰৰ ঘৰো খালী --প্ৰজাৰো খালী। বজাৰ উত্তৰৰ খালী ঘৰটো বিশাল-বিস্তৃত, কাৰণ — ৰাজ-অংকও বিশাল, বিস্তৃত। প্ৰজাৰ অংকটো আপাত দৃষ্টিত ক্ষুদ্ৰ, কিন্তু ভিতৰি ভিতৰি ই অতি গভীৰ। ৰজোগুণৰ বশীভূত হৈ জয়লাভ কৰা প্ৰজাৰ সমস্যাটো মৌলিক —প্ৰাণ ধাৰণৰ সমস্যা জীয়াই থকাৰ সংসমস্যা, এসাজ ভাত এডুখৰি আঠুমূৰীয়া বস্ত্ৰ এটি উকথা পঁজাত সুৰ সোমাই থকাৰ সমস্যা। এইখিনি পালেই —একেবাৰে ভিতৰতেই কোনোবাই সমগ্ৰ পৃথিৱীতেই শান্তি স্থাপন কৰিব পৰিলে যি আনন্দ পাব পাৰে সেই খিনি আনন্দৰেই সিহঁতো অধিকাৰী হৈ যায়। কিন্তু এই অতি সৰল— অথচ চিৰ জটিল অংকৰ উত্তৰ সিহঁতৰ কোনোদিনেই নিমিলে — সমস্যাৰ সমাধানৰ ওঁঠ তাল সিহঁতে কেনোদিনেই বিচাৰি নাপায়। অৱশ্যে সহস্ৰজনৰ ভিতৰত কোনোবা এজনৰ ভাগ্য-দেৱী সুপ্ৰসন্ন হলে অৱস্থাৰ পৰিবৰ্তন হয়তো সম্ভৱ হৈ যায়। তাৰে ভিতৰত কিছুমানে কৰ্মোদ্যোগী হৈয়ো ভাগ্যদেৱীৰ সহায়ত আত্ম প্ৰতিষ্ঠা লাভ কৰে। ভাগ্যদেৱীৰ বিৰূপ প্ৰক্ৰিয়াত বুদ্ধি ভ্ৰষ্ট হৈ অথবা অদৃশ্য কোনো শক্তিৰ কটাক্ষত-ৰজায়ো তেওঁৰ বিশাল সাম্ৰাজ্য হেৰুৱায় আৰু তেনেদৰে পতিতৰ পালিও কোনোবাই মূৰ্খৰ পোচাক দলিয়াই দিয়ে। এই নীতিৰ প্ৰক্ৰিয়াতেই পৃথিৱীৰ বৃহৎ জাতি সমূহৰ পতন হৈ যায় আৰু ক্ষুদ্ৰ জাতিবোৰৰ উত্থানো সম্ভৱ হয়। সিহঁতে পোহৰ প্ৰত্যাশী হৈ সিংহ গৰ্জন কৰি মূৰ দাঙি উঠে। বৃহৎ জাতিবোৰৰ বহুতেই জহি খহি নিশ্চিহ্ন হৈ যায়। অতিচাৰেও সিহঁতক ধ্বংসৰ পথলৈ লৈ যায়

জাৰ্মেনী, ইটালী, ফ্ৰান্স, ইংলণ্ড আদি বৃহৎ জাতিবোৰো অতিচাৰৰ দোষত দূষিত হৈ ধ্বংস-মুখী হোৱাটোও অস্বীকাৰ কৰিব নোৱাৰি। ব্যক্তি, পৰিয়াল আৰু সমাজৰ ক্ষেত্ৰতো এই সত্য স্বীকাৰ্য্য। মোৰ অন্তৰাত্মাই কৈছে— মই আপোনালোকৰ মাজৰ পৰা বিদায় লোৱাৰ সময় হ'ল, নহলে মোৰ সান্নিধ্যত কষ্টতেই হয়তো অশান্তি পাব বুলি ধাৰণা কৰিছোঁ। অথবা মই মোৰ কাম শিথিল কৰিবই লাগিব। জ্ঞানানন্দ আশ্ৰম এৰি নিৰানন্দত মৰহি জহপৰি-যোৱা অথবা চিৰকাললৈ নিশ্চিহ্ন হৈ যোৱাৰ স্পৃহা মোৰ নাই। মোৰ কৰ্মনীতি বা গতিধাৰাহে কিছু পৃথক হ'ব। আপোনালোকৰ কোনোবাই যেতিয়াবা আন্তৰিকভাৱে আগ্ৰহ কৰি বিচাৰিলে—মই আপোনালোকৰ আজ্ঞা পালন কৰিম— নহলে সম্পূৰ্ণ নীৰৱেই থাকিম নীৰৱ কৰ্মই উৎকৃষ্ট কৰ্ম, নীৰৱ কৰ্মীয়েই প্ৰকৃত কৰ্মী। বিশ্বসৃষ্টিকৰ্তা নীৰৱ — বিধাতায়ো হয়তো অকৃত্ৰিম নীৰৱ কৰ্মীহে বিচাৰে। কাউৰীয়ে ৰেকৰেকাই হুলস্থুল কৰি খোৱা খিনি খাই ফুৰে, বান্দৰে অস্বাভাৱিক চিঞৰ-বাখৰ কৰি, লৰা ধপৰা কৰি জপিয়াই ফুল-ফল, গছ-গছনি ভাঙি-ছিঙি মহতিয়াই ভহিলং কৰে। সিহঁতে নিজৰো একো নকৰে, জগতৰো একো মংগল নকৰে— বৰং অনিষ্ট সাধনহে কৰে 'বানৰ'ৰ অপভ্ৰংশ 'নৰ' নে 'নৰ'ৰ অপভ্ৰংশ 'বানৰ'— কোৱা টান। দুয়োটাৰ ভিতৰত অধঃপতন আৰু বিকাশৰ সীমাৰেখাডাল বৰ সূক্ষ্ম। কিন্তু মৌ-মাখি, টোকোৰা চৰাই, ঘৰ-চিৰিকা আদি কৰ্মী, সিহঁতৰ গুঞ্জন আৰু ৰৱবোৰক সামবেদৰ সংগীতৰ স্বৰ ধ্বনিত পৰিণত কৰিহে কৰ্মব্যস্ত হয় সিহঁত। ক্ষুদ্ৰাদপি ক্ষুদ্ৰ শুভি পৰুৱায়ো নিজৰ বাসস্থান সাজি লয়, ভৱিষ্যৎ-সঞ্চয়ৰ আচনি কৰে নিজ জাতি, গোষ্ঠী আদিৰ বাবে প্ৰতিপক্ষৰ লগত তৰা-মৰা ৰণ দি নিজে মৃত্যু বৰণ কৰিও স্বজাতি-স্বধৰ্ম স্ব-স্থান ৰক্ষা কৰে। কিমান পাৰ্থক্য সিহঁতৰ ভিতৰতেই।

উপস্থিত সুধীবৃন্দৰ মাজৰ পৰা জগতানন্দই থিয় হৈ কলে 'স্বামীজি। বানৰক হনুমানৰ গোষ্ঠী বুলি কোৱা হয়। ভেঁড়ুলোক ৰামৰ অৰ্থাৎ বিষ্ণুৰ পৰম ভক্ত ভেঁড়ুলোককো এক প্ৰকাৰ ঘৰ বাৰীহীন সন্ন্যাসীৰ ত্যাগৰ মহিমাৰে সমুজ্জ্বল পৰিব্ৰাজক বুলিব নোৱাৰিনে, মানুহৰ স্বভাৱ স্বাৰ্থৰ বিপৰীতে ভেঁড়ুলোকৰ অন্ন বস্ত্ৰ, গৃহৰ বাবে হয়তো লালায়িতই নহয়'। শিৱানন্দ সন্ন্যাসীয়ে ঈষৎ হাঁহি এটি মাৰি উত্তৰ দিলে আমি সন্ন্যাসী কিন্তু আমি জানো কৰ্মহীন? ক্ষুদ্ৰতম হলেও আমি জানো দেশ মাতৃৰ প্ৰতি এইকণ কৰ্মৰ ব্ৰতী কৰি হাতসাবটি বহি আছোঁ? আমি মাত্ৰ আমাৰ ব্যক্তিগত কৰ্ম বা স্বাৰ্থকে বিসৰ্জন দিছোঁ? অসমৰ্থ সোৱোপা এলেহুৱা কাৰ্নীয় দুৰ্বলী আৰু নিষ্কৰ্মাৰ কৰ্মহীনতাক ত্যাগ নোবোলে। ভোগ কৰিব পৰা যি ক্ষমতা শক্তি বা স্পৃহা—তাক বিসৰ্জন দিব বা সংযত কৰিব পৰা অৱস্থাৰ সৃষ্টিটো বা শক্তিটোহে ত্যাগ যি ত্যাগত দেশ, দহৰ আৰু জাতিটোৰ সামগ্ৰিক মংগল সাধন হয়। তামোল নাৰিকল, খেজুৰ, চাও আদি গছৰ পাতত ওলোমাই বাহ বান্ধিবলৈ চোকোৰা চৰাইক কোন খনিকৰে শিকাইছিল—সেই অনাদি কালতেই? মৌ-মাখিক কোনে শিকাইছিল সেই অনাদি কালতেই? আচল কথা হ'ল সংসাৰত জীয়াই থকা দিন কেইটা কুৰুক্ষেত্ৰ, ধৰ্মক্ষেত্ৰৰ লেখীয়া ধৰ্ম যুদ্ধ কৰি জীয়াই থাকিব লাগিব—যাৰ নাম জীৱন সংগ্ৰাম, জীৱন যুদ্ধ। জগতত গতিটোৱেই যুদ্ধ, জগৎখন যুদ্ধক্ষেত্ৰ, গতিটোৱেই জীৱন যুদ্ধ। জগত আৰু জীৱনৰ জড়তা মানেই ধ্বংস প্ৰলয় আৰু কৰ্মহীনতাত শৰণ। জড়ৰো প্ৰকৃতাৰ্থত জন্ম মৃত্যু ব্যক্তিত্ব—একো নাই। জীয়া শিল, মৰা শিলৰ পাৰ্থক্যটো— ভূতত্ত্ববিদৰ ভৌতিক বিদ্যাৰ প্ৰভাৱ বুলিহে কব পাৰি, তাৰ আধ্যাত্মিক-মূল্য শূন্য

মৃত্যুৰ অৰ্থ কি ? দুঃখ ক'ত –'অব্যক্তাদীনি ভূতানি ব্যক্ত মধ্যানি ভাৰত। 'অব্যক্তনিধনান্যেৱ তত্ৰকা পৰিদেৱনা'॥ জন্মৰ আগে-পিচে সকলোৰেই এটা বিৰাট শূন্য। শূন্যৰ মৃত্যুৰ অৰ্থ নাই –দুখো নাই—অ'ৰাহন বিসৰ্জনো নাই। জীৱনটোক এটা আবহাৱা বুলি কে'ৱাই যুগুত। হাৱা বলে কিন্তু কন্ত্ৰেক পিচতেই শাম কাটে। কোনো হাৱাই ধ্বংস বা সৃষ্টিৰ চিহ্ন কন্ত্ৰেকৰ বাবে এৰি যায়, পিচতেই শাম কাটে। কোনো হাৱাই একোৱেই এৰি নাযায় - পানীৰ বুৰ্বুৰণি পানীতেই মাৰ যোৱাৰ দৰেই .মহাশূন্যত জীৱন শ্বাস হেৰাই যায়—কাৰো চকুলোৰ বাবে সেই শ্বাসটো কণ্ডেকৰ বাবেও থমকি নৰয় উভতি ন চায়, ই আপোন গতিত আহে আকৌ আপোন গতিত গুচি যায়। মহাশূন্যত মিলি যোৱা সেই শ্বাসটো লৈয়েই জীৱাই থকাবোৰ জীয়াই থকাৰ অভিনয় কৰে, কিন্তু তে লোকে পাহৰি যায়— তেওঁতেই সুপ্ত হৈ থকা সেই প্ৰাণ প্ৰতিষ্ঠাপক, প্ৰাণহৰ্তা সুপ্ত শ্বাসটোক। পাহৰি যোৱাটোৱেই মানুহৰ স্বভাব—জীৱৰ স্বভাৱ। তাতেই নিস্ফল ক্ৰন্দন ধূমৰ সৃষ্টি। বিস্মৃতিটো হয়তো মহাকালৰেই মংগলময় ব্যৱস্থা বা নীতিয়েই বৈধব্যৰ দুঃসহ বেদনা, পুত্ৰ শোকৰ অন্তৰ পুৰি-দেই ভস্মীভূত কৰা মনস্তাপ, বিশ্বাস ঘাতিনী নাৰীৰ স্বামীৰ অব্যক্ত বেদনা, স্বামীৰ মনৰ মতন স্ত্ৰী বিয়োগ, এই সকলো বোৰেই এদিন পাহৰণিৰ গৰ্ভত—সমাধিস্থ হৈ যায়। দুঃখিতৰ অন্তৰত পুনৰ প্ৰাণপ্ৰতিষ্ঠা হয়। পুনঃ প্ৰতিষ্ঠিত অৱস্থাত মানুহে সুখো পাহৰি যায়—দুঃখো পাহৰি যায়। জীৱনে ভাৰসাম্য ৰক্ষা কৰিবলৈ চেষ্টা কৰে। বিশ্বৰ অনন্ত স্ফূৰ্তিত মানৱ-জীৱন-ৰূপ ভুৰুঙা নাওখনি এইদৰেই ক্ৰমে ক্ৰমে, উটি যায়- ভাহি যায়—অনন্তৰ উদ্দেশ্যে লীনহৈ যায়—নীল অসীমত।

হঠাৎ শিবানন্দ নীরব হ'য়ে গেল। মুখমণ্ডলের পরে ক্রমে ক্ষীণ, স্তিমিত ধ্বনি এটি ওলাই আছিল অ ˙ন স্তু।' মৌনী হৈয়েই ওপরে হ'ত তুলি অনন্তের উদ্দেশ্যেই সন্ন্যাসী শিবানন্দই এটি নমস্কার জনালে। অস্ফুট কণ্ঠস্বরে স্বতঃস্ফূর্ত ভাবে নিগরি ওপারে'প ধরিলে—

'তুমি চিত্তবৃত্তি মোর প্রবর্তক নারায়ণ
তু'মি নাথ মই নাথবস্তু।
চরণ-ছত্রের ছায়া দিবা দূর করা মাবা
ভক্তেঁ। কেন দেব ভগবন্ত।।' সন্ন্যাসী চিত্তর এয়া যেন

পূর্ণ আত্মাসমর্পণ। বিশ্বর মংগলর বাবে 'প্রণব' অনুরণিত হ'ল 'প্রণবোধনুঃ শরোহ্যাত্মাব্রহ্মতল্লক্ষ মুচ্যতে। অপ্রমত্তেন বেদ্ধব্যং শরবত্তন্ময়ো ভবেৎ।।' প্রণব রূপী ধনুত জীবাত্মা স্বরূপ বাণ প্রতিষ্ঠা করি পরমাত্মাক উদ্দেশি তন্ময় ভাবে লক্ষ্য স্থির করিব পারিলে বিশ্ববাসীর মংগল অনিবার্য।' ওঁ তৎসৎ শিবোহং 'সোহহং'। কালকো দৃষ্টি নিক্ষেপ নকরি মন্ত্রমুগ্ধর দরে মগ্ন চিত্তে'হ স্বামী শিবানন্দই সভাকক্ষ ত্যাগ করিলে। এয়া যেন ভীষ্মর শরশয্যা জীবন প্রভাবতর এক করুণ কাহিনী।

পর্ব ঃ পৌরুষ ??

কর্ম আরু অৱসৰ যেন দুটি যমজ ভ্রাতৃ। একমুহূৰ্তৰ ব্যৱধানৰ জেষ্ঠ কনিষ্ঠ, সম্পূৰ্ণ বিপৰীত যেন লাগিলেও ই প্রকৃততে তেনে নহয়। মৃত্যুৰ প্ৰাকমুহূৰ্ততো মনৰ কোনো অৱসৰ আছে, নিৰ্বাপিত হবলৈ অগ্রসৰ হোৱা দীপশিখা ভমক কৰে এবাৰ জলি উঠাৰ দৰে মোৰ মন আকৌ এবাৰ পিচ হেঁচোকা মাৰিলে। মোক কিবা অবুজ অদৃশ্য ভাবে চঞ্চল কৰি তুলিলে- এইযে ৰচিলো গান সকলো মিছাই, বীণত আপোন সুৰ বাজি উঠা নাই' এনে এটি অস্বাভাৱিক ভাবেও মাজে সময়ে ভুমুকি মাৰা যেন মোৰ অনুভূতি হবলৈ ধৰিলে। মই যেন স্বৰ্গৰ পৰা পৃথিৱীৰ আবৰ্জনাৰ মাজত অধঃপতিতহৈ পৰো। অমৃতৰ ভাণ্ড নিজহাতেৰে ঠেলি থৈ গাত বোকা সানি লোৱাৰ প্ৰবৃত্তি বা প্ৰৱণতা কৰিছো। হওক তেনে। মইতো এই পৃথিৱীৰ মাটিৰেই মানুহ—দেশৰ মাটিৰেই গঢ়া মোৰ দেহমন। পৃথিৱীত থাকি—পৃথিৱীৰ মাটিৰ গোন্ধ মাটিৰ মোহ বিস্মৃতহৈ যোৱাটোও এটা বিৰাট অস্বাভাৱিকতা।

চণ্ডীদাস, 'ৰামীৰ' প্রেমিকনে 'ৰাম ৰ সাধকভক্ত? ৰামীতেই জানো চণ্ডীদাসে-ত্ৰিসন্ধ্যা, বেদ-মাতা গায়ত্ৰী, পিতৃ-মাতৃ আদিক দৰ্শন কৰা নাছিল? তাত জানো যৌন কীটৰ গোপন দংশনৰ জ্বালা অনুভূত হৈছিল? —কুলীন ব্ৰাহ্মণ, বিদ্বান, কবি চণ্ডীদাসৰ আত্মা অপাৰ সিন্ধু এবি বিকৃত ৰূপ সৰসিত জানো আকণ্ঠ মগ্ন হৈ পৈছিল? বিজুলীৰ চিকমিকনি চক্ষুৰ তৃপ্তি-দায়ক, সুন্দৰ আৰু

ক্ষেত্ৰ বিশেষে মংগলকাৰী হলেও ই দুঃখ-দায়ক আৰু কালান্তৰো হব পাৰে। বিদগ্ধ কবি আৰু ভক্তজনে জানো এই কথা বিস্মৃত হৈ গৈছিল। ডান্টে জানো বিয়েত্ৰীছতেই বিশ্ব-ব্ৰহ্মাণ্ডৰ কৰ্ত্তাজনক দৰ্শন কৰি তাতেই লানহে যোৱা নাছিল। কবি ওৱার্ডচ্‌ওৱার্থে জানো হাইলেণ্ডৰ যুৱতী দাৰনী জনীৰ যি কোনো সম্বন্ধৰ যোগেদি সান্নিধ্য বিচৰা নাছিল? মানৱজীৱনত নাৰী জানো সৰ্বোত্তম কষ্টি পাথৰ নহয়?'

স্বামী শিৱানন্দৰ আশ্ৰম ইতিমধ্যে এখন সৰু সুৰা বিশ্ব-বিদ্যালয়ত পূৰ্ণাংগৰূপেই পৰিণত হৈ গৈছে। শিৱানন্দ অবিহনেও এতিয়া আৰু আশ্ৰমৰ কোনো বিষয়তেই ত্ৰুটী বিচ্যুতিৰ সম্ভাৱনা নাই, উচ্চ শিক্ষিত আৰু বিদগ্ধ পণ্ডিত মণ্ডলীৰ দ্বাৰা সকলো বিষয়কেই সুচাৰুৰূপে তদাৰক কৰা হয়। দেশ বিদেশৰো বাণী সাধক আকৰ্ষিত নোহোৱাকৈ থকা নাই। শিৱানন্দৰ পৰম তৃপ্তি এই খিনিতেই - যে অসমীয়া ভাষা সাহিত্য-সংস্কৃতি আদিৰ এটা দেশজোৰা বাতাবৰণ খ্যাতি, উৎকৰ্ষ বিকাশ আৰু প্ৰচাৰ সাধিত হৈছে। শিৱানন্দই উপলব্ধি কৰিলে — বঙভূমিৰ এচুকৰ এটি পৰ্ণ কুটীৰত এয়া তেওঁৰ থকুক — হয়তো বা অনন্ত - বিশ্ৰাম বিৰতি অথবা অৱসৰ, ই যেন তেওঁৰ শূন্য মন্দিৰত — আত্ম বিনোদন।

শূন্য ঘৰৰ অনন্ত অৱসৰে শিৱানন্দৰ জীৱনলৈ আনি দিলে— বন্ধন-মুক্ত অসংখ্য মনৰ সুৰুঙা। সুবংগাভ্যন্তৰৰ ধূসৰ আন্ধাৰ পোহৰৰ মাজত ডুবগৈ অতীতৰ স্মৃতিৰোমন্থন কৰিবলৈ ধৰিলে— সন্ন্যাসী শিৱানন্দই। মাজে মাজে তেওঁ কঁৰবাত হেৰাই যাব ধৰিলে কিন্তু লগে লগে তেওঁ তেওঁৰ ত্যাগী-সন্ন্যাসী সত্তাটোক বিচাৰিও হাবাথুৰি খাই ফুৰিব ধৰিলে। তেওঁৰ অন্তৰাত্মা হাহাকাৰ কৰি উঠিল —'মই এটি জীৱাশ্ম হৈ গলো নেকি?

আশ্ৰমত এটি নতুন পৰিয়ালৰ আগমন ঘটিল। পৰিয়ালটো পৰম সুখী যেন লাগিল। যিমানেই অপূৰ্ব সুন্দৰী তেওঁৰ সহধৰ্মিণী, —সিমানেই কুৎসিৎ, কদাকাৰ, কৃষ্ণকায়, প্ৰেতমূৰ্তি সদৃশ তেওঁৰ স্বামী। পুৰুষজনৰ কণ্ঠস্বৰটোও কাউৰীৰ মাতৰ দৰেই কৰ্কশ—বা শিলগুটি পাৰি দিয়া আলিবাটৰ ওপৰত লোহাৰ বেৰিয়া লগোৱা গৰু গাড়ীৰ চকাৰহে ঘৰ্ষণ আৰু ঘৰ-ঘৰণি। শিক্ষা-দীক্ষাও অনুৰূপ ধৰণৰ হব যেনেই লাগে।

আনহাতে তেওঁৰ সহধৰ্মিণী যথেষ্ট শিক্ষিতা হোৱাৰ উপৰিও অতি লাৱণ্যময়ী, ৰূপহী আৰু আশাতীত ভাৱেই বিনম্ৰা। তেওঁৰ কথ বাৰ্তাত এটা মোহিনী শক্তি থকাৰ উমান পোৱা যায়। কি বিচিত্ৰ সংযোগ! অথেল' আৰু ডেচডেমোনাৰ কথা মনলৈ আহিল এই গৰাকী সহধৰ্মণীও স্বামীকলৈও পৰম সুখিনী নাৰী যেন লাগিল। তেওঁ শিৱানন্দৰ চৰণত পৰি সশ্ৰদ্ধ প্ৰণিপাত জনালে। শিৱানন্দৰ আপত্তিৰ বিপৰীতেও মহিলা গৰাকীয়েও মাটিতেই উপ-বেশন কৰি হাত জোৰ কৰি কলে — 'প্ৰভু! আমাৰ দৰে অদৃষ্টৰ দলি-চপৰা'বোৰে পূৰ্বৰ আবৰ্জনাময় অৱস্থাৰ পদভূমি বা পটভূমিৰ কথা বিস্মৃত হৈ যোৱা বা অসত্যৰ চাকনীৰে ঢাকি ৰাখিবলৈ চেষ্টা কৰাটো অকল ই লাজৰ কথাই নহয় ই নীচতাৰ প্ৰতীক হোৱাৰ উপৰিও এটা মহাপাপো। এই পাপবোধ আমাৰ থকা উচিত।

স্বৰ্গ এৰি নীলকণ্ঠ মহাদেৱ কোন গ্ৰহান্তৰত আত্মগোপন কৰি থাকিব পাৰে? কোন অধম নৰ মৰিচে তেওঁক চিনি নোপোৱাকৈ জীয়াই থাকিব পাৰে? তেওঁ যতেই থাকে — তাতেই পৰশমণিৰ পোহৰ বিয়াত কৰে — সেই দিব্যজ্যোতিয়েই তেওঁৰ স্বৰূপ প্ৰকাশ।

প্ৰভুৰ ওচৰত এটি সশ্ৰদ্ধ-সবিনয় নিবেদন আছে —অন্ততঃ মোৰ এটি সন্তানৰ বাবে প্ৰভুৰ আশ্ৰমৰ জ্ঞান-মন্দিৰত জ্ঞান লাভৰ আদেশ আৰু শুভাশীষ দিব লাগে। আমাৰ এওঁ অৱশ্যে এই

বোধৰ এক প্ৰকাৰ বিৰোধীয়েই। তেওঁ সদায় কয় —এজন লক্ষ্মী পুত্ৰই সহস্ৰ সৰস্বতী পুত্ৰক ৰক্ষা কৰিব পাৰে। গতিকে লক্ষ্মীৰ হাতৰ পকা ধন ভাণ্ডাৰটো আদায় কৰাটোহে আচল কথা। ধনৰ ভৰৰ পৰা লক্ষ্মীৰ কাষ-শক্তিৰ তলৰ বিষয়টোক সকাহ দিয়াহে আচল কথা।' সহধৰ্মিণীৰ এই কথাই তেওঁৰ স্বামীজনক একপ্ৰকাৰ উৎ-ফুল্লিত কৰিহে তুলিলে। তেওঁৰ দেখাক দেখি লঠা সেৱা এটা জনালে সেৱাটোত যেন নতুন ধনীৰ কিন্তাহি আৰু গৰ্ব-গৌৰৱ পূৰ্ণ প্ৰদৰ্শন নিহিত আছে।

শিৱানন্দ দুই প্ৰকাৰে চমৎকৃত হ'ল এই যেন শিক্ষিতা—ৰক্ত মাংসৰে গঢ়া প্ৰতিমা সদৃশ মোহময়ী ৰমণীগৰাকীয়ে এই কুৎসিৎ, কদাকাৰ, মূৰ্খ পুৰুষটোৰ সহধৰ্মিণী হোৱাৰ তাৎপৰ্য কি বাৰু? গ্ৰহ সংযোগ, ললাট লিপি, প্ৰেম, অৰ্থ নে অসমীয়া বিবাহযোগ্যা নাৰীৰ ভৱিতব্যমক সাগ্ৰহে, সানন্দে গ্ৰহণ কৰা চৰিত্ৰৰ ঐতিহ্যময় বৈশিষ্ট।

দ্বিতীয়তে, এই ৰমণীগৰাকী সম্পূৰ্ণ সুখী হোৱাৰ মূল তাৎপৰ্য কি? এই পুৰুষজনত তেওঁ কি দেখিছে—কি পাইছে বাৰু? স্ত্ৰী-চৰিত্ৰ পুৰুষ ভাগ্য সঁচাকৈয়েই জটিল সাঁথৰৰ দৰে অতি দুৰ্বোধ্য।

দম্পতী যুগলে যেনো শুনিছিল— বৃন্দাবনৰ প্ৰান্তভাগত অসমীয়া মানুহৰ এখন সুবৃহৎ আশ্ৰম আছে। তাৰ স্বামীজীক যেনো বহুতেই চিনিও পাইছে। সেই হেতুকে স্বামীজীক দৰ্শন কৰাৰ অৰ্থে তেওঁলোকৰ প্ৰবল আগ্ৰহ হৈছে যেনো। বিশেষকৈ মহিলা গৰাকী স্বামীজীক দৰ্শন কৰাৰ বাবে বৰ ব্যগ্ৰ হৈ পৰিছে। ভৱিষ্যতে অন্ততঃ এটি সন্তানক হয়তো প্ৰকৃত দেশসেৱক কৰাৰ আকাংক্ষা আছে।

হঠাৎ পুৰুষজনে কিঞ্চিৎ সভয়ে সুধিলে স্বামীজীয়ে যদি দোষ নধৰি অভয় দিয়ে, তেনেহলে এটা কথা সুধিবৰ বৰ আগ্ৰহ হৈছে—

স্বামীজীৰ পৰিচয়টো জানিব পাৰিলে বৰ আনন্দ পালোঁহেঁতেন প্ৰভুৰ নাম জানো নে '– 'ওহো আৰু আগ নাবাঢ়িব, পৰিচয় নাম-ধাম আদি এৰা কথাকেই বুজুৱিব। বৰং আপোনাৰ পৰিচয় নাপালে মই বুজিছো—আপুনি গাঁৱৰ মানুহ আৰু। আপোনাৰ পৰিচয়টোকে মই জানিব বিচাৰিছো।' শিৱানন্দই সামান্য ঔৎসুক্য দেখুৱাই কথাষাৰ সুধিলে। 'মোৰ নাম হেন কলিতা, দেউতাৰ নাম ৺ভোগাধৰ কলিতা। গাঁৱত দোকান আছিল এতিয়াও আছে। গুৱাহাটীতো মোৰ বৃহৎ সদাগৰী দোকান আছে। গাঁৱত পিতৃৰ ঘৰ মাটি বাৰী আদি বহুতেই সম্পত্তি কৰিছোঁ। মোৰ পৰিবাৰ ধনী ঘৰৰ ছোৱালী আৰু পৰিয়ালটোত একমাত্ৰ শিক্ষিত ছোৱালী। ভাবিলোঁ— দুয়ো ভাৰত ভ্ৰমণ কৰি আহোঁ। আপোনাৰ কথা শুনি শুনি আপোনাক দৰ্শন কৰিবলৈ আমাৰ এওঁ বৰ ব্যাকুল হৈ পৰিছিল।

দুই এজন অসমীয়া মানুহৰ মুখে শুনিলোঁ সম্ভৱ আপোনাৰেই এজন বৰ শিক্ষিত লৰাও হেনো ইয়াতেই ব্ৰহ্মবাত আছে।' আগন্তুকৰ কথা শুনি শিৱানন্দ উচপ খাই উঠিল—'মোৰ লৰা? ইয়াত?' শিৱানন্দ বিস্ময়ত অবাক হৈ গল। কেনেকৈ হলে কি মোৰ পৰা দূৰে দূৰে থাকি, মোৰ আধৰুৱা কৰ্ম আৰু আদৰ্শ স্বেচ্ছা-প্ৰণোদিত হৈ প্ৰচাৰ কৰি তাৰ গুৰু দায়িত্ব কান্ধ পাতি লোৱা অমৰ নামৰ সেই যুৱকজন? কিন্তু তাৰ নামটো অমৰ নহয় —'অম·হে। সি কিয় এইখিনি পালেহি, ঘৰখনৰনো কি হ'ল? এৰাধাৰী—কিম্বা শ্মশানত পৰিণত হৈ যোৱা নাইতো? মোৰ প্ৰাণাধিকা ব ব কি হ'ল কলৈ গ'ল? হে প্ৰভু ভোলানাথ। এই নিঃকীনৰ সংসাৰখন সম্পূৰ্ণ অসাৰ হৈ গ'ল নেকি? আজন্ম দুঃখ আৰু পৰীক্ষাই কি মোৰ হতভগীয়া জীৱনৰ একমাত্ৰ পাথেয়, —সম্বল? তেজ মঙহৰ মানুহৰ দূৰৰ কথা—একমাত্ৰ মৃত্যুত ব্যতিৰেকে অমৰ দেৱতাবো

ধৈৰ্য্যৰ এটা নিৰ্দিষ্ট সীমা আছে। সীমাৰ সিপাৰেই মহাপ্ৰলয়, বিভ্ৰাট, বিস্ফোৰণ। মোক সি সম্পূৰ্ণ চিনি পাইছে নেকি? নহলে এইদৰে আঁতৰে আঁতৰে ফুৰিব কিয় সি? মোক দেখা নিদিয়াৰ কাৰণ কি হব পাৰে — খং, অভিমান, বেদনা, ঔদাস্য?

গাৰ্গীৰ বিষয়ে বা কি ধাৰণা লৈছে সি? কিন্তু শুনিছো — সি হেনো গাৰ্গীক মাতৃত্বৰ মৰ্যাদা দিছে, তেনেহলে মোৰ দৰে সিও কি গাৰ্গীৰ ভিতৰৰ সৰ্বত্যাগিনী সন্ন্যাসিনী, সাধিকা, বিদুষী দেশ-প্ৰেমিকাজনীক চিনি পাইছে নেকি? তাৰ দেহৰ ধমনীত মোৰ ৰক্ত প্ৰবাহিত হোৱাৰ ইঙ্গিত ইংগিত নেকি? তেনেহলে সি তাৰ হতভাগ্য পিতৃক ভুল বুজা নাইছে, ?' এনে এশ এবুৰি ভাষাহীন প্ৰশ্নই শিৱানন্দ সন্ন্যাসীক চাৰিওপাশৰ পৰা জুমুৰি দি ধৰিলেহি। ভাব-সাগৰত সম্পূৰ্ণ মগ্ন হৈ থকা দেখি, স্বামী শিৱানন্দক প্ৰণিপাত জনাই হেম মহাজন দম্পতী পুনৰ আশ্ৰমলৈ অচিৰেই আহিব বুলি কৈ সিদিনাৰ বাবে বিদায় লৈছিল। বিদায় সম্ভাষণত শিৱানন্দৰ মন সামান্য দোল খাই পৰি পুনৰ হেম মহাজনৰ পূৰ্ব প্ৰসংগলৈ উভতি আহিল।

'হেম মহাজনৰ পিতৃ নিশ্চয় সেই ভাগ্যধৰ — যি এদিন দুৰ্ভাগ্যৰ সম্পূৰ্ণ অৱতাৰ আছিল। তিনি-চাৰি সাজ বা দুই তিনি দিনৰ মুৰতো এসাজ নিমখ ভাত পেট পুৰাই খাবলৈ নাপাইছিল সিহঁত-বোৰে। পাঁচ-ছয়টা লৰা ছোৱালীৰ নামত কেইটামান অস্থি-চৰ্ম-সাৰ কদৰ্য নৰকংকাল। নাসিকাৰন্ধ্ৰৰ পৰা বৈ পৰা সেঙুনবোৰ ওপৰ ওঠৰ প্ৰান্ত ভাগত কঢাল বান্ধি থাকে। উপৰ্যুপৰি প্ৰবাহিত নৰধাৰাৰ ধাম-ধুমীয়াত অযাচিত পদাৰ্থবোৰ মুখগহ্বৰতো প্ৰৱেশ কৰে। সিহঁতে কটু-তিক্ত অম্ল-কষায় আদি, ষড়ৰসৰ স্বাদৰ কোনো পাৰ্থক্য অনুভৱ কৰিব নোৱাৰে। ভাগ্যধৰৰ বংশধৰ কেইজনৰো ষড়ৰসৰ ৰসবোৰ এক ৰসত পৰিণত হৈ গৈছে— সেই ৰস সৰ্বগ্ৰাসী

ক্ষুধাৰ জ্বালা-নিবাৰণী অমৃত ৰস। সেই ৰসৰ স্বাদ অফুৰন্ত— অনন্ত, কিন্তু ৰস গ্ৰহণকাৰীৰ উদৰাগ্নি কোনো দিনেই নিৰ্বাপিত নহয়। এই উদৰাগ্নি প্ৰায় সদায় উপবাসী হৈয়েই বৰ্তে। ফল-শ্ৰুতি স্বৰূপে এই উদৰাগ্নিয়ে দেহ-পঞ্জৰ কেইটাকেই জীৱন্ত অৱস্থাতেই কীটানুবিদ্ধ কৰি জৰাজীৰ্ণ কৰি পেলায়। কংকালসাৰ দেহ কেইটা হৈ, জীয়াই থকাৰ বাবে আপ্ৰাণ সংগ্ৰাম কৰি, নিশ্বাস প্ৰশ্বাসখিনি কোনোমতে সিহঁতে অব্যাহত ৰাখে। শ্বাস-প্ৰশ্বাস কেইটাই সিহঁতৰ জীয়াই থকাৰ চিন। লেলেটীয়া জীৱন হেনো আয়ুস বেছি। জীৱনৰ অসংখ্য উত্থান-পতনৰ ক্ষেত্ৰত সমতা ৰক্ষা কৰিব পৰা শক্তিটো সিহঁতৰ ক্ষেত্ৰত অধিক প্ৰবল। সিহঁতে খোজ-টো দিলেই যিকোনো এখন সংগ্ৰামৰ সন্মুখীন হয়। সিহঁতে সংগ্ৰাম কৰিয়েই জীয়াই থাকিবলৈ চেষ্টা কৰে। সিহঁতৰ সংগ্ৰামৰ দাবী কেইটা হ'ল —কণ্ঠাগত প্ৰাণটোৰ বাবে এমুঠি অন্ন, গুপ্তাংগ প্ৰকাশ-জনিত লজ্জা নিবাৰণৰ বাবে তিনি হাত দীঘল আৰু এহাত পুতলৰ এডুখৰি বস্ত্ৰ জীৰ্ণই হওঁক বা মলিয়নেই হওঁক। ব'দ বতাহ ৰবমুণৰ পৰা দেহটোক ৰক্ষা কৰিবলৈ অথবা মূৰটো গুজিবলৈ আৰু নিশাৰ অন্ধকাৰত কোনোমতে চকুৰ টিপটো মাৰিবলৈ এটি পৰ্ণ কুটীৰ বা চালি এখনি। এই শ্ৰেণী মানুহৰ বাবে ইয়াতকৈ ডাঙৰ দাবী কৰাৰ অধিকাৰ থাকক বা নাথাকক — অৰ্থই হয়তো নাই। কিয়নো মানৱ সমাজ ব্যৱস্থাই তাক কোনো দিনেই স্বীকৃতি দিয়া নাই। অৱশ্যে দুৰ্ভোগকাৰীও কৰ্মদোষ মুক্ত নহয় যেন লাগে। আহাৰৰ স্থূল পৰিমাণটোৰ দৰে জন সংখ্যাৰ অংকটোও সিহঁতৰেই মাত্ৰাধিক হয়। বেঙৰ লালুকী এডোঙা জন্ম দিয়েই যেন সিহঁতে অমৰত্ব বা অমৃতৰ পুত্ৰৰ প্ৰমাণ দিব বিচাৰে।

ভাগ্যধৰৰ আমি গুৰু —সিহঁত আমাৰ শিষ্য। মই সেই সময়ত গুৱাহাটীৰ কলেজত পঢ়ি আছিলো। কিবা

এটা অলপ দীঘলীয়া বন্ধত মই মোৰ ব্যাসপুৰ গাঁৱৰ ঘৰলৈ আহিলোঁ। সৰ্বজন পূজ্য মোৰ— বিখ্যাত পিতৃদেৱ তেতিয়া ইহ সংসাৰত নাই। অজস্ৰ জমিদাৰী সা সম্পত্তি 'হা' কৰি মুখ মেলি পৰি আছে —চলাই-কৰি খাওঁতা নাই, আধি চুকনিৰ নামত বাৰে থহুৱাই মাটি বাৰী আদি সকলো সম্পত্তি চাঁহি-মহি লৈছে, ডাকিনী যুগিনী প্ৰেতাত্মাৰ দৰে তাৰ নাভী ভুঁক পৰ্যন্ত চাঁহি-চুঁহি খাইছে। শিশু ভাই ভনী দুটাক লৈ অকাল বৈধব্যৰ গণ্ড'স্থাপৰি বি'স্ফাট কম'ৰ দৰে নিদাৰুণ যন্ত্ৰণা কৱলিত হৈছে—আযৌৱন দুখিনী মা। মাৰ ওচৰত লৈ মই থিয় হ'লে মাই যেন হাতেৰে স্বৰ্গ ঢুকি পায়, মাৰ চৰণত মই লৈ সেৱা এটি জনাবলৈ পালে —মই অনুভৱ কৰোঁ —সপ্ততীৰ্থত অৱগাহনৰ পিচত স শৰীৰে স্বৰ্গ গমনৰ আনন্দ। মই মাৰ ওচৰত থিয় হোৱাৰ লগে লগেই — মাই জীৱনৰ সকলো দৈন্য যেন বিস্মৃত হ'ল। মাৰ মুখত দেখিলোঁ— মেঘৰ মাজৰ পৰা আত্ম-প্ৰকাশ কৰি ভুমুকি মৰা আকাশৰ সংগীহাৰা অকলশৰীয়া সেই তৰাটিৰ এচেৰেঙা হাঁহি। ওচৰ চুবুৰীয়া শিক্ষিত অশিক্ষিত সকলোৱে মোৰ ওচৰত ভিৰ কৰি ৰহিল।

গাঁৱৰ ঘৰৰ চোতালত দুই-চাৰিজন শিক্ষিতৰ লগত উচ্চ-পৰ্যায়ৰ আলোচনা-বিলোচনাৰ সামগ্ৰিক প্ৰসংগ আৰম্ভ হ'ল। ওচৰ পাঁজৰৰ বিদ্বান কেইবাজনো তাতে সমবেত হ'লহি। 'সৰ্বজন-পূজ্য গুৰু আৰু প্ৰখ্যাত ব্যক্তিজনৰ সুপুত্ৰ কলেজৰ বন্ধত ঘৰলৈ আহিছে। তীক্ষ্ণ মেধাবী লৰা। সুন্দৰ আলোচনাই হ'ব এই কেইদিন।' বহুতেই মন্তব্য কৰিলে। আনন্দ-উদ্দীপনাৰেই বন্ধৰ দিন কেইটা অতিবাহিত হ'ব বুলি মই উৎফুল্লিত হৈ পৰিলোঁ। কেম মহাজন দম্পতীৰ বিদায়ৰ পাচত জীৱানন্দ সন্যাসীৰ প্ৰশ্নৰ উত্তৰ দি মই তেওঁক কৈ গলোঁ আৰু লিপিবদ্ধও কৰিলোঁ। কোৱা কথাৰ উপৰিও বহুকথাকেই মাত্ৰ মনতেই পাগুলিয়াই থাকোঁ।

পিচদিনা ৰাতিপুৱাই মাই মোক কলে— 'বাপা, আমাৰ প্ৰতি-বেশী শিষ্য, ভাগ্যধৰ টাইফয়েড-নিউম'নিয়াত আক্ৰান্ত হৈ নগুৰ-নাগতি হৈছে। চিকিৎসাবিহীন ডবল নিউম'নিয়াত ভোগা ডাল দৰিদ্ৰ ৰোগীজন মৰোঁ মৰোঁ হৈ চাৰি-পাঁচিতলেও খাই গৈছে। ৰোৱা-কালি আবেলি তই আহি পোৱাত ভাগৰে-যোগাৰে থকা বাবে কথা-টো তোক নকলো, তোৰ স্বভাৱ মই জানো। নিকটতম ভিকহু শিষ্যে (শিষ্য), মহাপ্ৰতাপী গুৰুৰ বংশৰ আশীৰ্বাদ বিচাৰে, মই জানো —তই যে কিবা অলপ নিশ্চয় কৰিবি। ওই আজিয়েই যা তালৈ।

আশৈশৱ পৰসেৱাত আনন্দ পোৱা মোৰ অন্তৰখন জাগ্ৰত হৈ উঠিল সেৱাৰ প্ৰবৃত্তিটো মুখৰ হৈ উঠিল। মই তেতিয়াই গৈ ভাগ্যধৰৰ স্বপ্ত-অন্ধকূপৰদুৱাৰ-ডলিত থিয় হলোঁ গৈ। পা.শ বেৰাৰ বিপৰীতে আঁৰি থোৱা পাৰ বাঁহাটোৰ ভিতৰত পাৰ চৰাইৰ 'বকু' 'বকু' শব্দ শুনা গ'ল সিহঁতৰ নতুন সংসাৰৰ আঁচনি —সিহঁতে আৰু সন্তান জন্ম দিব সংসাৰখন বঢ়াব — সিহঁতেও অমৃতৰ সন্তান বুলি প্ৰমাণ কৰিব বিচাৰে, সেইবাবেও সিহঁতেও এখন সংসাৰ পাতি আছে তাত। সিহঁতৰ সংসাৰ বেহা যে, মূলনাথী —এই বিষয় সিহঁত সম্পূৰ্ণ অজ্ঞ। সিহঁতৰ জন-সংযোগী-সংস বখনৰ জন-সংখ্যাই ভাৰতবৰ্ষৰ 'বাহাদুৰী (?) জন সংখ্যা'কো চেৰ পেলোৱাৰ নিশ্চিত কথাই আছিল। কিন্তু জীৱ শ্ৰেষ্ঠ জাতিটোৱে বিহংগ বংশধৰবোৰক বিক্ৰী কৰি মুনাফা-খোৰ হৈ পৰে —যিদৰে সাশনতন্ত্ৰৰ মহা-মূল্যবান ভোটৰ বাঁহটো ধুৰন্ধৰ ৰাজছত্ৰ ধাৰীৰ ৰাঘটকাত এক নিমিষতেই বিক্ৰী হৈ যায়। 'অৰ্থস্য দাসঃ পুৰুষো ' এজন ৰাজনীতিবিদ দেশপ্ৰেমিকে কৈছিল— 'টকাই ৰাজমাতৃংকা খৰিদ কৰে'। আনৰ খৰচত মুনফাখোৰ হোৱাটোৱেই জীৱশ্ৰেষ্ঠ জাতিটোৰ সমাজনীতি, ৰাজনীতি, কৰ্মপন্থা আৰু ধৰ্ম।

শেলুৱৈয়ে ধৰা চোতালখনত তিনিজনী হাঁহিনীয়ে এডাল বোন্দা কেঁচুলৈ টনাটনি কৰিছে ; ইজনীৰ মুখৰ পৰা সিজনীয়ে কাঢ়ি নিছে। মতা হাঁহ এটাই কেঁচুডাললৈ টনাটনি কৰা মাইকী হাঁহ তিনি জনীক সৃষ্টি কৰ্মৰ বাবে আহ্বান কৰি অত্যন্ত ব্যতিব্যস্ত কৰি তুলিছে। অৱশেষত তাৰ পুৰুষত্বৰেই জয় হ'ল, কিন্তু আনদুজনী হাঁহিনীৰ ঈৰ্ষাজন্মিল। লটি-ঘটি হোৱা মুখৰ কেঁচুডাল পেলাই থৈ এজনীয়ে মতাহাঁহটোক মুৰৰ পৰা আৰম্ভ কৰি শৰীৰৰ সকলো অংগতেই খুটিয়াবলৈ ধৰিলে। আন এজনীয়ে সেই ধৰ্ষিতা হাঁহিনী জনীকেই গৰামাৰি ধৰিলে গৈ—এটা দৃষ্টি-কটু অৱস্থাৰ সৃষ্টি হ'ল।

আহাৰ আৰু বিহাৰ প্ৰাণী জগতৰ মূল প্ৰবৃত্তি হলেও সময়ৰ এক শীৰ্ষ বিন্দুত যৌন জ্বালাটো উদৰাগ্নিৰ জ্বলাতকৈও অতি শক্তিশালীহৈ সক্ৰিয়হৈ পৰে। অতৃপ্ত যৌন-ক্ষুধিত জনেও নিষিদ্ধাচৰণ কৰিবলৈ কুণ্ঠিত নহয়। ক'লা-বগাৰ প্ৰশ্নও তল পৰি যায়।

চোতাল খনৰ অগ্নিকোণত কাণ ভঙা, মামৰে ধৰা লোহাৰ থালী এটা, তিনিটা মাটিৰ উধানৰ ওপৰত বুকুত, চানি যুক্ত বগাপানী আধাথালীলৈ 'হা' কৰি মুখ মেলি পৰি আছে। বহু দিন তাৰ ক্ষুধিত উদৰত আধা থালী হলেও ধান সিজোৱাৰ কোনো প্ৰমানেই নাই। সিজোৱা ধানৰ গৰ্ভৰ চাউলটোৰ অৱয়ৱ বৃদ্ধি পায়, ভাতৰ গোটটো, স্থুলাকাৰ হয়, পৰিমাণো বাঢ়ে, খোৱা কাহী ভাতেৰে ভৰ্তিহৈ যাবৰ উপক্ৰম হয়। সিইত পেটৰ ভিতৰত বহু সময় ধৰি অক্ষত-অৱস্থাৰে টিকি থাকে ক্ষুধাৰ জ্বালাটোৰ স্মৃতিলোপ কৰি বহু সময় তাক হেঁচি ধৰি থাকে। ই সময় বচায় সঞ্চয় কৰে। ক্ষুধাৰ অগ্নিয়ে আক্ৰমণ কৰিলেইতো লেঠা-বিপদ। তাক প্ৰবোধ

দিয়াৰ উপায় নাই, সি কোনো প্ৰকাৰেই ভুৰ্ভং নকৰে। তাৰ স্বভাৱৰ খানখুৰীয়াত নিৰ্ধাৰিত সময়ৰ বহু আগতেই এই কৃপান্তৰিত শিলগুটি বোকাবোৰকো উদৰাগ্নিৰ তাপে ভস্মীভূত কৰি পেলায়। মাজে মাজে-খোৱা অভ্যাসটোৰ আচনিখন এই উহা চাউলেৰে কাৰ্যকৰী কৰিবলৈও এই শ্ৰেণীটো অপাৰগ হৈ যায়। অনমনীয় উদৰাগ্নিয়ে বিদ্ৰোহ কৰিলে সংগ্ৰামত অৱতীৰ্ণ হ'বলৈ গামোচাখন কান্ধৰ পৰা অৱনমিত কৰি পেটটোৰ আয়তক্ষেত্ৰটো পৰিবৰ্তিত কৰি তাৰে বৃত্তাকাৰে আবৃত কৰি তাক চেপি ধৰে।

ভাগাধৰৰ চৰাবডলিত তিয় হৈ, খুড়াৰ অৱস্থাৰ কথা ভাবিও, খুড়া, ঘৰত আছেনে বুলি মাতিলো। এইটো এটা ঘৰৰ মানুহবোৰৰ ঘৰত থকাৰ উমান বা সঁহাৰি পাবলৈ ম'ভাৰ নিয়ম। ভাতৰ দুখীয়া হলেও মাত পানী, ভূল, খিয় হবলৈ অলপ ঠাইৰো দুখীয়া কোনো নহয়। নিমন্ত্ৰৰ প্ৰতি ব্যৱহৃত এই মাত আৰু বেছি মধুৰ।

মোৰ মাত শুনি ভাগ্য পত্নী লক্ষ্মী আথে-বেথে মুখৰ ওৰণী খন অলপ তললৈ টানি হাত মুচি মুচি মোৰ ওচৰ পালেহি কিয়নো মই উচ্চ সদ্বংশজাত গুৰু ঘৰৰ লৰা। মই লৰা মানুহ হলেও ওৰণীখনৰ ঈষৎ অৱনমিতাবস্থাই শিষ্য-পত্নীৰ শ্ৰদ্ধা-ভক্তিৰ কথাকেই স্পষ্টভাবে সূচাইছে। আঠু-কাঢি, মোৰ ভৰি চুই লক্ষ্মী খুড়ীয়ে মোক সেৱা এটা কৰিলে। 'হে হে। কি কৰা? তুমি মোৰ মাৰ বয়সীয়া।' মই ক্ষিপ্ৰ পদক্ষেপে তিনি খোজ পিচুৱাই পৰোঁ। মই প্ৰশ্ন কৰিলো- ভাগ্য খুড়াৰ বোলে জ্বৰ— এতিয়াও জ্বৰ আছেনেকি, চাওঁ—ক'ত আছে লক্ষ্মী খুড়ীয়ে বহু পুৰণি, পাতল, আদ খহুৰা লোটা এটাৰ প্ৰায় সম্পূৰ্ণ অংশ আগুৰি থকা নীলা সেউজীয়া খিনি চোতালৰ সেউজীয়া

বোকা আৰু নাৰিকলৰ জাৰবেৰে ঘঁহি ঘঁহি একবাৰলৈ অশেষ যন্ত্ৰণৰ হৈছে সম্ভৱ, সেইটো অমৃত মহাজনৰ ভাত বিক্ৰী কৰি সেই পইচাৰে কেইদাগমান ৰঙা মিক্সাৰ অনাৰ অভিপ্ৰায়।

মই যিটো কোঁঠালীত সোমালোঁ, তাত বাহিৰৰ দিনৰ প্ৰখৰ তাপ-পোহৰতো ৰাতিৰ ঘোৰ অন্ধকাৰে ভিতৰত ৰাজত্ব চলাই থাকে। ইটোৰ পৰা সিটো কোঁঠালীলৈ মাত্ৰ এখনি প্ৰৱেশ দ্বাৰ। খোটালীটোত কুন্ত্ৰাক্ষ এটিৰো নাম-গোন্ধ নাই। কক্ষটিৰ ঘোপমৰা আন্ধাৰ আৰু অসুখীয়াৰ গাত্ৰ বস্ত্ৰৰ বহুবোৰে পাৰস্পৰিক সম ঝোট। কাৰ মিলনৰেই বৰ্ণী আছে। কেঁকাই গেঁথাই বেমাৰীয়ে নিজে উমান নিদিলে ৰোগীৰ অস্তিত্ব আবিষ্কাৰ কৰাৰ কোনো উপায় নাই। সৌভাগ্যক্ৰমে আন্ধাৰৰ মাজৰ পৰা এটা অস্পষ্ট গেঙনি শুনা গ'ল। আন্ধাৰৰ আৱৰ্তৰ মাজেৰেই চৌ খেলি অহাতহে মোৰ সোঁহাত খনে শব্দভেদী বাণৰ দৰে এক স্পষ্ট ভাগ্যধৰক কোনোমতে স্পৰ্শ কৰিলেগৈ। মোৰ হাত খন প্ৰায় ঠিকে ঠাকে তেওঁৰ কপালতেই পতিত হ'লগৈ। তেওঁৰ মুখৰ পৰা ওলোৱা ক্ষীণ অস্পষ্ট ধ্বনি বোৰ দূৰণিৰ পৰা ভাহি অহা দুৰ্বোধ্য শব্দ মাত্ৰ যেন। খুপৰিটোত এটা আঁহীয়া গোন্ধৰ যেন চিৰস্থায়ী বন্দবস্তুৰ ভিত্তিত অবাধ ৰাজত্ব চলি থাকে। ঔষধ পাতি, পথ্য, পৰিচৰ্যা ডাক্তৰ আদিৰ কোনো নাম-গোন্ধেই নাই কোনো চিনচাবেই নাই। চাগু-বালি আদিবোৰ যেন দেৱবো দুষ্প্ৰাপ্য এনেকি কাগজি-নেমু এটাৰ চৰ্বত অলপৰো কোনো ব্যৱস্থাই নাই। আমাৰ ঘৰৰ ডালিম গছৰ পৰা দুটা পকা ডালিম, নেমু টেঙা কেইটামান, আধালেৰ মিচিৰি আৰু লৰা-ছোৱালী কেইটাৰ বাবে এচৰিয়া ভাত, ডাঙৰ গোবোং বাটিৰে এবাটি দালিৰ আঞ্জা আৰু কিছু তৰকাৰি দিদিনাৰ শেঙুণ ৰকা হেমৰ

হাতত মায়ে পঠিয়াই দিছে। সেই ভাত খাবলৈ লিইত মাটিৰ জেকা মজিয়াত গোন্দহ বহি গৈছে। ভাত-আঞ্জাবোৰ লিইতে গোগ্ৰাসে গিলিছে—পাৰিলে যেন দুই হাতেই খাব। বিজনৰ খোৱা হৈছে—সি হাতৰ তলুৱা আৰু আঙুলিৰ ফাঁকবোৰ চেলেকিছে—উঠি আহিবলৈ ইচ্ছা কৰা নাই, ভাগাত আছে যদি তাতৰ দাদা হেমই নিজৰ ভাগৰ পৰা আৰু এমুঠা শুদা ভাত হলেও দিবেই কিজানি। ক্ষুধাৰ্ত, আশাধাৰী জীৱবোৰ কেতিয়াবা বৰ স্বাৰ্থপৰ হবলৈ বিচাৰে। তাৰ প্ৰায় সমবয়সীয়া আৰু ভাতকৈ সৰুবোৰৰ পৰাতো সি সেই ওপৰঞ্চি বা উঞ্ছ-বৃত্তি-সম্ভূত অনুকম্পাখিনি আশা কৰিব নোৱাৰে।

মই লক্ষ্মী খুড়ীক অলপ টানকৈয়ে কলোঁ—'খুড়ী, বেমাৰী মানুহক এনেকৈ ৰাখিলে আয়ুস থাকিলেও মৰি যাব পাৰে। ডাক্তৰ-ঔষধ নাই বুজিলোঁ, কিন্তু শুশ্ৰূষাখিনিতো কৰিব পাৰা। টাইফয়েড, ডবল নিউম'নিয়াত শুশ্ৰূষাই সৰ্বপ্ৰধান চিকিৎসা। মই ডাক্তৰ আনিম, ঔষধো দি যাম। কিন্তু তাৰ আগতে তুমি—আছে যদি বাকচৰ পৰা দুই-এখন চাফা কাপোৰ উলিয়াই আনা—মই বেমাৰীৰ বিচনা ঠিক ঠাক কৰি পাৰি দি যাওঁ। ভাগোল গছৰ শুকান চকুৱা, জেংখৰিবোৰ অত তত পৰি আছে—একলহ পানী তপত কৰি দিয়া, মই কগীয়াৰ ভৰি-হাত ধুৱাই দিওঁ, গাটো 'স্পনজ' কৰি দিওঁ। মাই দি পঠিওৱা পুৰণি ঘিঁউখিনি মোক দিয়া। হেমক পঠিয়াই দি আকণৰ কেঁচা পাত কেইটামান আনোৱা, মই ৰোগীৰ বুকু-পিঠি সেকি দিওঁ; পিঠিৰ বাজ হাতত ঘাঁ হোৱাৰ উপক্ৰম হৈছে। ডালিম এটা আনা, মই ৰস উলিয়াই খুৱাই দিওঁ। চৰ্বত কৰিবলৈ নেমু টেঙা এটাও আনিবা—এঘন্টামানৰ মূৰে-মূৰে এই চৰ্বত আৰু গৰম কৰা ঠাণ্ডা পানী অলপ অলপ খুৱাই থাকিবা।

ভৰি হাত ধুওৱাকে আদি কৰি সমস্ত কাম মই নিজ হাতে সমাধা কৰিলোঁ — কোনো বাধা-নিষেধকেই মই নামানিলোঁ। সাক্ষাৎ গুৰুৰ হাতে এইবোৰ কৰোৱা ভাবি-লক্ষ্মী খুড়ীয়ে খেদ কৰি কলে— 'মই মহাপাপিনী — নৰকতো মোৰ স্থান নহ'ব। অমৃতৰ কম বেছি কি? পাপৰ সৰু-বৰ ক'ত!' ইতিমধ্যে সৰিয়হৰ তেলৰ চাকি এগছিয়ে কোঁঠালীটো কিছু পোহৰ কৰিছে হেমক পঠিয়াই মাৰ পৰা এপোৱামান মিঠাতেল অনাইছো। সেই পোহৰত দেখিলোঁ —খুড়ী মোৰ ভৰি পতাৰ ওচৰত বহি পৰিছে আৰু একাঁজলি সুগন্ধি নানা বৰণীয়া ফুল মোৰ ভৰি পতাত লাহে লাহে এৰি দি ভৰিৰ পতা দুখন তেওঁৰ কপালত মুঠি মাৰি ধৰিলে নি। চকুত বহি শুশ্ৰূষাৰত হৈ থকা অৱস্থাৰ পৰা মই উচপ খাই উঠি তৎক্ষণাৎ থিয় দিলোঁ। অনভ্যস্ত আন্ধাৰ ঘৰত ভৰিত শীতল ফুলৰ পৰশ লাগি প্ৰথমে মোৰ দীঘলীয়া বিধৰ ভয়টোহে মূৰ্ত হৈ উঠিছিল।

মই অলপ ধমকেৰেই কলোঁ —'খুড়ী মই আজিৰ পৰা আৰু নাহোঁ দেই, মইতো এইবোৰ কাম সদায় কৰিবলৈ নাহোঁ। তুমিয়েই কৰিব লাগিব —মই মাত্ৰ নিয়মটো দেখুৱাইহে দিছোঁ — ইয়াত তোমাৰ পাপ-তাপৰ কথা কি আছে? কামবোৰ নিয়াৰিকৈ কৰিবা কিন্তু।

ৰণ আৰু কঠোৰ পৰিশ্ৰমৰ অন্তত স্নান কৰি স্বস্তিৰ দীৰ্ঘ নিশ্বাস পেলোৱা শ্ৰান্ত-ক্লান্ত বণুৱা-বনুৱাৰ দৰে বেমাৰীয়ে আৰাম সূচক দীৰ্ঘ নিশ্বাসবোৰ এৰিব ধৰিলে। ভাগ্য-পত্নী লক্ষ্মী খুড়ীৰ চকুৰ পৰা কেইটোপমান পানী সৰি পৰাৰ উমান পালোঁ। মই তেওঁক কলোঁ 'ৰোগীৰ যিমান মলিয়ন লেতেৰা কাপোৰ আছে — কলা খাৰ দি চোতালতে খালীটোত সিজাই দিয়া'। (মনে মনে তেও খালীটোৰো কিছু সদ্ব্যৱহাৰ হওক বুলি ভাবিলোঁ)। ৰণক্লান্ত ৰোগীয়ে যাবা। অৱসৰ পাই টলকা মাৰি থাকিল— তেৰ ঘণ্টাৰো

প্ৰায় অধিক সময় । লৰা ছোৱালী কেইটাৰ চিঞৰ-বাখৰত সাৰ পাইহে ৰোগীয়ে কোন বুলি দীৰ্ঘ-নিশ্বাস এটা পেলালে ... ।

'মই মই নী নী বুলি কোৱাত টাইফয়েড ৰোগীৰ সোঁ-হাতখন তেওঁৰ কপালত ঠেক খালে গৈ । মোৰ কৃতকৰ্মৰ ফলশ্ৰুতি আৰু আনন্দৰ অনুভূতিৰ পূৰ্বাভাস পালোঁ । 'ডাক্তৰ লৈ আহোঁ গৈ' বুলি কৈ আনন্দেৰেই অন্ধকাৰ মুক্ত এখন সংসাৰ এৰি আহিলোঁ । ডাক্তৰ আহিল, ৰোগী চালে— ঔষধৰ নাম লিখি মোৰ হাতত দিলে । ৰোগীৰ ঘৰৰ অভূতপূৰ্ব পাৰিপাট্য দেখি— ডাক্তৰ বিস্ময়-বিমুগ্ধ হৈ গ'ল । তেওঁ মোলৈ চাই হাঁহি এটি মাৰি কলে— 'ৰোগী যমৰ ঘৰৰ পৰা উভতি আহিল বুলি জানিব- যদিহে ঠিক এই নিয়মে ৰোগীৰ পৰিচয আদি চলে ।' মই ডাক্তৰক টকা এশ হাতত দি কলোঁ— 'যেতিয়ালৈ ৰোগী ৰোগমুক্ত নহয় —তেতিয়ালৈ পাঁচবাৰ দহবাৰ — যিমানবাৰ লাগে— অনুগ্ৰহ কৰি আহি ৰোগী চাই বিহিত ব্যৱস্থা কৰিব বুলি আশা কৰিলোঁ । সেইবোৰ ঔষধৰ দামো মই মোৰ মাৰ হাতত দি যাম মাত্ৰ চিকিৎসা হ'ব লাগে ।'

মাক দিয়া টকাত বাদেও তেওঁৰ হাতত আৰু এশ টকা ওপৰঞ্চি দি দিলোঁ । মাই কলে -'বাপা লোক দিয়াতকৈ টকাখিনি হতভাগিনী লক্ষ্মীকেই নিদিয় কিয় ? সিহঁতক প্ৰাণদান দিয়া হ'ব নিশ্চয় । ধৰ্ম বা পুণ্যৰ কথা এৰিলেও —মানুহ হৈ মানুহৰ এনে দুঃখ দেখি চকু মেলি চাই থাকিব নোৱাৰি —বুকু ফাটি যাব খোজেঐ বাপা, । মানুহতো— সিহঁতো ? পুণ্যৰ বাবে কৰা পৰৰ উপকাৰটো এক প্ৰকাৰ —বেপাৰেই, দাম দি বস্তু লোৱা নিয়ম । মানুহৰ দুঃখত আগবঢ়োৱা সহায়ৰ হাতখন মনুষ্যত্বৰ পূৰ্ণ ধৰ্ম, নিষ্কাম কৰ্ম, মানৱৰ প্ৰকৃত জীৱন, প্ৰকৃত আদৰ্শ । মোৰ বাবে তইত আছ —তই আছ —পতিকে শত-সহস্ৰ কোটি, লক্ষ-কোটি স্বৰ্ণ মুদ্ৰাৰ অধিকাৰিণী মই । মহাৰাণী ভিক্টোৰিয়াৰ হেনো পৃথিৱী জোৰা, পৃথিৱী ভৰা ধন

আছিল—কিন্তু মোতকৈ বেছি বুলি নাভাবোঁ, মোৰ সাম্ৰাজ্য বেছি বহল বুলি ভাবোঁ। মহাপুৰুষে কৈছে—দয়াৰ সমান ধৰ্ম নাই হেনো। তথাপি যে দুপৰীয়া সদায় মাতি আনি এজনক মই কিবা ধৰ্ম বা পুণ্যৰ বাবেহে খুৱাওঁ, এই বুলি ভুলতো নাভাবিবি। মই ভাত খোৱা সময়খিনিত আমাৰ দেশখনত— আমাৰ পৃথিৱীখনত কত হাজাৰ— কত লাখ-মানুহ অনাহাৰে পেটত গাঁঠি দি কলফপ কলফপকৈ জীয়াই থকাৰ নামত মৰিহে থাকে —বৰ দুঃখ লাগে অন্তৰখনত, গতিকে সেই সময়ত মই অন্ততঃ এজনক হলেও সদায় এসাজকৈ খুৱাও— আৰু সেই সাজ মই নিজে নাখাইহে খুৱাওঁ — ময়ো সেই ভাগ্যহীন-ভাগ্যহীনাবোৰৰ মাজৰে এজন বুলি অনুভৱ কৰিবলৈ চেষ্টা কৰো। এই অন্তৰৰ অনুভৱটোৱেইতো ধৰ্ম বেলেগ ধৰ্ম আৰু কি হব পাৰে? ডাঙৰ ডাঙৰ মানুহবোৰে পেটত পেঁটী মাৰে কিয় জান? ৰাজভোগ খাওঁতে খাওঁতে তেওঁলোকৰ পেট হাতীৰ নিচিনা হৈ ওলাই আহি লৰচৰ কৰিব নোৱাৰা হয় — বেচেৰাহঁতৰ মৰণৰো ভয় সততে —কাৰণ এসোপা বেমাৰেও লগ দিয়ে ঢোল পেটৰ লগত। পেটক কষ্টেক শাসন কৰিব পৰা অৱস্থা —পেটীডালৰ কিছু আছে।

পৰম পূজ্যপাদ পিতৃৰ মহাপ্ৰয়াণৰ পিচৰ পৰা মাই সদায় গধূলি এসাজ হবিষ্য-অন্নহে খাইছিল। মই মাক কলোঁ —'একেবাৰেই টকাখিনি সিহঁতৰ হাতত দিলে যেনিতেনিযেই খৰচ কৰি পেলাব— অভাৱগ্ৰস্ত মানুহ, গতিকে তোমাৰ হাতত দিলোঁ। যেতিয়াই বিশেষ দৰ্কাৰ হয় - তেতিয়াই যি লাগে দিবা। তোমাৰ হাতত মই আৰু এই পাঁচশ টকা দি থলোঁ। মই নিজেই ঔষধ কিনি আনি আজি ৰোগীক খুৱালোঁ।' মই সদায় অহা যোৱা কৰি আছোঁ এসপ্তাহৰ পিচত জ্বৰ লাহে লাহে কমি আহিবলৈ ধৰিলে। 'সামিক' চৰা ৰোগী শান্ত হ'ল মাজ তালুত আৰু চাল-কুঁৰৰী খেঁতেলাই তৰণ দিব নলগা হ'ল —দুসপ্তাহ যোৱাৰ পিচত ৰোগী উঠি বহিল। মই

গুৱাহাটীলৈ উভতি আহিলেঁ। মোৰ কলেজ তিনি চাৰি দিন আগতেই খুলিলে।' স্বামী শিৱানন্দৰ নিজমুখৰ কথা শুনি তেওঁৰ প্ৰতি জীৱানন্দ সন্ন্যাসীৰ শ্ৰদ্ধাত মূৰ দোঁখাই পৰিল। তেওঁ সভক্তি শিৱানন্দৰ প্ৰশান্ত দয়াৰ মূৰ্তি লৈ নিৰ্নিমেষ নয়নে চাই ৰ'ল। ইতিমধ্যে শিৱানন্দ প্ৰায় ধ্যানস্থ হৈ পৰিল।

'আধা-পেটীকৈ খোৱাত অভ্যস্ত দিনটো পেটভৰৰ স্বাদ লৈ থকা ভাগ্যলক্ষ্মী সুত সেই হেম আজি কোটি পতি হেম মহাজন'— আৰু (আজি) শিৱানন্দ সৰ্বহাৰা সৰ্বত্যাগী, সন্ন্যাসী। বিধাতাৰ কি বিচিত্ৰ বিধান। নিয়তিৰ কি অভিনৱ নিয়ন্ত্ৰণ। ই এক প্ৰকাৰে বৰ আনন্দৰেই বিষয়, ইয়েই প্ৰকৃতিৰ চিৰন্তন প্ৰবাহ- জগতৰ নিত্য নতুন জাগ্ৰত নীতি। ইয়াত খেদৰ প্ৰশ্নই নাই—অজ্ঞ বা মূঢ় জনেহে ইয়াত খেদ কৰে। ইয়েই বৰং লক্ষ লক্ষ জনৰ অন্তৰৰ •বহি যাব ধৰা আশালতা ডালিৰ গুৰিত বিশ্বাসৰ নিৰ্মল জল সিঞ্চিত কৰি, জীপদি তাক ৰক্ষা কৰে। মানৱৰ জীৱনযাত্ৰাটোক এটা ব্যৰ্থ প্ৰয়াস বুলি, এটা নিষ্ফল সংগ্ৰাম বুলি ভাবিবৰ কোনো হেতুই নাথাকে যেন লাগে।

সেই দৃষ্টি শক্তিহীন মুমূৰ্ষ পিতৃ আবৰ্জনাময়, দুৰ্গন্ধ অন্ধ-কূপ সদৃশ বাসগৃহ, বহু উপবাসৰ অন্তত গো-গ্ৰাসে গলাধঃকৰণ কৰা দয়াৰ সেই পৰাম, সেই নগ্ন শিশু দেহবোৰ, জীৰ্ণ বস্ত্ৰই আবৃত কৰিব নোৱাৰা লক্ষ্মীৰ জীৰ্ণ শীৰ্ণ দেহ-সৰ্বস্ব, ভাগ্য-লক্ষ্মীৰ দুৰ্ভাগ্য, মুতত পাঁচি পাঁচি বহু কুটাহে থোৱা ভুলী খনৰ দৰে খেৰ-হীন, শত-ছিদ্ৰ ঘৰৰ চাল, চোতালত পশু-পক্ষীৰ অবাধ, কেলি গোপাল নাট্যাভিনয় আৰু মল মূত্ৰ ত্যাগ আৰু এনে বহু দৃশ্যৰ স্মৃতি হেমমহাজনৰ আত্মাই হয়তো বিস্মৃত হৈ থোৱা নাই। নতুন ধনীয়ে অৱশ্যে ভেনে সকলো পূৰ্বাৱস্থা বিস্মৃত হৈ যায় অথবা তেনে এটা পট ভুলিব

অস্তিত্ব নাই বুলি প্ৰমাণ কৰিবলৈ বহুপৰ হয়। ধনৰ নিচা ধনৰ বল—চৰম বল। মনৰ গতি বা বল অবাধ আৰু দুৰ্বাৰ হলেও ধনহীন মন বহু সময়ত কৰ্তব্য পথত থেকেচা খাই থিৰি আছে। কিন্তু মনহীন বল পংগু হলেও ধনে তাক দুৰ্জয় পেং-লাখুটি দি অবাধ আৰু দুৰ্দান্ত গতিশীল কৰি তোলে। বেছি ভাগেই হয়তো নিষিদ্ধ আৱৰ্জনাৰ দমত উজুটি খাই পৰে। তথাপি সিহঁতৰ পতিবোধ নহয়, আৱৰ্জনাৰ প্ৰলেপ বোৰ ধনৰ ঢাকনীয়ে ঢাকি পেলায়। বৰং ধনৰ গৰাকী হৈ পৰে— আদৰ্শ পুৰুষ; ঢাট কপলীয়াজন ধনীৰ ধনৰ চোঁপোলাৰ চেপাত চেপেটা খাই পৰে এই সংসাৰৰ নীতিটো এইদৰেই চলে। হেম মহাজন হেনো আজি-কালি গাঁৱৰ মুৰব্বী মানুহ—গাঁৱৰ সকলো কামকেই তেওঁ পৰিচালনা কৰে। ভাৰতৰ স্বাধীনতা-সংগ্ৰামৰ সময়ত উনৈশ শ বিয়াল্লিছ চনৰ গণ আন্দোলনৰ বিপক্ষে গৈ ঠিকাদাৰে বহু মানুহ যুদ্ধৰ বহু বিদেশী সৈনিকবোৰক খেৰ, বাঁহ, গৰু-ছাগলী আদি যোগান ধৰি, ছপা নোট সংগ্ৰহ কৰিছিল।

ভেঁট-হুটি হেম দৃষ্টি-অক্ষম পিতৃক এৰি থৈ ঠিকাদাৰৰ লগুৱা হ'ল, মাত্ৰ দুবেলা দুসাঁজ খাবলৈ পোৱাৰ বিনিময় বা সতত চাহবাগানৰ শ্ৰমিকৰ ছোৱালীক গৰ্ভৱতী কৰা আৰু মদৰ বাগীত ভুৱা বিয়াৰ প্ৰতিশ্ৰুতি ভংগ কৰাৰ অপৰাধত ঠিকাদাৰক গোপনে কোনোবাই দ খাৰৈত গতিয়াই পেলাই মাৰে। মদৰ নিচাত পৰি মৰি যোৱাটোৱেই এক প্ৰকাৰে প্ৰমাণ হৈ যায় যদিও-প্ৰকৃত তত্ত্ব আৰু সত্যটো অৱগত হবলৈ কাৰো বাকী নাথাকে। ভেট হুটি হেমই নতুন ছপানোটৰ বহুশটকীয়া মুঠা শাক পাচলি বজাৰ কৰা ডাঙৰ মোনাত ভৰাই ৰাতা-ৰাতিয়েই উধাও হ'ল। মানুহৰ চকুত ধুলি দি প্ৰথমে পান দোকান এখন দি বহে—হেমমহাজনৰ 'ডিগ্‌নিউট্টিভ ফৰম' হেম।

পা'নদোকানৰ গুমটিৰ আঁৰত ভাং, আফিঙো ৰবি শস্যৰ অন্ত-ভু'ক্ত হ'ল। গ্ৰাহকৰ লাগি নিচিগা সোঁত ৰবলৈ ধৰিলে। ঘটিয়া হেমই যথেষ্ট উপাৰ্জ্জন কৰিব পাৰিছে বুলি সৰ্বসাধৰণৰ মনত প্ৰত্যয় জন্মাই দিলে। ঘাটত গোটেইবোৰ মাছ পাইকাৰী হাৰত কিনি চৰা দামত পোহাৰী বাইক বিক্ৰী কৰি দিয়ে। মূলৰ চাৰি পাঁচ-গুণ লাভ কৰে। পোহাৰী বাই পাচিভো আগত লৈ দিনটো টোপমনি থাকে গ্ৰাহকৰ আগমনৰ আশাত।

সদাগৰী দোকান বহিল; গাটি হ'ল; পকীঘৰ কেইবাটাও সজালে অৱশেষত ৰাজকুমাৰী সদৃশ পত্নীৰো স্বত্বাধিকাৰী হ'ল। চহীচোৰ কাৰুকাৰ্যবোৰ ফাকনধৰং হলেও, দোকানৰ ফিচাপত ভূল ধৰোতা নৰমৰ্শিচ সেই মুলুকত নাই বুলিলেই হয়। অৱশ্যে বিতং হিচাপবোৰ গোমস্তাই সম্পন্ন কৰে। হেম মহাজন বৰ্তমান এটা বিস্তৃত অঞ্চলৰ মাতবৰৰ লোক—আগ শাৰীত তেওঁৰ স্থান। প্ৰায় ভাগ অবৈধ মন্ত্ৰীৰ লগত হাট বাটৰ জৰিয়তেই তেওঁৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠ মূল্যায়ন কৰা হয়। মহামান্য মন্ত্ৰীৰ লগত বেহিয়া তেওঁ আধা আধা অংশীদাৰ হৈ পৰিল, তেতিয়া হেম মহাজন মন্ত্ৰীতকৈ কোনোগুনেই হীনহৈ নাথাকিল; বৰঞ্চ মন্ত্ৰীতকৈও বেছি ব্যস্ত মানুহ হিচাপেহে এখে.প উপৰফেকে গতি কৰে। মানুহেও তেওঁক মন্ত্ৰীতকৈয়ো অধিক গণিতা কৰিবলৈ ধৰিলে। মন্ত্ৰীৰ ওচৰলৈ আহিব লগীয়া মানুহ প্ৰথমে হেমমহাজনৰ ওচৰলৈহে অহা হ'ল। তেওঁৰ ওচৰলৈ অহা মানে কাৰ্য্য সিদ্ধি খাটাং হল বুলি ধৰি লোৱা হয়। ইয়াত তিনিও পক্ষৰেই লাভ।

অন্ধকূপৰ মাজৰ পৰা ওলাই আহি জ্যোতিস্মান গ্ৰহ নক্ষত্ৰ পুঞ্জৰ মাজলৈ গতি কৰিব পৰা শক্তি আহৰণ কৰাত হেম মহাজনৰ দোষেই বা ক'ত? আজিৰ সমাজ ধনৰ গতি ধাৰাৰ পৰিপ্ৰেক্ষিতত ই প্ৰশংসনীয় গুণহে দেখোঁ। কিন্তু সেই

বোৰ সুবিধা আদি সম্পূৰ্ণ কৰাৰ দ্বাৰা আত্ম'চাং অ ক অধিগ্ৰহণ কৰা হৈছে ? বস্তুত বদন ভু'মপুত্ৰই শ্বাপদ প্ৰহৰীৰ দৰে পদ লেহন কৰি তথা কথিত দেশ প্ৰেমিক কিছুমানক প চ ছুৰাবেদি ৰক্ষণাবেক্ষণ দি থাকে । কিন্তু পদলেহন কাৰীবোৰে পাহৰি যায় যে সিহঁতৰ দিনবোৰো কাৰোবাৰ অদৃশ্যহাতে গণনা কৰিয়েই আছে । পানীৰ তলৰ কুম্ভীৰ ঘঁৰিয়ালৰো মৰণ আছে । 'চোলামৰ পিচৰ ছেঃ, ছিঃ' ৰ ইংগিত সিহঁতে অনুধাৱন কৰিব নোৱাৰে সম্ভৱ । সিহঁত—শ্বপচ আৰু 'শ্বাপদ'—দুয়োটাই । এই জাতিটোয়েই সদায়- ভয়ানক । সিহঁতে সাপহৈ দংশে—বৈদ্যহৈ জাৰে—ভুৱা ৰক্ষক-টিপাওৰ প্ৰদৰ্শন পাতে ।'

হেম মহাজনক জনা মানুহ ইতিমধ্যেই শিৱানন্দৰ আশ্ৰমলৈ কেইবাজনো আহিছে, মদন নামে এজন মানুহৰ পৰা কৌতুহলীহৈ মই জীৱানন্দ সন্ন্যাসীয়ে হেম মহাজনৰ বিষয়ে এই সকলো খবৰ তন্ন তন্নকৈ লৈছিলো । মোৰ নিজৰ অন্তৰত মিশ্ৰ-প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল । দেশৰ স্বাৰ্থত ৰাজনীতিৰ ধুৰন্ধৰ বোৰৰ প্ৰতি শিৱানন্দ সদায় অসন্তুষ্ট আছিল আৰু আন আন সন্ন্যাসীৰ অন্তৰতো সিহঁতৰ ওপৰত একপ্ৰকাৰ প্ৰতিহিংসাৰ ভাবো যেন জাগ্ৰত হৈছিল । 'হাতত, পুস্তক কমণ্ডলুৰ পৰি-বৰ্তে আগ্নেয়াস্ত্ৰ উঠি যাব খোজে । পুস্তক স্থাপিত বিদ্যা এনেকি ধৰ্ম-শাস্ত্ৰয়ো জানো ইয়াকেই নকয় ? শ্ৰীমৎ ভাগৱদ গীতায়ো জানো— ততো যুদ্ধায় যুজ্যস্ব নৈবং পাপমৱাপ্স্যসি' বুলি কোৱা নাই ? পৃথিৱীৰ বুৰঞ্জীসমূহ, মানৱ ইতিহাস, সামাজিক আৰু ব্যক্তিগত অভিজ্ঞতাই জানো ইয়াকেই দোহাৰি থকা নাই অহৰ্নিশে ? ধুৰন্ধৰ ৰাজনীতিবিদ আৰু তথাকথিত দেশপ্ৰেমিকে দেশ-দ্ৰোহ আৰু বিশ্বাসঘাতকতাৰ ইতিহাস বিস্মৃত হোৱাৰ কথা নহয়—কিন্তু সেয়ে হয়, সিহঁতে পাহৰে । বদনবোৰে পাহৰিলেও

পিয়লিবোৰে বদনবোৰক পাপৰ প্ৰায়শ্চিত্ত কৰাবলৈ কেতিয়াও নাপাহৰে। সন্ন্যাসীয়েও নাপাহৰে—প্ৰকৃত সন্ন্যাসৰ অৰ্থতো এইটোৱেই ।। এইটোৱেইতো সন্ন্যাসৰ পৰমাৰ্থ স্বাৰ্থত্যাগ আৰু সাধনা—ইহঁত নন্দী-ভৃংগী-তাণ্ডৱীৰ পৰিষদ। ইহঁতে স্বাৰ্থৰ বাবেই, অৰ্থৰ বাবেই, পৰমাৰ্থক অ.ৱৰ্জনাৰ দমত নিক্ষেপ কৰে। সিহঁতবোৰ এদিন বুকুৰ বস্তুহৰ(?) কুক্ষচ, ঘৃণ্য কপৰা ভৰিৰ কানটিৰ পিহনত নিঃশেষহৈ নাযাব বুলি ভাবিব পাৰিছে নেকি গ' শিৱানন্দৰ এনে বিবেক-বিচাৰৰ ব্যাখ্যাত সন্ন্যাসীবোৰে শূন্যতেই হাত মেলে—বিয়াল্লিছৰ আগ্নেয়াস্ত্ৰবোৰ বিচাৰি . অঁ চোলপাতে বিপক্ষৰ গুলীবোৰ টোপোলা বান্ধি লবলৈ, দেশৰ বাবে জীৱন দি জীৱন ৰক্ষা আৰু আত্মশুদ্ধি উপলব্ধি কৰিবলৈ।

সন্তান সন্ততি মণ্ডিত সংসাৰ ধৰ্ম পালনৰ অৰ্থ নিজক নৰুপত জায়াৰ সহায়ত পুনৰ জন্ম দিয়া বা উপলব্ধি কৰা, অথবা অমৰ কৰা অৰ্থাৎ অমৃতপুত্ৰ হোৱা—সংসাৰৰ সম্পত্তি বৃদ্ধি কৰা। পশুবো এই স্বভাৱ-ধৰ্ম আছে—কিন্তু কিবা এটা মৰ্ম ? পৰৰ মাজতহে মানুহ (নিজত্বটো) জীয়াই থাকে। হিন্দু-বিবাহৰ অৰ্থও এয়েই বিশেষ ভাৱে। ভিন্নদেহ মন-আত্মা আৰু পৰিচয়টো অভিন্ন হৈ যোৱাৰ পবিত্ৰ প্ৰতিশ্ৰুতি আৰু একান্ত সাধনাই হিন্দু বিবাহ। নিজ মাতৃক শ্ৰদ্ধা-ভক্তি কৰা আৰু ভাল পোৱা মানে—আনেও নিজ মাতৃক তেনে কৰিবলৈ কোৱাটোহে নুবুজায় জানো? নিজ বুকুৰ অমৃত ধাৰাৰে প্ৰতি পালনকৰা ভাষাটো আনে শিকাৰ অৰ্থ—পৰ বুলি ভাবা এজনী মাতৃৰ অন্তৰত নিজৰ বাবে এখনি স্নেহ সিক্ত পৰিত্ৰাণৰ নিশ্চিত আৰু মুকলি কৰি দিয়াটোহে। পৰমাতৃৰ হৃদয়ত নিজক আৱিষ্কাৰ কৰা, নিজকেই যাচ্ঞা কৰা; নিজক আনন্দ দিয়াৰ অৰ্থেই পৰ-মাতৃক জনা আৰু শ্ৰদ্ধা কৰা একান্ত

প্ৰয়োজন নহয়নে বাৰু? সেই দোচোৰা মাতৃৰ সাহিত্য অধ্যয়ন কৰাৰ অৰ্থ—মাতৃ জাতিৰ সংসাৰ বোৰক আপোন বুলি সাৱটি লোৱা, সেই মাতৃৰ সংসাৰৰ গুণৰাশি গ্ৰহণ কৰা আৰু নিজেও গুণী বা গুণগ্ৰাহী বুলি অভিনন্দিত হোৱা। ইয়াত ক্ষতিৰ অংক দেখাজনে বিজ্ঞ বুলি বঢ়াই কৰিবতো নোৱাৰেই—বৰং কল্পিত লাভৰ অংকটোও লক্ষপূৰিত ক্ষতিতহে পৰ্যুষিত হৈ যায়।'
দেশাত্ম-বোধৰ এনে পষ্ট আৰু মৰ্মস্পৰ্শী বক্তৃতাৰে আশ্ৰমবাসীৰ সুপ্ত দেশ-প্ৰেমক জাগ্ৰত কৰি তুলিছিল—স্বামী শিৱানন্দ সন্ন্যাসীয়ে।

পৰ্ব ঃ মায়া-প্ৰপঞ্চ ?? নে অমৃত পুত্ৰ ?

স্বামী শিৱানন্দ আজিকালি প্ৰায়েই বক্তৃতা বা আলোচনা-সভালৈ নাহে, কিন্তু সেই বুলি পূৰ্বৰ কোনো কৰ্মৰেই কোনো ৰকমৰ ব্যাঘাত বা হানি ঘটা নহ'ল। সকলো কাম পূৰ্ব প্ৰয়াসেৰেই চলি থাকিল। সকলোৰে অনুৰোধক্ৰমে পৰিচালনাৰ কামবোৰ অমৰেই কৰে— এনেকি মাজে-সময়ে ক্বচিৎ বক্তৃতা দিবলগীয়াও হৈ পৰে।

শিৱানন্দৰ মনলৈ এটি নতুন পোহৰ আহিছে —'অমৰ কোন? ওহোঁ কোনো নহয়। অমৰ নিশ্চয়। বৰ্ণমালাৰ 'ৰ' আৰু ল ৰ নিকটতম সম্বন্ধ, তথাপি দুয়ো স্বতন্ত্ৰতা এৰি সংযুক্ত হব নোখোজে। অমৰ-কৃষ্ণ বন্দী-বসুদেৱৰ কাষতেই আবিৰ্ভাৱ হৈ সুপ্ত হৈ থাকে, যাতনা-যমুনা পাৰ কৰিবলৈ আৰু পাৰ হবলৈ ঊৰ্দ্ধ গতিলৈ সময়ত বসুদেৱৰ স্নেহসিক্ত মূৰত উঠে— শীৰ্ষত স্থান লয়। বসুদেৱৰ স্মৃতিটো শিৱানন্দ সন্ন্যাসীৰ নিশ্বাসত বাহিৰত প্ৰকাশ পালে। ই এটা আত্মানন্দৰ নিশ্বাস। এটি শক্তিশালী মন্ত্ৰৰ বাৰে অভিসিক্ত হ'ল — সেই যুৱক অমৰ।'

'সুদূৰ বৃন্দাৱনত এখন সাৰ্বজনিক সংস্কৃতি সমৃদ্ধ-সমাজ। অসমীয়া জাতিৰ লগত — সৰ্বজাতি, ভাষা, ধৰ্ম, সাহিত্য-সংস্কৃতিৰ সমন্বয় সাধক সমাজ —এখন স্থায়ী সমাজৰ ভেটিৰে প্ৰতিষ্ঠা হ'ল?' শিৱানন্দই সেই নিশাৰ বিপ্ৰিয় বিপাকটোকেই প্ৰায় ঊৰ্দ্ধ-সীমা (Climas) কৰি জীৱনৰ সমস্ত ঘটনাকেই থূল মূল বিৱৰণ সহ মাজে মাজে টীকা-টিপ্পনি দি লিপিবদ্ধ কৰিলে। প্ৰায় তিনিমাহমানৰ অন্তত - তেওঁৰ জীৱন দৰ্শন সম্পূৰ্ণভাবে লিপিবদ্ধ হৈ গ'ল। এই

সময়হোৱাত হুপতো এদিনৰ বাবে হলেও —শিৱানন্দৰ ছাঁটোও আশ্ৰমবাসী অথবা আন কোনোৱেই দেখা নাপালে। আশ্ৰমৰ কাম সু-চাৰুৰূপে পৰিচালিত হলেও - সকলোৱে মনত এটা দৃঢ় সন্দেহৰ ভাৱে চৰম ভীতিৰ সঞ্চাৰ কৰিলে। 'স্বামী শিৱানন্দৰ এই উদাসীনতা, এই ত্যাগ, এই অজ্ঞাত বাস আৰু আত্ম-গোপনতাৰ তাৎপৰ্য কি ? তেওঁ কি নিজক এইদৰেই নিঃশেষ কৰি পেলাব ? এই-দৰেই তেওঁ এদিন গোপনে, নিৰলে, নিজনে, নিঃসংগ-প্ৰায় হৈ যাব নেকি ?' বিশ্ব-সৃষ্টি কৰি বিশ্ব-নিয়ন্তা শূন্য হৈ থকা-দৰে — বিশ্ব বিদ্যালয় সদৃশ বিশাল জ্ঞানাশ্ৰম সৃষ্টি কৰি আনন্দ-নিকেতন সৃষ্টি কৰি —প্ৰাণদি, জীৱন যৌৱন দি নিজে নাই হৈ যাব নেকি ? নাই যই অমৰে এইটো হব'ল নিদিওঁ —অমৰ, অ-ব নহলেও, শিৱানন্দক অমৰ কৰি ৰাখিবলৈ বদ্ধ পৰিকৰ —অ শ্ৰ. বাস বো এয়ে দৃঢ় সংকল্প ? গাৰ্গীৰ প্ৰাণত কাতৰ, করুণ আকুলতা। - অজ্ঞাত ভবাবহতা, বিশ্বভৰ-শূন্য মহা প্ৰলয়ৰ আশংকা।' গাৰ্গীৰ অন্তৰে হাহাকাৰ কৰি উঠিল - কম্পিত বক্ষ নয়ন ধুৱঁলি-কুঁৱলি। গাৰ্গী পাগলিনী প্ৰায় হৈ গ'ল। তেওঁ অস্থিৰ চিন্তা হৈ —অমৰক এখন বক্তৃতা সভাৰ আশু আয়োজন কৰিবলৈ কলে। অমৰে আঁতৰত থাকি— সন্ন্যাসী পৰমানন্দ, নিত্যানন্দ, শ্যামানন্দ আদিৰ সহায়ত এখন বিৰাট সভাৰ আয়োজন কৰিলে। জীৱনন্দ, জগতানন্দ আদি প্ৰবীণ সন্ন্যাসীবোৰেও অমৰৰ লগতে সভাৰ মূল সূত্ৰ ধৰিলে। শিষ্য ভক্ত সন্ন্যাসীবোৰে স্বামী শিৱানন্দক সভাত উপস্থিত হৈ তেওঁৰ অমৃতোপম আৰু জ্ঞানগৰ্ভ ভাষণেৰে অশান্ত আশ্ৰমবাসীৰ প্ৰাণত শান্তি প্ৰতিষ্ঠা কৰিবলৈ কাকুতি-মিনতি কৰি ক'তৰ প্ৰাৰ্থনা জনালে। বহু চেষ্টাৰ শেষত শিৱানন্দক সন্মত কৰাবলৈ তেওঁলোক সক্ষম হ'লগৈ। গাৰ্গী-অমৰৰ মুখত পানী আহিল, আশ্ৰমৰ সন্ন্যাসী আৰু অন্যান্য সকলোৱেই আনন্দিত হৈ উঠিল।

এটা বিশেষ দিনত সভা আৰম্ভ হ'ল। শিৱানন্দ সন্ন্যাসীয়ে যেন এটা বিশেষ আনন্দেৰে অথচ অতি ধীৰ-গম্ভীৰভাৱে বক্তৃতা আৰম্ভ কৰিলে। সুখ দুঃখ, হাঁহি-কান্দোন, সফলতা বিফলতা, আনন্দ-নিৰানন্দ, পোৱা-নোপোৱা —একোৱেই যেন তেওঁক স্পৰ্শ কৰিব নোৱাৰিলে। তেওঁৰ বক্তৃতাৰ প্ৰধান বিষয় আছিল দেশ। শিৱানন্দ সন্ন্যাসীয়ে কৈছিল —'মানৱ জীৱনৰ বাবে, মানৱ জাতিৰ বাবে, এজন, —মাত্ৰ এজনেই ভগৱান আছে — সেই ভগৱান হ'ল দেশ, দেশেই মানৱৰ একমাত্ৰ ভগৱান। এই ভগৱানৰ অৰ্থে যি জীৱনে —পূজা উপাসনা, অৰ্চনা, বন্দনা, ত্যাগ, সাধনা, কৰ্ম— এনেকি মৃত্যু পৰ্যন্ত সমস্তকেই উছৰ্গা কৰে, সেই জীৱনেই সফল জীৱন, দেৱত্ব-প্ৰাপ্ত জীৱন বুলি স্বীকৃত হয়। এই মৃত্যুই জীৱনক চিৰ শান্তি দিয়ে — অমৰ কৰে। এই জীৱনেই মৃত্যুঞ্জয় জীৱন। মোৰ বোধেৰে মানৱ জীৱনৰ এয়েই আদি এয়েই অন্ত কৰ্তব্য। জীৱনৰ অন্য সকলো কৰ্মই এই উদ্দেশ্য সাধনৰ বাবে নিমিত্তমাত্ৰহে জীয়াই থাকিবৰ বাবে যিদৰে উদৰত আহাৰৰ প্ৰয়োজন, জ্ঞানাহৰণৰ বাবে অধ্যয়ন আৰু অভিজ্ঞতাৰ প্ৰয়োজন, সুখৰ উপলব্ধি হবলৈ যিদৰে দুঃখ বৰণ আৰু সহনৰ প্ৰয়োজন, সুস্বাদৰ উপলব্ধি হবলৈ যিদৰে বিস্বাদৰো প্ৰয়োজন, মুক্তিৰ বাবে যিদৰে ভুক্তিৰ প্ৰয়োজন, স্বৰ্ণৰ বিশুদ্ধতাৰ বাবে যিদৰে কষটি (শিল)ৰ প্ৰয়োজন, আশাৰ বাবে যিদৰে নিৰাশাৰো প্ৰয়োজন আৰু জীৱনৰ বাবে যিদৰে মৃত্যুৰ প্ৰয়োজন আছে— সেইদৰে দেশৰ বাবে বিদেশৰো প্ৰয়োজন, সৎকৰ্ম আৰু প্ৰতিপক্ষৰ অসৎকৰ্মৰো প্ৰয়োজন, আৰু অমৰত্ব লাভৰ বাবে স্ব-দেশ, স্বজাতি স্ব-ধৰ্মৰ মহান অস্তিত্বটোৰো প্ৰয়োজন আছে। '। প্ৰাণঢালি দি এনে অসংখ্য কথাকে স্বামী শিৱানন্দই সিদিনা ব্যক্ত কৰিলে। বহুতৰেই শৰীৰ ৰোমাঞ্চিত হ'ল। অশ্ৰুবিন্দুবোৰ সেই আৰ্দ্ৰ চকুত উদ্ভাসিত হৈ উঠিল। শিৱানন্দৰ দৃষ্টি কিন্তু —শূন্য —উদাস নিৰ্লিপ্ত।

বক্তৃতাৰ মাজতে হঠাৎ শিৱানন্দৰ কণ্ঠস্বৰ স্তব্ধ হৈ গ'ল। শ্ৰোতৃমণ্ডলীও লগে লগে বিস্মিত হৈ গ'ল। শিৱানন্দৰ নয়ন-যুগল হঠাৎ দূৰস্থ চকু এটিত স্থিৰ অচল হৈ ৰৈ গ'ল, এজনী নাৰী প্ৰায় অধো-বদনা হৈ তাত বহি আছিল। তেওঁৰ কান্তিহীন অথচ সুন্দৰ শৰীৰ বিষণ্ণ মন আৰু জীৰ্ণ প্ৰায় বস্ত্ৰ —এটা অস্বাভাৱিক অৱস্থা। হয়তো কোনো এটা অসতৰ্ক মুহূৰ্তত মুখখন দাঙি দিয়াৰ লগে লগেই, এটা তীব্ৰ বিজুলী বেগাই চাট মাৰি ধৰি শিৱানন্দৰ চকু আঁধি-মুঁধি কৰি পেলালে। এয়া তেওঁৰ ভ্ৰম, দিবা-স্বপ্ন মানসিক বিকৃতি নে অৱচেতন মনৰ সুপ্ত-প্ৰেমৰ প্ৰহেলিকা, সেই দেহৰ চুম্বকত্ব, কিঞ্চিত গোলাকাৰ মুখ গুল, ঘন কৃষ্ণ কেশগুচ্ছ অল্পবিস্ফাৰিত চক্ষুদ্বয়, ঈষৎ স্থূল নাসিকা বক্ৰ অসন্তুষ্টি সূচক চকুৰ চাৱনি, দুই ওঁঠৰ চুকত বিশেষ ভাব প্ৰকাশক বংকিম ভংগী আদি সকলোবোৰেইতো নিশ্চিত ভাৱে প্ৰমাণ কৰে, তেওঁ । তেওঁৰ পৰিপূৰ্ণ বা ভৰপূৰ দেহাৱয়ৱটো শুকাই প্ৰায় শীৰ্ণ হৈ যাব ধৰা নতুন ৰূপটো —এটা পৰিৱৰ্তিত চাক্ষুষ বাস্তৱ মাত্ৰ। তেওঁ বাৰে বাৰে মোৰ আসনখনলৈহে দৃষ্টি নিক্ষেপ কৰিছে; মুখ তুলি মোৰ মুখলৈ চাবলৈ যেন সাহস গোট'ব পৰা নাই। কিন্তু কিয়? দোষী হয়তো মইহে।

এয়া আকৌ কোন? নাতি-দূৰত থিয়হৈ মোলৈ একে ধ্যানে নিৰ্ণিমেষ নেত্ৰে যিজন যুৱকে চাই আছে —এয়া যে অমল অমল অমল॥ অমৰৰ নামত তেন্তে ? · অমলেই অমৰৰ নামত ? আকৌ সেই বিষণ্ণা নাৰী? তুমি তু· মি ৰমা। হে, ভগৱান। মোৰ প্ৰেমৰ উৎস মোৰ প্ৰেমৰ সম্ৰাজ্ঞী মোৰ প্ৰেম-আকাশৰ ধ্ৰুৱতৰা। তোমাক মই আছিও · আজিও পাহৰিব পৰা নাই। জীৱন সমুদ্ৰৰ দুৰ্যোগ-উৰ্মিমালাত পৰি হকবকাই ফুৰিও মোৰ প্ৰেম-মন্দিৰৰ পৰা তোমাক বিসৰ্জন দিব পৰা নাই। কোনো কালেও জন্মান্তৰেও নোৱাৰো ৰবং 'তুমো ৰখাৰে

জন্মান্তরে অপি তুমেব ' কোনো কালেও অন্য জন্মান্তরেও তোমাক এরি থাকিব নোৱাৰোঁ৷ বিসর্জন দিব নোৱাৰোঁ, পাহৰিব নোৱাৰোঁ। তুমি আজিও মোৰ মন-প্ৰাণ-আত্মাত বিলীন হৈ, ব্যপ্ত হৈ আছা। তোমাকেই মই সৰ্বত্ৰ দেখা পাওঁ একমাত্ৰ তোমাকেই একান্তভাৱে দেখা পাওঁ। অদ্যবধি মোৰ এই সকলো কৰ্মৰ প্ৰথম আৰু প্ৰধান উৎস তুমিয়েই। মোৰ ভাষা লোপ হৈ গৈছে, কিন্তু ভাবৰ উত্তাল তৰংগই মোক বিশ্ব ব্ৰহ্মাণ্ডৰ চুকে কোণে চিটিকাই লৈ ফুৰাই আছে। ৰমা মোৰ প্ৰাণ। যদিহে জন্মান্তৰ আছে যদিহে কৰ্মবাদ সত্য—তেনেহলে জনমে জনমে মই তোমাকেই পাম, – ইয়াৰ অন্যথা কোনো কালেই নহয় – ই ভগৱানৰ দৰেই সত্য বিশ্বব্ৰহ্মাণ্ডৰ দৰেই সত্য। মোৰ সমস্ত সাধনা এই লক্ষ্যতেই কেন্দ্ৰীভূত হৈ আছে আৰু আমৰণ থাকিব। তুমিওতো তোমাৰ দেহৰ মাজেৰেই মোৰ দেহত মোৰ আত্মাত লীন হৈ আছা। তোমাৰ জন্মৰ বাবে দায়ী বা গৌৰৱীবোৰে আৰু কোনো কালেই আমাৰ এই বিচ্ছেদ সংঘটিত কৰিব নোৱাৰে ॥

ৰমা- মোৰ প্ৰাণ। এই হতভাগা নীলকণ্ঠক তুমি কিয়— কেনেকৈ বিচাৰি উলিয়ালা? কেনেকৈ চিনি পালা? কোনে তোমাক মোৰ এই অজ্ঞাত-বাসৰ সন্ধান আৰু সম্ভেদ দিলে? অমলে-ইহঁতে কেনেকৈ মোৰ বিষয়ে জানি এই গুৰু দায়িত্ব বহন কৰিবলৈকে আগবাঢ়ি আহিল? হে অনন্ত অচিন্ত্যৰূপী, অন্তৰ্যামী, অন্তৰবেত্তা – হে হৃষীকেশ। তুমি মোক কি দিয়া —ই মোৰ স্বৰ্গপতন নে স্বৰ্গপ্ৰাপ্তি। তুমিও কি দিয়া —ৰমা—মোৰ প্ৰাণ। ই মোৰ মুক্তি স্বৰ্গপ্ৰাপ্তি নে স্বৰ্গভ্ৰষ্টতা? তেনেহলে অমলেও কি ইতিমধ্যে মোক মৌনী স্বীকৃতি দিছে? হে ভগৱান। তোমাৰ এই অগ্নি পৰীক্ষাৰ উদ্দেশ্য কি? লক্ষ্য কি বাৰু? মোৰ যে চিন্তা শক্তি লোপ পাই গ'ল।

হঠাৎ স্বামী শিৱানন্দ সন্ন্যাসীৰ বৰ্মৰ আঁৰৰ প্ৰচ্ছন্ন অজ্ঞাতবাসী জন একপ্ৰকাৰ অজ্ঞান হৈয়েই বহি পৰিল—মূৰ আচন্দ্ৰাই কৰিলে—চকুৰে ধোঁৱা-কোঁৱা দেখিলে · তাৰ পিচত আন্ধাৰ কেৱল আন্ধাৰ । অনন্ত আন্ধাৰৰ ক'লা যৱনিকাখন যেন লাহে লাহে শিৱানন্দ সন্ন্যাসীৰ সন্মুখলৈ নামি আহিব ধৰিছে। এই আন্ধাৰৰ যেন শেষ নাই —কোনো কাহানিও শেষ নাই। এই অনন্ত আন্ধাৰত নীলকণ্ঠ ফুকনে, পিতৃ কণ্ঠভূষণক স্মিতহাস্যৰূপত আবিষ্কাৰ কৰিলে। পিতৃ কণ্ঠভূষণে এই আন্ধাৰৰ মাজেদি নীলকণ্ঠক হাতত ধৰি লৈ গ'ল। কেইখোজমান আগবাঢ়ি যোৱাত মাতৃয়েও আগবাঢ়ি আহি তেওঁৰ হাতত ধৰি ক'লে— 'ডাঙৰ বাপা। নীল। তই পৃথিৱীত বহুত দুঃখ মূৰ পাতি সহ্য কৰিলি। এতিয়া এই সকলোৰেই অন্ত পৰিল, তই আমাৰ কোলাত থাকহি। তই যৎকিঞ্চিৎ দেশ সেৱা কৰিলি— সেয়ে দেশৰ কিঞ্চিৎ হলেও মংগল কৰিব পাৰে। তই নিশ্চিন্তে আমাৰ কোলালৈ আহ এতিয়া। তোক এখন জ্যোতিষ্মান দেশলৈ লৈ যাবলৈ আহিছোঁ। চা বাচা। সৌৱা সেই বিৰাট জ্যোতিৰ্ময় পুৰুষৰ আবিৰ্ভাৱ । তেওঁৰ হাতত সেই থোপা কি ফুল —বুজিছ নে? · 'অশোক অশোক ফুল'। মহাবসন্তৰ মহা অশোকাষ্টমী তিথিত জন্মহৈ তই কেৱল জীৱনজোৰা শোককেই পালি॥ শোকেই তোৰ জীৱন। এইখিনিতেই শোকৰ অৱসান হ'ল তোৰ। ৰমা মাই আগধৰি তোক অপেক্ষা কৰি আছে গৈ।

পৰ্ব-ইচ্ছা মৃত্যু

পিচদিনা প্ৰভাতৰ লগে লগে স্বামী শিৱানন্দ সন্ন্যাসীজনে তেওঁৰ কণ্টকাকীৰ্ণ কৃচ্ছ সাধন শয্যাত চকু উন্মীলিত কৰিলে। কিন্তু সেই স্থিৰ, ম্লান, অথচ তীক্ষ্ণ দৃষ্টি যেন এই পাৰ্থিৱ জগতৰ পৰা কোনোবা অপাৰ্থিৱ জগতলৈ উৰা মাৰিছে। এই শূন্য অথচ তীক্ষ্ণ দৃষ্টি যেন কোনোবা দূৰ অসীম-অনন্তৰ চিন্ময় সত্তাত কেতিয়াবাই বিলীন হৈ গৈছে। পিঞ্জৰাৰ গভীৰ পৰা মুক্ত বিহংগ যেন অভ্ৰভেদী মহাশূন্যত কেতিয়াবাই কপৌৰ দৰে উৰলি গৈছে। পৰিত্যক্ত আৰু হিল্লোলিত পিঞ্জৰাটোহে যেন মৃদু মন্দভাৱে আলোড়িত হৈ আছে। সন্ন্যাসীৰ দেহ পিঞ্জৰৰ কণ্ঠদেশ মৃদু-স্পন্দিত হৈ আছে মাত্ৰ। কিন্তু কি অপূৰ্ব ইচ্ছা শক্তি এই আজন্ম সাধক সৰ্বত্যাগী সন্ন্যাসীৰ। সৰ্বত্যাগী ?? তেওঁ জানো এই মুহূৰ্তটিতো কিবা এটা হয়তো মাত্ৰ এটাক ত্যাগ কৰিব পাৰিছে? সেই ত্যাগৰ অৰ্থই যে—মহাপ্ৰলয়—তেওঁৰ জীৱনৰো মহাপ্ৰলয় হয়তো। ত্যাগ কৰিব পৰাটো গুণ, দোষ স্বাৰ্থ-পৰতানে মহত্ত্বৰ মহানতা? ত্যাগ কি? ত্যাগ কাৰ-বাবে?

স্বামী শিৱানন্দৰ পোচাকটোৰ পেঁচত মেৰখাই-বান্ধখাই থকা ক্ৰদ্ৰনি.কিন নীলকণ্ঠ ফুকনে জানো কব পাৰিছে—যে তেওঁৰ অন্তিম শয্যাক বেঢ়ি ধৰি ওচৰে পাজৰে কুটীৰাভ্যন্তৰে-বাহিৰে সহস্ৰ সহস্ৰ আকুল-চিত্ত জনতাই ভিৰৰ সৃষ্টি কৰি পেলাইছে? শত সহস্ৰ জনতাৰ মাজৰ পৰা তেওঁ গোৱা— প্ৰচাৰ কৰা—ৰবগীত

ভজন, আদিৰ ভক্তি মিশ্ৰিত কাৰুণ্যৰ সুৰবোৰ জনতাৰ গুঞ্জন ঊৰ্মি ভেদি প্ৰবাহিত হৈছে। আৰু বহুতেই চকুপানী টুকি টুকি তেওঁৰ ওচৰলৈ যা'ব বিচাৰিছে। কোনোৱেবা স্বামীজীৰ আত্ম আৰোগ্যৰ বা'বেই ঈশ স্তুতিত মগ্ন হৈছে। কোনোৱেবা নীৰৱ অশ্ৰুধাৰ বোৱাইছে। এই দৃশ্য বৰ করুণ, বৰ মৰ্মস্পৰ্শী অথচ বৰ মহান। বৰ পবিত্ৰ।

তেওঁৰ সোঁ পদ তলত অমৰ আৰু বাওঁ পদ তলত গাৰ্গীয়ে ধাৰাসাৰে চকুলো বোৱাইছে চকুলোৰে চৰণ বিধৌত কৰি শেষত মূৰ্চ্ছিত হৈ পৰিছে। সন্ন্যাসীৰ মুক্তাত্মাই জানো এই কথাৰ সঁহাৰি পাইছে? অমৰ-গাৰ্গীৰ আত্ম-নিবেদন জানো তেওঁ গ্ৰহণ কৰিছে? নিলগৰ চুকটোৰ সেই নাৰী মূৰ্তিটিনো ক'ত অদৃশ্য হৈ গ'ল?

নিৰ্বাপিত-প্ৰায় প্ৰদীপ-শিখা হঠাৎ জন্‌কৰে জলি উঠাৰ দৰে এটা অপেক্ষাকৃত দীৰ্ঘশ্বাসেৰে সৈতে স্বামী শিৱানন্দই চক্ষুদ্বয় আলোড়িত কৰি উঠিল। তেওঁ অতি ক্ষীণ, অস্পষ্ট ধ্বনিৰে তেওঁৰ পুস্তকাগাৰৰ পৰা আঙুলি-সংকেতেৰে তেওঁ লিখা পাণ্ডুলিপি এটা আনালে। তেওঁ মোক অৰ্থাৎ (তেওঁৰ পাৰ্শ্বস্থ জ্যেষ্ঠ সন্ন্যাসী জগতানন্দক) তেওঁৰ জীৱন আদৰ্শ বা জীৱন দৰ্শনৰ অৱশিষ্ট সৰ্বশেষ অংশ লিপিবদ্ধ কৰি সেই লিপিৰ লগত ইয়াক সংযোগ কৰি দিবলৈ অনুৰোধ কৰিলে। এই শয্যালগ্ন অৱস্থা পৰ্যন্ত অৱশিষ্ট জীৱন দৰ্শনৰ মূল কথা বা সংক্ষিপ্ত কথা খিনি স্বামীজীয়ে কৈ গ'ল আৰু মই (জ্যেষ্ঠ সন্ন্যাসীজগতানন্দই) একাদিক্ৰমে লিপিবদ্ধ কৰি গ'লো। এনেকি, তেওঁ হঠাৎ চৈতন্য-প্ৰাপ্ত হোৱাৰ পাচৰ কথাখিনিও কৈ গ'ল আৰু শেষ মুহূৰ্তলৈকে একাদিক্ৰমে লিখাই গ'ল। মোৰ (সন্ন্যাসী জগতানন্দৰ) হাতৰ লিখনী, অপেক্ষা মান হৈ আছে

স্বামীজীয়ে হয়তো আৰু কিবা কব । এতিয়াও হয়তো বহুবাকী • ।

কিন্তু স্বামীজীয়ে এই বিষয়ে প্ৰায় নীৰৱতা অৱলম্বন কৰিলে । কয়েক পিচত কিছু সম্বিৎ ঘূৰাই পাই, তেওঁৰ মুখৰ ওচৰলৈ হাউলি পৰা অমলৰ মুখৰ ওপৰত হাতদি-ক্ষীণ অতি ক্ষীণ স্বৰে উচ্চাৰণ কৰিলে 'তোমাৰ নাম অমৰ তুমি চিৰকাললৈ অমৰ হৈ থাকা। নহয়। যদি তোমাৰ মাজেদিয়েই অমৰেহে থাকিবলৈ বিচাৰে। নীলকণ্ঠৰ কণ্ঠবোধ কৰি শিৱানন্দৰ 'শিৰো-ৰত্নটো অমৰৰ অমৰত্বৰ মাজেদিয়েই, অমৰ কৰি ৰাখিব বিচাৰে। তোমাক আশীৰ্বাদ দিছে। আশীৰ্বাদৰ অৰ্থ আৰু মৃত্যু আছে জানো ।

গাৰ্গীলৈ চাই স্বামীজীয়ে কলে- 'তুমি পঞ্চ সতীৰ লগত ষষ্ঠ সতী কন্যা। তুমি বিদুষী, দেৱীস্বৰূপা, ধন্য তোমাৰ পিতৃ ঔৰস, তুমি নাৰী জাতিৰ আদৰ্শ যুগে যুগে অমৰ হৈছে তোমাৰ জয় গান—এই ধৰাৰ মাটি পানী, বায়ু, আকাশ সকলোতেই মুখৰিত কৰি তুলিবই—কাৰণ, অমৰ বিজয়, সেইজনেই তোমাক চিনি পাইছে - মাতৃত্ব দিছে তুমি অমৰ মাতৃত্বৰ অধিকাৰিণী, তুমি অমৰ মাতৃ। তোমাৰ নিচিনা পুত্ৰলাভ লৈ অসম মাতৃ ধন্যা। ভাৰতী আই এই অসমজীয়ৰীৰ অনন্যাসাধাৰণ নাৰীমহিমা দেখি নিশ্চয় গৌৰৱ অনুভৱ কৰিব, এই মহান আদৰ্শক শ্ৰদ্ধা সৰম নিশ্চয় দেখুৱাব। আশ্চৰ্যৰ বিষয়—শিৱা-নন্দ স্বামীয়ে গাৰ্গীক মূৰত হাত দি আশীৰ্বাদ নিদিলে—তেওঁ হাতযোৰ কৰি গাৰ্গীক মুকুলিত নয়নে প্ৰণাম কৰিলে। 'ওঁ স্বস্তি ওঁ স্বস্তি ওঁ স্বস্তি' বুলি গুণ গুণালে মাত্ৰ ।

হঠাৎ এটি নাৰী দেহ, এছাটি আকস্মিক হাওৱাৰ দৰে কুটীৰত প্ৰৱেশ কৰি স্বামী শিৱানন্দ সন্ন্যাসীৰ চৰণ যুগুত সাৱটিলৈ ভূ পতিত হৈ পৰিল। স্তব্ধ হৈ যাব খোজা কলিজাৰ ধিপ্‌ধিপ্‌নিটো

বৈদ্যই আলোড়িত কৰি ফিৰাই আনিবলৈ চেষ্টা কৰাৰ দৰে নাৰীদেহৰ শক্তিশালী আলিংগনটোৱে যেন তেওঁক কন্তেকৰ বাবে পুনৰ্জীৱিত কৰি তুলিলে। চকু উন্মালিত কৰি তেওঁ যি দেখিলে—সি সম্পূৰ্ণ অসম্ভাৱ্য—'তু মি ব মা তুমি কেনেকৈ জানিলা মোৰ বিষয়? কিয় আহিলা ইয়ালৈ? তুমিও মনে মনে কৃচ্ছ্র সাধন কৰি কিয় এইদৰে নিজকে নিঃশেষ কৰি দিলা? তোমাৰ সেই ধন-লোভী দলটো কিএতিয়াও—তোমাৰ এই অৱস্থাৰ কথা জানিও নও সন্তুষ্ট হোৱা নাই? আৰু বহু ধন আৰু নতুন সভ্যতা সংস্কৃতিৰ ইন্দ্ৰজাল আৰু নব নব মোহিনী মন্ত্ৰৰ মূৰ্চ্ছনাৰ পৰা কি এতিয়াও মুক্ত হোৱা নাই—পৰিত্ৰাণ পোৱা নাই?

কিন্তু বৈৰী হৈয়ো যে মানুহে কেতিয়াবা তোমাৰ মোৰ দৰে কাৰোবাৰ কিবা ক্ষুদ্ৰাদপি ক্ষুদ্ৰ হলেও—একণ উপকাৰ কৰিব পাৰে- তাৰেই তে লোক জাজ্বল্যমান পটন্তৰ। সেই বাবে তেওঁলোককো মোৰ শেষ নমস্কাৰ জনালোঁ। গান্ধাৰীও অমৰ নাৰী তুমিও অমৰ নাৰী, তুমি অমৰ-গৰ্ভধাৰিণী। তুমি অমৰত্বক জন্ম দিছা, গান্ধাৰীয়ে স্নেহ আৰু জ্ঞানেৰে অনবৰতক পালন পোষণ কৰিছে তুমি লক্ষ্মী, গাৰ্গী সৰস্বতী। আজিহে এই নীলকণ্ঠৰ নীল বেদনাৰ কিছু উপশম হোৱা যেন লাগিল। গান্ধাৰীয়ে নিজ-চকুত কাপোৰ বান্ধি অন্ধ স্বামীৰ চৰম অভিশাপ আৰু যন্ত্ৰণাৰ সমভাগিনী হৈ মহাসতী আৰু শ্ৰেষ্ঠতম নাৰীৰত্ন হৈ ছল আৰু তুমিও স্বামীৰ অনুগামিনী আৰু নীৰব তপস্বিনী হৈ, সকলো ত্যাগ কৰি, অজ্ঞাতা সতীৰূপে জীৱন নিৰ্বাহ কৰিলা। 'যতো ধৰ্মস্ততো জয়ঃ'—পুত্ৰৰ প্ৰতি গান্ধাৰীৰ এই উপদেশ হয়তো তুমিও অমৰ (অমল)ক ইংগিতেৰেই যে দিলা মই বুজিছোঁ। তুমি কিন্তু স্বামীৰহে চকুত এতবপ হলেও কাপোৰ পেলাই ৰাখিলা—যিবাবে মই তোমাক—মোৰ নিজৰ প্ৰাণ'টাকেই চিনিব নোৱাৰিলোঁ সম্পূৰ্ণভাৱে। তুমি নিজেই তোমাৰ ঘৃণিত পৰিয়ালটোৰ

নীচাশয়ৰ ৰুকণ বলি হ'লা। গান্ধাৰীৰ লগত এইকণ তোমাৰ পাৰ্থনা—হয়তো তোমাৰো এইকণ ভুল। তোমাৰ জীৱন মোতকৈও অধিক কাৰুণ্যময় বুলি মই আজি উপলব্ধি কৰিছো। সেই নেদেখাজনে মোক জানো ক্ষমা কৰিব? তুমি জানো মোক—অৰ্থাৎ তোমাক—নিজকেই ক্ষমা কৰিব পাৰিবা? উঃ, ৰ মা উঃ মোৰ। কিন্তু ই কি? সমস্ত শৰীৰৰ ধপ'ৰিদিয়ে নিষ্ঠুৰ হিমপ্ৰবাহ চলিছে ৰ মা, অ ম ৰ ভ গ ৱা ন, না ৰা য ণ।' এই খিনি কথা কবলৈহে যেন তেওঁ হঠাৎ চৈতন্য-প্ৰাপ্ত হৈ উঠিছিল—সৰৱ হৈ উঠিছিল আৰু লগে লগে তেওঁৰ কণ্ঠস্বৰ ক্ষীণতৰৰ পৰা ক্ষীণতম হৈ আহিল। মন্দিৰ ভাগৱত মাৰযেৰ ঘণ্টাধ্বনিটো দেৱালতে ইটো ঠেকা খাই মৃদু গুঞ্জনৰ যেন অনুৰণিত হৈ থকা কলা স্বামী শিৱানন্দ সন্ন্যাসীৰ অৱশ কণ্ঠস্বৰত:

'যত্তদগ্ৰে বিষমিৱ পৰিণামেঽমৃতোপমম্। তৎসুখং সাত্ত্বিকং প্ৰোক্তমাত্মবুদ্ধি প্ৰসাদজম্ ॥ [৩৪-১৮]

'সুহৃন্মিত্ৰাৰ্য্যুদাসীনমধ্যস্থদ্বেষ্যবন্ধুষু। সাধুষ্বপি চ পাপেষু সমবুদ্ধিৰ্বিশিষ্যতে ॥ [৬-৯

'অন্তকালে চ মামেৱ স্মৰণমুক্ত্বা কলেৱৰম্। যঃ প্ৰযাতি স মদ্ভাৱং যাতি নাস্ত্যত্ৰ সংশয়ঃ [৮-৫ গীঃ]

'এনেদৰে ভাবিও ভাবিও নাপাও হে, এ মৃত্যুঞ্জয়, মই জলো এ ভৱসিন্ধু তোমাকে নাজানি ওঁ তৎসৎ। ওঁ তৎসৎ ওঁ তৎসৎ।

স্বামী শিৱানন্দৰ নীৰৱ আত্মাত নীলকণ্ঠ ফুকনৰ প্ৰচ্ছন্ন আত্মা অনন্ত কাললৈ বিলীন হৈ গ'ল। অমৰ, পিতৃ নীলকণ্ঠৰ চৰণত বাগৰি পৰিল। চাৰিওপিনে এটা মৃদু গুঞ্জন ধ্বনিত হৈ উঠিল—জনতাৰ অন্তৰ ভেদি অহা মৃদু উচুপনিৰ কাৰুণ্যময় মৃদু গুঞ্জন। স্বামী শিৱানন্দ সন্ন্যাসীৰ মহাপ্ৰয়াণত সহস্ৰ সহস্ৰ অশ্ৰুৰ ক্ৰন্দন-ধ্বনিয়ে শূন্য-মাৰ্গক মুখৰিত কৰি তুলিলে। কিন্তু নীলকণ্ঠ ফুকনৰ আত্মাৰ ধ্বনি

জানো কাৰোবাৰ আত্মাত প্ৰতিধ্বনিত হৈছে ??? তেওঁৰ কণ্ঠৰ নীলা বেদনাখিনি কোনে শোষণ কৰি লৈ গল বাৰু ? নিলে জানো ???

অমৰে শিৱানন্দ সন্ন্যাসীৰ চৰণত পৰি থকা গাৰ্গী আৰু ৰমাক তুলিত ধৰি মাতিলে মা' গাৰ্গী, মা ৰমা—উঠা, দুয়ো একমন্ত্ৰে দীক্ষিতা হোৱা - একমন, এক প্ৰাণ, এক আত্মাহৈ অভিন্না হৈ যোৱা। সেইবাবেই আজি জন্মদাত্ৰী আৰু জ্ঞান-মৰ্মদাত্ৰী—দুয়ো মাতৃৰ এইদৰেন মহা মিলন সংঘটিত হৈছে। এই মহামিলনতেই শিৱৰ মংগলময় ৰূপটো লুকাই লুকাই আছে। তোমালোক দুয়ো আৰু মই ত্ৰয়ী—ঋক, সাম, যজুঃ স্তুতি, গীত আৰু কৰ্ম—দেশৰ কৰ্মৰ বাবে আমাৰ এই ত্ৰিবেণী-সংগম। 'মা, উঠা এবাৰ দুবাৰ তিনিবাৰ মাতিও অমৰে কোনো সহাঁৰি নাপালে। মৃত্যু শীতল দেহ-সজ্জা এৰি সৰ্বশুক্লা সৰস্বতী স্বৰূপা পৱিত্ৰা, বিদুষী, গাৰ্গী আৰু অমৰ—জন্মদাত্ৰী, দুখনি লক্ষ্মী স্বৰূপা ৰমাৰ প্ৰাণপক্ষী বহু আগতেই কেতিয়াবাই উৰি গ'ল। হয়তো স্বামী শিৱানন্দ সন্ন্যাসীৰ মহান আত্মাৰ লগত কেতিয়াবাই মিলি গ'ল। ই যেন প্ৰাণ বলিদান—ই যে সহমৰণ ! কিন্তু কাৰ ? ৰমাই বৈধব্য যন্ত্ৰণাতো সহ্য কৰিব লগীয়া নহ'ল ! ৰমাৰ আত্মাতো শিৱানন্দৰ জীৱিতাৱস্থাতেই, শিৱানন্দৰ আত্মাৰ লগত মিলি গল। ই যেন বেদেৰজীয়া দক্ষৰ বেৰোৰ বাং যজ্ঞত পতিপ্ৰাণা সতীৰ পৱিত্ৰ দেহত্যাগ ! ই যেন মহাসতীৰ মহান আদৰ্শ ৰক্ষাৰ বাবে নাৰী জীৱনৰ চৰম ত্যাগ। এই নাৰীয়েই যুগে যুগে পৃথিৱীত মৃত প্ৰায় দুৰ্বল পুৰুষক জীয়াই ৰাখে, সবল পুৰুষক অমৰ কৰি পেলায় ! ধন্যা নাৰী ! তোমাক শত কোটি প্ৰণাম। সমবেত সন্ন্যাসীকণ্ঠত উচ্চাৰিত হ'ল—'নজায়তে ম্ৰিয়তে বা কদাচিৎ নায়ং ভূত্বাভৱিতা বা ন ভূয়ঃ। অজো নিত্যঃ শাশ্বতোঽয়ং পুৰাণো, ন হন্যতে হন্য মানে শৰীৰে ॥ [২-২০ গী]

সন্ধ্যা আৰতিৰ ঘণ্টা বাজি উঠিল এহেজাৰ মন্দিৰৰ এহেজাৰ ঘণ্টা

যুগপৎ বাজি উঠিল। মুদ্ৰিতনয়নে মন্দিৰৰ বিগ্ৰহৰ উদ্দেশ্যে সকলোৱে প্ৰণাম জনালে, লগে লগে স্বামী শিৱানন্দ সন্ন্যাসী, গাৰ্গী আৰু ৰমাৰ সদ্যপ্ৰয়াত আত্মাৰ উদ্দেশ্যেও কৰযোৰে প্ৰণাম জনালে—আশ্ৰমত সমবেত হোৱা সমূহ জনতাই।

যমুনা নদীৰ পাৰত চন্দন কাঠেৰে নিৰ্মিত তিনিখন চিতা—শিৱানন্দ, ৰমা আৰু গাৰ্গীৰ বাবে ওচৰা-উচৰিকৈ তিনি খন চিতা—অনন্ত শয়নৰ শেষ শয্যা—চিৰ শান্তিৰ, চিৰ আনন্দৰ, চিৰ প্ৰশান্তিৰ সুখ শয্যা, তত্ত্বকথাৰ শয্যা। মান-অভিমান, সুখ-দুঃখ, পোৱা-নোপোৱা—এনেকি বঞ্চা-ভিক্ষাৰী, পাপ-পুণ্যৰো কোনো হিচাব-নিকাচ এই শয্যাই নকৰে—নাৰাখে—লগত লৈ নাযায়। ক্ৰব্যাদাগ্নিত দেহাহুতি দিয়াই যেন শত-সহস্ৰ ক্ৰতুৰ সমাহাৰ। শ্মশান ভূমি নহয় ই যেন, যজ্ঞভূমিহে—পৃথিৱীৰ পবিত্ৰতম যজ্ঞভূমি।

চহৰৰ প্ৰধান পথেৰে শেষযাত্ৰা কৰি শেষ জিৰণিৰ স্থান শ্মশানলৈ—শিৱানন্দ, ৰমা আৰু গাৰ্গীৰ নশ্বৰ দেহ তিনিটা লৈ যোৱা হ'ল। বেদমন্ত্ৰৰ ধ্বনিৰ লগে লগে অমৰে শৱদেহ তিনিটাৰ মুখত যথাবিধি একাদিক্ৰমে অগ্নি সংযোগ কৰিলে—নিমিষতে চিতাগ্নি দপ্-দপ্কৈ জ্বলি উঠিল। চন্দন কাঠ আৰু ঘিঁউৰ সংযোগত ডেৰ-দুই ঘণ্টাৰ ভিতৰতেই নীলকণ্ঠ, ৰমা আৰু গাৰ্গীৰ দেহ-পিণ্ডৰ তিনিটা ভস্মীভূত হৈ গ'ল। অৱশেষ ৰ'ল—অভিমানৰ ভস্মস্তূপ তিনিটা। সহস্ৰজনাই তাৰ নাম থলে—'অৰ্দ্ধনাৰীশ্বৰ দ'ল,—সংৰক্ষিত চিতা-ভূমি তিনি খণ্ডৰ নাম দিলে 'নীল-শিৱ সংগম পীঠ।' যমুনা নদীৰ পাৰত এখন যেন পুণ্য তীৰ্থস্থান নিৰ্মিত হ'ল।

চৰণে জানে মৰণৰ স্থান। ক'ৰ কোন গাৰ্গী—অসমৰ কোন মহা পণ্ডিত ৺দুৰ্গানন্দ গোস্বামীৰ বিদুষী সুকন্যা গাৰ্গী এক প্ৰকাৰ ইচ্ছা মৃত্যু বৰণ কৰা নীলকণ্ঠ শিৱানন্দৰ লগত সহমৰণ ল'লেহি। দুৰ্বোধ্য ৰহস্যময় সংযোগ! আৰু ৰমা। নীলকণ্ঠ—শিৱানন্দৰ সংযুক্ত সত্তাটোৰ

অৰ্দ্ধভাগ। তেওঁ কি প্ৰচ্ছন্ন সাৰদাৰ পথটোকেই লৈ, মৌনী হৈ নীলকণ্ঠক অমৰ কৰিলে নেকি? সাৰদা মাত্ৰ সবাক আছিল—নহলে নীলকণ্ঠৰ কৰ্ম-প্ৰেৰণা মূৰ্ত হৈ উঠাৰ কোনো উপায় নাছিল।

শিৱানন্দৰ বাবে মাজত চিতা সজা হৈছিল। দুযোকাষে গাৰ্গী আৰু ৰমাৰ চিতা। তিনিখন চিতাৰ ভস্মস্তূপৰ মাজত চতুৰ্থ প্ৰহৰ নিশা অমৰ বহি ৰ'ল। সন্ন্যাসী, শিষ্য আৰু আন কেইজনমানৰ অনুৰোধ সত্ত্বেও অমৰে কাৰো পিনে এবাৰো মূৰ দাঙিকেই নাচালে। 'শোক আৰু অনল শান্তিত ধৰি ৰাখিলে হৃদয়ক—চকুপানীবোৰ অন্তৰত গোট মাৰি গৈছে বাষ্পৰুদ্ধ হৈ অন্তৰ ফাটি ছিৰাছিৰ হৈ যাব পাৰে।'—অমৰৰ বেদনাৰ ভগ্নস্তূপ—বেদনা ক্লান্ত অন্তৰৰ কাৰুণ্যময় উক্তি।

মাঘ মাহৰ ভীষ্ম একাদশীৰ ৰাতিটো অমৰে অনলসভাৱে পিতৃ-মাতৃ আৰু অজ্ঞাত প্ৰেম-মাতৃৰ চিতা-ভস্মখিনিৰ কাষতে পৰি থাকিল। শেষনিশা চলমলিয়া টোপনিত অমৰে সেই মহাশ্মশানৰ বুকুতেই সপোন দেখিলে—শিৱৰ জটাৰপৰা ওলাই আহি গঙ্গা গাৰ্গীয়ে পৰম তৃপ্তিৰে ৰমাৰ কোলাৰপৰা লৈ গৈ অমৰক চুমাৰ উপৰি চুমা খাইছে আৰু দুয়ো আনন্দাশ্ৰুপাত কৰিছে। পিতৃ নীলকণ্ঠই মৌন হৈ আশীৰ্বাদ দিছে। অমৰে দেখিলে—ওচৰতে থকা মাৰ্বল পাথৰৰ নীলকণ্ঠ দেৱাদিদেৱ মহাদেৱৰ সদায় দেখি অহা কণ্ঠৰ নীল খিনি যেন আঁতৰি গৈছে—নীলাগুচি শুভ্ৰ হৈ গৈছে। অমৰক পিতৃ নীলকণ্ঠ শিৱানন্দই যেন কৈছে—'অমৰ! তুমি দেশৰ মাটি, দেশৰ বায়ু, দেশৰ পানীত বিলীন হৈ যোৱা, দেশৰ ভাষা-সাহিত্য-সংস্কৃতি, ধৰ্ম-কৰ্ম, আচাৰ নীতি—সকলোবোৰৰ মাজতেই তুমি তোমাৰ মন বুদ্ধি, বিবেক, অন্তৰ আৰু আত্মাক উটুৱাই দিয়া দেখিবা, তুমি বিমল শান্তি পাইছা। এয়েই ভগৱানৰ পূজা, অৰ্চনা, ভক্তি, সাধনা। ইয়াৰ মাজতেই ভগৱান প্ৰচ্ছন্ন হৈ আছে। বাহিৰৰ প্ৰদৰ্শনীমূলক পূজাসেৱাত ভগৱানক পাব নোৱাৰা, স্বাৰ্থ নিহিত সকাম পূজাৰ

অনুষ্ঠানত ভগৱানক পাব নোৱাৰি। ভগৱানে হয়তো ভাবে—'এই ভেটি খাই প্ৰাৰ্থকৰ গালিখোৱা অৰ্থচাৰ বা বিষয়া জানো? শুদ্ধ-পবিত্ৰ আৰু নিষ্কাম কৰ্মতহে তোমাৰ ভগৱানক—'অৰ্থাৎ মোক পাব পাৰি—'অসক্তোহ্যাচৰণ কৰ্ম পৰমাপ্নোতি পুৰুষঃ ॥ [৩-১৯ গী] আৰু প্ৰকৃত শান্তিও পাব পাৰি। নিষ্কাম কৰ্ম ফলটোৱেহে সদায় পবিত্ৰ হৈ বিৰাজ কৰে।'

হঠাৎ কোনোবা এটি প্ৰভাতী-বিহংগৰ কল-কণ্ঠত অমৰ সাৰ পাই উঠিল। তেওঁৰ ধ্যানালোকৰ সপোন উৰলি গ'ল। মোহনিদ্ৰাৰ মূৰ্ছনা আৰু আবেশ অন্তৰ্হিত হোৱাতহে তেওঁ বাস্তব অৱস্থাটোৰ বিষয়ে অৱগত হ'ল—তেওঁযে শ্মশানভূমি শায়িত॥

হাজাৰ মন্দিৰ বুকুত পাৰণকৰা চহৰখনে যেন নিজেই হাজাৰ ঘণ্টাধ্বনি কৰি সুপ্তি-কবলিত দেহক জাগ্ৰত কৰি তুলিলে—সৰ্ববাদ্য মধ্যে ঘণ্টা সৰ্বমংগল হেতবে। পূব আকাশত বগা ডাৱৰবোৰ শ্বেত-গম্ভীৰ গতিৰে সঞ্চালিত হব ধৰিলে। হিৰণ্যগৰ্ভৰ আৱৰণ বিদাৰণ কৰি প্ৰভাতৰ ভাস্কৰ ভাস্বত হৈ উঠিল। স্নানাৰ্থি যমুনাজলত কোনোবা কুলীন গোড়া ব্ৰাহ্মণে সবিতা স্তুতি আৰু ধ্যানমন্ত্ৰ আওৰালে - নীলকণ্ঠৰ সেই প্ৰত্যহ প্ৰভাতস্তুতি নাম॰

উদয়ং গিৰিমুপেতং ভাস্কৰং ক্ষ্মবৰ্ণং
নিখিল-ভুৱননেত্ৰং অজ্ঞানধ্বান্তহৰম।
প্ৰোজ্জ্বলজ্জ্বল ধনং চৰাচৰ প্ৰাণ-পৰং
নমামাহং তং সৱিতুৰ্বৰেণাম ॥

ওঁ ক্ষত্ৰিয়ং কাশ্যপং ৰক্তং কলিংগং দ্বাদশাঙ্গুলম্।
পদ্মহস্তদ্বয়ং পূৰ্বাননং সপ্তাশ্ববাহনং ॥
শিৱাধিদৈৱতং সূৰ্য্যং বহ্নিপ্ৰত্যাধিদৈৱতম ॥

অৱস্থাটো উপলব্ধি কৰি অনৰ কিঞ্চিত ৰোমাঞ্চিত হৈ উঠিল। মাঘ মহীয়া হেট্টুযৈধৰা শীতৰ ৰাতি তেওঁ একবস্ত্ৰেহে কুঁৱলীৰ ডাঠ-চামনী-খনৰ তলতেই শ্মশানত পৰি আছে। শ্মশানৰ চিতা-ভস্মৰ তাপ এতিয়াও গন্ধমাত্ৰাই যেন বিকীৰ্ণ হবই লাগিছে। হেঙুলীয়া বৰণে আবৃত কৰা ভস্মস্তুপৰ মাজৰ পৰা এতিয়াও অৰ্ধ স্থানত ধুম্ৰ-শিখা নিৰ্গত হৈ আছিল। অনৰে তিনিখন চিতাৰ ভস্মস্তুপতেই অষ্টাংগে প্ৰণিপাত কৰি পূণ্যতোয়া যমুনাৰ বুকুলৈ নামি গৈ স্নানাদি কৰি সমাপন কৰিলে। ব্ৰহ্মমুহুৰ্ততেই আশ্ৰমৰ সন্ন্যাসীবোৰ শৱ যাত্ৰী সহস্ৰ জনতা আৰু আন বহুতো মানুহ ইতিমধ্যে শংকাকুল হৈ অনৰক বিচাৰি শ্মশানৰ ফালে আহিছিল। তেওঁলোকে ঠিক যমুনাৰ বুকুতেই অনৰক দেখি ভীত হৈ উঠিল। ভাব-বুজি অনৰে স্বাভাৱিকভাবে মূৰ দাঙি চালে।' ভয় নাই—ভয় নকৰিব মোৰ বহুত কাম আছে—বহুত আধকৰা কাম। বহুত কামৰ সংগম এতিয়াও হোৱা নাই।'

সন্ন্যাসী আৰু আন সমবেত জনতাৰ কণ্ঠত উদাত্ত স্বৰত উচ্চস্বৰত উচ্চাৰিত হৈ উঠিল—স্বামীজী অমৰ হ'ল। নদীৰ পাৰৰ আশ্ৰমৰ সেই টিলালৈ ধ্বনিবোৰ ঢৌ খেলি খেলি প্ৰবাহিত হৈ গ'ল। সেই উদাত্ত সুৰধ্বনি টিলাত ঠেকা খাই প্ৰতিধ্বনিত হৈ ফিৰি আহিল—'স্বামীজী অমৰ হ'ল, স্বামীজী অমৰ হ'ল, স্বামীজী অমৰ হ'ল'। হঠাৎ জনতাৰ মাজৰ পৰা—নমল, বিমল, পাৰ্থপ্ৰতিম আৰু পদ্মশ্ৰীহঁত লৰাই আহি অমৰৰ সাৱটি ধৰি শাৰী শাৰীকৈ অশ্ৰু বোৱালে। বিপুল জনতা মৌন শোভাযাত্ৰা কৰি আশ্ৰমাভিমুখী হ'ল। তেওঁলোকৰ সকলোৰেই হাতত তিনিওখন চিতাৰেই ভস্মপূৰ্ণ পাত্ৰ, আৰু মুখত 'স্বামীজী অমৰ হ'ল'—মন্ত্ৰ— ওঁ শান্তি, ওঁ শান্তি, ওঁ শান্তি।